# মোৰ জীৱন-সোঁৱৰণ

লক্ষ্মীনাথ বেজবৰুৱা

এ. বি. এণ্টাৰপ্ৰাইজ
পাণবজাৰ, গুৱাহাটী—১

**MOR JIVAN-SOWARAN** *reminiscences of his own life recalled by Lakshminath Bezbaruah & published by A. B. Enterprise, Panbazar, Guwahati-781001.*

প্ৰকাশক ঃ
এ বি· এণ্টাৰপ্ৰাইজ
পাণবজাৰ
গুৱাহাটী-৭৮১০০১

পৰিবেশক ঃ
বনলতা
পাণবজাৰ
গুৱাহাটী-১

মুখ্য কাৰ্যালয়
নতুনবজাৰ
ডিব্ৰুগড়-৭৮৬০০১

সুলভ সংস্কৰণ

সুলভ মুদ্ৰণ ঃ অক্টোবৰ, ১৯৯২

মূল্য ঃ ৩৫·০০ টকা মাত্ৰ

মুদ্ৰক ঃ
শ্ৰীতুলসীচৰণ বক্সী
নেচনেল প্ৰিণ্টিং ৱাৰ্কছ
৩৩ডি, মদন লেন
কলিকতা-৭০০০০৬

# উছৰ্গা

পৰম পূজনীয় আই,

শ্ৰীমতী ঠানেশ্বৰী দেৱীৰ কৰ কমলত পৰম পূজনীয় পিতৃ দেৱতাৰ এই সংক্ষিপ্ত জীৱন-চৰিত অৰ্পণ কৰিলোঁ।

লক্ষ্মীনাথ

# মোৰ জীৱন-সোঁৱৰণ

## ॥ প্ৰথম ভাগ ॥

## ॥ প্ৰথম আধ্যা ॥

কোন শকৰ কোন তাৰিখে মোৰ জন্ম হৈছিল, মোৰ মনত নাই পিতৃ-মাতৃৰ মুখৰ-পৰা সেইটো সৰুতে শুনিছিলোঁ যদিও পাহৰিলোঁ। মই ডাঙৰ হলোঁ যেতিয়া মনতে এটা শক ভাবি সাজি লৈ মোৰ জন্মৰ শক তাৰিখ নিদিলে নচলা কাৰ্য্যবোৰৰ নিমিত্তে সেইটোকে ব্যৱহাৰ কৰিছিলোঁ। কাৰবাক লাগিলে, সেই শক তাৰিখটোকে এইখিনিতে দিব পাৰোঁ। যথা—১৮৬৮ খৃষ্টাব্দ, নবেম্বৰ মাহ। কিন্তু ইয়াৰ দ্বাৰাই কাৰ কি লাভ বা লোকচান হব ক'ব নোৱাৰোঁ। এই পৃথিৱীত মোৰ প্ৰদত্ত এই শকটোৰ দুবছৰ নাইবা চাৰিবছৰৰ আগতে, নাইবা পিছতে মই অম্ৰাসুৰ ধ্বংস কৰিবলৈ জন্ম লোৱাৰ বাৰ্তাৰ শুনি, জানি, ভণি, তাৰ দ্বাৰাই এই মনুষ্যলোকৰ কিবা হানি-বিঘিনি বা উপকাৰ-অনুপকাৰ হব বুলি মোৰ মনে নধৰে।

আমাৰ ঘৰত যে কাৰো জন্ম পত্ৰিকা বা সোঁৱৰণী কৰা নহৈছিল এনে নহয়, বৰং এই ৰীতি নিখুঁতকৈ অৱলম্বন কৰা হৈছিল আৰু এতিয়াও হৈ আহিব লাগিছে, এইটো থিৰাংকৈ জানো। মোৰো যে সোঁৱৰণী পূৰ্বাপৰ প্ৰচলিত প্ৰথামতে পিতৃদেৱতাই কৰাইছিল, এইটোও নিঃসন্দেহৰূপে জানো, আৰু সেই সোঁৱৰণী ঘৰৰ আনবোৰ ল'ৰা-ছোৱালীৰ সোঁৱৰণীৰ দৰে অতি যতনকৈ অতি সাৱধানে এটা টোপোলাৰ ভিতৰত বান্ধি ৰখা হৈছিল, এইটোও নিঃসন্দেহ, কাৰণ সেই টোপোলাটো মই নিজ চকুৰে দেখিছিলোঁ। আমি ল'ৰাবোৰে কিন্তু সেই টোপোলাটো সহজে ঘোটা-ঘুটি কৰিবলৈ নাপাইছিলো, কাৰণ পিতৃদেৱতাৰ হুকুম নাছিল। কোৱা বাহুল্য যে পিতৃদেৱতাৰ প্ৰতি আমাৰ অশেষ ভয় আৰু ভক্তি আছিল, সহজে কোনো এটা কথা লৈ তেওঁৰ কাষ চাপিবলৈ আমি ভয় কৰিছিলোঁ। তেওঁ যদি কোনো এটা কাম কৰিবলৈ আমাক হাক দিয়ে, সেইপিনে মুখকে নকৰিছিলোঁ। কোনো বিষয়ত কেওঁৰ অবাধ্য হোৱা বা তেওঁৰে সৈতে উত্তৰা-উত্তৰি কৰাটো আমাৰ সপোনৰ অগোচৰ আছিল। আমাৰ জীৱনৰ লেখ-বুজ থুপকৈ থোৱা সেই টোপোলাটো চুবলৈ আমাক দেউতাই মানা কৰিছে যেতিয়া বহু! আমি তাৰ চিন্তা এক প্ৰকাৰ এৰিকে দিছিলোঁ, যদিও এইখিনিতে কোৱা আৱশ্যক যে আমাতকৈ বয়সে ডাঙৰ দুজন এজনে লুকাই চুৰকৈ কোনো কাচিৎ সেই টোপোলাৰূপী জ্ঞানবৃক্ষৰ ফল যে নাখাইছিল আৰু সেইফলৰ এচকল আদচকল সেই ফলভোক্তাজনৰ পৰা আমিও যে নাপাইছিলোঁ সেইটো ন দি ক'ব নোৱাৰোঁ।

১৮৮৬ খৃষ্টাব্দত শিৱসাগৰৰ গৱৰ্ণমেণ্ট হাইস্কুলৰ পৰা এণ্ট্ৰেন্স পৰীক্ষাত উঠি মই কলিকতাত পঢ়িবলৈ আহিলোঁ আৰু তাৰ দুবছৰৰ পিছত ১৮৮৮ খৃষ্টাব্দত এফ. এ.

পৰীক্ষাত উঠিলোঁ যেতিয়া, তেতিয়া মই ভাবিলোঁ, মই আৰু আগৰ সেই 'ল'ৰাহ'তৰ' ভিতৰত নাই, ডাঙৰৰ শাৰীলৈ 'প্ৰমোশ্যন' পাইছোঁ, এতেকে মোৰ অনেক দিনৰ আকাংক্ষা এতিয়া সহজে পূৰোৱাত আৰু কোনো বিঘিনি নঘটিব ; ইয়াকে ভাবি মই কলিকতাৰ পৰা এবাৰ মোৰ সোঁৱৰণীখন খুজি দেউতালৈ চিঠি লিখিলোঁ। কিন্তু এফ, এ, পাছ মোৰ স্বৰাজ লাভ কৰিবৰ যোগ্যতাৰ বিষয়ে দেউতাৰ যদিও তেতিয়া আপত্তি নাছিল, তথাপি মোৰ দুৰদৃষ্টৰ গুণত মোৰ চিঠি পাই তেওঁ 'ওলোটা বুজিলি ৰাম' হ'ল। দেউতাই ভাবিলে মই মনে মনে বিলাতত পঢ়িবলৈ যাবলৈ ফন্দি কৰিছোঁ সেই দেখিহে এতিয়া মোক সোঁৱৰণী লগা হৈছে। গতিকে উত্তৰত মই দেউতাৰ পৰা সোঁৱৰণী সলনি ভাবি আৰু বিলাত যাত্ৰাৰ বিৰুদ্ধে অলংঘনীয় শপত পালোঁ। এই-খিনিতে লাহেকৈ কৈ থওঁ যে যদিও এই সোঁৱৰণী প্ৰাৰ্থনা-ব্যাপাৰৰ কালত মোৰ বিলাত প্ৰয়াণৰ নিচিনা কোনো দুৰভিসন্ধি নাছিল, তথাপি যে কিছুকালৰ পিছত মোৰ মনত এনে এটা অদম্য আকাংক্ষা উদ্ভূত হোৱা নাছিল আৰু সেই আকাংক্ষা পূৰ্ণ কৰিবলৈ চেষ্টা কৰাও নাছিলো, মন খুলি এনেকৈ ক'ব নোৱাৰোঁ, কিন্তু এইটোও কওঁ যে তেতিয়াও পিতৃদেৱতাৰ অলংঘনীয় শপতে মোৰ সেই দুৰ্দান্ত আকাংক্ষাৰ "উচ্ছ্ৰিত মণ্ডত চঢ়ি কেশত ধৰি তাৰ ঘণ্টা লাড়ি" পিতৃ ভক্তিৰূপ জগতৰ ভৰ দি তাক মাৰি মোৰ মন-সমজ্যাত পেলাই চোঁচৰাই লৈ ফুৰাবলৈ নেৰিছিল। পিতৃদেৱতা ঢুকুৱাৰ পিছত প্ৰপিতামহ, পিতামহ দেৱতাসকলৰ দিনৰে পৰা সংগৃহীত আৰু পিতৃদেৱতাৰ দ্বাৰাই অতি যত্নেৰে পৰিবৰ্ধিত আমাৰ ঘৰৰ মূল্যবান অসংখ্য পুৰাণ পুথিবোৰেৰে সৈতে সেই সোঁৱৰণীৰ টোপোলাটো কলৈ গ'ল, আজিলৈকে মই নাজানোঁ। ইত্যাদি কাৰণত, মোৰ জন্ম শকৰ সম্পৰ্কে মোৰ এই অজ্ঞতাৰ ইতিবৃত্ত আৰু স্বেচ্ছাপ্ৰদত্ত কৈফিয়ৎ, যদি কোনোবাই বিচাৰে, সেইজনৰ সন্তোষৰ নিমিত্তে এইখিনি দিয়া গ'ল, নতুবা ই অনাৱশ্যক আৰু অবান্তৰ মাথোন।

মোৰ জন্মস্থান। ক'ত সেই important অৰ্থাৎ সাৰুৱা ঘটনা ঘটিছিল, মই থিৰাংকৈ ক'ব নোৱাৰোঁ। জীৱিতসকলৰ ভিতৰতে কোনোৱে ক'ব পাৰে বুলিও মই বিশ্বাস নকৰোঁ। ইয়াৰ কাৰণটো কি, অৱশ্যে মই ক'বলৈ বাধ্য। মোৰ জন্মবিৱৰণ যিটো মোৰ শ্ৰুতিগোচৰ হৈছিল সেইটো নিম্নলিখিত প্ৰকাৰৰ—

৺পিতৃদেৱতা মুন্সেফ কামত নগাৱঁৰ পৰা বৰপেটালৈ বদলি হৈ নাৱেৰে গৈছিল। সেইকালত আসামত আজি-কালিৰ নিচিনা জাহাজ চলাচল যে নাছিল, সেইটো কোৱাই বাহুল্য। আহতগুৰি নামেৰে এডোখৰ ঠাইৰ বালিত গধূলি নাও বন্ধা হ'ল। ৺মাতৃদেৱীয়ে বালিত আঁৰ কাপোৰৰ ভিতৰত ভাত ৰান্ধিবলৈ সোমাইছিল, এনেতে তেওঁৰ গা বেয়া কৰাত তেওঁ ভাত ৰান্ধিবলৈ এৰি, নাৱৰ কুন্ধিলৈ আহিল, আৰু আজিৰ এই জীৱন-সোঁৱৰণ-লেখক তেতিয়াৰ কোনো এক শুভ মুহূৰ্তত ভূমিষ্ঠ নহৈ নৌকাস্থ হ'ল। শুনিছিলোঁ, সেইদিনা হেনো পূৰ্ণিমা আৰু ৺লক্ষ্মীপূজা আছিল ; সেইদেখিয়েই এই লেখকৰ নাম পিছত লক্ষ্মীনাথ ৰখা হৈছিল। বিৱৰণটোৰ গঢ়-গতি

এই। আঁহতগুৰিৰ কাষৰ ব্ৰহ্মপুত্ৰৰ সেই ভাতৰক্ষা বালি কেতিয়া তল গ'ল, সেই বালিৰ পৰা, সেই চাপৰি খহাই শান্তনু কুলনন্দন আমোঘা-গৰ্ভসম্ভূত লৌহিত্যই আকৌ কেতিয়া তাক ক'ত পাতিলে, মোৰ ভাৰসহোতা ব্ৰহ্মপুত্ৰৰ সেই চলন্তা পানী কলৈ বৈ গ'ল, কাঠৰ সেই নাওখন মোৰ জন্ম কুণ্ডিখটিৰে সৈতে কেতিয়া ক'ত পচি ভাগি ছিগি কোন পঞ্চভূতত বিলীন হ'ল, কোনে জানে, কোনে ক'ব পাৰে? হয়তো ব্ৰহ্মপুত্ৰৰ সেই চলন্তা পানী সাগৰত পৰি, কালক্ৰমত উভতি আকাশলৈ উঠি, ডাৱৰ হৈ বতাহৰ কোবত আকৌ ব্ৰহ্মপুত্ৰত বৰষুণৰূপে পৰি বৈ গৈ আকৌ সমুদ্ৰত পৰি, আকৌ কতবাৰ সেই পৰিৱৰ্তনৰ খেল খেলিছে; আৰু হয়তো তাৰে এটোপা গোটাদিয়েক কৃষ্ণবৰ্ণ দ্ৰব্যৰে সৈতে মিশ্ৰিত হৈ আজি এই লেখকৰ মৈলামত সোমাই কাপৰ আগেদি ওলাই এই তুলাপাতত লেখকৰ জীৱন-সোঁৱৰণ লেখাৰ সহায়ক হৈ পৰিছে, কোনে জানে, কোনে ক'ব পাৰে?

আমাৰ আসামত ল'ৰা উপজিলে উৰুলি দিয়ে, শংখ, ঘণ্টা বজায়, বৰ কাঁহ কোবায়; ছোৱালী উপজিলে ঢেঁকি কোবায় কুলা বজায়। প্ৰবসুৱা বালিৰ ওপৰত মোৰ জন্মোৎসৱ উপলক্ষে কোনে কি কৰিছিল, ক'ব নোৱাৰোঁ; কিন্তু মোৰ এজন ককাইদেৱে হেনো "আজিৰ পৰা আমি পাঁচোটা হলোঁ" এই বুলি আনন্দত টিকা চপৰিয়াই বালিৰ ওপৰত দেও পাৰি নাচি ফুৰিছিল, এইটো হলে মই ডাঙৰ হ'লত শুনিছিলোঁ।

বৰপেটাত পিতৃদেৱতা মুনচিফ হৈ তিনি বছৰমান আছিল। বৰপেটাৰ স্মৃতিৰ ভিতৰত মোৰ মাথোন চাৰিটা কথা ধূঁৱলি-কুঁৱলিকৈ মনত আছে ঃ

১ম টো। —বৰপেটাত বাৰিষা বৰ্ছাৰ নৈৰ পানীৰ ঢলে চহৰখন প্ৰায় তল নিয়ায়। এবাৰ তেনেকুৱা ঢলত আমাৰ ঘৰৰ চোতালতো একাঠুৱা পানী হৈছিল, আৰু সেই পানীত নামি মই মোৰ লগৰীয়া ভাগিন আৰু ককাইদেওসকলেৰে সৈতে ওৰে দিনটো খেদু খেদাই আছিলোঁ। সেই কথা গধূলি দেউতাই কাছাৰীৰ পৰা আহি শুনি তেওঁলোকক আৰু মোকো ধৰি চেকনিৰে কোবাইছিল।

২য় টো। —তেনেকুৱা বৰপানীত ক'ৰবালৈ দেউতাৰে সৈতে আমি নাৱেৰে যাওঁতে দেখিছিলোঁ, কিছুমান বনৰীয়া ম'হ সাঁতুৰি গৈছিল, আৰু দূৰৈৰ পৰা সিহঁতৰ ক'লা শিংবোৰ মাথোন দেখা গৈছিল।

৩য় টো। —দেউতাৰে সৈতে আমি বৰপেটাৰ কীৰ্তন ঘৰলৈ গৈছিলোঁ। কীৰ্তন-ঘৰৰ বৰখুটা, বৰগছা, আৰু কাথিত অৰ্থাৎ বহল পিৰালিত বহি, বুঢ়ী ভকতনীসকলে নাম গোৱা দেখিছিলোঁ। কীৰ্তনঘৰৰ বিষয়ে এই তিনিটা কথাৰ সাঁচ আজিলৈকে মোৰ মনত পৰি আছে।

৪ৰ্থ টো। —সত্ৰৰ হাটীত বৰবাহৰ আতৈৰ বহাৰ ভিতৰত হাতীখুজীয়া বাটিত ম'হৰ এঠা দৈ গাখীৰ আৰু এখামোচ গুৰেৰে স্নন্দৰকৈ কোমলা বোকা-চাউল বা কোমল চাউলৰ জলপান খাইছিলোঁ।

বৰপেটাৰ পৰা পিতৃদেৱতা তেজপুৰলৈ বদলি হৈ আহে, আৰু লগে লগে তেওঁৰ

উপসৰ্গ আৰু প্ৰত্যয় সকলবোৰ যায়। নাৰ্হেদি আহোঁতে বাটত দেউতাই আঙুলিয়াই আমাক দেখুৱা মনত আছে, "সেইটো হাতীমুৰা পৰ্বত। সেইটো ঘোৰা পৰ্বত। সেইটো শিঙৰি পৰ্বত।" ইত্যাদি।

মনত আছে,—এদিন আমাৰ নাও পৰ্বত এটাৰ কাষেদি উজাই আহোঁতে দেখিবলৈ পোৱা গ'ল যে এজনী মাইকী পহু নৈৰ পাৰৰ ঘঁহনিত মৰি পৰি আছে। নাও ওচৰ চাপিলত, পহুজনী নাৱৰীয়াহঁতে টানি আনি নাৱৰ আগ-চৰঠত তুলিলে। দেখি অনুমান হ'ল, অলপমান বেলিৰ আগতে বাঘে পহুজনী মাৰিছিল, কাৰণ বাঘৰ কামোৰৰ ন সাঁচ তাইৰ গাত জাজ্বল্যমান, আৰু তাৰপৰা তেতিয়াও তেজ টোপাটোপে বৈ আছিল। বোধকৰোঁ, পৰ্বতৰ গাত বাঘে পহুজনী ধৰিছিল, আৰু দুয়ো দৰৰা-দৰৰি কৰি বাগৰি বাগৰি আহি পানীৰ ঘঁহনিত পৰিছিল, এনেতে আমাৰ নাও অহা দেখি বাঘটো আঁতৰি গ'ল। যি হওক, আমাৰ নাৱৰ নাৱৰীয়াহঁতৰ আৰু লগুৱা-কেইটাৰ মহা আনন্দ মিলিল যে সিহঁতে গোট পহু এটা পাইছে, হেঁপাহ পলুৱাই পেট ভৰাই খাব। আমি ল'ৰাবোৰৰ মনতো যে তেনেকুৱা ভাবৰ সঞ্চাৰ নহৈছিল এনে নহয়; কিন্তু নাৱৰীয়া আৰু লগুৱাহঁতৰ অভিলাষ পূৰ্ণ হ'ল, আমাৰ নহ'ল; কাৰণ পহু মাইকী, সেইদেখি দেউতায়ো নাখালে, আৰু আমাকো খাবলৈ নিদিলে। বালক-বৃন্দৰ মৃগ মাংস ভোজনৰ প্ৰবল প্ৰবৃত্তি এইদৰে পৰাভূত হ'ল। জীৱিত অবলা জাতীয় প্ৰাণীৰ প্ৰবল শক্তিৰ কথাই নাই, মৃত অবলাও কেনে প্ৰবলা সেইটোৰ প্ৰমাণ আমি হাতে হাতে পালোঁ।

তেজপুৰলৈ আহি আমি ক'ত উঠিছিলোঁ, কাৰ ঘৰত আছিলোঁ আৰু কেতিয়া নিজৰ স্বকীয়া ঘৰলৈ গ'লোঁহক, মোৰ একো মনত নাই। মাথোন তেজপুৰৰ পৰ্বতৰ ওখ চাপৰ টিলাবোৰ আৰু বঙা বাট পথবোৰ দেখি মোৰ মনত যে নথৈ ৰং লাগিছিল, সেইটোহে মনত আছে; যথা—(১) আমাৰ ঘৰৰ কাষতে মুকলি ঠাই এডোখৰত সুন্দৰ সুগন্ধ ফুলেৰে ভৰি থকা টেপাই-তিতাৰ সৰু সৰু গছবোৰ। (২) দেউতাৰ সৈতে আমি নিকামুল সত্ৰলৈ যোৱা। (৩) তেজপুৰত এখন কুমাৰ গাঁও আছিল; কুমাৰবোৰ সততে আমাৰ ঘৰলৈ আহিছিল, আৰু সিহঁতে সদায় আমাক মাটিৰ জুনুকা আৰু ভুৰুকা উমলিবলৈ দিছিল। (৪) তেজপুৰতে মোৰ ভাই লক্ষ্মণৰ জন্ম হৈছিল; আৰু লক্ষ্মণ ওপজাৰ দিন চেৰেকৰ পিছতে আমাৰ আহিনী নামৰ বান্দীজনীৰ ল'ৰা এটা হৈছিল। আৰু মনত আছে, লক্ষ্মণক বিলাতী 'পিৰেম্বুলেটৰ' গাড়ীত তুলি ফুৰাবলৈ নিয়া দেখি আহিনীৰ পুতেক টোবামে সেই গাড়ীত উঠিবলৈ বৰকৈ কান্দিছিল; সেইবাবে দেউতাই বাঢ়ৈ এটা মতাই আনি তাৰ হতুৱাই কাঠৰ খিলা দিয়াই কাঠৰ সৰু মুকলি পেৰা এটাৰ গাড়ী এখন সজাই টোবামকো তাত উঠি ফুৰিবলৈ দিহা কৰাই দিছিল; আৰু গাড়ীত উঠি টোবামৰ যি মহানন্দ হৈছিল, সেইটো দেখি দেউতাই মহানন্দ পাইছিল।

আমাক ফুৰাব-মেলিবলৈ আৰু সততে আমাৰ তত্বাৱধান কৰিবলৈ আমাৰ দুৰ-

সম্পৰ্কীয় ককা এজন আছিল, তেওঁৰ নাম ৰবিনাথ মাজ্দলৰ বৰুৱা। তেওঁৰ ঘৰ যোৰহাটৰ পকামুৱা মৌজাত। তেওঁ যদিও সম্পৰ্কত আমাৰ ককা, কিন্তু বয়সত আমাৰ দেউতাতকৈ অনেক সৰু। তেওঁ আমাৰ ধেমালিৰ লগৰীয়া, কাৰ্যৰ অভিভাৱক, সাধু কথাৰ কুঁকি আৰু মহাভাৰত, ৰামায়ণ, পুৰাণ আদিৰ গল্পৰ টোপোলা আছিল। তেওঁ আমাক গধুলি পুৰাণ, মহাভাৰত, ৰামায়ণ আদিৰ পৰা ভাল ভাল উপাখ্যান সাধুকথাৰ গঢ়েৰে এনে মনমোহাকৈ বৰ্ণাই কৈছিল, যে আমি শুনি পৰমানন্দ লভি ভোঁ হৈ থাকোহঁক। পুৰাণৰ কাহিনীৰ বাহিৰেও ককাই আমাক ৰজা, প্ৰজা, ভূত, প্ৰেত আদিৰ সাধুও কৈ আমোদ আৰু ভয় প্ৰদান কৰিছিল। আমি কান্দিলে, তেওঁ 'বৰবুঢ়া', 'মাজুবুঢ়া' আৰু 'সৰুবুঢ়া' এই তিনি বুঢ়াৰ সাধুত এনে ৰহণ সানি ভয়ঙ্কৰকৈ কৈছিল যে আমি শুনি কন্দা এৰি ভয়তে টেপা খাইছিলোঁহক। এদিন আলিবাটেদি যোৱা এটা অদ্ভুত গঢ়েৰে কাপোৰ পিন্ধা ডটীয়া বুঢ়া মানুহ দেখি তেওঁ আমাক মাতিলে, "ল'ৰাহঁত! চাহঁকচোন, সৌটো মাজু বুঢ়া যাব লাগিছে।" আমি লৰি গৈ 'মাজু বুঢ়া'ক সোঁ শৰীৰেৰে যোৱা দেখা পাই এনে ভয় খাইছিলোঁ যে আমি কন্দাকটা, ডেওপৰা আৰু দুষ্টালিৰ সৈতে এমাহমানলৈকে সম্পৰ্ক পৰিত্যাগ কৰিছিলোঁহক, আৰু আমাক ধৰি নিবলৈ মাজু বুঢ়াক যেন তেওঁ আৰু নকয়, আমি আৰু কেতিয়াও নাকান্দো, দুষ্টালি নকৰোঁ, এই কথা দঢ়াই দঢ়াই কৈ ককাক কাবৌ কৰিছিলোঁ। আমাৰ সৰ্বতোভাৱে এনে পৰাজয় আৰু নিজৰ জয় ককাই সম্পূৰ্ণৰূপে উপভোগ কৰিছিল। কিন্তু পৰাজয়ৰ হীনতাৰ ভাব আমাৰ মনত সৰহ দিন স্থায়ী হোৱা নাছিল, আৰু হোৱাটো সম্ভৱো নহয়। অচিৰতে আমাৰ বাঢ়োঁতা কুমলীয়া মনৰ পছোৱাত মাজুবুঢ়া আহিছে বুলিলেই আমি মাজুবুঢ়াক সাং কৰিবলৈ লাখুটি জোকৰা হৈ উঠিলোঁ।

সুবিধা পালেই আমি ককাক জোকাবলৈ নেৰিছিলোঁ। আমি বালকবৃন্দই এদিন তেওঁৰ মূৰত দুডাল কি এডাল পকাচুলি আৱিষ্কাৰ কৰিলোঁহক। একে জাপেই তেওঁৰ কাষৰপৰা আঁতৰি আমি দল বান্ধি হাত চাপৰি বাই নাচি গাবলৈ ধৰিলোঁ—"ককা বুঢ়া হ'ল। ককা বুঢ়া হ'ল।" যদিও ককাই তত্তালিকে আমাৰ হতুৱাই পকা চুলি কেইডাল নিৰ্মূল কৰোৱালে, তথাপি সেইদিনাৰ পৰা আমি দূৰৰ পৰা ফকৰা এটা মাতি তেওঁক জোকাই তেওঁৰ খং তুলিবলৈ আৰু তেওঁক আমাৰ ফালে চোঁচা লোৱা দেখি গিৰ্জনি মাৰি হাঁহি ফিৰিঙতি ভগাদি ভাগি পলাই পথং দিবলৈ নাপাহৰিছিলোঁ। ককাক আমনি কৰা ফকৰাটো আমি ল'ৰাবোৰৰ ভিতৰৰ কাৰো দ্বাৰায় বিৰচিত নহয়, কাৰণ তেনে ৰচনা সেই বয়সত আমাৰ দ্বাৰায় ৰচিত হোৱাটো সম্ভৱ নাছিল। ককাৰ মূৰত পকা চুলিৰ আকস্মিক আৱিৰ্ভাৱৰ বাতৰি আমাৰ পৰা অৱগত হৈ ককাৰ কোন বিপক্ষদলৰ কোন প্ৰতিভাশালী ৰসিকে ককাৰ পকা চুলিৰ বিৰুদ্ধে সেইটো ৰচনা কৰি আমাক শিকাই দিছিল মোৰ মনত নাই, কিন্তু ককাৰ খং তুলি চাবৰ সম্পৰ্কে এনে ব্ৰহ্মাস্ত্ৰ আমাৰ হাতত আৰু আন এটা নাছিল।

ককাক দেউতাই নাম কাঢ়ি নামাতি মাজুদলৰ বৰুৱা বুলি মাতিছিল। তেওঁলোকৰ ঘৰে ৰজাঘৰৰ পৰা সেই বিষয় পাইছিল। দেউতাৰ গোঁসাই ঘৰৰ মূৰ্তি আৰু শালগ্ৰাম পূজা কৰাৰ বাব ককাৰ গাত আছিল, আৰু আমাৰ নাম প্ৰসঙ্গৰ অন্তত দেউতাকে প্ৰমুখ্য কৰি আমাক সকলোকে দীঘলীয়া আশীৰ্বাদ কৰিবৰ বাবটোও তেওঁৰ গাত আছিল। ককাৰ আশীৰ্বাদৰ দীঘলীয়া গত আজিলৈকে মোৰ মনত আছে।

ককা পুৱাই সোনকালে শোৱাপাটীৰ পৰা উঠিব নোৱাৰিছিল; অথচ আমাৰ পিতৃদেৱতা early riser, ব্ৰাহ্ম মুহূৰ্তত দেউতাই শয্যা ত্যাগ কৰিছিল। ককাকো বেলিকৈ শুই থকা দেখিলে দেউতা বৰ অসন্তুষ্ট হৈছিল। বেলিকৈ শুই থকা ককাক সেই দেখি দেউতাই ডাবি হুকি দি শোৱাপাটীৰ পৰা তোলাটো দেউতাৰ নিত্যকৰ্মৰ দৰে হৈ পৰিছিল। সেই সময়ত ককাৰ প্ৰতি দেউতাৰ সম্বোধনবোৰ আছিল, 'টোপনি গধুৰ'! 'গা গধুৰ'! ইত্যাদি। ককা কিন্তু নিদ্ৰাসুখত অটল স্বভাৱৰ আছিল। তেওঁ ডাবিও খাইছিল, মুখেৰে একাষাৰ কথাও নেমাতিছিল আৰু লগে লগে 'টোপনিৰ চিকুন পুৱা' এই বিচক্ষণ বচনৰ সাৰ্থকতা সম্পূৰ্ণৰূপে উপলব্ধি কৰি পুৱাৰ নিদ্ৰাসুখ যোলঅনা উপভোগ কৰিবলৈকো নেৰিছিল। গতিকে দেউতা আৰু ককাৰ ভিতৰত এই প্ৰাত্যহিক প্ৰাতযুদ্ধটো আমাৰ এটা উপভোগৰ বস্তু হৈ উঠিছিল।

আমি সকলোৱে দেউতাৰ সৈতে একে মজিয়াতে বহি ভাত খোৱা নিয়ম আছিল। আমাৰ ঘৰত ভাত খোৱা মজিয়াখনো সৰু সুৱা নাছিল, তাত কুৰি পঁচিশজনে নিৰ্বিবাদে শাৰী পাতি চাৰিওফালে বহি ভাত খাব পাৰে, আৰু সেইদৰে নিতৌ খোৱাও হৈছিল। দেউতা পুবফালে, পশ্চিমমুৱা হৈ বহিছিল। আন খাওঁতাসকল উত্তৰে-দক্ষিণে পশ্চিমে পৰস্পৰ মুখামুখি কৰি বহিছিল। বেৰাৰ ওপৰত থোৱা ডাঙৰ কাঁহীত দেউতাই ভাত খাইছিল আৰু সেই কাঁহীৰ চাৰিওকাষে তিনি চাৰিখন আঞ্জাৰ বাটি আৰু ওচৰতে গাখীৰৰ বান-বাটি সজাই দিয়া হৈছিল। বেৰা-কাঁহীত ভাত খাবলৈ বহিবলৈ খুৱা দিয়া বৰপীৰা, ওচৰত মুখ ধুবলৈ বৰ চৰিয়া আৰু খৰিকা লবলৈ খৰিকা দানিত একোছা ভালকৈ কটা খৰিকা থোৱা হৈছিল। বাকীসকলৰ কাঁহী-বাটি মজিয়াৰ মাটিৰ ওপৰত দিয়া হৈছিল। সভাত সভাপতিৰ যি কাম, মজিয়াৰ সভাত দেউতাৰো প্ৰায় তেনেকুৱাই কাম আছিল। মজিযাত হোৱা গম্ভীৰ গঢ়ৰ কথা-বাৰ্তাত দেউতাৰ সমালোচনা আৰু শেষ সিদ্ধান্ত এদনীয়া। সেই মজিয়াৰ সভাত আমাৰ ককা ৰবিনাথ বৰুৱা এজন সৰ্ববাদী সম্মত সংবাদদাতা আৰু সুযোগ্য বক্তা। দেউতাৰ অনুপস্থিতিত ওৰে দিনটো ঘৰে বাহিৰে সংঘটিত কাৰ্য কলাপবোৰ সংক্ষিপ্ত বা বাহুল্য বিবৰণ ককাৰ অভিৰুচিমতে ককাই সেই সভাত দেউতাৰ আগত 'পেচ' কৰিছিল। আমিতো ল'ৰাৰ দলে ওৰে দিনটো চট্‌ফটাই লৰি ঢাপৰি হাঁহি খিকিন্দালি মাৰি ফুৰোঁৱেই, আৰু দেউতা কাছাৰিলৈ যোৱা ডোখৰ কাল আমাৰ ৰাম-ৰাজ্য, তেতিয়া তাৰ মাত্ৰা স্বভাৱতে চৰেই। ককাই প্ৰায় আমাৰ বাল্য ক্ৰীড়াৰ ৰসভঙ্গ কৰি আমাক হুমিয়ায়, "ৰ, আজি ডাঙৰীয়া আহিলে কৈ দিম।" বালক সুলভ চপলতাৰ বশৱৰ্তী হৈ আমি অনেক সময়ত ককাৰ

গুৰু গম্ভীৰ গৰ্জন কাণৰ বিন্ধাত সোমাবলৈ নিদিওঁ, আৰু অনেক সময়ত ককাই খাই-বৈ দুপৰীয়া শোওঁতে তেওঁৰ গা পিটিকি দি, নাইবা পিঠিৰ ঘামচি মাৰি দি, সেই সেৱা শুশ্ৰূষাৰ ভেটীৰে তেওঁক শান্ত কৰি আগন্তুক বিপদৰ হাত সাৰোঁ। কিন্তু একো একো দিন আমাৰ দুৰ্দৃষ্টৰ ফলত এনেকুৱা শান্তিপ্ৰদ ভেটীয়েও ককাক শান্ত কৰিব নোৱাৰে। তেওঁ বালক আচাৰ্মীবোৰৰ পৰা অসঙ্কুচিত চিত্তে ভেটীও খায়, আৰু নিমখহাৰামী কৰি আচামীৰ বিৰুদ্ধে সাক্ষীও দিয়ে। ফলত, দোষৰ গুৰুত্ব-লঘুত্ব অনুসাৰে দেউতাৰ পৰা আমাৰ দণ্ড লাভ হয়। আমাৰ দায়দোষৰ বৃত্তান্ত মজিয়াৰ সভাত দেউতাৰ আগত 'পেচ' কৰাৰ আগতে ককাৰ গাত কিছুমান পূৰ্ব লক্ষণ প্ৰকাশিত হয়। সেই পূৰ্ব লক্ষণবোৰ তেওঁৰ গাত এনেকৈ ফুটি ওলায়, যে আমাৰ তীক্ষ্ণ দৃষ্টিৰ অগোচৰ হোৱাটো এক প্ৰকাৰ অসম্ভৱ। ককাক এনে লক্ষণাক্ৰান্ত দেখিলেই আমাৰ 'আহাবানন্দ' টুটি গৈ মন চুটি হৈ পৰে। ককাৰ মূৰটো যদিও খুৰুৱা, তথাপি মাজৰ চুলিকোছাৰ দখলত থকা ঠাইৰ ক্ষেত্ৰফল বা কালি খুৰুৱা ডোখৰৰ ক্ষেত্ৰফলতকৈ কোনো মতে ন্যূন নাছিল। তেওঁৰ দীঘল চুলি কোছাৰ আগত টিকনিৰ যিটো থোপোৰা গাঁথি আছিল, সেইটোও পৰি মৰা বিধৰ নাছিল। ভুঁইকঁপৰ আগতে যেনেকৈ প্ৰকৃতিৰ এটা গমুগমীয়া আকৃতি দেখা যায়, আমাৰ বিৰুদ্ধে মোকৰ্দমা 'ৰুজু' কৰিবৰ আগতে ককাৰো তেনে এটা আকৃতি পৰিলক্ষিত হয়। মুহূৰ্ততে তেওঁৰ গলধনত, সুগন্ধ ফুল আৰু তুলসীৰ নিৰ্মালিৰে বিভূষিত হৈ মহাসুখে পৰি থকা চুলিৰ অগ্ৰবিলম্বিত গাঁঠিয়ে উগ্ৰমূৰ্তি ধৰি ককাৰ হাতৰ সহায়েৰে তেওঁৰ ব্ৰহ্মতালুৰ ওপৰত উঠে আৰু আমাৰ প্ৰতি বিৰুদ্ধ ভাব প্ৰদৰ্শন কৰি নিৰ্মমভাৱে ফেৰ পাতে। এনে sigral অৰ্থাৎ সাঙ্কেতিক চিহ্নই আমাক ক'বলৈ আৰু বাকী নাৰাখে যে, "ল'ৰাহঁত! আজি তহঁতৰ কালে পতং!" আমাৰ বিৰুদ্ধে ককাৰ যুদ্ধ যাত্ৰাৰ এইটো প্ৰথম stage বা অৱস্থা। দ্বিতীয় অৱস্থাটোক বজ্ৰপাতৰ আগতে বিজুলীয়ে চমক মৰাৰে সৈতে ৰিজাব পাৰি। তেওঁ আমাৰ ফালে চাই মূৰ দুপিয়াই আৰু দুই তিনিটা মিচিকিয়া হাঁহি মাৰে। তৃতীয় অৱস্থা— ইয়াৰ পিছতে দেউতাৰ প্ৰশ্ন,—"কি হৈছিল?" চতুৰ্থ অৱস্থা—"আজি লক্ষ্মীনাথে " ইত্যাদি অভিযোগ। পঞ্চম stage বা conclusion অৰ্থাৎ সামৰণি—দেউতাৰ হাতত সেইদিনাই বা পিছদিনা আমাৰ লাঞ্ছনা। যি হওক, এইটো কোৱা উচিত যে তথাপি আমি ল'ৰাবোৰে ককাক প্ৰাণ ভৰি ভাল পাইছিলোহঁক কাৰণ ককা আমাৰ ককা; আমাৰ ককা আমাৰ ধেমালিৰ লগৰীয়া আৰু সাধুকথাৰ ডাঙৰ থুনুপাক। এটা মহৎ গুণ ককাৰ গাত আছিল; তেওঁৰ অন্তৰটো বৰ কোমল। আমাৰ উদ্দণ্ডালিৰ বাবে দেউতাৰ হাতত মাৰ খুৱাবৰ গুৰি যদিও তেৱেঁই হয়, কিন্তু দেউতাই আমাক একোব দুকোব লগাওঁতেই তেৱেঁই আমাৰ ওপৰত পৰি আমাক মাৰৰ হাতৰ পৰা ৰক্ষা কৰে।

সেইডোখৰ কালত ককাৰ বয়স ৩৫ অৰ কম আৰু ৪০ৰ ওপৰ নাছিল। কিন্তু তেতিয়াও তেওঁ অবিবাহিত। আমি যতদূৰ জানো, আগৰ দিনত অসমীয়াৰ ভিতৰত মতা মানুহে কম বয়সত বিয়া কৰোৱা দস্তুৰটো নাছিল বুলিলেই হয়। ডেকা ত্ৰিশ-

পঁয়ত্ৰিশ বছৰীয়া হৈ উপাৰ্জনক্ষম হলেহে তেওঁৰ বিয়াৰ চেষ্টা কৰা হৈছিল। কিন্তু কি দুখৰ বিষয় আজিকালি বঙ্গদেশৰ চোৱে কোবোৱা বাবেই হওক বা অসমীয়া ভদ্র সমাজৰ অৱস্থাৰ কোনো কাৰণত পৰিবৰ্তন ঘটাৰ বাবেই হওক, সেই পুৰণি healthy সুস্থ প্ৰথা কমি আহি তাৰ ঠাই বঙ্গদেশৰ নিচিনা, শহুৰ-শাহুৰ পৰা ধন লৈ কম বয়সত বিয়া কৰোৱা ( early marriage ) ঘৃণিত প্ৰথাই অধিকাৰ কৰি আহিছে। অসমীয়াৰ ঘৰত বঙালীৰ শাৰীৰ আক্ৰমণৰ উপদ্ৰৱৰ নিচিনা ইও এটা আদিভৌতিক উপদ্ৰৱ মাথোন। আই আসাম! তুমি এই উপদ্ৰৱৰ প্ৰতিৰোধ কৰিব নোৱাৰানে? নিশ্চয় পাৰিবা। এই উপদ্ৰৱ তোমাৰ স্কন্ধেকীয়া আত্ম-বিস্মৃতিৰ ফল মাথোন।

তেজপুৰতে এঘৰ দুখীয়া ব্ৰাহ্মণৰ ছোৱালী এজনীৰে সৈতে দেউতাই ককাৰ বিয়া পাতে। বিয়াৰ দিনাৰেপৰা ককাৰ পত্নী আমাৰ ঘৰতে থাকি ডাঙৰ-দীঘল হয়। আমাৰ চুটিমুটি বুঢ়ী আইক পাই আমাৰ মন আনন্দেৰে উপচি পৰিল। বুঢ়ী আযো সততে আমাৰ খেমালিৰ লগৰীয়ানী হ'ল।

## ॥ দ্বিতীয় আধ্যা ॥

লখীমপুৰ। তেজপুৰৰপৰা পিতৃদেৱতা লখীমপুৰলৈ বদলি হ'ল; আৰু আমি ছাঁবোৰো লগে লগে লখীমপুৰ পালোঁহি। আহিয়েই আমি কাৰ ঘৰত উঠিছিলোঁ মনত নাই, কিন্তু দেউতাই দহ-বাৰ দিনৰ ভিতৰতে ঢোল, ঢাপ, টাটী, চকোৱাৰে সম্পূৰ্ণ কৰি সজোৱা আহল-বহল ন ঘৰলৈ যোৱাটো মনত আছে। আৰু মনত আছে—ন ঘৰ লোৱাৰ দিনা হোৱা নাম-প্ৰসঙ্গ, পূজা-সেৱাৰ উৎসৱৰ আহল-বহল উছাহটো।

আমাৰ ঘৰৰ ওচৰতে সিদ্ধেশ্বৰ নামৰ সোণাৰি এজনৰ ঘৰ আছিল। তেওঁ সোণ-ৰূপৰ অলঙ্কাৰ গঢ়া কাম কৰিছিল দেখি সকলোৱে তেওঁক সিধাই সোণাৰি বুলিছিল। যেতিয়াই সুবিধা পাইছিলোঁ, আমি সিধাই সোণাৰিৰ সোণাৰি-শাললৈ শুভাগমন কৰি তাত বহি একান্তমনে, তেওঁ কেনেকৈ সোণ ৰূপ মহীত দি ছাগলী ছালৰ ভাতীৰে ফোচ্‌ ফাচ্‌কৈ বতাহ দি গলাই লৈ নমাই চেঁচা পানীৰ চৰুত জুৰুৱাই অলপ টান কৰি নিয়াৰিৰ ওপৰত থৈ হাতুৰিৰে কোবাই কোনো এবিধ অলঙ্কাৰ বা আন বস্তু গঢ়িছিল, সেইবোৰ অতি মনোযোগেৰে সৈতে নিৰীক্ষণ কৰি কৌতুহল চৰিতাৰ্থ কৰিছিলোঁ। সিধায়ে কেৰু-মণি আৰু খাৰুত কেনেকৈ বাখৰ পতাইছিল, কেনেকৈ মিনা কৰিছিল, ৰঙা, নীলা আৰু কলপতীয়া কাচৰ মণি ভাঙি তাৰ একো টুকুৰা সঁচা বাখৰৰ শাৰীত ধৰিব নোৱাৰাকৈ কেনেকৈ বহুৱাইছিল, ইত্যাদি কাৰ্য আমি উৎসাহ আগ্ৰহেৰে লক্ষ্য কৰি আমোদ পাইছিলোঁ যে অনেক সময়ত উৎসাহৰ সোঁতত মগ্ন হৈ ভাতীত হাত লগাই সোণাৰিক সহায় কৰি নিজক কৃতাৰ্থ মানিছিলোঁ। একো একো দিন মই মাতৃদেৱীক কুটুৰি কুটুৰি খুজি একোটা ডবল পইচা লৈ গৈ তাৰে সোণাৰিৰ হতুৱাই একোটি সৰু খুৰি-বাটি সজাই লৈছিলোঁ আৰু সেই খুৰিত মোৰ কোমল মনৰ মৰম এখুৰিকৈ ভৰাই আপুৰুগীয়াকৈ সাঁচি থৈছিলোঁ। মনত আছে, এই সোণাৰিৰ হতুৱায়ে দেউতাই আইলৈ ১,২০০ টকা বেচৰ এযোৰ সুন্দৰ বাখৰ পতোৱা খাৰু গঢ়াই লৈছিল। সোণাৰি-শালত সেই খাৰু বোধনৰ দিনাৰেপৰা বিসৰ্জনৰ দিনালৈকে তাৰ সকলো অৱস্থা মোৰ সাগ্ৰহ আৰু সকৌতুক নিৰীক্ষণৰ বিষয় হৈছিল। সিধাই সোণাৰিৰ জয়া নামেৰে সোণাৰি-গঢ়ী দীপুলিপু ছোৱালী এজনী আছিল। মোক কোনে কি দিছিল ক'ব নোৱাৰোঁ, অনেক দিনলৈকে মোৰ মনৰ এচুকত এটা ধাৰণাই ঠাই পাইছিল যে ধুনীয়া ছোৱালীটী সিছায়ে নিজৰ সোণাৰি-শালত গঢ়ি উলিয়াইছিল। জয়া আমাৰ ওমলাৰ লগৰীয়া হৈছিল; কিন্তু সততে নহয়, চকাচমকাকৈহে।

দুৰ্গেশ্বৰ শৰ্মা নামেৰে আমোলা এজনো আমাৰ ওচৰ-চুবুৰীয়া আছিল। তেওঁৰ ঘৰতো আমাৰ সমাগমৰ দুটী নৰ্ঘাটিছিল; ঘাইকৈ দুৰ্গোৎসৱৰ এমাহ মানৰ আগৰপৰা। দুৰ্গেশ্বৰে খনিকৰৰ বিদ্যা জানিছিল। নিজৰ ঘৰৰ পূজাৰ নিমিত্তে তেওঁ নিজ হাতে প্ৰতিমা সাজিছিল। প্ৰতিমা সাজিবলৈ আৰম্ভ কৰা দিনৰেপৰা তেওঁৰ কাষত আমাৰ সমাগম। কি উৎসাহেৰে মই প্ৰতিমাৰ নিমিত্তে বোকা খচা, জুমুথি বন্ধা আদি কাৰ্যত

শৰ্মাৰ সহায়ক হৈছিলোঁ আৰু লগে লগে নিজৰ কল্পনাৰ সহায়েৰে মোৰ মনোবৃত্তিকো খচি-বান্ধি মনতে কি অপৰূপ মায়াপুৰী সাজিছিলোঁ, ভাবিলে শৰীৰত ৰোমাঞ্চ হয়। মই ভাবিছিলোঁ, দুৰ্গেশ্বৰ খনিকৰে যেনেকৈ এই প্ৰতিমাৰ প্ৰত্যেক অংশ নিজৰ সুনিপুণ হাতেৰে গঢ়ি তুলিব লাগিছে, আমাকো আমাৰ বৰ খনিকৰ ঈশ্বৰে সেইদৰে পৰিশ্ৰম কৰি গঢ়ি এই পৃথিৱীত উমলিবলৈ পঠিয়াই দিছে। সৃষ্টিৰ এনে সহজ ব্যাখ্যা সহজভাৱে তেতিয়াই মোৰ মনত উদয় হৈছিল। শৰ্মাদেৱে প্ৰতিমা গঢ়ি তোলাৰ প্ৰত্যেক কাৰ্যৰ অংশতে মোৰ কৌতুহলৰ চকু পৰিছিল। ধল, হেঙুল, হাইতালৰ বৰণ পিহা-সনা কাৰ্যই প্ৰতিমাৰ গা, হাত, ভৰি, মুখ উজ্জ্বল কৰাৰ লগে লগে মোৰো মন উজ্জ্বল কৰি তুলিছিল। মনত আছে, এদিন দুৰ্গেশ্বৰ শৰ্মাদেৱক সুধিছিলোঁ—"দুৰ্গেশ্বৰ ককাইদেউ, এই হেঙুল, হাইতালবোৰ ক'ত পোৱা যায়?" তেতিয়া বেলি পৰিছে; পশ্চিম আকাশ বিচিত্ৰ বৰণেৰে চিত্ৰিত হৈ উঠিছে। তেওঁ ততালিকে সেইফালে আঙুলিয়াই দেখুৱাই ক'লে, "এইবোৰ মই সেই তাৰপৰা আনিছোঁ।" মই সুধিলোঁ, "আমিও আনিব নোৱাৰোঁনে?" তেওঁ উত্তৰ দিলে, "তহঁতে নোৱাৰা। গোসানী-পূজাৰ সময়ত মই আকাশী দেৱতাক খুজি আনো। —মোক দে দিয়ে।" মই মিনতিকৈ ক'লোঁ, "ককাইদেও, মোকো চপৰাচেৰেক আনি দিয়ক।" তেওঁ ক'লে, "বাৰু দিম।" ইয়াৰ পিছতো মই তেওঁৰ সেই প্ৰতিশ্ৰুতি তেওঁক সোঁৱৰাই দিবলৈ অনেক দিনলৈকে নাপাহৰি-ছিলোঁ। কিন্তু তেওঁ "দিম দিম" কৰি লাহে লাহে গা এৰা দিলে দেখি মই হতাশ হৈ আৰু খুজিবলৈ এৰি দিলোঁ।

শৰ্মাদেৱৰ প্ৰতিমা সজাত লাচনি-পাচনি কাৰ্যৰে "মদৎ" দিয়াৰ বেচ-স্বৰূপে এদিন তেওঁ সেই খচা কুমাৰ-মাটিৰে এটা সুতুলি সাজি মোক দিলে; আৰু যেনেকৈ ফুটাত মুখ দি ফুৱাই বজাব লাগে সেই কৌশলটোও শিকাই দিলে। মই কৃতজ্ঞ মনেৰে সুতুলিটো হাতত লৈ, দুবাৰ-চাৰিবাৰৰ ব্যৰ্থ চেষ্টাৰ পিছত, মোৰ মুখৰ ফুৰে আৰু আঙুলিৰ বুলনিৰে যেতিয়া সুতুলিৰ সুৰ তুলিলোঁ আৰু ক্ষন্তেকতে তাৰ মিহি কম্পন-ধ্বনিয়ে দশোদিশ কঁপাবলৈ ধৰিলোঁ, মোৰ হৃদয়-তন্ত্ৰীৰ আনন্দ-কম্পনো ততোধিক হৈ উঠিল। ক'ৰবাত এডোখৰ আহাৰৰ সন্ধেদ পাই ব্যস্ত-সমস্তভাৱে এটাৰ পিছত এটা, তাৰ পিছত এটা, —তাৰ পিছত আকো এটাকৈ, লানি নিছিগাকৈ লৰা গুৰিপৰুৱাৰ দৰে মোৰ সুতুলিৰ সুৰবোৰো লৰিবলৈ ধৰিলে। কেঁচা কুমাৰ-মাটিৰ দাগ লাগি মোৰ ওঁঠ বগা হ'ল, ফুৱাই ফুৱাই মুখত বিষে ধৰিবলগীয়া হ'ল, সেই উপসৰ্গবোৰলৈ মোৰ ভ্ৰুক্ষেপ নাই; মোৰ সুতুলিৰ সুৰ অবিৰামভাৱে চলিবলৈ ধৰিলে; চেনেহৰ চুমাৰ এঠাৰে এঠা খাই সুতুলি মোৰ মুখত লাগি গ'ল। সুতুলিৰ দৌৰাত্ম্য বাঢ়িলত আমাৰ গতিবিধিৰ পৰিদৰ্শক ৰবিনাথ ককাই মোৰ কাকুতি-মিনতিলৈ আওকাণ কৰি সুতুলিটো মোৰ হাতৰ পৰা কাঢ়ি নি নিষ্ঠুৰভাৱে শিল এছটাত এছাৰ মাৰি ভাঙি পেলালে। ককাৰ এনে নিদাৰুণ আচৰণত মোৰ দুচকুৰপৰা দুধাৰ লো বৈ গ'ল; মই দুখ-শোকত ম্ৰিয়মান হলোঁ। আমন-জিমনকৈ দুৰ্গেশ্বৰ শৰ্মাৰ ওচৰ পালোঁগৈ। মুখৰ গঢ় দেখি, মোৰ কি

হৈছে সুধি, জানি, মৰম পতিয়াই, তেওঁ মোলৈ আৰু এটা সুতুলি সাজি ৰ'দত শুকাবলৈ দিলে। সেইদিনাই আবেলি মই মোৰ হেৰোৱা নিধি নতুন সুতুলি লাভ কৰিলোঁ। অনতিবিলম্বতে সুতুলিৰ ভিতৰেদি সমুখিত আনন্দৰ কৰুণ সুৰে দিঙমণ্ডল মুখৰিত কৰিবলৈ ধৰিলে। দুখৰ বিষয়, এই সুতুলিৰো পৰমায়ু সৰহখিনি পৰ নাছিল; কংসাৱতাৰ ককাই সংবাদ পাই পুনৰ্জন্ম লাভ কৰা সুতুলিটিকো পূৰ্বৱতে শিলত আফালি বধ কৰিলে। এইবাৰ তেওঁ আৰু এখোজ আগবাঢ়ি সুতুলিৰ জন্মদাতা দুৰ্গেশ্বৰ শৰ্মাক বিশেষকৈ কৈ দিলে, যেন তেওঁ আৰু মোক ন-কৈ সুতুলি সাজি নিদিয়ে। ফলত, সুতুলি-সৃষ্টিৰ আদ্যাশক্তি নিষ্ক্ৰিয় হ'ল। কিন্তু উপায়হীনৰ উপায়দাতা সহায় হ'ল, মোক তেওঁ নতুন বাট উলিয়াই দিলে। মই আমাৰ ঘৰৰ লগুৱা ল'ৰা এটাৰ শৰণাপন্ন হলোঁ; সি মোক দ্বিতীয় শ্ৰেণীৰ সুতুলি এটা সাজি দিলে। কিন্তু যদিও পুনৰাগত এই সুতুলিত আগৰ দুটাৰ দৰে finish অৰ্থাৎ কাৰিকৰী নাছিল, আৰু যদিও তাৰ "গলা সুৰ-সুধা" নাছিল, তথাপি এই কণা মোমায়েই মোৰ অনেকখিনি অভাৱ পূৰণ কৰিলে। মই তাক হেপাহ পলুৱাই বজাই অতি সংগোপনে লুকাই থলোঁ। কিন্তু কংসৰ চোৰাংচোৱাৰ তীক্ষ্ণ দৃষ্টি সি অতিক্ৰম কৰিব নোৱাৰিলে; কোনো চৰিয়াৰ সহায়েৰে ককাই সেই গুপ্ত নিধি আবিষ্কাৰ কৰি লুপ্ত কৰি দিলে। অনুসন্ধানৰ ফলত ককাৰ জ্ঞানোদয় হ'ল যে, এইবাৰৰ সুতুলিৰ জন্মদাতা দুৰ্গেশ্বৰ শৰ্মা নহয়, আমাৰ লগুৱা ল'ৰাটোহে। তাক তেওঁ মাতি আনি কৰাকৈ ডাবি দি ক'লে যে ভৱিষ্যতত সি যেন আৰু তেনে দোষাৱহ কাম নকৰে। মই বাট এন্ধাৰ দেখি দুখত দুদিন নিৰুৎসাহ হৈ বহি আছিলোঁ। হঠাৎ বিজুলী মৰাৰ দৰে মনলৈ উছাহ আহিল; মই ভাবিলোঁ, মইনো নিজ হাতে সুতুলি এটা সাজি নলওঁ কিয়? যেনে ভাবোদয়, তেনে কাৰ্য। লৰি গৈ শৰ্মাৰ ঘৰৰপৰা কুমাৰ-মাটি এসোপা সংগ্ৰহ কৰি আনি সুতুলি সাজিবলৈ লাগি গলোঁ। প্ৰথম চেষ্টা বিফল হ'ল। দ্বিতীয় চেষ্টা সফল-বিফলৰ মাজতে ৰ'ল। তৃতীয় চেষ্টাত কৃতকাৰ্য হলোঁ। একপ্ৰকাৰ চলি যাব পৰা সুতুলি এটা মই স্বহস্তে নিৰ্মাণ কৰি পেলালোঁ আৰু ফুৰাই তাৰপৰা মাতো উলিয়ালোঁ। কৃতকাৰ্যতাৰ সফলতাত মোৰ মন উৰুলীকৃত হ'ল। দুপৰীয়া ককাই ভাত খাই উঠি শোৱাপাটীত পৰি নিদ্ৰাক আহ্বান কৰি আছিল, এনেতে হঠাৎ সুতুলিৰ সুৰৰ বাম-নাম তেওঁৰ কাণত পৰিল। তেওঁ উত্তেজিত হৈ একে চাবেই উঠি মোৰ ফালে চোচা ললে, মই দিলোঁ লৰ। মোক সৰহ দূৰলৈ খেদি যোৱাটো নিষ্ফল বুজি তেওঁ আঁতিৰৰপৰা ৰিঙিয়াই শাসন কৰি ক'লে—"বাৰু, আজি ডাঙৰীয়া কাছাৰীৰপৰা আহক, কোৰত তোৰ পিঠিৰ ছাল তোলাম!" এই শাসন-বাক্য শুনি মোৰ মন দমি গ'ল, মই কিছুমান বেলিৰ মুৰত উভতি আহি, তেওঁৰ হাতত মোৰ বুকুৰ বান্ধ সুতুলিটো সমৰ্পণ কৰি কাবৌ কৰি ক'লোঁ, "ককা প্ৰসন্ন হোৱা! এইটো সুতুলি; তুমি তাক শিলত আফালি চূৰ্ণ কৰা বা যি মন যায় কৰা; মই আৰু সুতুলি নবজাওঁ।"

বিদ্যাৰম্ভ। এদিন শুনিলোঁ, মোৰ বিদ্যাৰম্ভ কৰা হব। মোৰ মহানন্দ মিলিল

—পুথি পঢ়িব পাৰিম, কিতাপ পঢ়িব পাৰিম, মানুহলৈ চিঠি লেখিব পাৰিম। ভাল দিন-বাৰ এটা চোৱাই এদিন সেই কাৰ্য স্থসম্পন্ন কৰোৱা হ'ল। আমাৰ গুৰু-ঘৰ কমলাবাৰী থানলৈ সোণৰ ফুল এপাহ আগ কৰা, ঘৰত বামুণৰ হতুৱাই পূজা কৰোৱা, নিজৰ নামঘৰত ভালকৈ শৰাই এখন দি সকলোৱে মিলি-জুলি নাম গোৱা আৰু নামৰ অন্তত ৰবিনাথ ককাই, মই দীৰ্ঘায়ু আৰু সৰ্ব-বিদ্যাবিশাৰদ হৈ পিতৃ-কুল উজ্জ্বল কৰিবৰ অৰ্থে বিশেষৰূপে উচ্চাৰণ কৰি আশীৰ্বাদ কৰা কথাৰ স্মৃতি মোৰ মনত স্পষ্টকৈ পৰি আছে।

প্ৰথমতে ককাই মোক কলাপাতত ক, খ লেখিবৰ কৌশল শিকায় আৰু দিনো কলাপাত কাটি আনি কেনেকৈ তাক ধুলিৰে মোহাৰি চাফ্ চিকুণ কৰি লৈ তাত আখৰ লেখিব লাগে তাৰ দিহা কৰি দিয়ে। খাগৰিৰ কাপ কাটি লবলৈ আৰু কেৰাহীৰ বা মাটিৰ চৰুৰ গাত লাগি থকা ছাইত চলু চলুকৈ গৰু-মূত সানি মহী কৰিবলৈ আৰু মহী থবলৈ মাটিৰ বা বাঁহৰ চুঙাৰ মৈলাম বাৰত আঁৰি থবলৈ মৈলামৰ কাণত জৰী লগোৱা ইত্যাদি বিদ্যাও ৰবিনাথ ককায়েই মোক দান কৰে।

বিদ্যাৰম্ভ কৰি ক-ফলা পঢ়ি দুদিন চাই-দিনতে যে মই পাকৈত হৈ উঠিছিলোঁ, এনে তীক্ষ্ণ বুদ্ধিৰ ল'ৰা বুলি মই মোক কেতিয়াও ভাবিব নোৱাৰো। কাৰণ লেখা পঢ়াত মই বৰ চোকা বুধীয়া বুলি কেতিয়াও খ্যাতি লাভ কৰা মনত নাই। পিছৰ কালৰ স্কুল-কলেজতো মই a boy of mediocre ability অৰ্থাৎ মজলীয়া বিধৰ ল'ৰা বুলিয়েই চলি গৈছিলোঁ। ক, খ, লেখিব-পঢ়িবলৈ শিকাৰ পিছত, মদনমোহন তৰ্কালঙ্কাৰৰ বঙ্গলা 'শিশুশিক্ষা' প্ৰথম ভাগ মোক দিয়া হ'ল; কাৰণ সেই কালত দেশাধিকাৰসকলৰ বিপৰীত বুদ্ধিৰ বলত বঙ্গলা ভাষাহে আসামৰ বিদ্যালয়বোৰত শিকোৱা হৈছিল; অসমীয়াৰ আচল মাক অসমীয়া ভাষাই বকৰাণিতহে ঠাই পাইছিল আৰু বিদেশিনী বঙ্গলা ভাষাই আইৰ ঠাই অধিকাৰ কৰি লৈ অসমীয়া শিশুবোৰৰ মুখত মাতৃস্তনৰ সলনি "ফিডিং বটল" অৰ্থাৎ গাখীৰৰ কল দি সিহঁতক "কাল কাক, ভাল নাক" শিকাই তেওঁৰে সৈতে "খিলি খাই, মিলি যাবলৈ" কৈছিল। ঈশ্বৰৰ চৰণত সেৱা যে কালক্ৰমত দেশাটিকাৰসকলৰ এই ভ্ৰম ভাগিল, অসমীয়াই মাতৃ স্তনৰ স্বাভাৱিক ক্ষীৰধাৰা পান কৰিবলৈ পাই নিজক ধন্য মানিলে, অসমীয়াৰ মাতৃভাষা যে অসমীয়াহে, বঙলা নহয়, এই সত্য পুনৰ দৃঢ়ভাৱে স্থ-প্ৰতিষ্ঠিত হ'ল।

পিতৃ-দেৱতাৰ গাত এটা লক্ষণ বৰ পৰিস্ফুট আছিল। তেওঁ যদিও অতি নিষ্ঠাৱান পুৰণি ধৰণৰ হিন্দু আছিল, কিন্তু তেওঁৰ মন সদায় আচৰিত ৰকমে Progressive অৰ্থাৎ উন্নতিশীল আছিল। সময়ৰ সোঁতৰ বিৰুদ্ধে অনিয়ন্ত্ৰিতভাৱে থিয় হোৱাটো তেওঁ অনুচিত বিবেচনা কৰিছিল; বৰং দেশ-কাল-পাত্ৰ বুজি তেওঁ অনেক কথাত সময়ৰ সোঁতৰ গতিত বাধা দিবলৈ চেষ্টা নকৰি সহায়ভাহে কৰিছিল। তেওঁ যেতিয়া দেখিলে যে, ইংৰাজ ৰজাৰ ৰাজ্যত থাকি ইংৰাজী ভাষা, ইংৰাজী বিদ্যা নিশিকিলে মানুহৰ অৱস্থা পানীৰপৰা বাৰলৈ তোলা মাছৰ দৰে হয়, তেওঁ নিজেও অলপ-অচৰপ

ইংৰাজী শিকিবলৈ আৰু নিজৰ ল'ৰাবিলাককো ইংৰাজী স্কুলত নাম লগোৱাই দি ইংৰাজী শিকিবলৈ উৎসাহিত কৰিলে। লখীমপুৰত তেতিয়া ইংৰাজী-বঙলা কোনো বিধৰ স্কুল নাছিল। মোৰ অগ্ৰজ দুজন আৰু মোতকৈ ডাঙৰ ভাগিন এজনৰ ইংৰাজী শিক্ষাৰ সুবিধাৰ নিমিত্তে আৰু লগে লগে স্থানীয় মানুহৰ ল'ৰাকো সেই সুবিধা প্ৰদান কৰিবৰ নিমিত্তে অহোপুৰুষাৰ্থ কৰি দেউতাই লখীমপুৰত এটা ঘৰ সজাই ইংৰাজী স্কুল এখন স্থাপন কৰিলে। সেই স্কুলত মাষ্টৰী কৰিবৰ নিমিত্তে শিৱসাগৰৰপৰা তীৰ্থনাথ উকীলৰ পুতেক পদ্মনাথ শৰ্মা নামে, আমাৰ দূৰ সম্পৰ্কীয় আত্মীয় এজনক দেউতাই লখীমপুৰলৈ আনি নিজৰ ঘৰতে আশ্ৰয় দি ৰাখিলে আৰু দুই তিনজন ইংৰাজী জনা মানুহ সংগ্ৰহ কৰি তেওঁলোককো মাষ্টৰ নিযুক্ত কৰিলে। দেউতা লখীমপুৰত মুন্সেফ হৈ থকাডোখৰ কাল সেই স্কুল সুন্দৰৰূপে চলিছিল।

লখীমপুৰীয়া স্মৃতিৰ ভিতৰত আৰু এজন সজ লোকৰ কথা মোৰ মনত আছে। তেওঁৰ নাম শ্ৰীযুক্ত ঘিণাৰাম বৰুৱা মৌজাদাৰ। মৌজাদাৰ ঘিণাৰাম বৰুৱা পুৰাগধুলি সদায় আমাৰ ঘৰলৈ আহিছিল আৰু দেউতাৰ বৰ প্ৰিয়পাত্ৰ আছিল। আমি ল'ৰাবোৰেও তেওঁক নথৈ ভাল পাইছিলোঁ; কাৰণ তেওঁ বৰ নিজুৰ মানুহ আছিল আৰু আমাক বৰ মৰম কৰিছিল। কোৱা বাহুল্য যে মৰমে ল'ৰাৰ মন যেনেকৈ আকৰ্ষণ কৰি মৰম কৰোঁতাৰ ফালে টানে, আন একোৱে তেনেকৈ নোৱাৰে। তেওঁ দেউতাৰ কাষৰপৰা আঁতৰিলেই তেওঁৰ কোলা আমাৰ দখললৈ সম্পূৰ্ণৰূপে এৰি দিছিল। তেওঁ গা-গাৰিৱে শকত আৰত নাছিল বৰ; ক্ষীণোৱাও নাছিল; ওথইও মজলীয়া বিধৰ আছিল। দেউতাৰ কাষত বহি নিজৰ কাপ মৈলাম লৈ, তেওঁ সেই কালৰ ডাঙৰ ঘুৰণীয়া ৰঙা-ক'লা ছাবৰ ষ্টাম্প কাকতত খৎ দলীল ইত্যাদি লেখা দেখিছিলোঁ। তেওঁৰ তিনিটি পুতেক আছিল; তেওঁলোক সততে আমাৰ ঘৰলৈ আহি আমাৰে সৈতে খেমালি ধুমুলা কৰিছিল। মৌজাদাৰৰ এটি পুতেক মোতকৈ ভালেমান ডাঙৰ আৰু দুটি মোৰ সমনীয়াই হওক, নাইবা মোতকৈ সৰুৱেই হওক, এনে বিধৰ আছিল। সেই দুটিৰ এটি আজি কালি আসামত সু-বিখ্যাত শ্ৰদ্ধাস্পদ শ্ৰীযুক্ত পদ্মনাথ বৰুৱা।

চিপাহী বিদ্ৰোহৰ চোৰ কোব আসামতো আৱিষ্কাৰ কৰাৰ সম্পৰ্কে বিশেষ ৰূপে খ্যাতি লাভ কৰোতা হৰনাথ পৰ্বতীয়াৰ জ্যেষ্ঠ পুত্ৰ শ্ৰীযুত হলিৰাম বৰুৱা (যি পিছত এক্‌ষ্ট্ৰা এছিষ্টেণ্টৰ পদ পাইছিল) কাছাৰীত হেডক্লাৰ্ক পদতেই হওক বা আন কোনো তেনে পদতেই হওক, লখীমপুৰলৈ আহি আমাৰ চোলতে, দেউতাই সজাই দিয়া ঘৰত আছিলহি। তেওঁ হিন্দুৰ অখাদ্য চৰাই-কুকুৰা ভোজন কৰে বুলি মিছাকৈ কোনে মোৰ মনত বিশ্বাস জন্মাই দিছিল কব নোৱাৰোঁ, সেই দেখি পৰাপক্ষত তেওঁৰ ঘৰৰ ফালে মই নগৈছিলো। সম্ভৱতঃ তেওঁ নিজেই মোৰে সৈতে কৌতুক কৰিবলৈ সেই কথা কৈ মোক ভয় খুৱাইছিল, কাৰণ মোৰ মনত আছে, এদিন তেওঁ ভাত খাবৰ সময়ত, মোক মাতি নি তেওঁৰ বাটিত থকা পাৰচৰাইৰ আজা দেখুৱাই মোক কুকুৰাৰ আজত

বুলি কৈ তাবে সৰু হাড় এডোখৰ মোৰ গাৰ ফালে দলি মাৰি দিছিল আৰু মই চুৰা হ'বৰ ভয়ত একে লৰে আমাৰ ঘৰ পাইছিলোঁহি। শ্ৰীযুত হলিৰাম বৰুৱাৰ ওপৰত মোৰ বিতৃষ্ণা জন্মাৰ আৰু এটা কাৰণ ঘটিছিল। দিন চেৰেকৰ আগতে তেওঁৰ ঘৰৰ চালত এটা হুদু পৰিছিল আৰু সেইটো অমঙ্গলৰ কথা দেখি তেওঁ পূজা শান্তিকৰ্ম আদি কাৰ্য বামুণৰ হতুৱাই কৰাই, সেই অমঙ্গলৰ প্ৰতিবিধান কৰিবলীয়াত পৰিছিল। এদিন মই গধূলি মোৰ পাঠ্য বঙ্গলা কিতাপ এখন পঢ়ি থাকোঁতেই তেওঁ আহি মোৰ ওচৰত বহিল। কিতাপখনত এটা ফেঁচাৰ ছবি আছিল। তেওঁ ছবিটো দেখিয়েই, ততালিকে মোৰ আগতে জিয়াচলিৰ কাঠী এটা মাৰি তাবে ফেঁচাটোৰ মুখাগ্নি কৰিলে। ফেঁচাৰ মুখেৰে অলংকৃত মোৰ কিতাপৰ পাতটোৰ সেই ডোখৰ পুৰি গৈ তাত ডাঙৰ ফুটা এটা হ'ল। মুখাগ্নি কৰা ফেঁচাৰ শোকাগ্নিত মোৰ কুমলীয়া মনৰো এডোখৰ দগ্ধ হৈ গ'ল ; মই কান্দিবলৈ ধৰিলোঁ। মোক যদিও ঘৰৰ আন মানুহে নানা কথা কৈ চেঁচনি-বুজনি দি কিছুমান বেলিৰ মূৰত শান্ত কৰিলে, কিন্তু মোৰ dislike বিতৃষ্ণা শ্ৰীযুত বৰুৱাৰ প্ৰতি আৰু বদ্ধমূল হ'ল। ঘাইকৈ আৰু এইবাবে যে ফেঁচা-পোৰা বৰুৱা ডাঙৰীয়াই তেওঁৰ দুষ্কৃতিৰ নিমিত্তে এধুদমানো অনুতাপ নকৰিব আৰু মোৰ শোকাগ্নি নিৰ্বাপন কৰিবৰলৈ এতিলমানো চেষ্টা নকৰিব, লঙ্কা দাহ কৰি হনুমন্তই নিজৰ বিবেকত এটা বেজাৰৰ ঘোচাকো অনুভৱ নকৰাকৈ বীৰদৰ্পে অশোকবনলৈ গুচি গ'ল।

আমাৰ ঘৰৰ কাষতে তোলন সাজতোলা নামেৰে দিহিঙৰ গোসাঁইৰ সাজতোলা এজন আছিল। সাজতোলা বয়সত বুঢ়া, জাতত আহোম আৰু দিহিঙৰ গোসাঁইৰ বৰ নিষ্ঠাবান সেৱক আছিল। নাম-প্ৰসঙ্গ, গীত-পদ আদিত সদায় তেওঁৰ ৰতি আছিল দেখি আৰু দেউতাক বৰ মান-সংকাৰ উপাসা-ভাৰসা কৰি চলিছিল দেখি, সাজতোলাক দেউতাই বৰ ভাল পাইছিল।' আমিও ভাল পাইছিলো। সাজতোলা ধৈণীযেক, পুতেক, বোৱাৰীয়েকেৰে সমৃদ্ধিশালী আছিল।

ধনী নামৰ আমাৰ এটা লগুৱা আছিল। তাৰ ঘৰ যোৰহাটৰ ওচৰৰ চাওখাত মৌজাত। বাস্তৱিক পক্ষত সেই কালত চাওখাতক আমাৰ ঘৰৰ পক্ষে লগুৱাৰ বৰ-ভঁৰাল বুলিলে বঢ়াই কোৱা নহয়। বেঙ্কলৈ চেক ( cheque ) পঠিয়াই দিলে টকা পোৱাৰ দৰে আমাৰ দেউতা আৰু ককাইদেওসকলে আৱশ্যকমতে চাওখাতলৈ বাতৰি পঠিয়াই তাৰপৰা লগুৱা পাইছিল। ধনীৰে সৈতে তাৰ ককায়েক গোজৰ আৰু ভায়েক সিদ্ধিৰাম, এই তিনিও পাল পাতি এবছৰ দুবছৰকৈ দেউতাৰ লগত নগাওঁ, বৰপেটা, তেজপুৰ, লখীমপুৰ আৰু গুৱাহাটীত লগুৱা কাম কৰিছিল ; আজি-কালি লগুৱা আৰু গিৰিহঁতৰ ভিতৰত যেনেকৈ মাথোন দৰমহাৰহে সম্বন্ধ, সেই কালত তেনে নাছিল, সেই কালত লগুৱা-লিগিৰীবোৰ গৃহস্থৰ পৰিয়ালৰ একো একোটা অপৰিহাৰ্য অঙ্গ আছিল। ধনৰ সম্বন্ধতকৈ মৰমৰ সম্বন্ধ প্ৰবল আছিল। হিন্দু শাস্ত্ৰৰ সুন্দৰ অনুশাসন—"ছায়া স্বদাসবৰ্গশ্চ" অৰ্থাৎ দাস-দাসীবোৰ গৃহস্থৰ গাৰ ছাঁৰ

নিচিনা, এইটো বৰ্ণে বৰ্ণে প্ৰতিপালিত হৈছিল। অসমীয়া 'লগুৱা' শব্দটোৱেই এই কথাৰ সাক্ষী ফট্‌ফটীয়াকৈ দিয়ে। মনত আছে, আমাতকৈ বয়সত ডাঙৰ লগুৱা লিগিৰীক আমি সম্মানেৰে সৈতে মাতিছিলোঁ। তোলন আৰু ঘিণলাগী গিৰিয়েক-ঘৈণীয়েক। সতি-সন্ততিৰে সিহঁত এঘৰ ভাল গৃহস্থ। এই ঘৰ লগুৱা-লিগিৰী আমাৰ বংপুৰৰ ঘৰৰ টোলৰ ভিতৰত সদায় আছিল। তোলনক "ঘৰগিৰী" আৰু 'ককাই' বুলি আৰু ঘিণলাগীক 'ঘিণলাগী বাই' বুলিহে আমি ল'ৰাবোৰে মাতিছিলোঁ। কেতিয়াবা তোলনক অকল 'তোলন' ঘিণলাগীক অকল 'ঘিণলাগী' বুলি আমি মাতিলে আমাৰ অভিভাৱকসকলৰপৰা ডাবি খাইছিলোঁ।

তিনিও ভায়েক ককায়েকৰ ভিতৰত ধনী, টেঙ্গৰ, বলী, বুধিয়ক, খৰ, ৰঙিয়াল, অঘাইতং আৰু কামত সন্তোষ দিব পৰা আছিল। দিনে ৰাতিয়ে আমাৰ ঘৰৰ এশ এটা কাম ধনীযে উছাহেৰে কৰি সুবিধা পালেই বং-ধেমালিৰে আমাক আমোদ দিছিল। তাৰ বৰণ ক'লা-বগাৰ মাজতে গা, হাত-ভৰি আটিল আৰু পেটত এটা ডাঙৰ মেৰুণ আছিল। ধনীয়ে সদায় সকলোকে কৈছিল যে মেৰুণটো তাক ঈশ্বৰে হেনো ধন ভৰাই ভৰাই থবলৈ দিছে আৰু সেই দেখি তাৰ নামটোও ধনী। আনে তাৰ এই কথাত হাঁহিছিল; কিন্তু মই সেই কথা ভালেমান দিনলৈকে নিৰহ-নিপানীকৈ পতিয়াই আছিলোঁ। ধনীৰ তেতিযা ভৰ ডেকা বয়স। গাৰ বল আৰু মনৰ স্ফুৰ্তিত সি খোলাত ভজা আখৈ ওফৰাদি উফৰি ফুৰিছিল আৰু উফৰি ফুৰাটোৱেই তাৰ normal condition সহজ অৱস্থা আছিল। তাৰ গাত উপতি পৰা বলে তাক ইমান দিগ্‌ দিছিল, যে তাৰ শাৰীৰ কোনো সমনীয়া ডেকা দেখিলে সি উপযাচি আগবাঢ়ি গৈ তাৰে সৈতে এখুন্দা যুঁজবাগৰ নকৰি নোৱাৰিছিল আৰু যুঁজৰ জয় পৰাজয় নামৰ দুইটা মিঠা-তিতা ফল অম্লানবদনে গিলিছিল; দুপৰীয়া পল বোৱা মানুহৰ উঁকি কাণত পৰিলেই ধনীৰ গা সাতখন-আঠখন হৈ পৰিছিল আৰু সেই মুহূৰ্ত্ততে সি সকলোৰে হাক-বচন, গালি শপনি কাতি কৈ থৈ ঘৰৰ সকলো কাম এৰি হাতত পল লৈ মাছ মাৰিবলৈ লৰিছিল আৰু কেতিয়াও শুদা হাতে নুভতিছিল। শুদা হাতে নোভতাৰ মানে যে, সদায় সি মাছ ধৰা কাৰ্যত কৃতকাৰ্য হৈছিল এনে নহয় বৰং যোল অনা দিনৰ ভিতৰত পোন্ধৰ অনা দিনত তাৰ ওলোটাটোহে সংঘটিত হৈছিল। উপমা দি কবলৈ গ'লে মুঠতে ধনীৰ পলৰে সৈতে মাছৰ সম্পৰ্ক, বাৰী বামুণীৰ আঞ্জাৰ বাটিৰে সৈতে মাছৰ সম্পৰ্কৰে বিজালেও বেছি বেঙাই নাযায়। সি তাৰ আত্মসম্মান নিখুঁতে ৰাখিবলৈ অনেক বকম টেঙৰালিৰ আশ্ৰয় লৈছিল; যেনে—পলৈয়াহঁত বামলৈ উঠিলে সিহঁতৰপৰা খুজি-মাগি নাইবা ডকা-হকা দি দুটা-চাইটা মাছ আনি আমাৰ ঘৰত দি, সেই মাছ তাৰ পলত পৰা বুলি, একুৰি এটা মিছা কথাৰে বুকু ফিন্দাই কৈ বাহাদুৰি লৈছিল। কিছুদিনলৈকে যদিও সকলোৱে তাৰ কথাত তলানলা ধৰিব নোৱাৰিছিল, কিন্তু তলিফুটা পানীৰ কলহৰ দৰে তাৰ এই মহতালি কথাৰ তলিত ফুটা থকা বাবে অচিৰতে তাৰ সন্তেদ তাৰ গুণগ্ৰাহীসকলৰ আগত ওলাই পৰিল আৰু তাৰ বাহাদুৰিৰ

বৰ নাও অচল হ'ল। মাঘৰ বিহুত হাঁহকণী মঙহজোৰা বিদ্যাতো ধনী পিছপৰা নাছিল। কিন্তু তাৰ মাছধৰা বিদ্যাৰ দৰে, হাঁহ-কণী মঙহজোৰা বিদ্যাতো শীঘ্ৰে জাল-জুৱাচুৰি ধৰা পৰিল। খবৰ পোৱা গ'ল যে ওৰে দিনটোৰ মূৰত যে সি এপাচি মূৰে ভগা হাঁহকণী নিজৰ জয়লব্ধ চিন ( trophy ) স্বৰূপে ঘৰলৈ আনিছিল, তাৰো তিনি ভাগৰ দুভাগত পানী দিয়া ( adulterated ) অৰ্থাৎ সেই এটাইবোৰ তাৰ স্বোপাৰ্জ্জিত নহয়, লোকৰ পৰা খুজি-মাগি বা ডকা-হকা দি আনি তাৰ লেখ বঢ়োৱা।

মুন্সেফ হাকিম ডাঙৰীয়াৰ বৰ লগুৱা বুলি ধনীক হাটৰুৱা-বাটৰুৱা দোকানী-পোহাৰীয়ে থাতিৰ আৰু ভয় কৰিছিল আৰু সি সেই অৱস্থাৰ সুবিধাটো যোল অনাৰ উপৰি আদায় কৰিবলৈ ত্ৰুটি নকৰিছিল। লাহে লাহে তাৰ দুষ্টালিৰ জোখ ইমান বাঢ়ি উঠিছিল, যে সি মাছ কিনিবলৈ আমাৰ ঘৰৰপৰা পইচা লৈ গৈ সেই পইচা পোহাৰীক দিয়া অভ্যাসটো বদ্ অভ্যাস থিৰাং কৰি একেবাৰেই তাক পৰিত্যাগ কৰিছিল আৰু বলেৰে পোহাৰীৰপৰা মাছ কাঢ়ি আনি সেই মাছ আমাৰ পইচাৰে কিনি অনা বুলি বঢ়িয়াকৈ আমাৰ ঘৰত চলাই দি মাছৰ পইচা ক'কালৰ জালৰ মোনাত ভৰাইছিল। প্ৰথম ডোখৰত তাৰ এনেবোৰ অত্যাচাৰ-অবিচাৰ দোকানী পোহাৰীয়ে ভয়তে নিৰ্বিবাদে সহি হজম কৰিছিল আৰু সিও "চলাও পাঞ্চি" বুলি সেই ব্যৱসায়ৰ পাঞ্চৈ নাওখন ভো-ভো কৰে চলাই দিছিল। কিন্তু এদিন ধনীৰ নাও লাগিল ঘপহ্ কৰে চটত আৰু থালে উবুৰি। তাৰ এনে অত্যাচাৰৰ কোব অসহ্য হ'লত বজাৰৰ এজাক দোকানী পোহাৰীয়ে মৰো-জীওঁ সো-আধিকৈ দেউতাৰ আগত 'ধনী বৰ ভাণ্ডাৰী'ৰ নামে গোচৰ দিলেহি। ধনীয়ে বিপদ সমুপগত দেখি তত্তালিকে পলাই ফাট্ মাৰিলে। 'আসামী ফেৰাৰ' দেখি, দেউতাই সেই পোহাৰীবোৰক সিহ'তৰ মাছৰ দাম যিমান দূৰ সম্ভৱ সুধি-পুছি লৈ, দি, বিদায় দিলে আৰু পিছদিনা ধনীক বিচৰাই ধৰাই আনি বঢ়িয়াকৈ এজাউৰি কিল-কীৰ্ত্তন দিলে। এই কিল-কীৰ্ত্তনৰ effect গুণ যে সৰহ দিন ধনীৰ গাত আছিল, এনে মনে নধৰে ; কাৰণ সি সেই পাঞ্চৈ নাৱৰ বেহা ইমান লাভজনক দেখিছিল যে, দিনচেৰেকৰ মূৰতে আকৌ তাত মনপুতি লাগি গ'ল। তাৰ এই ৰোগ দুৰাৰোগ্য হৈ উঠা দেখি দেউতাক তাক 'চচ্‌পেণ্ড' কৰি তাৰ ঘৰ চাওথাতলৈ বদলি কৰি তাৰ ঠাইত তাৰ ককায়েক গোজৰক আনি বাহাল কৰিলে। এবছৰৰ পিছতহে ভালেখিনি চেঁচা পৰা ধনীক আকৌ অনাই তাৰ পূৰ্ব্বৰ কামত ভৰ্ত্তি কৰা হ'ল।

মহাপুৰুষ শ্ৰীমাধৱদেৱৰ প্ৰিয়তম শিষ্য, উজনিত মহাপুৰুষৰ গাৰ নিৰিকাৰ পদ্ম আতা বা বদলা আতাৰ থান কমলাবাৰী পিতৃদেৱতাৰ প্ৰাণ আৰু কমলাবাৰীৰ গোসাঁই-ভকতসকল বুকুৰ সম্বল আছিল। এইসত্ৰ আৰু ভকতৰ অৰ্থে তেওঁ যথা সৰ্ব্বস্ব দিবলৈ সদায় সাজু আছিল ; আৰু দিছিলো। পিতৃদেৱতাই সদায় কৈছিল, "মহাপুৰুষে গুৰুজনে নিজৰ নাৱৰ পৰা সৰ্ব্বহ পানীত দলিয়াই পেলাই দি ভক্ত-বস্তুক তুলি লৈছিল ; এতেকে ভক্ত-বস্তুতকৈ শ্ৰেষ্ঠ বস্তু নাই।" মোৰ মনত আছে দলে দলে

কমলাবাৰী সত্ৰৰ ভকত সদায় দেউতাৰ ওচৰলৈ অহা যোৱা কৰিছিল আৰু সিধা আদি খাদ্য-দ্ৰব্য সম্ভাৰৰ উপৰিও থানৰ কীৰ্তন-ঘৰত তেওঁলোকে জাৰকালি গাত লৈ বহি নাম গাবলৈ ৰঙা বানত একোখন লাভ কৰিছিল। এইটো নিশ্চয়কৈ কব পাৰোঁ যে কমলাবাৰী বৰপেটা, মধুপুৰ সত্ৰৰ গোসাঁইভকতসকলক দান কাৰ্যত পিতৃদেৱতাৰ মাহে মাহে দৰমহাৰ আদাখিনি ধন ভগন হৈছিল। দেউতা লখীমপুৰত থাকোঁতেই কমলাবাৰী সত্ৰত কন্দল উপস্থিত হৈ সত্ৰখন দুভাগ হৈ ফাটি এভাগ আঁতাৰি খাৰিজা বা ন কমলাবাৰী সত্ৰ হয় আৰু এই নতুন সত্ৰৰ ঘাই ধৰণী পিতৃদেৱতা হৈছিল।

কমলাবৰী সত্ৰৰ ভকতসকলে এবাৰ কি দুবাৰ পিতৃদেৱতাৰ আহ্বানত আহি লখীমপুৰত ভাওনা কৰিছিল। সেই ভাওনা চাই যে আমাৰ কি মহানন্দ হৈছিল, কৈ শেষ কৰিব নোৱাৰো। ভাওনা হৈ যোৱাৰ এবছৰমান পিছলৈকে আমাৰ মুখৰপৰা ভাওনাৰ ভাৱৰীয়াৰ বচনবোৰ নুগুচিছিল আৰু সময়-অসময়, থল-অথল বিবেচনা নকৰি আমি ভাৱৰীয়াৰ ভাও দি ফুৰিছিলোঁ। এটা ভাওনা বোধকৰো জৰাসন্ধ বধ আছিল। মই আৰু মোৰ ককাইদেও শ্ৰীনাথ, দুয়ো কলা-ঠহুৰাৰ দুডাল গদা কৰি লৈ ঘৰৰ চোতালত বীৰৰসাত্মক বচন মাতি পৰম বিক্ৰম প্ৰকাশ কৰি যুঁজি ফুৰিছিলোঁ আৰু দুইৰো পিঠিত কলা-ঠহুৰাৰ গদাৰে দুইও ধুপ ধুপ কৰে কোবাই গদা দুডাল ঘুগুলা পচলা কৰিছিলোঁ। আমাৰ দুইৰো তুমুল যুদ্ধত প্ৰদৰ্শিত বল-বিক্ৰম দেখি ঘৰুৱা তিৰোতাসকল আৰু চাকৰ-নাকৰবোৰে পৰম বিস্ময় মানি তধা লাগিছিল আৰু সেই দৰ্শকসকলৰ উচ্চাৰিত শলাগ আৰু উছাহ বাক্যত আমি দুই ভাই ভীম-জৰাসন্ধ ওফন্দি পৰি দুয়ো আৰু বেগেৰে তয়া-ময়া যুঁজ লগাই দিছিলোঁ। লাহে লাহে এই জাল আৰু বাউলা ভীম-জৰাসন্ধ-যোৰৰ যুঁজৰ কোব ইমান বাঢ়ি উঠিছিল যে আমাৰ 'চুপৰ ভাইচৰ' ককা ৰবিনাথে, "নাম নহৈ কৌদোৰ বাহ" হবগৈ বুলি আশংকা কৰি, to preserve Law and Order, অৰ্থাৎ আইন আৰু শান্তিৰক্ষাৰ নিমিত্তে, এক মাথোন তেওঁৰ দ্বাৰাই সঙ্কলিত, প্ৰচাৰিত আৰু প্ৰচলিত দণ্ডবিধি আইনৰ কোনো এটা section বা ধাৰামতে কৰা হুকুম জাৰি কৰি further যুদ্ধ বন্ধ কৰি দিলে। কোনো সোঁত বা বেগৰ স্বাভাৱিক outlet অৰ্থাৎ বাট বন্ধ কৰি দিলে যেনেকৈ সি বাস্তৱিকতে বন্ধ নহৈ underground হয়, অৰ্থাৎ আত্মগোপন কৰি অন্তঃসলিলা হয়, সেইদৰে ইয়াৰ পিছত এই ক্ষুদ্ৰ যোদ্ধা দুটিয়ে শাসকৰ চকু এৰাই বাৰীৰ পিছফালে, নাইবা ঘৰৰ পিছ-চোতালত, নাইবা গৰু-গোহালিত হেঙ্গ বুজি একো একোখন ক্ষুদ্ৰ ক্ষুদ্ৰ সংঘটন কৰিবলৈ ধৰিলে। ভেকুৰিগুটীয়া যুঁজাৰু দুটিৰ গাত লম্বা ভইব ভীম-জৰাসন্ধ দুটা কালক্ৰমত স্বভাৱতে বিলয়প্ৰাপ্ত হ'লতহে প্ৰকৃত পক্ষত সম্বৎসৰ-ব্যাপী সেই দুৰ্ঘোৰ মহাৰণৰ ওৰ পৰিল। ইয়াৰ পিছৰ বছৰত 'নৃসিংহযাত্ৰা' ভাৱনা দেখিছিলোঁ। আকৌ দুই ভাইক ভাৱনাৰ ভুতে পালে। বচন মাতি মাতি আকৌ দুয়ো যুদ্ধক্ষেত্ৰত প্ৰবেশ কৰিলো। মনত আছে, এদিন মই হিৰণ্যকশিপু হৈ—

ৰহ ৰে ৰহ ৰহ
ভ্ৰাতৃবৈৰী হৰি
হাতে শূল ধৰি
পঠাইবো যম নগৰী।

এই বচন মাতি হাতত লাখুটি এডাল লৈ নৰসিংহ হোৱা শ্ৰীনাথ ককাইদেওৰ ফালে চোচা লওঁতেই কলিৰ হিৰণ্যকশিপুতকৈও ডাঙৰ ককা শ্ৰীযুত ৰবিনাথ মাজুদলৰ বৰুৱা আহি ক'ৰবাৰ পৰা হিৰণ্যকশিপুৰ ওপৰত জপং কৈ পৰিল। নিমিষতে নৰসিংহ ফিৰিঙতি ভগাদি ভাগি অদৃশ্য হৈ সাৰিল, কিন্তু হিৰণ্যকশিপুৱে কাণ-মলা খালে।

মনত আছে, এবাৰ ভাৱনাত এটা ভাও দিয়া হৈছিল, তাৰ নাম মঙ্গলা খৰিকটীয়াৰ ভাও। মঙ্গলাই খৰি কাটিবলৈ হাবিলৈ যাবলৈ ওলাইছে, কিন্তু সেইদিনা আছিল মঙ্গলবাৰে। ওচৰ চুবুৰিয়াই বাৰটো বেল্লা দেখি মঙ্গলাক খৰি কাটিবলৈ হাবিলৈ যাবলৈ হাক দিলে; কিন্তু মঙ্গলাই নুশুনিলে, ফলত মঙ্গলাক বাঘে খালে। ভাৱনাৰ সভাঘৰত পিতৃদেৱতা, ৰবিনাথ ককা আৰু আন আন মানুহেৰে সৈতে আমি বহি ভাও চাই আছোহঁক। মঙ্গলাই খৰি লুৰি থাকোতেই যেই তাক খাবলৈ পিছফালৰপৰা হাওঁ-হাওঁকৈ মুখা পিন্ধা বাঘ এটা ওলাল ওপৰত কৈ অহা ভীম-জৰাসন্ধৰ যুদ্ধৰ প্ৰধান নায়ক, জৰাসন্ধৰ সিদ্ধহস্ত, বীৰৰসাত্মক বাক্য-বচনত লব্ধপ্ৰতিষ্ঠ ককাইদেউ শ্ৰীনাথে ভয়ত চিয়ঁৰ মাৰি উঠি মাৰিলে লৰ! ভাৱনাৰ সভাঘৰত হাঁহিৰ ৰোলে উঠিল। গতি বিষম দেখি উপস্থিত বুদ্ধিসম্পন্ন ককা ৰবিনাথে to save the situation, একেচাবেই উঠি গৈ ব্যাঘ্ৰ ভীতি-বিহ্বল শ্ৰীনাথ ককাইদেওক ধৰি আনি নিৰ্ভৰ দি নিজৰ কোলাত বহুৱাই বুকুত সুমাই ল'লে; আৰু লোকৰ হাক-বচন নুশুনি গৰুৱালি কৰি বেযা বাৰ নমনা বপুৰা মঙ্গলাক মুখা পিন্ধা ঢেকিয়াপতীয়া বৰ বাঘে নিৰ্বিবাদে খালে।

অথচ সভাঘৰ ভৰি থকা বাবে কুৰি মানুহৰ ভিতৰত এটা-এডোখৰেও এটি টু শব্দ নকৰিলে, একাষাৰ ইচ ইচ বা ৰাম বিষ্ণুকে নুবুলিলে, টোকোন লাখুটিৰ কথাকে নকওঁ, এডাল মেমেৰা খাগৰিকে নাইবা হালোৱা-এচাৰিকে নোজোকাৰিলে নাইবা তৰ্জনী আঙুলি বা কেয়া আঙুলি এটাকে বাঘটোক নেদেখুৱালে !!!

মনত আছে, আমি লখীমপুৰত থাকোঁতেই ককাইদেউ শ্ৰীযুত গোবিন্দ বেজবৰুৱা ( G. Bezbaroa ) আৰু শ্ৰীযুত গোলাপচন্দ্ৰ বেজবৰুৱা ( Dr. G. C. Bezbaroa ) কলিকতাত পঢ়িবলৈ গৈছিল। সেই কালত কলিকতাত পঢ়িবলৈ যোৱাটো অনেক বিষয়ত আজি-কালিৰ নিচিনা উজু ব্যাপাৰ নাছিল। ডাক-জাহাজ আৰু ৰেলৰ আবিৰ্ভাৱ তেতিয়াও আসামত হোৱা নাছিল; সদাগৰী জাহাজৰ চলাচল হৈছিল মাথোন, আৰু তাৰ সহায়েৰে ১৫।২০ দিনেহে গৈ কলিকতা যাত্ৰীয়ে কলিকতাত ওলাবগৈ পাৰিছিল। কলিকতাত পঢ়িবলৈ গৈ বঙালীৰ হাতে ভাত খালে সম্ভৱত আমাৰ ককাইদেওসকলৰ জাত যায়, এই ভয়ৰ আন্দোলন আমাৰ ঘৰত প্ৰবলভাৱে চলি বিষম সমস্যা উপস্থিত কৰিছিল। এই সমস্যাৰ সমাধান, শশধৰ নামৰ অসমীয়া বামুণ

এটাক তেওঁলোকৰ ভাত ৰান্ধনি কৰি পঠিয়াই কৰা হয়। কিন্তু লাহে লাহে দেখা গ'ল যে ককাইদেওসকলৰ দ্বাৰাই কলিকতাত অচিৰতে ৰান্ধনি শশধৰ অনাৱশ্যক বিবেচিত হ'ল; আৰু এবছৰমানৰ পিছতে অসমীয়া শশধৰ বঙ্গাকাশৰ মেঘমুক্ত হৈ পুনৰ অসম আকাশত উদয় হ'লহি। সিফালে কলিকতাত, জাতৰ বাৰখৰে শুকোই কৰ্কৰীয়াকৈ থোৱা দুই ভাইক বিদেশী ৰান্ধনিৰ আগ্লা-ভাতে ধাৰাসাৰে ধোৱাই পেলালে। সন্তানসকলৰ বিপৰ্যৰ বুদ্ধি দেখি বেচেৰা পিতৃদেৱতাই কলিকালৰ প্ৰকাণ্ড প্ৰতাপ অনুভৱ কৰি ঈশ্বৰক চিন্তি বিষাদ মনেৰে ৰ'ল।

দুইজন ককাইদেওৰ চুলি-কটা ব্যাপাৰ লৈও আমাৰ ঘৰত কম আন্দোলন উপস্থিত হোৱা নাছিল। অথচ তেনে চুলি কটা বা টিকনিকটা ঘটনা সাতোটা বাৰৰ ছাপ্পন্ন প্ৰহৰত আজি-কালি নিতৌ ঘটিব লাগিবে, "ব্ৰাহ্মণ ক্ষত্ৰিয় পুণ্য-তনু" সকলে নিৰ্বিবাদে, অপ্ৰতিৰোধ গতিৰে নিতৌ স্ব স্ব মস্তকৰ শিখা কাটি তহিলং কৰিব লাগিছে, কিন্তু তেনে কাণ্ড-কাৰখানা দেখি অলেখ কাউৰীৰ এটা কোৱাইও একাষাৰ 'কা' কৰা নাই, অসংখ্য চিলনীৰ এটা চিলাইও এটা "চি" বোলা নাই, বৰ গছে এটা টোপাল পেলোৱা নাই, ৰান্ধনীয়ে পুহমহীয়া চৰুৰ তলত জাল দিওঁতে গেৰেহা কাঠ-খৰিৰে সৈতে এবাৰ সেহোৱা নাই, আন কি 'সনাতনী' ধৰ্ম সম্প্ৰদায়সভাৰপৰা এটা unanimously passed resolution অৰ্থাৎ সৰ্বসম্মতিক্ৰমে নিৰ্দ্ধাৰিত প্ৰস্তাৱৰ সিদ্ধান্ত লাট আৰু বৰলাট বাহাদুৰৰ সভালৈ দুৰ্ঘোৰ প্ৰতিবাদ স্বৰূপে পঠিওৱা হোৱা নাই আৰু সেই 'বিৰাট' সভাৰ সেই বিষয়ৰ কাৰ্যাৱলী কোনো দৈনিক মাসিক বাতৰি কাকতত প্ৰৱেশ কৰি শদিয়াৰপৰা ধুবুৰীলৈকে তুমুল আন্দোলনৰ তৰঙ্গ তোলা নাই। কালৰ কি প্ৰৱল প্ৰতাপ, আগৰটো আন্দোলনৰ দৰে এই টিকনি-বিনাশনৰ আন্দোলন-টোৱেই কালক্ৰমত আমাৰ ঘৰত নিৰ্বাণ-মুক্তি লাভ কৰিলে, আৰু কলেনো কোনে হাতত ধৰিব, যে টিকনিতো একৰকম সৰু কথাই, দেখোঁতে দেখোঁতেই চাহাবী হেট কোট আৰু পটলুঙৰ বৰ বৰ কথাবোৰ পৰ্যন্ত সৰুৱো সৰু একোটি হৈ কেনিবা সৰ্বাক পৰিল।

পিতৃদেৱতা লখীমপুৰত থাকোঁতেই কিছুমান দুষ্ট মানুহে ষড়যন্ত্ৰ কৰি তেওঁৰ ওপৰত এটা মিছা অভিযোগ আনে; আৰু সেই অভিযোগৰ বিচাৰৰ নিমিত্তে তেওঁ ডিব্ৰুগড়লৈ যাবলগীয়াত পৰে। তেতিয়া ডাক জাহাজ বা ৰেল আসামত নাছিল; গতিকে তেওঁ নাৱেৰে আহিবলগীয়াত পৰিছিল। পিতৃদেৱতা বাটত থাকোঁতেই কিবা স্বৰূপে জুই লাগি ডিব্ৰুগড়ৰ কাছাৰী ঘৰটো পুৰি যায়। তেওঁৰ ওপৰত অভিযোগ আনোতা দুষ্ট মানুহকেইটাই চেলু পাই, তেওঁ মানুহ লগাই দি কাছাৰী ঘৰটো পোৰালে বুলি ডেপুটি কমিশ্যনৰ কৰ্ণেল ক্লাৰ্ক কৈ দিলে। কৰ্ণেল ক্লাৰ্কে কোনো বিচাৰ আৰু বিবেচনা নকৰি, দণ্ডবিধি আইনৰ 'ঘৰ জ্বলালনি' অভিযোগৰ ধাৰাত পিতৃদেৱতাক পেলাই তেওঁ ডিব্ৰুগড় পালতে তেওঁক হাজোতত দিলে। এই মোকৰ্দমাই সেই কালত আসামৰ ইমুৰৰপৰা সিমুৰলৈকে সকলো মানুহৰ মনত

তোলপাৰ লগাই পেলাইছিল ; আৰু সকলোৱে তাৰ নিচিনা ধাৰ্মিক আৰু পুণ্যাত্মা মানুহৰ দ্বাৰাই তেনে ঘৃণণীয় কাম কোনোমতেই হোৱাটো অসম্ভৱ বুলি বুজি, বেজাৰ আৰু শোকত মগন হৈছিল, আৰু যাতে পিতৃদেৱতা সেই অগ্নি-পৰীক্ষাৰপৰা নিষ্কলঙ্ক হৈ সম্মানেৰে সৈতে উদ্ধাৰ হৈ ওলাই তাৰ অৰ্থে ঈশ্বৰৰ ওচৰত কায়মনোবাক্যে প্ৰাৰ্থনা কৰিছিল। এই বিপদৰ গোটেইডোখৰ কালতে ডাঙৰীয়া দীননাথ বেজবৰুৱা স্থিৰ, ধীৰ অটল হৈ আছিল আৰু তেওঁৰ নিষ্পাপ নিৰ্মল অন্তঃকৰণত এক মুহূৰ্তৰ নিমিত্তে ভয়ৰ সঞ্চাৰ হোৱা নাছিল। তেওঁৰ নিৰ্ভৰ উত্তৰ, ঈশ্বৰ-বিশ্বাসেৰে বলী পৌৰুষপূৰ্ণ ব্যৱহাৰে কৰ্ণেল ক্লাৰ্কক প্ৰমুখ কৰি তেওঁৰ শত্ৰুদলৰ প্ৰাণত আতঙ্ক আৰু ডিব্ৰুগড়ৰ প্ৰজাৰ মনত বিস্ময়-বিমিশ্ৰিত আনন্দ উৎপাদন কৰিছিল। বিচাৰৰ শেষত পিতৃদেৱতা মেঘমুক্ত শশধৰৰ দৰে নিজৰ পূৰ্ণ যশস্যাৰ জেউতিৰে আৰু উজ্বল হৈ ওলাল। গৱৰ্ণমেণ্টে তেওঁক আকৌ আগৰ কামত নিযুক্ত কৰি, কামৰপৰা স্থগিত (চুচপেণ্ড) হৈ থকা কেইমাহৰ পুৰা বেতন দিলে। ইয়াৰ পিছত তেওঁৰ শত্ৰুদলৰ যিবোৰ নানা লটিঘটি হৈছিল, সেইবোৰৰ বৰ্ণনা দি লেখনী কলুষিত কৰিব নোখোজোঁ। সেই মোকৰ্দমাত পিতৃদেৱতাৰ বিস্তৰ ধন ভগন হৈছিল। ব্ৰেন্সন নামে (পিছত ইলবট বিলৰ সময়ত ভাৰতীয় মানুহক ঘাইকৈ বঙালীক গালি পাৰি বিখ্যাত হোৱা) এজন ইংৰাজ ডাঙৰ বেৰিষ্টাৰক, আৰু শৰৎচন্দ্ৰ বানুৰ্জী নামে এজন চাপৰ বঙালী উকীলক পিতৃদেৱতাৰ পক্ষ সমৰ্থন কৰিবৰ নিমিত্তে কলিকতাৰপৰা অনোৱা হৈছিল। ব্ৰেন্সন অহাৰ আগেয়েই উকীল শৰৎচন্দ্ৰ বানুৰ্জীয়ে ডিব্ৰুগড় পাই সেই মিছা মোকৰ্দমাৰ জাল খণ্ড বিখণ্ড কৰি উৰাই দিলে। ব্ৰেন্সন আহি গোৱালপাৰা পাওঁতেই তাৰেপৰা পিতৃ-দেৱতাৰ নাতিয়েক সুবিখ্যাত হাকিম পূৰ্ণানন্দ বৰুৱা 'ছোটচাহাবে' তেওঁক ওভোতাই পঠিয়ালে। সেই মোকৰ্দমাত অহা সুযোগ্য উকীল বাবু শৰৎচন্দ্ৰ বানুৰ্জীয়ে তাৰ পিছত আসাম গৱৰ্ণমেণ্টৰ চাৰ্কাৰি লৈ 'এক্‌ষ্ট্ৰা এছিষ্টেণ্ট' হৈ আসামতে থাকিল।

আমাৰ সুযোগ্য বন্ধু সদাগৰ শ্ৰীযুত ভোলানাথ বৰুৱা ডাঙৰীয়াই (B. Barooah) মোক এদিন কলিকতাত কৈছিল যে তেওঁ ঢাকাত থাকোতে ডিব্ৰুগড় কাছাৰী পোৰাৰ ৰহস্য হঠাৎ এদিন তেওঁৰ আগত এটা ঘটনা সূত্ৰত উদ্ঘাটিত হৈ পৰিছিল। হেনো ঢাকা কোনো এটা মুছলমান বেপাৰীৰ মোকৰ্দমাৰ নথি এটা পুৰি নষ্ট কৰিবৰ নিমিত্তে সেই বেপাৰীৰে এটা মুছলমান কৰ্মচাৰীৰ দ্বাৰাই সেই কাৰ্যটো সংঘটিত হৈছিল। অনেক বছৰৰ পিছত, সেই ৰহস্য প্ৰকাশৰ বিপদ সম্পূৰ্ণৰূপে বিদূৰিত হোৱা জানি, সেই মানুহে বৰুৱা ডাঙৰীয়াৰ আগত কোনো সূত্ৰত সেই কথা স্বতঃপ্ৰকাশ কৰি নিজৰ বাহাদুৰীৰ আনন্দ উপভোগ কৰিছিল।

লখীমপুৰীয়া স্মৃতিৰ ওচৰত বিদায় লবৰ আগতে লখীমপুৰৰ চেঁনিমাছ আৰু পাভমাছৰ কথা মনত পৰিল। এনে ডাঙৰ আৰু তেজাল চেঁনি আৰু পাভমাছ লখীম-পুৰ এৰিবৰপৰা আজিলৈকে আৰু মই ক'তো দেখা নাই। সেই দুবিধ লখীমপুৰীয়া মাছ সৌন্দৰীৰে মোৰ আগৰপৰা অন্তৰ্ধান হ'ল যদিও তাৰ সোঁৱৰণ অন্তৰ্ধান নহ'ল।

লখীমপুৰতে এই সৌৱৰণ-লেখক হে-গুদু খেলৰ বিদ্যাত দীক্ষিত হৈ সেই খেলৰ কোনো এখন অস্থায়ী ‘ক্লাব’ৰ খুদেমান ছাত্ৰৰ সভ্যৰূপে পৰিগণিত হৈছিল। অৱশ্যে সেই “ক্লাব’ৰ যুদ্ধ-ক্ষেত্ৰ, এই লেখকতকৈ অনেক গুণে ডাঙৰ আৰু বলী যুঁজাৰু ৰথী-মহাৰথীসকলৰ শৌৰ্য-বীৰ্যৰ আস্ফালনেৰেহে বিশেষকৈ পৰিকম্পিত হৈছিল; এই ভেকুৰিগুটীয়া আন দুই চাৰিটা ভেকুৰিগুটীয়াৰে সৈতে প্ৰতিদ্বন্দ্বী দুপক্ষৰ কোনো এক পক্ষৰ দ্বাৰাই ৰণুৱাৰ লেখ বঢ়াবলৈ ক্ষুদ্ৰ পদাতিকৰূপে মাথোন ব্যৱহৃত হৈছিল; আৰু ভেকুৰিগুটীয়া ৰণুৱাৰ ‘ডিউটি’ ( duty ) কাম হৈছিল:—গুদু-গুদুকৈ স্বদলৰপৰা বিস্বাশৰদেলীৰ ওলাই গৈ বিপক্ষ দলৰ কোনো এজনৰ হাতত বন্দী হৈ উশাহ এৰি হৈ-গুদুৰা প্ৰাণ পৰিত্যাগ কৰাটো মাথোন। উশাহ এৰি হৈ-গুদৰা মোৰ ককাইদেউ আৰু ভাগিনৰ বাহিৰে সেই ৰথী-মহাৰথীসকলৰ ভিতৰত দুজনৰ নাম মনত আছে। এজন শ্ৰীযুত হাৰিবৰ দাস, আনজন শ্ৰীযুত গম্ভীৰচন্দ্ৰ দাস।

## ॥ তৃতীয় আধ্যা ॥

পিতৃদেৱতা লখীমপুৰৰপৰা গুৱাহাটীলৈ বদলি হয়। অসম-বুৰঞ্জী লেখক কাশীনাথ তামুলী ফুকনৰ জ্যেষ্ঠ পুত্ৰ, গুৱাহাটী-নিবাসী শ্ৰীযুত কমলানাথ ফুকনৰ ঘৰত আমি উঠিলোঁহি। ফুকনৰ ঘৰৰে সৈতে বেজবৰুৱাৰ ঘৰৰ ঘনিষ্ঠ সম্বন্ধ পুৰণি কালৰে পৰা চলি আহিছে। তাৰউপৰি কমলানাথ ফুকনৰ ভায়েক, শিৱসাগৰ নিবাসী শ্ৰীযুত মুক্তানাথ ফুকন খাজাঞ্চী পিতৃদেৱতাৰ জোঁৱায়েক। আমি অলপ দিন মাথোন ফুকনৰ ঘৰত আছিলোঁ। আমাৰ বংশৰ সুবিখ্যাত ৺লক্ষ্মীনাথ গজপুৰীয়া বৰুৱা ডাঙৰীয়াৰ খালী হৈ থকা ঘৰ-বাৰীলৈ সোনকালে উঠি গলোঁহ'ক।

গুৱাহাটীৰ বিশাল ব্ৰহ্মপুত্ৰ আৰু চাৰিওফালৰ পৰ্বতমালাৰে বিভূষিত মনোৰম দৃশ্যাই মোৰ মন অনিৰ্বচনীয় আনন্দেৰে পুৰাই পেলালে। সেই দৃশ্যৰ চিত্ৰপট মোৰ হৃদয়-চিত্ৰশালত যাবজ্জীৱন থাকিব। অশ্বক্লান্ত, উমানন্দ, উৰ্বশী, নৱগ্ৰহ, শুক্ৰেশ্বৰ, বশিষ্ঠাশ্ৰম আদি তীৰ্থস্থানলৈ পিতৃদেৱতাৰে সৈতে গৈ মই যে কি অপাৰ আনন্দ উপভোগ কৰিছিলোঁ, কৈ অ'তাব নোৱাৰোঁ। মাথোন কামাখ্যা আৰু হাজোলৈ মোক সৰু বুলি পিতৃদেৱতাই লগত নিয়া নাছিল।

গুৱাহাটীতে প্ৰথমতে মোৰ স্কুলত প্ৰবেশ ঘটে। সঁচাকৈ ক'বলৈ গ'লে, স্কুললৈ যোৱাটো মোৰ মনত বধ-ফাটেকলৈ যোৱা যেন লাগিছিল। মোৰ পক্ষে স্কুলত প্ৰবেশ মানে বন-বিহঙ্গৰ সজাত প্ৰবেশ ; যদিও তাৰ অৱস্থিতি চাৰি-পাঁচ ঘণ্টাৰ নিমিত্তেহে। কিন্তু হ'লে কি হব, সেই চাৰি-পাঁচ ঘণ্টাৰ পিছত মুকলি হৈ গৈ আকৌ যে কাইলৈ তাত পুনৰাবদ্ধ হোৱা অনিবাৰ্য, সেই চিন্তাৰ ভয়ে মোক খুলি খুলি খাইছিল। পিতৃ দেৱতাৰ হুকুম, মই স্কুললৈ যাবই লাগিব—তেনেহলে মোৰ মনোৰাজ্যত "বামুণেই মৰক বা লগুণেই ছিগক।"

স্কুলত সোমায়েই যেই দেখোঁ, কৰধৃত-ঘূৰ্ণিত-শোভিত-বেত্ৰং মাষ্টৰ মহাপ্ৰভুসকলৰ বজ্ৰ-গম্ভীৰ নিনাদ ছাত্ৰসকলৰ সম্মিলিত সংযত কণ্ঠ-নিসৃত মৃদু-মন্দ গুৰু গুৰু ধ্বনিৰ কটাহ ভেদ কৰি স্কুল ঘৰৰ মুখচ পাইছেগৈ, মোৰ ধাতুটিও মুৰৰ মুখচত উঠিবলৈ লৰ ধৰে। মোৰ মুৰৰ ব্ৰহ্ম-ৰন্ধ্ৰৰ কাষতে ধাতুটিক এৰি থৈ মই বহি স্কুলত কিবা শিকা-বুজাৰতো কথাই নাই, ঘৰত অলপ অচৰপ যি পঢ়ি-শুনি শিকি-বুজি আহোঁ, সিয়ো পাহৰণিৰ পঞ্চবটীত সোমাই মায়া-মৃগ হৈ কৰবালৈ লৰি পলাই গুচি যায়। হায়! স্কুল মোৰ মনত ভয়ৰ ভৱন নহৈ যদি আনন্দভৱন হ'লহেঁতেন আৰু মোৰে নিচিনা দুৰ্ভগীয়া "স্কুলাতঙ্কৰোগগ্ৰস্ত" এশ-এটা ল'ৰাৰ পক্ষেও যদি তেনেকুৱাই হ'লহেঁতেন, তেন্তে আমাৰ দেশত কি সুস্থ সবল দেহৰ আৰু মনৰ এচাম প্ৰজাৰ ( generation ) সৃষ্টি হ'লহেঁতেন। স্কুলত শিক্ষা দিবৰ কঠোৰ নিৰ্মম নিৰস এটা মাথোন ব্যৱস্থাৰ সলনি যদি তাৰ ওলোটা অৱস্থাৰ প্ৰচলিত হ'লহেঁতেন, তেন্তে কেনে হাঁহিমুখীয়া কাৰ্যক্ষম আৰু নিজৰ সাধ্যৰ সীমাত প্ৰফুল্লিত প্ৰজা চামে চামে বাঢ়ি আমাৰ জন্মভূমিক

উজ্জ্বল আৰু মহিমান্বিত কৰিলেহেঁতেন। দেৱী সৰস্বতীৰ বছেৰেকীয়া পূজাৰ উৎসৱ ছাত্ৰসকলৰ পক্ষে কেনে আনন্দময় হয়—তেওঁৰ দৈনিক পূজাও যদি ছাত্ৰ-সকলৰ পক্ষে তেনে আনন্দময় হ'লহেঁতেন, তেন্তে তেওঁৰ অক্ষয় জ্ঞান-ভাণ্ডাৰৰপৰা জ্ঞান-ৰত্নৰ সম্ভাৰ হৰিষ 'মনেৰে সংগ্ৰহ কৰি কত লোক ধনী আৰু সুখী হ'ব পাৰিলেহেঁতেন।

স্কুলত আমাক অঙ্ক শিকোৱা এজন মাষ্টৰ আছিল ; তেওঁৰ নামটো ( যদি মই পাহৰা নাই ) চাখাৱত আলি। তেওঁক দেখিলেই মোৰ মূৰত থাকিব নোখোজা অঙ্কৰ আকৃতি-কেইটা বিকৃতি হৈ, মাতৃস্তন্যৰে সৈতে মাতৃদত্ত মাতৃকেইটাক সিহঁত লগত লৈ মোক স্কুলৰ ক্লাছৰ কাঠৰ বেঞ্চৰ ওপৰতে নিৰুপায় কৰি অকলশৰীয়াকৈ এৰি, তাহানি নিষ্ঠুৰ নলে দময়ন্তীক হাবিৰ মাজত এৰি পলোৱাদি পলাইছিল। তাৰ পিছত কিন্তু মুন্সি চাহাবৰ ৰঙা চকু আৰু চোকা মুখৰ বাক্যবাণ এই মূৰকৰ ভেলটোৰ ওপৰত যিমান কোবেৰে পৰিছিল, উত্তৰৰ আশাত নিৰাশ হৈ সিমান কোবেৰেই সেইবোৰ তেওঁৰ টোণলৈ উভতি গৈছিল। মুঠতে এইফেৰা ক'লেই হ'ব যে গুৱাহাটীৰ স্কুল মোৰ পক্ষে আনন্দালয় নহৈ যমালয় হৈ উঠিছিল।

মনত আছে, স্কুলত মোৰ এনে বিদ্যাভ্যাসৰ সঙ্কটময় অৱস্থাতে এবাৰ কলিকতাৰপৰা তেওঁলোকৰ কলেজৰ বন্ধত ককাইদেওসকল গুৱাহাটীলৈ আহিছিল। মোৰ কলিকতীয়া ককাইদেওসকল আজি আহি পাবহি, এই উৎসাহৰ আনন্দাতিশয্যত মোৰ মাটিত ভৰি পৰা নাই। ককাইদেওসকল আহিল ; গুৰুজনসকলক তেওঁলোকে সেৱা কৰি আদৰ অভ্যৰ্থনা লাভ কৰিলে, সৰুবোৰক দুই-চাৰি আষাৰ মিঠা কথাৰে আপ্যায়িত কৰি সেৱা নমস্কাৰ গ্ৰহণ কৰিলে। কিন্তু এই দুৰ্ভগীয়া দুৰদৃষ্টৰ কথা কি কম। মোক দেখিয়েই ককাইদেৱে মাত লগালে—"এইটো ইমান ডাঙৰ হ'লনে! হেৰ তই কি পঢ়িছ ?" প্ৰশ্নটো শুনিযেই মোৰ মনৰ আনন্দৰ বাণ একে হেচোকতে হুহঁকি শুকাই গৈ তাৰ তলিৰ ওখোৰামোখোৰাবোৰ ওলাই পৰিল ; মুখ শুকাই কৰাই খোলা যেন হ'ল। ভাবিলো, হৰি হৰি! মোক স্কুলৰ বৰ বাঘে খেদি আহি দেখোন আজিৰ নিচিনা এনে আনন্দৰ দিনতো ঘৰ পালেহি।

কিছুমান বেলিৰ পিছত ককাইদেৱে মোৰ পঢ়া কিতাপকেইটা মোৰ হতুৱাই অনাই, মোৰ পঢ়াৰ পৰীক্ষা কৰিবলৈ লাগি গ'ল ; আৰু তেওঁৰ প্ৰশ্নৰ উত্তৰত মোৰপৰা তেওঁ একো একোটা ফোপোলা আলুগুটি পাবলৈ ধৰিলে। তেওঁৰ উঠিল খং। মোক ধৰি কিল-কীৰ্তন দিবলৈ উঠি দিলে খেদা। মই মাৰিলো লৰ। ক্ষন্তেকতে মই আমাৰ গোটেইখন বাৰীত, পছোৱা বতাহৰ আগ উৰাদি উৰি ফুৰিবলৈ ধৰিলো আৰু মোৰ পিছে পিছে তেওঁ লৰি ফুৰিবলৈ ধৰিলে। তেওঁ অসাৰ্থক খেদাত ক্লান্ত হৈ পৰিল, মোৰ বেগ কোবতকোবে চলিল। সকলোৱে অবাক হৈ এই বিপৰীত দৃশ্য চাবলৈ ধৰিলে। অন্তত খেদা আৰু লৰাৰ ধুম খেতিয়া তমোময় হৈ উঠিলগৈ, মাতৃদেৱীয়ে বৰ পুত্ৰেকক এই **wild goose chase** অৰ্থাৎ পলৰীয়া ৰাজহাঁহ ধৰিবলৈ খেদি ফুৰি হাৱৰাণ হোৱাৰপৰা

নিবৃত্ত হবলৈ বৰকৈ কৈ, তেওঁক অলপ ভৰ্ৎসনা কৰি ক'লে—"বাবু হেৰ তই কলিকতাৰ-পৰা আহিছ দেখি হেপাহ কৰি তোৰ সব ভায়েৰে তোক চাবলৈ আহিল ; তই তাক ক'ত দুই-চাৰিটা কথা কৈ পোনতে মৰম কৰিবি নাই, তাক আকৌ এইদৰে মাৰিবলৈ চোৰ খেদাদি খেদি লৈ ফুৰাইছ ! লাহে-ধীৰেও দেখোন তই তাৰ পঢ়া-শুনাৰ মহলা লব পাৰ।" আইৰ কথা শুনি যদিও ককাইদেও ক্ষান্ত হ'ল, তথাপি আইক মৃদু-মন্দ প্ৰতি-ভৎসনা কৰিবলৈ নেপাহৰিলে যে "তোমালোকে তাক মৰম কৰি কৰি তাৰ মূৰ খালাহঁক। ইমানটো ঢোদোঙা ল'ৰাই একো পঢ়া-শুনা নকৰে—এটা big dunce হ'ল !" এই ঘটনাৰ পিছত ককাইদেওসকল থকা কেইটা দিন মই মন মাৰি আলেঙে আলেঙে ফুৰি কোনোমতে কটাই দিছিলোঁ। বোধকৰো এই ঘটনা, পিতৃদেৱতাই গুৱাহাটীতে কামৰপৰা অৱসৰ লৈ পেন্সন পাই শিৱসাগৰলৈ আহিবৰ কিছুদিনৰ আগতে ঘটিছিল ; কাৰণ মোৰ মনত আছে, শিৱসাগৰলৈ আহিবলৈ যাত্ৰা কৰি গুৱাহাটীৰ ঘাটতে আমি সকলোটি নাৱত উঠি থাকি, ৰাতি বালিত ভাত খাবৰ সময়ত, বৰ ডাঙৰ ধুমুহা বতাহ এটাই আমাৰ ৰন্ধা-বঢ়া ভাত বালিৰে পুতি পেলাইছিল, আৰু বালিত তৰা আঁৰ কাপোৰখন উৰাই নি ব্ৰহ্মপুত্ৰৰ মাজত পেলাই দিছিল ; আৰু সেই ৰাতিৰ সেই দুৰ্য্যোগৰ সময়ত দেউতা আৰু ককাইদেওসকলে আন আন মানুহ আৰু নাৱৰীয়াহঁতৰে সৈতে পানীত নামি কান্ধ পাতি আমাৰ নাও দুখন ধৰি থাকি কোনো মতে ৰক্ষা কৰিছিল। মনত আছে, ধুমুহাৰ পিছত, সেই ৰাতিয়েই তেওঁলোক দুযো কলিকতালৈ উভতি যাবলৈ বুলি সদাগৰী জাহাজত উঠেগৈ আৰু পিছদিনা মাতৃদেৱীয়ে চকুৰ লো টুকি এইবুলি বেজাৰ কৰিছিল যে—"লৰা দুটাই কালি ৰাতি ইমান দুখো পালে আৰু যোৱাৰ আগেযে এসাজ ভাত খাবলৈ আহি খাবলৈকো নাপালে।"

ওপৰত উনুকিয়াইছোঁ, যে পিতৃদেৱতাই গুৱাহাটীতে একষ্ট্ৰা এছিষ্টেণ্ট কামৰপৰা অৱসৰ লৈ পেন্সন পায়। গুৱাহাটীৰ অনেক ভদ্ৰলোকে ঘাইকৈ লক্ষ্মীনাথ গজপুৰীয়া বৰুৱা ডাঙৰীয়াই পিতৃদেৱতাক উৰ্জ্জনিলৈ উভতি নগৈ গুৱাহাটীতে ঘৰ-বাৰী কৰি থাকিবলৈ অনুৰোধ কৰে। কিন্তু পিতৃদেৱতাই নিজৰ পুৰণি ঠাই শিৱসাগৰলৈ উভতি যোৱাটোকে থিৰ কৰিলে।

গুৱাহাটীৰ ভদ্ৰলোকসকলৰ ভিতৰত উকীল শ্ৰীমন্ত সেন, যশোমন্ত সেন, এই দুজনৰ কথা আৰু গোবিন্দৰাম চৌধাৰীৰ কথা মোৰ মনত আছে। এওঁলোক আমাৰ ঘৰলৈ সততে আহিছিল আৰু দেউতাৰ আদৰৰ পাত্ৰ আছিল। গোবিন্দৰাম চৌধাৰী ওখ, ডাঙৰ আৰু দেখিবলৈ বৰ সভা-শুৱনি লোক আছিল। হেজাৰৰ ভিতৰত গোবিন্দৰাম চৌধাৰী চকুত পৰা "চেহেৰাৰ" মানুহ।

কমলানাথ ফুকনৰ কথা প্ৰথমতে অলপ কৈছোৱেই। ফুকন ডাঙৰীয়া ধৰ্ঁৱাল, ৰসিক, witty আৰু কৌশল কৰি লোকক বিদ্ৰূপ কৰিব পৰা লোক আছিল। মোৰ শুনা এতিয়াও মনত আছে—কোনোবা এজনে হেনো ডবা এটা কিনিবলৈ তেওঁৰপৰা ধন ধাৰে নিছিল। ডবা কিনাও হ'ল আৰু দিনৌ তাৰ ব্যৱহাৰ কিনোতাৰ ঘৰত হবলৈ

ধৰিবলে ; কিন্তু ধাৰে নিয়া ধন অনেক দিনলৈকে সেইজনে ফুকৰ ডাঙৰীয়াক ওভোতাই দিবৰ নাম নকৰে। ধৰুৱাৰ নিশ্চিন্ত গতি দেখি বাৰচেৰেক ফুকনে ধাৰ সাধিলে, কিন্তু ফল একো নফলিল। শেষত নিজৰ মনৰ সন্তোষৰ অৰ্থে, তেওঁ এই পদ্যটো ৰচনা কৰি সমাগত বন্ধু সকলৰ আগত সুৰ ধৰি গাবলৈ ধৰিবলে ঃ যথা—

দলৈ ( অমুক ) ৰে
ডবা বাদ্য কৰে,
তাৰ ধন আজিলৈকে বাকী।
( অমুকৰ ) কথা শুনি
মৰোঁ টকা ভৰি,
ইকি ( অমুকৰ ) ফাকি ॥

এই lampoon অৰ্থাৎ বিদ্ৰূপাত্মক পদ্য কেইশাৰীয়ে ধৰুৱাৰ দ্বাৰাই ধাৰ শুজাব পাৰিছিলনে নাই কব নোৱাৰোঁ ; কিন্তু ইযে ফুকনৰ মনৰ খেদ অনেক পৰিমাণে কমাইছিল, তাৰ ভুল নাই ; কাৰণ তেতিযা প্ৰায় সকলো ৰসিক ভদ্ৰলোকৰ মুখে মুখে এই পদ্য কেশাৰী বাগৰি ফুৰি তাৰ উদ্দেশ্য ( mission ) এক প্ৰকাৰে সিদ্ধি কৰিছিল।

গজপুৰীয়া বৰুৱা ডাঙৰীয়াৰ সম্পৰ্কেও এটি ক্ষুদ্ৰ আমোদজনক কথা মোৰ মনত আছে। তেখেতৰ এটা ঘোঁৰা আছিল, ঘোঁৰাটো বেগী বা চোকা যে নাছিলেই, বৰং সি বটুৱা বদনামৰো হাত সাৰিব পৰা নহয়। ঘোঁৰাটোৰ মন্থৰ গতিত বা "বেগতিত" বৰুৱা ডাঙৰীয়া বিৰক্ত হৈ, এদিন তাক প্ৰকাশ্যে এইবুলি ভৎসনা কৰি লজ্জা দিছিল— "ইস্ নেদেখিছা! জানিবা ইন্দ্ৰৰ উচ্চৈশ্ৰৱাডোখৰহে? বোলোঁ তিওৱা বুটমাহ খোৱাহে খোৱা, খোজ কাঢ়িবৰ ফালে মন হলে নাই!"

দুখন ডাঙৰ শুৱালকুচীয়া হোলোং নাৱেৰে আমি গুৱাহাটীৰপৰা শিবসাগৰলৈ যাত্ৰা কৰিলোঁহঁক। গুৱাহাটীৰপৰা শিৱসাগৰলৈ উজাই আহোঁতে আমাৰ ২২।২৪ দিন লাগিছিল। ব্ৰহ্মপুত্ৰইদি উজাই অহা এই কালডোখৰ মোৰ পক্ষে অপাৰ আনন্দৰ কাল। ফাগুনৰ শেষ-ছোৱা আৰু চ'তৰ আগছোৱাত বোধকৰো, এই নৌকাযাত্ৰা সংঘটিত হৈছিল। ধৌতময় শুভ্ৰ বালিৰে দুকাষে দুটা তিৰবিৰোৱা পাৰি দিয়া, নিৰ্মল ব্ৰহ্মপুত্ৰখন মোৰ মনত ফটিকৰ সুতাৰে বোৱা এখন ডাঙৰ চেলেং কাপোৰ যেন লাগিছিল। আৰু তৰি থোৱা সেই বগা চেলেংখনত দুটা কলা টোকাপৰুৱা বগাই যোৱাৰ নিচিনাকৈ আমাৰ নাও দুখন চৰিব ঠেলাত যোৱা যেন লাগিছিল। একো একোটা বালিক দূৰৰপৰা একো একোটা "দানাদাৰ দোবৰা" চেনিৰ পৰ্বত যেন আৰু একো একোটা মটীয়া বৰণৰ কাশীৰ চেনীৰ দম যেন দেখিছিলোঁ ; আৰু দুপৰীয়া টেঙা থাবৰ মন যোৱা কালডোখৰত একো একোটা বালি লোণৰ পৰ্বত বুলি কল্পনা কৰিছিলোঁ। দুপৰীয়া আৰু গধূলি কোনো এটা বালিৰ কাষত নাও বান্ধিলেই, মই সকলোৰে আগেয়েই একেজাপেই নাৱৰপৰা বালিত পৰি আনন্দত ম'বাচবাইৰ পোৱালি লৰি ফুৰাদি ফুৰিছিলোঁ। মনত এনে ভাব, যেন চকুৰে দেখা দূৰলৈকে য'ত বালি দেখিবলৈ পোৱা গৈছে, এটাকো বাদ

নিদি এটাইবোৰৰ ওপৰত জাঁপিয়াই লবি-ধাপৰি ভটোগ্নটি বাগৰাদি বাগৰি ফুৰি শেষ কৰিছে এবিধ।

এদিন দুপৰীয়া ভাত ৰান্ধিবৰ নিমিত্তে এটা বালিত নাও ৰখা হ'ল। দেখিলোঁ, বহুত গঙ্গাচিলনী চাৰিওফালে উৰি ফুৰিছে। কোনোবাই মোক কৈ দিলে যে সেই বালিত নিশ্চয় গঙ্গাচিলনীৰ কণী পোৱা যাব। মই, মোৰ ককাইদেও শ্ৰীনাথেৰে সৈতে, বিচাৰি বিচাৰি সঁচাকৈয়ে দুটা গঙ্গাচিলনীৰ কণী পাই আনি বুকু ফুলাই সকলোকে দেখুৱালোঁ। শুনিলোঁ, গঙ্গাচিলনী যদিও নাখায়, কিন্তু তাৰ কণী হ'লে খায়। এই সন্তোষজনক বিধান শ্ৰৱণ কৰি কণী দুটা ভজোৱাই দুই ভায়ে পৰম তৃপ্তিৰে সৈতে ভোজন কৰিলোঁ। এদিন আন এটা বালিত বিচাৰি বিচাৰি দুটা ঘৰিয়ালৰ কণী পাইছিলোঁ। প্ৰকাণ্ড কণী। কণী দুটা ফুটাই তাৰ ভিতৰৰ কুহুমবোৰ দলিয়াই পেলাই, গোট খোলা দুটা বহুত দিনলৈকে নাৱৰ কুন্দিৰ বাৰত আঁৰি থৈ দিছিলোঁ। ৰংপুৰ পাই নাৱৰপৰা নামিবৰ সময়ত কিন্তু সেই দুটা মোৰ দৃষ্টিৰ বহিৰ্ভূত হ'ল। বোধকৰো "ছুপভইছুৰ" ৰবিনাথ ককাই দয়া পৰবশ হৈ অন্তঃসাৰশূন্য অণ্ড-যুগলক মাক ঘৰিয়ালৰ বুকুলৈ পানীয়েদি "চালান" দিলে।

এদিন আবেলি চাৰিমান বজাত এটা ঘুলিত আমাৰ নাও ৰখা হ'ল। সিমান সোনকালে সেই দিনা বন্ধাৰ কাৰণ, ফেৰ্ফেৰীয়া বতাহ, সম্ভৱতঃ বতাহৰ কোব ৰাতিলৈ বাঢ়ি সেই বতাহ ধুমুহাত পৰিণত হবগৈ পাৰে, এই আশঙ্কা কৰি। ঘুলিটো ভাল; তাত নাও বান্ধি থাকিলে কোনো ভয় নাই, আৰু শীঘ্ৰে তেনে ঘুলি পোৱা নাযাবও পাৰে। নাও বন্ধাৰ পিছত দেখা গ'ল, দুৰত বালিৰ ওপৰত দুটা কি তিনিটা ডাঙৰ কাছ বগাই গৈছে। নাৱৰীয়াহঁতে ক'লে যে কাছকেইটা কালডাপ কাছ। সিহঁতে এনে বতৰত বালিত কণী পাৰিবলৈ উঠে। আমাৰ লগুৱা ধনীয়ে এই খবৰ শুনিয়েই কাছৰ ফালে চোচা ল'লে। আমি লৰ দিলোঁ। মানুহ অহা গম পাই, কাছকেইটাই অভীপ্সিত কাৰ্য-স্থগিত ৰাখি, উভতি নৈৰ ফালে প্ৰাণপণে লৰ দিলে। ধনীৰ বেগ অনুপাতত কাছৰ বেগতকৈ বেছি হোৱাত, সি কাছ এটাক আগচি ধৰি ততালিকে লুটিয়াই পেলাই তাৰ বুকুত ডাঙৰ গোৰ এটা মাৰি দিলে, যাক চলিত ভাষাত কাছগোৰ বোলে। কাছটো একে গোৰতে অৱশ হৈ পৰিল। বাকীকেইটাই ইতিমধ্যতে পানীত পৰি প্ৰাণ ৰক্ষা কৰিলে। কাছটো কাটিলত তাৰ পেটত দুকুৰিমান কণী ওলাল।

এদিন নাওখন পাৰৰ নল-খাগৰিৰ কাষে কাষে যাওঁতে নাৱৰীয়াহঁতে চৰিৰ ফেৰেকা মুখেৰে হেঁচা মাৰি ধৰি এটা দুৰা কাছ ধৰিছিল। কাছটোৰ পিঠিত এটা ভোটা কাঁইট বা খজাৰ দৰে আছিল। সেই কাছটোক হেনো নল-দুৰা বোলে; আৰু সি হেনো অখাদ্য। নাৱৰীয়াহঁতেঃ কাছটো কি কৰিলে কব নোৱাৰোঁ; সম্ভৱতঃ তাক খাদ্যৰ শ্ৰেণীভুক্ত কৰি ৰান্ধি-বাঢ়ি পেটত ভৰাই থলে। আমাৰ ধনীয়ে কিন্তু কি কৰিছিল কব নোৱাৰোঁ; কাৰণ কাছটো অখাদ্য বুলি শুনি সি দেউতাই নুশুনাকৈ আমাৰ আগত প্ৰতিবাদ কৰি তলত দিয়া শাস্ত্ৰৰ বচন মাতি তাৰ অদ্ভুত ব্যাখ্যা কৰি কৈছিল,—

"কীৰ্ত্তন ঘোষাত এই দুবা কাছ খাবলৈ কৈছে ; যেনে, 'দুৰাচাৰ মন মোৰ ৰাম হৰি বোল' অৰ্থাৎ মোৰ মনে তোক খাবলৈ কৈছে, তই মই খাব পৰা হ ?"

আমাৰ নাৱৰীয়া এটাই এদিন বালিত ফুৰি উভতি আহি তাৰ চুৰিয়াৰ কোঁচ উবুৰিয়াই আমাৰ আগত একোঁচ কাছ-কণী ৰাখি দিলে ; তাৰ কিছুমান সম্পূৰ্ণ ঘুৰণীয়া, কিছুমান দীঘলীয়া। ঘুৰণীয়াবোৰ বৰ-কাছৰ কণী আৰু দীঘলীয়াবোৰ দুবা কাছৰ কণী। পাঁচ-ছদিনলৈকে সেই কণী সিজাই নাইবা ভাতত দি আমি সকলোৱে খাই তৃপ্তি লভিছিলোঁ।

এদিন ৰাতি খাই বৈ আমি নাৱত শুই আছোঁহক ; এনেতে নাৱৰীয়াহঁতে দেউতাক ক'লে যে বৰ ধুমুহা বতাহ আহিবৰ সম্ভৱ, কাৰণ ক'লা মেঘ এচটা পশ্চিমফালে আকাশত ওলাইছে। নৱালীৰকৈ দেউতাই সিহঁতৰ হতুৱাই নাও দুখনৰ গোজ কাচি মজপুতকৈ পোতাই বন্ধালে আৰু আন আন যি সতৰ্কতা অৱলম্বন কৰিব লাগিছিল, কৰালে। পোন্ধৰ মিনিটমানৰ পিছতে গোটেইখন আকাশ ক'লা মেঘে চাটি পেলালে ; হুৰু হুৰু গিৰু গিৰু শব্দ হ'ল ; বিজুলী মাৰিবলৈ ধৰিলে আৰু লগে লগে ভয়ানক ধুমুহা আৰম্ভ হ'ল আৰু আমাৰ নাও দুখনক ধুমুহাই পানীত পেলাই বোন্দা থেকেচা দিবলৈ ধৰিলে। যাত্ৰা কৰি গুৱাহাটীৰ ঘাটত নাৱত উঠাৰ দিনাৰ দৰে সেইদিনাও দেউতাই নাৱৰীয়াহঁত আৰু চাকৰ-নাকৰবোৰেৰে সৈতে ৰাতি পানীত পৰি কান্ধ পাতি নাও দুখন কোনোমতে ৰক্ষা কৰিছিল। পিছদিনা উজাই যাওঁতে এঠাইত দেখিলোঁ, আমাৰ নাৱৰে নিচিনা নাওঁ এখন উবুৰি হৈ এটা ডাঙৰ জাঁজিত লাগি আছে। পিছত শুনিলোঁ বোলে সেই নাৱৰ সকলোকেইটা আৰোহী, গল ৰাতিৰ সেই ধুমুহাত নাও বুৰি নৈৰ গৰ্ভত চিৰকাললৈ বিলুপ্তি হ'ল। কৰাল কালে কোন দুৰ্ভগীয়াক সৰ্পাৰবাৰে এইদৰে পানীৰ মৈদামত দিলে কোনে কব !

যাওঁতে যাওঁতে এদিন পুৰা নল খাগৰি আৰু কঁহুৱা থকা জেকা বালি এটাৰ ওপৰত এজাক বনৰীয়া ম'হ দেখিলোঁ। সশিঙ্কত হৈ নাৱৰীয়াহঁতে নৈৰ সিপাৰলৈ পাৰি দি যাবৰ মনোগত কৰোঁতেই, ম'হ জাকেই আত্মশক্তি-বিস্মৃত হৈ, ভয় খাই টেঁটাই টপলিয়াই লৰ মাৰি হাবিত সোমাল। ডাঙৰবোৰৰ লগে লগে সমানে লৰিব নোৱাৰা চাৰি-পাঁচোটা সুন্দৰ ম'হ পোৱালি পিছ পৰি লৰি যোৱা দেখি এনে ভাল লাগিছিল ! সিহঁতক পাৰিলে ধৰি মৰম কৰি পুহিবৰ মোৰ বৰ মন গৈছিল।

এদিন দেখা গ'ল, এজোপা ডাঙৰ গছত বহি এটা কুৰুৱা চৰায়ে এটা ডাঙৰ বৌমাছ খাবৰ দিহা কৰিছে। আমাৰ নাৱৰ আগোৱাল এটাই কুৰুৱাটোৰ ফালে কাঠখৰি এডাল বমুঠি মাৰি পঠিয়ালে। ভোজত বহা কুৰুৱাটোৱে ভোজনৰ আগেয়ে ভয় খাই উৰি লৰ মাৰিলে, আৰু মাছটো তাৰ নখৰ পৰা খহি ধুপুৰু কৰে গছৰ তলত পৰিল। বমুঠি মাৰোঁতা আগোৱালটোৱে এক জাপেই নাৱৰপৰা নামি বালত পৰি, লৰি গৈ মাছটো লৈ আহি আমাৰ আগত বুকু ফিন্দাই পেলাই দিলেহি। বৰ ডাঙৰ বৌ। কাটিলত পেটৰ ভিতৰত তিনি সেৰমান কণী পোৱা গ'ল। ভোজত বহি

বিফল মনোৰথ হৈ গুচি যোৱা কুকুৰাটোৰ বাহিৰে সকলোৱে সেই মাছ সেইদিনা ভোজন কৰি তৃপ্তি লভিলে।

এদিন দেখিলোঁ, পাৰৰ বালি এটাত থকা জুপুৰি এটাৰপৰা জালোৱা বুঢ়া-বুঢ়ী দুটা আমাৰ নাৱৰ ফালে বেগাই আহিছে। দেখিলোঁ, বুঢ়াৰ হাতত কিবা এটা ওলমি আছে। "দেউতা এখন্তেক নাও ৰাখক" বুলি কোৱা বুঢ়াৰ মাত শুনি আমাৰ নাও ৰখা হ'ল। দেউতাৰ আগত বৰকাছৰ পোৱালি এটা থৈ বুঢ়া-বুঢ়ীয়ে সেৱা কৰি কলে, "দেউতা ঈশপৰে পেন্সন লৈ উজাই আহিছে বুলি আমি শুনিছোঁ; সেইবাবে দেউতা ঈশ্বৰক সেৱা কৰিবলৈ আহিলোঁ।" দেউতাই মিঠা কথা কৈ বুঢ়া-বুঢ়ীক আপ্যায়িত কৰাৰ পিছত, বুঢ়াই তাৰ ঘুংৰোগৰ বৃত্তান্ত কৈ দেউতাৰপৰা দৰব লৈ সন্ত্ৰীকে সেৱা কৰি প্ৰস্থান কৰিলে। নিজান বালিৰ ওপৰত বুঢ়া-বুঢ়ীহালি সেইদৰে অকলৈ থকা দেখি মোৰ ল'ৰা মনলৈকো এটা উদাস ভাব আহিছিল। ভাবিছিলোঁ, মোক মোৰ অভিভাৱকসকলে যদি এৰি দিয়ে, ময়ো অকলৈ এইদৰে এনে এটা বালিৰ ওপৰত পঁজা এটা সাজি লৈ যাবজ্জীৱন থাকিম।

নল-খাগৰি থকা বালিৰ গৰাৰ পানীৰ ঘুৰ্ণিত কাতি হৈ পৰি থকা নল-খাগৰিৰ ওপৰত সৰু সৰু কাছ-পোৱালিবোৰ উঠি থাকে; আৰু আমাৰ নাও কাষ পালেগৈয়ে টুপুং কৰে পানীত পৰি বুৰ মাৰে। এই দৃশ্যটো মোৰ বৰ ভাল লাগিছিল। ভাবিছিলোঁ, ময়ো যদি কাছ-পোৱালী হলোঁহেঁতেন এইদৰে টুপুং কৰে বুৰ মাৰি কৰবালৈ গুচি গলোহেঁতেন। এনেকুৱা কাছ-পোৱালি দেখিলে মই লেথি যাওঁ। এদিন এটাৰ পিছত এটাকৈ লেখোঁতে একুৰি তিনটা হৈছিল।

ব্ৰহ্মপুত্ৰৰ দাঁতিত একো একো ঠাইত মাদুৰি বন হয়। বাকলি গুচাই মাদুৰিৰ শাহটো আৰু কেঁওটো খাবলৈ ভাল লাগে। দেউতাই কিন্তু আমাক মাদুৰি খাবলৈ নিদি কৈছিল, "এই মাদুৰিৰে কোবাই মৰিয়া-মৰি কৰি যদু বংশ ধ্বংস হৈছিল; এতেকে মাদুৰি খাব নাপায়।" এনে innocent মাদুৰিৰে সৈতে যে এনে ভীষণ স্মৃতি বিজড়িত হৈ আছে, জানিব পাৰি সেইদিনাৰপৰা মাদুৰি ভোজনৰপৰা প্ৰতিনিবৃত্ত হলোঁ।

একো একো ঠাইত বালিৰ গৰাত খহনীয়াই ধৰা বাবে, সেইপিনে উজাই যোৱাটো বিপদজনক। সেইদেখি পেই পাৰৰপৰা সিপাৰলৈ পাৰি দিব লগীয়া হয়। চকুৰে ইপাৰ সিপাৰ মণিব নোৱাৰা ব্ৰহ্মপুত্ৰত এইদৰে আমাৰ অনেকবাৰ পাৰি দিবলগীয়া হৈছিল। পাৰি দিওঁতে নাৱৰ আগোৱালকেইটাই নাৱৰ টিং আৰু গলত বহি প্ৰাণপণে দাঁৰ মাৰি আৰু গুৰিয়ালে গুৰিৰপৰা গুৰি-বঠাৰে চাব দি দি অতি কষ্টেৰে এই দুখৰ কাম সমাপন কৰিছিল। এনেকৈ পাৰি দিওঁতে আমি অনেকবাৰ পিতৃদেৱতাকে গুৰিয়ালৰ হাতৰ বঠা ধৰা দেখিছিলোঁ। নাও পাৰি দিওঁতে পিতৃদেৱতাই "ৰাম পাৰ কৰা, এ, ৰঘুনাথ সংসাৰ-সাগৰে!" এই ঘোষা লগাই পদ দিছিল, আৰু আমি সকলোৱে উচ্চৈস্বৰে গাইছিলোহঁক। বাস্তৱিকতে এই নামৰ তালৰ লগত পানীতপৰা

দাঁৰৰ জেও মিলি নাৱৰীয়াহঁতৰ মনত এক অপূৰ্ব উৎসাহৰ সোঁত বোৱাইছিল; আৰু ফলত নাও হাফোলা-হাফোলে আগবাঢ়ি গৈছিল। এদিন এইদৰে ব্ৰহ্মপুত্ৰত পাৰি দি যাওঁতে এবাৰ নৈৰ মাজতে আমাৰ নাওখন ঘপহ্ কৰে এটা চটত লাগিল। ততালিকে নাৱৰীয়াবোৰেৰে সৈতে পিতৃদেৱতাই চটৰ তৰাং পানীত নামি পৰি নাওখন বলেৰে টানি টানি কোনোমতেহে সেই চোৰ বালিৰ চটৰ বিপদৰ পৰা তাক ৰক্ষা কৰিলে।

এদিন পিতৃদেৱতাই আমাক দূৰৰপৰা আঙ্গুলিয়াই দেখুৱাই ক'লে, "সৌৱা মোৰ আতাৰ থান ৺কমলাবাৰী সত্ৰৰ গছ দেখা গৈছে!" পিতৃদেৱতাৰ আদেশ আৰু আৰ্হি অনুসৰণ কৰি আমি নাৱৰ চৰথত আঁঠুকাঢ়ি পৰি থানৰ উদ্দেশে ভক্তিপূৰ্ণ সেৱা কৰিলোহঁক। পিতৃদেৱতাই সেৱা কৰি উঠি, তলত দিয়া ঘোষাকেইটা সুৰ ধৰি গাই তাৰ মানে অতি ভক্তিভাৱে ব্যাখ্যা কৰি আমাক শুনাইছিল—

যিদিশত মহা ভক্তসৱে শ্ৰীমন্ত কমললোচনক
পৰম সন্তোষে কীৰ্তন যিটো কৰয়।
সিদিশক নমস্কাৰ কৰি দুৰ্ঘোৰ সংসাৰ সুখে তৰি
আপুনি অচ্যুত-স্বৰূপ সিটো হোৱয় ॥
ৰমানন্দ-পদ-যুগলৰ মকৰন্দ-মধুৱৰত প্ৰায়
ভকতসকলে যিদিশত প্ৰকাশয়।
সিদিশ জানিবা গঙ্গাদেৱী অনেক প্ৰৱাহ-ৰূপে আতি
পৰম নিৰ্মল স্বৰূপে শোভা কৰয় ॥
শ্ৰীমধুদ্বিষ ঈশ্বৰৰ কীৰ্তন মঙ্গল নিৰন্তৰ
যিটো ভুমিভাগে শুদ্ধৰূপে হোৱে জাত।
তাৰ ধূলি যিটো পিৰে ধৰে নিশ্চয়ে জানিবা সিটো নৰে
কৃষ্ণৰ পৰম বল্লভ হোৱে সাক্ষাত ॥

মোৰ ভালকৈ মনত আছে, যিদিনা আমি দিখৌমুখত সোমাওঁ সোমাওঁ হৈছোঁ, সেইদিনা দুপৰীয়া, ওচৰৰ মিৰি গাওঁ এখনত ৰৰকৈ ল'ৰা এটাই কন্দা আমি শুনিলোঁ। দেউতাই তেতিয়াই নাও ৰখাবলৈ দি, নাৱৰপৰা নাৱৰীয়া এটাক কন্দনা ল'ৰাটোৰ মাক-বাপেকক মাতি আনিবলৈ পঠিয়াই দিযে। সিহঁত আহিলত, ল'ৰাটোক সিহঁতে কিয় সিমানকৈ কন্দুৱাইছিল, দেউতাই সুধি আৰু নকন্দুৱাবলৈ ভালকৈ কৈ সিহঁতক বিদায় দিলে। সিহঁতে দেউতাৰ কথাত সন্তোষ লভি, আমাৰ নাওখন অলপ ৰাখিবলৈ কৈ, লৰি গৈ চাইটা মানুহে সাঙ্গী কৰি অনা এটা ডাঙৰ বৰকাছ দেউতাক উপঢৌকন দি সেৱা কৰিলে। লগতে গোটেইখন মিৰি গাৱঁৰ ল'ৰা, বুঢ়া আৰু তিৰোতা আহি আমাৰ নাৱৰ কাষত জুম বান্ধিলে। দেউতাই কাছটো তাতে কটাই তাৰ এটা কি দুটা পিৰা ৰাখি বাকীবোৰ সিহঁতকে বিলাই দিয়ালে। সিহঁতে ৰং মনেৰে মঙ্গহ লৈ দেউতাক সেৱা কৰি গুচি গ'ল। ৰৰজাপি এটাৰ সমান ইমানটো ডাঙৰ বৰকাছ আগেয়ে মই কেতিয়াও দেখা নাছিলোঁ।

তেতিয়া মোৰ বয়স কিমান কব নোৱাৰো। মই চুৰিয়া যদিও পিন্ধিছিলোঁ, কিন্তু এৰা-ধৰাকৈহে। মই শুনিলোঁ, আৰু দুই-এদিনতে আমি ৰংপুৰ পামগৈ। মই ভাবিলোঁ, আমাৰ ৰংপুৰৰ ঘৰৰ মানুহবোৰৰ আগত মোৰ কঁকালেৰে সৈতে চুৰিয়াৰ এনে এৰা-ধৰা সম্বন্ধটো বৰ লাজৰ কথা হ'ব; ইয়াকে ভাবি, দিনে ৰাতিয়ে সম্বন্ধ নিছিগাকৈ পিন্ধি থাকিবলৈ দুখন চুৰিয়া মোক দিবলৈ মাতৃদেৱীক কলোঁ। মাতৃদেৱীয়ে মোৰ প্ৰাৰ্থনা যুক্তিসঙ্গত বিবেচনা কৰি সেইমতে মোক চুৰিয়া দুখন দিলে আৰু মই ভব্য-গব্য সভ্য ল'ৰা হৈ আমাৰ ৰংপুৰৰ ঘৰত প্ৰবেশ কৰিলোঁ।

## ॥ চতুৰ্থ আধ্যা ॥

অসম ৰজাৰ ৰাজধানী ৰংপুৰ বা শিৱসাগৰৰ দৃশ্য অসম ৰাজপ্ৰতিনিধিৰ চহৰ গুৱাহাটীৰ দৃশ্যতকৈ সুকীয়া। গুৱাহাটীৰ গাত লুইতৰ বিহা মেখেলা, ডিঙিত পৰ্বতৰ সাতসৰী হাৰ, মূৰত ভুবনেশ্বৰীৰ ধৱল কিৰীটি, বুকুত উমানন্দ আৰু উৰ্বশী। শিৱসাগৰ সমতল, চকুৰে দেখালৈকে প্ৰায় পৰ্বতশূন্য নিৰাভৰণা ; মাথোন তেওঁৰ ক্ষীণ হাত দুটি দিখৌ আৰু দিচাং নামৰ সৰু বলয় এযুৰিয়ে অলপ উজলাই ৰাখিছে। গুৱাহাটীৰপৰা নাৱেৰে আহোঁতে, ব্ৰহ্মপুত্ৰৰ ওচৰত বিদায় লৈ দিখৌৰ বুকুত সোমাওঁতে মোৰ যেনে লাগিছিল, নামনি আৰু মাজ অসম এৰি ৰংপুৰ চহৰত সোমাওঁতেও মোৰ তেনে লাগিছিল। নতুন ঠাই, আমাৰ নিজা পুৰণি ধৰ ৰংপুৰলৈ যাব লাগিছোঁ, ৰংপুৰ নোপোৱালৈকে এই আনন্দই যেনেকৈ মোক আপ্লুত কৰি ৰাখিছিল, ৰংপুৰ পালত, সেই আনন্দ এটা অনিৰ্বচনীয় বিৰাগে শুকাই পেলালে।

অসম দেশখনক গোটেই ভাৰতৰ আন আন দেশবোৰেৰে সৈতে ৰিজাই কোনো কোনোৱে জকাইচুক বুলি উপলুঙা কৰা শুনিছোঁ ; তেনেকুৱা উপলুঙীয়া ৰিজনিকে দি যদি নামনি অসমৰে সৈতে উজনিৰ শিৱসাগৰক চোৱা যায়, তেনেহলে শিৱসাগৰকো অসম জকাইৰ চুক বুলিলে বুলিব পাৰি। অন্ততঃ আকৃতিত নহলেও প্ৰকৃতিত—কিন্তু জকাইৰ চুকটোক অগ্ৰাহ্য আৰু অমান্য কৰি চলিলে যেনেকৈ জকাইখনৰ কোনো মূল্য নাথাকে, শিৱসাগৰকো সেইদৰে অগ্ৰাহ্য অমান্য কৰিলে অসমৰ মূল্য নাথাকে। যি হওক অতি শীঘ্ৰে শিৱসাগৰৰ সম্পৰ্কে বিৰাগৰ এনে ভাব মোৰ মনৰপৰা আঁতৰি তাৰ ঠাই অনুৰাগে অধিকাৰ কৰিলে। তাৰ কাৰণ, শিৱসাগৰৰ বিশাল বিতোপন বৰপুখুৰী আৰু পাৰত ওখ ডাঙৰ দৌল তিনিটা। শঙ্কৰদেৱৰ ভাষাৰে কবলৈ গ'লে, এই দৌল তিনিটাৰ বিষ্ণুদ'ল আৰু দেৱীদ'ল—দুকাষৰ এই দ'ল

সুৱৰ্ণ ৰজত লোহা জ্বলে তিনি শৃঙ্গ।  
চক্ষুত জমক লাগে দেখিতে বিৰিঙ্গ ॥

দ টাত যদিও ৰজতৰ শৃঙ্গ নাথাকি লোৰ চক্ৰ আৰু ত্ৰিশূলে সেই কাম কৰিছে, মাজৰটোৰ অৰ্থাৎ শিৱদলৰ ওপৰত "চকুত জমক লগোৱা বিৰিঙ্গ শৃঙ্গই তিৰি-মিৰি কৰি দশোদিশ" প্ৰকাশি যে শিৱসাগৰৰ মহিমা উজ্জ্বল কৰি ৰাখিছে, তাক এশখন মুখেৰে কব পাৰি। সুশীতল নিৰ্মল জলেৰে, চপ্‌চপীয়া শিৱসাগৰৰ বৰপুখুৰীটোকো সৰোবৰৰ সম্মান দি, শ্ৰীশঙ্কৰদেৱৰ অমৃতময় ভাষাৰে আকৌ এইদৰে বৰ্ণাব পাৰি—

তাহাৰ মাঝে সৰোবৰ এক।  
সাগৰ-সঙ্কাশ দেখি প্ৰত্যেক ॥  
সুৱৰ্ণময় পদ্মে আছে জুৰি।  
ভ্ৰমৰে মধু পিয়ে তাত পৰি ॥  
ৰাজহংস আদি যতেক পক্ষী।  
পৰি পাৰ থাকে নাযায় উপেক্ষি ॥

এনে বিধৰ ৰূপখুৰীটোৱেও অচিৰতে মোৰ মন হৰণ কাৰ্য সম্পাদন কৰিলে। ইয়াৰ উপৰিও কোবাল-সোঁতীয়া আৰু "মানুহ-পৰি-মৰা" ওখ গৰাবে দিখৌ নৈয়ে আৰু দিখৌৰ সিপাৰৰ ৰংঘৰ, কাৰেংঘৰ, তলাতলি ঘৰ, জয়সাগৰৰ দৌল আৰু প্ৰকাণ্ড পুখুৰী প্ৰভৃতিয়েও যে সোনকালে এই মোৰ মন-হৰণ ভাওনাত ডাঙৰ ডাঙৰ ভাৱৰীয়াৰ ভাও দি সহায় কৰি সেই ভাৱনা সুকলমে সমাপন কৰিলে এইটো কোৱা বাহুল্য মাথোন। মোৰ পক্ষে শিৱসাগৰ শীঘ্ৰে আনন্দ-সাগৰ হ'ল, ৰংপুৰ ৰঙৰ আলয় হ'ল।

শিৱসাগৰৰ ঘৰত উমলিবলৈ মোৰ দুটা ভতিজাক লগৰীয়া স্বৰূপে পালোঁ; এটি মোতকৈ ডেৰ বছৰৰ বৰ, আনটি মোতকৈ অলপ সৰু। প্ৰথম দিনতে মই আবিষ্কাৰ কৰিলোঁ যে সিহঁত দুয়ো মোতকৈ বেছিকৈ পঢ়িছে; অৱশ্যে বঙ্গলা কিতাপ। সিহঁত দুয়ো সিহঁতৰ বঙ্গলা বিদ্যাৰ "তুবৰিবাজীৰে" খন্তেকতে মোক অবাক কৰি দিলে। বঙ্গলা পদ্য-পাঠৰ পদ্য মোৰ আগত সিহঁতে মাতি মোক এক প্ৰকাৰ পুতি পেলালে বুলিব লাগে। তাৰ এটা পদ্য মোৰ এতিয়াও মনত আছে যথা—

পৰ্বতে ধুসল মেঘ হইল উদয।
ভয়ঙ্কৰ শব্দ কৰি বেগে বাযু বয॥
পাতা উড়ে ফল পড়ে ভাঙ্গিতেছে ডাল।
উড়িল বাতাসে সব কটীৰেৰ চাল॥
নদী জলে উঠে ঢেউ পৰ্বত সমান।
উপায নাপায় মাঝি কৰে হায় হায॥

দুয়ো লগ লাগি "ভয়ঙ্কৰ শব্দ কৰি" এই প্ৰচণ্ড পদ্য মাতি মোৰ ওচৰত প্ৰথম দিনতে এনে "বেগে বায়ু" বোৱাবলৈ ধৰিলে যে মোৰ লখীমপুৰীযা আৰু গুৱাহটীযা বিদ্যাৰ গৰ্বেৰে ছোৱা মন-কুটীৰৰ চাল উৰি কৰবাত পৰিলগৈ; মোৰ শান্ত মনাহ নৈৰ জলত পৰ্বত সমান ঢৌ উঠিল, তুলনাত মোৰ বিদ্যাহীনতাৰে চৈ দিয়া টুলুঙা নাওখনি টুলুং ভুটুং কৰি বুৰোঁ বুৰোঁ হ'ল আৰু মই উপায় নাপায় অন্তৰত হায়! হায়! কৰিবলৈ ধৰিলোঁ। তেতিয়াই মই মনতে সঙ্কল্প কৰিলো যে সিহঁতে যিটো খাৰ ঘৰৰপৰা খাৰ বাৰুদ সংগ্ৰহ কৰি মোৰ ক্ষুদ্ৰ কিল্লাটো ফতে কৰিলে, সেই খাৰ ঘৰৰপৰাই অতি শীঘ্ৰে ময়ো খাৰ-বাৰুদ সংগ্ৰহ কৰি সিহঁৰে সৈতে সমানে ৰণ দিম। যেনে সঙ্কল্প তেনে কাৰ্য হ'ল; সিহঁতে পঢ়া বঙ্গলা পদ্যৰ কিতাপখন দুই-চাৰি দিনতে পঢ়ি আৰু সিহঁতে মুখস্থ কৰি থোৱা কবিতাকেইটা মুখস্থ কৰি পেলালোঁ। তেতিয়া সিহঁতে পদ্য মাতিলে ময়ো যেতিয়া সিহঁতেৰে সৈতে সমানে সেই পদ্য মাতি বা সিহঁতে মাতোঁতে লৰি আগবাঢ়ি কাউণ্টাৰফায়াৰেৰে ( counterfire-এৰে ) অৰ্থাৎ প্ৰত্যাগ্নিৰে পদ্যাগ্নি নুমাবলৈ ধৰিলোঁ, আমাৰ ভিতৰত সংঘটিত পদ্য যুদ্ধখন স্থগিত হৈ শান্তি স্থাপিত হ'ল। কিন্তু কুইনিনে হেঁচা মাৰি ধৰি ৰখা মেলেৰীয়া জ্বৰৰ নিচিনাকৈ সোনকালে সি আন আকাৰেৰে দেখা দিবলৈ সৰহ দিন নালাগিল। ওপৰত কৈ অহা খণ্ডযুদ্ধত যদিও যোদ্ধা দুজন হাৰিছিল, সিহঁতে আকৌ শক্তি সংগ্ৰহ কৰি নোৰে

সৈতে গেৰিলা-ৱাৰফেয়াৰ ( guerrilla-warfare ) অৰ্থাৎ অনিয়মিত ভাৱে "হাৰুৱানি ৰুদ্ধ" আৰম্ভ কৰি দিলে। এই যুদ্ধত বঙ্গলা যাত্ৰা-গানৰ "টেঙ্ক" ( tank ) ওলাল। আমি শিৱসাগৰলৈ যোৱাৰ কিছুদিনৰ আগতে হেনো বৰপেটাৰ বিখ্যাত তিথিৰাম বায়নে তেওঁৰ বঙ্গলা "যাত্ৰা-গানৰ-পালা" লৈ উজনি দিগ্বিজয় কৰি ফুৰিছিল। বায়নৰ সেই যাত্ৰা-গানৰ অন্তৰ্গত ৰাধাৰ "মানভঞ্জন পালা"ৰ পৰা একো একোটা গানৰ একো একো বিকৃত টুকুৰা সুৰ-লয়-তান-শূন্য কৰি "গিৰি-গুহা-বন-নদী-সৰোবৰ"ৰ ওপৰেদি দুয়ো হুৰ্ হুৰ্ কৰে চলিবলৈ ধৰিলে ; আৰু তাৰ প্ৰবল গতিত মানভঞ্জনৰ গানবোৰ ডালে-পাতে চুৰ্ণীকৃত হবলৈ ধৰিলে। সেই গীতবোৰৰ এডোখৰ কঙ্কৰ এতিয়াও মোৰ মনত গধুৰ হৈ পৰি আছে ; যেনে—

ও ৰাই ! আগে প্ৰেম কৰিলি হেসে হেসে।
এখন কান্দ কেন নিৰ্জনে বসে ॥

মই ভাবিলোঁ, ই কি হ'ল ! এইবাৰতো মোৰ আৰু ৰক্ষা নাই। মোৰ দেখোঁ পতং ! তেতিয়ালৈকে মই কোনো বঙলা যাত্ৰা গান দেখা নাছিলোঁ, শুনা নাছিলোঁ। গতিকে এই musician "সঙ্গীতজ্ঞ" দুজনৰ হাতত মোৰ ঘাট অনিবাৰ্য। মই দেখা আৰু শুনা অসমীয়া ভাৱনাৰ গীত-পদ-বাইক-বচন দুটা-এটা মাতি এই ভবানক "ধাক্কা" চম্ভালিবলৈ প্ৰাণপণে চেষ্টা কৰিলোঁ হয় ; কিন্তু প্ৰতিপক্ষই মোৰ সেইবোৰক ধূলি-মাকতি rubbish আৰু অসভ্য বুলি একে টিৰিলিকিতে উৰাই দিলে ; যদিও সিহঁতে তেতিয়ালৈকে কোনো ভাৱনা দেখা নাছিল। বঙ্গলা ভাষা, বঙ্গলা গান, বঙ্গালীৰ নিচিনাকৈ চুলি কটা, চুৰিয়া-চোলা পিন্ধা, মুঠতে বঙ্গালী "ফেশ্যন" (fashion) আৰু everything Bengali অৰ্থাৎ যি-কি নহওক সকলো বঙ্গালী আমাৰ অসমীয়াতকৈ যে শ্ৰেষ্ঠ, এই ৰোগে তেতিয়াৰ ডেকা তৰপৰ গাত ভালকৈয়ে ধৰিছিল ; আৰু এই ৰোগৰ প্ৰকোপ ইমান বাঢ়িছিল যে ডাঙৰ ডাঙৰ সত্ৰবোৰত সুন্দৰ অসমীয়া অঙ্কীয়া ভাৱনাৰ লগে লগে নাইবা অঙ্কীযা ভাৱনাক খেদাই নাট ৰচোঁতা গোসাঁই মহন্তসকলে বাৰেবাঙ্কৰা অশুদ্ধ বঙ্গলা ভাষাত নাট ৰচি, ভাৱনা কৰি, নিজক গৌৰৱান্বিত আৰু দৰ্শকক সুখী বিবেচনা কৰিছিল। বৰবোৰ যেনি যায় সৰুবোৰো তেনি যায়, গতিকে ময়ো ভাবিলো যে মোৰ বঙ্গলা গানৰ অনভিজ্ঞতা অমাৰ্জনীয়। আকৌ ভাবিলোঁ মোৰে বা দোষ কি ? মই বঙ্গলা যাত্ৰা দেখিবৰ, বঙ্গলা গান শুনিবৰ সুবিধা ক'ত পালোঁ যে মই ইহঁতেৰে সৈতে সেই বিষয়ত সমানে জোৰ মাৰিম ? ইয়াকে ভাবি মৌন হৈ, আকাৰে ইঙ্গিতে প্ৰতিদ্বন্দ্বী-সকলৰ ওচৰত ঘাট মানি শিৱসাগৰলৈ তিথিৰাম বায়নৰ পুনৰাগমনৰ প্ৰতিক্ষা কৰি "নিচুকি শুভিয়া ৰৈলোঁ।"

কিন্তু যি হওক, অচিৰতে আন আন সকলো বিষয়তে ঘৰৰ ল'ৰাবোৰৰ আৰু ওচৰ-চুবুৰীয়াৰ সমবয়স্ক বালকবৃন্দৰ নেতাৰ স্থান মই অধিকাৰ কৰিলোঁ, আৰু সেই অধিকাৰত কোনো বিবাদী নহ'ল। মোৰ পৰিচালনাত পৰিপক্ক বালকবৃন্দেৰে সৈতে অনেক প্ৰকাৰ ৰং-ধেমালি আৰু খেলত মই পৈণত হৈ পৰিছিলোঁ ; যেনে—হৈ-গুদু,

টাংগুটি, লুকাভাকু, পঁচি, কচুগুটি, বাঘ-গৰু খেলা, গছত উঠা, বৰশী বাই মাছ ধৰা, ইত্যাদি, ইত্যাদি। সেইকালত ফুটবল, হকী আৰু টেনিছ খেলে আমাৰ দেশত 'উকি মৰা' নাছিল; অৱশ্যে ক্ৰিকেট খেলা দেখিছিলোঁ, আৰু অলপ ডাঙৰ হৈ দুই চাৰিদিন খেলিছিলোঁও। আমাৰ এটা পানীখোৱা পুখুৰী আছিল, আৰু সি আহল-বহলত পৰি মৰা বিধৰো নাছিল; অৰ্থাৎ সেইকালত তাক এটা বুজন বিধৰ পুখুৰীকেই বুলিব লাগে। বাৰিষা তাত পানী উপচি থাকিছিল, আৰু খৰালি পানী শুকাই সি কেটেঙাও নহৈছিল। বাৰিষা পৰ্বতৰ টিঙত যেনেকৈ মʼৰাৰ আনন্দৰ চালি, বাৰিষা আমাৰো সেই পুখুৰীৰ পাৰত হাঁহি ধেমালি আৰু খিকিন্দালি। দিন নাই, ৰাতি নাই, সময় নাই, অসময় নাই, কাৰণ-অকাৰণত সেই পুখুৰীত আমাৰ নাদোৰ-সাঁতোৰ জাঁপ আৰু খৰ। থিয়-সাঁতোৰে, চিলনী সাঁতোৰ আদি কত ৰকমৰ সাঁতোৰৰ আন্দোলনেৰে সেই পুখুৰীত হেন্দোলদোপ লগাইছিলোঁ, তাক আমি জানিছিলোঁ আৰু সেই পুখুৰীয়ে জানিছিল। বোধকৰো আমাৰ অতিৰিক্ত উৎপাতৰ প্ৰতিবাদ স্বৰূপেই হʼবলা, এদিন আবেলি সকলোৰে দেখি আচৰিত মানিলে যে হঠাৎ সেই পুখুৰীটো খলকিবলৈ ধৰিলে। চাৰিওফালৰপৰা পানীবোৰ, কিহে কব নোৱাৰো, সামৰি নি পুখুৰীৰ মাজৰ নাদৰ ওচৰত গোটাই পৰ্বতৰ ওখ টিং যেন কৰিলে আৰু খন্তেকতে চাৰিওপাৰৰফালে মাৰি পঠিয়ালে; আকৌ সেইদৰে চপাই ওখ কৰিলে, আকৌ মেলি দি চাৰিওপাৰ ধোৱাই পেলালে, ঠিক যেন পুখুৰীৰ সাগৰৰ পানীৰ ঢৌৰ উঠা-নমা আৰু আগবঢ়া পিছহোঁহকা। এনেকৈ দহ মিনিটমান আন্দোলিত হৈ পুখুৰীটোৱে আকৌ আগৰ সৌম্য শান্ত মূৰ্তি ধাৰণ কৰিলে। এইটো কিবা আধিদৈৱিক বা আধিভৌতিক উৎপাত বুলি ধৰি পিতৃদেৱতাই পণ্ডিত ব্ৰাহ্মণসকলৰ দ্বাৰাই ইয়াৰ পিছত স্বস্ত্যয়ন, শান্তিকৰম কৰোৱালে আৰু নামঘৰ বা গোসাঁই-ঘৰত পাল-নাম গোৱালে। এই ঘটনাৰপৰা কিছুদিনলৈকে আমি সেই পুখুৰীত আমাৰ উৎকট জল-ক্ৰীড়া স্থগিত কৰি ৰাখিছিলোঁ; কিন্তু তাৰ পিছত—"যথা পূৰ্বং তথা পৰং।" সকলোতকৈ সৰহ সময় মই পানীৰ তলত বুৰ মাৰি থাকিব পাৰিছিলোঁ আৰু একে বুৰতে চাৰিপৰীয়া পুখুৰীটোৰ এচুকৰপৰা diagonally আনটো চুকত ওলাইছিলোঁগৈ। পুখুৰীটোৰ এটা পাৰত একে ঠাইতে লগালগিকৈ এজোপা কঠাল, এজোপা তামোল আৰু এজোপা তেতেলি গছ আছিল। তেতিলি গছৰ ডালবোৰ পুখুৰীটোৰ পানীৰ ওপৰলৈকে মেল খাই গৈছিল। তেতেলিৰ ডালত উঠি তাৰপৰা জাপ মাৰি জপং কৰে পানীত পৰাটো মোৰ নিত্যকৰ্মৰ এটা কৰ্ম আছিল। পাৰৰপৰা ওলোটা খৰ মাৰি পুখুৰীত পৰাটোও মোৰ আন এটা বাহাদুৰীৰ কাম আছিল। মূঠতে ঘাটেদি বা সোঁবাটেদি পুখুৰীত নামি গা ধোৱা বা পুখুৰীৰ সৈতে "লেনদেন" কৰাটো মোৰ স্বভাৱবিৰুদ্ধ হৈ পৰিছিল।

মই সাঁতোৰা বিদ্যাত পৰিপক্ক হলোঁ বেতিয়া সঙ্গীসকলেৰে সৈতে যুক্তি কৰি একো একোদিন দিখৌত সেই কাৰ্য কৰিবলৈ ধৰিলোঁ। বাৰিষা দিখৌত সাপৰ-নেগুৰ-ছিগা সোঁত। একো একোদিন তেনে দিখৌত পৰি সাঁতুৰি ইপাৰ-সিপাৰ হৈছিলোঁ। দিখৌৰ

দুই পাৰে দুটা খুটা পুতি তাৰপৰা লোৰ তাঁৰ লগাই তাত পাৰ-নাও বান্ধি মানুহ, ঘোঁৰা, গাড়ী আদি পাৰ কৰা হয়। বাৰিষা আমি সেই পাৰ-নাৱত উঠি নৈৰ মাজ পাই তাত নাৱৰপৰা থৰ মাৰি দি পাৰি সাঁতুৰি পাৰ হওঁ। এইটো উজু কাম যে নহয়েই বৰং risky বিপদজনকেই বুলিব লাগে ; কিন্তু মোৰ মনত ভয়-সংশয় একো নুপজিছিল। এই কাৰ্য কিন্তু আমি পিতৃদেৱতাৰ অগোচৰতহে কৰিছিলোঁ, কেনেবাকৈ তেওঁৰ গোচৰলৈ আহিলে শাস্তি পাইছিলোঁ।

বুদুৰাম মুক্তিয়াৰ নামৰ ভকত এজনক আমাৰ পুখুৰী পাৰতে ঘৰ দি দেউতাই ৰাখিছিল। তেওঁ কমলাবাৰী সত্ৰৰ ভকত আছিল। কমলাবাৰীৰ ভকতক সদায় পুৱো-গধূলি একো কঠা চাউল দি আমাৰ ঘৰত পোহা পিতৃদেৱতাৰ এটা অখণ্ড কাৰ্য আছিল। বুদুৰাম মুক্তিয়াৰক আমি সকলোৱে "বুদু আতৈ" বুলি মাতিছিলোঁ আৰু শ্ৰদ্ধা আৰু সম্মান কৰিছিলোঁহক। তেওঁ বাঢ়ৈৰ কাম ভালকৈ জানিছিল। তেওঁৰ দ্বাৰাই আমি পমা কাঠৰ সৰু নাও এখন কৰাই লৈ পুখুৰীত নাও বাই ফুৰি, মাজতে আপোন ইচ্ছাতে নাওখন বুৰাই, পানীতে আকৌ সিঁচি লৈ তাত উঠি অপাৰ আনন্দ ভোগ কৰিছিলোঁ। মোৰ এই নৌ-বিহাৰ ইমান বঢ়া-বঢ়িত পৰিছিলগৈ যে দেউতা শুলে জোনাক ৰাতি মনে মনে আহি নাও খেলাই ফুৰিছিলোঁ। "সৰ্বমত্যন্তং গৰ্হিতং" বুলি কোৱা কথাই ফলিল। এদিন ৰাতি সেই কাৰ্য কৰি থাকোতেই হাতে-কলমে ধৰা পৰিলোঁ ; "ফলং প্ৰহাৰং" হ'ল আৰু পিছদিনা নাওখন forfeited অৰ্থাৎ "জপৎ" বা জৰিমনা হৈ কটা পৰিল আৰু দুই-চাৰি দিনতে সি বুদু আতৈৰ সহায়ত এখন তক্তাপোছ বা চাল্ পীৰাত পৰিণত হ'ল। ইন্দ্ৰৰ দোষত আশ্ৰম-বিহাৰী অহল্যা সুন্দৰী পাষাণী, হৈছিল, আৰু মোৰ দোষত আমাৰ জলবিহাৰী নাও-সুন্দৰী চালপীৰা হ'ল !

লগুণ-দিয়নি। একেদিনাই মোৰ আৰু মোৰ ভতিজা এটাৰ লগুণ-দিয়নি হৈছিল। যদিও "প্ৰাইভেট" ( private ) অৰ্থাৎ অশাস্ত্ৰীয় ৰকমে মোৰ কৰ্ণবেধ অৰ্থাৎ কাণ-বিন্ধনি কেতিয়াবাই হৈ, কাণৰ ভোমোলা পিন্ধাত সাঁহৰ ক'ৰিয়া, খৰিকা আৰু কুহিলাৰেপৰা আৰম্ভ কৰি সোণৰ বাখৰ পতোৱা লংকেৰু পৰ্যন্ত সোমাই ওলমি টিঘিলু ঘিলাইছিল, তথাপি "অফিচিয়েলি" ( officially ) অৰ্থাৎ শাস্ত্ৰীয় ৰকমে কৰ্ণবেধ আৰু চুডাকৰণ আদি ব্ৰাহ্মণৰ দশসংস্কাৰৰ ভিতৰুৱা সংস্কাৰ সেইদিনা লগুণ-দিয়নিৰে সৈতেহে সমাপিত হৈছিল। এটা কথা এইখিনিতে কৈ থোৱা যাওক যে লগুণ-দিয়নিলৈ চাৰি-পাঁচ দিন থকাৰেপৰা দিনৌ আমাৰ টোলৰ ভিতৰত নিবাস কৰোঁতা অব্ৰাহ্মণসকলৰ বহাৰ পৰা অন্ন-ব্যঞ্জন ভোজনৰ অৰ্থে মোলৈ ভূৰি ভূৰি নিমন্ত্ৰণ আহিছিল ; আৰু মই আনন্দ মনেৰে নিমন্ত্ৰণবোৰ ৰক্ষা কৰি আত্মতুষ্টি আৰু পৰতুষ্টি সম্পাদন কৰিছিলোঁ। এনে মুৰামুৰি সময়ত এনে নিমন্ত্ৰণৰ জাউৰি উঠাৰ অৱশ্যে মানে আছিল। —শাস্ত্ৰৰ বচন হৈছে, "জন্মনা জায়তে শূদ্ৰঃ" ; অৰ্থাৎ উপজিবৰেপৰা যদিও মই বামুণৰ ল'ৰা, তথাপি শাস্ত্ৰমতে সংস্কাৰ নোহোৱালৈকে এজতুৱা শূদিৰ হৈয়ে আছিলোঁ ;—যদিও এনেকুৱা শূদ্ৰত্ব অমুক শৰ্মা পণ্ডিত বিদ্যানৰ বাপুৰ ঘৰৰ পাঁজনী নামৰ মেকুৰীজনীৰ

"মেকুৰীত্ব"ৰ শাৰীৰহে। অৰ্থাৎ পণ্ডিত বাপুদেউৰ মেকুৰীজনী যদিও বামুণৰ ঘৰৰ মাৰ্জাৰী, তথাপি তাই থিতাতে ওচৰ-চুবুৰীয়া কৈৱৰ্তৰ ঘৰত সোমাই পোৱা মাছ পুঁইতা ভাত খাই জিভাৰে কোৱাৰি চেলেকি আহি, পণ্ডিত বাপুৰ ভাতৰ পাতৰ পৰাও তপত তপত ভজা মাছ লৈ যদিও দ্ৰুত গতিৰে প্ৰস্থান কৰে, তথাপি বাপুৰ বঢ়া ভাতে অশুচি হব নোখোজে ; কাৰণ বাপুৱে বিৰালীৰ ব্যৱহাৰ দেখি কিংকৰ্তব্যবিমূঢ় নহৈ "মাৰ্জাৰী গমনে শুদ্ধি" বুলি মন্ত্ৰ মাতি সেই অন্নকে শুদ্ধ কৰি লৈ, নাগ-কুৰ্মকে প্ৰমুখ্য কৰি পঞ্চ দেৱতাক অৰ্পণ কৰি পঞ্চগ্ৰাস কৰি ভোজন কৰাত ত্ৰুটি নাই। যি হওক, "সংস্কাৰাৎ দ্বিজ উচ্যতে" অৰ্থাৎ মোক লগুণ দিলেই মই দ্বিজ হম, আৰু দ্বিজ হলেই শুদিৰৰ ঘৰত ভাত খোৱাৰ স্বাধীনতা মোৰ নাইকিয়া হব ; মই বামুণৰ শাৰীলৈ উঠিম, আৰু উঠিলেই চিৰকাললৈকে মই শুদিৰ বন্ধুসকলৰপৰা বিহাৰত নহলে অন্ততঃ আহাৰত এৰা-এৰি হম ; এই নিমিত্তে, অৰ্থাৎ মই বামুণ হোৱাৰ বিপদত বা সম্পদত পৰাৰ আগতে, মোক তেওঁলোকৰে এটা বুলি ইমানদিন ভাব কৰি আহোঁতা তেওঁলোকে ভালকৈ একো সাজ খুৱাই তৃপ্তিৰ ধাব শুজি লৈছিল।

শিৱসাগৰত ত্ৰিলোচন শৰ্মা নাজিৰ বুলি এজন ডাঙৰ পণ্ডিত ব্ৰাহ্মণ আছিল। তেওঁ সকলো বামুণীয়া বিধি-বিধান দিয়া কাৰ্যত, আৰু শান্তি-কৰম, গ্ৰহযজ্ঞ, তিলহোম, বটুক-পাঠ, বিয়া-শৰাধ আৰু লগুণ-দিয়নি আদি কাৰ্যত অতি পৰিপক্ক আছিল। সঁচাকৈয়ে ত্ৰিলোচন নাজিৰদেউ বৰ পণ্ডিত মানুহ আছিল। নাজিৰ আমাৰ ঘৰৰ পুৰোহিত আছিল। মোৰ লগুণ-দিয়নিত তেওঁৱেঁই প্ৰধান দ্ৰষ্টা আছিল। অপ্ৰধান কাৰ্যকাৰক আন আন অনেক পণ্ডিতেৰে সৈতে, লম্বোদৰ নামেৰে বৃদ্ধ পণ্ডিত এজনৰ কথাও মোৰ মনত আছে। হোমৰ অন্তত লম্বো বাপুৱে যেতিয়া হাতত দুৰ্বা লৈ, শ্ৰুৰৰ নালৰ তলিত হোমৰ ঘিউৰে সৈতে ভস্ম বা ছাই সানি সেই ভস্মৰ ফোট মন্ত্ৰ মাতি আমাৰ কপালত দিবলৈ উদ্যোগ কৰিছিল, সেই উদ্যোগ-পৰ্বৰ অভিনয় দেখি, হাঁহিয়ে মোৰ পেটত আঙোৰ-পাঙোৰ কৰি মুখৰপৰা খুক্‌খুকনি তুলি দিছিল। পিতৃদেৱতাৰ এটা ডাবিয়েহে সেই বিদ্ৰোহী হাঁহিক দবাই তেতিয়া মোক প্ৰকৃতিস্থ কৰিব পাৰিছিল। হাঁহিৰ কাৰণটো অৱশ্যে মই কওঁ—লম্বো বাপু বুঢ়া মানুহ। তেওঁৰ হাত বৰকৈ কঁপিছিল। 'কাণ্ডাৎ কাণ্ডাৎ প্ৰৰোহন্তী পৰুষঃ পৰুষঃ পৰি এৱা নো দুৰ্বে প্ৰতনু সহস্ৰেণে শতেন চ' ( ইয়াৰ মানে—প্ৰত্যেক কাণ্ড বা গাঁঠিৰপৰা দুৰ্বাঙ্কুৰ যেনেকৈ উদ্‌গত হয় আৰু পুৰুষ-পৰম্পৰাক্ৰমে বৰ্ধিত হয়, তুমি, হে দুৰ্বা ! সেইদৰে বংশপৰম্পৰাক্ৰমে শত-সহস্ৰ বৰ্ধিত কৰা )—বেদৰ এই শ্লোকটো মাতি লম্বো বাপুৱে যেতিয়া আমাৰ কপালত ভস্মৰ ফোট একোটা দিবলৈ গৈছিল, আমি পৱিত্ৰ ফোট লবলৈ তেতিয়া তেওঁৰ আগত আঠু কাঢ়ি আছিলোঁ। তেওঁ কঁপা হাতেৰে অতি কষ্টেৰে ফোট দিবলৈ গৈ, সেই ফোট ঠিক ঠাইত দিব নোৱাৰি, কাৰো চেলাউৰিত, কাৰো নাকত, কাৰো গালত, তেওঁৰ অতি অনিচ্ছাসত্বে দিছিল ; দিছিল মানে, তেওঁ দিয়া ফোট আপোন মতলবেৰে য'তে ত'তে পৰিছিল। ফোটৰ এনে বিপৰীত বিন্যাস লক্ষ্য কৰি বেদমন্ত্ৰৰ

উদাত্ত-অনুদাও স্বৰবিকম্পিত গাম্ভীৰ্য্যৰ ব্যোম ভেদ কৰি মোৰ খুক্‌খুকীয়া হাঁহি বিষম বিদ্ৰোহী হৈ উঠিছিল। এই ব্যাপাৰটো ঠিক যেন—কোনো দ্বাপৰযুগীয়া পূজাৰীয়ে তেওঁৰ গোসাঁইঘৰত অকলে বহি শালগ্ৰাম বা দেৱতাৰ মূৰ্তিৰ আগত মৃদু কণ্ঠেৰে একান্ত মনেৰে স্তোত্ৰ পাঠ কৰি থাকোতে সেই গোসাঁইৰ-ঘৰৰ মুধচত জানিবা দুটা ডালশালিখাৰ দ্বন্দ-হাইৰ ধ্বনিৰে অকস্মাৎ সেই পৱিত্ৰ স্তোত্ৰৰ পৱিত্ৰাৱৰণ-ভেদ।

লগুণ-দিয়নিৰ অন্তত যেতিয়া টকলামুৰীয়া এডলীয়া টিকনীয়া "বাচ্চা" ব্ৰহ্মচাৰী ল'ৰা মই হাতত পলাশৰ ডাল এটাৰ দণ্ড, কমণ্ডলু আৰু ভিক্ষাৰ মোনা হাতত লৈ মাতৃদেৱীৰ আগত উপস্থিত হলোঁগৈ, আৰু "ভৱতি মাতৰ ভিক্ষাং দেহি!" বুলি তেওঁক ভিক্ষা মাগিলোঁ, আৰু মোক বেঢ়ি থকা নামতী তিৰোতাবোৰে "—এ নাবাবা বৰাগী হৈ এ!" বুলি কৰুণ ৰসাত্মক গীত ধৰিলে, দেখিলোঁ মাতৃদেৱীৰ চকু চল্‌চলীয়া হ'ল আৰু তেওঁ বিহাৰ আঁচলেৰে চকু মচিবলৈ ধৰিলে। কিন্তু কব নোৱাৰোঁ, ততালিকে মোৰো চকুৰপৰা দুধাৰ লো বৈ গ'ল। মই তিনি দিনলৈকে এই ব্ৰহ্মচৰ্য্য ৰাখি অন্তত দণ্ড পৰিত্যাগ কৰিলোঁ। সন্ধ্যাৰ সৰু পুথি এখনৰ মন্ত্ৰ এই তিনি দিনৰ ভিতৰত সম্পূৰ্ণকৈ মুখস্থ কৰিবলগীয়াত পৰিছিলোঁ; আৰু অগত্যা কৰিছিলোঁও। প্ৰথম দিন-চেৰেকলৈকে আনে দেখুৱাই দি মোক সন্ধ্যা কৰিবলৈ শিকাইছিল; পিছত নিজেই কৰিব পৰা হলোঁ।

তেতিয়া সন্ধ্যাৰ মন্ত্ৰবোৰ মোৰ মনত নগাৰ দোৱান যেন লাগিছিল; কাৰণ তাৰ মানে একো নুবুজিছিলোঁ; আৰু আনে বুজাইও নিদিছিল, অথচ মুখস্থ মাতি সেইবোৰেৰে সন্ধ্যা কৰিবলগীয়াত পৰিছিলোঁ; নকৰিলে হেনো ব্ৰাহ্মণ পতিত হয়। সেই দেখি প্ৰাণপণে সেই কাৰ্য সমাপন কৰিছিলোঁ। মই অনেক কালৰ পিছতহে হৃদয়ঙ্গম কৰিছিলোঁ যে সন্ধ্যাৰ বেদমন্ত্ৰবোৰৰ মানে অতি সুন্দৰ; অথচ মোক আগে সেইবোৰৰ মানে কোনেও ভালকৈ বুজাই নিদি সেইবোৰক মোৰ পক্ষে সন্নিপাত জ্বৰত পৰা মানুহৰ বী-বিয়নি আৰু সন্ধ্যাৰ অনুষ্ঠানবোৰক সেই নৰিয়াৰে আনুষঙ্গিক বস্তু বুলি ভবা কৰি তুলিছিল। আগডোখৰত সেই দেখিয়েই মই দিনো পাঁজি মেলি আঁউনী একাদশী বিচাৰি ফুৰিছিলোঁ, যাতে সন্ধ্যা খতি পাওঁ; কাৰণ "সাযং সন্ধ্যা ন্যাস্তি" পাঁজিৰ বচন মোৰ পক্ষে স্বস্তি-বচন হৈ পৰিছিল।

প্ৰথমতে মোক বঙ্গলা স্কুলত নাম লগাই দিয়া হ'ল, একেবাৰেই তৃতীয় শ্ৰেণীত। সেইকালত অসমীয়াৰ মাতৃভাষা বঙ্গলা; অসমীয়া ভাষাটো এটা স্বতন্ত্ৰীয়া ভাষা নহয়, মাথোন বঙ্গলা ভাষাৰহে এটা হেনাহুচা মাত, এই ভ্ৰমৰ বশবৰ্ত্তী হৈ গৱৰ্ণমেণ্টে আসামত অসমীয়া ল'ৰাৰ নিমিত্তে "আদৰ্শ বঙ্গ বিদ্যালয" নাম দি ছাত্ৰবৃত্তি পাছ কৰিবলৈ বঙ্গলা স্কুলবোৰ পাতি দিছিল। আমাৰ শিৱসাগৰতো ইংৰাজী স্কুলৰ ওচৰতে শাৰী পাতি এনেকুৱা মিছা দাবীৰ ঢোকাৰে থিয় হোৱা আদৰ্শ-বঙ্গ-বিদ্যালয় এটাই বৰ ঘৰ, বৰ মেজ, বৰ চকী, বেঞ্চ লৈ, অসমীয়া কুমলীয়া ল'ৰাৰ কুমলীয়া মনৰ ওপৰত ঘেঁচু পিহা জাতৰ নিচিনা বঙ্গলা ভাষাৰ জাত এখন ঘৰ্ঘৰ কৰে ঘুৰাই আছিল। সেই স্কুলতে প্ৰথমতে

মোৰ প্ৰবেশ ঘটিল। তাৰ হেডপণ্ডিতজন আৰু দ্বিতীয় পণ্ডিতজন বঙ্গদেশীয়; তৃতীয় পণ্ডিতৰেপৰা আৰম্ভ কৰি তলৰ কেইজন অসমীয়া আছিল। হেডপণ্ডিতজনৰ নাম তাৰক বাবু (তেওঁৰ উপাধিটো পাহৰিলোঁ), দ্বিতীয়জনৰ নাম প্ৰাণকৃষ্ণ ৰৰ। যিজন তৃতীয় পণ্ডিতৰ তলত মই বঙ্গলা বিদ্যা উপাৰ্জ্জন কৰিবলগীয়াত পৰিছিলোঁ তেওঁৰ নাম লম্বোদৰ আছিল। তেওঁ তেওঁৰ উপাধিৰ ঠাইত দত্ত নে দাস লেখিছিল, মোৰ মনত নাই; কিন্তু এই দুটাৰ এটা নিশ্চয় হব। সেইকালত অনেক অসমীয়া শূদ্ৰ জাতৰ মানুহে, বঙ্গালীৰ দেখাদেখি নিজৰ নামৰ লগত দত্তৰ নিচিনা বঙ্গালী উপাধি লগাই দিয়া দেখিছিলোঁ। তেওঁলোকৰ মনত এবাৰো বোধকৰোঁ খেলোৱা নাছিল যে দাস উপাধিটো শাস্ত্ৰমতে লেখি চলাই দিব পাৰিলেও, দত্ত উপাধি অসমীয়াৰ পক্ষে অচল। যি হওক, কোনো কোনো অসমীয়াইতো দত্ত হৈয়েই আহুকাল-খৰিয়ালৰ হাত সাৰি ডাঢ়ি-চুলি পকাই দিছিল। মাথোন এদিন এজন অসমীয়া দত্তৰ নাওখন দৈবাৎ এদিন আমাৰ ঘৰত ঘপকৰে চটত লগা দেখিছিলোঁ। আমাৰ ঘৰৰ চৰাতে পৰ্বতীয়া গোসাঁইৰ সম্পৰ্কীয় এজন বঙ্গালী ভদ্ৰলোক বহি আছিল; এনেতে অসমীয়া দত্ত এজন উপস্থিত হ'লহি। তেওঁক সেই বঙ্গালী ভদ্ৰলোকজনেৰে চিনাকি কৰি দিয়াৰ পিছত, বঙ্গালীজনে তেওঁৰ নাম সুধি যেতিয়া দত্ত পালে, তেতিয়াই তেওঁ কোন খেলৰ, কোন মেলৰ দত্ত এইবোৰ প্ৰশ্নেৰে তেওঁক তহিলং কৰি পেলালে। দত্তই "আম্‌তা আম্‌তা" কৰি অলপপৰ থাকি সভা ত্যাগ কৰিহে এই আহুকলীয়া অৱস্থাৰ হাত সাৰিছিল।

লম্বোদৰ পণ্ডিতৰ বৰণটো ক'লা, মুখত গুটি-সাঁচ আৰু বয়স ভৰ ডেকা আছিল। তেওঁৰ ছাত্ৰক পঢ়োৱা গঢ়টোও সেইকলীয়া স্কুলমাষ্টৰীয়া প্ৰথাৰে অভিন্ন আছিল। মই তেওঁৰ ৰুদ্ৰ তেজেৰে তাপিত হৈ, তেওঁৰ অসমীয়া মুখৰ দ্বাৰাই উচ্চাৰিত হৈ জাত-এৰা বঙ্গলা শুনি, শিকি আৰু পঢ়ি, চকু মুৰ মুদি কোনোমতে এবছৰ কটাই দিছিলোঁ। মোৰ বঙ্গলাস্কুলীয়া জীৱনত ঘটা দুটা কথা মাথোন মনত আছে। এদিন মোৰ পেট কামুৰিছে বুলি মই হেডপণ্ডিত তাৰক বাবুৰ ওচৰত ছুটী লবলৈ গৈছিলো। তাৰক বাবুৱে মোক পাই আমাৰ কোমল-চাউল-ভোজনৰ বিৰুদ্ধে অনেক ৰসিকতা কৰি এটা বুজন বিধৰ বক্তৃতা শুনাই দিলে; কাৰণ তেওঁৰ সুযোগ উপস্থিত যে মোৰ ছুটীৰ দৰ্খাস্ত "পেচ কৰা" কাৰণটো পেট-কামোৰণি আছিল। হেড্ পণ্ডিত বাবুৰ বক্তৃতাৰ অন্তত মোৰ মনত খেলাইছিল যে কি লাজৰ কথা, কি "শৰমত মৰিবৰ" কথা, যে আমি অসমীয়াবোৰে কোমল-চাউল খোৱাৰ নিচিনা অসভ্য কাম কৰোঁহ'ক। অৱশ্যে এই খিজাৰৰ কাৰণটো মোৰ পেটৰ কামোৰণি নহয়; কিয়নো, আমুকাই একো একোদিন তাতকৈও ডাঙৰ ডাঙৰ পেট কামোৰণি নাগাজ্জুনৰ বড়ি খাই অম্লানবদনে হজম কৰিছিলোঁ; কাৰণটো হেড্‌পণ্ডিতৰ বক্তৃতাৰ ফলত হোৱা জাতীয় দুষ্কাৰ্যৰ নিমিত্তে আত্মগ্লানিৰ পোৰণি। "আমাৰ আদৰ্শ বঙ্গবিদ্যালয়"ৰ আদৰ্শ বঙ্গালী হেড্‌পণ্ডিত সৰ্ববিদ্যা-বিশাৰদ তাৰক বাবুৱে কোমল-চাউলক এনেকৈ কুকুৰে কাঁইট নোখোৱাকৈ যেতিয়া কদৰ্থনা কৰিছে, আৰু সেই কদৰ্থনা তেওঁৰ বিদ্যাৰত্ন মুখ-নিঃসৃত, কোমল-

চাউল খোৱাটো নিশ্চয় আমাৰ অসভ্যতাৰ চিন। দ্বিতীয়টো ;—আমাৰ শ্ৰেণীৰে দুষ্ট ল'ৰা এটাই এদিন মোৰ ক্ষেত্ৰতত্ত্ব ( জ্যামিতি ) কিতাপটোৰ পাত এটা ( দ্বিতীয় ৫ম প্ৰতিজ্ঞা আছিল ) মোৰ অসাক্ষাতে বেজী এটাৰে ফুটাই ঠকা-সৰকা কৰি দিলে। সিয়ে কিয় তেনে কৰিলে, তাৰ মনৰ কি ভাৱ, মই বুজিব নোৱাৰিলোঁ ; অনুমান কৰোঁ সি সেই প্ৰতিজ্ঞাটো আয়ত্ত কৰিব নোৱাৰি সম্ভৱতঃ লম্বোদৰ পণ্ডিতৰ হাতত লাঞ্ছিত হৈ, মোৰ কিতাপত থকা প্ৰতিজ্ঞাটোৰ ওপৰত সেইদৰে প্ৰতিশোধ ললে। যি হওক, শতছিদ্ৰযুক্ত পাতটিৰ লগে লগে মোৰ মনতো শোকৰ ছিদ্ৰ এশটা হ'ল আৰু শতধা-বিভক্ত ছিদ্ৰবোৰৰপৰা ততালিকে সম্মিলিত দুখাৰ লো বৈ গ'ল। কিন্তু কাৰো দ্বাৰাই সেই প্ৰবাহিনীৰ গতি পৰিলক্ষিত হৈছিল যেন মোৰ মনে নধৰে ; কাৰণ সান্ত্বনা বাক্যৰ শুকান কাপোৰৰ আঁচলৰূপী অগস্ত্যক আনি, কোনেও সেই প্ৰবাহিনীৰ প্ৰবল জল পান কৰি দিবৰ অৰ্থে মোৰ ওচৰত উপস্থিত কৰা নাছিল।

ইয়াৰ এবছৰ পিছত মোক ইংৰাজী স্কুলৰ তলৰ শ্ৰেণী এটাত নাম লগাই দিয়া হ'ল। শ্ৰীযুত লোকনাথ শৰ্মা নামেৰে এজন মাষ্টৰৰ তলত পৰিলোঁ। তেওঁৰ মতা নাম টেপু আছিল। টেপু মাষ্টৰ ভয়ানক disciplinarian অৰ্থাৎ নিয়ম-প্ৰিয় শিক্ষক আছিল। ল'ৰাক পঢ়োৱাতকৈ discipline-অৰ ফালে তেওঁৰ প্ৰখৰ দৃষ্টি। স্কুলীয়া নিয়মেই হওক বা ঘৰুৱা নিয়মেই হওক, সেইবোৰ নিখুঁতভাৱে ল'ৰাৰ দ্বাৰাই যাতে পালিত হয়, তাৰ নিমিত্তে তেওঁ যত্নশীল আছিল, যদিও সেই নিয়মবোৰৰ অধিকখিনি প্ৰচলিত পুৰণিকলীয়া অনিয়মৰ নামান্তৰ মাথোন। কোনো ল'ৰাৰদ্বাৰাই ওপৰত কোৱা কোনো নিয়মৰ গাত আঁচোৰ এটা লাগিলেই তাৰ বেত্ৰাঘাত পৰিছিল। নিজৰ ঘৰতো কেতিয়াবা কোনো ছাত্ৰৰে যদি কোনো ঘৰুৱা নিয়মৰ ব্যতিক্ৰম কৰে—যেনে, ককায়েকৰ মুখে-মুখে উত্তৰা-উত্তৰি কৰা, দদায়েকে কিবা কৰিবলৈ পাচিলে নকৰা বা কৰিবলৈ গাফিলি কৰা, ইত্যাদি—আৰু সেই সংবাদ যদি কিবা স্বৰূপে মাষ্টৰ শ্ৰীযুত লোকনাথ শৰ্মাৰ গোচৰীভূত হ'ল, তেন্তে তাৰ বাবে পিছদিনা স্কুলত সেই ছাত্ৰৰ পিঠিত বা হাতৰ তলুৱাত তেওঁৰ দ্বাৰাই স্বহস্তদত্ত বেত্ৰাঘাত, নাইবা বেঞ্চৰ ওপৰত হোৱা শাস্তি। এই লেখকৰ কপালতো যে তেনেকুৱা কাৰণৰ নিমিত্তে তেনে বিধৰ দণ্ড দুদিন-এদিন নঘটিছিল, এনে নহয়। টেপু মাষ্টৰক লৈ আমি বৰ আহুকালত পৰিছিলোঁহক। তেওঁ ক্লাছত বহি থাকোঁতে, কেতিয়াবা থাকি থাকি, আমাক মাৰিবৰ কাৰণ উলিয়াবলৈকে হবলা, মুখখন ওফোন্দাই, বা ওঁঠ দুটা বেঁকা কৰি অঙ্গিভঙ্গি কৰিছিল আৰু পাতল মনৰ আমি সেই অঙ্গিভঙ্গি দেখি হাঁহি সামৰিব নোৱাৰি হাঁহি দিছিলোঁ আৰু হাঁহিলেই লাগিছিল লেঠা ; তাৰ ফল—হাতৰ তলুৱাত বা পৃষ্ঠদেশত এটি বেতৰ মজলীয়া বিধৰ কোব। কিন্তু মুঠতে শ্ৰীযুত লোকনাথ শৰ্মা মাষ্টৰ বঢ়িয়াল মানুহ আছিল ; আৰু আমি তেওঁক যে বেয়া পাইছিলোঁহক এনে নহয়।

শ্ৰীযুত ধৰ্মেশ্বৰ নামৰ আৰু এজন মাষ্টৰ আছিল। তেৰোঁ কম "ডিছিপ্লিনেৰিয়ান" নাছিল ; কিন্তু ওজনত তেওঁৰ পঢ়োৱাৰ জোখ বেছি আছিল দেখি "ডিছিপ্লিন"ৰ ভৰ

আমি কেঁকোজেঁকোকৈ সহিছিলোঁহক। তেওঁৰ মূৰটো টপা আছিল দেখি, আমাৰ ভিতৰৰ দুষ্টবোৰে তেওঁৰ নাম ৰাখিছিল "টপা মাষ্টৰ" আৰু তেওঁৰ অসাক্ষাতে তেওঁৰ উল্লেখ সেই নামেৰেই কৰিছিল।

মতিলাল ঘোষ নামেৰে বঙ্গালী ছাতৰ এজনে প্ৰথম শ্ৰেণীত অৰ্থাৎ এণ্ট্ৰেঞ্চ ক্লাছত পঢ়িছিল। তেওঁক প্ৰথম ধুৰুৱতৰাৰ দৰে কত বছৰ যে দেখিছিলোঁ, ঠিক নাই। তেওঁ ক'টীয়া আৰু ডঢ়ীয়া আছিল। তেওঁৰ মুখত ভোবোকাৰ ডাঢ়িৰ প্ৰভাৱ ইমান সৰহ আছিল যে তেওঁৰ মূৰটোতকৈ ডাঢ়িৰ ভৰ সৰহ, এই ভুল ধাৰণা অনেক কাললৈকে মোৰ মনত আছিল। তেওঁক মাজে মাজে আমাৰ শ্ৰেণীত পঢ়াবলৈ হেডমাষ্টৰে পঠিয়াই দিছিল। মনত আছে, তেওঁ আহিলেই গোটেইটো স্কুলৰ চকু তেওঁৰ ফালে পোন হৈছিল; কাৰণে তেওঁ আহিয়েই ক্ষন্তেকৰ ভিতৰতে ইটোক "Stand up on the bench, Sır!" সিটোক "Go out of the class, Sir! You!" এনেবোৰ হুকুমৰ ভৈৰৱ নিনাদেৰে স্কুল-ঘৰটো থলক লগাই পেলাইছিল।

শ্ৰীযুত গোপালচন্দ্ৰ ঘোষ নামেৰে এজন মাষ্টৰে আমাক ওপৰ ক্লাছত পঢ়াইছিল। তেওঁ মৃদু স্বভাৱৰ আৰু সৰল প্ৰকৃতিৰ মানুহ আছিল। তেওঁলোক বহুকলীয়া আসাম-প্ৰবাসী বঙ্গালী। আচাৰ-ব্যৱহাৰ, মাত-কথাত তেওঁলোক প্ৰায় অসমীয়াৰ নিচিনা হৈ গৈছিল। তেওঁৰ পিতাক ঠাকুৰদাস ঘোষক দেখা মোৰ এতিয়াও মনত আছে। ঠাকুৰদাস ধাৰ্মিক আৰু মৃদু স্বভাৱৰ মানুহ আছিল। গোপাল বাবুৱে আমাৰ ক্লাছলৈ আহি দিনো ছপা কৰা মানে-কিতাপ এখন হাতত লৈ ক্লাছত বহা প্ৰথম ল'ৰাটোৰেপৰা আৰম্ভ কৰি, মানে-কিতাপখনত থকা শব্দবোৰৰ মানে এটাৰ পিছত এটাকৈ সুধি গৈছিল। আমি তেওঁৰ গতি বুজি জুৱাচুৰি বুদ্ধি উলিয়াই, ক্লাছত য'ত বহোঁ তালৈকে, প্ৰথমটো ল'ৰাৰেপৰা লেখি আনি আৰু মানে থকা কিতাপৰ শব্দবোৰো সেইদৰে লেখি আনি, কাৰ গাত কোনটো শব্দৰ মানে কোৱাৰ ভাৰ পৰিব সেইটো ঠিক কৰি লৈ মুখস্থ কৰি থওঁহক আৰু গোপাল বাবুৱে আমাৰপৰা টপ্‌ৰে কৰে নিৰ্ভুল উত্তৰ পাই ভাবে ল'ৰাহঁতে বাঢ়িয়াকৈ সিহঁতৰ "লেছন" তৈয়াৰ কৰি থৈছে। এনেকৈ অনেকদিন চলি আছিল, আৰু আমিও ভটীয়া পানীত উটি গৈ আছিলোঁহক। কিন্তু এদিন বিধি বিবাদী হ'ল আৰু আমাৰ বিড়ম্বনা ঘটিল! গোপাল বাবুৰ বুকুত কিহে খুন্দিয়াই দিলে কব নোৱাৰোঁ, তেওঁ সেই কৰালবন্ধা নিয়ম ভঙ্গ কৰি, মানে-কিতাপখন হাতত লৈ শব্দ-শ্ৰেণীৰ প্ৰাস নাৰাখি য'ৰে ত'ৰেপৰা মানে সুধিবলৈ ধৰিলে; ফলত আমাৰ ছত্ৰভঙ্গ হ'ল। আমাৰ ফলিয়া ৰণুৱাবোৰ বিদ্যাৰ পৰ্বতৰ গাৰপৰা খহি পৰিবলৈ ধৰিলে। মনত আছে, গোপাল বাবুৱে মোৰপৰা তেওঁৰ প্ৰশ্নৰ বলিয়ালি অৰ্থাৎ ভুল উত্তৰ শুনি লাহেকৈ মোক তিৰস্কাৰ কৰি কলে, "আজি মদৎ-খানাৰপৰা এইফালে বতাহ মাৰিছিলনেকি?" মই সেই তিৰস্কাৰৰ আচল মৰ্মত যদিও তেতিয়া প্ৰবেশ কৰিব নোৱাৰিছিলোঁ, তথাপি এইটো বুজিছিলোঁ যে মাষ্টৰে মোক খুব শুনাই দিলে। যি হওক, সেই দিনাৰপৰা মই সকলো চালাকি পৰিত্যাগ কৰি লেছনটোৰ

শব্দৰ মানে মুখস্থ কৰি তেওঁৰ সমুখ হবলৈ ধৰিলোঁ। ইয়াৰ পিছত দুদিন-চাইদিন গোপাল বাবুৱে আমাক মানে-কোৱা বিদ্যাত ঠিক পাই, আকৌ আগৰ ৰীতিলৈ উভতি গ'ল আৰু আমাৰ ভিতৰৰো অনেকে পৰিত্যক্ত টেঙৰালি পুনৰ অৱলম্বন কৰিলে।

শ্ৰীযুত তোয়ধৰ শৰ্মা-পণ্ডিত নামেৰে পণ্ডিত এজন কিছুদিনৰ নিমিত্তে আমাক সংস্কৃত পঢ়োৱা পণ্ডিত হৈছিল। সংস্কৃতত তেওঁৰ প্ৰগাঢ় ব্যুৎপত্তি আছিল। তেওঁৰ সাজ-পাৰ আমাৰ দেশৰ পুৰণিকলীয়া বিধৰ আছিল। এদিন তেওঁ মুগাৰ চুৰিযা পিন্ধি আহি ক্লাছত বহিলতে আমাৰ ভিতৰৰ টপ্‌টপীয়া ল'ৰা এটাই মাত লগালে, "আজি ছাৰে (Sir) মুগাৰ চুৰিযা পিন্ধি আহিছে।" এই কথা শুনি পণ্ডিতৰ বৰ খং উঠিল আৰু তেওঁ ল'ৰাটোৰ ফালে চাই ক'লে, "হেৰ, তোৰ বাপেৰৰ ঘৰৰ মুগাৰ চুৰিয়া মই পিন্ধি আহিছোঁনে?" এই কথা শুনি দমি যোৱা দূৰত থাওক, কিয় কব নোৱাৰোঁ, ল'ৰাবোৰে গিৰ্জনি মাৰি হাঁহিবলৈ ধৰিলে। দুখৰ বিষয় সিহঁতৰ ভিতৰত এই লেখকো আছিল। পণ্ডিতে মোৰ পিতৃদেৱতাক বৰ সম্মান আৰু ভক্তি কৰিছিল আৰু পিতৃদেৱতাইও তেওঁক পুত্ৰৱতে স্নেহ কৰিছিল; তাৰ ঘাই কাৰণ পণ্ডিত পিতৃদেৱতাৰ বন্ধু সুবিখ্যাত মিত্ৰধৰ অধ্যাপকৰ ছাত্ৰ আছিল। পণ্ডিতে আনবোৰক এৰি, মোৰ ফালে চাই বিৰক্তি প্ৰকাশ কৰি ক'লে—"তুমি সিংহৰ পোৱালি হৈ শৃগালৰ নিচিনা হ'লা কিয়?" মই সেই তিৰস্কাৰ শুনি লাজত তললৈ মূৰ কৰি বলোঁ আৰু সেই দিনাৰেপৰা আন আন দুষ্ট ল'ৰাৰ লগ নলওঁ বুলি মনতে সংকল্প কৰিলোঁ।

বৰ আচৰিত কথা যে ইমানবোৰ শিক্ষকৰ তলত মোৰ বিদ্যা শিক্ষা ঘটিছিল, কিন্তু প্ৰকৃত শ্ৰদ্ধা, ভক্তি বা ভালপোৱাৰে এজনেও মোৰ মন আকৰ্ষণ কৰিব নোৱাৰিছিল। এইটো শিক্ষকসকলৰ গুণৰ ত্ৰুটিৰ বাবতকৈও সেইকালৰ শিক্ষা-প্ৰণালীৰ দোষ বুলি ধৰিলেহে ঠিক হ'ব হবলা। যি হওক, ইয়াৰ এটা ব্যতিক্ৰম ঘটিছিল, এমাহমানৰ নিমিত্তে। শ্ৰীযুত কেশৱনাথ ফুকনে (যি পিছত তেজপুৰত হেডমাষ্টৰ হৈ সুখ্যাতিৰে কাম কৰিছিল) এমাহমানলৈ আমাৰ স্কুলত কাম কৰি আমাক পঢ়াইছিল। তেওঁৰ পঢ়োৱা প্ৰাঞ্জল প্ৰণালীয়ে আৰু মিষ্ট ব্যৱহাৰে আমাক তেওঁৰ প্ৰতি শ্ৰদ্ধাৱান কৰি তুলিছিল। দুখৰ বিষয়, তেওঁ আমাৰ স্কুলত সৰহদিন নাথাকিল।

আমাৰ স্কুলৰ ছেকেণ্ড মাষ্টৰ আছিল বাবু বিষ্ণুচন্দ্ৰ চক্ৰবৰ্তী। তেওঁ দীৰ্ঘকাল অসম-প্ৰবাসী বঙ্গালী। কিন্তু আশ্চৰ্য্যৰ বিষয় যে তেওঁ এষাৰো অসমীয়া কথা কব নাজানিছিল। তেওঁৰ তলত মই সৰহদিন পঢ়া নাছিলোঁ; কাৰণ মই ছেকেণ্ড ক্লাছলৈ উঠাৰ অলপ দিনৰ পিছতে তেওঁ বদলি হৈ গ'ল। তেওঁৰ সম্পৰ্কে মোৰ তিনিটা কথা মনত আছে। —তেওঁৰ গোফ্‌তাৰ সৰ্বসাধাৰণ গোফতকৈ দীঘল। দ্বিতীয়টো, তেওঁ কথা কওঁতে খোনাই খোনাই কথা কৈছিল আৰু প্ৰত্যেকষাৰ কথাত "অ কৰ্চ" "অ কৰ্চ" (of course) শব্দটোৰ পোহ ইমানকৈ দিছিল যে শিৱসাগৰ জিলাৰ থানুমুখ নামৰ গাঁৱৰ গাখীৰ বেচোঁতা মানুহে গাখীৰত পানী দি বেচিবলৈ অনা গাখীৰৰ দৰে তাত

তিনি ভাগ "অ কৰ্চ" পানীৰ পোহ পৰিছিল। তৃতীয়টো, তেওঁ আনতকৈ যে ভালকৈ ইংৰাজী জানে, এইটো বুজাবলৈ দেশৰ মানুহৰ ইংৰাজীত ভুল ধৰি দেখুৱাই আমাক আগত পেংলাই কৰিবলৈ ভাল পাইছিল। গণিত বিদ্যাযে সৈতে কিন্তু বিষ্ণুবাবুৰ সতিনীৰ আহি আছিল আৰু ঘনে ঘনে নিজেই সেই কথা জাহিৰ কৰি সুখ লভিছিল।

আমাৰ হেডমাষ্টৰজনৰ নাম আছিল শ্ৰীশ্ৰীনাথ গুহ। আমাৰ দেশত জোৰাজোৰে শ্ৰীব্যৱহাৰ কৰোঁতাসকলক কোনো সত্ৰৰ গোসাঁই বুলি মই জানিছিলো। সেইদেখি এযোৰ শ্ৰীৰে গুহ বাবুৰ চহীৰ বঙ্গলা হস্তলিপি এখন এদিন দেখি, সৰুতে মই ভাবিছিলোঁ, যে আমাৰ হেডমাষ্টৰজনো বঙ্গদেশৰ কোনোবা এখন সত্ৰৰ গোসাঁই প্ৰভু বা অধিকাৰ পুৰুষ। অনেক দিনৰ মূৰতহে মোৰ এই বালক-সুলভ ভ্ৰম ভাগিছিল আৰু জানিছিলোঁ যে শ্ৰীনাথৰ শ্ৰীটো নামটোৰেই অন্তৰ্গত। শ্ৰীনাথ গুহ গা-গাৰিয়ে বৰ শকত-আৱত মানুহ আছিল আৰু তেওঁৰ বৰণটো একেবাৰেই কেতোৰ-ক'লা নহলেও দিব্য ক'লা আছিল। তেওঁৰ মাতৰ গুমুগুমনিত শিৱসাগৰৰ ডাঙৰ স্কুলঘৰটোৱে দিনো থক্ থক্ কৰে কঁপি মোক কোৱা যেন শুনিছিলো—"আৰু মই নোৱাৰোঁ। দেউতা ঐ! মোৰ কাণ ফাটি যাওঁ ফাটি যাওঁ কৰিছে!" এঘাৰ বজাৰপৰা চাৰি বজালৈকে তেওঁ তেওঁৰ ক্লাছ প্ৰথম শ্ৰেণীত পঢ়াবলৈ নবহি, স্কুলৰ সম্পৰ্কে লেখা-পঢ়াৰ কাম কৰিবলৈ থকা কাষৰ ঠাই এডোখৰত বহি desk work অৰ্থাৎ অফিচৰ কামত ব্যস্ত থাকিছিল আৰু মাজে মাজে থাকি থাকি "Silence!" অৰ্থাৎ "চুপ" বুলি বুকু কঁপি যোৱা প্ৰকাণ্ড গোঁজৰণিৰ ফমুঠি গোটেইটো স্কুলৰ ছাত্ৰবৃন্দৰ উদ্দেশ্যে মাৰি পঠিয়াইছিল। মই বোধকৰোঁ, ওপৰত কৈ অহা মাষ্টৰ হবলৈ ক্ষন্তেকীয়া ক্ষমতা পোৱা, প্ৰথম শ্ৰেণীৰ ছাত্ৰ মতিলাল ঘোষৰ সেই গোঁজৰণিও হেডমাষ্টৰীয়া গোঁজৰণিৰ হাস্যকৰ নকল মাথোন। যি হওক, শ্ৰীনাথ বাবুৰ "ছাইলেঞ্চ" নামৰ গোঁজৰণিৰ ধ্বনিত গোটেইটো স্কুলৰ ছাত্ৰ আৰু মাষ্টৰৰ মাত দুই তিনি মিনিটলৈকে মুখৰপৰা পলাই ফাট মাৰিছিল। এই গোঁজৰণিৰ আচল মানে হৈছিল "ছাত্ৰহঁত"! তহঁতে ভাবিছ হ'বলা যে তহঁতৰ হেডমাষ্টৰে নিজৰ কাম লৈয়ে ব্যস্ত আছে, তহঁতৰ ফালে তেওঁৰ চকু নাই? সেইটো নহয়; তেওঁ সজাগ।" এই অৰ্থটো তেওঁ আৰু সুস্পষ্ট কৰিছিল এইদৰে, কোনো ক্লাছৰ কোনো ল'ৰাৰ ব্যৱহাৰত ক্ষুদ্ৰ ব্যতিক্ৰম কেতিয়াবা তেওঁৰ চকুত পৰিলে তেওঁ তেওঁৰ সেই সুদূৰবিস্থৃত চকীৰপৰা ঢেৰেকনি মাৰি "You! You!" অৰ্থাৎ তই! তই! বুলি তাক তেওঁৰ ওচৰলৈ মাতি নি, সোধ-পোছ নাই, তাক "এই হাত!" "সেই হাত"! বুলি হাত পাতিবলৈ কৈ তাৰ হাতৰ তলুৱাত বেতেৰে কোব লগাই দিছিল। এনে বেত্ৰাঘাতৰ সুখ ভোগ এই দুখীয়াৰ ভাগ্যতো এদিন ঘটিছিল। আমাৰ ক্লাছত মহীকান্ত নামেৰে দুষ্ট ল'ৰা এটা আছিল। মোৰ দুৰ্ভাগ্যৰ নিমিত্তে এদিন সি মোৰ ওচৰত ঠাই অধিকাৰ কৰি বহিলহি। মোৰ অমত আৰু আপত্তি অগ্ৰাহ্য কৰি, সি মোৰে সৈতে "পাঞ্জা লড়িবলৈ" অভিলাষ কৰি মোৰ হাতটো ধৰি টনা-আজোৰা লগাই দিলে। "পাঞ্জা যুদ্ধৰ" এই উদ্যোগ পৰ্বটো

পৰিল হেডমাষ্টৰৰ চকুত আৰু যাওঁ কলৈ ? প্ৰচণ্ড "You ! You !" নিনাদে স্কুলঘৰ কঁপাই দি ততালিকে বুদ্ধ স্থগিত কৰি পেলালে। উভতি চাওঁ যে হেডমাষ্টৰ বাবুৱে অকল মোৰ ফাললৈহে সেই "ইউ" বজ্ৰ মাৰি পঠিয়াইছে। হৰি হৰি ! যাই দোষী মহীকান্তৰ ফালে নহয় ; সি সাৰিল ! মই মতলীয়া মানুহৰ দৰে থৰক্-বৰক্ কৰে উঠি গৈ, ততালিকে হাতৰ তলুৱা পাতি দিলোঁ ; আৰু তেখেতে তাত বেতৰ দুটি কোব বহুৱাই দি মোক আপ্যায়িত কৰি বিদায় দিলে। এনে অযথা বিচাৰ বা অবিচাৰ দেখি মনত ধিক্কাৰ লাগি, ক্লাছলৈ আহি, হিতোপদেশৰ এই শ্লোকটো মোৰ ছিলেট্‌খনত লেখিলোঁ—"ন স্থাতব্যং ন গন্তব্যং দুৰ্জ্জনেন সমং ক্বচিৎ।" দুৰ্জ্জনৰ লগত থাকিলে বা গ'লে, গছৰ ডালত কাউৰীৰ লগত বহা হাঁহটোৰ দশা ঘটে।

শ্ৰীনাথ বাবুৰ এটা পুতেক আছিল, তাৰ নাম অতুল। সি হেডমাষ্টৰৰ পুতেক, এই বাবেই observed of all observes অৰ্থাৎ গোটেই স্কুলৰ সসম্ভ্ৰম আৰু কুতুহলী চকুৰ বিষয় হৈছিল। অতুলেৰে সৈতে যি ছাত্ৰৰ বন্ধুতাৰ ডোলেৰে বান্ধ খাব পাৰিছিল বা অতুলে যাৰে সৈতে হাঁহি মাতি কথা কৈছিল, সেই ছাত্ৰৰ ভাগ্যক আনবোৰ ছাত্ৰে ঈৰ্ষাৰ লোলুপ দৃষ্টিৰে চাইছিল।

দুইমান বজাত হেডমাষ্টৰৰ ঘৰৰপৰা হেডমাষ্টৰ আৰু পুতেক অতুললৈ জলপান আহিছিল। হেডমাষ্টৰে পুতেকেৰে সৈতে স্কুলঘৰৰপৰা ওলাই গৈ বাহিৰৰ পিৰালিত থিয় দি সেই জলযোগ সমাপন কৰিছিল। সেই বয়সতে মই ভাবি নাপাইছিলোঁ, কিয় হেডমাষ্টৰ বাবুৱে স্কুলঘৰৰ ভিতৰতে, তেওঁৰ অফিচৰ একুকত এখন আঁৰ-কাপোৰ বা আন ৰকমৰ আঁৰ দি লৈ সেই ভোজৰ ব্যৱহাৰৰ ব্যৱস্থা কৰি নলৈছিল ? এই প্ৰশ্ন মোৰ মনতে উঠি অনেক দিনলৈকে থাকি, "উত্থায় হৃদি লীয়ন্তে" হৈছিল।

শ্ৰীনাথ বাবুৰ তলত মোৰ পঢ়া নঘটিল। কাৰণ মই প্ৰথম শ্ৰেণী পোৱাৰ আগতে শিৱসাগৰতে তেওঁ তেওঁৰ বিপুল বপুটি পেলাই থৈ পলাল। মই পঢ়িবলৈ পাইছিলোঁ অসমৰ সুপ্ৰসিদ্ধ চন্দ্ৰমোহন গোস্বামী হেডমাষ্টৰৰ তলত। সকলো বিষয়তে এনে প্ৰগাঢ় পণ্ডিত চন্দ্ৰমোহন গোস্বামীৰ নিচিনা কোনো লোকে অসমত হেডমাষ্টৰী কৰা নাছিল। চন্দ্ৰত কলঙ্কৰ দৰে চন্দ্ৰমোহনৰ এটি কলঙ্ক আছিল, যে অতিৰিক্ত মদ্য পান। আকৌ চন্দ্ৰৰ দৰে চন্দ্ৰমোহনো মাহেকত দুই পক্ষ আছিল। তেওঁ মদ খাবলৈ আৰম্ভ কৰিলে ১৫ দিনমান একেৰাহে চলিছিল আৰু তাৰ পিছত ১৫ দিনমান একেবাৰেই শুকান বাকে থৰ। তেওঁৰ নিৰামহীয়া কালডোখৰক মই শুক্লপক্ষ বুলিছিলোঁ আৰু সিডোখৰক কৃষ্ণপক্ষ বুলিছিলোঁ। বেজাৰৰ কথা এইটোহে যে, এই কৃষ্ণপক্ষতো তেওঁ একো একোদিন স্কুলত ভটং কৰে উদয় হৈছিলহি আৰু ছাত্ৰবোৰে তেওঁৰ স্ফূৰ্ত্তিৰ গাঢ়-গতি দেখি আমোদ উপভোগ কৰিছিল। এদিন মনত আছে তেওঁ তেওঁৰ কৃষ্ণপক্ষৰ ভিতৰতে ধপহু কৰে স্কুলত ওলালহি ; লগতে বঙ্গলা স্কুলৰ হেডপণ্ডিত বাবু প্ৰাণকৃষ্ণ কৰ। প্ৰাণকৃষ্ণ বাবু নিশ্চয় চন্দ্ৰমোহন বাবুৰ তদাৰক আৰু চম্ভালক হৈ আহিছিল। কিন্তু আচৰিত কথা যে গোস্বামী ডাঙৰীয়াৰ পটলুঙৰ ভিতৰত থকা চুৰিয়াৰ পোন্দটো যে পটলুঙৰ

ওপৰেদি ওলাই ওলমি আছিল, সেইটো গোস্বামী ডাঙৰীয়াৰ চক্ষালক কৰ বাবুৰ প্ৰফুল্লিত নয়ননিকৰত নপৰিছিল, পৰাহে'তেন তেওঁ সেইটোকো সেইদৰে নিৰাশ্ৰয় কৰি নেৰি গোস্বামী ডাঙৰীয়াৰ পটলুঙৰ ভিতৰতে ৰক্ষা কৰিবৰ এটা দিহা কৰি দিলেহে'তেন। গোসাঁয়ে প্ৰথম শ্ৰেণীৰপৰা আৰম্ভ কৰি ষষ্ঠ শ্ৰেণীলৈকে পৰিভ্ৰমণ কৰি ছাত্ৰক কিতাপৰ পাঠৰ প্ৰশ্ন সুধি ফুৰিছে আৰু প্ৰাণকৃষ্ণ বাবু লগে লগে ছাঁৰ দৰে ফুৰি সেই প্ৰশ্ন দোহাৰি ( repeat কৰি ) স'ৰাক বুজাই দিছে ; অথচ এই গোটেইডোখৰকালত বিদ্ৰোহী, জাতীয় ( natural ) চুৰিয়াৰ পোন্ধৰ অগ্ৰভাগে পতাকাৰ ৰূপ ধৰি বিৰাট বৃটিছ গৱৰ্ণমেণ্টৰ স্কুলৰ বিজাতীয় "ইউনিয়ন জেক্" পতাকাৰ "স্পিৰিট" বা আত্মাক অগ্ৰাহ্য আৰু সম্ভৱতঃ অমান্য কৰি উদ্যাৱলভাৱে উৰি ফুৰিছিল, কিন্তু তাৰ ফালে কৰ বাবুৰ চকু নাই। দৃশ্যটো দেখি, গোটেইটো স্কুল ছাত্ৰৰ suppressed হাঁহিৰ অৰ্থাৎ হেঁচা মাৰি ধৰি থকা হাঁহিৰ হেঁচাত অধীৰ। যি হওক, ইয়াৰ পিছত স্কুলৰ ছেকেণ্ড মাষ্টৰ আৰু মোৰ সহপাঠী প্ৰথম শ্ৰেণীৰ ছাত্ৰ গোস্বামী ডাঙৰীয়াৰ পুতেকে গোস্বামীক ঘৰলৈ লৈ গৈ সেই দৃশ্য পট পৰিবৰ্তন কৰি দিলে।

বিদ্যাৰ গৌৰৱত চন্দ্ৰমোহন গোস্বামী পূৰ্ণিমাৰ জোন যেন আছিল। তেওঁ আমাৰ অশেষ ভক্তি-শ্ৰদ্ধা আকৰ্ষণ কৰিছিল। কলেজত শিক্ষা শেষ কৰি সংসাৰত সোমাই বিষয়ী হৈও যেতিয়াই অসমলৈ গৈছো বা যেতিয়াই কলিকতাত গোস্বামী ডাঙৰীয়াৰে সৈতে মোৰ দেখা হৈছে, তেতিয়াই তেওঁৰ ওচৰত মোৰ ভক্তিপূৰ্ণ মূৰ দোঁ খাইছে। তেওঁৰো পুৰণি ছাত্ৰ মোৰ প্ৰতি সদায় অশেষ স্নেহ থকাটোৰ নিদৰ্শন পাইছিলোঁ। "জোনাকী" আৰু "বাঁহী"ত ওলোৱা মোৰ প্ৰবন্ধবোৰ তেওঁ পঢ়ি আমোদ পাইছিল আৰু সেইবোৰৰ বিষয়ে মোৰে সৈতে দেখা হ'লে, মোৰ আগত মতামত প্ৰকাশ কৰিছিল। মোৰ বিয়াৰ কিছুমানদিনৰ পিছত তেওঁৰে সৈতে এবাৰ কলিকতাত মোৰ দেখা হৈছিল। তেওঁ in a fatherly way অৰ্থাৎ বাপেকে পুতেকক উপদেশ দিয়াৰ দৰে মোক কৈছিল— "ঠাকুৰবাড়ীত তুমি বিয়া কৰাই ভাল কৰিছা। মই বৰ সন্তোষ পাইছোঁ। তেওঁলোকৰ পৰিয়াল বঙ্গদেশত বৰ aristocratic ( সম্ভ্ৰান্ত )। কিন্তু সেইবুলি তুমি তেওঁলোকৰ আগত এচুলমানো হীনতা অনুভৱ আৰু প্ৰকাশ নকৰিবা ; কাৰণ এইটো মনত ৰাখিবা যে তেওঁলোকৰ দেশত তেওঁলোক বংশগৌৰৱত যেনেকৈ ডাঙৰ, তোমাৰ দেশতো তুমি তেনেকুৱা।" মই অশ্ৰুগদগদ লোচনেৰে মূৰ দোঁৱাই তেওঁৰ কথাৰ মৰ্যাদানুভৱ কৰি appreciation জনালোঁ।

# পঞ্চম অধ্যায়

শিৱসাগৰলৈ আহি মই শ্ৰীযুত গঙ্গাগোবিন্দ ফুকন ডাঙৰীয়াক ( Mr. G. G. Phookan ) দেখোঁ। তেওঁ তেতিয়া শিৱসাগৰত একষ্ট্ৰা এছিষ্টেণ্ট কমিশ্যনৰ। শিৱসাগৰৰ বৰপুখুৰীৰ পাৰৰ বঙলা এটাত তেওঁৰ থকা ঠাই আছিল। ফুকনৰ ঘৰৰ সৈতে আমাৰ ঘৰৰ বন্ধুতাৰ ঘনিষ্ঠতা আৰু কুটুম্বিতা আছিল। মোৰ পিতৃদেৱতাৰ নাতিযেক ৺পূৰ্ণানন্দ ছোট চাহাবৰ ভায়েক ফুকনৰ বাইদেৱেকৰ স্বামী আছিল। ইয়াৰ উপৰি আমাৰ বৰ ককাইদেউ ৺ব্ৰজনাথ বেজবৰুৱাৰে সৈতে ফুকনে সখি পতাইছিল, দুয়ো দুইকো ইংৰাজীত "নন্" ( Nun ) বুলি মতা শুনিছিলোঁ। ফুকন ডাঙৰীযাৰ চলা-ফুৰা থকা-মেলাৰ গঢ় য়ুৰোপীয়ৰ নিচিনা আছিল, কিন্তু সেইবুলি যে সকলো বিষয়তে তেওঁ য়ুৰোপীয় আৰ্হি লৈ চলিছিল, এনে নহয়। প্ৰায় দেখা যায় যে য়ুৰোপীয় সকলৰ ভিতৰত মদ্যপান প্ৰচলিত। হিন্দুৰ চকুত প্ৰধান দোষ 'পান-দোষ'ৰ তেওঁ বহিৰ্ভুত আছিল। এদিনলৈকে আমি তেওঁক চেলেউ এটা খোৱা বা আন প্ৰকাৰে ধপাত খোৱা, আনকি তামোল এখনকে খোৱা নেদেখিছিলোঁ। ফুকন ডাঙৰীযাৰ গৌৰবৰ্ণ, সুগঠিত অঙ্গ-প্ৰত্যঙ্গ, সুদীৰ্ঘ সুঠাম আকৃতি আৰু ধীৰ গম্ভীৰ প্ৰকৃতিয়ে মোৰ মনত তেতিয়া এটি চিৰকলীয়া চাব মাৰিছিল। তেওঁ দেখিবলৈ যেনে সভা-শুৱনি পুৰুষ, কথা-বাৰ্তা আৰু বুদ্ধিতো তেনে প্ৰখৰ। বাস্তৱিকতে ফুকন ডাঙৰীযা হেজাৰৰ ভিতৰত জিলিকা মানুহ। অসমীযাৰ ভিতৰত ফুকনেই প্ৰথমতে নিজৰ সহধৰ্মিনীক পাশ্চাত্য উচ্চ শিক্ষাত শিক্ষিত কৰিবৰ নিমিত্তে কলিকতালৈ পঠাইছিল। কিছুদিনৰ পিছত ফুকন শিৱসাগৰৰ পৰা গোলাঘাটলৈ বদলি হয় আৰু বোধকৰো তাতে তেওঁ গৱৰ্ণমেণ্টৰ চাকৰি এৰি আকৌ শিৱসাগৰলৈ উভতি আহি, "ফুকন-নগৰ" নামৰ ঠাইত বাস কৰিবলৈ ধৰে। গৱৰ্ণমেণ্টৰ চাকৰি পৰিত্যাগ কৰাৰ পিছত তেওঁ ৰাজনৈতিক আন্দোলন আৰু স্বাধীন ব্যৱসায়ত লাগে। ঈশ্বৰৰ কৃপাত ফুকন ডাঙৰীয়া আজিও জীয়াই থাকি শিৱসাগৰৰ মুখ পোহৰাই আছে। তেওঁৰ নিৰ্মল চৰিত্ৰ মিতাচাৰেই ( abstemious habit ) এই দীৰ্ঘ জীৱনৰ গুৰি বুলি মোৰ মনত হয়। তেওঁৰ উদ্যম শক্তি ( energy ) ইমান বেছি যে, যোৱা বাছনিত তেওঁ অসমৰ আইন সভাৰ সভ্য হবলৈ আগবাঢ়িছিল। গোটেই অসমৰ আৰু ঘাইকৈ শিৱসাগৰ মঙ্গলৰ অৰ্থে সকলো কাৰ্যতে ফুকন ডাঙৰীয়া সদায় অগ্ৰণী।

মোৰ পিতৃদেৱতাৰ দুজন ভাৰ্য্যা আছিল। মোৰ মাতৃদেৱী সৰু-জনা ভাৰ্য্যা। মাতৃদেৱীৰ বিষয় পিতৃদেৱতাই তেওঁৰ ৰচিত "বেজবৰুৱা বংশাৱলীত" লেখিছে—

"দ্বিতীয় বিবাহ মোৰ দিবো পৰিচয় ॥
অনন্ত কন্দলি ঘৰে যাৰ জন্ম ভৈল।
ভনু বৰপুজোৰী তাহাৰ নাম হৈল ॥
পৰম বিশিষ্ট বিপ্ৰ গুণে অতিশয়।
তাৰ সুতা ঠানেশ্বৰী বিবাহিলো মই ॥"

আমাৰ দুইজনা আইৰ ভিতৰত অতি মধুৰ ব্যৱহাৰ আছিল। বৰজনাই সৰুজনাক নিজৰ ভনীয়েকৰ নিচিনা যেন দেখিছিল আৰু সৰু জনাইও বৰজনাক আপোনাৰ বায়েকৰ নিচিনাকৈ সেৱা-ভক্তি কৰিছিল। সতিনীৰ আঁহত ওপজা স্বাভাৱিক হিংসা-দ্বেষ দুজনাৰ ভিতৰত কেতিয়াও দেখা মোৰ মনত নপৰে। মই শিৱসাগৰলৈ অহাৰপৰা বাস্তৱিকতে মোক মোৰ নিজৰ আইতকৈ বৰজনা আয়েহে বেছি যতনেৰে তুলিছিল। সৰু ডোখৰত মই তেওঁৰ লগত খাইছিলোঁ, তেওঁৰ লগত শুইছিলোঁ আৰু তেওঁৰ অনুষ্ঠিত সকলো পুণ্যকাৰ্য্যত উৎসাহেৰে যোগদান কৰিছিলোঁ। মাঘমহীয়া গোটেইটো মাহত মই দোকমোকালিতে উঠি তেওঁৰ সৈতে দিখৌত প্ৰাতঃস্নান কৰিবলৈ গৈছিলোঁ, কাতিমহীয়া তুলসীৰ ভেটি মচি তুলসীৰ তলত চাকি আৰু 'আকাশ-বাতি' দিছিলোঁ।

আমাৰ ঘৰত ৰাতি অনেক পলমকৈ ভাত খোৱা দস্তুৰ আছিল। আমি সৰুবোৰে এঘুমটি দিয়াৰ পিছতহে আমাক ভাত খাবলৈ জগাই তুলি অনা হৈছিল। এদিন মোৰ আয়ে মোক তুলি আনি ভাতৰ পাতত বহুৱাই দিলে; কিন্তু তেতিয়ালৈকে মোৰ চকু মেল খোৱা নাছিল। আয়ে "খা" "খা" কৈ মোক কৈ আছে, মই ভাতৰ কাঁহীৰ ওপৰত বহিয়াকৈ চেঙেলি টোপাই আছোঁ। তেওঁৰ আমনি লাগি উঠিল খং। মোৰ গলধনটোত ধৰি তেওঁ মোক ভাতৰ পাতত হেঁচা মাৰি ধৰিলে। ওচৰতে এচৰিয়া পানীৰে সৈতে এটা মুখ-ধোৱা চৰিয়া আছিল, হেঁচাত মই ভাতৰ কাঁহীত নপৰি, পৰিলোঁ মুখ-জোবোৰা খাই চৰিয়াৰ পানীত—পুহমহীয়া জাৰৰ ৰাতি। মোৰ দুৰ্দশা দেখি বৰজনা আই লৰি আহি মোৰ আইক তেনে কাৰ্য্যৰ বাবে নথৈ ককৰ্থনা কৰি মোক আতো-পুতো কৰি নি তপত পানীৰে ভালকৈ গা-পা ধুৱাই গা মচি দি, চুৰিয়া পিন্ধাই আনি তেওঁৰ লগত ভাত খাবলৈ বহুৱালে; আৰু মোৰ আইক টান হুকুম দিলে—সেইদিনাৰপৰা যেন তেওঁ মোক ভাত খাবলৈ তুলি নানে; বৰ আয়ে নিজে বা তেওঁৰ দুজনী বোৱাৰীয়েকৰ এজনীয়েহে আনিব।

বৰ ককাইদেও ৺ব্ৰজনাথ আৰু মাজু ককাইদেউ জগন্নাথ, এই দুজনৰ ঘৈণীয়েক দুজনাই মাথোন তেতিয়া আমাৰ ঘৰত বোৱাৰী। দুয়ো আকৃতিত যেনে শুৱনী প্ৰকৃতিতো তেনে আছিল। দুয়ো মোক নথৈ মৰম কৰিছিল; ময়ো তেওঁলোকক নথৈ ভাল পাইছিলো। বৰ-বৌৰ পিতাক জোকতলীৰ মৌজাদাৰ আছিল। শবাধ-বিধি বা আন কাম-কাজৰ সময়ত তেওঁ বাপেকৰ ঘৰলৈ গলে আমাকো পিছত মাতি লৈ গৈ এনে আদৰ-সাদৰকৈ খুৱাই-বুৱাই পঠিয়াইছিল যে সেই সুমধুৰ স্মৃতি এই জীৱন-স্মৃতি লেখকৰ স্মৃতিৰ ভিতৰত স্থায়ী হৈ আছে। বৰবৌ সৰুবৌতকৈ বয়সত অনেক সৰু আছিল, কাৰণ তেওঁ বৰ ককাইদেওৰ প্ৰথমা স্ত্ৰী-বিয়োগৰ পাছত বিয়া কৰোৱা দ্বিতীয়া স্ত্ৰী। সেইদেখি বৰবৌৱে সৰুবৌক নিজৰ জা-সম্পৰ্কতকৈও বায়েক সম্পৰ্কৰ চকুৰে দেখি সন্মান কৰিছিল। মুঠতে দুয়োজনী জাকৰ ভিতৰত মিলা-প্ৰীতিৰ দৃশ্য অতি মনোৰম আছিল; দুয়ো অলপ অসমীয়া লেখা-পঢ়া জানিছিল। সৰুবৌৱে কাশীৰাম দাসৰ বঙ্গলা ছপা মহাভাৰতৰ কোনো এটা সৰু পৰ্ব পঢ়িব পাৰিছিল; কিন্তু লেখিব

নাজানিছিল বা অইন কিতাপো পঢ়িব নাজানিছিল। কোনো বিশেষ পৰ্ব বোলাৰ মানে আছে। তেওঁ আনৰ ওচৰত শুনিয়েই হওক বা শিকিয়েই হওক, সেই পৰ্বতো তেওঁৰ একৰকম মুখস্থ হৈ পৰিছিল; সেইদেখি তাৰ প্ৰত্যেক শাৰীৰ প্ৰথম শাৰীৰ প্ৰথম দুটা-এটা আখৰ দেখিলেই বাকীডোখৰ তেওঁ আখৰৰফালে ভালকৈ নোচোৱাকৈয়ে মাতিব পাৰিছিল; আৰু সেই পৰ্বৰ বাজ হৈ পৰিলেই তেওঁৰ বিদ্যাৰ ওৰ পৰিছিল। ৰবৰোৱে চিঠি লিখিব্ পাৰিছিল। মোৰ মনত আছে—বৰ ককাইদেউ ডিব্ৰুগড় বা গুৱাহাটীৰ নিচিনা ঠাইলৈ গ'লে ৰবৰোৱে অতি সংগোপনে তেওঁলৈ চিঠি লিখিছিল; কাৰণ তিৰোতাই আৰু ঘাইকৈ ঘৰৰ বোৱাৰী-জীয়ৰীয়ে চিঠি লেখাটো (নিজৰ স্বামী হলেও) সেই সময়ত অকৰণীয় অকাৰ্যৰ ভিতৰুৱা বুলি বিবেচিত হৈছিল। সেইদেখি ৰবৰোৱে অতি সংগোপনে তেওঁৰ চিঠি লেখি তাক মোৰ হতুৱাই শুধৰাই চলিব পৰা কৰি, মোৰ হতুৱায়েই অতি গুপুতভাৱে ডাকত দিয়াইছিল। তেতিয়া মোৰ বিদ্যাই বা কিমান, বুদ্ধিয়েই বা কিমান! তথাপি ৰবৰোৱে মোক ৰবটো পাতি বিদ্যাৱন্ত ভাবি নিজৰ চিঠি কটাই-কুটাই নিৰ্দোষ কৰি লোৱা বাবে মই নিজক গৌৰৱান্বিত বিবেচনা কৰিছিলোঁ। কিন্তু প্ৰকৃততে মোক বিদ্যাৰ বৰপুখুৰী ভবাতকৈ আন এটা কাৰণতহে ৰবৰোৱে তেনে কৰিছিল। মযেই ঘৰত সৰু ল'ৰা; মোৰ বাহিৰে মোতকৈ জনা শুনা ডাঙৰ এজনৰ হাতত তেওঁৰ সেই প্ৰেম-পত্ৰ সঁপি দিয়াটো তেওঁৰ পক্ষে অসম্ভৱ আছিল। বুদ্ধিৰ ঢেঁকী-ঠোৰা মই কিন্তু তেওঁৰ প্ৰথমখন চিঠি ডাকত দিওঁতেই লগালোঁ জেঙা। চিঠিখন চেলেঙৰ তলত ভৰাই লৈ মই ডাকঘৰ পালোঁগৈ; কিন্তু ক'ত চিঠিখন পেলাব লাগে নাজানি, ডাকঘৰৰ সম্মুখতে পৰি থকা ভগা পেৰা এটাৰ ভিতৰত দিলোঁ সুমাই। ওচৰতে এটা মানুহ আছিল, সি ক'লে, "সেইখন চিঠি ডাকত দিবলৈ আনি তাত সুমাই দিলা কিয়? ডাকত এইপিনে ইয়াতহে দিব লাগে।" মোৰ ভুল বুজিব পাৰি মোৰ মুখ শুকাই গ'ল। সেই ভগা পেৰাটোৰ ষি সুৰুঙাইদি চিঠিখন সুমাই দিছিলোঁ সেই সুৰুঙাত হাত নোসোমায়। মই মোৰ বিপদৰ কথা "পোষ্ট-মাষ্টৰ" বাবুক ক'লত, তেওঁ মোৰ মুখৰ-ফালে অলপমান চাই থাকি দয়াপৰবশ হৈ উঠি আহি বাকচটোৰ ভগাডোখৰ আৰু ভাঙি বহলাই লৈ চিঠিখন উলিয়াই আনি, মোৰ হাতত দি ক'ত দিব লাগে দেখুৱাই দিলত, মই তাতে দি নিশ্চিন্ত মনেৰে ঘৰলৈ উভতি আহিলোঁ। মই শিৱসাগৰত থাকোঁতেই এইজনা বৌৰ মৃত্যু হ'ল। তেওঁ এটি ল'ৰা থৈ গৈছিল, সিও এবাৰ কি বাৰ বছৰ বয়সত ঢুকাল।

সিংদুৱাৰ নামেৰে এখন নিষ্কৰ "গ্ৰাণ্ট" দেউতাই লৈছিল। অসম ৰজাৰ ৰাজধানীৰ গড়ৰ সেইখিনিতে সিংহদুৱাৰ আছিল দেখি তাক সিংদুৱাৰ বুলিছিল। তাত বাঁহ-কাঠ অপৰ্য্যাপ্ত; কিন্তু তাৰ মাটি চাহ-খেতিৰ নিমিত্তে উপযোগী নহয়। বৰ ককাইদেৱে তাতে চাহখেতি কৰি তাক চাহ-বাগিচাত পৰিণত কৰিবলৈ বিচাৰিছিল আৰু কিছুদূৰ কৃতকাৰ্য্যও হৈছিল। তেওঁ প্ৰায় দিনো দুপৰীয়া ঘৰৰপৰা খোজকাঢ়ি বাগিচালৈ গৈছিল আৰু গধূলি সেইদৰে খোজকাঢ়ি আহিছিল। ঘৰৰপৰা বাগিচা প্ৰায় তিনি

মাইলমান দূৰত্ব, তেওঁ উভতি আহোঁতে ডাঙৰীয়া শ্ৰীযুত গঙ্গাগোবিন্দ ফুকনৰ ঘৰত সোমাই মেল পাতি অহাটো তেওঁৰ নিত্যকৰ্ম্মৰ নিচিনা হৈছিল। ফলত, সেইদেখি দিনো ঘৰ পাওঁতে ৰাতি দুপৰ হৈছিল। তেওঁ নহালৈকে তেওঁৰ ঘৈণীয়েক, বোৱাৰীয়েক আৰু আই দুজনে ভাত নাখাই তেওঁলৈ থাপ লৈ বহি থকা দৃশ্যটো অতি কষ্টকৰ হৈ পৰিছিল। দেউতাই আৰু আইসকলে তেওঁক কৈ কৈ নিজৰ কষ্ট জনাযো তেওঁৰ এই বেয়া অভ্যাসটো এৰুৱাব নোৱাৰিছিল।

দেউতাই ঘোঁৰাত উঠিবলৈ বৰ ভাল পাইছিল। সদায় দেউতাৰ ঘোঁৰা শালত তুটীয়া ঘোঁৰা এটা বন্ধা থাকিছিল। বাস্তৱিকতে দেউতা এজন পকা 'ঘোৰ-চোৱাৰ' আছিল। ঘোঁৰাত উঠি দেউতাইও দুদিন এদিনৰ অন্তৰত সিংদুৱাৰ বাগিচালৈ কাম চাবলৈ গৈছিল। এদিন তেওঁ বাটতে ঘোঁৰাৰপৰা পৰি তেওঁৰ ভৰি এটা ভগাৰ নিচিনা হ'ল। সেইদিনাৰপৰা সকলোৱে কৈ মেলি তেওঁক এই বুঢ়া বয়সত ঘোঁৰাত উঠা এৰুৱালে। দেউতাৰ পুৰণি ধৰণৰ ডাঙৰ বাগী এখনো আছিল, কিন্তু সি সদায় অব্যৱহাৰ্য্য অৱস্থাত পৰি আছিল। সেই বাগীৰ এটা ইতিহাস এইখিনিতে কওঁ। দেউতা তেজপুৰত মুন্সেফ হৈ থাকোঁতে এদিন ৺ৰামদয়াল নামেৰে এজন অসমীয়া ডাক্তৰে দেউতাৰ ঘোঁৰা গাড়ী খুজি লৈ "হাৱা খাবলৈ" গৈ গাড়ী ঘোঁৰা একেবাৰেই ব্ৰহ্মপুত্ৰত পেলাই দিলে। ঘোঁৰাটো মৰিল, ডাক্তৰে পানীত পৰাৰ আগতে জাপ মাৰি ভৰিৰ এবকলা ছাল গাড়ীতে থৈ কোনোমতে ৰক্ষা পৰিল। গাড়ীখন খৰালি ব্ৰহ্মপুত্ৰৰ বালি থানিহে উলিয়াই অনা হৈছিল। তেতিয়াৰে পৰা সেই গাড়ীখন আৰু 'মেৰামত' হোৱা নাছিল।

পিতৃদেৱতাৰ চাৰিজনী জীয়েক। সৰুজনী জীয়েক স্বামীৰ ঘৰলৈ যোৱাৰ আগতে বিধৱা হৈ আমাৰ ঘৰতে আছিল। মাজুজনা এটি ল'ৰাৰ মাক হোৱাৰ পিছত বিধৱা হয়। জোঁৱাই বিষয়ত যে দেউতাৰ ভাগ্য ভাল আছিল, এনে মনে নধৰে। জীযাই থকা দুজনৰপৰাও যে দেউতাই অনাবিল সুখ ভোগ কৰিছিল, এনে বুলিব নোৱাৰোঁ। জীয়ৰীক জোঁৱায়েকৰ ঘৰলৈ উলিযাই দিবৰ দিনৰেপৰা জীয়ৰীয়ে বাপেকৰ ঘৰত ভাত বা সান্দহ-চিৰা-পিঠা খোৱা বন্ধ; কাৰণ জোঁৱায়েকহঁতৰ ভয়, পাছে তেওঁলোকে বিয়া কৰাই শুচি কৰি লোৱা নিজৰ সহধৰ্ম্মিণীয়ে বাপেক-মাকৰ ঘৰত পকা জলপান বা ভাত ভোজন কৰি আকৌ স্বকীয় দেহা অশুচি কৰি তেওঁলোককো টানি আনি পাতকৰ পাট-নাদত পেলাই দিয়ে। এনে দস্তুৰ অকল আমাৰ ঘৰতেহে আমাৰ ঘৰৰ জোঁৱাইসকলে চলাইছিল, এনে বুলি ভাবিলে ভুল কৰা হ'ব; অসমত যাইকৈ উজনি অসমত এনে কুলক্ষণীয়া প্ৰথা প্ৰায়বোৰ ভদ্ৰলোকৰ ঘৰত প্ৰচলিত আছিল। ক'ৰপৰা এনে বৰ্ব্বৰতা অসমত সোমাইছিলহি কব নোৱাৰোঁ। আশাকৰোঁ আজিকালি শিক্ষিত অসমীয়াসকলে এই বৰ্ব্বৰতাৰ খৰ্ব্বতাৰ খৰ্ব্বতা সাধন কৰি, তাক খেদি নি দেশৰপৰা উলিয়াই দি হাদিৰা-চকিত এৰে।

মোৰ তৃতীয়জন ককাইদেও গোলাঘাটৰ গুড়বোগনীয়া মৌজাৰ মৌজাদাৰ আছিল।

এইখিনিতে কোৱা যাওক যে সেইকালত ওকালতি কৰা ব্যৱসায়টো বৰ সম্মানজনক বিবেচিত নহৈছিল। তেতিয়া উকীল হবলৈ 'প্লিডৰশ্বিপ্' বা বি-এল পৰীক্ষা "পাছ" কৰিবলগীয়া হোৱা নাছিল। হাকিমে কাকো উকীল হবলৈ হুকুম দি কাছাৰীৰ কিতাপত নাম লেখাই দিলেই তেওঁ উকীল হৈ ওকালতি কৰিব পাৰিছিল। এইদৰে নাম লেখাই দি দেউতাই কত লোকক উকীল পাতি দিলে, কিন্তু সেই ব্যৱসায় নিজৰ পুতেকৰ অনুপযুক্ত বুলি ভাবি এটি পুতেককো উকীল নকৰিলে। তেওঁৰ পুতেক-সকলৰ ভিতৰত সেইদেখি কোনো কেৰাণী, কোনো স্কুল-মাষ্টৰ আৰু কোনো মৌজাদাৰ।

গোলাঘাটৰ ফালৰে ন গোসাঁইৰ ঘৰত তৃতীয়জন ককাইদেউৰ বিয়াৰ সম্বন্ধ ঠিক হয়। মাঘমহীয়া আমি ঘৰে-ঘৰোৱাহে সেই বিয়ালৈ যাবলৈ উদ্যোগ কৰিছোঁহক, এনেতে মেঘ-দেৱতা বাম হ'ল। এজাক বৰষুণ হ'ল। সেই বৰষুণ হেনো অকাল-বৃষ্টি, গতিকে অমঙ্গলীয়া। বিয়াৰ দিন সেইবাবে হোহকি গ'ল। অকাল-বৃষ্টিৰ দুৰ্দিনৰ দোষ এৰাই হোঁহকা দিনত আমি নাৱেৰে গৈ বিয়াৰ কাৰ্যক্ষেত্ৰত উপস্থিত হলোঁহ'ক। শিৱসাগৰৰপৰা যাত্ৰা কৰিবৰ আগতে আমাৰ বৰজনা আইৰ বৰ ইচ্ছা হ'ল যে তেওঁৰ জীয়েকৰ বৰপুতেকক (১৩।১৪ বছৰীয়া ল'ৰা) বিয়ালৈ লগত লৈ যায়। তেওঁৰ ইচ্ছাৰ কথা জোঁৱায়েকলৈ কৈ পঠিয়ালত জোঁৱায়েকে পিতৃদেৱতালৈ চিঠি লেখিলে যে তেওঁৰ পুতেকক বিয়ালৈ যাবলৈ দিব পাৰে, যদি তাক ককাক-বুঢ়ীমাকৰ ঘৰত প্ৰস্তুত 'সিদ্ধান্ন'-'পাকান্ন' নুখুৱায় বুলি দেউতাই অঙ্গীকাৰ-পত্ৰ লেখি দিয়ে। জোঁৱায়েকৰ এই অদ্ভুত চিঠিৰ কথা শুনি বৰজনা আই থঙত ঘৃতাহুতি হ'ল আৰু দেউতাই চিঠিৰ উত্তৰ নিদি মনে মনে থাকিল। দৈৱ-দুৰ্বিপাকত আকৌ এজাক অকাল বৃষ্টি-হৈ আকৌ বিয়াৰ প্ৰতিবন্ধকতা জন্মালে। তাতে কিছুদিন থাকি আকৌ বিয়া হোঁহোকাই দুৰ্বিপাকৰ দোষৰ হাত এৰাই সেই বিয়া সম্পাদন কৰি ঘৰলৈ প্ৰত্যাৱৰ্তন কৰা হ'ল। ওপৰত উল্লেখ কৰা প্ৰতিবন্ধকতাই নিশ্চয় ভৱিষ্যতৰ সঙ্কেত দিছিল। বিয়াৰ কিছুদিনৰ পিছতে সেই ককাইদেউজন কাহৰনৰিয়াত পৰি শিৱসাগৰলৈ আহিল। দেউতাই অশেষ চেষ্টা আৰু পৰিশ্ৰম কৰি অনেক নতুন নতুন ঔষধ পুথি চাই উলিয়াই নিজে কৰি খুৱাই চিকিৎসা কৰিও পুতেকক ৰক্ষা কৰিব নোৱাৰিলে। তেওঁৰ ঘৈণীয়েকো স্বামীৰ মুখ নেদেখাকৈ বাঁৰী হ'ল। বিয়াৰ দিনা কন্যাৰ ককায়েক নে কি কব নোৱাৰোঁ—ন গোসাঁই প্ৰভুৰ প্ৰতিমূৰ্তিটো আৰু তেওঁৰ ব্যৱহাৰ অতিকৈ চকুত পৰা হৈছিল। বিয়াৰ সভাত তেওঁ এটা কাঠৰ মূঢ়াৰ দৰে বহি আছিল; আৰু পাছে, আমাৰ নিচিনা সাধাৰণ মানুহেবে সৈতে কথা-বাৰ্তা পাতি আমাক (হলোঁৱেই বা দৰাঘৰীয়া) আদৰ-অভ্যৰ্থনা কৰিলে, কেনেবাকৈ তেওঁলোকৰ গোসাঁই প্ৰভুৰা দীঘল ভেমটোৰ চুটি এডোখৰ হৈ পৰিব—এই ভয়তে তেওঁ সশঙ্কিত হৈ আছিল। এওঁলোকতো পুৰাণি সম্ভ্ৰমৰ দাবী কৰিব পৰা ন গোসাঁয়েই; —অসমত ফেঁচামৰীয়া গোসাঁইবেপৰা আৰম্ভ কৰি থৰিকটীয়া গোসাঁইলৈকে গোসাঁই-নামধাৰী প্ৰাণীসকলে সাধাৰণ ভদ্ৰলোকৰ

ঘৰলৈ ছোৱালী দিবলৈ ওলায়, অথচ বিয়াৰ সময়ত আঁকোৱালে নোপোৱা ভেমৰ খুটাত আউজি থাকি কি যে কৰে তাক কি কবা! এবাৰ মনত আছে—এজন শিৱসাগৰৰ ভদ্ৰলোকৰ বিয়াত নিমন্ত্ৰিত হৈ মই দৰাঘৰীয়াৰে সৈতে বিযালৈ গৈছিলোঁ। আমি কন্যাঘৰীয়া গোসাঁইৰ পদূলিমুৰ পাওঁতেই গোসাঁইৰ ঘৰৰপৰা আদেশ আহিল যে আমি আমাৰ ভৰিৰ জোতা-মোজা সোলোকাই পদব্ৰজে গৈহে তেওঁৰ চাৰি ঢাপৰ ভিতৰ সোমাব পাৰিম। আমিও জোতা-মোজা নেসোলোকাওঁ তেওঁলোকেও নেৰে। শেষত দৰাঘৰীয়া আৰু কন্যা ঘৰীয়াৰ ভিতৰত হতাহতি হোৱাৰ উপক্ৰম। অনেক কষ্টৰ আৰু অনেক কথাৰ আঁজোৰ-পিজোৰৰ পিছতহে এটা হেস্ত নেস্ত হৈ এই গজ-কচ্ছপীয়া যুদ্ধৰ ওৰ পৰে। ভেমেই অসমীয়াথনক খালে। অৱস্থা বুজি ব্যৱস্থা নকৰা আৰু সময়ৰ সোঁতৰ বিপৰীতে যাবৰ প্ৰয়াসেই আমাৰ গোসাঁইসকল আউজি থকা বৰখুটাবোৰ হেলেক্‌লেক্ কৰি পেলাইছে।

স্বামীৰ মুখ নেদেখাকৈয়ে আমাৰ যিজনা বাইদেও বাঁৰী হৈছিল, তেওঁৰ নাম পিয়ালী। মই শিৱসাগৰলৈ অহাৰ দুই-তিনি বছৰৰ পিছতে মৃত্যু হ'ল। তেওঁ মোৰ চকুত এটি বিষাদৰ প্ৰতিমূৰ্ত্তি আছিল। চুকত এলাগতীয়াভাবে পৰি থকা নিৰ্জ্জু আৰু সুমধুৰভাষী এই প্ৰাণীটিৰ হৃদয়ত শোক আৰু নিষ্ফলতাৰ কি তুঁহ জুয়ে তেওঁক একেবাৰে পুৰি ছাই কৰিছিল, তাক অন্তৰ্যামী ঈশ্বৰেহে জানিছিল। কঠোৰ নিৰ্ম্মম শাসনেৰে শাসিত হিন্দু সমাজৰ কেইজনে এই কথা দকৈ ভাবি তাৰ প্ৰতিকাৰ কৰিবলৈ অগ্ৰসৰ হয়? বঙ্গদেশৰ দয়াৰ সাগৰ বিদ্যাসাগৰৰ বাহিৰে আৰু কেইজন? পিয়ালী বাইদেউৰ মৃত্যুৰ চিত্ৰটো এতিয়াও মোৰ মনত আছে। যিদিনা তেওঁৰ মৃত্যু হৰ, সেইদিনা ৰাতি তিনিমান বজাত, তেওঁ গাইপতি সকলোকে নাম আৰু সম্বন্ধ ধৰি মাতি বন্দী-বেটী, লগুৱা-লিগিৰীবোৰলৈকে সকলোকে—স্বকৃত দায়-দোষ ত্ৰুটিৰ বাবে ক্ষমা-প্ৰাৰ্থনা কৰিছিল। মই সৰু ল'ৰা, শুই আছিলোঁ। মোকো টোপনিৰপৰা জগাই তোলাই মতাই অনাই মোৰ ওচৰতো তেওঁ ক্ষমা মাগিবলৈ নেপাহৰিছিল। মই নিৰ্বাক-নিস্পন্দভাৱে তেওঁৰ কথা শুনি উচুপি উচুপি কান্দিবলৈ ধৰিলোঁ। মোৰ ভাই এটা তেতিয়া কেঁচুৱা। তাৰ নাম কাঢ়ি তেওঁ কলে—"মই তোৰে সৈতে ধেমালি কৰিবলৈ নাপালোঁ।" এই কথাৰ দহ মিনিটমানৰ পিছতে, তেওঁ ঈশ্বৰৰ নাম লৈ, মাকৰ কোলাত মূৰটি থৈ, ইহসংসাৰ পৰিত্যাগ কৰিলে। কান্দোনৰ কোঢ়ালেৰে ঘৰ ভৰি পৰিল।

আগেয়ে কৈছোঁ, আকো কওঁ যে, পিতৃদেৱতাৰ হৃদয় কুসুম-কোমল আৰু আত্মীয়-সকলৰ প্ৰতি স্নেহ-মমতাৰে ভৰা আছিল। তেওঁৰ পৰিবাৰৰ কোনো এজনে যদি কোনো কাৰণত—ৰোহ পাতিয়েই হওক বা এলাই কৰিয়েই হওক, ৰাতি ভাত নোখোৱাকৈ থাকে তেন্তে তেওঁ নিজে গৈ মাতি মাতি সেইজনক ভাত খুৱাইহে এৰিছিল, নতুবা তেওঁ তেওঁৰ মনত শান্তি নাপাইছিল। নিজৰ নিজৰ বংশৰ দুখীয়াই হওক বা চহকীয়েই হওক কাকো তেওঁ পালে মমতাৰ ডোলেৰে নাবান্ধি নেৰিছিল। কিন্তু

আনপিনে তেওঁৰ নিচিনা দৃঢ়চিত্ত আৰু ধৈৰ্যশীল মানুহ মই আজিলৈকে দেখা নাই বুলিলে বঢ়াই কোৱা নহয়। কোনো সজ কাম তেওঁ কৰিব বুলি সঙ্কল্প কৰিলে, তেহেলে থিৰ হয়, কৰিবই কৰিব। সজ কাম বুলিছোঁ এই বাবে যে কোনো কাৰ্য যদি কাৰো অপকাৰী হয়, সেই কথা তেওঁক বুজাই দিব পাৰিলে তৎক্ষণাৎ তেওঁ তাক পৰিত্যাগ কৰিছিল। তেওঁৰ মূৰৰ ওপৰেদি অনেক ডাঙৰ ডাঙৰ বিপদ গৈছিল; কিন্তু কেতিয়াও তেওঁক 'nervous' অৰ্থাৎ অস্থিৰ আৰু অধৈৰ্যশীল হোৱা নেদেখিছিলোঁ। বিপদ যিমানেই ডাঙৰ হওক তেওঁ অচল-অটল হিমাচল। ঈশ্বৰৰ বিধানত সুদৃঢ় বিশ্বাস আৰু ঈশ্বৰত সম্পূৰ্ণৰূপে আত্মসমৰ্পণেই (resignation) ইয়াৰ মূল কাৰণ। তেওঁৰ চকুত আনন্দাশ্ৰু, ভক্তি-বিগলিত প্ৰেমাশ্ৰু মই দেখিছিলোঁ, কিন্তু ন দি কব পাৰো যে শোকাশ্ৰু কেতিয়াও দেখা নাছিলোঁ। মৃত্যুৰ আগতে তেওঁৰ পুতেক গোপালক বাহিৰলৈ আনি তুলসীৰ তলত থোৱা হ'ল। ঘৰে ঘৰোৱাহে কান্দি কান্দি আকুল; কিন্তু দেউতাৰ চকুত এটোপা পানী নাই; তেওঁ মৃত্যু শয্যাশায়ী পুতেকৰ মৃত্যু-মঙ্গলৰ অৰ্থে যি যি আয়োজন কৰিব লাগে, ধীৰভাৱে কৰি আছে। সেই মৃত্যুমঙ্গলৰ ব্যাঘাতৰ ভয়ত তেওঁ সকলোকে ডাবি দি নকন্দা কৰি, পুতেকৰ মূৰ-শিতানৰ ফালে বহি ধীৰ-স্থিৰ-গম্ভীৰভাৱে, উচ্চৈস্বৰে "ওঁ ৰামঃ" "ওঁ ৰামঃ"! এই মহামন্ত্ৰ সোঁৱৰাবলৈ ধৰিলে। চাৰিওফালৰ সকলো মানুহ কাঁহ-পৰি জীণ গ'ল। "সমস্ত শাস্ত্ৰৰ, সমস্ত মন্ত্ৰৰ মূল বীজ" এই 'ৰাম' নাম তেওঁ আধা ঘণ্টাৰো বেছি সময় পুতেকক সোঁৱৰাওঁতে, সোঁৱৰাওঁতে মৃত্যুৰ মুখত পৰি থকা পুতেকে এবাৰ স্পষ্টকৈ "ৰাম" বুলিলে। পিতৃদেৱতাৰ মুখ আনন্দত প্ৰফুল্ল হৈ উঠিল। বেঢ়ি থকা সকলোৱে উচ্চৈস্বৰে 'ৰাম' নাম ধ্বনি কৰিলে। ক্ষন্তেকতে মৃত্যুশয্যাশায়ীজনৰ প্ৰাণ পাৰ্থিৱ জড় দেহৰপৰা ওলাই চিৰানন্দ ধামলৈ গতি কৰিলে। দৰ্শকসকলৰ ভিতৰত শিৱসাগৰৰ এজন বৃদ্ধ ভদ্ৰলোক আছিল। তেওঁ আকাশলৈ চাই হাতযোৰকৈ প্ৰাৰ্থনা কৰিলে, "হে ঈশ্বৰ! ডাঙৰীয়া দীননাথ বেজবৰুৱা থাকোঁতেই তেওঁৰ আগতে যেন মই মৰিবলৈ পাওঁ!"

পুতেক গোপাল আৰু জীয়েক পিয়ালীৰ মৃত্যুত আমাৰ বৰজনা আয়ে অন্তৰত নথৈ আঘাত পাইছিল। তেওঁ আৰু বেছিদিন নিজীলে। জীয়েকৰ ছমহীয়া শৰাধলৈ তেওঁ নিজ হাতে বয়-বস্তুৰ যো-জা কৰিছিল; আৰু সেইদিনাই হঠাৎ অতিসাৰ ৰোগত পৰি প্ৰাণ পৰিত্যাগ কৰিলে। সেইদিনাও পিতৃদেৱতাৰ "নিবাত-নিষ্কম্প তৰুৰ" নিচিনা ধীৰ আৰু প্ৰশান্ত মূৰ্ত্তি দেখি আমি আচৰিত মানিছিলোঁ।

মোৰ জ্যেষ্ঠ সহোদৰজনে বঙ্গদেশৰ কলিকতাত থাকোঁতেই, তেওঁৰ পিছৰজনৰ আসামত বিয়া হয়; অৱশ্যে জ্যেষ্ঠৰ অনুমতি আদায় কৰি। এই কাৰ্য মোৰ সমুজি ভাল নালাগিছিল; কিন্তু তেতিয়া মোৰ নিচিনা অৰ্বাচীনৰ মতামতৰেই বা মূল্য কি, আৰু তাক শুনেইবা কোনে? মোৰ মনেৰে জ্যেষ্ঠজন থাকোঁতে তেওঁৰ কনিষ্ঠজনৰ তেওঁতকৈ আগেয়ে বিয়া হোৱা কাৰ্যটোৱে নিশ্চয় জ্যেষ্ঠজনৰ মন ক্ষুণ্ণ কৰিছিল, কাৰণ

ইয়াৰ পিছত তেওঁক কোনো কাৰ্যত reckless অৰ্থাৎ "বে-পৰোৱা" দেখা গৈছিল। এই বিবাহ যোৰহাটত সম্পাদিত হয়। সেই বিয়ালৈ যাওঁতে বাটত দৰাঘৰীয়া আমাৰ যি ভয়ানক কষ্ট হৈছিল ; সেই কথা মোৰ এতিয়াও মনত আছে। শঙ্কৰ নামেৰে এটা মেতৰে তাৰ নিজা ব্যৱসায়ত ধন গোটাই ধন গোটাই ধনী হৈ তিনি চাৰিখন ঘোঁৰাৰ গাড়ী কৰিছিল। তাৰে দুখন কি তিনিখন গাড়ী আমি ভেৰোণীয়াকৈ লৈ শিৱসাগৰৰ পৰা যোৰহাটলৈ যাত্ৰা কৰিলোঁহক। যোৰহাট পাবলৈ পাঁচ ছয় মাইলমান বাট আছে, এনেতে আঠুঅনীয়া বোকাই আমাক আগচি ধৰিলে। যোৰহাটলৈকে সেই গোটেই-ডোখৰ বাটৰ তেনে ভযানক দশা ! কুৰুক্ষেত্ৰৰ যুদ্ধত কৰ্ণৰ ৰথৰ ঘিলা মাটিত পোত যোৱাৰ দৰে যোৰহটীয়া কন্যাঘৰৰ বিপক্ষে অভিযান কৰোঁতা আমি দৰাঘৰীয়া গাড়ীৰ চকাবোৰো ধুৰালৈকে পোত খাই গ'ল। ঘোঁৰাই "আৰু গাড়ী টানিব নোৱাৰোঁ" বুলি স্পষ্ট জবাব দি শুই পৰিল। অনতি বিলম্বে ঘোঁৰাৰ বাব পৰিল আমি মতাবোৰৰ গাত ; ঘোঁৰাৰ সলনি অগত্যা আমি গাড়ী টানিব আৰু ঠেলিবলগীযাত পৰিলোঁ। এচাবি যি কেইডাল গাড়োৱানৰ হাতত আছিল, সেই এটাই কেইডাল ঘোঁৰাৰ পিঠিত ছিঙি, বাটৰ কাষৰৰপৰা যি গছৰ আৰু যেনে জাতৰ গছৰ ডাল পোৱা গ'ল, তাকো সংগ্ৰহ কৰি আনি এচাৰিৰ গৰ্দি হয সকলৰ গ্ৰীৱাৰপৰা টিকালৈকে সেই যোৰ সংযোগ বিয়োগ কৰা হ'ল ; কিন্তু 'তেৰাসকল' শয়নৰপৰা অতি অনিচ্ছাপূৰ্বক উঠিল যদিও, কোনোমতেই 'তেৰাসকলে' ৰথ টানিবৰ ইচ্ছা প্ৰকাশ নকৰিলে। অগত্যা আমি একটিং ঘোঁৰাৰ কামত নিযুক্ত হৈ, গাড়ীৰ ভিতৰতে মহিলাসকলক এৰি আঁঠুৱনীয়া বোকাত নামি সেই বোজাই গাড়ী ঠেলিবলৈ ধৰিলোঁ। গাড়ী লাহে লাহে কইনা খোজেৰে যাবলৈ ধৰিলে, অৱশ্যে কান্ধত যুৱলি লৈ অনুগ্ৰহ কৈ থিয় হৈ থকা আচল "ঘোঁৰালোক"ৰ সহাযত নহয়, নকল ঘোঁৰা আমি 'আদমিলোক'ৰ ঠেলাতহে। আৰু কপালৰ কথা কি ক'ম, সেই ঠেলাৰ সুবিধাৰ ভাগ, গাড়ীৰফালে সত্য কথা এৰি দিয়া হয়গ্ৰীৱসকলেও গাড়ীৰে সৈতে সমানে লোৱাত অলপো ত্ৰুটি নকৰিছিল ; অৰ্থাৎ আমি গাড়ীৰে সৈতে ঘোঁৰাবোৰকো ঠেলি লৈ যাবলগীয়াত পৰিলোঁহক। যি হওক, সকলো কাৰ্যৰে এটা অন্ত আছে , আমাৰ ঘোঁৰাৰ "এক্‌টিনি" কামৰো অন্ত পৰিল , আমি আৰু ঘোঁৰা সেই অৱস্থাতে অৰ্থাৎ in harness যোৰহাট চহৰ ওলালোঁগৈ।

এই বিয়াৰ এবছৰমানৰ পিছতে আৰু এজন ককাইদেওৰ বিয়া হ'ল। এই বিয়াখন শিৱসাগৰৰ অৰ্জুনগুৰিত হৈছিল। এই বিয়াত পিতৃদেৱতাই ঘোৰ আপত্তি কৰিছিল ; কিন্তু দৰাক আৰু দৰাৰ ভায়েক এজনক হাত কৰি, ল'ৰাবোৰৰ ওপৰত নানা উপায়েৰে প্ৰভাৱ বিস্তাৰ কৰি প্ৰভাৱশীল হওঁতা আমাৰ টোল নিবাসী মানুহ এজনে কৌশল কৰি পিতৃদেৱতাৰ আপত্তি ব্যৰ্থ কৰি দিলে। কিন্তু যেতিয়া বিয়া হবইলগীয়া হ'ল, "নান্যঃ পন্থা বিদ্যতে," তেতিয়া পিতৃদেৱতাই নিজৰ পূৰ্ব অমত পৰিত্যাগ কৰি আনন্দমনেৰে সেই বিবাহ সুসম্পন্ন কৰিলে।

এইজনৰ পিছৰজন ককাইদেওৰ বিয়া হৈছিল "ৰোমাণ্টিক" ( romantic ) ধৰণৰ।

এই বিয়াৰ কল ভুকুটোতে পকোৱা হৈছিল। শিৱসাগৰত আমাৰ ঘৰৰ ওচৰতে দিখৌ নৈৰ পাৰত এজনা ভদ্ৰলোক আছিল। তেওঁৰ জীয়েকেৰে সৈতে এজনৰ বিয়াৰ ঠিক হৈছিল। দূৰণীবটীয়া দৰা, অন্ততঃ বিযাৰ দিনা পুৱা শিৱসাগৰ পাবৰহি কথা আছিল। কিন্তু পুৱা প্ৰায় দহ বাজিল, তথাপি দৰা আহি পোৱাৰ কোনো উমঘামেই নাই। কন্যাৰ বাপেক লৰুৱাই বাটৰ অনেক দূৰলৈকে মানুহ পঠিযালে, কিন্তু দৰা অহাৰ কোনো লক্ষণকে দেখা নগ'ল। গতি বিষম যেন দেখি তেওঁ লৰি ফোপাই-জোপাই আহি, পিতৃদেৱতাক ধৰিলে যে তেওঁ ঠিক কৰা দৰা অহাৰ কোনো আগন্তুক নাই, অথচ তেওঁ সেইদিনা বিযা পাতি বহি আছে ; তেওঁৰ ছোৱালীৰ বিষা নহলে তেওঁ বিপাঙে মৰিব ; এতেকে পিতৃদেৱতাই সেই ছোৱালী অমুক যোপালৈ বিয়া কৰাব লাগে। ব্ৰাহ্মণৰ বিপদৰ কথা হৃদযঙ্গম কৰি দেউতাব মন কুমলিল ; তেওঁ সেইজন পুতেকক মতাই আনি ব্ৰাহ্মণৰ উপস্থিত বিপদৰ কাহিনী বিবৃত কৰি, বিযা কৰিববলৈ ৰাজী আছে নে নাই সুধিলে। কন্যাটি সুন্দৰী। আমাৰ ঘৰলৈ সেই কন্যাৰ সততে গতিবিধি আছিল। সেইদেখি "গৰু-হাজিৰ" হৈ বৰখাস্ত হোৱা দৰাব ঠাইত হাজিৰ হৈ "বাহাল" হবলৈ আমাৰ ককাইদেওজনৰ একনিষ্ঠামানো আপত্তি নহ'ল, আৰু আমাৰ ঘৰৰো আন সকলোৱে সেই শুভকাৰ্যৰ সমৰ্থন কৰি আনন্দ প্ৰকাশ কৰিলে। ফলত সেইদিনাই সেই বিবাহ নিৰ্বাহ কৰি, ৰংমনেৰে সুন্দৰী বোৱাক পিছদিনা পুৱা আমাৰ ঘৰলৈ অনা হ'ল। মোৰ ওপৰতে যিজন সেইজন ককাইদেওৰ বিয়া হয় "আসাম বুৰঞ্জী" লেখক সুবিখ্যাত কাশীনাথ তামুলী ফুকনৰ জ্যেষ্ঠ পুত্ৰ কমলানাথ ফুকনৰ জীয়েকৰ সৈতে। কমলানাথ ফুকনৰ কথা আগেযে ওপৰৰ এঠাইত কৈ আহিছোঁ। এই জীযেকৰ বিয়াৰ সময়ত ফুকন জীৱিত নাছিল। ফুকনৰ মৃত্যুৰ পিছত তেওঁৰ ল'ৰা-ছোৱালীকেইটিক ভাযেকে শিৱসাগৰলৈ আনি নিজৰ আশ্ৰযত ৰাখিছিল। এই বিয়াত মই দুঘোঁৰ প্ৰতিবাদ কৰিছিলোঁ। প্ৰতিবাদৰ কাৰণ, —ককাইদেওজনৰ তেতিয়াও স্কুলত পাঠ্যাৱস্থা। কিন্তু মোৰ আপত্তি নিটিকিল। আৰু নিটিকিবৰ কথাও, কাৰণ নগণ্য ল'ৰা এটাৰ নগণ্য আপত্তিলৈ কোনে কাণ দিয়ে ? সি ফুটুকাৰ ফেনসোপা হৈ ৰ'ল। তাৰ উপৰি ককাইদেওজন অতি সৰল প্ৰকৃতিৰ মানুহ আছিল। মই তেওঁক বুজাই বৰাই বিয়া নকৰাবলৈ যিমান টান কৰিছিলোঁ, সেইফেৰা ডাঙৰসকলৰ হেঁচাত ভাগি চুৰ্মাৰ হ'ল। এতেকে বিয়া সম্পাদিত হ'ল ; সকলোৱে ভোজ-ভাত খাই আনন্দ কৰিলে ; কিন্তু ককাইদেওজনৰ ছাত্ৰজীৱনৰ তেতিয়াৰেপৰা ওৰ পৰিল।

পাঠ্যাৱস্থা-ফাঠ্যাৱস্থা কোনে মানে ? ইযাৰ পিছত, পৰাহেঁতেন মোৰ বিয়া পাতি পেলালেহেঁতেন। কিন্তু ওপৰত কোৱা ককাইদেওৰ বিয়াত মোৰ তুমুল অথচ নিষ্ফল সংগ্ৰাম দেখি, মোক যে ডবুৱা কটাৰীৰে সতকাই কাটিব নোৱাৰা টান তামোল সেইটো সকলোৱে হৃদয়ঙ্গম কৰিছিল। সেইদেখি আগৰ মোৰ মাটিমহীয়া মাৰ দেখি পিছত মোৰ বিয়া পাতিবৰ অভিলাষ পোষণ কৰোঁতা তিলবোৰে বেঁত মেলিয়েই ৰ'ল।

আগেয়ে কৈছোঁ যে যোৰহাটৰ ওচৰৰ চাওধাত মৌজা আমাৰ লগুৱাৰ বৰভ'ৰাল

আছিল। মনপুৰ নামেৰে আমাৰ এটা লগুৱা আছিল, তাৰো ঘৰ চাওখাততে। আমাৰ ঘৰত চাকৰি কৰোঁতে কৰোঁতে তাৰ বয়স ভাটী দিলে, তথাপি তাৰ বিয়া নহয়। বিয়া হয়নো কেনেকৈ? তাৰ বিষালৈ তিনি কুৰিমান ৰূপৰ দৰকাৰ। সি খাই বৈ পায় দৰমহা তিনি টকা। মাহে মাহে সি দৰমহা নলৈ, তাৰ বিয়ালৈ বুলি দৰমহাৰ ধনখিনি দেউতাৰ হাতত গোট খুৱাই থয়। ছমাহমানৰ দৰমহা গোট খালেই, তাৰ ককায়েক ঘিণ আহি ঘপহ্ কৰে ওলাই, তাৰ ওপৰত চিলনী থাপ মাৰে। মাটিৰ চৰকাৰী খাজনা দিবলৈ বা আন কোনো জৰুৰী টকা আনে বুলি ঘিণে মনপুৰক বুজাই, তাৰ দৰমহাৰ ধনখিনি লৈ গুচি যায়; আৰু সিফালে মনপুৰলৈ ধৰি ঠিক কৰি থোৱা ছোৱালী টকাৰ অভাৱত হাতৰপৰা পিছলি পৰে। এইদৰে তালৈ ঠিক কৰা ছোৱালী যে কেইজনী পুৰলৈক গ'ল তাৰ ঠিক নাই! অদৃষ্টৰ এনে পৰিহাস দেখি মনপুৰে শেষত আৰু বিয়া নকৰাওঁ বুলি কবলৈ ধৰিলে। তাৰ বিয়াৰ কথা ওলালেই সি কয়, "আমাক ছোৱালী নেলা।" "নেলাগে" শব্দটো তাৰ মুখৰপৰা খ'ৰা হৈ "নেলা" হৈ ওলাইছিল। তাৰ "নেলা" শুনি হাঁহিবলৈকে আমি মাজে মাজে তাক তাৰ বিয়াৰ কথা সুধিছিলোঁ। কিন্তু বেচেৰাৰ নৈৰাশৰ গভীৰতাৰ অনুভৱ আমি কৰিব পাৰিছিলোঁনে? যি হওক, প্ৰজাপতিৰ নিৰ্বন্ধ • এবাৰ কিবা স্বৰূপে মনপুৰৰ বিয়া সংঘটিত হ'ল; আৰু বিয়াৰ পিছত সি তাৰ ককায়েকক তাৰ কামত বদলি দি বিষয়-সুখ-সম্ভোগৰ নিমিত্তে, নিজৰ ঘৰলৈ গ'ল। কিন্তু বোলে "আইৰ ঘৰলৈ যাম দুইহাতে খাম", —বিধাতাৰ ইচ্ছাত তাৰ সেই সুখ-সম্ভোগ দীৰ্ঘকাল স্থায়ী নহ'ল; বিয়াৰ এবছৰ কি দুবছৰৰ পিছতে মনপুৰৰ মৃত্যু হ'ল।

বৃটিছ গৱৰ্ণমেণ্টে অসমত ভদ্ৰলোকসকলৰ বন্দী-বেটীবোৰক মুক্তি দিয়াত পোন্ধৰ অনা বন্দী-বেটীয়ে সেই সুবিধা লৈ ওলাই স্বাধীনতাৱলম্বন কৰিলে; যি এক অনাই পুৰণি প্ৰভুৰ পুৰণি মায়া মমতাৰ ডোল কাটি নগ'ল বা যাব নোৱাৰিলে, সেই এক অনাৰ ভিতৰত আমাৰ ঘৰত এঘৰ আছিল—গিৰিয়েকৰ নাম মথন, ঘৈণীয়েকৰ নাম ঘিণলাগী। সিহঁত ছজনী জীয়েকেৰে সৈতে এঘৰ ডাঙৰ গৃহস্থ। মথনক আমি ল'ৰা তৰপে মথন বুলি নাম কাঢ়ি নামাতি "মথন ঘৰাগিৰি" বুলিছিলোঁ আৰু ঘিণলাগীক "ঘিণলাগী বাই" বুলিছিলোঁ। সিহঁতৰ ডাঙৰজনী ছোৱালীৰ নাম আহিনী আছিল। এই আহিনীয়েই মোৰ মাতৃদেৱীৰ লগত বিদেশত ফুৰি, মোক কোলাত লৈ আলপৈচান ধৰি ডাঙৰ-দীঘল কৰিছিল। আমি শিৱসাগৰলৈ উভতি অহাৰ কিছুদিনৰ পিছতে আহিনীক মাকে বিয়া দি উলিয়াই দিলে। তাইৰ ভনীয়েকবোৰকো এজনীৰ পিছত এজনীকৈ বিয়া দি উলিয়াই দিয়া হ'ল। মথনৰ মৃত্যু আমাৰ ঘৰতে হয় আৰু ঘিণলাগীয়েও আমাৰ ঘৰতে চিৰকাল থাকি জীৱন কটায়। শিৱসাগৰত "ঘিণলাগী বাই" প্ৰখ্যাত বেজিনী (midwife) হৈ পৰিছিল। সেই কাৰ্যৰ নিমিত্তে সকলো ভদ্ৰলোকৰ ঘৰত ঘিণলাগী নহ'লে নচলিছিল। বাস্তৱিকতে সপৰিবাৰে ঘিণলাগী আমাৰ ঘৰৰ এক অচ্ছেদ্য অঙ্গবিশেষ হৈ পৰিছিল আৰু আমাৰ ভিতৰত বন্দী-বেটীৰ

ভাৰতকৈ বন্ধুতাৰ ভাবহে প্ৰবল আছিল। পিতৃদেৱতা আৰু মাতৃদেৱীয়ে ঘিণলাগীক লগত লৈ জগন্নাথ, মথুৰা, বৃন্দাবন আদি তীৰ্থ কৰাই আনিছিল।

পিতৃদেৱতাৰ পুতেকহঁতক বেজবৰুৱা বংশৰ প্ৰধান বিদ্যা আয়ুৰ্বেদ শাস্ত্ৰত পাৰদৰ্শী কৰিবলৈ অহোপুৰুষাৰ্থ কৰি বিফল-মনোৰথ হৈছিল—ঘাইকৈ মোক। বান্দৰে মুকুতা-মালাৰ মোল নুবুজাৰ দৰে সেই কালত মই তাৰ মোল নুবুজি অৱহেলা কৰিছিলোঁ। মোৰ মনত হৈছিল—"আচল বিদ্যাতো ইংৰাজী শাস্ত্ৰবিদ্যা; আৰু চিকিৎসাবিদ্যা শিকিব লাগে যদি পাশ্চাত্য এলোপাথিক ডাক্তৰী বিদ্যা। দেশীয় বেজৰ বিদ্যা বিদ্যাই নহয়। দেশীয় বেজালী বিদ্যা ঊনবিংশ শতাব্দীত বাতিল, অসাৰ্থক আৰু অলাগতীয়া।" এনে মূৰ্খামিৰ ভাবেৰে পৰিপূৰ্ণ হৈ মই ওচৰ নাচাপিছিলোঁ। এইবাবে এতিয়া মোৰ মনত এনে অনুতাপ হয়, তাক ঈশ্বৰে জানে আৰু মই জানোঁ। কি সুবিধাকে মই হেলাতে হেৰুৱাইছিলোঁ। কি বস্তুকে মই বুটলি নলৈ ভৰিৰে ঠেলি পেলাইছিলোঁ। দেউতা ৰজাঘৰীয়া বেজ। অসমৰ শেষ ৰজা পুৰন্দৰসিংহই পিতৃদেৱতাক ৰাজসভাত ৰীতিমতে বৈদ্যশাস্ত্ৰত পৰীক্ষা কৰাই, ৰজাঘৰীয়া বেজৰ পদপ্ৰাৰ্থী-সকলৰ ভিতৰত শ্ৰেষ্ঠ স্থান দি, নিয়মমতে কামাখ্যাৰ মন্দিৰত শপত খুৱাই লৈ নিজৰ বেজবৰুৱা পাতিছিল। এনেজনৰপৰা আয়ুৰ্বেদ শাস্ত্ৰ শিকিবলৈ সুবিধা পাই তাক অৱহেলা কৰিছিলোঁ মই—ইংৰাজী-সভ্যতাৰ জকমকীয়া মোহত পৰি!* পিতৃদেৱতাই তেওঁৰ ৰচিত বংশাৱলী গ্ৰন্থত লেখিছে—

মহাৰাজ পুৰন্দৰসিংহ নৃপমণি।
ঈশ্বৰ-ইচ্ছায়ে পাইলে ইটো ৰাজ্যখনি॥
পঞ্চ তীৰ্থ মধ্যে তাক সাক্ষাত কৰন্তে।
তাহান প্ৰসন্ন দৃষ্টি মোত পৰিলন্তে॥
মোৰ ইষ্টদেৱ গুৰু-প্ৰসাদত তৈতি।
বেজৰ বৰুৱা মোক ইটো স্থানে পাতি॥
সঙ্গে আনি বৰ সমাদৰত ৰাখিয়া।
মান্য যশ বিভূতিক দিলে সমৰ্পিয়া॥
বিশেষত মোৰ জ্যেষ্ঠ মই ব্যতিৰেকে।
কাহাৰো ঔষধ ৰাজা নাখায় সম্যকে॥

*"In man's history there come ages of fireworks which dazzle us by their force and movement. They laugh not only at our modest household lamps but also at the eternal stars. But let us not for that Provocation be precipitate in our desire to dismiss our lamps. Let us patiently bear our present insult and realize that these fireworks have splendour but not permanence, because of the extreme explosiveness which is the cause of their power, and also of their exhaustion. They are spending a fatal quantity of energy and substance compared to their gain and production." —Nationalism, by Sir Rabindranath Tagore.

তাহান কৃপাত তান দৰ্বাৰত ৰই।
ফৌজদাৰী চিৰস্তাৰ অধিপতি হুই॥
থাকন্তে ৰাজ্যৰ চ্যুত ভৈলেক ৰাজাৰ।
কোম্পানীৰ হস্তগত জানিবা সুসাৰ॥

মনত আছে, একো একোজনা পিতৃদেৱতাই মোক বলেৰে ধৰি আনি বৈদ্যশাস্ত্ৰ "ভাব-প্ৰকাশ" পুথি মেলি মোৰ আগত দি, মোক পঢ়াবলৈ ওচৰতে বহি অনৰ্গল তাৰ শ্লোকবোৰ মুখস্থ মাতি ব্যাখ্যা কৰি মোক শুনাই গৈছিল। কিন্তু মোৰ মন-বিযাগোম ক'ত উৰি ফুৰিছিল, তাক তেওঁ নাজানিছিল। ভাৱ-প্ৰকাশৰ—

পঞ্চাভিভুতস্বথ পঞ্চকৃত্বা
পঞ্চেন্দ্ৰিয়ং পঞ্চসু ভাৱয়িত্বা
পঞ্চত্বমাযাতি বিনাশকালে॥

এই শ্লোকৰ দাৰ্শনিক ব্যাখ্যা কৰি পিতৃদেৱতাই মোক পঢ়ায আৰু সেই শ্লোক আৰু তাৰ ব্যাখ্যাই মোৰ মনত পঞ্চত্ব লভি তেতিযাই বিনাশপ্ৰাপ্ত হয়। মোৰ আনবোৰ অগ্ৰজো যে বৈদ্যশাস্ত্ৰ-শিক্ষাৰ প্ৰতি মোতকৈ বেছি আগ্ৰহান্বিত আছিল, এনে বুলিব নোৱাৰোঁ; তথাপি তেওঁলোক যে মোৰ সমান হতভগীযা আছিল এনে নহয, তেওঁলোকে কিছুদূৰ পঢ়িছিল আৰু চিকিৎসা কৰিবলৈ কিছুদূৰ শিকিছিল। তেওঁলোকৰ ভিতৰত ব্ৰজনাথ আৰু দুজন-এজন একপ্ৰকাৰ ভাল চিকিৎসকেই হৈ উঠিছিল। কিন্তু ৰীতিমতে শাস্ত্ৰ পঢ়ি শাস্ত্ৰ-বিদ্যাত বিশাৰদ হোৱাটো তেওঁলোকৰ অদৃষ্টতো ঘটিছিল বুলি কব নোৱাৰোঁ। পুতেকহঁতৰ গঢ়গতি দেখি হতাশ হৈ এদিন পিতৃদেৱতাই আমাক ক'লে—"বাৰু, অকল ইংৰাজীকে পঢ়ি তহঁত যি হব খুজিছ হ, মই আৰু তহঁতক একো নকওঁ; কিন্তু মই মোৰ ল'ৰা এটাক মোৰ মনৰ মতেৰে আমাৰ পুৰণি বৈদ্যশাস্ত্ৰ পঢ়াই শিকাই-বুজাই লবলৈ থিৰ কৰিছোঁ; তাক আৰু ইংৰাজী পঢ়িবলৈ নিদিওঁ। লক্ষ্মণকে মই মোৰ মনৰ মতেৰে শিক্ষা দিম।"

লক্ষ্মণ মোৰ পিছৰে মোৰ সৰু ভাই। দেউতাই তাক ইংৰাজী স্কুলৰপৰা নাম কটাই আনি ৰীতিমতে বৈদ্যশাস্ত্ৰ পঢ়াবলৈ ধৰিলে। এই কাৰ্য দেখি আমি "ইংৰাজী-ৱালা পণ্ডিতবোৰে" ভাবিলোঁ, লক্ষ্মণৰ ইহকাল-পৰকাল গ'ল। কিন্তু বাস্তৱিকতে লক্ষ্মণে দুই-চাৰি বছৰৰ ভিতৰতে আয়ুৰ্বেদীয় চিকিৎসা-বিদ্যাত বেছ পাৰদৰ্শিতা লাভ কৰিলে। "মানুহে পাতে, ঈশ্বৰে ভাঙে" বুলি কয়। ঈশ্বৰৰ ইচ্ছা নহয় হবলা যে অসমৰ পুৰণি কালৰেপৰা প্ৰসিদ্ধভাৱে চলি অহা আয়ুৰ্বেদ-বিদ্যাৰ প্ৰৱাহ থাকে; সেই দেখি পিতৃ-দেৱতাৰ আশা ভঙ্গ কৰি ঈশ্বৰে লক্ষ্মণক মাতৃদেৱীৰ সৈতে লগত লৈ গঙ্গাস্নান কৰিবলৈ কলিকতালৈ আহিছিল। মই তেতিয়া কলিকতাত প্ৰেছিডেন্সি কলেজত এম-এ পঢ়িছিলোঁ। পিতৃদেৱতাৰ নিমিত্তে মেডিকেল কলেজ ষ্ট্ৰীটত সুকীয়াকৈ এটা ঘৰ কেৰেয়া কৰি তাতে তেওঁলোকক থাকিবৰ দিহা কৰি দিলোঁ। কলিকতা পোৱাৰ পিছদিনাই লক্ষ্মণৰ বিসূচিকা ৰোগ হৈ সেই ৰোগতে একেদিনৰ ভিতৰতে

১৮৯১ খ্রীষ্টাব্দৰ ৭ ফেব্রুৱাৰীত সি প্ৰাণত্যাগ কৰে। পিতৃদেৱতাৰ মূৰত হঠাৎ আকাশী চৰগ ভাগি পৰিল। কিন্তু এনে বিপদতো তেওঁৰ প্ৰশান্ত মূৰ্ত্তি আৰু ধৈৰ্য দেখি সকলোৱে আচৰিত মানিছিল। তেওঁ মাথোন এষাৰ কথা কৈছিল—"ঈশ্বৰৰ ইচ্ছা নহয় যে আসামত আমাৰ ঘৰত বংশানুক্ৰমে চলি অহা বেজৰ বিদ্যা থাকে।" মোৰ মনত আছে শ্ৰীযুত গঙ্গাগোবিন্দ ফুকন ডাঙৰীয়া তেতিয়া কলিকতাতে আছিল। লক্ষ্মণৰ মৃত্যুৰ সময়ত তেৰো কাষতে বহি আছিল। এই মৃত্যুত তেওঁ অন্তৰত ইমান আঘাত পাইছিল যে শোকৰ বেগ সামৰিব নোৱাৰি হুক্ হুক্ কৰে কান্দিবলৈ ধৰিলে। আমি চাৰিজনে লক্ষ্মণৰ মৃতদেহ কান্ধত লৈ গঙ্গাৰ ঘাট নিমতলাত পুৰিবলৈ লৈ গলো। পিতৃদেৱতাই কীৰ্ত্তন-ঘোষাৰপৰা "জয় হৰিৰ জয় ৰাম" এই যাত্ৰা-ঘোষা ধৰি, "গোপৰূপে নন্দৰ তনয়। শুভক্ষণে কৰিলা বিজয়" পদ দি লগে লগে গ'ল আমি ঘোষা গাই গাই শ্মশান পাই, যথাবিধি শৰৰ সৎকাৰ কৰিলো।

পিতৃদেৱতাৰ এটা ঔষধালয় আছিল। তাত তেওঁ আয়ুৰ্বেদোক্ত ঔষধ প্ৰস্তুত কৰিছিল। দৰবৰ উপাদানবোৰ খুন্দা, বটা, বৰি পকোৱা, জাৰোণ পোৱা, দৰবত ভাৱনা দিয়া ইত্যাদি কৰিবলৈ দৰ্মহা দি মানুহ ৰখা হৈছিল। সেই মানুহৰ ভিতৰত ৰাজকুমাৰ নামেৰে এটা বঙ্গালী মানুহ আছিল। সি প্ৰায় পাঁচ-ছবছৰ দেউতাৰ লগত থাকি সেই কাম কৰি, practical knowledge অৰ্থাৎ হাতে-কলমে হোৱা অভিজ্ঞতা লাভ, ডাক্তৰখানা বা আস্পাতালৰ কম্পাউণ্ডাৰ বা দেৱেচীয়ে চাকৰিৰ পৰা অৱসৰ লৈ, "গায়নৰ ঘৰৰ বোন্দাইও ৰাগ দিয়ে" এই বাক্যৰ সাৰ্থকতা প্ৰমাণ কৰি, ডাক্তাৰী কৰা দি, তাৰ দেশলৈ উভতি গৈ "৺ৰাজকুমাৰ শীল কবিৰাজ" উপাধি লৈ কবিৰাজী কৰি সুখেৰে জীৱিকা নিৰ্বাহ কৰিছিল।

দেউতাই যদিও তেওঁৰ ঔষধালয় ব্যৱসায় হিচাপত চলাবলৈ গৈছিল, তথাপি তেওঁৰ দৰব আৰু চিকিৎসাৰ চাৰি ভাগৰ তিনি ভাগ বন্ধু-বান্ধৱ, চিনাকি মানুহ আৰু খোজনিয়াৰ মগনিয়াৰৰ ভিতৰত "বিনামূল্যে বিতৰিত" শ্ৰেণীভুক্ত হৈ তেওঁৰ ব্যৱসায়ক অনেক দূৰ অব্যৱসায় কৰি তুলিছিল। তথাপি মুঠতে, তেওঁৰ দৰবৰ ব্যৱসায়ৰপৰা আয় যে নহৈছিল, এনেও নহয়।

দেউতাই শিৱসাগৰলৈ আহিয়েই তেওঁৰ ঘৰৰ বাট-চ'ৰাৰ ওচৰতে এডোখৰ মাটিত এটা ডাঙৰ ৰাজহুৱা নামঘৰ সজাই তাত ৰাজহুৱা সবাহ, পূজা ইত্যাদি কৰাবৰ দিহা কৰিছিল; কি অদম্য উৎসাহেৰে দেউতাই সেই ৰাজহুৱা কাৰ্যবোৰত যোগ দি সেইবোৰ সুসম্পন্ন কৰাইছিল, দেখি আচৰিত মানিবলগীয়া। বৃদ্ধ তেওঁৰ উৎসাহ আৰু কাৰ্যকৰী শক্তিৰ "জোৰৰ আগত বাতিৰ পোহৰ"ৰ দৰে হৈ পৰিছিল।

দলাদলি নামৰ এটা ডাঙৰ দৈত্যই অতীজৰেপৰা ভাৰতবৰ্ষক ভৰিৰে দলি আহিব লাগিছে। তাৰ গছকত ভাৰতবাসীয়ে মিলি-জুলি শক্তিমন্ত হৈ কোনো ভাল কামকে কৰিব নোৱাৰে। সেইবাবেই যাইকৈ, ভাৰত আজি শ শ বছৰ ব্যাপি পৰৰ গোলাম। বুজন-নিৰ্গত ভাৰতবাসীৰ যে এই কথাৰ ভু নাই এনে নহয়; কিন্তু ভাৰতে দৈত্যটোৰ

প্ৰচণ্ড মূৰ্ত্তি দেখিয়েই, আপোনাৰ সম্মিলিত শক্তিৰ মহিমা পাহৰি ভয়ত জড়ভৰত হৈ পৰে। বাস্তৱিকতে এই দৈত্য দিতিৰ পুত্ৰ নহয়, ভাৰতবাসীৰ মানস-পুত্ৰহে। ভাৰত-বাসীক "বনৰ বাঘে খোৱা নাই, মনৰ বাঘেহে খাই মাৰিছে।" যিদিনাই ভাৰতবাসীয়ে এই মায়াপী মনৰ বাঘটো বধিব পাৰিব সেই দিনাৰপৰাই ভাৰতবাসীৰ সুদিন উভতি আহিব। যি হওক, শিৱসাগৰৰ সেই ৰাজহুৱা নামঘৰলৈও কিছুদিনৰ পিছত দলাদলিৰ সূত্ৰপাত হ'ল। তথাপি দেউতা যিমান দিন জীযাই আছিল, তেওঁ অকলে এশ হৈ সেই নামঘৰ ৰক্ষা কৰি তাৰ কাৰ্য সুচাৰুৰূপে চলাই আছিল।

সম্ভৱতঃ বৰপেটাৰ তিথিৰাম বায়নৰ বঙ্গলা যাত্ৰাগানৰ "পালা" দেখি, শিৱসাগৰৰ অসমীয়া ভদ্ৰলোকসকলৰ ভিতৰত বঙ্গলা যাত্ৰাগান কৰিবৰ ধুম উঠিল। ফুকন মুক্তানাথ খাজাঞ্চী ভিনীহিদেওৰ নেতৃত্বত আৰু দুই-চাৰিজন বঙ্গালীৰ সাহায্যত ৰাধাৰ মানভঞ্জনৰ "পালাৰ" আখৰা চলিবলৈ ধৰিলে। গানৰ উছাহৰ ঢৌৱে শিৱসাগৰত দলুদোপু হেন্দোলুদোপু লগাই দিলে। কিছুমান অসমীয়া ল'ৰাক "গানৰ ছোকোৰা" কৰা হ'ল আৰু দুই-চাৰিজন অসমীয়া আদহীয়া ভদ্ৰলোকে দুই-এজন বঙ্গালী ভদ্ৰলোকেৰে সৈতে হাতত বেহেলা লৈ "ওস্তাদ" হৈ উঠিল। অসমীয়া ল'ৰাই—"দেখে যা গো চন্দ্ৰাৱলী, কোঞ্জ (কুঞ্জে) দুৱাৰে (দ্বাৰে) বনমাল"—বুলি ক'কাল ঘূৰাই যেতিয়া গানৰ সভাত নাচিবলৈ ধৰিলে, অসমীয়া দৰ্শকৰ আনন্দৰ পাৰ নোহোৱা হ'ল। বছৰচেৰেক এই গানৰ ঢৌৱে শিৱসাগৰ, যোৰহাট আৰু গোলাঘাটক কোবাই, তাৰ সৰু হেন্দোলনিবোৰ দূৰৰ চাহ-বাগিচাবোৰৰ বৰমহৰী, সৰুমহৰী, হাজিৰা মহৰী, পাত-মহৰীৰ মাজলৈ সুমাই দি আৰু ওচৰৰ নদীযাল, বুত্তিয়ালৰ ভিতৰৰ ডেকা ল'ৰাবোৰৰ গাত থলক লগাই, সেইবোৰৰ ভিতৰত ক্ষুদ্ৰ ক্ষুদ্ৰ গানৰ পালা একোটা সৃষ্টি কৰি দি বঙ্গলা গানৰ অসমীয়া শৰাধ কৰাই আপোনা-আপুনি মাৰ গ'ল। ওপৰত কোৱা হেন্দোলনিৰ ফলত বঙ্গলা যাত্ৰাগানৰ অনুৰাগী হোৱাসকলৰ গানৰ এফাকি-দুফাকি এতিয়াও মোৰ মনত আছে ; যেনে—

(১) ওৰে গা—ভীসৰ !
কৰে হাম্বা—আ-ৰব,
দেখ গা—ভী—ই স—অ—ৰ।

(২) ঐ দেখ বকোলেৰ (বকুলেৰ) মূলে।
সন্দ্ৰোদয় (চন্দ্ৰোদয়) কি ভো—ও—তলে (ভূতলে)।

(৩ ৰাধাৰোমণ (ৰাধাৰমণ) হে বোল বোল (বল বল) বিৱৰণ।
কাৰ কোঞ্জে (কুঞ্জে) চুখ (সুখ) ভোজে (ভুঞ্জে)
নিচি (নিশি) কৈলে জাগৰণ ॥

ভাদ মাহত শ্ৰীশঙ্কৰদেৱৰ আৰু বদুলা আতাৰ তিথি হয়। এই তিনি তিথিক "ভাদৰ তিনি কীৰ্ত্তনো" বোলে। আমাৰ ঘৰত এই তিনি কীৰ্ত্তন দিনে-ৰাতিয়ে তিনি দিন ব্যাপি মহাসমাৰোহেৰে কৰা হৈছিল। তিথিৰ দহ-বাৰ দিনৰ আগৰেপৰা উছাহত

আমাৰ তৎ নাথাকে। তিথিৰ থাপনিৰ দিনাৰেপৰা নাম-প্ৰসঙ্গত থাপনাৰ আগত শৰাইত দিবলৈ কল বিচাৰি শিৱসাগৰৰ মানুহৰ কলবাৰী চলথ কৰি ফুৰোঁহক আৰু থোকা-থোকে কেঁচা কল কাটি আনি জাগ দি পকাবৰ দিহা কৰোঁহক। গাজিপ্ৰসাদৰ শৰাইৰপৰা আৰম্ভ কৰি আঠ-দহখন শৰাই মাহ-চাউল-কলেৰে কেনেকৈ উপচি পৰিব, এইটো আমাৰ মহা ভাবনাৰ বিষয় হৈ পৰে। আমাৰ ঘৰতে তিনি-চাৰিযোৰ ভোৰ্তাল, তথাপি আৰু পাঁচ ছযোৰ ভোৰ্তাল আমি গণকপটিৰপৰা গোটাই আনি বজাই নাম-প্ৰসঙ্গৰ ধ্বনিৰে গোটেইখন চহৰ থলক লগাই দিওঁহক। তিথিৰ দিনা ৰাতিয়ে-দিনে গীত, ভটিমা, নাম-প্ৰসঙ্গ অখণ্ডভাৱে চলে। পিছদিনা অৰ্থাৎ তৃতীয় দিনা, যাত্ৰা-ঘোষা আৰু তাৰ অন্তত চৰিত্ৰ তোলা হৈছে তিথি-মহোৎসৱৰ ওৰ পৰে। চৰিত্ৰ তোলা মানে শ্ৰীশঙ্কৰদেৱৰ তিথিত শ্ৰীশঙ্কৰদেৱ, শ্ৰীমাধৱদেৱ আৰু বদুলা আতাৰ তিথিত মাধৱদেৱ আৰু বদুলা আতাৰ আবিৰ্ভাৱৰ আগৰেপৰা তিৰোভাৱলৈকে গোটেইবোৰ ঘটনা মালিনীয়ে ফুলৰ মালা গঁথাদি গাঁথি সূক্ষ্মাতিসূক্ষ্মৰূপে বৰ্ণনা কৰি যোৱা হয়। পুথি চাই নহয়, নিজৰ মনৰপৰা সুঁৱৰি। আমাৰ ঘৰৰ তিথিত এই চৰিত্ৰ তোলা কাৰ্য পিতৃদেৱতাই নিজে কৰিছিল আৰু আমি সকলোৱে অতি সন্তৰ্পণে ভক্তিভাৱে শুনিছিলোঁ। দুইজন গুৰুৰ শিষ্য বাৰজন আতাৰ যেনে মথুৰদাস বা বুঢ়াআতা, বৰবিষ্ণু আতা, ভাতৌকুছি আতা ইত্যাদি ) তিথিও বছৰে বছৰে নিয়মমতে আমাৰ ঘৰত কৰা হৈছিল আৰু সেইসকলৰো চৰিত্ৰ তুলি তিথিৰ সামৰণি মৰা হৈছিল। পুথি চাই বা পঢ়ি চৰিত্ৰ তোলাৰ নিয়ম নাই। বেদ বা শ্ৰুতি যেনেকৈ আগৰ কালত লিখিত হোৱাটো অবিহিত কাৰ্য বিবেচিত হৈছিল, দুইজনা মহাপুৰুষৰ আৰু আতাসকলৰ চৰিত্ৰও তেনেকৈ লিখি ৰখাটো অবিহিত বিবেচিত হৈ সন্ত সাধুসকলৰ মুখে মুখে সেই চৰিত্ৰ প্ৰচলিত হৈ আহিছিল, নতুবা শ্ৰীশঙ্কৰদেৱ, শ্ৰীমাধৱদেৱ আৰু আতাসকলৰ জীৱনচৰিত্ৰৰ আটক আজিকালি যেনেকৈ অনুভৱ কৰা যায়, সেইটো নাথাকিলহেঁতেন। বৰপেটা, কমলাবাৰী আদি মহাপুৰুষীয়া সত্ৰবোৰত এতিয়াও এই ৰীতি প্ৰচলিত, আৰু তিথিৰ শেষদিন, চৰিত্ৰ তোলাত দুইজনা মহাপুৰুষৰ আৰু আতাসকলৰ জীৱনৰ ঘটনাবোৰ বিস্তাৰিতভাৱে বিবৃত হয়।

আমাৰ ঘৰত ফাকুৱা বছৰে বছৰে কৰা হৈছিল। এই ফাকুৱাত আমি ল'ৰাবোৰৰ ইমান উৎসাহ আছিল যে, কুলীয়ে বা চাকৰ-নাকৰে কৰিবলৈ অপেক্ষা নকৰি, ফাকুৱা-ঘৰৰ ( দৌলৰ ) পাঁচ-ছ হাত ওখ ভেটিটো আমি নিজে কোৰেৰে মাটি কাটি সেই মাটি বৈ আনি কৰি দিছিলোঁহক, ৰাজহুৱা নাম-ঘৰতো ফল্গুৎসৱ কৰা হৈছিল। যিদিনা খাটোলাত তুলি কৃষ্ণ-মূৰ্তিক ফুৰাবলৈ লৈ যোৱা হয়, সেইদিনা ইটোৱে সিটোৰ গাত ফাকু মৰা, চেৰেকাপানী মৰা, কুঙ্কুম মৰা, আৰু ঘাটৰ কাষৰৰ খাৱৈ বা বিল বা হোলাৰপৰা বোকা-পানী আনি ইটোৱে সিটোৰ গাত ঢলা-ঢলি কৰাৰ নিচিনা উৎকট ধেমালিত আমি বলীয়া হৈ ফুৰিছিলোঁহক। গণকপটিৰ ফাকুৱাৰ শোভাযাত্ৰা আমাৰ প্ৰতিদ্বন্দ্বী আছিল। দুই দলৰ ভেটাভেটিত দুই দলৰ ভিতৰত উতনুৱা ডেকাবোৰৰ ভিতৰত থকাথুন্দা লাগি মৰামৰি পৰ্যন্ত হোৱা দেখা গৈছিল।

ৰাস-পূজা আমাৰ ঘৰত হৈছিল; কিন্তু এৰা-ধৰাকৈ। কোনো বছৰ হৈছিল, কোনো বছৰ নহৈছিল। হোৱা বছৰৰ গুৰিত মই "খোদ"। মই মাটিৰ মূৰ্তি সজা বিদ্যাত মনে মনে পাকৈত হৈ পৰিছিলোঁ। প্ৰথমতে দেউতাই নেদেখাকৈ ধান খেৰৰ জুমুথি বান্ধি, কুমাৰ-মাটি আনি, ৰাধা-কৃষ্ণৰ মূৰ্তি সাজি, পিছত সেই মূৰ্তি সম্পূৰ্ণ হবৰ সময়ত দেউতাৰ চকুত পৰাকৈ থৈ দিছিলোঁ। কাৰণ প্ৰতিমা প্ৰস্তুত দেখিলেই দেউতাই অগত্যা পূজা পাতিবলৈ বাধ্য হব। এইখিনিতে অবান্তৰভাৱে লাহেকৈ কৈ থওঁ যে, সৰুতে মাটিৰ মূৰ্তি সাজিবলৈ শিকা বিদ্যাই বুঢ়া বয়সতো কাম দিছিল। সিদিনা মহাযুদ্ধৰ শান্তিপৰ্বৰ আৰম্ভণত (Peace celebration) সম্বলপুৰত নানাবিধ উৎসৱ আনন্দৰ দিহা কৰা হৈছিল। সম্বলপুৰৰ ডিপুটি কমিশ্যনাৰ মিষ্টাৰ ইংগোলছ (A L. Ingless) চাহাবে, কলিকতাৰ ৰয়েল থিয়েটৰত ডাক্তৰ ৰবীন্দ্ৰনাথ ঠাকুৰ-বিৰচিত বাল্মীকি-প্ৰতিভা নাটৰ ভাৱনাত মোৰ অভিনয়ৰ কথা কেনেবাকৈ আন যুৰোপীয়-সকলৰপৰা শুনিছিল। তেওঁ মোক ধৰকৈ ধৰিলে যেন সালপুৰৰ ভিক্টোৰিয়া মেম'ৰিয়েল হলত মই সেই বাল্মীকি-প্ৰতিভা ভাৱনা কৰোঁ। মই অগত্যা মোৰ ছোৱালী-তিনিজনী আৰু গৃহিণীৰে সৈতে আৰু লগত আন চাৰি-পাঁচজন ভদ্ৰলোকক লগত লৈ সেই ভাৱনা কৰিছিলোঁ। তালৈ কালীৰ প্ৰতিমা দৰকাৰ। সম্বলপুৰত সেই প্ৰতিমা দুৰ্লভ হোৱাত, মই দুদিনৰ ভিতৰতে নিজ হাতে মাটিৰ কালীমূৰ্তি সাজি লৈ সেই কাৰ্য সুন্দৰৰূপে সামধা কৰিলোঁ।

আপোনা-আপুনি চেষ্টা কৰি সৰুতে মই চিত্ৰ-বিদ্যাতো অলপ-অচৰপ জ্ঞান লভিছিলোঁ। অসমত কীৰ্তনঘৰ বা নামঘৰবোৰৰ বেৰ গোবৰ মাটিৰে বা শুদা বোকাৰে লেপা নিয়ম নাই। তাৰ ভকতীয়া ব্যাখ্যা এই—ইন্দ্ৰদ্যুম্ন ৰজাই হৰিকীৰ্তন শুনি থাকিবলৈ সহস্ৰ কাণ প্ৰাৰ্থনা কৰিছিল। তেওঁৰ প্ৰাৰ্থনা পূৰ্ণ কৰা হ'ল। তেওঁৰ সহস্ৰ কাণেই কীৰ্তনঘৰৰ বেৰৰ সহস্ৰ বিন্ধা। মোৰ মনেৰে নামঘৰৰ বাহিৰত বহা আৰু থকা মানুহৰ কাণতো যাতে নাম-কীৰ্তনৰ ধ্বনি আহি অবাধে পৰে, এই অভিপ্ৰায়েৰে মহাপুৰুষে এই ব্যৱস্থা কৰিছিল। শ্ৰীশঙ্কৰদেৱ ৰচিত বৰগীতত আছে,—

বলহু ৰাম-নামেসে মুকুতি নিদান।
বুলিতে এক, শুনিনে শত নিতৰে,
নাম-ধৰম বিপৰীত।

আমাৰ ঘৰৰ এনে কীৰ্তনঘৰৰ বেৰা এখনৰ এডোখৰত কুমাৰ-মাটি লেপি মই মনে মনে শ্ৰীকৃষ্ণলীলাৰ ছবি গোটাচেৰেক হেঙুল-হাইতালেৰে আঁকিছিলোঁ। কীৰ্তনঘৰৰ বেৰ লেপাৰ নিচিনা অবিধি কাৰ্য দেখিও, তাত কৃষ্ণমূৰ্তিবোৰ থকাৰ বাবে পিতৃদেৱতাই মোৰ দায় নধৰি, সেই মূৰ্তিবোৰ অনেক কাললৈকে ৰক্ষা কৰিছিল। দেউতাৰ মৃত্যুৰ পিছত কীৰ্তনঘৰৰ জীৰ্ণসংস্কাৰৰ সময়তহে সেই মূৰ্তিবোৰ বিলোপ হয়।

আজিকালিৰ কথা কব নোৱাৰোঁ, সেই কালত শিৱসাগৰৰ গণকপটিত নাম-কীৰ্তনৰ বৰ পযোভৰ আছিল। হৃদয়স্পৰ্শী সুললিত হৰিনামৰ নিমিত্তে গণকপটি সুবিখ্যাত

আছিল। শ্ৰীযুত হৰকান্ত নাজিৰ আৰু শ্ৰীযুত গোপীনাথ শৰ্মাৰ নেতৃত্বত গণকপটিৰ নাম-কীৰ্তনৰ দল আহি কোনো ৰাজহুৱা সবাহত যেতিয়া আমাৰ ৰাজহুৱা নামঘৰত হৰিনাম গাবলৈ আৰম্ভ কৰে, তেওঁলোকৰ সুশৃংখলিত আৰু সুললিত হৰিনাম কীৰ্তনৰ ধ্বনিত সকলো বিমুগ্ধ হয়। তেওঁলোকৰ সৰহ ভাগেই আউনীআটি আৰু দক্ষিণপাটৰ শিষ্য। কিন্তু দুই মহাপুৰুষৰ কীৰ্তনঘোষা আৰু নামঘোষাই তেওঁলোকৰ হৰি-কীৰ্তনৰ অক্ষয় ভাণ্ডাৰ। মহাপুৰুষ বিৰচিত নামঘোষা আৰু কীৰ্তনঘোষা বৰ্জন কৰি ওভোতা-সোঁত বোৱাবলৈ ওলোৱা আজিকালিৰ জনচেৰেক দৈৱজ্ঞ শ্ৰেণীৰ মানুহৰ নিচিনা সেই আগৰ তেওঁলোক নাছিল। কীৰ্তনঘোষাৰ পৰা ঘোষা আৰু পদ দি, ভক্তি গদ গদ কণ্ঠেৰে সুমধুৰে নাম-কীৰ্তন লগাই দিওঁতা শ্ৰীযুত হৰকান্ত নাজিৰ আৰু গোপীনাথ শৰ্মাই এই লেখকৰ অশেষ শ্ৰদ্ধা এনেকৈ আকৰ্ষণ কৰিছিল যে তাক পাহৰিব নোৱাৰো।

শিৱসাগৰ জিলাৰপৰা পোন্ধৰ মাইলমান দূৰত জৰাবাৰী সত্ৰ। জৰাবাৰী মহাপুৰুষীয়া সত্ৰ। তাৰ অধিকাৰজন উদাসীন, ডেকাজন বিষয়া। ডেকাজন সততে আহি আমাৰ ঘৰত থাকিছিল। আমাৰ মৰমৰ ডেকা কৰি শ্ৰীমান যতীন্দ্ৰনাথ দুৱৰাৰ পিতৃদেৱতা শ্ৰীযুত শ্যামসুন্দৰ দুৱৰাৰ ঘৰ তেওঁৰ কুটুম্ব-ঘৰ; আৰু আমাৰ ওচৰতে। তথাপি জৰাবাৰীৰ ডেকা গোসাঁয়ে দুৱৰা ডাঙৰীয়াৰ ঘৰত নাথাকি আমাৰ ঘৰত থাকিবলৈ ভাল পাইছিল। তেওঁ জাঁজীৰপৰা মহাজনীয়া ঘোঁৰা এটাত উঠি আহি গধূলি বেলিকা টকচ্ টকচ্ কৰে যিদিনা আমাৰ ঘৰত ওলায়হি, সেইদিনা আমাৰ মহা ৰং। ৰাতি তেওঁৰ ওচৰত বহি মই অনেক সাধুকথা শুনিছিলোঁ। মোৰ "সাধুকথাৰ কুঁকিত" থকা "ঘৰপতা ককা" আৰু "মূলা খোৱা বুঢ়া" তেওঁৰেপৰা মই শুনা সাধু। তেওঁৰ বৰপুতেক শ্ৰীযুত নিত্যানন্দ ডেকা গোসাঁই (যি আজিকালি জৰাবাৰী সত্ৰৰ অধিকাৰ) আমাৰ পুখুৰীপাৰৰ ঘৰতে থাকি, দেউতাৰ কাষত সংস্কৃত লেখা-পঢ়া শিকিছিল। নিত্যানন্দ ডেকা গোসাঁই মোৰ অতি মৰমৰ বন্ধু আছিল। আজি কত কাল যদিও মই তেওঁক দেখিবলৈ পোৱা নাই, তথাপি মোৰ সোঁৱৰণৰ সুমধুৰ চুক এটাত তেওঁ সদায় আছে।

পিতৃদেৱতাৰ সদায় এটা বৰ ইচ্ছা আছিল যে তেওঁ চৰকাৰী কামৰ পৰা অৱসৰ লৈ শিৱসাগৰত থাকি ধৰ্মশাস্ত্ৰালোচনা কৰি তেওঁৰ জীৱনৰ বাকীডোখৰ কাল কটায়। শিৱসাগৰলৈ আহিয়েই তেওঁ সেই ইচ্ছা কাৰ্যত পৰিণত কৰিলে; প্ৰথমডোখৰত তেওঁ আবেলি চাৰিমান বজাৰ পৰা আন সকলো কাৰ্য এৰি, চ'ৰাঘৰত বহি, অসমীয়া ৰামায়ণ, মহাভাৰত আদি পুৰাণ পুথি আনৰ হতুৱাই পঢ়াই শুনিছিল, আৰু মই আৰু মোৰ ককাইদেও শ্ৰীনাথ শ্ৰোতা শ্ৰেণীভুক্ত আছিলোঁ। ইয়াৰ পিছত পিতৃদেৱতাই নিজে সংস্কৃত বাৰস্কন্ধ ভাগৱত পাঠ আৰু ব্যাখ্যা কৰিবলৈ ধৰিলে আৰু আমিও স্কুলৰপৰা আহি গা-পা ধুই ওচৰতে বহি একান্তমনে আনন্দেৰে সেই ভাগৱত পাঠ আৰু ব্যাখ্যা শুনিবলৈ ধৰিলোঁ। চ'ৰাঘৰৰ মাজ ঠাইতে মাটি সাৰি-মচি এখন কাঠৰ

আসনৰ ওপৰত শ্ৰীমদ্ভাগৱত শাস্ত্ৰ ৰখা হৈছিল আৰু পিতৃদেৱতাই তাৰ সন্মুখতে বহি পঢ়ি ব্যাখ্যা কৰিছিল। শ্ৰোতাসকল তেওঁৰ তিনিওফালে বহিছিল। মই পৰাপক্ষত কেতিয়াও সেই শাস্ত্ৰ ব্যাখ্যা শুনাৰপৰা অনুপস্থিত নহৈছিলোঁ! শ্ৰোতাসকলৰ ভিতৰত এজন বৰ "মজাৰ" বুঢ়া বামুণ মানুহ আছিল, তেওঁৰ নাম বটু বাপু। বটু বাপুৰ ঘৰ অৰ্জুনগুৰিত। অৰ্জুনগুৰি আমাৰ ঘৰৰপৰা তিনি-চাৰি মাইলমান দূৰত। কি ৰ'দ, কি বৰষুণ, কি ধুমুহা-বতাহ, বা আন দুৰ্যোগ একোৱে বটু বাপুক ভাগৱত শুনিবলৈ অহাত বাধা দিব নোৱাৰিছিল। তেওঁ দিনৌ খোজ কাঢ়ি আহি ঠিক সময়ত উপস্থিত হৈছিলহি আৰু ৰাতি এন্ধাৰেই হওক বা পোহৰেই হওক, হাতত লাখুটি এডাল লৈ তাৰে খট্ খট্‌কৈ মাটি কোবাই গৈ গৈ তেওঁৰ ঘৰ পাইছিল। তেওঁ শ্ৰীনাথ ককাইদেওৰপৰা আষাৰচেৰেক ইংৰাজী কথা শিকি মুখস্থ কৰি ৰাখিছিল, যথা—"Well, my dear Sir, how do you do ? Quite well" তেওঁৰ মুখৰপৰা সেই কথা-কেইষাৰ এনে আকাৰ ধৰি ওলাইছিল—"ৱাল্, মাইডিযেৰ ছাৰ, হাভুইও ডু? কোটো-ৱাল।" তেওঁক বাটত 'কলৈ যায়' বুলি কোনোৱে সুধিলে, তেওঁ উত্তৰ দিছিল—"দীননাথ বেজবৰুৱাকা হাউছ, হিন্দু বাইবোল ছিয়েৰু আই গো।" এই কেইষাৰৰ বাহিৰে তেওঁ আন ইংৰাজী কথা একো নাজানিছিল। তেওঁ আহিয়েই আমাৰ ঘৰত এবাটি চাহ খাবলৈ পাইছিল। তেওঁক দেখিলেই আমি লৰি গৈ শিলৰ বাটিত এবাটি চাহ আনি আমাৰ গোসাইঘৰৰ টুপতে তেওঁক খাবলৈ দিছিলোঁ। আমাৰ ঘৰত তেওঁৰ এইদৰে চাহ খোৱা সম্বৎসৰব্যাপী অখণ্ডমণ্ডলাকাৰে চলিছিল। তেওঁক চাহ খুৱাই আমিও আনন্দ পাইছিলোঁ, তেওঁ তৃপ্তি লভি খাই উঠি গৈ ভাগৱত শ্ৰৱণানন্দ লভিছিল।

বৰ বাৰজনীয়া সত্ৰ কাথপাৰ আৰু চুপহা আৰু সৰু বাৰজনীয়া শলগুৰি সত্ৰ শিৱসাগৰ চহৰপৰা কিছু দূৰতে। এই সত্ৰবোৰৰ আতা সকল সততে আমাৰ ঘৰলৈ আহি দেউতাৰ সৈতে দেখা-সাক্ষাৎ কৰিছিল আৰু দেউতায়ো তেওঁলোকক যথোচিত আদৰ সন্মান কৰিছিল। বছৰে বছৰে শলগুৰি সত্ৰৰ তিথিত আমি দেউতাৰে সৈতে ভাৱনা চাবলৈ শলগুৰি সত্ৰলৈ গৈছিলোঁ। সত্ৰৰ অধিকাৰে হাতী পঠিয়াই দি আমাক নিযাই বৰ আদৰ-সাদৰ কৰি খুৱাই-বুৱাই তেওঁলোকৰ ভাৱনা দেখুৱাইছিল। ভাৱনাত, শলগুৰীয়া আতাই তিনিটা খোল একে সময়তে বজাই সুন্দৰকৈ ঘোষা-কীৰ্তন কৰা মই দেখা মনত আছে। শলগুৰি সত্ৰৰ এজন মেধি আছিল; তেওঁ সততে আমাৰ ঘৰলৈ আহিছিল। নিষ্ঠাৱন্ত ভকত সেই মেধিজনক আমি বৰ শ্ৰদ্ধাৰ চকুৰে দেখিছিলোঁ।

## ॥ ষষ্ঠ আধ্যা ॥

পণ্ডিত ৰামকুমাৰ বিদ্যাৰত্ন নামেৰে এজন ব্ৰহ্মধৰ্ম-প্ৰচাৰক বঙ্গালীয়ে ব্ৰাহ্মধৰ্ম প্ৰচাৰ কৰিবৰ নিমিত্তে অসমৰ জিলাই জিলাই বক্তৃতা দি ফুৰিছিল। বিদ্যাৰত্ন "সাধাৰণ ব্ৰাহ্ম-সমাজৰ" প্ৰচাৰক আছিল। তেওঁ স্থূলোদৰ আৰু দীৰ্ঘশ্মশ্ৰুবিশিষ্ট আছিল। বাস্তৱিকতে তেওঁৰ ডাঢ়িকোছা ইমান দীঘল আছিল যে এহেজাৰৰ ভিতৰত ন-শ নিৰাহুস্ইটা মানুহৰ মুখত তেনে দীঘল ডাঢ়িৰ হাবি সতকাই বিচাৰি পোৱা নাযায়। হেনো ধুবুৰীতে নে গুৱালপাৰাতে—মোৰ মনত নাই—বিদ্যাৰত্নৰ সুদীৰ্ঘ শ্মশ্ৰুকে লক্ষ্য কৰি, এজন অহোঁবলীয়া হিন্দুৱে, হিন্দু ধৰ্মৰ বিপক্ষে তেওঁৰ বক্তৃতা শুনি, বক্তৃতাৰ সভাতে থিয় হৈ ভৰিৰে মাটিত গেৰোহানি মাৰি, বিদ্যাৰত্নৰ বক্তৃতাৰ সুৰতে সুৰ মিলাই, হাত-মূৰ জোকাৰি চিয়ঁৰি কৈছিল—"লম্বা লম্বা ডাঢ়ি লইয়া যাঁহাৰা বক্তৃতা কৰিতে আসেন, তাঁহাদেৰ বুকে পদাঘাত! মাথায় পদাঘাত!" শিৱসাগৰৰ ইংৰাজী স্কুলঘৰতে বিদ্যাৰত্নই ব্ৰাহ্মধৰ্মৰ বিষয়ে বঙ্গলা ভাষাৰে এটা ডাঙৰ বক্তৃতা দিলে। সেই বক্তৃতাৰ পিছত শিৱসাগৰীয়া ডেকা ল'ৰা আৰু স্কুলীয়া ছাত্ৰৰ ভিতৰত এটা উদ্বেগৰ আন্দোলন উঠিল। গতি বিষম দেখি, পিতৃদেৱতাৰ নেতৃত্বত হিন্দু-অভিভাৱকসকল ৰামকুমাৰ বাবুৰ বিপক্ষে থিয় হ'ল। আমাৰ হেডমাষ্টৰ ৺চন্দ্ৰমোহন গোস্বামী "ফিলচফাৰ" মানুহ, কোনো ধৰ্মকে তেওঁ আমোল নিদিছিল। তেওঁৰ ধৰ্ম মাথোন জ্ঞানোপাৰ্জন। তেওঁ দুই পক্ষৰ মাজত যুঁজ লগাই দি ৰং চাবৰ মনেৰে হিন্দুধৰ্মৰ ফালৰপৰা ব্ৰাহ্মধৰ্মৰ উত্তৰ গাবলৈ, পিতৃদেৱতাৰে সৈতে পৰামৰ্শ কৰি শ্ৰীযুত তুলসীৰাম বৰুৱা পণ্ডিতক তুলি দিবলৈ ঠিক কৰিলে। তুলসীৰাম বৰুৱা শিৱসাগৰৰ নৰ্মাল স্কুলৰ হেডপণ্ডিত আৰু হিন্দুধৰ্মশাস্ত্ৰবিদ। সংস্কৃততো তেওঁৰ ব্যুৎপত্তি আছিল। অসমীয়া "হেমকোষ" আৰু "অসমীয়া ব্যাকৰণ" ৰচোঁতা সুবিখ্যাত ৺হেমচন্দ্ৰ বৰুৱাৰ তেওঁ ভাযেক। হিন্দুৰ প্ৰাচীন ক্ৰিয়াকাণ্ড আৰু অনুষ্ঠান আদিত তুলসী পণ্ডিত অতি অনুৰাগী মানুহ আছিল। ব্ৰাহ্মণৰ জাত্যাভিমানৰ ষোল অনা দাবী তেওঁৰ "আৰ্জিত" সদায় থাকে। বঙ্গালী ৰামকুমাৰ পণ্ডিতৰ বক্তৃতাৰ সাদিন-মানৰ পিছত সেই ইংৰাজী স্কুলঘৰতে আমাৰ অসমীয়া তুলসীৰাম পণ্ডিতক হিন্দু-ধৰ্মৰ সপক্ষে এখন ৰচনা পঢ়িবলৈ তুলি দিয়া হ'ল। কোৱা বাহুল্য যে ৰামকুমাৰ বাবু সেই সভাত উপস্থিত আছিল। তুলসীৰাম পণ্ডিতৰ ৰচনা পঢ়াৰ ওৰ পৰিলতে ৰামকুমাৰ পণ্ডিতে একেজাপেই উত্তৰ দিবলৈ উঠিল, আৰু লগে লগে সিংহনাদেৰে মেদিনী কঁপাবলৈ ধৰিলে। তেওঁৰ বক্তৃতাৰ চিয়ঁৰে শ্ৰোতাসকলৰ কাণ তাল মাৰিলে। পণ্ডিত বিদ্যাৰত্নই পণ্ডিত বৰুৱাৰ বক্তৃতাৰ যুক্তি-তৰ্ক কিমানদূৰ খণ্ডন কৰিছিল, ক'ব নোৱাৰোঁ, কাৰণ সেই ফালতকৈ তেওঁৰ চিয়ঁৰ-বাথৰ আৰু হাত-মূৰ জোকাৰৰ ফালেহে মোৰ যাইকৈ মন আছিল। কেনেকৈ চিয়ঁৰি-বাথৰি, হাত-মূৰ জোকাৰি,

কথা ফেনাই ফেনাই কোৱাকে কৈ, বঙ্গালী বক্তাই বক্তৃতা দিয়ে সেইটোহে মই ভালকৈ নিৰীক্ষণ কৰি লৈছিলোঁ, কাৰণ মোৰ বৰ ইচ্ছা হৈছিল, ময়ো যেন তেনেকুৱাকৈ বক্তৃতা দিব পৰা হওঁ। বাস্তৱিকতে, ইয়াৰ পিছত মোৰ ইচ্ছা সফল কৰিবৰ মনেৰে মই অনেক দিনলৈকে, বাটে-পথে হাবিয়ে-বননিয়ে আৰু ঘাইকৈ বৰগছৰ তলত থিয় হৈ হাত জোকাৰি, টেঁটু-ফটা চিঞৰেৰে একেটা শব্দকে একেটা বাক্যকে, তাৰ যিমানবোৰ প্ৰতিশব্দ আৰু অনুৰূপ বাক্য বিচাৰি পাইছিলোঁ সেইবোৰ লগাই দি বক্তৃতা দি ফুৰিছিলোঁ। অৱশ্যে কোৱা বাহুল্য যে বয়োজ্যেষ্ঠসকলক মই অতি সতৰ্কভাৱে দূৰতে পৰিহাৰ কৰি মোৰে নিচিনা বক্তা-যশ-প্ৰাৰ্থী চেঙ্গেৰা বন্ধু দুজন-চাৰিজনক আৰু মৌনী-শ্ৰোতা তৰু-তৃণ বৃক্ষ-বল্লৰীক লৈহে মোৰ বক্তৃতাৰ বিৰাট সভা সংগঠন কৰিছিলোঁ।

ইয়াৰ পিছত শিৱসাগৰত ব্ৰাহ্মধৰ্মৰ বিপক্ষে অসমীয়া হিন্দু ভদ্ৰলোকসকলৰ ৰাগ-দ্বেষাদি ভাব (feelings) প্ৰবল হৈ উঠিল আৰু তেওঁলোক সংঘবদ্ধ হ'ল। আমাৰ স্কুলত থাৰ্ডমাষ্টৰ শ্ৰীযুত গোপালচন্দ্ৰ ঘোষ যদিও আনুষ্ঠানিক বা দীক্ষিত ব্ৰাহ্ম নাছিল, তথাপি তেওঁ শিৱসাগৰীয়া ব্ৰাহ্মধৰ্মৰ পৃষ্ঠপোষক হৈ উঠিল। তেওঁৰ ঘৰতে দেওবৰীয়া ব্ৰাহ্মসমাজৰ অধিবেশন হবলৈ ধৰিলে। এই ব্ৰাহ্মসমাজৰ অধিবেশনলৈ কোনো হিন্দু অসমীয়া গ'লেই তেওঁ হিন্দু সমাজৰ দ্বাৰাই দণ্ডিত হৈছিল। পিতৃদেৱতা এই বিষয়ত বৰ সজাগ আছিল আৰু দুই-চাৰিজন ডেকাক সেই দোষত দোষী পাই, তেওঁ দণ্ডও বিহিছিল। এই নিমিত্তে পিতৃদেৱতাৰ প্ৰতি দণ্ডিতসকলৰ আক্ৰোশ জন্মিল। তেওঁলোকৰ ভিতৰত ষড়যন্ত্ৰ চলিল, কেনেকৈ তেওঁলোকে পিতৃদেৱতাক জব্দ কৰিব পাৰে। আগেয়ে কৈ আহিছোঁ যে শ্ৰীনাথ ককাইদেও হোজা স্বভাৱৰ ল'ৰা আছিল। চৰকাৰী আলিৰ কাষতে গোপাল বাবুৰ ঘৰ। এদিন গোপাল বাবুৰ ঘৰত ব্ৰাহ্মসমাজৰ বক্তৃতা হৈ থাকোঁতে বাটেদি শ্ৰীনাথ ককাইদেও গৈছিল। সঁচা-মিছা ক'ব নোৱাৰোঁ তেওঁ হেনো কৌতূহলৰ বশবৰ্তী হৈ বাটৰপৰা এফলীয়া কাটি ক্ষন্তেক থিয় হৈ ব্ৰাহ্মসমাজৰ বক্তৃতাত কাণ দিছিল। এই ৰোটোকে ঢোটো কৰি দণ্ডিতাগ্ৰজসকলৰ ফালৰপৰা পিতৃদেৱতাৰ আগত অভিযোগ উপস্থিত কৰা হ'ল যে তেখেতৰ পুতেক শ্ৰীনাথেই অমুক দিনা গোপাল বাবুৰ ঘৰৰ ব্ৰাহ্মসমাজত যোগ দিছিল। দেউতাই এই অভিযোগ শুনি পুতেকৰ supposed অৰ্থাৎ কল্পিত কাৰ্যৰ দ্বাৰাই নিজক অত্যন্ত অপমানিত বোধ কৰি, তেতিয়াই শ্ৰীনাথ ককাইদেওক মাতি আনি ধৰি বেতেৰে বৰকৈ কোবাই দিলে। বেচেৰা শ্ৰীনাথ ককাইদেৱে আত্মসমৰ্থনৰ অৰ্থে যি ক'বলৈ গৈছিল, সেই কথা তেওঁৰ মুখতে থাকিল আৰু বাজ হবলৈ নাপালে। বপুৰাই বিনা দোষতে মাৰ খালে।

বছৰাদিযেকৰ মূৰত ব্ৰাহ্মধৰ্মৰ প্ৰতি গোপাল বাবুৰ নিষ্ঠা উটি গ'ল, তেওঁ ব্ৰাহ্মৰ মোটটো সলাই পেলাই দি আকৌ হিন্দু সমাজত সোমাল। সিফালে কলিকতাত পণ্ডিত ৰামকুমাৰ বিদ্যাৰত্নৰো তথৈবচ। তেওঁ ৰামানন্দ স্বামীয়েই কি আন কিবা এটা

"আনন্দ" লগোৱা "স্বামী" নাম লৈ, হিন্দু "গুৰু মহাৰাজ" হৈ বঙ্গদেশত শিষ্য-শিষ্যাণী ভজাই সুখ আৰু সম্মানেৰে জীৱিকা উপাৰ্জন কৰিবলৈ ধৰিলে। ৰামকুমাৰ বিদ্যাৰত্নই "উদাসীন সত্য-শ্ৰৱাৰ আসাম-ভ্ৰমণ" নামেৰে এক সুপাঠ্য কিতাপ বঙ্গলা ভাষাত ৰচনা কৰিছিল।

অসমৰ সুযোগ্য সন্তান শ্ৰীযুত মাণিকচন্দ্ৰ বৰুৱা আৰু সুবিখ্যাত আনন্দৰাম ঢেকীয়ালফুকনৰ পুতেক অন্নদাৰাম ঢেকীয়ালফুকনে "বৰুৱাফুকন ব্ৰাদাৰ্ছ" নাম দি গুৱাহাটীত সাউদৰ ব্যৱসায় খুলিছিল। শ্ৰীযুত ভোলানাথ বৰুৱা (পিছত বিখ্যাত সদাগৰ বি. বৰুৱা) সেই ব্যৱসাষৰ কাঠৰ "বিজ্‌নেছ" বিভাগৰ মেনেজাৰ আছিল। "বৰুৱা-ফুকন ব্ৰাদাৰ্ছ"ৰ বেহা-বেপাৰ খুব ডাঙৰভাৱে ভাল ৰকমেই চলিছিল। তেওঁলোকৰ সৰু জাহাজ এখনো আছিল। বাস্তৱিকতে য়ুৰোপীয় ধৰণেৰে অসমত বেহা-বেপাৰৰ প্ৰথম পথ-প্ৰদৰ্শক (pioneer) বৰুৱা-ফুকন ব্ৰাদাৰ্ছকেই বুলিব লাগে। দুখৰ বিষয় অন্নদাৰাম ঢেকীযালফুকন অকালত কালৰ গৰাহত পৰিল। মাণিকচন্দ্ৰ বৰুৱাৰ জ্যেষ্ঠ ভ্ৰাতা সুবুদ্ধিমান ফটিকচন্দ্ৰ বৰুৱা গৱৰ্ণমেণ্টৰ উচ্চপদস্থ কৰ্মচাৰী আছিল। তেওঁৰ বিচক্ষণ বুদ্ধি আৰু উপদেশ মাণিকচন্দ্ৰৰ ব্যৱসায়ৰ এটা ঘাই ধৰণী-স্বৰূপ আছিল। ফটিকচন্দ্ৰ বৰুৱাৰো অকালতে মৃত্যু হ'ল। ফটিকচন্দ্ৰ বৰুৱাৰ মৃত্যুত অসম দেশৰ যি ক্ষতি হ'ল, সেই ক্ষতি পুৰাব নোৱাৰা। আৰু বাস্তৱিক পক্ষত ফটিকচন্দ্ৰ বৰুৱাৰ মৃত্যুৰ পিছৰপৰাই মাণিকচন্দ্ৰ বৰুৱাৰ ব্যৱসাষৰ অৱনতি ঘটিল।

"বৰুৱা-ফুকন ব্ৰাদাৰ্ছ"ৰ পৃষ্ঠপোষকতাত সুপণ্ডিত হেমচন্দ্ৰ বৰুৱাই গুৱাহাটীৰপৰা "আসাম-নিউচ" নাম দি সাদিনীয়া ইংৰাজী অসমীয়া বাৰ্তাৰ কাকত এখন উলিযায়। হেমচন্দ্ৰ বৰুৱাৰ কাপৰ গুণত "আসাম নিউচে" অতি শীঘ্ৰে ওখ ঠাই অধিকাৰ কৰিলে। সকলোৱে অতি আগ্ৰহেৰে সেই কাকত লৈছিল আৰু পঢ়িছিল। ইয়াৰ আগৰেপৰা "আসাম-বিলাসিনী" নামেৰে এখন মাহেকীয়া অসমীষা বাৰ্তাৰ কাকত আউনীআটি সত্ৰৰপৰা ওলাই আছিল। আউনীআটি সত্ৰৰ অধিকাৰ অশেষ গুণ-সম্পন্ন প্ৰগাঢ় পণ্ডিত পৰম-বৈষ্ণৱ দণ্ডেদেৱ পুৰুষৰ "আসাম বিলাসিনী" এটি সুকীৰ্তি। কিন্তু "আসাম-বিলাসিনী"ৰ বাক্য-বিন্যাস প্ৰণালী, বিষয-নিৰ্বাচন আদি কাৰ্যই উঠি অহা শিক্ষিত ডেকা তৰপৰ মন হৰণ কৰিব পাৰিছিল বুলি ক'ব নোৱাৰোঁ। তাত অনেক সময়ত ব্যক্তিগত আক্ৰমণে ঠাই পোৱাত প্ৰাচীন সকলৰ মনতো যে সি যথোচিত সমাদৰৰ ঠাই অধিকাৰ কৰিব পাৰিছিল এনে নহয়। সেই নিমিত্তে তেনেকুৱা দোষবিবৰ্জিত, অথচ ৰসাল ভাষাৰে সুলিখিত বৰ্তমান কালোপযোগী "আসাম নিউচ" ওলালত সকলোৰে মনত হৰ্ষ হ'ল।

"আসাম-নিউচ"খন ভালকৈ পঢ়া ৰোগে মোক বৰকৈ ধৰিছিল। কেতিয়া "আসাম-নিউচ" আহিব মই বাটলৈ চাই থাকোঁ আৰু এটাইৰে আগেয়ে মই কাকতখন মেলি পঢ়োঁ বুলিলে ঠিক কোৱা নহয়, গিলোঁ বুলিলেহে ঠিক হ'ব। বাস্তৱিকতে "আসাম-নিউচ" পঢ়ি তাৰ অসমীয়া লিখাৰ গঢ়ৰ ফালে ভালকৈ মন দিহে প্ৰথমতে মই

অসমীয়া ভাষাত ৰচনা লিখিবলৈ শিকোঁ। "আসাম-নিউচ" নিশ্চয় অসমীয়া ভাষাৰ যুগান্তৰ উপস্থিত কৰিলে। বৰ দুখৰ কথা, কাকতখন ঘাইকৈ ৺হেমচন্দ্ৰ বৰুৱাৰ শাৰীৰিক অসুস্থতাৰ নিমিত্তে দীৰ্ঘকাল স্থায়ী নহ'ল। আজিলৈকে "আসাম-নিউচ"ৰ নিচিনা কাকত এখন অসমত নোলাল।

অসমৰ গৌৰৱ ৰায় গুণাভিৰাম বৰুৱা বাহাদুৰে তেওঁৰ "চৰকাৰী কম" জীৱনৰ শেষৰফালে, "আসাম-বন্ধু" নামৰ এখন অসমীয়া মাহেকীয়া কাকত উলিয়াইছিল। সেইকালত কলিকতাবাসী অসমীয়া ছাত্ৰসকলৰ সহায়ত "আসাম-বন্ধু" কলিকতাত ছপা হৈছিল। "আসাম-বন্ধু" ও অসমত অসমীয়া মাহেকীয়া কাকতৰ প্ৰথম পথ-প্ৰদৰ্শক আৰু সি অসম আৰু অসমীয়া ভাষাৰ প্ৰকৃত বন্ধুৰূপে দেখা দিছিল। "আসাম-বন্ধু"ৰ পাতত বিদ্বান ৺লম্বোদৰ বৰাৰ কাপৰপৰা ওলোৱা "সদানন্দৰ কলাঘুমটি", শ্ৰদ্ধাস্পদ শ্ৰীযুত সত্যনাথ বৰাৰ সুন্দৰ কবিতাকেইটি আৰু বুৰঞ্জীবিজ্ঞ ৰায়বাহাদুৰ সম্পাদক ডাঙৰীয়াৰ "আগৰ দিন, এতিয়াৰ দিন"ৰ দৰে ঐতিহাসিক প্ৰবন্ধবোৰে মোৰ মন বৰকৈ আকৰ্ষণ কৰিছিল। দুখৰ বিষয়, "আসাম-বন্ধু" ও সৰহ দিন নাথাকিল। এইটো ক'বই লাগিব যে অসমীয়া ভাষাৰ মহাৰথীদ্বয় "আসাম-নিউচ" আৰু "আসাম-বন্ধু"ৰেই আধুনিক আৰ্হিত অসমীয়া গদ্য আৰু পদ্য সাহিত্য সৃষ্টিৰ অৰ্থে spadework, কোৰৰ কাম কৰে, অৰ্থাৎ মাটি কুৰি চহাই দিয়ে। পিতৃদেৱতাই "আসাম-নিউচ" আৰু "আসাম-বন্ধু" বৰ আগ্ৰহেৰে সদায় পঢ়িছিল। "আসাম-বন্ধু"ত ওলোৱা কোনো কোনোটো ঐতিহাসিক প্ৰবন্ধত থকা খুঁত দেখুৱাই তেওঁ ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱা ডাঙৰীয়ালৈ চিঠি লেখাও মই দেখিছিলোঁ। মুঠতে ইয়াকে কওঁ যে, অসমীয়া ভাষাত সকলো অসমীয়াৰ মনোৰঞ্জন কৰি সুললিত, সৰল, ৰসাল, অথচ ওখ শাৰীৰ গদ্য ৰচনা যে হব পাৰে, এইটো "আসাম-নিউচ" আৰু "আসাম-বন্ধু"ৱেই প্ৰথমতে দেখুৱালে।

শিৱসাগৰৰ স্কুলত পঢ়াতোখৰ কালত মই পঢ়া-শুনাত চোকা ল'ৰা বুলি কেতিয়াও খ্যাতি নাপাইছিলোঁ। স্কুলীয়া পাঠতকৈ আন আন বাহিৰা বিষয়ত মোৰ বুদ্ধিৰ চোক ওলাইছিল নে নাই ক'ব নোৱাৰোঁ। দেখোতাসকলহে তাৰ বিচাৰক ; কিন্তু তেনেবোৰ কাৰ্যত যে মই দহৰ সুদৃষ্টিয়েই হওক বা কুদৃষ্টিয়েই হওক আকৰ্ষণ কৰিছিলোঁ, এইটো হলে ক'ব পাৰো। মই যে পঢ়া-শুনাত স্কুলীয়া চোকা-বুধীয়া ল'ৰাৰ লেখৰ বাহিৰত পৰিছিলোঁ, এই কথা নিশ্চয় স্কুল ঘৰটোৰ চালৰ চ'তি-বুৰা, মাৰলি আৰু বেত-সুতৰ গাঁঠিৰে সৈতে হাজাৰডাল খেৰে সাক্ষী ক'বলৈ ওলাব, যদি স্কুলঘৰটোৰে সৈতে সেইবোৰ আজিও টিকি আছে। স্কুলৰ বছেৰেকীয়া "প্ৰাইজ"ৰে সৈতে মোৰ সম্পৰ্ক গো-মাংস আছিল ; মাথোন এবাৰ, কেনেকৈ ক'ব নোৱাৰো, সজ্ঞানে নহয়, সুস্থ-শৰীৰে নহয় আৰু আপোন ইচ্ছাতেতো নহয়েই ( নিশ্চয় by fluke ) পঞ্চম শ্ৰেণীতে, মই দৈৱৰ হেঁচোকত হামখুৰি খাই নাইবা পাহৰা ধানৰ ভাত খোৱা পৰীক্ষকৰ পাহৰণিত পৰি কেনেবাকৈ ভটং কৰে তৃতীয় হৈ ওলাই সকলোকে অবাক কৰি দিলোঁ।

প্ৰাইজৰ দিনা তৃতীয় প্ৰাইজটো মোৰ হাতত পৰিলত মই লাজত অধোবদন হলোঁ। ভাবিলোঁ, দৈৱই পৰিহাস এনেকুৱাকৈয়ে কৰে। তৃতীয় হবৰ উপযুক্ত 'ইমানবোৰ ল'ৰা থাকোঁতে, মোক দৈৱই ঠেলি-হেঁচুকি তৃতীয় কৰি দিবৰ মানেটো কি? মানেটো নিশ্চয় ৰং চোৱা। মূৰ তুলি এবাৰ লাহেকৈ আমাৰ ক্লাছৰ মাষ্টৰজনক সুধিলোঁ, "স্যাৰ, সঁচাকৈয়ে আপোনাসকলৰ কাৰো ভুলত মোৰ এই বিলাই বিপত্তি ঘটা নাইনে?" মাষ্টৰে হাঁহি উত্তৰ দিলে, "কাৰো ভুল হোৱা নাই। এইবাৰৰপৰা তুমি ভালকৈ পঢ়িবা।"

স্কুলঘৰৰ বাহিৰত মোৰ বুধিটো আঁকোৱালে নোপোৱা হৈ উঠাৰ আৰু ভিতৰত খাণাই-শুকাই চেবেলা হৈ যোৱাৰ অৱশ্যে যে কোনো কৈফিয়ৎ নাই, এনে নহয়। কৈফিয়ৎ অনেক। সৰুৰেপৰা মই মুকলি আকাশ আৰু মুকলি বতাহৰ তলত বঢ়া মুকলিমূৰীয়া ল'ৰা, চাৰি বেৰেৰে বন্ধ ঘৰে, জপোৱা দুৱাৰে আৰু নিয়ম-কানুনৰ জিঞ্জিৰিয়ে মোক সমূলি নুশুজে। স্কুলত অগত্যা বহি থাকোঁতে, এফালে মোৰ মনে মোক ফুচফুচাই সোধে—"বতাহে তোমাৰে সৈতে উমলিবলৈ তোমাক বাহিৰলৈ মাতিছে, ওলাই নাহা কেলৈ?" "ৰ'দে তোমাক বিঙিয়াব লাগিছে; নোযোৱানে?" "বোলোঁ দেখা নাইনে, আলিবাটৰ গছে তোমাক হাতবাউলি দি মাতি কোলা মেলি বহি আছে, ইয়াত বোদ্ বোদ্ কৰে বহি কৰিছা কি?" "সোৱা চাই পঠিওৱাচোন তোমাৰ বান্ধৰ দিখৌৱে কেনেকৈ কোনোবা ধুবুৰীলৈ বৈ যাব লাগিছে; তোমাৰ দেখোন উমূঘামেই নাই?" "বৰপুখুৰীয়েও তোমালৈ বুকু পাতি বৈ আছে, তুমি বাৰু ল'ৰাটো দেখিছোঁ, বোলোঁ বেলি কৰিছা কিয়?"—আনফালে, দেখিবলৈ মন নোযোৱা মাষ্টৰে হাতত কঠুৱা কিতাপ লৈ মোক সোধে—"Spell Valetudinarian?" "What is the masculine gender of heifer?" "Where is Podopopol?" "Define gulf-stream" মোৰ দুই নাৰত দুই ভৰি; মই কৰোঁ কি?

ইয়াৰ উপৰিও আৰু এটা ডাঙৰ কৈফিয়ৎ আছে, যাৰ বিৱৰণ তলত দিলোঁ— স্কুলীয়া পাঠৰ চৰ্চাতকৈ আমাৰ ঘৰৰ ল'ৰাবোৰৰ, ঘাইকৈ মোৰ ককাইদেও শ্ৰীনাথৰ, ধৰ্মকাৰ্য্যৰ চৰ্চাত অত্যন্ত বেছি সময় ব্যয় হৈছিল। তলত দিয়া আমাৰ দৈনিক কাৰ্যৰ তালিকা দেখিলেই এই কথা স্পষ্ট হব।

(১) আমি পুৱা শুই উঠিয়েই নিত্যকৰ্ম কৰি শুচি-সংযম হৈ, দেউতাৰ গোসাঁই-পূজালৈ ফুল তুলিবলৈ ফুলনিবাৰীত সোমাওঁ। একো একো দিনা, আমাৰ ফুলনিবাৰীৰ ফুল তুলি শেষ কৰি, উৎসাহৰ কোবত গৈ ওচৰ-চুবুৰীয়াৰ ফুলনিবাৰীতো সোমাই ফুলনিবাৰী মহটিয়াই ফুলৰ শৰাধ কৰোঁ; কাৰণ, কুকি ভৰাই একুকিকৈ ফুল আনিলেহে মোৰ মনে মোক "বাহুৱা" দিয়াটো যেন লাগিছিল। ফুল তোলা হলে, হাত-ভৰি ধুই, স্কুলৰ কিতাপ আগত লৈ বহোঁ, আৰু আগত লোৱা কিতাপ আগতে থাকে, মোৰ মনে ত্ৰিভুবন ভ্ৰমে। সেই কিতাপেৰে সৈতে মোৰ মনৰ সম্বন্ধটো তেল আৰু পানীৰ সম্বন্ধ।

(২) ৯ বাজিলেই, কিতাপৰ্‌পী তেল সামৰি থৈ সাঁৰিয়হৰ তেল গাত ঘঁহি পুখুৰীলৈ যাওঁ আৰু পুখুৰীৰে সৈতে জলক্রীড়া কৰি আহি গোসাঁইঘৰ মচিবলৈ সোমাওঁ। হৰি-মন্দিৰ মাৰ্জন পুণ্য কাৰ্য্য, অব্রাহ্মণ চাকৰক গোসাঁইঘৰত সোমাই সেই কাৰ্য্য কৰিবলৈ দিয়া নহয়।

(৩) মন্দিৰ-মাৰ্জন শেষ কৰি, দেউতাৰ পূজাৰ সঁজুলি—তামী-অৰ্ঘ্য, থাল, চন্দনৰ খুৰি আদি ধুই-মাজি চাফ্ কৰি সেইবোৰ পূজাৰ ঠাইত সজাই থওঁ; জাতি-চন্দন পিহি চন্দনৰ খুৰিত থওঁ।

(৪) ইয়াৰ পিছত গোসাঁই-ঘৰতে বহি পুৰাৰ প্ৰসঙ্গৰ গীত-ভটিমা গাই, তাল লৈ প্ৰসঙ্গ আৰম্ভ কৰোঁ। কুলুপীয়া আৰু ধৰি গোৱা, ঘোষা গোৱা শেষ হ'লে, এজনে কীৰ্তন পুথি মেলি বহি কীৰ্তন দিয়ে। শ্ৰীনাথ ককাইদেৱে তাল লৈ নাম লগোৱা হ'লে, কীৰ্তন-ঘোষা দিবলৈ মই বহোঁ আৰু vice versa অৰ্থাৎ মই নাম লগোৱা হ'লে তেওঁ কীৰ্তন দিবলৈ বহে। একো একোদিনা আন আন ককাইদেওসকলেও এই ৰাব লয়। দুটা কীৰ্তন-ঘোষাৰ অন্তত প্ৰসঙ্গৰ সামৰণি মৰা হয়। প্ৰসঙ্গৰ শেষত কীৰ্তন ঘোষা দিওঁতাজনে ৰত্নাৱলী পুথিৰপৰা সুৰ ধৰি পাঠ পঢ়ে, আৰু অলপ পঢ়ি ওৰ পেলাই, দুইজনা মহাপুৰুষৰ বা বদুলা আতাৰ চৰিত্ৰৰপৰা এটা ঘটনা বা কথা সংক্ষেপকৈ কয়; ইয়াকে চৰিত্ৰ তোলা বোলে। ইযাৰ পিছত প্ৰসঙ্গ সাৱশেষ কৰি থাপনাৰ ফালে সেৱা কৰা হয়, আৰু আশীৰ্বাদ দিব জনা এজনে আশীৰ্বাদৰ দীঘল "গৎ" মাতি আশীৰ্বাদ দিয়ে। ইযাৰ আগেয়ে কোনো কোনো দিনা প্ৰসঙ্গৰ মাজত দেউতাৰ পূজা শেষ কৰি নিজেই কীৰ্তন-ঘোষা দিবলৈ বহে।

(৫) পূজা-সেৱা নাম-প্ৰসঙ্গ আৰু আশীৰ্বাদ দিয়াৰ অন্তত উঠি কাঁহ, ঘণ্টা, শঙ্খ আৰু ডবা থাকিলে ডবা বজোৱা হয়। তৎপশ্চাৎ, তপতে তপতে লৰালৰিকৈ ভাত এগাল গিলি, কাপোৰ-কানি পিন্ধি আমি স্কুললৈ লৰ ধৰোঁহক।

(৬) আবেলি চাৰি বজাৰ পিছত আমি স্কুলৰপৰা আহি, স্কুলীয়া অপবিত্ৰ কাপোৰ-কানি সুকীয়াকৈ এফালে থৈ দি পুখুৰীত জোবোৰা শুচি হৈ আহি জলপানত বহোঁ। আমি স্কুলৰপৰা অহাৰ আগেয়েই তিনিমান বজাত দেউতাই বিয়লিৰ প্ৰসঙ্গ কৰে। দেওবাৰৰ দিনা বা বিদিনা আমি স্কুললৈ নাযাওঁ, আমিয়েই সেই প্ৰসঙ্গ সমাপন কৰোঁ।

(৭) জলপান খাই উঠি আমি অলপ পৰ আমাৰ টোলৰ ভিতৰতে ইফাল-সিফাল কৰোঁ; আৰু পাঁচমান বজাৰ আগতে, দেউতাৰ পুৰাণ-পাঠ নাইবা ভাগৱত-পাঠলৈ আমাৰ ডাক পৰে। আমি চৰাঘৰৰ মাজতে ঠাই মচি, পুথি আনি ঠগাত সজাই থৈ, আসন পাৰি দি শ্ৰোতা-শ্ৰেণীভুক্ত হওঁ। এই "আমি"ৰ বহুবচনত্ব, মাথোন বাহিৰৰ দুই-এজন শ্ৰোতাৰে সৈতে মোক আৰু শ্ৰীনাথ ককাইদেওক লৈ সিদ্ধ হৈছিল।

(৮) সন্ধ্যা লাগি অহাৰ সময়ত পুৰাণ বা ভাগৱত পাঠ বন্ধ হয় আৰু আমি ভৰি-হাত ধুই লৰি গৈ গোসাঁইঘৰত বন্তি লগাই, শঙ্খ, ঘণ্টা, ডবা, কাঁহ বজাবলৈ ধৰোঁ

আৰু পিতৃদেৱতায়ো সেই কাৰ্যত যোগ দিয়ে। শংখ-ঘণ্টা বজোৱাৰ অন্তত, মুখে মুখে স্তোত্ৰ পাঠ কৰি, সকলোৱে আঁঠু কাঢ়ি থাপনাৰ ফালে সেৱা কৰোঁহক। ইয়াৰ পিছত দেউতা গুলাই আহি ইফালে-সিফালে অলপ ফুৰিবলৈ যায়; আৰু আমি—

(৯) গুণমালা-ভটিমা গাবলৈ বহোঁ। গুণমালা-ভটিমা গোৱাৰ পিছত আমি ল'ৰাবোৰে ল'ৰানাম গাবলৈ বহোঁ আৰু এঘণ্টামানৰ পিছত সেই নাম শেষ কৰি উঠি আহি—

(১০) পঢ়িবলৈ কিতাপ মেলি লওঁ। কিতাপ আগত লৈ কোনোৱে অলপ-অচৰপ পঢ়ে, কোনোৱেবা কলমটিয়াষ আৰু কোনোৱেবা কিছুমান বেলিৰ পিছতে, কিতাপৰ ওপৰতে, তেল-বিযলী কৰি থোৱা মুৰটো থৈ, হাঁহি-শোৱাদি পঢ়া-শুনাৰে সৈতে টালি-বাজি কৰে।

(১১) ৰাতি ১০ মান বজাত আমি গা ধুবলৈ যাবলৈ ৰান্ধনি-ঘৰৰ পৰা খবৰ আহে। আমি বুকুত বান্ধি লৈ বহি থকা দুই বন্ধু টোপনি আৰু এলাহক অতি কষ্টে বিসৰ্জন দি পঢ়া ঠাইৰপৰা উঠি গৈ, জাৰেই হওক বা জহেই হওঁক, পানী তপতেই হওক বা চেঁচাই হওঁক, হুৰ হুৰ কৰে গাত ঢালি দিওঁ আৰু সেহাই ফোঁপাই গা মচি, ধুতি-চুৰিয়া পিন্ধি গোসাঁইঘৰ সোমাই, তাত লৈ ৰাতিৰ প্ৰসঙ্গ আৰম্ভ কৰি দিওঁ। ৰাতিৰ প্ৰসঙ্গত নাম-লোৱা ভকতৰ লেই সৰহ হয়। পুৱাৰ দৰেই, দেউতাই বা আন এজনে কীৰ্তন-ঘোষা মেলি কীৰ্তন দিয়ে আৰু অন্তত পাঠ পঢ়ি আৰু চৰিত্ৰ তুলি প্ৰসঙ্গ শেষ কৰে।

(১২) ইযাৰ পিছত ৰাতিৰ সাজ ভাত খাবলৈ মজিয়াত বহা হয়। ভাত খাওঁতা-সকলেৰে মজিয়া প্ৰায় ভৰি পৰে।

(১৩) ভাত খাই উঠি আমি আকৌ বৰে-সৰুৱে মিলি গোসাঁই-ঘৰৰ টুপত শেহ-নাম গাবলৈ বহোঁ। সেই নাম সমাপন কৰোঁতে ৰাতি এঘাৰ-বাৰ বাজে। এইখিনিতে কোৱা যাওক যে, যদিও আমাৰ চৰাঘৰত সদায ডাঙৰ ঘড়ী এটাই টিক্ টিক্ কৰে গৈ আৰু ঢং ঢং কৰে বাজি তাৰ কৰ্তব্য কৰি গৈছিল, তথাপি আৰু তাক আমাৰ খোৱা-বোৱা আদিৰ সময়ত হস্তক্ষেপ কৰিবলৈ নিদিছিলোঁ। তাক আঁৰি থৈছোঁ, খাবলৈ "দম" দিছোঁ, বচ্! আৰু সি কিবা বিচাৰিলে শুনিব কোনে?

(১৪) ইয়াৰ পিছত দেউতাই অলপ ভৰি চলাই, ঘোষা গাই গাই আহি বৰঘৰৰ টুপৰ মুকলি খোঁটালী এটাত শোৱে। জাৰকালি হ'লে দেউতাৰ চালপীৰাৰ ওচৰতে আফিঙৰ বহল পেৰা এটাত মাটিজুহাল কৰি লোৱা হয় আৰু কাষতে দুজন-চাৰিজন ভিতৰুৱাল মানুহ আহি বহি জুই পাৱায়। সেই সময়ত দেউতাৰ ভৰিত লগুৱা এটাই তেল-টেঙা ঘঁহে আৰু ভৰি পিটিকে; আৰু ময়েই বা শ্ৰীনাথ ককাইদেৱে মহাভাৰত বা ৰামায়ণ মেলি লৈ জাত লগাই পঢ়িবলৈ বহোঁ। মোৰ পুথি পঢ়া দেউতাই শুনিবলৈ ভাল পাইছিল দেখি, সেই বাবটো মোৰ গাত বৰকৈ পৰিছিল। পুথি শুনি থাকোঁতেই দেউতাৰ চিল্‌মিলুকৈ টোপনি আহে আৰু সেই টোপনি গভীৰ হোৱা আমি গম পালেই

আৰু যদি সেই কাকতালীয়-সংযোগ ঘটি পুথিৰো একাধ্যা পৰে, তেন্তে লাহেকৈ পুথিখন সামৰি থৈ শুবলৈ যাওঁ। কেতিয়াবা এনে সংযোগৰ সুবিধা লব খোজোঁতেই, দেউতাই "তাৰ পিছত" বুলি মাত লগাই ৰস-ভঙ্গ কৰি দিয়ে ; আৰু মনে মনে কপালকে দুষি আকৌ একাধ্যা পঢ়িবলৈ আৰম্ভ কৰিব লগীয়াত পৰোঁ। আচৰিত মানিবলগীয়া কথা যে নাম-প্ৰসঙ্গ পূজা-সেৱাৰ এনে ধুমেও আমাক নাটিছিল। ইয়াৰ উপৰিও আমি ল'ৰাবোৰ আমাৰ পুখুৰী-পাৰতে ফুলনীবাৰীৰ মাজত সৰু ( toy ) গোসাঁইঘৰ এটা সাজি লৈছিলোঁহক ; আৰু তাতো ডাঙৰ গোসাঁইঘৰৰ সমানে সমানে জোৰ মাৰি নাম-প্ৰসঙ্গ পূজা-সেৱা চলাইছিলোঁহক। দেওবাৰে বা আন কোনদিনা কোনো পৰ্বোপলক্ষত স্কুল বন্ধ হ'লে, মই সময় পালেই অসমীয়া পুথি নকল কৰিছিলোঁ। ডাঠ তুলাপাত কাটি পুথিৰ পাত কৰি তাক হাইতালেৰে বোলাই লৈ, কুট দি সমানকৈ শাৰী কাটিবলৈ বাঁহৰ চলি এচটা কাটি কুট দি শাৰী কাটি লৈ আৰু গৰুৰ মূত, শিলিখা আৰু লোহোৰাৰ ছাইৰে মহী প্ৰস্তুত কৰি লৈ মই পুথি লেখিছিলোঁ। শ্ৰীশঙ্কৰবিৰচিত একাদশ স্কন্ধ ভাগৱত পুথি দুখন মই সম্পূৰ্ণকৈ লেখি পুথি থবলৈ নিজ হাতে কাঠৰ পেৰা দুটা কৰি তাত পুথি দুখন থৈছিলোঁ। সেই পুথি দুখন সম্ভৱতঃ এতিয়াও আমাৰ শিৱসাগৰৰ ঘৰত আছে। এনে অৱস্থাৰ অন্তৰালত থাকিও যে মই বগুৰা বাই এণ্ট্ৰেঞ্চ ক্লাছ পাইছিলোঁগৈ সেইটোহে আচৰিত। কোনে প্ৰচাৰ কৰি দিছিল কব নোৱাৰোঁ, তেতিয়া শিৱসাগৰত প্ৰায় সকলোৰে মনত এনে ধাৰণা আছিল যে ছাত্ৰৰ এণ্ট্ৰেঞ্চ ক্লাছত দুবছৰ থাকিলেহে সি allow হবলৈ অৰ্থাৎ এণ্ট্ৰেঞ্চ পৰীক্ষা দিবলৈ যাবৰ যোগ্য হয়। এনে বিশ্বাসৰ বশৱৰ্তী হৈয়েই সেই কালত প্ৰায়বোৰ ছাত্ৰে এণ্ট্ৰেঞ্চ ক্লাছত উঠিয়েই, এবছৰলৈ পঢ়া-শুনাৰ গুৰি বঠাখন এৰি দি, ৰং-ধেমালিত উটি গৈছিল। বাস্তৱিকতে সেই দেখিযেই এবছৰীয়া ছাত্ৰৰ allow নহৈছিল। একেই মই ব'চী নাচনিয়াৰ, তাতে যেতিয়া এণ্ট্ৰেঞ্চ ক্লাছত উঠি এই নাতিনীৰ বিয়া দেখিলোঁ, মোক আৰু পায় কোনে ? মোৰ পঢ়া-শুনাই মোক চা মোক চা কৰি ডেও দিবলৈ ধৰিলে ; আৰু মই মোৰ কিতাপ-পত্ৰবোৰ বৰ-চাঙত তুলি থৈ দি নিশ্চিন্ত হলোঁ। ফলত সম্পূৰ্ণ এবছৰ মোৰ নপঢ়া-নুশুনা নামৰ বুপহী মদাৰ জোপা জক্‌মকীয়া হৈ ফুলিল, তল ভৰি সৰিল আৰু গুৰু-ভকত ক'তো তাৰ ফুল এপাহি নালাগিল।

দ্বিতীয় বছৰ মই যুৱলি কান্ধত ললোঁ। পণ্ডিত হবৰ মনে "ছেকেণ্ড লেংগুইজ" সংস্কৃত ললোঁ। আমাক সংস্কৃত পঢ়োৱা পণ্ডিতজন যে সংস্কৃতত পৈণত আছিল, এনে মনে নধৰে। মই তেওঁৰ তলত সংস্কৃত পঢ়িবলৈ ধৰিলোঁ ; মোৰ বিদ্যাৰ "দৌৰ" দেখি তেওঁ আশ্বস্ত হ'ল আৰু ময়ো ভাবিলোঁ যে মই খুব সংস্কৃত শিকিলোঁ। কিন্তু দুখৰ কথা কি কম আনবোৰ বিষয়ত চুচৰি-বাগৰি "পাছ" হৈও, সংস্কৃতত দিলো মাৰি ডাঙৰ "ফেল !" অথচ মই ভাবিছিলো যে সংস্কৃতত মই এজন মহামহোপাধ্যায় হৈ উঠিছিলো।

এইবাৰ মোৰ লগৰীয়া জনচেৰেক এণ্ট্ৰেঞ্চ পৰীক্ষাত উঠি কলিকতাত পঢ়িবলৈ গ'ল ;

আৰু মই থাকিলো দাঁত চেলাই পাৰি। মনত এনে খিঙাৰ লাগিল আৰু কি কম! দৃঢ়সঙ্কল্প কৰিলো, যে অহা বছৰত মই ভালকৈ মন দি পঢ়ি এণ্ট্ৰেঞ্চ পৰীক্ষাত উঠিমেই উঠিম। আমাৰ ঘৰত পঢ়িবলৈ বহিলে নানা বাধা-বিঘিনি ওলাই মোৰ মন বিক্ষিপ্ত কৰে, সেইদেখি মই মনক এশিকা দিবৰ নিমিত্তে, আমাৰ ঘৰৰ ওচৰতে থকা ৰাজহুৱা নামঘৰত মনে মনে বহি পঢ়িবলৈ থিৰ কৰিলো। এই নামঘৰৰ কথা মই আগেয়ে কৈছো। ৰাজহুৱা পূজা-সবাহৰ সময়ত নামঘৰটো সাৰি মচি পৰিষ্কাৰ কৰা হয়, নতুবা সি নিৰ্জন নিস্তব্ধভাৱে থাকি উদণ্ডীয়া গৰু-ঘোঁৰাৰ বাহ হৈ পৰে। মই নামঘৰটোৰ ভিতৰৰ চুক এটাবপৰা একাঠুৱা গোবৰ-জাবৰ নিজ হাতে সাৰি অঁতাই লৈ, তাতে স্বহস্ত-গ্ৰথিত কলাঠহুৰাৰ কঠ এখন পাৰি লৈ বহি পঢ়িবলৈ আৰম্ভ কৰিলো। পুৱাই কাউৰীয়ে কা কৰোতেই উঠি, আগৰ দৈনিক সকলো কাৰ্য কাতি কৰি থৈ মই নামঘৰত পঢ়িবলৈ সোমাওঁ, ঘৰত মোক কোনেও চকুত বাটি দিবলৈকো দেখা নাপায় আৰু স্কুললৈ যাবৰ সময়ত ওলাই গৈ লৰালৰিকৈ গা ধুই, নমোকৈ সন্ধ্যা সামৰি, চকুৰে-কাণে ভাত এগাল গুজি স্কুললৈ লৰ ধৰোঁ।

শঙ্কৰ মেতোৰৰ গাড়ীৰ কথা আগেয়ে কৈ আহিছোঁ। সি "ৰাতাৰাতি" যেনেকৈ ডাঙৰ মানুহ হৈ উঠিছিল, তেনেকৈ "ৰাতাৰাতি" আকৌ ফকিৰ হ'ল। দৈৱদুৰ্বিপাকত তাৰ গাড়ী-ঘোঁৰা সকলো নাইকিয়া হ'ল আৰু ঘৈণীয়েকেও তাক এৰি গুচি গ'ল। মনৰ বেজাৰত শঙ্কৰ আধা-বলীয়া হৈ ফকিৰ হ'ল। তাৰ হাতত সম্বল এখন ফটা কম্বল আৰু এটা ডাঙৰ চিলিম ৰ'ল। সি একো একোদিনা আহি নামঘৰৰ ওচৰতে আমাৰ বাটচৰাত ভাং খাই পৰি থাকিছিলহি। মোক সি নামঘৰত সেইদৰে সোমাই থকাটো লক্ষ্য কৰি থাকি ভাবিলে, মই নামঘৰৰ কোনো এজনা "দেও"। এদিন সি অতি সন্তৰ্পণে গৈ মোৰ আগত দীঘল দি পৰি হাত যুৰি মোক স্তুতি কৰিবলৈ ধৰিলে। মই অবাক। তাৰ তেনে ব্যৱহাৰৰ মানে মই তাক সুধিলত, সি মোক যি ক'লে, সেই কথা শুনি মোৰ হাঁহিত পেটুনাড়ী ছিগিবলগীয়া হ'ল। সি কিন্তু তাৰ বিশ্বাসত অটল। তাৰ ভুল ভাঙিবৰ চেষ্টা কৰিও মই অকৃতকাৰ্য হলো। লাহে লাহে নামঘৰত "দেও" দেখা পোৱা কথা সকলোৰে আগত প্ৰকাশ কৰি দিলে আৰু মোৰ পাঠ-প্ৰকোষ্ঠৰ গুপ্তৰহস্য ভেদ হ'ল। মাতৃদেৱীয়ে এদিন মোক শঙ্কৰৰ সেই কথা উলিয়াই হাঁহি হাঁহি ক'লে, "বাৰু ভাল হৈছে, তই ভালকৈ মন দি নামঘৰতে পঢ়, তোক কোনেও মাত-বুলি আমনি কৰিবলৈ নিদিওঁ।" যি হওক সেই বছৰতে (খৃষ্টাব্দ ১৮৮৬) শঙ্কৰ মেতোৰৰ দেৱতাই দ্বিতীয় বিভাগত এণ্ট্ৰেঞ্চ পৰীক্ষা "পাছ" কৰিলে। মোৰ সৈতে মোৰ সহপাঠী, ডিম্বেশ্বৰ বৰুৱাৰ পুতেক চন্দ্ৰশেখৰ বৰুৱা আৰু হেড্‌মাষ্টৰ চন্দ্ৰমোহন গোস্বামীৰ পুতেক শুভ্ৰেন্দুমোহন গোস্বামীও দ্বিতীয় বিভাগত উত্তীৰ্ণ হ'ল। সেই কালত আজি-কালিৰ দৰে প্ৰথম বিভাগত সৰহ, দ্বিতীয় বিভাগত তাতকৈ তাকৰ আৰু তৃতীয় বিভাগত তাতোকৈ তাকৰ ল'ৰা "পাছ" হোৱা দেখা নগৈছিল। তেতিয়া

প্ৰসঙ্গক্ৰমে ইয়াৰ ওলোটা প্ৰকাৰে প্ৰথম, দ্বিতীয় আৰু তৃতীয় বিভাগত ছাত্ৰ উত্তীৰ্ণ হোৱাটোহে প্ৰচলিত ৰীতি আছিল।

ইয়াৰ পিছত মোক কলিকতাত পঢ়িবলৈ পঠিওৱাৰ কথা লৈ বিষম সমস্যা উপস্থিত হ'ল। দেউতাৰ ইচ্ছা নাই যে তেওঁ কলিকতাত আৰু এটা ল'ৰাক পঢ়িবলৈ পঠিয়াই হেৰুৱায়; কাৰণ তেওঁৰ মতে আগৰ দুটা ল'ৰাক কলিকতাত পঢ়িবলৈ পঠিয়াই, তেওঁ একৰকম হেৰুৱাইছিল; দেউতাৰ ইচ্ছা, মই অসমতে ওকালতি পৰীক্ষা দি শ্ৰীযুত কালিপ্ৰসাদ চলিহাৰ দৰে উকীল হওঁ। মোৰ কিন্তু প্ৰবল ইচ্ছা যে মই কলিকতাত পঢ়ো। মোৰ ইচ্ছাৰ প্ৰধান সমৰ্থক মই দুজন ককাইদেওক পালো—শ্ৰীযুত বিনন্দ ককাইদেৱে মোৰ বাট-খৰচৰ নিমিত্তে ধন যোগালে। শ্ৰীযুত গোবিন্দ ককাইদেও তেতিয়া গোলাঘাটত আছিল; তেওঁ শিৱসাগৰলৈ আহি মোক কলিকতালৈ পঠিয়াবলৈ দেউতাক বৰকৈ আমিন কৰিবলৈ ধৰিলে। অন্তত মোৰ কলিকতালৈ যোৱাই থিৰাং হ'ল।

## ॥ সপ্তম অধ্যায় ॥

কলিকতাৰ কালীঘাটত থাকি মোৰ পঢ়িবৰ দিহা হ'ল। কালীঘাটত হালদাৰ উপাধিকাৰী বঙ্গালী বামুণ এঘৰত মোৰ নিবাসস্থান থিৰ কৰা হ'ল। এনে বন্দবস্তৰ মানে—যাতে মই অসমীয়া ছাত্ৰৰ "মেছ"ত থাকি জাতৰূপে মোত অৱতাৰ হোৱা শিশুটিক বধ কৰিব নোৱাৰোঁ। মই কলিকতালৈ যাত্ৰা কৰাৰ আগতে পিতৃদেৱতাই মোক মাতি আনি ওচৰতে বহুৱাই অনেক সজ উপদেশ দিলে। মই কেনেকৈ নিতৌ গঙ্গাস্নান, সন্ধ্যা, আহ্নিক আদি কৰি আৰু ঘাইকৈ নাম-প্ৰসঙ্গ কৰি চলিব লাগিব আৰু কেনেকৈ স্বাস্থ্য ৰক্ষা কৰিব লাগিব, কোন নৰিয়াত কি দৰৱ খাব লাগিব ইত্যাদি কথা তেওঁ তন্নতন্নকৈ কৈ সেইবোৰ মোৰ হতুৱাই "নোটবুক" এটাত লেখাই দিলে। সেই মূল্যবান "নোটবুক"টো আজিও মোৰ হাতত আছে। বেজাৰৰ কথা যে তাত থকা উপদেশবোৰৰ সৰহখিনি মোৰ পক্ষে dead letter অফিচত মৰা-চিঠিৰ মৰা শৱ নিচিনা হৈ পৰি আছে মাথোন। মই কলিকতালৈ যাত্ৰা কৰি ওলালোঁ। মোক কলিকতাত দিহা-পোহা লগাই থৈ আহিবলৈ মোৰ লগতে ককাইদেও এজনো ওলাল।

আমি দুয়ো কলিকতা পাই, প্ৰথমতে শাঁখাৰিভাঙ্গা নামৰ ঠাইত অসমীয়া ছাত্ৰৰ মেছ এটা বিচাৰি উলিয়াই তাতে উঠিলোঁ। এদিন এৰাতি সেই মেছতে বাস কৰি, পিছদিনা কালীঘাটৰ হালদাৰৰ ঘৰ পালোঁগৈ। আগেয়ে কেতিয়াও মই লোকৰ ঘৰত আলহী হৈ থকা নাছিলোঁ। সেই দেখি যদিও হালদাৰৰ ঘৰত মই paying guest অৰ্থাৎ গাঁঠিৰপৰা ধন দি ভাত খাই থকা আলহী হলোঁ আৰু হালদাৰ পৰিবাৰে মোক সুখে-সন্তোষে ৰাখিবলৈ যত্ন কৰিছিল, তথাপি প্ৰথমতে বঙ্গালীৰ ঘৰত অচিনাকি আঞ্জা-ভাতে মোৰ মনত বৰকৈ পীড়া দিবলৈ ধৰিলে। যেতিয়াই দুডাল চাইডাল মৰিচা শাকৰ ঠাৰি, এচিৰা কি দুচিৰা ছাজনাগুটিৰ ডোখৰ-চেৰেকেৰে চৰ্চ্চৰীয়া, এহেতা মগুমাহৰ পানী আৰু ক্ষুদ্ৰ এটুকুৰা মাছেৰে সৈতে মচলা দি ক'লাকৈ ৰন্ধা মাছৰ আঞ্জা আগত লৈ ভাতৰ পাতত বহোঁ, তেতিয়াই মোৰ ঘৰলৈ মনত পৰি চকুৰ পানী ওলায় আৰু জলা আঞ্জাই সেই পানীত পোহ দিয়ে। মোৰে সৈতে ৰাহি-যোৰা নহা এনে আহাৰে ৰুগীয়া মোক দুই-চাৰি দিনতে আৰু ৰুগীয়া কৰি পেলালে। মই সুৰেন্দ্ৰবাবুৰ ৰিপন কলেজত নাম লগাইছিলোঁ। দিনো ট্ৰেম-গাড়ীত উঠি মই কালীঘাটৰপৰা মিৰ্জাপুৰ ষ্ট্ৰীটস্থ ৰিপন কলেজলৈ পাৰি দিবলৈ ধৰিলোঁ। সেইকালত ট্ৰেমগাড়ীক ঘোঁৰাইহে টানিছিল; আজিকালিৰ দৰে বিজুলীয়ে নহয়। একোপেটকৈ ভাত খাই ডেৰ গুণ গধুৰ হোৱা এট্ৰেম যাত্ৰীক এহাল ঘোঁৰাই প্ৰাণকাতৰে হেকেৰু-পেকেৰুকৈ টানি কলিকতাৰ অফিচ, কাছাৰী, স্কুল, কলেজৰ কাষত উলিয়াই দিয়া কাৰ্য্য সম্পাদনত, ঘোঁৰা আৰু যাত্ৰী দুই পক্ষ সমানে ভাগৰিছিল। ঘোঁৰাই নিছিল—"সবু নাৰত বৰ ভৰা। মহাপ্ৰভু ৰক্ষা কৰা॥" যাত্ৰীয়ে বুলিছিল,

"হে প্ৰভু! আজি অফিচত বৰচাহাবৰ হাতৰপৰা ৰক্ষা কৰা।" আৰু স্কুল-কলেজৰ ছাত্ৰে বেজাৰকৈ বুলিছিল—"আজি ক্লাছৰ হাজিৰাত আমাৰ 'পাছেণ্টেজ' গ'ল!"

মোক কলিকতাত পঢ়িবলৈ পঠোৱা-নপঠিওৱা হেঙ্গামে মোক কলেজত ভৰ্ত্তি হোৱাত অনেক দিনৰ পিছ পেলাই দিছিল। কলেজৰ ক্লাছত বহি দেখিলোঁ যে কলেজৰ প্ৰফেছৰে দিয়া ক্লাছ লেক্‌চৰ follow কৰাটো মোৰ পক্ষে অসাধ্য ব্যাপাৰ, অৰ্থাৎ কলেজৰ অধ্যাপকে ছাত্ৰক পঢ়াই গৈ প্ৰায়বোৰ কিতাপৰ মাজ ছোৱা নাইবা শেহ-ছোৱা পালেগৈ, অথচ মই গুৰিতে। মই পাঠ্য পুস্তকৰ দেশলৈ যাবলৈ গৰুৰ গাড়ী এখনত উঠিছো মাথোন আৰু সিফালে অধ্যাপকে আনবোৰ ছাত্ৰক লগত লৈ ৰেলৰ ডাক-গাড়ীতে উঠি ভোঁ-ভোঁ কৰে লৰিছে। নৈৰাশ্যেৰে মোৰ মন পুৰ হৈ পৰিল। আন-ফালে মোৰ গাটোও বেয়া লাগিবলৈ ধৰিলে। ক'টীয়া মাহেৰে এমাহমান এইদৰে অনুকূল অৱস্থাৰ সৈতে যুঁজি থাকি মই শোট্‌মোট্‌ খাই পৰিলো। মনত বৰ বিচাৰ্‌ লাগিল। ভাবিলো, মোৰ কলিকতাত পঢ়াসোপা আৰু হ'ল। এতিয়া ঘৰৰ ল'ৰা ঘৰলৈ উভতি যাব পাৰিলেই মঙ্গল। মোৰ লগৰীয়া ককাইদেওজনক সকলোবোৰ দুখৰ কথা ভাঙি কৈ ঘৰলৈ উভতি যাবৰ ইচ্ছা প্ৰকাশ কৰিলো। তেওঁ মোৰ দুৰৱস্থাৰ গঢ়-গতি সোপাকে লক্ষ্য কৰি আছিল; গতিকে তেৰোঁ সেইটোকে সমীচীন বিবেচনা কৰি, সেই কথা জনাই পিতৃদেৱতালৈ টেলিগ্ৰাফ কৰিলে। পিতৃদেৱতাৰপৰা ততালিকে আমাক উভতি যাবলৈ আদেশ দিয়া উত্তৰ আহিল। সেইদিনাই কলিকতাক নেওচা দি আনন্দ মনেৰে আমি দুয়ো শিয়ালদহৰ ৰেলগাড়ীত উঠিলোগৈ। সেই কালত "আসাম-বেঙ্গল ৰেল" নাছিল। যাত্ৰাপুৰ-কাওনিযাইদি সৰু ৰেল, সৰু জাহাজত উঠি আমি ধুবুৰী পালোগৈ। ধুবুৰীত তেতিয়া পিতৃদেৱতাৰ নাতিয়েক পুৰ্ণানন্দ ছোটচাহাব হৈ আছিল। দেউতাই তেওঁলৈ মোৰ বিষয়ে টেলিগ্ৰাফ দি থৈছিল; সেই দেখি আমি ধুবুৰী-ঘাট পালতে তেওঁ আমাক নিযাই তেওঁৰ ঘৰতে ৰাখিলে। মোৰ গাৰ ৰোগতকৈ মনৰ ৰোগেহে মোক বেছি পীড়া দিছিল, আৰু কলিকতা এৰি আসামমুৱা হলতে সেই ৰোগ অন্তৰ্দ্ধান হ'ল, সেই দেখি পুৰ্ণানন্দ বৰুৱাই মোক চিকিৎসা কৰাবৰ দিহা কৰোতেই মই মোৰ গা ভাল পাইছো বুলি কৈ সেই দিহা Veto অৰ্থাৎ বদ কৰিলো। তিনি-চাৰি দিন তেওঁৰ ঘৰতে থাকি আমি ডাক-জাহাজেৰে শিৱসাগৰৰ ফালে উজাবলৈ ধৰিলো। মোৰ লগৰীয়া ককাইদেওজনে গোলঘাট গৱৰ্ণমেণ্ট কাছাৰীত কাম কৰিছিল, সেই দেখি তেওঁ নেঘেৰীটিঙত নামি গ'ল। মই পিছদিনা দিচাংমুখ পালোগৈ। দিচাংমুখৰপৰা শিৱসাগৰ চহৰ আঠ-ন মাইলমান দূৰ। সেইডোখৰ বাট মই খোজ কাঢ়িযেই গলো, কাৰণ মই যে সেইদিনাই দিচাংমুখ পামগৈ সেই বাতৰি দেউতাই নাজানি মোক জাহাজঘাটৰপৰা নিবলৈ ঘোঁৰা পঠিওৱা নাছিল। আজিকালিৰ কথা ক'ব নোৱাৰোঁ, সেইকালত ঘোঁৰা বা হাতীৰ বাহিৰে আন যানৰ কথা শিৱসাগৰীয়াই ভাবিবই নোৱাৰিছিল। বৰ ৰ'দ। খোজ কাঢ়ি যাওঁতে যাওঁতে ভাগৰি বাটৰ কাষৰ পুল এটাৰ ওপৰত বহিছিলো। এখন্তেকমান বহি আছো, এনেতে

দিচাংমুখৰ ফালে খোজ লোৱা বঙ্গালী বাবু এজন মোৰ কাষ চাপি অহা দেখিলো। বাবুজনে মৰম পাতিযাই মোক সুধিলে, “মশায় কি কলিকাতা থেকে এসেছেন ?” মই “আজ্ঞে হা” বুলিলত, তেওঁ ক'লে—“বোধহয় বড় ক্লান্ত হয়ে পড়েছেন। শিৱসাগৰে যদি আৰ কেউ আপনাৰ পৰিচিত লোক না-থাকে তাহলে আপনি বাবু অক্ষয় কুমাৰ ঘোষ বলে একজন বাঙ্গালী উকীল আছেন, তাঁৰ বাসায় গিয়ে উঠবেন। অক্ষয় বাবু বৰ সদাশয় ব্যক্তি। বাঙ্গালীদেৰ জন্য তাঁৰ অবাৰিত দ্বাৰ।” মই বাবুজনক ধন্যবাদ দি উঠি আকৌ খোজ ললো। কোৱা বাহুল্য যে বাবুজনে মোক বাঙ্গালী বুলি ভ্ৰম কৰিছিল। যি হওক সন্ধ্যা লাগি ভগাৰ সময়ত মই আমাৰ ঘৰত ওলালোগৈ। মোক দেখি দেউতা আৰু আই আনন্দত বিহ্বল হ'ল। তেওঁলোকৰ হেৰোৱা ল'ৰাটো তেওঁলোকে আকৌ পালে। দেউতাই লৰি গোসাঁই-ঘৰলৈ গৈ গোসাঁইক সেৱা কৰি কৃতজ্ঞতা জনালে।

এইদৰে মোৰ কলিকতাত পঢ়াৰ প্ৰথম পৰ্বৰ ওৰ পৰিল। ইয়াৰ পিছত “টহলৰাম শৰ্মা” হৈ তিনি মাহ শিৱসাগৰত টহলি কটালো; আযে ৰান্ধি দিয়া ভাত খাওঁ, যতনাই দিয়া জলপান বজাওঁ, টৌ টৌ কৰি ঘূৰি ফুৰোঁ, মেলমাৰোঁ আৰু ঘুমটি মাৰোঁ। ওকালতি পঢ়া-ফঢ়া জহৰ্নামে গ'ল। কাছাৰীত কুৰি-টকীয়া চাকৰিত সোমাবলৈ বা এপ্ৰেণ্টিচ্ হবলৈকো শৰ্মা একেবাৰেই নাৰাজ। গতিকে ওপৰত লেখ দিয়া কাম-কেইটাৰ বাহিৰে টহলৰাম শৰ্মাই কৰে কি ? ভাগ্যে সকলো বথাৰ এটা অন্ত থকাটো বিধতাই কৰি দিছিল, সেই দেখি মোৰো এনে হেদাণ্ডি মেলা জীৱনৰ অন্ত নাথাকি যায কলৈ ? তাৰ অন্ত ওলাল। কৰ্মনাশাৰ পানী পি পি মোৰ নিষ্কৰ্মা দিনবোৰৰ পেট ঢকা-ডিঙৱা লাগিল। মোৰ মন আকৌ নৰিয়াত পৰিল। ভাবিলোঁ অলপ অসুবিধা ভোগ কৰিয়েই নপঢ়ি কলিকতা এৰি গুচি আহিলো। মই গবয় নে কবয় ? এনে হলে দেখোন মই এই সংসাৰত একোকে কৰিব নোৱাৰিম। Better late than never ‘সজ কাম নকৰাতকৈ পলমকৈ কৰাও ভাল’, এতেকে মই আকৌ কলিকতাত পঢ়িবলৈ যাম—যি থাকে কপালত। মোৰ এই নতুন সঙ্কল্পৰ কথা, সুবিধা বুজি এদিন পিতৃদেৱতাব কাণ চোৱালোঁ। দেখি আচৰিত মানিলোঁ, পিতৃদেৱতাই আপত্তি নকৰিলে। নিশ্চয তেওঁ মোক এইদৰে নিষ্কৰ্মাভাৱে সময় কটোৱা দেখি পেটে পেটে ভাল নাপাইছিল। তেওঁ ভালকৈ দেখিছিল যে ওকালতি পঢ়া বা কুৰি-পঁচিশ টকাত চাকৰি কৰাটোত মোৰ পৰিস্ফুট বিতৃষ্ণা। সেই নিমিত্তে তেওঁ দেখিলে যে মই আকৌ কলিকতাত পঢ়িবলৈ যোৱাৰ বাহিৰে আৰু নান্যঃ পন্থা বিদ্যতে ? দেউতাৰ অনুমতি পাই, এইবাৰ “বান্ধিলো মন শিলৰ খুটি, মেলিলোঁ মন ঘোঁৰাৰ ছুটি” কৈ আকৌ কলিকতা ওলালোঁগৈ। কালীঘাটত পৰ-গৃহবাস আৰু কলিকতাৰ ইমুৰত থাকি সিমুৰৰ কলেজত পঢ়িবলৈ পাৰি দিয়াৰ নিচিনা উপসৰ্গবোৰ গঙ্গাৰ জলত বিসৰ্জন দি, ৫৩ নম্বৰ কলেজ ষ্ট্ৰীটৰ বঙ্গালী ছাত্ৰৰ “মেছ” এটাত থাকিবলৈ দিহা কৰি ললোঁ। হাইকোৰ্টৰ অসমীয়া ট্ৰেঞ্চলেটৰ শ্ৰদ্ধাস্পদ শ্ৰীযুত ৰমাকান্ত বৰকাকতী সেই মেছতে

আছিল ; মৰো তেওঁৰ লগতে জাপ খালোঁগৈ। ওচৰতে চিটি কলেজ। ৰিপন কলেজ এৰি চিটি কলেজত নাম লগাই ললোঁ। মই নপঢ়ি বলিয়ালি কৰি উৰি-ফুৰি যি ছমাহ কটাইছিলো, সেই ছমাহৰ ক্ষতিপূৰণ কৰিবলৈ আঁকোৰ-গজালিকৈ মনপূতি লাগিলো। শিৱসাগৰৰ ৰাজহুৱা নামঘৰত সোমাই শঙ্কৰ মেতোৰৰ গোসাঁইৰ পদ লভি এণ্ট্ৰেন্স পৰীক্ষাত উঠিবলৈ লগা সঙ্কল্পই মোক আকৌ পালে। দেখিলো, কলেজ ক্লাছৰ কিতাপবোৰ আন আন ছাত্ৰে পঢ়ি প্ৰায় শেষ কৰিছে। আৰু ক্লাছৰ অধ্যাপকৰ লেক্‌চৰ বোৰবো অন্তিম অৱস্থা। কিন্তু Labour omnia vincit অৰ্থাৎ "যত্ন সৰ্বজয়" এই বাক্য সাৰোগত কৰি লৈ মই নৰ্ডাৰ দুগুণ উৎসাহেৰে ঘৰত ভালকৈ পঢ়িবলৈ ধৰিলো। দুমাহমানৰ ভিতৰতে মোৰ ক্ষতিবোৰৰ সৰহভাগ পূৰণ কৰি পেলালো। মই অঙ্কবিদ্যাত (Mathematics) বৰ অপটু আছিলো। এফ্‌-এ পৰীক্ষা দিবলৈ অঙ্কৰ যি বিদ্যা লাগে সেই বিদ্যাৰ area অৰ্থাৎ ক্ষেত্ৰফলো বৰ কম নহয়। সেই বিদ্যাত মই একেবাৰেই বিদ্যাদিগ্‌গজ বুলিলেই হয়। এতিয়া কৰোঁ কি ? ঈশ্বৰে উপায় উলিয়াই দিলে। মোৰ অন্তৰঙ্গ বন্ধু শ্ৰীযুত ঘনশ্যাম বৰুৱা (পিছত অনাৰেবোল ৰায়বাহাদুৰ মন্ত্ৰী ঘনশ্যাম বৰুৱা ডাঙৰীয়া) মোৰ সহায়ক হ'ল। তেওঁ তেতিয়া চতুৰ্থ বাৰ্ষিক শ্ৰেণীত বি-এ পৰীক্ষা দিবলৈ সাজু হৈছিল। সেইকালত কলিকতাত যতবোৰ অসমীয়া ছাত্ৰ আছিল, এটাইৰে ভিতৰতে তেওঁ অঙ্কবিদ্যাত বেছি অভিজ্ঞ আছিল। বন্ধু-বৎসলতা আৰু পৰোপকাৰিতা গুণতো তেওঁ সকলোৰে অগ্ৰণী আছিল। অসমীয়া ল'ৰাৰ মেছে মেছে খোঁটালীযে খোঁটালীযে গৈ তেওঁ আপোন ইচ্ছাতে আনন্দ মনেৰে ছাত্ৰক অঙ্কবিদ্যাত আৰু শক্তি অনুসাৰে আন আন বিষয়তো সহায় কৰাটো তেওঁৰ স্বভাৱৰ এটা অঙ্গ আছিল। সৰুৰেপৰা মই তেওঁৰে সৈতে একেলগে ডাঙৰ-দীঘল হোৱা মৰমৰ বন্ধু ; এতেকে তেওঁ যে মোক অতি আগ্ৰহেৰে অঙ্কবিদ্যা উপাৰ্জনত সহায় কৰিব, তাত বিচিত্ৰ কি ? তেওঁৰ স্বাস্থ্য ল'ৰাকালৰেপৰা বেয়া আছিল। কলিকতাত থাকিও তেওঁ তেওঁৰ হেৰোৱা স্বাস্থ্য লাভ কৰিব নোৱাৰিছিল। মই ন দি ক'ব পাৰোঁ, যদি তেওঁৰ স্বাস্থ্য ভাল হ'লহেঁতেন আৰু নিয়মমতে তেওঁ পৰিশ্ৰম কৰিব পাৰিলেহেঁতেন, অন্ততঃ অঙ্কবিদ্যাত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ এজন নামজলা ছাত্ৰ হৈ উঠিব পাৰিলেহেঁতেন। সুন্দৰ প্ৰকৃতি, সুমধুৰ ব্যৱহাৰ আৰু পৰৰ নিমিত্তে স্বাৰ্থত্যাগ তেওঁৰ অঙ্গৰ ভূষণ আছিল। মোৰ প্ৰতি থকা তেওঁৰ বন্ধুভাবৰ স্মৃতি মোৰ মনৰপৰা কেতিয়াও অন্তৰ্হিত নহয়।

কলিকতাত মোৰ পঢ়াৰ খৰচ আমাৰ ঘৰৰপৰা নানো বুলি মই মনতে থিৰ কৰি আছিলো। মই গুৰিৰেপৰা কলেজত নিয়মমতে নপঢ়াৰ নিমিত্তে, মোৰ স্কলাৰ্শিপ অৰ্থাৎ আসাম গৱৰ্ণমেণ্টে মোক মাহে কুৰি টকাকৈ দিয়া বৃত্তিটো বন্ধ হৈছিল। চিটি কলেজৰ গৰাকীসকলে মোৰ হৈ অনেক লেখালেখি কৰি সেইটো উদ্ধাৰ কৰি দিয়ালে। মই একেবাৰেই ছকুৰি কি সাতকুৰি টকা পালো। "কাৰ্য্যং সাধয়েৎ শৰীৰম্বা

পাতয়েৎ" কৰি মই নিশ্চিন্ত মনেৰে পঢ়িবলৈ লাগি গলো। ফলত, মই এফ্-এ পৰীক্ষাত উত্তীৰ্ণ হলো; আৰু সেই বাতৰি শুনিহে ঘৰমুৱা হলো।

ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱা ডাঙৰীয়াৰ সহধৰ্মিণী শ্ৰীমতী বিষ্ণুপ্ৰিয়া দেৱী আসামৰপৰা আহি তেওঁৰ ল'ৰা-ছোৱালীকেইটিৰে সৈতে, কলিকতাত মাণিকতলা ষ্ট্ৰীটৰ ভেৰোণীয়া ঘৰ এটাত আছিল। মই দ্বিতীয়বাৰ কলিকতালৈ আহি তেওঁলোকৰে সৈতে দেখা কৰিবলৈ গৈছিলো। ৰাযবাহাদুৰ ডাঙৰীযাই তেতিয়াও কামৰপৰা অৱসৰ লই নগাও এৰি কলিকতালৈ অহা নাছিল। বৰুৱা ডাঙৰীয়াৰ একো একোটি পুতলা যেন ল'ৰা-ছোৱালীৰে সৈতে কি সুন্দৰ পৰিবাৰটি! তেওঁৰ সাদৰী সহধৰ্মিণীয়ে আদৰ-সাদৰৰ মাত-কথাৰে তিলেকতে মোৰ শ্ৰদ্ধা আকৰ্ষণ কৰি পেলালে। সম্বন্ধত ডাঙৰীযানীৰ মই মোমাযেক হওঁ। তেওঁৰ ঘৰলৈ গলেই তেওঁ "মোমাইদেও ইয়াতে বহক, এইটো খাওক, সেইটো চাওক", ইত্যাদি আদৰৰ মাতেৰে সদায় মাক-বাপেকৰ আদৰ পাই থকা আৰু ঘৰ এৰি প্ৰবাসত থকা এই home sick অৰ্থাৎ নিজঘৰ-কাতৰুৱা ল'ৰাটোৰ নিমিত্তে তেওঁলোকৰ প্ৰবসুৱা ঘৰখন একেবাৰেই নিজা ঘৰ যেন কৰি পেলাইছিল। তেওঁৰ জীয়কে শ্ৰীমতী স্বৰ্ণলতাই তেতিয়া বেথুন স্কুলত পঢ়িছিল। অসমীযা ছোৱালীৰ পক্ষে সেইটো নতুন কথা। মোৰ আপোন ভনীৰ দৰে স্বৰ্ণৰ সৰল ব্যৱহাৰত মই মুগ্ধ হৈছিলো। শ্ৰীমান জ্ঞানদাভিৰাম (এতিয়া জে, বৰুৱা স্কোয়াৰ, বেৰিষ্টৰ-এট্-ল, প্ৰিণ্চিপেল, আৰ্ল-ল কলেজ) তেতিয়া নুমলীযা সৰু ল'ৰা। তেওঁক মই কোলাত লৈ, বোকোচাত তুলি মৰম কৰি নথৈ সন্তোষ লভিছিলো। তেওঁ গঢ় আৰু বৰণত হুবহু এটি য়ুৰোপীয থোলোকা ল'ৰা যেন আছিল। তেওঁৰ বৰ ককাইদেৱেক কৰুণা আৰু মাজু ককাইদেৱেক কমলাও বগা আৰু দেখনিয়াৰ ল'ৰা আছিল। কি পৰিতাপৰ বিষয়, এনে দুটি ল'ৰা অকালতে পৰলোকলৈ গ'ল। ডাক্তৰ নন্দকুমাৰ ৰায় নামেৰে এজন বিলাতত ডাক্তাৰী পঢ়ি অহা বঙ্গালী ভদ্ৰলোকেৰে সৈতে শ্ৰীমতী স্বৰ্ণলতাক বিয়া দিয়া হৈছিল। দুজনী সৰু ছোৱালীৰে সৈতে স্বৰ্ণলতাক বিধৱা কৰি থৈ ডাক্তৰ ৰায়ো অকালত পৰলোকলৈ গ'ল। বিষ্ণুপ্ৰিযা দেৱীয়ে "নীতিকথা" নামেৰে নীতিগৰ্ভ কিতাপ এখনি ৰচনা কৰিছিল। মন কৰিবলগীয়া কথা যে পইত্ৰিশ-ছয়ত্ৰিশ বছৰৰ আগেয়ে অসমীয়া ভদ্ৰমহিলা এজনাই শুৱলা আৰু প্ৰাঞ্জল অসমীয়া ভাযাত এনে এখনি গ্ৰন্থ ৰচনা কৰিছিল। ডাঙৰীযানী বিষ্ণুপ্ৰিয়া যে বহুৰঙ্গী-বিজ্ঞ প্ৰবীণ সাহিত্যক "আসাম-বন্ধু"ৰ সম্পাদক সুবিখ্যাত ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাৰ উপযুক্ত সহধৰ্মিণী—এই কাৰ্যই সেইটোকে ভালকৈ প্ৰমাণ কৰে।

মই তেতিয়া কলিকতাৰ ৫৩ নম্বৰ কলেজ ষ্ট্ৰীটৰ অসমীয়া আৰু বঙ্গালী ছাত্ৰৰেৰে সান-মিহলি মেছত। এই মেছৰ গাতে লগা ১৪।১, প্ৰতাপচন্দ্ৰ চাটুৰ্জীৰ লেনত এটা অবিমিশ্ৰ অসমীয়া ছাত্ৰৰ মেছ আছিল। শ্ৰীযুত সত্যনাথ বৰা, শ্ৰীযুত দেৱীচৰণ বৰুৱা, ৺কালীকান্ত বৰকাকতী, ৺ঘনশ্যাম বৰুৱা (অনাৰেবোল ৰায়বাহাদুৰ), শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ (ৰায়বাহাদুৰ), শ্ৰীযুত গজানন বৰুৱা, শ্ৰীযুত গোপীনাথ

বৰদলৈকে প্ৰমুখ্য কৰি অসমীয়া ছাত্ৰসকল এইটো মেছত আছিল। তেতিয়া আসাম সাহিত্যাকাশত "আসাম-বন্ধু"ৰ অস্ত আৰু "মৌ"ৰ উদয়। "মৌ" বিলাতৰ কুপৰ্ছহিল কলেজত পঢ়ি অহা শ্ৰীযুত বলিনাৰায়ণ বৰা ইঞ্জিনীয়ৰ চাহাবৰ অসমীয়া মাহেকীয়া কাকত। বৰা চাহাবৰ ভায়েক ৺হৰনাৰায়ণ বৰাৰ গাত "মৌ"ৰ সম্পাদকীয় ভাৰ নামত, ককায়েক বৰা চাহাবহে সম্পাদক কামত। ১০০ নম্বৰ বহুবাজাৰ ষ্ট্ৰীটৰ ছাপাখানা এটাত "মৌ" ছপা হৈছিল। সুযোগ্য বলিনাৰায়ণ বৰাৰ কাপৰ বলত "মৌ"ৱে প্ৰথমৰেপৰা বঙ্গলুৱা কাকতবোৰৰ দৰে গতানুগতিকভাৱে নচলি, অৰ্থাৎ কলিকতীয়া বঙ্গালীয়ে চলোৱা কাকতবোৰৰ নেজত ধৰি নগৈ, স্বাধীন চিন্তাৰ বাট ধৰি যাবলৈ ধৰিলে। আমি তেতিয়া বঙ্গলুৱা কাকতৰ বিদ্যাৰ খুন্দ খোৱা অসমীয়া ছাত্ৰৰ মোনা। আমাৰ মুৰ মেলি দিলেই বঙ্গলুৱা বিদ্যাৰ মাহ-সৰিয়হ ওলাই পৰে। নতুন কংগ্ৰেছৰ ৰাজনৈতিক মতৰ কমাৰ-শালে আমাৰ মন পুৰি ৰঙাকৈ থৈছিল। আমাৰ অচিনাকি আওবাটে "মৌ"ক যোৱা দেখি আমি টিঙিৰি-তুলা যেন হলোঁহক। আৰু আমি যেতিয়া দেখিলো যে কংগ্ৰেছ-বিৰোধী ইংৰাজী "ইংলিশমেন" কাকতত "মৌ"ৰ প্ৰশংসা ওলাল, আমাক আৰু পায় কোনে? আমি প্ৰতাপচন্দ্ৰ চাটুজীৰ লেনৰ মেছত বহি সভাৰ উপৰি সভা কৰি "মৌ" মাৰিবলৈ ক'কালত টঙালি বান্ধি উঠিলোঁহক। ৺কালীকান্ত বৰকাকতী আৰু ৺মথুৰামোহন বৰুৱাৰ (পিছত "Advocate of Assam" কাকতৰ সম্পাদক) নেতৃত্বত জনচেৰেকে বৰা ডাঙৰীয়াৰ effigy অৰ্থাৎ ধানখেৰৰ জুমুধিৰে সজা মূৰ্তি পুৰিবলৈ ওলাল। আমি শাঁতি-শুতি এৰি টাংগুটি ওফৰাদি উফৰি ফুৰিবলৈ ধৰিলোঁহক। মই আৰু মথুৰামোহনে মহাপৰাক্ৰম প্ৰদৰ্শন কৰি "মৌ"লৈ প্ৰতিবাদ প্ৰবন্ধ লেখি পঠিয়াইছোঁ। প্ৰবন্ধ ছপা হ'ল। বৰা ডাঙৰীয়াই "সম্প্ৰতি কলিকতা-নিবাসী শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাই" বুলি আৰম্ভ কৰি মোৰ প্ৰতিবাদ-প্ৰবন্ধৰ উত্তৰ সেই প্ৰবন্ধৰ লগে লগে ছপাই উলিয়ালে। মনত আছে, আমাৰ "মৌ" মাৰিবৰ চেষ্টা যে ব্যৰ্থ, সেইটো বুজাবলৈ বৰা ডাঙৰীয়াই "মৌ"ত লেখিলে—"যি গছত মৌৱে বাহ লৈছে, সেই গছ হালি নপাৰিলে মৌ নমৰে।" কিন্তু দুখৰ বিষয়, আমাৰ misdirected energy অৰ্থাৎ কুপথেদি নিযোজিত শক্তিৰ বলত মৌৱে বাহ লোৱা গছ পৰিল হালি। মৰিল "মৌ"। আমি লৰালি কৰি তেতিয়া নুবুজিছিলোঁ যে "মৌ"ৰ নিচিনা এনে ভাল কাকত এখন বধ কৰি আমাৰ দেশৰ কি অনিষ্টকে সাধন কৰিলো! সম্ভৱতঃ আমাৰ ওপৰত বিৰক্ত হৈ বৰা ডাঙৰীয়াই তেতিয়াৰেপৰা অসমীয়া ভাষাত লেখা একেবাৰেই এৰি দিলে; কাৰণ তাৰ পিছৰপৰা আজিলৈকে তেওঁৰ কাপৰপৰা অসমীয়াত আৰু একো ওলোৱা আমি দেখা পোৱা নাই।

ডাঙৰীয়া হৰিবিলাস আগৰৱালাৰ সুযোগ্য পুত্ৰ বন্ধুবৰ শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাই তেতিয়া বোধকৰোঁ, কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ দ্বিতীয় বাৰ্ষিক শ্ৰেণীত এফ্-এ পঢ়িছিল। কলিকতাৰ বৰবজাৰত ১০ নম্বৰ আৰ্মেনিয়ান ষ্ট্ৰীটত তেওঁলোকৰ ব্যৱসায়ৰ নিজা কুঠি আছিল। শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা তাতে থাকি তেওঁলোকৰ

বেহাবেপাৰৰ কাৰ্য্যৰ তত্ত্বাৱধান কৰিছিল আৰু কলেজতো পঢ়িছিল। যিদিনা প্ৰথমতে তেওঁৰে সৈতে মোৰ চিনা-জনা হয়, সেই দিনাৰপৰাই তেওঁৰ হাঁহিমুখ, মিঠা কথা আৰু মোহন ব্যৱহাৰে মোৰ মন তেওঁৰ ফালে টানি নিলে। অচিৰতে আমাৰ দুইৰো মাজত বন্ধুতাৰ ঘনিষ্ঠতা সংস্থাপিত হ'ল। তেওঁৰ মনৰ ঢাল সাহিত্য-চৰ্চাৰ ফালে; আৰু মোৰো তথৈৱচ। তেওঁ "জোনাকী" নামেৰে এখন মাহেকীয়া অসমীয়া কাকত উলিয়াবলৈ থিৰ কৰি আমাৰে সৈতে পৰামৰ্শ কৰিলে। মই তেওঁক সেই কাৰ্য্যত নথৈ উৎসাহ দি "জোনাকী"লৈ প্ৰবন্ধ লেখিবলৈ সাজু হলো। ১৮১০ শকৰ মাঘ মাহত "জোনাকী"ৰ প্ৰথম সংখ্যা ওলাল। সেই সংখ্যাবেপৰা এবছৰলৈকে লেছাৰি নিছিগাকৈ মোৰ "লিটিকাই" তাত ওলাবলৈ ধৰিলে। একাধাৰে সম্পাদক, কাৰ্য্যাধ্যক্ষ আৰু স্বত্বাধিকাৰী শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাই "জোনাকী"ৰ নিমিত্তে অশেষ পৰিশ্ৰম কৰিবলৈ ধৰিলে। প্ৰথম সংখ্যাত তেওঁৰ সুলিখিত "আত্মকথা"ই জোনাকীৰ উদ্দেশ্য শুৱলাকৈ কৈ দিলে। "আত্মকথা"ত লেখিছিল, "অসমত কাকতৰ গতি কচুপাতত পানীটুপি'ৰ দৰে। মানুহৰ চেষ্টা অজৰ-অমৰ বুলি জানিহে আমাৰ সাহ, উদ্যোগীয়ে মৰণ কি ক'ব নোৱাৰে। জীৱনেই হৈছে কাৰ্য্যশীল, কৰিবলগীয়া কাম কৰিম—ফল লাভ পাছৰ কথা। কামৰ চকবিৰ তলত বহু মৰেও, জীয়েও; মৰি জীহে সংসাৰৰ কাৰ্য্য সাধিব পাৰি। আমাৰ উদ্দেশ্য কি অনেকে সুধিব। সম্প্ৰতি ইয়াকে ক'লেই হব যে আমাৰ কাৰ্য্য দেখি আমাক সকলোৱে বুজিব পাৰিব—আমাৰ কামটি বুজিব নোৱাৰা সাঁথৰ নহয়। ৰাজনীতি আমাৰ "ৰাজ্য"ৰ বাহিৰ, এই পৰাধীন দেশত "প্ৰজানীতি"হে ধৰিবলগীয়া। সাহিত্য, বিজ্ঞান, সমাজ ইত্যাদি আমাৰ আলোচনাৰ বিষয়—এইবিলাক সাধ্যমতে বুজিবলৈ আৰু প্ৰকাশ কৰিবলৈ যত্ন কৰিম। "বাদ", "প্ৰতিবাদ' আমি আদৰেৰে আমাৰ কোলাত ঠাই দিম। সেইবুলি ব্যক্তিগত নিন্দাক ওচৰ চাপিবলৈ নিদিওঁ। ভাষালৈ আমাৰ বিশেষ চকু থাকিব। অসমৰ আটাই শ্ৰেণীৰ মানুহে যেন আমাক মৰম কৰে তালৈ আমি যত্ন কৰিম। নকৈ উঠি অহা অসমৰ নিমিত্তে আমাৰ আটাই শক্তি ব্যয় কৰিম। এই পাছ পৰি থকা আন্ধাৰ দেশলৈ অলপ 'জোনাক' সুমুৱাব নোৱাৰিলেও, যদি নিজ্রে নিজেও যত্নৰ ফিৰিঙ্গতিৰ পোহৰত বাট পাওঁ তেনে আমাৰ শক্তিৰ মিছা ব্যয় হোৱা নাই বুলি ভাবিম। আমি জানো আমাৰ দেশ শিক্ষাত পাছ, জ্ঞানত ভিখাৰী, ধনত দুখীয়া, সংখ্যাবলত শক্তিহীন, স্বাস্থ্যত ৰুগীয়া, কামত এলেহুৱা ও পৰাধীন—কিন্তু আমি নিজশক্তি অনুযায়ী হৈহে কামত হাত দিব পাৰোঁ। আমি যুঁজিবলৈ ওলাইছোঁ "আন্ধাৰ"ৰ বিপক্ষে। উদ্দেশ্য—দেশৰ উন্নতি "জোনাক"। কিমানলৈ আগ বাঢিব পাৰিমহক সেইটো নিজৰ শক্তিচালনা ও সুযোগৰ ওপৰতহে বৈ আছে। আটাইযে উঠিপৰি লাগোঁহক, সুযোগও আপুনি ওলাবহি; পাটীত পৰি দিন গণিবৰ সময় নাই। চাৰিওফালে হুৰহুৰাই "কাম" চলিছে—অসমীয়া বহি থাকিবনে? এই ভাপ-নাও, ভাপ-ৰথ, বিজুলী-ডাকৰ দিনতো যদি হাত-ভৰি কোঁচাই বহি থাকোঁহক, তেনে আৰু আগ বাঢ়ি যোৱাসকলৰ লগ

ধৰিবলৈ আশা কৰিব নোৱাৰি। আমি নিজকে নিজে "যোগ্য" নকৰিলে অন্যে কৰি নিদিয়েহি। এই সংসাৰেই হৈছে যোগ্যৰ ঘৰ। অযোগ্য অধঃপাতলৈ যাব—Survival of the fittest—পাঠকে দায় নধৰিব, এইখিনিতে সুন্দৰ ইংৰাজী কথা এফাকি তুলি দিলো, তাৰ অৰ্থ ওপৰত দিয়া হৈছে। তু"হৰ জ.ইৰ দৰে অসমীয়াৰ "তেজ" আৰু উৎসাহ এতিয়া ভাগ্যৰ জাপৰ তলত লুকাই আছে—এবাৰ ভমকাই উঠিবই উঠিব।

এবাৰ বঙ্গদেশৰ বৰ্দ্ধমানত বহা 'প্ৰভিঞ্চিয়েল কনফৰেঞ্চ'ত সুপ্ৰসিদ্ধ বেৰিষ্টাৰ এ. চৌধুৰীয়ে (পিছত ছাৰ আশুতোষ চৌধুৰী নাইট্, কলিকতা হাইকোৰ্ট জজ) কৈছিল "A subject nation has no politics" অৰ্থাৎ পৰাধীন জাতিৰ ৰাজনীতি বুলি এটা বস্তু নাই, অৰ্থাৎ পৰাধীন জাতিয়ে ৰাজনীতি চৰ্চা কৰাটো বিড়ম্বনা মাথোন। সেইকালত এই নতুন বচন শুনি ভাৰতত ৰাজনৈতিক আন্দোলন কৰোঁতা-সকল জ্বলি উঠিছিল। বোম্বাইৰ সিংহ ছাৰ ফিৰোজ স্যাহ-মেহটা, দিনছা ৱাচা, আনকি মহাত্মা গোখলেও আৰু বেঙ্গলৰ সুৰেন্দ্ৰনাথ বানুজ্জী প্ৰভৃতিয়ে এই বচনৰ (dictum) দুৰ্ঘোৰ প্ৰতিবাদ কৰিছিল। কিন্তু তেওঁলোকে প্ৰতিবাদকে কৰক বা খণ্ডকে কৰক, এইটো ঠিক যে এই বচনৰ সত্যতা সকলোৱে আনকি তেওঁলোকেও হাড়ে-হাড়ে মজ্জায় মজ্জায় অনুভৱ নকৰি নাথাকিছিল। আচৰিত কথা নহয় নে, প্ৰবীণ ৰাজনৈতিকৰ মুখৰপৰা ওলোৱাৰ অনেক কালৰ আগেয়েই, অল্প-বয়সীয়া ছাত্ৰৰ "জোনাকী"ৰ সম্পাদক শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাৰ ল'ৰা-মুখৰপৰাও এই কথাই ওলাইছিল?

ওপৰত কৈ আহিছো যে প্ৰথম বছৰৰ "জোনাকী"ৰ প্ৰতি সংখ্যাতে মোৰ "লিটিকাই" ওলাইছিল। ন লেখাৰু আৰু ন বোৱাৰী একেখন ফলিতে উঠে। ন লেখাৰু মই; সেই দেখি মোৰ "লিটিকাই" পঢ়ি লোকে কি ক'ব, কি বুলিব, এই ভয়ত মই চকু খাই ফুৰিছিলো। কোনোবাই "জোনাকী"ত ওলোৱা "লিটিকাই"ৰ কথা উলিয়ালে মই সেই ঠাইৰপৰা উঠি সুৰ সুৰ কৰে পলাইছিলো আৰু পলাব নোৱাৰিলে লাজত আধোবদন হৈছিলো; অথচ লোকে কি কয় শুনিবৰো নথৈ মন। যি হওক "লিটিকাই" পঢ়ি সকলোৱে ৰং পোৱা দেখি মোৰ উছাহ বাঢ়িছিল। কোনোৱে নেদেখাকৈ লুকাই মই "লিটিকাই" ৰচনা কৰিছিলো। "লিটিকাই" কবিতা নহয়; ৰচোঁতাজন কবিযশ-প্ৰাৰ্থীও নহয়; গতিকে কলিকতাৰ ইডেন উদ্যানেৰে সৈতে "লিটিকাই" আৰু "লিটিকাই" ৰচক বাপুদেউৰ কি সম্বন্ধ লাগিছিল আজিলৈকে মই ভাবি নাপাওঁ। কিন্তু ভাৱৰপৰা আঘাইতং লিটিকাযে ইডেন গাৰ্ডেনৰ গছৰ তলত বাপুদেউৰ "চুণ খাই মৰিব" বুজি বাপুদেউৰ গাত শূদ্ৰ-বধ পাতক লগাবলৈ গৈছিল। কথাযাৱৰ বাকলি গুচাই কেঁওটো কাটি ভিতৰখন দেখুৱাবলৈ গলে ক'ব লাগিব যে শনিবাৰ-দেওবাৰৰ দিনা মই ইডেন উপবনৰ নিজান গছৰ তলত, বেঞ্চৰ ওপৰত বহি "লিটিকাই"ৰ একো আধ্যা লেখি লৈ মোৰ থকা ঠাই মেছলৈ উভতি আহিছিলো। "লিটিকাই" সাধুটো মনত আছিল; গতিকে ভাবি-চিন্তি কোনো 'প্লট' plot নগাঢ়ি একেবাৰেই লেখি গৈছিলো। প্ৰথমতে

বালিৰ কাকতত পেঞ্চিলেৰে যি লেখি গৈছিলো, কাটি-কুটি নষ্ট কৰিবলৈকে নাইবা ভাল কাকতত নকল নকৰাবৈয়ে তাকে ছপা কৰিবলৈ শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাৰ হাতত মনে মনে গুজি দিছিলো; আমাৰ বন্ধু-বৎসল আগৰৱালাই সম্পাদকীয় বা কাৰ্যাধ্যক্ষীয় নিয়মাৱলীৰ কোনো বাণকে সেই কুন্ধচ লেখাৰ বিপক্ষে টোণৰপৰা নাটানি, হাঁহি মাৰি তাক হাত মেলি লৈ গৈ তপতে তপতে "জোনাকী"ৰ বুকুত সুমাই দিছিল।

প্ৰথম সংখ্যা "জোনাকী"তে আগৰৱালাৰ "বনকুঁৱৰী" কবিতাটি ওলায়। যিসকলে আগেয়ে ভাবিছিল যে অসমীয়া ভাষাত বৰ্তমান কালৰ উপযোগী শুৱলা কবিতা ( poem ) লেখিব নোৱাৰি, এই কবিতা পঢ়ি সেই সকলৰ ভ্ৰান্তি গ'ল। মনত আছে, এদিন ৰায়বাহাদুৰ জগন্নাথ বৰুৱা বি-এ আৰু মাণিকচন্দ্ৰ বৰুৱাই মোৰ হতুৱাই "বনকুঁৱৰী" কবিতাটো পঢ়াই শুনি বিস্ময-বিমিশ্ৰিত আনন্দ লভিছিল। মই স্পষ্ট বুজিব পাৰিছিলো যে তেওঁলোকে আগেয়ে ভাবিবকে নোৱাৰিছিল যে ৱৰ্ডছৱৰ্থৰ কবিতাৰ নিচিনা এনে মনোৰম কবিতা এটা কলেজত পঢ়া অসমীয়া ছাত্ৰৰ এজনে অসমীয়া ভাষাত ৰচনা কৰিব পাৰে। ইয়াৰ পিছত দ্বিতীয় সংখ্যা "জোনাকী"ত শ্ৰদ্ধাস্পদ বন্ধু শ্ৰীযুত হেমচন্দ্ৰ গোস্বামীৰ "কাকো আৰু হিয়া নিবিলাওঁ" নামৰ প্ৰেমৰ কবিতা ওলাল। এই কবিতাটো অনেকৰ মনত সন্তোষ দিছিল। ৺ঘনশ্যাম বৰুৱাৰ ( ৰায়বাহাদুৰ ) গদ্য প্ৰবন্ধ "আত্মশিক্ষা", "চিন্তানল"ৰ শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্যৰ "পাহৰণি" কবিতা আৰু সম্পাদক আগৰৱালাৰ মুকুতাৰ মণিৰ নিচিনা "নীৰৱ" কবিতাই এই বছৰৰ "জোনাকী"ক সুবেশ আৰু সুগন্ধীৰ কৰি তুলিছিল।

দ্বিতীয় বছৰত জোনাকীক, ১০ নং আৰ্মেনিয়ান ষ্ট্ৰীটৰ পৰা ২ নং ভবানীচৰণ দত্ত লেনৰ অসমীয়া ছাত্ৰৰ মেছলৈ তুলি অনা হয়। শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাও তেওঁলোকৰ আৰ্মেনিয়ান ষ্ট্ৰীটৰ ঘৰৰপৰা আহি সেই মেছবাসী হ'ল। তাতে আগৰৱালা, শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী আৰু এই লেখক এই তিনি অন্তৰঙ্গ বন্ধুৰ একত্ৰ সমাবেশ ঘটিল, আৰু তিনিও "জোনাকী"ৰ উন্নতি কাৰ্যত ব্যস্ত হৈ পৰিলোঁহক। এই ত্ৰাহস্পাৰ্শৰ ফলত "জোনাকী" প্ৰবন্ধসম্পদেৰে চহকী হৈ উঠিল। ৺ৰত্নেশ্বৰ মহন্তৰ "অসমত মান", ৺লম্বোদৰ বৰাৰ "অসমীয়া ভাষাৰ আখৰ-জোঁটনি", ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱা ডাঙৰীয়াৰ "সোমাৰ ভ্ৰমণ", ৺বিষ্ণুপ্ৰসাদ আগৰৱালাৰ "শঙ্কৰদেৱ" কোলাত লৈ "জোনাকী"য়ে ৰাইজৰ সভাত প্ৰৱেশ কৰিলে। এই লেখকৰ "কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা" এই দ্বিতীয় বছৰৰ "জোনাকী"ৰ এসংখ্যাতে আৰম্ভ হয়। এবছৰৰ জোনাকীৰ চেষ্টাই অসমীয়া ভাষাৰ কঁকালত অনেক বল দিলে, আৰু ভাষা-আকাশত পুৱাৰ পোহৰ পৰিল। অসমীয়া ভাষাটো আমাৰ অলাগতিয়াল বস্তু, কিছুমান ইংৰাজী শিক্ষিত অসমীয়াৰ যে এনে এটা অদ্ভুত সংস্কাৰ আছিল, সেইটোৱে বৰকৈ জোকাৰ থালে। এই শাৰীৰ মানুহকে লক্ষ্য কৰি দ্বিতীয় বছৰৰ "জোনাকী"ৰ "আত্মকথা"ত লেখা হৈছিল—"দুখৰ বিষয়—অসমীয়া ভাষাটো যে আমাৰ লাগতিয়াল, তাক কোনো কোনো অসমীয়াই দকৈ গমি নেচাই উপলুঙা কৰে।······হায়! হায়!

অসমীয়া মানুহে নিজ ভাষাৰ উন্নতিলৈ পিঠি দিয়াৰ কাৰণে কতখিনি কাকত উপজি মৰিব গ'ল, সদাশয় পাঠকসকলে এবাৰ তাক সুঁৱৰিব বহি কান্দোক।"

মাতৃভাষাৰ ভালৰ অৰ্থে আমি অকল "জোনাকী" উলিয়ায়ে বহি থকা নাছিলো। "অসমীয়া ভাষা উন্নতি সাধিনী সভা" নামেৰে সভা এখন স্থাপন কৰি তাৰ উন্নতি সাধন কৰিবলৈ প্ৰাণপণে লাগি গৈছিলোঁহক। এই বছৰৰ "জোনাকী"ত ছপা হোৱা অ· ভা· উ· সা· সভাৰ কাৰ্য-বিৱৰণ পঢ়িলেই তাৰ আভাস পোৱা যায়। এই লেখক সেই সভাৰ সম্পাদক আছিল। তেওঁ লেখা বছেৰেকীয়া কাৰ্য-বিৱৰণৰপৰা অলপ তুলি দিলো। এই বছেৰেকীয়া সভা ১৮১২ শকৰ ২০ আহিনত ২ নং ভবানীচৰণ দত্তৰ লেনৰ ঘৰত বহিছিল আৰু তাৰ সভাপতি আছিল ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱা।

জন্মৰ সংক্ষেপ বিৱৰণ: কলিকতাত থকা অসমীয়া ছাত্ৰসকলৰ "টি পাৰ্টি" (অৰ্থাৎ চাহ খোৱা মেল) নামেৰে এখন সম্মিলনী আছিল। সেই সম্মিলনী প্ৰতি শনিবাৰে গধূলি অসমীয়া ডেকাসকলৰ কোনো এটি বহাত বহি সেইসকলৰ মাজত পৰস্পৰ সদ্ভাৱ-প্ৰীতি আদি উৎপন্ন কৰাৰ প্ৰধান উপায় সাধিছিল। আৰু সেই সুযোগতে তাত দেশহিতকৰ ভাল ভাল বিষয়বিলাকৰ অলপ অলপ আলচ হৈছিল। সেই আলচৰ ফলস্বৰূপে এই "অসমীয়া ভাষা উন্নতি সাধিনী সভা"ৰ জন্ম। পৃথিৱীৰ ইতিহাসলৈ চকু দিলে দেখিবলৈ পোৱা যায় যে এই জগতত যতবিলাক ডাঙৰ ডাঙৰ কাৰ্যৰ অনুষ্ঠান হৈছে প্ৰায় সকলোবোৰৰ উৎপত্তিৰ সূত্ৰপাত এনে সৰু কাৰ্য বা ক্ষুদ্ৰ ঘটনাৰপৰা হৈছে। বিলাতী পণ্ডিত জনছন্ এডিছনৰ দিনৰ "কফি হাউছ" ইউৰোপ, এছিয়া আৰু আমেৰিকা জুৰি পৰা বহুত ডাঙৰ কথাৰ ওপজা ঠাই। এতিয়াও অসমীয়া ভাইসকলৰ এই নগণ্য ক্ষুদ্ৰ "টি পাৰ্টি"ৰ পৰা গজালি মেলা পুলি "অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ" ডালপাত যে কালক্ৰমত প্ৰকাণ্ড আকাৰ ধৰি এশ যোজন ব্যাপী পৰিৱৰ সম্ভৱ তাক কোন অসমীয়াৰ ওখ আশাৰে চপচপীয়া হিয়াই নুই কৰিবলৈ আগবাঢ়িব পাৰিব? ১৮১০ শকৰ ভাদ মাহত (ইংৰাজী ১৮৮৮ চনৰ ২৫ আগষ্ট তাৰিখে) ৬৭ নং মিৰ্জাপুৰ ষ্ট্ৰীটৰ বহাত হোৱা "টি পাৰ্টি"ত অসমীয়া ভাষাৰ উন্নতি সাধিবৰ অৰ্থে এখন সভা কৰিবৰ প্ৰস্তাৱ হৈ সেই প্ৰস্তাৱ কাৰ্যত পৰিণত হোৱাৰ ফলস্বৰূপে "অসমীয়া ভাষা উন্নতি সাধিনী সভা"ৰ জন্ম হয়।

এই সভাৰ উদ্দেশ্য হৈছে অসমীয়া ভাষাৰ উন্নতি সাধন কৰা। সেই উদ্দেশ্যৰূপ মহামন্ত্ৰক হিয়াত ঠাই দি এই সভাই "অসমীয়া ভাষা উন্নতি সাধনী" নাম লৈ উপজিছে। কেঁচুৱা মাতৃভাষা কেনেকৈ ডাঙৰ দীঘল হব, কেনেকৈ সি পৃথিৱীৰ আন আন ধনী আৰু উন্নতিশীল ভাষাৰ সমান হৈ আপোন গৌৰৱবেলিৰ পোহৰ চাৰিওফালে পেলাই দুখীয়া আৰু এন্ধাৰ অসমৰ মুখ পোহৰাব পাৰিব; কেনেকৈ সি দুৰ্বল, ৰুগীয়া আৰু জীৰ্ণ অৱস্থাৰপৰা সবল, সুস্থ আৰু শকত অৱস্থা পাব, তাৰ উপায় সাধনেই এই সভাৰ উদ্দেশ্য।

এই উদ্দেশ্য সাধন কৰিবলৈ সভাই অসমীয়া পুথিবিলাক একে ঠাইতে গোটাবলৈ

যত্ন কৰিছে। পুৰণি পুথিবিলাক যাতে নষ্ট নেপায় আৰু ক্ৰমে ছপা হৈ প্ৰকাশিত হয় সভা তাৰো চেষ্টাত আছে। আসামৰ সকলো বিধৰ পঢ়াশালিতে যাতে অসমীয়া ভাষা প্ৰচলিত কৰা হয় আৰু অসমীয়া ল'ৰা-ছোৱালীয়ে যাতে নিজ নিজ ভাষা সুকলমে পঢ়িবলৈ পায়, তাৰ নিমিত্তে অসমৰ শিক্ষা বিভাগৰ অধিকাৰসকলৰ মনোযোগ আকৰ্ষণ কৰা ; লেখা-পঢ়া কাৰ্যত অশুদ্ধ ব্যাকৰণ, অশুদ্ধ বৰ্ণবিন্যাস ক্ৰমে লোপ কৰি তাৰ স্থলত পৰিশুদ্ধ ভাষা ব্যৱহাৰ কৰিবলৈ পঢ়াশালি আদিত দূষিত ভাষাৰ পুথিৰ সলনি শুদ্ধ ভাষাৰ পুথি চলাবৰ নিমিত্তে আন্দোলন কৰিবলৈ ; শ্ৰীধৰ কন্দলি, ৺শঙ্কৰদেৱ আদি পুৰণি গ্ৰন্থকাৰ আৰু কবিসকলে লিখা পুথিবিলাকৰ টান টান ভাগৰ টীকা-টিপ্পনী লেখিবলৈ আৰু দোষ-গুণ আলচ কৰিবলৈ ; আমাৰ ভাষাত নোহোৱা লাগতিয়াল পুথিবিলাক সংস্কৃত বা আন ভাষাৰপৰা অনুবাদ কৰি বা সংক্ষিপ্ত সাৰ সংগ্ৰহ কৰি আমাৰ ভাষালৈ আনিবলৈ , আসামৰ আগৰ দিন বা এতিয়াৰ বিবিলাক ধৰ্মনীতি, সমাজনীতি, ৰাজনীতি আৰু খেল, মেল, গাওঁ-ভূঁইৰ আনুপূৰ্বিক বৃত্তান্ত আছে, তাক সংগ্ৰহ কৰি এখন বিস্তৃত বুৰঞ্জী লেখিবলৈ ; দেশৰ ইতৰ সাধাৰণ সকলো শ্ৰেণীৰ মানুহৰ ভিতৰত যাতে লেখা-পঢ়াৰ চৰ্চা হয় তাৰ নিমিত্তে উজু উপায় উলিয়াবলৈ , বাৰ্তাৰি—কাকতৰ প্ৰতি লোকৰ আগ্ৰহ বঢ়াবলৈ ; আৰু অসমৰ সকলো অঞ্চলতে এটা মাত্ৰ লিখিত ভাষাৰ সৃষ্টি কৰিবলৈ সভাৰ যত্ন থাকিব।

অসমীয়া পুথি—এই সভাই অসমীয়া পুৰণি আৰু নতুন পুথিৰ নাম অতি যতনেৰে সংগ্ৰহ কৰি এটি তালিকা কৰি ৰাখিছে।··· এই পুথিবিলাকৰ নাম সংগ্ৰহ কৰাৰ উদ্দেশ্য এই—

(১) অসমীয়া ভাষাক যে ভাষা নহয় বুলি কোনোৱে কয়, তেনেকুৱা ভাষা নোহোৱা ভাষাত নো কিমান পুথি হব পাৰে, তাক জানি, সেই মতাৱলম্বী লোকসকলৰ মতত নো কিমান সাৰ বা পলস আছে সেই কথা বুজাৰ সুগম হ'ব। আৰু যিটো বস্তুৰ উন্নতি কৰিবলৈ যোৱা হৈছে সেইটো নো কি মাত্ৰক বস্তু তাৰ আকৃতি-প্ৰকৃতি, গঢ়-পিত কি আৰু সি কিমান ডাঙৰ-দীঘল, শকত-আৱত সেইবোৰ জনাটো অতি লাগতিয়াল কথা।

(২) পুৰণি কালৰপৰা আজিলৈকে অসমীয়া মানুহৰ মানসিকতাৰ কি প্ৰকাৰ ক্ৰমবিকাশ হৈ আহিছে, তাক জানিবৰ ঘাই উপায় হৈছে এই পুথিবিলাক অসমীয়া মানুহৰ মন-ৰাজ্যৰ, দেহ-ৰাজ্যৰ আৰু ধৰ্ম-ৰাজ্যৰ আনুক্ৰমিক আৰু জলজলীয়া প্ৰাস লগা বুৰঞ্জী অসমীয়া পুথিবিলাকৰ পিঠিয়ে অমূল্য দাৰ্শনিক আৰু ঐতিহাসিক সত্যবোৰ লোৰ পেৰাত হীৰা-মৰকত মণি-মাণিক থোৱা দি থৈছে। আমাৰ হাত, ভৰি, মূৰ ইত্যাদি যেনেকৈ আমাৰ শৰীৰৰ অঙ্গ আৰু সেইবোৰ নহলে যেনেকৈ আমাৰ শৰীৰ সম্পূৰ্ণ নহয়, অতীতৰেপৰা লেখা হৈ অহা অসমীয়া পুথিবিলাক সেইদৰে অসমীয়া সমাজ-শৰীৰ, অসমীয়া সাহিত্য-শৰীৰ আৰু অসমীয়া ধৰ্ম-শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গ ; আৰু সেইবোৰ নাথাকিলে বা লোপ পালে এই তিনিটা প্ৰকাণ্ড শৰীৰ খোৰা, কোঙা আৰু

চাকোলা হ'ব। এই পুথিবোৰেই এই তিনিটা বিৰাট দেহৰ উৎপত্তি, বৃদ্ধি আৰু বিকাশৰ প্ৰধান সাক্ষী। * * *

(৩) পুৰণি পুথিবিলাক আমাৰ পুৰণি বস্তু। বস্তু যেনেকৈ পুৰণি হলেও অকামিলা নহয়, বৰং তাৰ মোল বাঢ়েহে, সেইদৰে আমাৰ পুৰণি পুথিবিলাক আমাৰ আমোলা সম্পত্তি। আমাৰ উপৰি-পুৰুষসকলে তাক আৰ্জি আমি পো-নাতিহঁতলৈ থৈ গৈছে। এতিয়া আমি সেই বাপতি-সাহোন ৰাখি থাব লাগে। তাক কৰিব নোৱাৰিলে আমি তেওঁলোকৰ পো-নাতি বুলি কবৰ যোগ্য নহওঁ। * * * ভাৰতবৰ্ষত ৩০০-৪০০ বছৰৰ আগেয়ে কেইটা জাতিৰ বোপা-ককাই অসমীয়াৰ দৰে ১২ স্কন্ধ ভাগৱত, ১৮ পৰ্ব মহাভাৰত, ৭ কাণ্ড ৰামায়ণ আৰু পুৰাণ-তন্ত্ৰাদি প্ৰায় ৫০০ খন পুথি নিজ মাতৃ-ভাষালৈ ভাঙি ৰচি থৈ গৈছিল ? শুনিলে আচৰিত হব লগা কথা।'

তৃতীয় বছৰৰ "জোনাকী"যে আকৃতি-প্ৰকৃতিত আৰু ৰচনা আদিৰ বিষয়ত বিস্তৰ উন্নতি লাভ কৰিছিল। এই বছৰৰ "জোনাকী"ৰ সম্পাদকতা কৰিবৰ ভাৰ এই লেখকৰ গাত সম্পূৰ্ণৰূপে পৰিছিল। প্ৰিয়বৰ শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী আৰু "জোনাকী"ৰ সৰ্বস্ব শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাৰপৰা তেওঁ অৱশ্যে এই কাৰ্যনিৰ্বাহত যে অনেক সহায় পাইছিল, তাক কোৱা বাহুল্য মাথোন। ৺লম্বোদৰ বৰা, শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা (ৰায়বাহাদুৰ), ৺ৰত্নেশ্বৰ মহন্ত, শ্ৰীযুত কনকলাল বৰুৱা (ৰায়বাহাদুৰ), ৺লক্ষেশ্বৰ শৰ্মা, শ্ৰীযুত ৰজনীকান্ত বৰদলৈ, ৺প্ৰাণীন্দ্ৰনাথ গগৈ ইত্যাদিৰ প্ৰবন্ধেৰে জোনাকীৰ জেউতি চৰি পৰিছিল। ৺ৰত্নেশ্বৰ মহন্তৰ "মোৱামৰীয়া বিদ্ৰোহ" নামৰ বহুমূলীয়া প্ৰবন্ধবোৰ এই বছৰৰ "জোনাকী"তে ওলাইছিল। শ্ৰীযুত হেমচন্দ্ৰ গোস্বামীৰ উল্লেখযোগ্য সুন্দৰ "জোনাকী" কবিতাই এই বছৰৰ প্ৰথম সংখ্যা "জোনাকী"ক প্ৰথমতে আদৰি নি বাইজৰ সভাত বহুৱাই দিছিল। এই লেখকৰ নগণ্য "পদুমকুঁৱৰী" উপন্যাসো এই বছৰৰ "জোনাকী"তে।

চতুৰ্থ বছৰৰ "জোনাকী"ও এই লেখকৰ সম্পূৰ্ণ সম্পাদনাত পৰিচালিত। পঞ্চম বছৰত মই যদিও "জোনাকী"ত অনেক ৰচনা দিছিলো, কিন্তু সম্পাদক হৈ থকা নাছিলোঁ। "জোনাকী" ১৮নং আমহাৰ্ষ্ট ষ্ট্ৰীটৰপৰা সেই মেছবাসী অসমীয়া ছাত্ৰসকলৰ দ্বাৰা পৰিচালিত হবলৈ ধৰিলে। শ্ৰীযুত সোণাৰাম চৌধুৰী সেই বছৰৰ "জোনাকী"ৰ প্ৰকাশক। যি হওক, প্ৰবন্ধগৌৰৱত এই বছৰৰ "জোনাকী"যেও আগৰ কেইবছৰৰ "জোনাকী"ৰ সম্মান অক্ষুণ্ণ ৰাখিব পাৰিছিল বুলি মোৰ বিশ্বাস। ষষ্ঠভাগ "জোনাকী"ৰ প্ৰকাশক শ্ৰীযুত মীনধৰ হাজৰিকা। এই ভাগৰ সম্পৰ্কেও পঞ্চম ভাগৰ সম্বন্ধে কোৱা কথা নাখাটিবৰ কাৰণ নেদেখোঁ। ইয়াৰ পিছত "জোনাকী"য়ে আকাৰ সলাই ডাঙৰ আকৃতিৰে শ্ৰদ্ধাস্পদ সাহিত্যিক সুলেখক শ্ৰীযুত সত্যনাথ বৰা বি-এল্ ডাঙৰীয়াৰ সম্পাদকতাত গুৱাহাটীৰপৰা ওলাবলৈ ধৰে। তাৰপৰাই ৩ বছৰৰ ৩ ভাগ ওলাই "জোনাকী" চিৰকাললৈ অন্তৰ্ধান হয়। কোৱা বাহুল্য যে বৰা ডাঙৰীয়াৰ বিচক্ষণ

হাততো "জোনাকী"ত মোৰ "আৰ্জি", "চৌনিচম্পা", "কেকো ককা", "জয়ন্তী", "পুত্ৰবান পিতা" নামৰ সৰু গল্পবোৰ ওলায়।

২নং ভবানীচৰণ দত্তৰ লেনৰ মেছত থাকোতেই আমি ভ্ৰমৰঙ্গৰ ভাৱনা কৰোঁহক। ভ্ৰমৰঙ্গ ছেক্সপিয়েৰৰ "কমেডি অব্ এৰৰ্ছ"ৰ অসমীয়ালৈ ভাঙনি। ৺ৰত্নেশ্বৰ বৰুৱা, শ্ৰীযুত ৰমাকান্ত বৰকাকতী, শ্ৰীযুত গুণাভিৰাম বৰুৱা, ৺ঘনশ্যাম বৰুৱা এই চাৰিজনে গোট খাই এই ভাঙনি কৰে। শ্ৰীযুত শিৱৰাম বৰদলৈ আৰু লেখক সহায়ক হয়। এই কাৰ্য্যত আগৰপৰা অন্তলৈকে ৺ৰত্নধৰ বৰুৱাৰ বৰ উৎসাহ আছিল। ভ্ৰমৰঙ্গ নামটো শ্ৰীযুত শিৱৰাম বৰদলৈৰ দান। তেওঁ "ভ্ৰমৰং ভ্ৰান্তিমূলং" বুলি তাৰ সংস্কৃত ব্যুৎপত্তি ( derivation ) উলিয়াই আমাক হঁহুৱাইছিল।

## ॥ অষ্টম আধ্যা ॥

তেতিয়া মই জেনেৰেল এছেম্‌ব্লি কলেজৰ তৃতীয় বাৰ্ষিক শ্ৰেণীত। "পলগ্ৰেভ্‌ছ গোল্ডেন্‌ ট্ৰেজাৰি অব্‌ লিৰিক্স" নামৰ ইংৰাজী কবিতাৰ সংগ্ৰহ মোৰ পাঠ্য। তাৰ উপৰি বাইৰন, শ্যেলি, কীট্‌ছৰ কবিতাবোৰ আৰু কবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতাবোৰ লিখিছোঁ। কবিতাৰ বৰষুণৰ জাকৰ ওপৰত জাক পৰি মোৰ মন একেবাৰেই "প্ৰেমৰস"ত আৰ্দ্ৰ। মোৰ মনৰ বহল পথাৰখন বাইৰনৰ কবিতাই কোমলালে, শ্যেলিৰ কবিতাই হাল বালে, কীট্‌ছৰ কবিতাই মৈয়ালে আৰু ৰবীন্দ্ৰৰ কবিতাই এনে কৰিলে যে তাত লাহী ধানৰ কঠীয়াৰতো কথাই নাই, বিহমনা, কোট্‌কোৰা, পথৰুৱা বিহলঙনি আৰু চোৰাতকে আদি কৰি যিহৰে গুটি হওক পৰিলেই, সিয়েই ভৰভৰ কৰি গজি "মোক চা" কৈ উঠিব। বঙ্গালীয়ে কবৰ নিচিনা, তেতিয়া মোৰ মনৰ "অৱস্থা সঙ্গীন"; অৰ্থাৎ বন্দুকত "সঙ্গীন" (bayonet) চৰোৱা বিধৰ। সপোনত কেনেবাকৈ মই বিতচকু এযোৰ পালো। সেই অপৰূপ বিতচকুবোৰৰ গুণত মই জগৎ গোটেইখনকে দেখিবলৈ ধৰিলো।

I slept and dreamt that life was beauty

যিপিনেই চাই পঠিয়াওঁ সেইপিনেই পুঞ্জীভূত সৌন্দৰ্য্য, স্তুপীকৃত মাধুৰ্য্য, ৰাশীকৃত আন। জলত মধু, থলত মধু, মানুহত মধু, ফলত মধু। আকাশে মধু বৰষিছে, বতাহে মধু বলাইছে। মোৰ মনত প্ৰেম আৰু ভাল পোৱা এই দুটাৰ chemical combination অৰ্থাৎ ৰাসায়নিক সংমিশ্ৰণ ঘটি ভয়ানক খেলি-মেলি লাগি পৰিল। এজনী চিলনীৰ দৰে এছাটি মলয়া বতাহে, "চিলনীৰ জীয়েক"ৰ দীঘল চুলি যেন মোৰ দীঘল মনটো উৰাই নি ক'ৰবাত তুলিলে; মন উধাও, উদাস হ'ল। ক্ষন্তেকে ক্ষন্তেকে তাৰ পৰিৱৰ্তন এবাৰ সি ৰঙৰ ৰহ-ঘৰা আৰু চকু-চাওঁতেই অভাৱৰ তাড়নাত অথিৰ।

সুখ ভৰা এ ধৰায়
মন বাহিৰিতে চায়,
কাহাৰে বসাতে চায় হৃদয়ে!
তাহাৰে খুঁজিব দিক-দিগন্ত।

মন উৰি গৈ কোনোবা নজনা-নুশুনা দেশত ওলাই মোৰে নিচিনা কোনোবাই কত বীণ বাই প্ৰেমৰ সুমধুৰ সুৰেৰে নিজক মতলীয়া আৰু জগতক বলীয়া কৰিছে; মোৰে নিচিনা কাৰ চকুৰে চিকুণ পুৰাৰ পোহৰ পোহৰাইছে, চাবলৈ ব্যাকুল হৈ উঠিল।

যেমন দখিণে বায়ু ছুটেছে!
কে জানে কোথায় ফুল ফুটিছে!
তেমনি আমিও যাব
নাজানি কোথায় দেখা পাব!

কাৰ সুধাস্বৰ মাঝে
জগতেৰ গীত বাজে,
প্ৰভাত জাগিছে কাৰ নয়নে !
কাহাৰ প্ৰাণেৰ প্ৰেম অনন্ত !
তাহাৰে খুঁজিব দিক্-দিগন্ত !

থকা ঘৰৰ তিনি মহলাৰ চালত উঠি অকলৈ নিস্তব্ধ নিশা পূৰ্ণিমাৰ জোনৰ ফালে অনিমেষে চাই থাকি টোপনিক ওচৰ চাপিবলৈ নিদিয়া হলোঁ। ফুল এটা বুটলি পালে, তাকে চকুৰ আগত লৈ ঘূৰাই-পকাই তাৰ ৰেহ-ৰূপ চাই ৰঙত বিভোৰ হবলৈ ধৰিলোঁ। মোৰ গচ-গতি দেখি কোনোবাই "সেইটো কি ?" বুলি সুধিলে মই উত্তৰ দিওঁ,—

আমি স্বপনে ৰয়েছি ভোৰ
সখি, আমাৰে জাগাইও না।

মনত আছে, এদিন ওলোটা ৰথৰ দিনা শিয়ালদহৰ ফালে বহা হাটৰপৰা ছটা পইচা দি তিনিজোপা গোলাপ-গছ কিনিলোঁ। তিনি অনা দুই পইচাৰে তিনিটা মাটিৰ "টব্" বা "পট" ( গামলা ) আৰু মাটি কিনি আনি সেই টবত গোলাপ তিনিজোপা ৰুই পানী দি পতি কৰিবলৈ ধৰিলোঁ। গোলাপৰ ওচৰত বহি গোলাপক সোধোঁ—

বল গোলাপ মোৰে বল্,
তুই ফুটিব সখি কবে ?
চাঁদ হাসিছে সুধা হাস,
বায়ু ফেলিছে মৃদু শ্বাস,
পাখী গাইছে মধু ৰবে,
তুই ফুটিবি সখি কবে ?

এআহমানৰ মূৰত যোতিয়া তাবে এজোপাই এটা কলি পেলালে মোৰ মহা আনন্দ, মহা উছাহ, —যেন মই পুত্ৰ-ৰত্নহে লাভ কৰিবলৈ গৈছোঁ। কলিটো ফুলিল। মেমেৰা গছৰ মেমেৰা কলি, মেমেৰা ফুল। কিন্তু হলে কি হব, তথাপি সি মোৰ চকুত পদ্মলোচন। মোৰ আনন্দৰ পাৰ নাই। ফুলটোৰে সৈতে কথা পাতোঁ আৰু তাক চুই চুই মৰম কৰোঁ। এনেকৈ হাত লগাই মৰম কৰোঁতে এদিন তাৰ পাহিবোৰ পৰিল সৰি। মোৰ চকুত পানী ওলাই গ'ল। বুজিলোঁ মৰমৰ আলসুৱা বস্তুক এইদৰে দৌৰাত্ম্য কৰিবলৈ গলেই এনে ফল হয়। থিৰ কৰিলোঁ আজিৰপৰা মৰমৰ সমলক দূৰৰপৰাহে মৰম কৰিম। মনত থেলালে, জোন-তৰাক এই দেখিয়েই আমি হাত লগাব নোৱাৰাকৈ ঈশ্বৰে দূৰৈত থৈ দিছে। জোন-তৰা মানুহৰ হাতে চুকি পোৱাহেঁতেন, মানুহে দুদিনতে সিহঁতৰ কণ-কঠীয়া মাৰিলেহেঁতেন। আমাৰ ভিতৰৰ কাজুৱাসকলে নিশ্চয় তাত কল-কাৰখানা ( workshop ) বহুৱাই নাগমাটি পোৱা চিম্‌নিৰ ধোঁৱাৰে জোন আৰু তৰাক চুৰা চৰুৰ তলি যেন কৰি পেলালেহেঁতেন। যি হওক, মনৰ দুখ মনতে গুপুত কৰি থৈ আকৌ ন ফুলৰ আশাৰে গোলাপ-গছ কেইজোপাত পানী-দুনি দি যত্ন

কৰিবলৈ ধৰিবলোঁ। এদিন আমাৰ দেশৰ এজন ব্যৱসায়-বাণিজ্য কৰোঁতা ভদ্ৰলোক বন্ধুৱে মোৰ সৈতে দেখা কৰিবলৈ আহি, মোক সেই মেমেৰা গোলাপ গছ কেইজোপা এইদৰে "টব"ত ৰুই যত্ন কৰা দেখি মিচিকিয়া হাঁহি মাৰি ক'লে, "বাৰু এইকেইডাল টবত ইমানকে যত্ন কৰি ৰুই কি লাভ হৈছে ? ইয়াতকৈ যদি তিনিজোপা মৰিচৰ গছ ইয়াত ৰুলাহেঁতেন তেন্তে ভাত খাবলৈ দুটা-চাৰিটা মৰিচকে পালাহেঁতেন।" কথাষাৰ মোৰ আমঠু সৰাকি গ'ল ; ভাবিলোঁ কি unpoetic মন্তব্য ! ইয়াৰ কিছুদিনৰ পিছত মোৰ ইমান আপডাল সত্বেও গোলাপ গছ কেইজোপা হালধীয়া পৰি মৰি গ'ল। ভাবিলো, গোলাপে ব্যৱসায়ী বন্ধুৰ সেই নিদাৰুণ, নিৰ্মম মন্তব্য শুনি অভিমানত প্ৰাণ পৰিত্যাগ কৰিলে।

মোৰ তৰ-চেঙেলী মনটোক লৈ এইদৰে কলৰ-জপৰ কৰি থাকোঁতেই, এদিন দলগুত শাল মাছ পৰাদি ঘপহ কৰে পাৰিলো—প্ৰেমত ! নকলেও হব যে এজনী সুন্দৰীৰ। হায়, কি চকু, কি মুখ, কি চুলি ! আহা কি ৰূপ ! অৱশ্যে সেই কালৰ মোৰ হৈছে এই "হায়" ! "হায়" ! "আহা" ! "ইহি" ! বোৰ উচ্চাৰিত। ভাবিলোঁ, এই বস্তুটিকে আজি অত দিন মই হাবাথুৰি খাই বিচাৰি ফুৰিছিলোঁ। তেতিয়াই ঠাকুৰ কবিৰ গান মোৰ মুখেদি ফুটি ওলাল—

আমাৰ পৰাণ যাহা চায়,
তুমি তাই, তুমি তাই গো !
তোমা ছাড়া আৰ এ জগতে
মোৰ, কেহ নাই কিছু নাইগো !

মোৰ হৃদয়ত ভাবৰ লহৰী উঠিল। আন সকলো চিন্তা-চৰ্চা সেই লহৰীয়ে উটাই নিলে। ৰূপহীৰ আগত নিবেদন জনালোঁ—

তোমাৰ সকলি ভাল লাগে
ওই ৰূপৰাশি !
ওই খেলা, ওই গান, ওই মধু হাসি
ওই দিয়ে আছ ছেয়ে জীৱন আমাৰি,
কোথায় তোমাৰ সীমা ভুবন মাঝাৰে !

কিন্তু ৰূপহী নিমাত। অথচ ৰূপহীৰ মুখৰ ভাব-ভঙ্গীত মোৰ সকলো নিবেদনৰ সঁহাৰি পাওঁ। যি হওক, নিমাতী কন্যাৰ উদ্দেশ্যে ইংৰাজী, বঙ্গলা, অসমীয়া এই তিনি ভাষাত প্ৰেম-কবিতা (love poem) ৰচনা কৰি মোৰ কলেজ ক্লাছৰ নোট লেখা এক্সৰ্ছাইজ বহীকেইটা ভৰাই পেলালোঁ। তেতলাৰ চালত অকলৈ অকলৈ ভৰি চলাই জাত লগাই ইংৰাজী গান ধৰোঁ—

Her hands are white as sdow
O white as snow !
O Brignal banks are wild and fair
Greta woods are green !

এদিন "Her hands are white as snow" গাওঁতেই এজনে শুনি পিছফালে থিয় দি সুধিলে, "বোলো বৰুৱাদেও, কাৰ হেণ্ড্‌ছ আৰ হোৱাইট এজ্ স্নো ?" মই উচপ্ খাই উভতি চাই লাজত বঙা পৰি পকা থেকেৰাটো যেন হলো। কিন্তু ততালিকে নিজকে চম্ভালি প্ৰকৃতিস্থ হৈ সেই প্ৰশ্নৰ উত্তৰ নিদি আন কথা উলিয়াই সেইটো ঢাকি পেলালো।

ইযাৰ পাছত ভাবিলো, মোৰ এই অমূল্য কবিতাবোৰ মাহেকীযা কাকতৰ পাতত তুলি অমৰ কৰি ৰাখিব লাগিল। মোৰ ৰচিত ইংৰাজী কবিতা-ৰত্নবোৰ (gems) কলৈ পঠিয়াম ভাবি নেপালো। অসমীয়াবোৰ "জোনাকী"লৈ পঠিওৱাকে থিৰ কৰি হঠাৎ মনত খেলালে—যদি মোৰ নগৰীযাসকলে এই কবিতাৰ ৰোগৰ বাতৰি পাই পুনঃ উলিয়াই লৈ মোক হাড়-ভঙা ঠাট্টা-তামাচা কৰে, তেনেহলে হৈছে আৰু। ইয়াকে ভাবি সেইফালে দুৱাৰ নেমেলাটোকে পিছত থিৰ কৰিলো। দুৱাৰ নিৰ্বিঘ্নে মেলিব পাৰি মাথোন এখন। সেইখন বঙ্গলা কবিতাবোৰলৈ। বোলো আভুৱা নাম এটা দি এটা দুটাকৈ বঙ্গলা মাহেকীয়া কাকত দুখনলৈ সেইবোৰ নপঠিয়াওঁ কিয় ? এইটোকে সাৰোগত কৰি দিলো দুখন বঙ্গলা কাকতলৈ মোৰ দুটা প্ৰেমৰ কবিতা পঠিয়াম। আভুৱা নাম ললো "শ্ৰীৰঙ্গলাল চট্টোপাধ্যায়"। এমাহ গ'ল, দুমাহ গ'ল মোৰ কবিতা-কোৱামণি দুধাৰিৰ কোনো উৱাদিহ নেপালো। কাকত দুখন আহিলেই আথেবেথে মেলো আৰু পাত লুটিয়াই চাই মোৰ কবিতা-ভৈযাই দুটিৰ মুখ নেদেখি জ'ই পৰি যাওঁ। অলপৰ পিছতে, অহা মাহত ওলাব বুলি আকৌ স'জাল ধৰো, কিন্তু "পুনৰেৰ পাপী, পুনৰেৰ দৰিদ্ৰ"।

শেষত সম্পাদক দুজনলৈ দুখন চিঠি লেখিলো মোৰ কবিতা পাইছেনে নাই ? যদি পাইছে ছপা হবনে নহয ? যদি নহয়, মোলৈ যেন ওলোটাই পঠিওৱা হয, কাৰণ মই তাৰ নকল ৰখা নাই। দুই সম্পাদকলৈ লেখা দুখন চিঠিৰ ভিতৰত দুটা ডাক-টিকট সুমাই দিলো। আৰু পুনঃ বুলি তলতে এশাৰী যোগ কৰি দিলো যে মই তেওঁলোকৰ কাকতৰ গ্ৰাহক আৰু হিতাকাংক্ষী।

এজন সম্পাদক নিশ্চয় অৰসিক বা বেৰসিক। তেওঁৰপৰা উত্তৰ আহিল—"আপনাৰ কবিতাটি ছাপাইবাৰ অযোগ্য। ফেৰৎ পাঠাইলাম।" আনজন যে ৰসিক তাৰ ভুল নাই। তেওঁ লেখিলে—"আপোনাৰ কবিতাটি আমাৰ ৱেষ্টপেপাৰ বাস্কেটে যত্নপুৰ্বক ৰেখে দিয়েছি। সেখানে থেকে তুলে নিয়ে আপনাৰ কাছে পাঠাতে কষ্ট হল। পাৰিলাম না ক্ষমা কৰিবেন। আপুনি নিশ্চয় স্কুল কি কলেজেৰ ছাত্ৰ। কবিতা লিখিবাৰ বৃথা প্ৰয়াস পৰিত্যাগ কৰিয়া পাঠ্য পুস্তকে মনোযোগ দিলে বাধিত হব।" এই উত্তৰ পাই মই খণ্ডত ঘৃতাহুতি হলো। ৰসিক সম্পাদকৰ ৰসটোপা চেপি উলিয়াই দিওঁ বুলি গালি পাৰি তেওঁলৈ এখন চিঠি লেখি দিলো। চিঠিৰ মৰ্ম যে, তেওঁ কাকতৰ সম্পাদকতা কৰিবৰ উপযুক্ত নহয়। কাৰণ প্ৰকৃত কবিতা কাক কয় তেওঁ নুবুজে। তেওঁৰ কাকত ৰাজ্যৰ অপদাৰ্থ প্ৰবন্ধেৰে ভৰপুৰ, সেই দেখি মই তেওঁৰ কাকতৰ পাতেৰে মোৰ

জোতাৰ ধূলিহে মচোঁ, ইত্যাদি। সম্পাদকে মোৰ এই চিঠিৰ কোনো উত্তৰ নিদিলে। মই ভাবিলো মোৰপৰা এনেকা পাই সম্পাদকৰ ৰস শুকাল। কিন্তু সম্পাদকৰ খি হওক নহওক, এই ঘটনাৰ পিছত মই নিজেই দমি গলো, আৰু মোৰেই কবিতাৰ ভমুকটো শুকাল। আনফালে নিমাতী কন্যাৰ মাত উলিয়াব নোৱাৰিও হতাশ হৈ চেষ্টা পৰি গলো।

এইখিনিতে ঘটনাটোৰ ভেদ ভাঙিহি দি কওঁ যে—মই এদিন চান্দনি বজাৰত "ডছন"ৰ জোতা এযোৰ কিনিবলৈ গৈছিলো। জোতাৱালাই বোধকৰোঁ মোক ঠগাই জোতাৰ বেচ সৰহকৈ লৈ মনত হৰ্ষ লভি, ভৱিষ্যতত মোক আকৌ তেনেকৈ ঠগাবলৈ পাবলৈ আশা ৰাখি বাৰত আঁৰি থব পৰা বিলাতত ছপা হোৱা এখন date calender অৰ্থাৎ তাৰিখৰ কাকত বটা বা টোপ দিছিল। কেলেণ্ডাৰখনত এজনী সুশ্ৰী ইংৰাজী ছোৱালীৰ এটা ডাঙৰ ছবি আছিল। সেই ছবিৰ "প্ৰেমতে পৰি" মই তিনি-চাৰি মাহমান ওপৰত ক্লোৱাব দৰে ককবকাই ফুৰিছিলো। কিমধিকমিতি।

কলেজৰ তৃতীয় বাৰ্ষিক শ্ৰেণীটো আন ছাত্ৰৰ পক্ষে কেনে হয় ক'ব নোৱাৰোঁ, কিন্তু মোৰ পক্ষে হলে সি মহা মস্কিলৰ ব্যাপাৰ হৈ পৰিছিল। তৃতীয় বাৰ্ষিকত মই এটা অপৰূপ জন্তু হৈ পৰিছিলো, যাক ভূচৰ, খেচৰ, জলচৰ, স্থলচৰ, ইযাৰ কোনো পৰ্যায়ভুক্ত কৰিব নোৱাৰি বিশ্বচৰাচৰৰ বাহিৰত থবলগীয়া হৈছিল। শ্যেলি, বেইন, হিউম, বেন্থাম, কলৰিজ, উড্ প্ৰভৃতি মেণ্টেল্ আৰু নবেল্ ফিলচফিৰ পাতচেৰেক লুটিয়ায়েই মই আঁকোৱালে নোপোৱা দাৰ্শনিক; এডেম স্মিথ আৰু ফচেটৰ পলিটিকেল ইকনমিৰ সূত্ৰ গোটাচেৰেক মুখস্থ কৰিয়েই বিদগ্ধ পলিটিকেল ইকনমিষ্ট; ইংৰাজ গ্ৰন্থকাৰৰ ৰচিত ইংলেণ্ড আৰু ভাৰতবৰ্ষৰ বুৰঞ্জীৰ আধ্যাচেৰেক আয়ত্ত কৰিয়েই প্ৰকাণ্ড হিষ্টৰিয়ান, বাৰ্কৰ বক্তৃতাৰ দুৰ্গ গোটাদিয়েক প্ৰফেছৰৰ নোটৰ সহায়েৰে "বম্বাৰ্ড" কৰিয়েই ৰাজনীতিবিদ পলিটিকেল ফিলচফৰ, মিলটনৰ "পেৰেডাইজ লষ্ট"ৰ এডোখৰ মোৰ বিদ্যাৰে "ৰিগেইন" কৰিবলৈ দৰখাস্ত দাখিল কৰিয়েই মই মহাকবি হৈছিলো। শ্যেলি, কীটছ, টেগৰৰ আহিৰ্ত গীতি-কবিতা আৰু খণ্ড-কবিতাত মোৰ পকিবৰ মতলবৰ বাতৰিতো আগতে দিয়েই আহিছোঁ। মই কথাই কথাই উল্লিখিত গ্ৰন্থকাৰসকলৰ দোহাই দিওঁ, আৰু সেইসকলৰ মত আৰু কথাবোৰ মোৰ মন "বটতলা"ৰ সস্তা ছাপাখানাত, ছাপাখানাৰ ভূতৰ সহায়েৰে পাচিয়ে পাচিয়ে ভুলকৈ পুনৰ্মুদ্ৰিত কৰি নতুন তাঙৰণ বুলি সকলোৰে আগত প্ৰকাশ কৰি আত্মপ্ৰসাদ লাভ কৰোঁ। মই সকলো কথাতে এনে opinionative অৰ্থাৎ নিজৰ মতত মই-বৰ-চন্দ্ৰ হৈ উঠিছিলো যে আজিকালি সেইটো মনত পৰিলেও মোৰ ওকালি আহিব খোজে। স্বমতত অত্যাসক্ত আৰু পৰমতত অসহিষ্ণু মই নিজক ভইব-লোক ভাবিবলৈ ধৰিলো আৰু লোকৰ সকলো কথাকে "ক্ৰিটিচাইজ" (সমালোচনা) কৰি "এইস্যা নাহি হো সেক্তা", "তেইস্যা নাহি হো সেক্তা" আৰু নিজৰ মতানুযায়ীটো "অলবৎ হো সেক্তা" বুলি মূৰৰ মই-বৰ-পাগুৰি দুপিয়াবলৈ ধৰিলো। মুঠতে শৰ্মা ৰাজনীতিত

বার্ক, পিট, ফক্স, দাদাভাই নৌৰজী, সুৰেন্দ্ৰ বানাৰ্জী ; দৰ্শনত বেইন, হিউম, বেন্থাম, শ্যেলি ; সমাজ-সংস্কাৰত ৰানাডে, কেশব সেন ; স্ত্ৰী-শিক্ষাত ছিডনি স্মিথ ; গীতি-কবিতাত বাইৰন, শ্যেলি, কীটছ, টেগৰ ; আৰু মহাকাব্যত মিলটন, মধুসূদন হৈ নিজৰ মনৰূপী মহাকাশত প্ৰকাশ হলো। মোৰ মনত মিলটনৰ পেৰেডাইজ লষ্টৰ নিচিনা মহাকাব্য এখন ৰচনা কৰিবৰ মহাভাৱ এটাৰ সঁচা-সঁচিকৈয়ে 'পযদা' হ'ল। এদিন তুলাপাত কিনি আনি বহী এখন বান্ধি লৈ সঁচা-সঁচিকৈয়ে মই মাইকেলী ধৰণেৰে অমিত্ৰাক্ষৰ ছন্দত মোৰ কল্পিত মহাকাব্যৰ একুৰি-ছঅৰা পদৰ শাৰী লেখি পেলালো। আকাশ-লম্বা কল্পনাৰ কাকিনী-তামোলৰ আগত লগা তামোলথোকাৰ পকা তামোল এটাৰ সেই বেটুটো মই ক'ত হেৰুৱালো ক'ব নোৱাৰো, আজি সেইটো বিচাৰি পোৱাহেঁতেন জীৱন-সোঁৱৰণৰ পাঠকসকলৰ চকুৰ আগতে সেইটো থৈ "মাইওচিন-যুগ"ৰ ( Miocene Age ) এই মহাকবিৰ মহাকাব্যৰ তামোলথোকা কেনেকুৱা হ'লহেঁতেন তাৰ আভাস দিব পাৰিলোহেঁতেন। শ্যেক্সপীয়েৰৰ হেম্লেট, কিং জন, হেন্ৰী আৰু মিডছামাৰ নাইটছ-ড্ৰীম্ কলেজত মোৰ পাঠ্য আছিল। ভাবিলো মযো তেনে অপূৰ্ব নাট খনচেৰেক অসমীযাত ৰচনা কৰি অসমীয়া সাহিত্য-ভঁৰালত যুগমীয়া কীৰ্তি থৈ যাম। ইয়াকে ভাবি, প্ৰথমতে হেম্লেটৰ আহিৰ্ত "হেমচন্দ্ৰ" নাম দি নাট এখন লেখিবলৈ মনস্থ কৰি, ভাৱৰীযা-ভাৱৰীয়ানীৰ নামবোৰ থিৰ কৰি, প্ৰথম অঙ্কৰ দুটা কি তিনিটা দৰ্শন লেখি পেলালো। আকৌ ভাব-সাগৰত আন ঢৌ উঠিল, "হেমচন্দ্ৰ"ক সেইখিনিতে 'দম' লবলৈ এৰি থৈ, মিডছামাৰ নাইটছ ড্ৰীমৰ নিচিনা আন এখন নাট ৰচনাত হস্তক্ষেপ কৰিলো। এইখনৰ নামকৰণ কৰা হ'ল "দিনৰ সপোন"। ইয়াৰো এখুটুৰা বাছি থৈ এৰি আন কিবা এটা ঢৌত খৰ মাৰি দিলো।

শম্ভুচন্দ্ৰ মুখুজীৰ্ৰ "ৰেইজ এণ্ড ৰায়েৎ" আৰু বাৰিষ্টৰ-প্ৰফেছৰ এন্ এন্ ঘোষৰ "ইণ্ডিয়ান নেশ্যন" নামৰ কাকত দুখনৰ ইংৰাজী লেখাৰ গঢ় মোৰ বৰ ভাল লাগিছিল। দুইখন কাকতৰ মই গ্ৰাহক হৈ ললো আৰু তাৰ ইংৰাজী বাক্যবচনবোৰ যথাসাধ্য মুখস্থ কৰিবলৈ ধৰিলো। মনে মনে থিৰ কৰিলো যে বি-এ পাছ কৰি অঁতাই তেনে গঢ়ৰ এখন সাদিনীয়া অসমীয়া-ইংৰাজী বাতৰি কাকত উলিয়াই দিম ; তাৰ নাম থম "অসমীয়া"—"The Assamese"। এইখিনিতে কওঁ যে মই সুৰেন্দ্ৰ বাবুৰ বৰ admirer ( ভক্ত ) আছিলো। মহাৰাণীৰ বৰ নাতিয়েক প্ৰিন্স এলবৰ্ট ভিক্টৰৰ ভাৰত-আগমণৰ উপলক্ষে কোনো এটা ভাল কাৰ্য কৰিবৰ নিমিত্তে যেতিয়া কলিকতাত আন্দোলন উপস্থিত হ'ল, তেতিয়া এন্-এন্ ঘোষৰ "ইণ্ডিয়ান নেশ্যনে", সুৰেন্দ্ৰ বাবুৰ "লেপাৰ এছাইলাম" স্থাপন কৰিবৰ প্ৰস্তাৱৰ বিৰুদ্ধাচৰণ কৰি বাজী পোৰা আৰু বাইজী নচুৱাৰ প্ৰস্তাৱ সমৰ্থন কৰিবলৈ ধৰিলে। সেই দেখি এন্-এন্ ঘোষৰ ওপৰত মোৰ খং উঠিল আৰু তেওঁৰ কাকতৰ ওপৰত থকা মোৰ ভক্তিৰ কফুৰফেৰা উৰি গ'ল। মই "ইণ্ডিয়ান নেশ্যন" কাকতৰ গ্ৰাহকৰ শাৰীৰপৰা নাম কটালো। শম্ভু মুখুজীৰ্ৰ কাকতৰ বিষয়তো সেই কথাই ঘটিল। এইখিনিতে অবান্তৰভাৱে কওঁ যে

শুনিছিলো, শম্ভু মুখুজ্জীয়ে ওৰে-ৰাতি কানিৰ টিকিৰা পুৰি, তেওঁৰ "ৰেইজ এণ্ড ৰায়েৎ"—কাকত লিখে আৰু বেলি দুপৰলৈকে শুই থাকি আবেলিৰ পৰা সজাল ধৰি ৰাতি কাকত লেখিবলৈ সাজু হয়। শুনা কথা, সঁচা-মিছা নাজানো। মোৰ একো একোবাৰ মনত খেলাইছিল যে শম্ভু মুখুজ্জীৰ নিচিনা বাছকবনীয়া ইংৰাজী লেখিবলৈ দুই-চাইটা কানিৰ টিকিবা পুৰিব লাগিব। কিন্তু বাস্তৱিকতে কানি খোৱাটো বৰ হেয কাৰ্য বুলি মোৰ সদায় ধাৰণা, সেই দেখি, সেই সঙ্কল্প nebulous অৰ্থাৎ এৰী অৱস্থাতে এৰি, কাৰ্যকালত যি হয় এটা কৰা যাব বুলি থৈছিলো। এতিযা এন্-এন্ ঘোষৰ লগতে শম্ভু মুখুজ্জীকো বিদায দি মোৰ "অসমীয়া"ৰ ইংৰাজীৰ গঢ়ৰ ফালে সতা-কথা এৰি দিলো। দৰ্শন-শাস্ত্ৰৰ তৰ্কত মই দুই মুনিহে আঁকোৱালি নোপোৱা ইমান ডাঙৰ তাৰ্কিক হৈ পৰিছিলো যে মোৰ তৰ্কৰ বা'মৰলীত তেত্ৰিশ কোটি দেৱতাবে সৈতে হিন্দুৰ ঈশ্বৰ, মাইকেল্ গেব্ৰিয়েল আৰু মোল্লা মৌলাধৰে সৈতে হজৰত মহম্মদৰ আল্লা-হো-আকবৰ আৰু ভাৰ্জিন মেৰীৰ সৈতে যীশুখ্ৰীষ্টৰ "গ্ৰেট ফাদাৰ গড"ৰ সিংহাসন উৰি গৈ বিশ্বব্ৰহ্মাণ্ডৰ ভিতৰত থাকিবলৈ ঠাই নাপাই বাহিৰৰ ক'ৰবাত পৰিছিলগৈ। সৃষ্টি কৰিলে ঈশ্বৰে, ঈশ্বৰক কৰিলে কোনে? এই প্ৰশ্নৰ উত্তৰ মোক কোনেও দিব নোৱাৰিলে দেখি মই, ঈশ্বৰ আছে যদি য'তে মন ত'তে থাওক, তেওঁক আমাক নেলাগে বুলি সিদ্ধান্ত কৰি ওফোন্দ পাতি ফুৰিবলৈ ধৰিলো। কলিকতা চহৰৰ য'তে যি বিষয়ৰ public lecture অৰ্থাৎ সৰ্বসাধাৰণৰ উপস্থিতি-প্ৰাৰ্থক বক্তৃতা হৈছিল, ব'দেই হওক বা বৰষুণেই হওক, ত'তে শৰ্মা টো টো কৰে ওলাইছিলগৈ; আৰু বক্তৃতাৰ ভিতৰৰ ভাল ভাল কথাবোৰ নোট বুক এটাত সংক্ষেপকৈ টুকি আনি ঘৰত পাগুলিছিলহি; আৰু বক্তাৰ যিবোৰ কথা তেওঁৰ মনে-চিতে নাখাইছিল, সেইবোৰৰ বিষয়ে তুমুল আলোচনাৰ ধোঁৱা উৰাই দি তেওঁৰ মেছবাসী লগৰীয়াসকলৰ চকু ধুঁৱলি-কুঁৱলী কৰি দিছিল।

ইংৰাজী etiquette অৰ্থাৎ দস্তুৰত দোৰস্ত নোহোৱা বঙ্গালীযে কোনো নতুন মানুহেৰে সৈতে দেখা হলে "মহাশয়েৰ নামটা কি?" "মহাশয়েৰ নিবাস কোথায়?" "কি কৰেন?" "কত মাহিয়ানা পান?" ইত্যাদি অশিষ্ট (rude)—অৱশ্যে কোনো বেয়া অভিপ্ৰায়েৰে বা ৰুক্ষ হবৰ মনেৰে নহয়—প্ৰশ্ন কৰি আলাপ-পৰিচয়টো জমজমাই লব খোজে; কাৰণ তেনে কৰাটোত যে কোনো অন্যায বা অসঙ্গতি আছে, সেইটো তেওঁলোকৰ মনত নেখেলায। নতুন চাহাব এই লেখকে কোনো কোনো নিৰীহ বঙ্গালী ভদ্ৰলোকৰপৰা তেনে প্ৰশ্ন শুনি কিলাবলৈ কেইবাবাৰো উঠাও মনত আছে। পৰাপক্ষত সেই দেখি ৰেলত বা ট্ৰেমগাড়ীত লৰোঁতে তেওঁ কোনো বঙ্গালী ভদ্ৰলোকেৰে সৈতে কথা নাপাতিছিল আৰু কোনোবাই তেওঁৰে সৈতে কথা পাতিব খুজিলেও তেওঁ এনে গোমোঠা-মুৱা হৈছিল যে কথা পাতিব খোজোঁতাই আৰু কথাৰ শৰাই লৈ এখোজো তেওঁৰ ফালে আগ বাঢ়িব নোৱাৰিছিল। এদিনৰ আৰু এটা ঘটনাৰ পিছত তেওঁৰ এই গঢ়ে আৰু ভীষণ মূৰ্তি ধৰিলে। গধূলি "হাৱা খাব"ৰ মনেৰে এদিন তেওঁ কলিকতাৰ গোলদীঘিৰ পাৰৰ বেঞ্চ এখনত অকলে বহি আছে। এনেতে এজন আদহীয়া বঙ্গালী

ভদ্রলোক আহি তেওঁ বহি থকা বেঞ্চখনৰ এমূৰে বহিলোহি। বাবুজনৰ গাত নয়নচুক কাপোৰৰ হাত-কটা ফতুৱা চোলা ; ক'কালত ক'লা পাৰি দিয়া মিহি চুৰিয়া ; বুকুৰ সৰু জেপ বা মোনাত সোণৰ ঘড়ী-চেইন ; আধা-পকা আধা-কেঁচা চুলিৰে মূৰটো ভালকৈ সেওঁতা ফলা ; হাতত হাতী-দাঁতৰ বেকোৱা মূৰেৰে মিহিকৈ পালিছ কৰা কাঠৰ লাখুটি এডাল। অলপৰ পিছতে তেওঁ মোৰ ফালে চাই আলাপ লগাই দিলে,—"তুমি কোন কলেজে পড় ?" "কোথায় থাক ?" "কত দিন বাড়ী যাওনি ?" মই অনিচ্ছাপূৰ্বক এটা এটাকৈ উত্তৰ দি আছোঁ আৰু তেওঁ প্ৰশ্নৰ বাতলুগুটি এটা এটাকৈ মোৰ ফালে মাৰি আছে। আৰু দেখিলো, তেওঁ প্ৰশ্নৰ লগে লগে অলপ অলপকৈ মোৰ ফালে আগবাঢ়ি আহিব লাগিছে। মই বিৰক্ত হৈ "আৰ আপনাৰ প্ৰশ্নেৰ জবাব দিতে পাৰব না, মাফ কৰবেন মশায়" বুলি ঘপহু কৰে উঠি গোলদীঘিৰ বাগিচাৰ দুৱাৰৰ বাহিৰ পালোঁগৈ। তেওঁ "ৰাগ কৰলে কেন ? শুনে যাও, শুনে যাও !" বুলি মোক মতা মোৰ কাণত যিমান পৰিল, সিমান বেগেৰে মই ভোঁ-ভোঁ কৰে গুচি আহি আমাৰ "মেছ" পালোঁহি। এই ঘটনাৰ পিছত এমাহমানলৈকে আৰু মই গোলদীঘিৰ পাৰলৈ যোৱা নাছিলো।

এবাৰ মই কলেজৰ বন্ধত ঘৰলৈ গৈছিলো। বন্ধুবৰ শ্ৰীযুত হেমচন্দ্ৰ গোস্বামীও মোৰ সহযাত্ৰী। মোৰ চাহাবী মিজাজৰ অন্ত নাই। গোসাঁইক সাৱধান কৰি দিলোঁ, তেওঁ যেন ৰেলগাড়ীত কোনো বঙ্গালীৰ সৈতে কথা নাপাতে। গোসাঁয়ে বন্ধুৰ বাক্য বৰ্ণে বৰ্ণে প্ৰতিপালন কৰিলে। দুয়ো শিয়ালদহ ষ্টেশ্যনত ৰেলগাড়ীত উঠিলোঁ। সেই কালত সাৰাঘাটত দুখন ৰেলগাড়ী প্লেটফৰ্মৰ দুয়োফালে কলিকতাৰ ফালৰপৰা অহা যাত্ৰীলৈ বাট চাই থকা নিয়ম আছিল। এখন অসমলৈ যাব, আনখন দাৰ্জ্জিলিঙৰ ফাললৈ যায়। আমি ৰাতি ৮ কি ৯ মান বজাত সেইখিনি পাই বাকো একো নামাতি নবুলি একালৰ এখন ট্ৰেইনৰ এখন গাড়ীত উঠি, দুয়ো দুখন বেঞ্চ অধিকাৰ কৰি দুইবো বিছনা মেলি লৈ দীঘল হৈ পৰিলোঁ। মোৰখন বিছনা ওপৰৰপৰা ওলমা "বাঙ্ক"ত। মোৰতো উৎকৃষ্ট চাহাবী মূৰ্ত্তি আৰু মিজাজো তথৈবচ, সেইদেখি মইতো গাড়ীৰ ভিতৰত থকা বঙ্গালী সহযাত্ৰী দুজনেৰে সৈতে বাক্যালাপৰ আদান-প্ৰদান নকৰিলোঁৱেই, গোসাঁইও প্ৰিয় বন্ধুৰ নেতৃত্বত নিমাত নিস্তব্ধ। ওৰে ৰাতি ৰেল-গাড়ী গৈ গৈ ৰৈ ৰৈ পুৱা এটা ষ্টেশ্যনত ৰ'লগৈ। চাহৰ চেষ্টাত চকু মেলি উঠিলোঁ। গোসাঁইক সুধিলোঁ, "এইটো কি ষ্টেশ্যন ?" গোসাঁয়ে কি ক'লে বুজিব নোৱাৰিলোঁ। বাঙ্কৰপৰা নামি আহি বাহিৰলৈ মূৰ উলিয়াই চাওঁ—দেখোন কিবা অচিনাকি ষ্টেশ্যন এটা, নামটো হলদিঘাটা। গোসাঁইক সুধিলোঁ, এইটো ষ্টেশ্যন দেখোন আমি আগেয়ে অহা-যোৱা কৰোঁতে দেখা নাছিলোঁ। তেওঁ মিচিকিয়া হাঁহি মাৰি ক'লে, "আমাৰ বিৰ হবলগীয়া হ'ল, আমি ভুলকৈ দাৰ্জ্জিলিঙৰ কাষ পালোঁহি।" মই শোৱাৰপৰা উঠাৰ আগতে তেওঁ মৎবিহিত নিয়ম ভঙ্গ কৰি সহযাত্ৰী বঙ্গালী যাত্ৰী দুজনেৰে সৈতে কথা পাতি সেইটো জানিব পাৰিছিল। মোৰ চাহাবী মুখ শুকাই একপমান হ'ল। আমাৰ বিপদ বুজিব পাৰি, বাঙ্গালী ভদ্ৰলোক দুজনে ক'লে,

"আপনাৰা এইখানেই নেমে যান, গাড়ী প্ৰায় দশ মিনিট দাঁড়াবে। অমুক সময় দাৰ্জ্জিলিং থেকে একখানা গাড়ী আসবে। সেই গাড়ীতে ফিৰে যাবেন। ষ্টেশ্যন মাষ্টাৰকে আপনাদেৰ ভুলেৰ কথা বল্লেই ষ্টেশ্যন মাষ্টাৰ certify কৰে দেবেন, আৰ ভাড়া লাগবে না।" এইবুলি তেওঁলোকৰ এজন আমাৰ লগতে গৈ ষ্টেশ্যন মাষ্টৰক সেই কথা কৈ আমাক বিনা-কেৰেয়াত সাৰাঘাটলৈকে উভতি যাবলৈ অনুৰোধ কৰিলে। আমি গাড়ীৰপৰা তাতে নামি কেবা ঘণ্টা বৈ থাকি সেইৰূপেই আমাৰ এই হাঁহি উঠা ওলোটা যাত্ৰা সমাপণ কৰিলোঁ। জীৱনত মোৰ উগ্ৰ চাহাবীয়ে এই প্ৰথম চকা খালে, মোৰ শিক্ষা হ'ল নে নহ'ল ক'ব নোৱাৰোঁ, কিন্তু হোৱাটো হলে উচিত আছিল। গোসাঁয়ে পিছত অনেক লোকৰ আগত মোৰ এই কথা কৈ অনেক দিনলৈকে মোক জোকাই ৰং কৰিছিল।

আগতে উনুকিয়াই আহিছোঁ পিতৃদেৱতাই দুই পুতেক গোবিন্দ আৰু গোলাপক কলিকতাত পঢ়িবলৈ পঠিয়াইছিল। গোলাপ ককাইদেও ৰুগীয়া। কলিকতাত সততে তেওঁৰ গা বেয়া হৈ থকা লেখি তেওঁক কলিকতাত থাকি পঢ়াৰপৰা এৰুৱাই নি লাহে লাহে আসামতে কামকাজ এটাৰ দিহা কৰাটো ভাল হবনে নহয় দেউতাই বিবেচনা কৰি আছিল, এনেতে এটা ডাঙৰ কাৰণ ওলাই দেউতাৰ দোদুল্যমান মনক দৃঢ় কৰি দিলে। ঘুনুক ঘানাককৈ বাৰ্তাৰ ওলাল, যে দীননাথ বেজবৰুৱাৰ পুতেক গোলাপে মনে মনে কলিকতাৰ মেডিকেল কলেজত ভৰ্ত্তি হৈ ডাক্তৰী পঢ়িছে। পুতেকৰ এনে অভাৱনীয় ব্যৱহাৰত দেউতা স্তম্ভিত হ'ল। ডাক্তৰী পঢ়িলে মৰা শ কাটিব লাগিব। মৰা শ কটা ছিঙা কৰিলে হিন্দুৰ, বিশেষকৈ বামুণৰ জাত যায়, এই মত আৰু বিশ্বাস আসামত দৃঢ়মূল। একালত বঙ্গদেশতো এনেকুৱাই আছিল। সেইদেখি প্ৰথমতে যিজন বঙ্গালী হিন্দু ছাত্ৰে সাহ কৰি কলিকতাৰ মেডিকেল কলেজত ভৰ্ত্তি হৈ কাৰ্য'ত হস্তক্ষেপ কৰিছিল তেওঁৰ উৎসাহ আৰু সম্মানৰ অৰ্থে ফ'ৰ্ট উইলিয়েম দুৰ্গৰপৰা বৰটোপ এজাই মৰা হৈছিল। সেই ছাত্ৰজনৰ নাম মধুসূদন। দেউতাই পুতেকক ডাক্তৰী পঢ়িবলৈ অনুমতি নিদিয়াটো ধ্ৰুৱ নিশ্চয; বৰং তেওঁৰ বিনা অনুমতিত পুতেক তেনে কাৰ্য্য কৰিবলৈ গলে চূড়ান্ত অঘটন ঘটাব, এই কথা দুই পুতেক গোবিন্দ আৰু গোলাপে ভালকৈ জানিছিল; সেইদেখি এই কাৰ্য তেওঁলোকে অতি সংগোপনে কৰিবলৈ গৈছিল। কিন্তু এনে খবৰৰ মুখত সোপা দি ৰাখিবৰ সাধ্য কাৰ? দেউতাই তৎক্ষণাৎ গোলাপ ককাইদেওক ঘৰলৈ উভতি যাবলৈ আদেশ দি পঠিয়ালে। নিৰুপায় গোলাপ অচিৰতে শিৱসাগৰত ওলালগৈ। পিতৃদেৱতাই পুতেকক আৰু কলিকতালৈ নপঠিয়াবলৈ থিৰাং কৰি পৰাচিত কৰাই শুদ্ধ কৰি লৈ শ্ৰীযুত গঙ্গাগোবিন্দ ফুকন ডাঙৰীযাৰে সৈতে পৰামৰ্শ কৰি গোলাঘাটত এটা ইংৰাজী স্কুল পতাই তাৰ হেড্‌মাষ্টৰ পতাই দিলে। ফুকন ডাঙৰীয়া তেতিয়া গোলাঘাটত হাকিম হৈ আছিল। স্কুলৰ লাগ বান্ধ নোহোৱা অৱস্থাৰ গতিকে গোলাপ ককাইদেওৰ স্কুল-মাষ্টৰীয়া জীৱনৰ অচিৰতে ওৰ পৰিল। শিৱসাগৰত পিতৃদেৱতাৰ সিংদুৱাৰ আৰু ৰজাবাৰী নামেৰে দুখন চাহ বাগিচা

আছিল। বাগিচা দুখনকে ভালকৈ চলাবলৈ গোলাপক শিৱসাগৰলৈ আনি সিংদুৱাৰত ঠাই দিয়া হ'ল। সিফালে কলিকতাত গোবিন্দ ককাইদেৱে ভায়েক গোলাপক কেনেকৈ বিলাতত ডাক্তৰী পঢ়ুৱাই ডাঙৰ ডাক্তৰ কৰি আনিব, তাৰ উপায় উদ্ভাৱন কৰিবলৈ ধৰিলে। তেওঁ ভাবিলে, তেওঁ স্বাধীন হৈ ধন ঘটিব পাৰিলে আৰু কালৈকো অপেক্ষা নাৰাখি তেওঁৰ সঙ্কল্প কাৰ্যত পৰিণত কৰিব পাৰিব; ইয়াকে ভাবি তেওঁ বি-এ পৰীক্ষা দিবলৈ বাট নাচাই চতুৰ্থ বাৰ্ষিক শ্ৰেণীৰপৰা পঢ়া পৰিত্যাগ কৰি কলিকতাৰ হাইকোৰ্টত অসমীয়া-ট্ৰেন্সলেটৰ কামত সোমাল। ক'কালত এইদৰে বল বান্ধি লৈ তেওঁ ভাযেক গোলাপক আকৌ কলিকতালৈ আনিবলৈ তলে তলে চেষ্টা কৰিবলৈ ধৰিলে। গোলাপে চাহ বাগিচা দুখন ভালকৈ চলাবলৈ সৰহকৈ কুলী সংগ্ৰহ কৰি আনিব লাগে বুলি পিতৃদেৱতাক বুজাই তেওঁৰপৰা অনুমতি লৈ কছাৰী কুলী আনোগৈ বুলি গুৱাহাটী পালেহি। গুৱাহাটীতে তেওঁ দিনচেৰেক থাকি সুৰুক কৰে কলিকতা ওলালহি। গোবিন্দ ককাইদেওৰ ইচ্ছা পূৰ্ণ হ'ল; তেওঁ ততালিকে গোলাপক আকৌ মেডিকেল কলেজত সুমাই দিলে।

ইয়াৰ পিছত গোবিন্দ ককাইদেৱে ভায়েকক বিলাতলৈ পঠিযাই দিলে আৰু নিৰুপায় পিতৃদেৱতা বিষাদত মগ্ন হ'ল। ভায়েক গোলাপক ষোল অনা ডাক্তৰ কৰি অনাৰ আগতে দৈবদুৰ্বিপাকত গোবিন্দৰ চাকৰি গৈ অৱস্থাৰ পৰিৱৰ্তন হ'ল; ফলত বিলাতত খৰচৰ অভাৱত ভায়েক দুখত পৰিল। তেতিযা পিতৃদেৱতা আৰু বৰ ককাইদেও ৱজনাথে ৰথাসাধ্য ধনেৰে গোলাপক সহায় কৰিছিল যদিও, তথাপি যথোচিত খৰচৰ টকাৰ অভাৱত তেওঁৰ দুখ নহৈ নাথাকিছিল। যি হওক, দুখকষ্টত পৰিও গোলাপে গ্লাছগো আৰু এডিনবৰাৰ পৰা ডাক্তৰী পৰীক্ষাত উত্তীৰ্ণ হৈ এল-আৰ্-চি-পি, এল্-এফ-পি-চি উপাধি লভি, ভাৰতবৰ্ষলৈ উভতি নাহি, পোনেই দক্ষিণ-আমেৰিকাৰ বৃটিছ গিযেনাৰ মাৰা আৰু ডেমেৰেৰ নামৰ ঠাইত চিভিল ছাৰ্জনৰ কাম লৈ গ'ল। অনেক বছৰ তেওঁ বৃটিছ-গিয়েনাত সুখ্যাতিৰে চাকৰি কৰি আছিল। এইডোখৰ কালত তেওঁ লাহে লাহে ঘৰলৈ চিঠি-পত্ৰ দিবলৈ এৰি দি, শেহত একেবাৰেই অঃফুট হ'ল। অনেক বছৰ আমি তেওঁৰ খবৰ পোৱা নাছিলোঁ। মই এণ্ট্ৰেন্স পাছ কৰি কলিকতালৈ আহি অনেক চেষ্টা কৰি তেওঁৰ খবৰ উলিযাই তেওঁলৈ চিঠি লেখি শেহত উত্তৰ পালোঁ। মোৰ মহা আনন্দ হ'ল। পিতৃদেৱতাকে আদি কৰি সকলোৱে মোৰপৰা গোলাপৰ খবৰ শুনি পৰমানন্দিত হ'ল।

গোলাপ ককাইদেৱে অকল যে মোলৈ চিঠিকে লিখিবলৈ ধৰিলে এনে নহয়, কলিকতাত মোৰ পঢ়া খৰচৰ অৰ্থে মাহে মাহে ২৫/৩০ টকাকৈ নিজ ইচ্ছাতে পঠিয়াবলৈ ধৰিলে। আসাম গৱৰ্ণমেণ্টৰপৰা মই কুৰি টকাকৈ স্কলাৰ্শিপ পাইছিলোঁ; সেই-দেখি এতিয়াৰপৰা মোৰ আয় মাহে ৪০/৫০ টকাকৈ হবলৈ ধৰিলে। তৃতীয় বাৰ্ষিক শ্ৰেণীৰ গুৰিৰেপৰা মেষ-ৰশীয়া মোৰ বৰ্ষফল—আয়, ব্যয়, স্থিতিৰ ঘৰ সুখকৰ আৰু

সুবিধাপ্ৰদৰূপেই বিৰাজিত হ'ল ; এই ফলং-ফলে-ফলানি একেবাৰেই ৰাশিচক্ৰৰ মেষৰ ঘৰত ডেৰ বছৰ আছিল।

কলেজৰ তৃতীয়-বাৰ্ষিকীয়া জীৱনত মোৰ এনে জয়-জয়-মষ-ময় অৱস্থা। নীতি-শাস্ত্ৰই বচন এফাঁকি মাতি থৈছে—

যৌৱনং ধন-সম্পত্তিঃ প্ৰভুত্বমবিৱেকতা
একৈকমপ্যনৰ্থায় কিমু তত্ৰ চতুষ্টয়ম্।

যৌৱনৰ কথা যদি সোধাঁ, তেন্তে কওঁ যে সেই সময়ত সি দুই পাৰ বুৰাওঁ বুৰাওঁ। ধন-সম্পত্তিৰ লেখতো পালাযেই—আলিবাটৰ কাষৰ গাঁতত থকা এটকা ৰূপৰ সত্ৰাধিকাৰ ডেও দিয়া ভেকুলীৰ দৰে। আৰু বাস্তৱিকপক্ষত পঢ়াশলীয়া ছাত্ৰৰ এটাৰ পক্ষে কমেই বা কি ? প্ৰভুত্বটো কিহৰ বুলি প্ৰশ্ন কৰা যদি কওঁ যে, লোকে মানক বা নামানক, নিজৰ মনতে নিজে মই-বৰচন্দ্ৰ। অবিবেকতা,—অৰ্থাৎ বিবেকতাৰ অভাৱত স্বভাৱ আঁকোৰাঁগো নোপোৱাটো হোৱাৰ কথাতো ওপৰত কৈ আহিছোঁৱেই। সেইদেখি মই সোধোঁ, এই চাৰিটা অনৰ্থৰ ভিতৰত কোনটোৰ মই দুখীয়া, ৰাইজসকল, তোমালোকে কথাটো দকৈ বিবেচনা কৰি চাই কোৱাঁহকচোন। মই কওঁ একৈকৰ কথাকে নালাগে চতুষ্টয়ং একত্ৰং বৰ্ত্তমানং ইতি ভাৱঃ। এনে মই কলিকতা হেন চহৰৰ জহন্নাম নামৰ খাৰৈত পৰিবলৈ বাট বিচাৰি ঘূৰি-পকিযাই ফুৰিব লাগিবনে ? কিন্তু সুখৰ বিষয়, ঈশ্বৰৰ অনুগ্ৰহতে মই খাবৈবোৰপৰা অনেক আঁতৰত আছিলোঁ। আচল কথা, গৰ্ভিডোখৰত অটল চৰিত্ৰবান পিতৃদেৱতাৰ কঠুকটীয়া নীতি আৰু ধৰ্ম-শিক্ষাৰ বান্ধোনে মোকো উলামুলা পছোৱাকুৰুৱাই লবাব নোৱাৰো কৰি থৈছিল। সেই সময়ত মোৰ সহপাঠী আৰু সহনিবাসী ছাত্ৰ বন্ধুসকলেই এই কথাত মোৰ ফালে সাক্ষী দিব বুলি মোৰ বিশ্বাস। মুঠতে এইফেৰা কলেই হব যে, এই বাবে আমি থকা "মেছ" অৰ্থাৎ ছাত্ৰাবাসটোৰে মোক কাৰোবাই বা "পিৰ্ত্তী প্লেটনিক" এই nickname অৰ্থাৎ উপনাম পোৱাটোও জানো।

---

# দ্বিতীয় ভাগ

## ॥ প্ৰথম আখ্যা ॥

মোৰ জীৱন-সোঁৱৰণ, দ্বাদশ বছৰৰ "বাঁহী"ৰ ( ১৮৪৪ শক ) আহিন মাহৰ ষষ্ঠ সংখ্যাত লেখিবলৈ আৰম্ভ কৰি প্ৰায় মাহে মাহে লেখি, চতুৰ্দ্দশ বছৰৰ ( ১৮৪৬ শক ) আহাৰ মাহৰ তৃতীয় সংখ্যাতে বন্ধ কৰিছিলোঁ। আৰু নেলেখোঁ বুলি ভাবি মই এৰি দিছিলোঁ। তাৰ কাৰণ কেইবাটাও আছিল আৰু আজিও যে সেইকেইটা নাইকিয়া হৈছে, এনে নহয়। তথাপি জ্বৰে এৰিলেও কৰ্পাটিয়ে নেৰাৰ দৰে হৈছে দেখি লেখিবলৈ বহিলোঁ। তেতিয়াৰেপৰা আজিলৈকে মোৰ শুভাকাঙ্ক্ষী বন্ধুসকলৰ ভিতৰৰ অনেকে মোক নেৰা-নেপেৰাকৈ ধৰি আছে, 'লেখিবই লাগিব, নেলেখিলে আমি নেৰোঁ।' মোৰ অতি মৰমৰ শ্ৰদ্ধাস্পদ বন্ধু এজনে অলপতে মোৰপৰা লেখিম এই প্ৰতিশ্ৰুতি লৈহে এৰিছে। অগত্যা লেখিবলৈ আকৌ আৰম্ভ কৰিলোঁ। অৰ্থাৎ কথাতে কোৱাৰ দৰে মই "পুনৰেব পাপী, পুনৰেব দৰিদ্ৰ" হবলগীয়াত পৰিলোঁ যেতিয়া হোৱাই যাওক। মোৰ জীৱন-বৃত্তান্ত শুনি কাৰ কি উপকাৰ হয়, হৈ থাওক, মোৰ আপত্তি নাই। পাতনি-স্বৰূপে এইকেষাৰ কথাকে কৈ কাপ ধৰা গ'ল।

কলেজত শেহছোৱা—১৮৯০ খ্ৰীষ্টাব্দত মই কলিকতাৰ এছেম্ব্লি কলেজৰপৰা বি-এ পৰীক্ষা দি ধৰমূৰা হৈ আমাৰ শিৱসাগৰৰ ঘৰলৈ উভতি গলোঁ। আন আন অসমীয়া ছাত্ৰৰ দৰে বছৰে বছৰে ঘৰলৈ যোৱাৰ অভ্যাস মোৰ নাছিল। একো একোটি পৰীক্ষাৰ পিছত অৰ্থাৎ দুবছৰে দুবছৰেহে মই ঘৰলৈ গৈছিলোঁ। ঘৰলৈ মোৰ মৰম কম আছিল বুলিয়ে তেনে কৰিছিলোঁ, সেইটো নহয়; মাথোন অনৰ্থক ধন খৰচ হোৱাৰ ভয়। আৰু এটি কাৰণ—পৰীক্ষা দি আহৰি হৈ লৈ কলিকতাত থাকি কলেজৰ চাৰি দুৱাৰৰ বাহিৰৰ ওলাই আন আন উপযোগী জ্ঞান আৰ্জ্জি লোৱাৰ লোভ। কলেজৰ চাৰি দুৱাৰৰ ভিতৰত কলেজৰ কিতাপ আৰু কিতাপত ব্যাখ্যা দিয়া জ্ঞানত পকিও যে মানুহ মানুহ-মূৰা হব নোৱাৰে, এই জ্ঞান সহজে মোৰ মনত উদয় হৈছিল।

শিৱসাগৰৰ ঘৰত মই এমাহমান থকাৰ পিছতে এদিন হঠাৎ মোৰ নামে এখন টেলিগ্ৰাম অৰ্থাৎ বিজুলী ডাকৰ বাতৰি আহিল। মোৰ ককাইদেও এজনে বাটতে পিয়নৰ হাতৰপৰা টেলিগ্ৰামখন লৈ পঢ়ি, উধাতু খাই লৰি আহি ক'লে, "Lakshmi you are graduated!" অৰ্থাৎ "লক্ষ্মী, তুমি গ্ৰেজুৱেট হ'লা, অৰ্থাৎ বি-এ পৰীক্ষাত উঠিলা।" মই টেলিগ্ৰামখন হাতত লৈ পঢ়িলোঁ। তাত লেখা আছিল "Lakshminath and Kailash are graduated" কৈলাসচন্দ্ৰ শৰ্ম্মা বৰুৱা নগাঁৱৰ। মোৰ মনত উলাহৰ কেনে ভাব হৈছিল, অনুমানসাপেক্ষ। পিতৃদেৱতা দুপৰীয়াৰ ভোজনৰ পিছত বৰঘৰৰ মুধৰ বাৰাণ্ডাত থকা পালিঙত পৰি আছিল। খবৰটো তেওঁৰ কাণত পৰিলত, তেওঁ একে চাটেই উঠি গোসাঁই-ঘৰত সোমালগৈ আৰু

ভাত থকা থাপনাৰ কাষে মূৰ থৈ সাষ্টাঙ্গে সেৱা কৰিলে। থাপনা মানে কীৰ্ত্তন, দশম, ঘোষা, ৰত্নাৱলী পুথি থৈ, তাৰ ওপৰত পাহে পাহে সোণ আৰু ৰূপৰ ফুল লগোৱা বগা কাপোৰ এখন দি ঢাকি থোৱা বস্তু। এই থাপনাই আমাৰ গোসাঁই ঘৰৰ ভিতৰত পূৰ্বকালে এমূৰত সোঁ-মাজতে শ্ৰেষ্ঠ আসন সিংহাসন অধিকাৰ কৰি আছিল। থাপনাৰ সোঁফালে একে শাৰীতে সৰুকীয়াকৈ শালগ্ৰামসমূহ ৰখা হৈছিল; আৰু তাৰ পূজা পিতৃদেৱতাই নিতৌ নিজে কৰিছিল। থাপনাৰ বাওঁফালে একে শাৰীতে সৰুকীয়াকৈ ক'লা শিলৰ ডাঙৰ কৃষ্ণমূৰ্ত্তি এটা থোৱা হৈছিল; আৰু সেই মূৰ্ত্তিৰ পূজা আমাৰ ঘৰতে ব্ৰাহ্মণ এজনৰ দ্বাৰাই দিনে নিয়মিতৰূপে কৰোৱা হৈছিল। মাহ-চাউল-ফলৰ শৰাই সদায় থাপনাৰ সিংহাসনৰ আগত থোৱা হৈছিল। থাপনাৰ ফালে মুখ কৰি নাম গোৱাসকলে দিনে তিনি প্ৰসঙ্গ কৰিছিল। দেউতাই পূজা কৰি থাকোঁতেই নাম-লগোৱাই থাপনাৰ আগত, কিছু দূৰত বহি, হাতত ভোৰ-তাল লৈ দৈনিক প্ৰসঙ্গ অৰ্থাৎ নাম গোৱা আৰম্ভ কৰিছিল; আৰু নামত যোগ দিয়া আন আন মানুহে দুফালে দুশাৰী হৈ সেই নাম গাইছিল। দেউতাই পূজা সাঙ্গ কৰি সোঁফালৰ নাম-গোৱাসকলৰ শৰীতে এমূৰে বহি, আগতে ঠঁগত থকা কীৰ্ত্তন-ঘোষা পুথি মেলি তাৰপৰা কীৰ্ত্তন-ঘোষা লগাই দিছিল। সেই ঘোষা নাম-লগোৱাৰ ভোৰ-তালেৰে সৈতে আৰু দুফালে দুশাৰী নাম-গোৱা ভকতৰ হাত-চাপৰিৰে সৈতে সমাপন হৈ প্ৰসঙ্গ কৰা হৈছিল; আমাৰ ঘৰত এইটো নিত্য-নৈমিত্তিক ব্যাপাৰ আছিল আৰু দিনে কম পক্ষে তিনিবাৰকৈ। এয়ে সংক্ষেপ বৰ্ণনা।

এতিয়া আগৰ কথালৈ যাওঁ। পিতৃদেৱতাই গোসাঁই-ঘৰত থাপনাৰ আগত সাষ্টাঙ্গে প্ৰণিপাত কৰাৰ পিছত, গোসাঁই-ঘৰৰ ভিতৰতে আঁৰি থোৱা বৰকাঁহখন, যাক নাম-প্ৰসঙ্গৰ অন্তত বজোৱা হয়—নিজেই বজাবলৈ ধৰিলে। তাৰ পিছত তেওঁ বাহিৰলৈ আহি মোৰ মূৰত হাত দি মোক আশীৰ্বাদ কৰিলে আৰু আদৰ কৰি মূৰ শুঙিলে। দেখিলোঁ তেওঁৰ চকু সেমেকা। পিতৃদেৱতা গহীন-গম্ভীৰ প্ৰকৃতিৰ লোক আছিল। তেওঁ নিজৰ পুতেক এজনৰ মৃত্যু-শয্যাৰ কাষত বহি উচ্চৈঃস্বৰে ঈশ্বৰৰ নাম সোঁৱৰাওঁতেও তেওঁৰ চকুত পানী এটোপাকে দেখাৰ কথা আমি কোনেও ক'ব নোৱাৰোঁ। সেই দেখিয়েই সেইদিনৰ এই কথাই মোৰ মনত ইমানকৈ সাঁচ বহুৱালে।

সেই সময়ত অসমত বি-এ "পাছ" কৰাটো অসাধাৰণ ব্যাপাৰ আছিল। সুবিখ্যাত জগন্নাথ বৰুৱাই তেতিয়া অসমত বি-এ জগন্নাথ। যদিও আনন্দৰাম বৰুৱা তেওঁৰ আগেয়েই বি-এ হৈছিল, তথাপি আনন্দৰামে চিভিল চাৰ্ভিচ "পাছ" কৰি "চিভিলিয়ান" হৈছিল দেখি সেই সৰু খ্যাতি ডাঙৰ পাই, তেওঁৰ চিভিলিয়ান" ৰৰ খ্যাতি ওপৰ উঠিছিল আৰু সেই দেখিয়েই অসমত প্ৰথম বি-এ "পাছ" বুলি জগন্নাথ বৰুৱা "বি-এ জগন্নাথ" নামেৰে বিখ্যাত হৈছিল। মোৰ আগেয়ে অসমৰ অনেকে বি-এ "পাছ" কৰিছিল; আৰু তেওঁলোক লেখত যদিও পাঁচ সাত বিধৰ আছিল, তথাপি সেই সময়লৈকে বি-এ "পাছ" নামৰ পদাৰ্থটো জগদ্যাৰ্থত পৰম

নাছিল। আজিকালি দুখৰ কথা আৰু কি কম, কোনে শুনিব ? সকলোৱে চকুৰ আগতে দেখিছে যে একোজন ডেকাই প্ৰাণ পাত কৰি বি-এ মহলাত উঠি ত্ৰিশ-টকীয়া চাকৰি এটা পাবলৈকো হাবাথুৰি খাই ফুৰি অকৃতকাৰ্য্য হয়। তেওঁতিয়া আসাম গৱৰ্ণমেণ্টে বি-এ পাছক চৰকাৰী চাকৰি স্ব-ইচ্ছাতে যাচিছিল। আৰু যেই সেই চাকৰি নহয়—একষ্ট্ৰা এছিষ্টেণ্টৰ পদ ; অৱশ্যে "প্ৰবেশ্যনৰি"। মোকো এবাৰ নহয়, দুবাৰ সেই পদ যাচিছিল। কিন্তু মই নললো। অৱশ্যে নলৈ ভালকে কৰিলো নে "আহাম্মকী"কে কৰিলো, আজি মই নকওঁ। লোকে মোৰ স্বভাৱৰ বিষয়ে কি বিশ্লেষণ কৰি থৈছে, মই ক'ব নোৱাৰো ; কিন্তু মই নিজে যিটো কৰি থৈছো, সেইটো শুধেই হওক বা অশুধেই হওক, মই কওঁ ; যথা—মই গোঁৱোৰা স্বভাৱৰ মনুষ্য। স্বাধীনতা-হীনতাতকৈ মোৰ মৃত্যু শ্ৰেষ্ঠতৰ বুলি মই সদায় ভাবি আহিছো। মোৰ তেওঁতিয়া অন্তৰৰ গূঢ়াতিগুহ্য প্ৰদেশৰপৰা এই ভাব আৰু সংকল্প ওলাইছিল যে মই স্বাধীনভাৱে পৰিশ্ৰম কৰি এমুঠি ভাত খাম, পৰৰ গোলামী কৰি নহয়। তেনেহলেই মই তৰি যাম। স্বাধীন ব্যৱসায় বা চেষ্টাত মই যদি বৰ ডাঙৰ হব পাৰো ভালেই, নহলে নাই ; তথাপি পেটে-ভাতে খাই থাকি তেনে জীৱন যাপন কৰাটোৱেই মোৰ উচ্চ আকাংক্ষা আছিল ; আৰু আজিও আছে। সেইদেখি মই আসাম গৱৰ্ণমেণ্টৰ যচা চাকৰি নললো।

বি. এল. পৰীক্ষা পাছ কৰাৰ পিছতে কলিকতাৰ হাইকোৰ্টত উকীল হব পৰাৰ নিমিত্তে মই ৰিপন কলেজৰ ল ক্লাছত নাম লগালো ; আৰু লগতে প্ৰেছিডেন্সি কলেজত এম. এ. পৰীক্ষাৰ নিমিত্তে পঢ়িবলৈ ধৰিলো। অৰ্থাৎ একে দলিতে পাৰো যদি দুটা চৰাই মাৰো,—এই ফন্দি। ওপৰৰ কথাৰ কোবত ক'বলৈ পাহৰিছো যে, আসাম গৱৰ্ণমেণ্টে যচা চাকৰি মই নোলোৱা বাবে, মোৰ পিতৃদেৱতা আৰু খাইকৈ বৰ ককাইদেও গোবিন্দ বেজবৰুৱা মোৰ ওপৰত যথেষ্ট বিৰক্ত হৈছিল। কিন্তু গোঁৱোৰাতো গোঁৱোৰাই ; সি শুনে কাৰ কথা ? যাওক।

হাইকোৰ্টত টুইডেল্ নামেৰে এজন এংলো ইণ্ডিয়ান উকীল আছিল। যোগাৰ-যন্ত্ৰ কৰি মই তেওঁৰ "আৰ্টিকোল ক্লাৰ্ক" হলো ; যাতে বি, এল, পৰীক্ষাত উঠি হাইকোৰ্টৰ এডভোকেট হোৱাত পলম নঘটে। মোৰ দিন আনন্দেৰে যাবলৈ ধৰিলে। টুইডেল বুঢ়া মানুহ। বুঢ়াই মোক মৰম কৰি আইনৰ কাম-কাজ শিকাবলৈ ধৰিলে। কিন্তু দুখৰ কথা কি কম। মই ছমাহমান তেওঁৰ তলত কাম শিকাৰ পিছতে বুঢ়া মৰি থাকিল। তাৰ পিছত, হাইকোৰ্টৰ নামজলা উকীল, দিগম্বৰ চাটুৰ্জ্জীৰ ওচৰ চাপি, তেওঁৰ আৰ্টিকেল ক্লাৰ্ক হলো। তেওঁৰ ঘৰ কলিকতাৰ ভবানীপুৰত আছিল। মোৰ কপালৰ কথা আৰু কি কম ? মোৰ কপালেই নিশ্চয় বেয়া ; আৰু দিগম্বৰ বাবুৰ কপালখন নিশ্চয় ভাল ; তেওঁ তাৰ কিছুদিনৰ পাছতে হাইকোৰ্টৰ জজৰ চকীত উঠিল। মোৰ মনত বিৰক্তি লাগিল। বোলে, "আইৰ ঘৰলৈ যাম, দুই হাতে খাম ; বিধতাই বোলে মই তোৰ পিছে পিছে যাম।" এই কথা তেওঁতিয়া

মোৰ মনত পৰিল। তথাপি শৰ্মা "নছাৰিষ্ণু নহটীন্তু।" ইফালে বি, এল, পৰীক্ষালৈ ৰীতিমতে পঢ়ি আছিলোঁ।

তেতিয়া মই দিনো হাইকোৰ্টলৈ গৈছিলো। হাইকোৰ্টৰ জজৰ আদালতত মোকদ্দমাৰ বিচাৰ, উকীল আৰু বেৰিষ্টাৰৰ বক্তৃতা আৰু "চৱাল জবাব" অতি মনোযোগেৰে মই শুনিছিলোঁ; কাৰণ মোৰ হেপাহ হৈছিল, হওতে মষো যেন এদিন, সেই কালত প্ৰসিদ্ধ ডব্লিউ, চি, বানাৰ্জী, মনোমোহন ঘোষ, স্যাৰ গ্ৰিফিথ্ ইভান্স, এল্. পিউ, আনন্দমোহন বোস আৰু কোনোবা কাচিৎ হাইকোৰ্টলৈ অহা লালমোহন ঘোষ আৰু উকীলৰ ভিতৰত স্যাৰ ৰাসবিহাৰী ঘোষ, ডাক্তৰ গুৰুদাস বানাৰ্জী প্ৰভৃতি বিখ্যাত আইনজ্ঞসকলৰ নিচিনা হব পাৰো। এড্ভোকেট জেনেৰেল স্যাৰ চাৰ্লচ পল, ষ্টেণ্ডিং কাউন্সিল ফিলিপ্স বেৰিষ্টাৰবোৰৰ ভিতৰত "বাঘ" (tiger) নামত খ্যাত জেক্সন, বেৰিষ্টাৰ ইভান্সৰ ভায়েক বেৰিষ্টাৰ পিউ, ইত্যাদিৰ মোকদ্দমা পৰিচালনাৰ আৰু তৰ্কাতৰ্কি মই নথৈ উপভোগ কৰি শিকিবলৈ চেষ্টা কৰিছিলো। তেতিয়া উঠি অহা বেৰিষ্টাৰ মিষ্টৰ এছ্. পি. সিংহ (পিছত লৰ্ড সিংহ), মিষ্টৰ এ. চৌধুৰী (পিছত স্যাৰ আশুতোষ চৌধুৰী জজ), ব্যোমকেশ চক্ৰৱৰ্ত্তী, এইসকলেও মোৰ মনোযোগ বৰকৈ আকৰ্ষণ কৰিছিল। পিছৰ কালত হাইকোৰ্টত নাম-জ্বলা বেৰিষ্টাৰ বি. চি. মিত্ৰ (পিছত স্যাৰ বিনোদচন্দ্ৰ মিত্ৰ) আৰু তেওঁৰ ভায়েক প্ৰভাসচন্দ্ৰ মিত্ৰ (স্যাৰ প্ৰভাস মিত্ৰ) মোৰ লগৰীয়া আৰু সমনীয়া আছিল। তেৰাঁ মোৰ মনোযোগ সিমানকৈ আকৰ্ষণ কৰা নাছিল। সেই কালত হাইকোৰ্টৰ "বাৰ" উজ্জ্বল নক্ষত্ৰসকলৰ থুপি আছিল আৰু তুলনাত "বেঞ্চ" হীন পোহৰ আছিল। মোৰ সেইভোখৰ হাইকোৰ্টীয়া জীৱনত ঘটা অনেক ঘটনাৰ ভিতৰত হাঁহি উঠা সৰু ঘটনা এটা আজিলৈকে ভালকৈ মোৰ মনত আছে। হৰি চাটুৰ্জ্জী নামেৰে হাইকোৰ্টৰ উকীল এজনেৰে সৈতে মোৰ মধ্যম ৰকমৰ চিনা-পৰিচয় হৈছিল। এদিন হাইকোৰ্টৰ দুমহলাৰ বাৰাণ্ডাত টহলি ফুৰিছোঁ, এনেতে তেওঁক দেখা পালো। মই আগ বাঢ়ি গৈ তেওঁক মোৰ নমস্কাৰ জনাই, কথা কবলৈ ধৰিলো। তেওঁ মোৰ মুখৰ ফালে ৰ লাগি এনেকৈ চাই ৰ'ল যে তেওঁ যেন মোক কেতিয়াও দেখা নাছিল। তেওঁৰ তেনে ভাবলৈ-মন নিদি, মই হাঁহি হাঁহি অনৰ্গল কথা কৈয়ে গৈছোঁ। শেষত তেওঁ মোক ক'লে, "মশায় মাফ করবেন, আমিতো আপনাকে চিনি না। আপনি হয়তো আমাকে আমাৰ ভাই মনে করছেন। আমাৰ ভায়েৰ নাম হৰি; আমাৰ নাম হৰ:" এই বুলি তেওঁ মোক তাতে এৰি গুচি গ'ল। মই লাজতে তলমূৰ কৰিলো; আৰু তেওঁৰ ওচৰত ক্ষমা মাগিবলৈকো সময় নাপালো। পিছত শুনিবলৈ পালো যে হৰি আৰু হৰ চাটুৰ্জ্জী দুয়ো সঁচাকৈয়ে যঁজা; আৰু দুয়ো হাইকোৰ্টৰ উকীল। তেনে ভুল মোৰ পূৰ্ব্বৱৰ্ত্তী পূৰ্ব্বপুৰুষ অনেকে হেনো কৰিছিল। ৰহস্যটোৰ সম্ভেদ পাই মোৰ মনে ঠন ধৰিলে। ভাবিলো, হৰি-হৰৰ লীলাৰ কথা এনেকুৱাই হয়।

এই কথা লেখি যাওঁতেই আৰু এনেকুৱা ঘটনাৰে কথা এটা মনত পৰিছে; তাকেই

এইখিনিতে কৈ থওঁ। সেই কালত মোৰ থিয়েটাৰ চাৱা বায়ুও চুৰ্ব্বীয়া বিধৰ নাছিল। কেতিয়াবা কেতিয়াবা সেই চুৰ্ব্বীয়া বায়ুৱেই বাটি গৈ, আমাৰ পূৰ্ব্ববঙ্গ-দেশীয় লোকসকলেৰে সৈতে মোক সমানে উৰাই নিয়াত ত্ৰুটি নকৰিছিল। আজি-কালিৰ কথা মই কব নোৱাৰো; কিন্তু তেতিয়া দেখিছিলোঁ পূৰ্ব্বঙ্গীয়সকলৰ অনেক কলিকতাত থিয়েটাৰ চাবলৈ বুলি আহি দিনৰ দুই-তিনি বজাত শিয়ালদহ ৰেলৰ ষ্টেশ্যনত নামি, ভেৰোণীয়া গাড়ীত উঠি পোন পটিয়েদি গৈ কলিকতাৰ উত্তৰ অঞ্চলত থকা "ষ্টাৰ", "বেঙ্গল" আৰু "নেশ্যনেল" নামৰ থিয়েটাৰত নামি, টিকিট কিনি, তাত দিনৰ চাৰি বজাৰপৰা (ঘাইকৈ শনিবৰীয়া দিনত) আৰম্ভ হোৱা থিয়েটাৰত বহি, এটাৰ পাছত এটাকৈ নাটৰ ভাওনা হেপাহ পলুৱাই চাই, পিছ দিনাৰ পুৱাৰ কুকুৰা ডাকৰ সময়ত থিয়েটাৰৰ ভাওনাৰ ওৰ পৰিলে তাৰপৰা ওলাই আহি "থাৰ্ডক্লাছ" ভেৰোণীয়া গাড়ী এখনত উঠি, গঙ্গাস্নান কৰি, আকৌ শিয়ালদহলৈ গৈ, তেওঁলোকৰ "নিজ বাসভূমি"ৰ ফালে গতি কৰা ৰেলত উঠিছিল।ময়ো কোনোবা-কাচিৎ সেই "ওথ আহি" আগত লৈ ওৰে ৰাতিটো থিয়েটাৰ চাই, পিছদিনা পুৱা আমি থকা মেছ বা ছাত্ৰাবাসত ওলাইছিলোঁহি। তেনে "সদ্‌কৰ্ম্মৰ অনুতাপত দগ্ধ হৈ" পোন্ধৰ দিনমান থাকি, আকৌ যে তেনে কৰ্ম্ম নকৰিছিলোঁ, এনে নহয়। মোৰ বঙ্গজন-নিগত মনৰ স্বভাৱ আছিল অনুতাপত পোৰা আৰু কিছু কালৰ পিছত সময়ৰ জীপ পাই আকৌ ঠন ধৰি উঠা। তেতিয়া ভাবিছিলো, এওঁলোক পূৰ্ব্বঙ্গীয় low-lander (লো-লেণ্ডাৰ); মই তাৰো ওপৰৰ highlander (হাই-লেণ্ডাৰ); মই হুঁহিকম কিয়? পদ্মাতকৈ পাটকাই ওখ।

ষ্টাৰ থিয়েটাৰত এজন ভাল "এক্টৰ" অৰ্থাৎ ভাৱৰীয়া আছিল; তেওঁৰ নামটো মই পাহৰিলো; কিন্তু উপাধিটো হলে মনত আছে। তেওঁৰ উপাধিটো চাটুৰ্জ্জী। মুঠতে মোক চাৰিওফালে চাটুৰ্জ্জীবেই পাইছিল বুলিব লাগে। তাৰ কাৰণ, তেতিয়া মোৰ সাবুৰা মনত ওলাইছিল যে চাটুৰ্জ্জীও কাশ্যপ গোত্ৰৰ মানুহ; আৰু মোৰো গোত্ৰটো কাশ্যপ। ইংৰাজীত কথৰ নিচিনা—"Like attracts like" আৰু অসমীয়াত কথৰ নিচিনা "চোৰেহে চোৰৰ ঠেং দেখে।" এতেকে সগোত্ৰ জাতি-ভায়ে মোৰ মন নাটানিব কিয়? ঈশ্বৰৰ ৰাজ্যত কোনো প্ৰাণী ডাঙৰ-সৰু নহয়; সকলো এক হিচাপে সমান। সকলোৰে হৃদয়ত একেজন পৰমাত্মা নানাৰূপে আছে। সেই দেখি আমাৰ কীৰ্ত্তন-ঘোষাত কৈছে—

কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মা ৰাম।<br>জানি জানি সবাহাঙ্ক কৰিবা প্ৰণাম।

কুকুৰৰ গোত্ৰ কি? আনে নাজানিলেও মই জানো। কুকুৰৰ গোত্ৰ কাশ্যপ! কাশ্যপৰ পত্নীসকলৰ নাম—অদিতি, দিতি, দনু, কাষ্ঠা, অৰিষ্টা, সুৰসা, ইলা, মুনি, ক্ৰধবশা, তাম্ৰা, সুৰভি, সৰমা আৰু তিমি। সৰমাৰপৰা সাৰমেয়। অৰ্থাৎ শ্বাপদবোৰ সৰমাৰ পুত্ৰ। কুকুৰো সাৰমেয়। যিমান দূৰতে থাকক কুকুৰে

একেদিনাই গঙ্গাস্নান কৰি আহিব পাৰিলেহেঁতেন, যদি তাৰ সগোত্ৰ জ্ঞাতি-ভাইবোৰে বাটতে তাক লগ পাই আমনি নকৰিলেহেঁতেন। এইটো মই মনে পাতি কোৱা কথা নহয়; আমাৰ আসামত পুৰণি কালৰেপৰা চলি অহা প্ৰবাদ। সেই দেখিহে মোৰ সগোত্ৰ কাশ্যপ-গোত্ৰীয়। চাটুৰ্জ্জী জ্ঞাতিবে সৈতে মাজে মাজে মোৰ বাটকেৰা লাগিছিল। ষ্টাৰ থিয়েটাৰৰ ভাৱৰীয়া চাটুৰ্জ্জীজন "কমিক্ এক্টৰ" অৰ্থাৎ ধেমেলীয়া ভাও দিয়াত বৰ পটু আছিল। ধেমেলীয়া ভাওৰ ফালে সদায় মোৰ পক্ষপাত থকা কথাটো আনে নাজানিলেও মই জানো। সেই দেখি মই সেই চাটুৰ্জ্জীৰে সৈতে মাজে সময়ে চিনাকি হৈছিলো। এদিন কলিকতাৰ শ্যামবজাৰ ষ্ট্ৰীটত থকা, মোৰ বঙ্গালী বন্ধু এজনৰ ঘৰত বহি মই কথা-বাৰ্ত্তা পাতি থাকোঁতেই ষ্টাৰ থিয়েটাৰৰ চাটুৰ্জ্জী ভাৱৰীয়াক তাতে ওলোৱাগৈ দেখিছিলো। তেওঁ আগেয়ে মোৰ চিনাকি ভাবি, মই তেওঁৰে সৈতে কথা কবলৈ ধৰিলো আৰু সেই কথাৰ মাজত ষ্টাৰত তেওঁ বিতোপন ভাও দিয়াৰ কথা উলিয়ালো। তেওঁ অবাক হৈ মোৰ মুখৰ ফালে চাই আছিল। মোৰ কথাৰ সোঁত বন্ধ হলত, তেওঁ লাহেকৈ উঠি গুচি গ'ল। যাবৰ সময়ত কৈ গ'ল', "মশায়, আপুনি ভুল কবেছেন, আমি ষ্টাৰে এক্টিং কৰি না।" মই কাহু পৰি জীণ গলো। পিছত মোৰবন্ধুজনে ক'লে যে "থিয়েটাৰত একটিং কৰাজন এওঁ নহয়; এওঁ তেওঁৰ ভায়েক, আৰু দুয়ো যঁজা। আপুনি কৰাৰ নিচিনা ভুল অনেকে কৰে।" মই উশাহ পাই মোৰ বন্ধুক প্ৰশ্ন কৰিলো, "এওঁলোক দুইজনৰ ঘৈণীয়েক দুজনীয়ে এনে আহুকাল চম্ভালে কেনেকৈ?" বন্ধুৱে হাঁহি উত্তৰ দিলে—"প্ৰথমেই সেই বিষয়ে অনেক কমেডি অব এৰৰ্চ হৈছিল; তাৰ পিছত দুইজনৰ গাত বেলেগ বেলেগ চিন-চাবৰ দিহা কৰি সেই ভ্ৰম-ৰঙ্গৰ সমাধান কৰা হ'ল।" আমাৰ "ভ্ৰম-ৰঙ্গ" নাটৰ কামৰুপীয়া নিৰঞ্জন আৰু মায়াপুৰীয়া নিৰঞ্জনৰ কথা মোৰ মনত পৰিল।

প্ৰেছিডেন্সি কলেজত আমাক ইংৰাজী সাহিত্য পঢ়ুৱাইছিল সুবিখ্যাত প্ৰফেছৰ চাৰ্লচ টনিয়ে (Tawney): তেওঁ কেনে বিদ্বান আৰু নামজলা প্ৰফেছৰ আছিল, সেই কালত কলিকতা য়ুনিভাৰ্ছিটিৰে সৈতে সম্বন্ধ থকা সকলো মানুহে জানিছিল। আজিও টনি চাহাবৰ নাম কলিকতাত অনেকে পাহৰা নাই। শ্যেক্সপীয়েৰ পঢ়াওঁতা অধ্যাপক তেওঁৰ সমনীয়া কোনো নাছিল। তেওঁ ক্লাছলৈ আহি, চকীখনত বহি কাৰোফালে কেৰাহিকৈ নাচাই অনৰ্গল পঢ়াই গৈছিল। ভাল ছাত্ৰে তেওঁ দিয়া "নোট" লেখি গৈছিল। ফাকিদাৰবোৰে সেই "নোট" পিছত হস্তগত কৰিবলৈ মনতে পাঙি থৈ কোনোৱে টোপনিয়াই, কোনোৱে আনৰ ফালে চাই ফিচিঙা-ফিচিং কৰি, কোনোৱে আকাশ-পাতাল ভাবি সেই ঘণ্টাটো কটাই দিছিল। মই অৱশ্যে এই পিছৰ দলৰ ভিতৰত নাছিলো; কাৰণ মই আচহুৱা আৰু মোৰ স্বভাৱো তেনে নাছিল। ক্লাছত মোৰ সহপাঠীসকলৰ ভিতৰত জোড়াসাঁকোৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ দুজন ডেকা আছিল। এজনৰ নাম ক্ষিতীন্দ্ৰনাথ ঠাকুৰ, আনজনৰ নাম সুধীন্দ্ৰনাথ ঠাকুৰ। তেওঁলোকেৰে সৈতে মুখ দেখা-দেখি চিনাকিৰ বাহিৰে মোৰ বিশেষ ঘনিষ্ঠতা নাছিল। বিধিৰ বিধানত কিছু দিনৰ পাছত তেওঁলোক দুয়ো মোৰ

brother-in-law অৰ্থাৎ জেঠেৰীৰ ঠাই অধিকাৰ কৰিলে আৰু মই তেওঁলোকৰ পৰিবাৰ-ভুক্ত হলোঁ।

মই আইন পঢ়িছিলো ৰিপন কলেজত। আমাৰ এজন অধ্যাপক আছিল বিখ্যাত বিদ্বান পণ্ডিত কৃষ্ণকমল ভট্টাচাৰ্য্য। তেওঁৰ স্বাস্থ্য ভাল নাছিল। তেওঁৰ টপা মূৰটো ব'দৰ দোৰাত্ম্যৰপৰা সুৰক্ষাৰ নিমিত্তে তেওঁ কেনেকৈ ব্যগ্ৰ হৈ ক্লাছৰ খোটালীৰ ভিতৰলৈকে ছাতিটো মেলি মূৰৰ ওপৰত ধৰি সোমাইছিল, সেইটো মোৰ আজিলৈকে মনত আছে। "হিন্দু ল"ত অভিজ্ঞ গোপালচন্দ্ৰ সৰকাৰ শাস্ত্ৰীয়ে আৰু গুৰুদাস বানাৰ্জীয়েও (পিছত জষ্টিচ স্যাৰ গুৰুদাস বন্দ্যোপাধ্যায়) আমাক মাজে মাজে পঢ়ুৱাইছিল।

## ॥ দ্বিতীয় আধ্যা ॥

মই বি, এ, পৰীক্ষাত উঠাৰ পিছৰপৰা এটা মধুৰ নে কটুৰ, বিপদেই নে সম্পদেই,—ভালকৈ কব নোৱাৰো, "এৰেবিয়ান-নাইটছ" অত লেখা সাউদ বাগদাদৰ চিন্দবাদ চেইলৰৰ কান্ধত উঠা মানুহটোৰ দৰে, মোৰ কান্ধত উঠিল, তাক একোপধ্যেই দলিযাই পেলাব নোৱাৰা হলোঁ। সেই বস্তুটোৰ নাম বিয়া। কাব্য আৰু উপন্যাসে মৌখিক দান-পত্রত বিয়াৰ যৌতুক স্বৰূপে দিব খোজা বস্তুবোৰে অৱশ্যে তেতিয়া মোৰ সেই মন ৰঙ কৰি যে নথৈছিল এনে নহয় ; তথাপি যাক বিয়াৰ বায়ু বোলো, সেই বায়ুৱে মোৰ মূৰত দীঘলীয়াকৈ ঠাই লৈ মোক বায়ুৱা কৰিছিল বুলি মই কব নোৱাৰোঁ। বিপদ বুজি সেই অলিয়া বলিয়া দক্ষিণ বতাহৰ প্ৰৱেশদ্বাৰ যথাসাধ্য মই বন্ধ কৰি থবলৈ চেষ্টা কৰিছিলোঁ, কিন্তু থলেকি হ'ব ? লোকে ঠেলি-হেঁচুকি দুৱাৰখন যিমান পাৰে মেলি দি মোক কিছু পৰিমাণে বায়ুৱা কৰিবলৈ ত্ৰুটি নকৰিছিল। মই সংকল্প কৰিছিলোঁ যে পঢ়া-শুনা শেষ কৰি, যেতিযা মই আৰ্জ্জ খাব পৰা হ'ম আৰু মোৰ সহধৰ্ম্মিণীকো খুৱাই-বুৱাই সুখত ৰাখিব পৰা হ'ম, তেতিয়াহে মই বিয়াৰ ভাবনা ভাবিম। কিন্তু পঞ্চচক্ৰত ভগৱানো ভূত-হয় বুলি বঙ্গলাত কোৱা কথা এষাৰ আছে। মোকো তেনে চক্ৰত পেলাই ভূত-যোনিত স্থান দিবলৈ সকলো লাগি গ'ল। দেখিলোঁ, আকাশে-পাতালে মোৰ বিযাৰ কথা। কলিকতাৰপৰা ঘৰলৈ উভতি গলোঁ ; তাতো মোৰ বিয়াৰ কথা। সম্বন্ধীয়া স্ত্ৰী-মহামণ্ডলীত মোৰ বিয়াৰ আন্দোলন। বেজাৰৰ কথা এইটোৱেই যে মই নেদেখিলোঁ মোৰ মাতৃদেৱীয়ে সেই মহা মণ্ডলৰ সভানেত্ৰীৰ বাব লৈছিল। পোন-পটীয়ে তেওঁলোকে দুৰ্গ ভেদ কৰিব নোৱাৰি, কুট-নীতি অৱলম্বন কৰিবলৈ ধৰিলেটি বিয়াৰ দুৰ্গ ভেদত স্ত্ৰী-জাতি, ঠিক যেন জাপানী সেনাপতি জেনাৰেল নোগি। যি হওক মই মুখৰ মহলা মাৰি মহা মণ্ডলৰ সভ্যাসকলক কিছুদূৰ বিমুখ কৰি সাৰি কলিকতালৈ গুচি আহিলোঁ। কিন্তু ভূতে মোৰ পিছ নেৰিলে। দেখিলোঁ কলিকতাতো মোৰ পিছত সেই ভূত আনফালে—মই যে সেইদৰে সকলোৰ স্পৃহনীয়, বৰণীয় আৰু গ্ৰহণীয় হৈ পৰিছোঁ, সেই ভাবেও মোৰ মনত গৰ্ব্ব-পদ্ম'ত তুলি দিলে আৰু তাৰপৰ সন্তোষৰ শীতল নিজৰা বৰলৈ ধৰিলে, অৱস্থা কাহিল হৈ উঠিল ; তথাপিও মই মনত বল বান্ধি বিয়াৰ বিৰুদ্ধে দুহতীয়া খাপৰ হাতত ললোঁ। যেয়ে মোৰ বিয়াৰ প্ৰস্তাৱ কৰে বা সংকেত দিয়ে, তাকে একেবাৰেৰে কৈ দিওঁ "নকৰাওঁ।" মই সেইদৰে কবলৈ শিকিছিলোঁ আমাৰ "মনপুৰ কাই" ৰ পৰা। মোৰ জীৱন-সোঁৱৰণ পঢ়োঁতা সকলে সুধিব পাৰে এই "মনপুৰ কাই" আকৌ কোন ? এই কাই এই আখ্যানৰ ভিতৰত ক'ৰপৰা সোমালহি ?" উত্তৰটো সেই দেখি আগতে দি থওঁ। আমাৰ শিৱসাগৰৰ ঘৰত অনেক কালৰপৰা পুৰণি লগুৱা এটা আছিল, তাৰ নাম মনপুৰ। তাৰ ঘৰ যোৰহাটৰ কাষৰ চাওথাত মৌজাত। সৰুৰেপৰা

সি আমাৰ ঘৰতে থাকি লগুৰা কাম কৰি আদহীয়া হৈছিল, তথাপি দৈৱ-দুৰ্বিপাকত তাৰ বিয়া হোৱা নাছিল। সি বয়সত মোতকৈ চাৰি গুণমান ডাঙৰ আছিল দেখি মই তাক 'মনপুৰ কাই' অৰ্থাৎ ককাই বুলিছিলোঁ আৰু মোৰ সমনীয়া ভৰপৰ ল'ৰায়ো সেইদৰে তাক মাতিছিল। শেহত সি তাৰ কপালৰ ওপৰত ইমান disgusted অৰ্থাৎ বিৰক্ত হৈ উঠিছিল যে আমি তাক কেতিয়াবা বিয়াৰ কথা ক'লে, সি একে আষাৰেই খাটাংকৈ উত্তৰ দিছিল আমাক ছোৱালী নেলা।" "নেলা"টো "নেলাগে" ৰ সংক্ষিপ্ত সংস্কৰণ। উপমাটো যদিও মোৰ গাত সমুলি নাখাটে, তথাপি তাৰ মুখৰ কথাষাৰ শিকি থৈছিলো।

গুৱাহাটীৰ ৰাধাচৰণ বৰুৱাৰ ভায়েক উমাচৰণ বৰুৱা তেতিয়া কিছুদিন কলিকতাবাসী হৈ আছিল। ৰাধাচৰণ বৰুৱাই অসম এৰি কিছুকাল গুপ্তভাৱে থাকি আৰু, চি, বেঞ্জামিন নাম লৈ দিল্লী প্ৰভৃতি ঠাইত ব্যৱসায়-বাণিজ্য কৰি আছিল। অনেক কালৰ পিছত তেওঁ দেখা দিছিল আৰু ভায়েক উমাচৰণ বৰুৱাক তেওঁ ব্যৱসায় সম্পৰ্কত আনি কলিকতাত থৈছিল। উমাচৰণ বৰুৱা বৰ সাদৰী মানুহ আছিল আৰু তেওঁ মোক বৰ ভাল পাইছিল। কলিকতাৰ ডাঙৰ ডাঙৰ বাঙ্গালী মানুহেৰে সৈতে তেওঁৰ জনা-শুনা আছিল। মুখুজ্জী উপাধিধাৰী ডাঙৰ মানুহ এজনেৰে সৈতে তেওঁ কলিকতাত একেলগে পঢ়িছিল আৰু বন্ধুত্বও কৰিছিল। উমাচৰণ বৰুৱা কলিকতাৰ 'চাকুলাৰ ৰোড'ত এটা ভেৰোণীয়া ঘৰত আছিল, যদিও তেতিয়া তেওঁ বিবাহিত। মই সততে তেওঁৰ ঘৰলৈ গৈছিলো। এদিন বৰুৱাৰ বন্ধু মুখুজ্জীৰে সৈতে তাতে মোৰ চিনা-পৰিচয় হৈছিল। তাৰ দিনচেৰেকৰ পিছত উমা বৰুৱাই হাঁহি হাঁহি মোক ক'লে, "মুখুজ্জীৰ দুজনী বিবাহ-যোগ্য ছোৱালী আছে, আৰু মুখুজ্জীয়ে বিযা দিবলৈ দৰা বিচাৰি ফুৰিছে। তোমাক দেখি তেওঁৰ বৰ পছন্দ হৈছে। তেওঁ তোমাক জাঁতি-গুৰি সুধি লৈ তেওঁৰ এজনী ছোৱালী তোমাকে বিযা দিব খুজিছে ; ধন-বস্তুও খুব দিব। তোমাৰ কি মত ?" কথাটো শুনি মই চমক্ খাই গ'লো। ভাবিলো, কি বিপদ। বিয়াৰ নামত দুষ্টগ্ৰহে মোক নেৰা হ'ল দেখিছো। মোৰ সৌৰৱণীখনকে এবাৰ কাৰবাৰ হতুৱাই চোৰামনেকি ?

বৰুৱাৰ সেই কথাষাৰ পাতলাই দিলো। তাৰ পাছতো বিছুমান দিনলৈকে বৰুৱাৰ সেই কথাটো মোৰ কাণত কুহুলিয়াই আছিল। যেতিয়া তেওঁ খাটাংকৈ বুজিলে যে "মিঞা গৰবাজী" তেতিয়া তেওঁ "চহৰকা কাজী"ৰ বাবটো ইস্তফা দি পেলালে। সিফালে আসামৰপৰাও থাকি থাকি, বিয়াৰ প্ৰস্তাৱবোৰ নানান বাটেদি মোৰ কাষলৈ আহিবলৈ ধৰিলে। মই কিন্তু অচল-অটল 'ৰক অব্-গিব্ৰেল্টৰ।' আইন আৰু এম, এ, পঢ়াত মূৰ পুতি লাগিলো। তথাপি সৈ কাঢ়ি কওঁ যে চৌব্বিশ-পঁচিশ বছৰীয়া ডেকা মই, ওপৰা-ওপৰিকৈ বিয়াৰ সুখৰ প্ৰলোভনৰ চোৱে এইদৰে মোৰ মনভেটিৰ তলখন খান্দি কিছু পৰিমাণে হেলেকুলেক্ কৰি পেলাইছিল।

ডাঙৰীয়া হৰিবিলাস আগৰৱালাৰ পৰিয়ালেৰে সৈতে আমাৰ ঘনিষ্ঠ বন্ধুত্ব আছিল। সুখৰ বিষয়, আজিও আছে। আগৰৱালা ডাঙৰীয়াৰে সৈতে এসময়ত মোৰ বৰ ককাইদেও গোবিন্দ বেজবৰুৱাই মহীশূৰ পৰ্য্যন্ত প্ৰায় গোটেই ভাৰতত ভ্ৰমণ কৰিছিল আৰু সম্ভৱতঃ আগৰৱালা ডাঙৰীয়াৰ খৰচতে। মই কলিকতালৈ অহাৰ পিছতে, তেখেতৰ মাজু পুতেক মোৰ সমান বয়সীয়া শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাৰ সৈতে মোৰ এনে বন্ধুত্ব হয় যে তাত এটোপাও পানী সৰকিব নোৱাৰিছিল। আজি আমি দুয়ো বুঢ়াৰ নিচিনা হলোঁহক তাত ফাকটি নাই, দুয়োৰো জীৱনত অলেখ পৰিৱৰ্তন ঘটিল; কিন্তু ঈশ্বৰৰ কৃপাত সেই বন্ধুত্বৰ পৰিৱৰ্তন আজিলৈকে চুলি এডালৰ সমানো ঘটা নাই আৰু ঘটিবৰ ভয়ো মোৰ মনত নাই। কেতিয়াবা ঘটে যদিও, সি আৰু গোটহে মাৰিব বুলি মোৰ বিশ্বাস। ইংৰাজী সাহিত্য-চৰ্চ্চা, সংস্কৃত সাহিত্য-চৰ্চ্চা আৰু ঘাইকৈ অসমীয়া ভাষা আৰু সাহিত্য উন্নতিৰ হাবিয়াসেই, জয়জয়তে আমাৰ ভিতৰত বন্ধুতাৰ সুত্ৰপাত কৰে। তাৰ ফলত 'জোনাকী' নামৰ মাহেকীয়া কাকতৰ জন্ম আৰু বৃদ্ধি হ'ল। কিছুকালৰ পিছত তাৰ যি ক্ষয়টো হৈছিল সি আমাৰ হাতৰপৰা গৈ। মিষ্টভাষী হাঁহি-মুখীয়া চন্দ্ৰ কুমাৰে প্ৰথম দৰ্শনতে মোৰ মন অধিকাৰ কৰি পেলালে। ইংৰাজীত "love at first sight" বোলাৰ নিচিনা কথাই। সেই দিন ধৰি আজিলৈকে সেই বন্ধুত্বও চিঁচিঁৰা নাই। চিঁচিঁৰা শব্দটো ব্যৱহাৰ কিয় কৰিলো, তাৰ কাৰণ লোকৰ এষাৰ কথা আছে যে, "তিনি কুৰি বছৰৰ মুৰতহে খোলাকাটিয়ে চিঁচিঁৰায়" অৰ্থাৎ খোলা disintegrate হবলৈ অৰ্থাৎ জহি যাবৰ ফালে যাবলৈ, কমপক্ষেও তাৰ তিনি কুৰি বছৰ লাগে, সি এনে এটা টান বস্তু। এতেকে আমি দুয়ো জীয়াই থকা কাল-ডোখৰত আমাৰ বন্ধুত্বই চিঁচিঁৰাবৰ কোনো আশঙ্কা নাই।

কলিকতাৰ বৰবজাৰত আৰ্ম্মেনিয়ান ষ্ট্ৰীটৰ ১০ নম্বৰ ঘৰটো হৰি বিলাস আগৰৱালা ডাঙৰীয়াৰ বাণিজ্য-ব্যৱসায়ৰ আৰু বাসস্থানৰ "কুঠী" আছিল। এজন অসমীয়াৰ কলিকতাত তেনে এটা বৰ কুঠী বৰবজাৰত থকা দেখি মোৰ মনটো জাতীয় গৌৰৱত ওফন্দি পৰিছিল।

চন্দ্ৰকুমাৰ হৰিবিলাস আগৰৱালা ডাঙৰীয়াৰ মাজু পুতেক, সেই দেখি তেওঁ-লোকৰ ঘৰৰ সকলোৱে তেওঁক "মাজিউ" বুলি মাতে; ময়ো সেই মাতকে ললোঁ। আজি পৰিমিত মোৰ মুখত সেই মাত আৰু তেওঁৰ মুখত মোৰ প্ৰতি ওলোৱা "বেজ" মাতে বেনা-পাওনা সমান কৰি থৈছে। মই আহিব পালেই ১০ নম্বৰ আৰ্ম্মেনিয়ান ষ্ট্ৰীটলৈ তিক তিক কৰে লৰ খৰো; আৰু তেওঁ আহিব পালেই মই থকা ঠাইত ওলায়হি। মুঠতে আমি দুটালৈ ভিতৰত বন্ধুতাৰ বাণিজ্যত "বিলাত বাকী" পৰিবলৈ নিদিছিলোঁ। মাজিউৰ ঘৰত আমাৰ মুখত সাহিত্য চৰ্চ্চা, পেটত নানাবিধ আহাৰ চৰ্চ্চা চলিছিল, এই মাথোন প্ৰভেদ। কিছু দিনৰ পিছত বন্ধুবৰ (পণ্ডিত) হেমচন্দ্ৰ গোস্বামীও আমাৰ ভিতৰত সোমাল আৰু আমি নিৰহ-নিপানীকৈ ট্ৰিনিটি হলোঁহক অৰ্থাৎ একেই তিনি, তিনিয়েই এক।

বৈকুণ্ঠনাথ দত্ত নামৰ এজন বৃদ্ধ বঙ্গালী ভদ্ৰলোক ১০ নম্বৰ আৰ্ম্মেনিয়ান স্ট্ৰীটলৈ মাজে-সময়ে যোৱা মই দেখিছিলোঁ। তেওঁ ডাঙৰীয়া হৰিবিলাস আগৰৱালাৰ কিছুমান প্ৰিয়পাত্ৰ আছিল; সেই দেখি পুতেকসকলেও তেওঁক ভাল পাইছিল। বৈকুণ্ঠ বাবু জোড়া-সাঁকোৰ ঠাকুৰ পৰিয়ালৰ ভিতৰতো ঘূৰি ফুৰা উপাসক শ্ৰেণীৰ মানুহ আছিল। গুৰিতে কেনেকৈ মই নাজানো, তেৱেঁই "ঠাকুৰবাড়ী"ত মোৰ বিবাহৰ প্ৰস্তাৱটো আনি মাজিউৰ আগত "পেচ" কৰিলে। তাৰ পিচত ঘটা নানা বিষয়ৰ কথাৰ ভিতৰলৈ নগৈ, চুমুকৈ কওঁ যে "ঠাকুৰ বাড়ী"ত মোৰ বিবাহ একপ্ৰকাৰ স্থিৰীকৃত হ'ল। সেই বিষয়ে বিচাৰ, বিবেচনা, সিদ্ধান্ত আৰু সংকল্পত মোৰ প্ৰিয়তম বন্ধু "মাজিউ" আৰু "হেম গোসাঁই" মোৰ সোঁহাত আৰু বাওঁহাত আছিল। আৰু এজন চকা চমকাকৈ দুৰত আছিল, তেওঁৰ নাম যজ্ঞেশ্বৰ নেওগ। অৱশ্যে তেওঁ আমাৰ ভিতৰুৱা বস্তুৰ বাহিৰত।

যি কন্যাটীৰে সৈতে মোৰ বিয়াৰ কথা হ'ল, তেওঁৰ "ফটোগ্ৰাফ" অৰ্থাৎ ছবি এখন মোৰ হস্তগত হ'ল। তেওঁৰ বিদ্যা, বুদ্ধি, গুণ, শীলৰ বৰ্ণনাও মোৰ কৰ্ণগোচৰ হ'ল। ঈশ্বৰে জানে কিয়—মোৰ মনে তেওঁক মোৰ জীৱনৰ সহচৰী সহধৰ্ম্মিণী স্বৰূপে বৰণ কৰিলে। তেওঁৰ সেই ছবিটোৱে মোৰ মূৰ-শিতানৰ গাৰুটোৰ তলত ঠাই ল'লে। দিনে দিনে মোৰ মনৰ সংকল্প দৃঢ় হৈ আহিল। আজি-কালিৰ শিক্ষিত-শিক্ষিতা ডেকা ডেকেৰীসকলে শুনি Shocked নহলেও আচৰিত মানিব যে বিয়াৰ আগ মুহূৰ্ত্তলৈকে আমাৰ ভিতৰত "কোৰ্টশিবপ" অৰ্থাৎ বিয়াৰ উমেদাৰি চলা নাছিল, পৰস্পৰৰ চিত্তাকৰ্ষণৰ নিমিত্তে মায়াৰ খেলৰ ভাৱনা কৰা হোৱা নাছিল; পূৰ্ব্বৰাগৰ উমা জুইকুৰা ফুৰাই ফুৰাই জ্বলোৱা হোৱা নাছিল; কাৰণ আমাৰ দুয়োৰো তেনেকুৱা বস্তুলৈ কোনো আগ্ৰহ নাছিল, থকাহেঁতেন সেই ভাৱনা সমাপিত হোৱাত কোনো ব্যাঘাতো নহ'লহেঁতেন; কিয়নো, সেই পৰিয়ালত মৰ্য্যাদা, সম্মান আৰু শীলতা ৰাখি তেনে কাৰ্য্য একেবাৰেই নিষেধ (taboo) নাছিল। মই তেওঁক চিত্ৰত দেখিলোঁ সুন্দৰী আৰু বিশ্বস্ত লোকৰ বৰ্ণনাত শুনিলোঁ সুন্দৰী, সুশীলা আৰু ধাইকৈ ধৰ্ম্ম-প্ৰৱণা; —সেয়েই মোৰ নিমিত্তে প্ৰচুৰ।

এই পৃথিৱীখন যে প্ৰতাৰকৰ পৃথিৱী, এই ধাৰণা মোৰ কেতিয়াও হোৱা নাই আৰু কিজানি নহয়ো। প্ৰতাৰক অৱশ্যে আছে; কিন্তু ইমান সহজ নহয় যে ধনিষ্ঠ আৰু ন্যায়ৰতসকলক সিহঁতে উটাই নিব পাৰে।

এইখিনিতে কোনোবাই মোক সুধিব পাৰে, যে "তুমি ইয়াৰ আগতে ঢোলৰ মাৰিভাল হাতত লৈ ইমানকৈ যে বজাই কৈছিলা যে তুমি নিজে আৰ্জ্জি খাব পৰা নহলে বিয়া নকৰোৱা; সেই কথাষাৰ কোনটো আথাৰ তললৈ গ'ল? মই উত্তৰ দিম, —"ঠিক কৈছা মোৰ ভাইটি! সি মোৰ আথলত থকা বৰ আথাটোৰ তললৈকে গ'ল। কিন্তু মই ইচ্ছা কৰি মোৰ তালৈ পঠিওৱা নাছিলোঁ; বাহিৰত বলা বলী বতাহৰ টোৱে কোবাই নি তাৰ তেনে গতি কৰিলে। "Man proposes, God disposes" বোলা ইংৰাজী কথাষাৰ পাহৰিলে নচলিব। ঈশ্বৰৰ ইচ্ছাৰ আগত আমি বালি-চাহী

নৰমনিছৰ ইচ্ছা কোন কটো ? আসামতো মোৰ বিয়াৰ প্ৰস্তাৱৰ প্ৰবল ঢৌৰ কোব ইমানকৈ উঠিছিল আৰু তাক চালনাৰ ভাৰ মোৰ পূজনীয়া মাতৃদেৱী আৰু ভ্ৰাতা-সকলে এনেকৈ কৈছিল যে সেই ঢৌয়ে কোবাই অচিৰতে মোৰ বিয়াৰ বিৰোধী সংকল্পৰ তিল-ফুল কলপটুৱা সোপাকে যে এদিন উটাই লৈ যাব সেইটো মোৰ মনত চেবাই আছিল। আকৌ সেই দেখি কওঁ—ঈশ্বৰৰ ইচ্ছাত সকলো হয়। There is Divinity even in the fall of a sparrow—মহাকবি শ্যেক্সপীয়েৰৰ কথা। অসমীয়া বুঢ়া মানুহৰ কথা হৈছে,—"যি পূৰ্ব্বে জন্মত যাৰ তিল-মাহ খাই আহিছে, তাৰে সৈতে সেইজনৰ বিয়া।"

১৮৯১ খ্ৰীষ্টাব্দত মহা মহা বাৰুণীত পিতৃদেৱতাই মোৰ মাতৃদেৱী আৰু দুজন পুতেকেৰে সৈতে গঙ্গাস্নান কৰিবলৈ কলিকতালৈ আহিছিল। মই মেডিকেল ষ্ট্ৰীটত এটা ঘৰ ভেৰোণীয়াকৈ লৈ তেওঁলোকক তাতে থাকিবলৈ দিহা কৰি দিছিলো; তেওঁলোকে কলিকতা পোৱাৰ পিছদিনাই মোৰ কাণ সমনীয়া সৰু ভাই লক্ষ্মণ তাতে মাউৰত পৰিল আৰু বাৰ ঘণ্টাৰ ভিতৰতে ঢুকাল। আমি কি শোক-সাগৰত বুৰিলোহঁক অন্তৰ্য্যামীজনেহে জানে। লক্ষ্মণক কান্ধত লৈ নিমতলা ঘাটত পুৰি আহিলোগৈ। মাতৃদেৱী শোকত জলকা লাগিল। পিতৃদেৱতা যদিও আন্তৰিক শোকত ম্ৰিয়মান হৈছিল, তথাপি তেওঁ ধৈৰ্য্য ধৰি নিজক থিয় ৰাখি আমাক সান্ত্বনা দিবলৈ ধৰিলে। গঙ্গাগোবিন্দ ফুকন (জি, জি, ফুকন) বেজবৰুৱা পৰিয়ালৰ চিৰকলীয়া বন্ধু। তেওঁ ওৰে ৰাতি লক্ষ্মণৰ নৰিয়াত পৰ দি আছিল। লক্ষ্মণৰ মৃত্যুত শোক সামৰিব নোৱাৰি, সেই গহীন গম্ভীৰ পুৰুষজনে তিৰোতাই কন্দাদি যেনেকৈ কান্দিছিল, সেই হৃদয়-বিদাৰক দৃশ্য আজিলৈকে মোৰ মনত আছে।

পিতৃদেৱতাই যদিও আমাৰ শোকৰ বাহ্যিক কাৰ্য্যাৱলীত যোগ দিয়া নাছিল তথাপি মোৰ বুজিবলৈ বাকী নাছিল যে, তেওঁৰ হিয়া চুৰ্মাৰ্চ হৈ গৈছিল। লক্ষ্মণৰ মৃত্যুত তেওঁৰ জীৱনৰ এক মাথোন আশাৰ পুলিটি সমূলেহে বিনষ্ট হ'ল। পাশ্চাত্য শিক্ষাই তেওঁৰ আনবোৰ ল'ৰাৰ বিপৰ্য্যয় ঘটোৱা দেখি তেওঁ পুৰণি আসামৰ চিৰপ্ৰৱাহিত শিক্ষা-দীক্ষা আৰু ঘাইকৈ আমাৰ বংশত অসমৰ "বুঢ়াভগনীয়া ৰজা"ৰ দিনৰেপৰা ধাৰাবাহিক ৰূপে চলি অহা আয়ুৰ্ব্বেদিক বিদ্যা অক্ষুণ্ণ ৰাখিবৰ মনেৰে পিতৃদেৱতাই অতি যত্ন কৰি নিজৰ মনৰ নিচিনাকৈ শিক্ষা দি লক্ষ্মণকে প্ৰস্তুত কৰিছিল। তেওঁৰ চকুৰ আগতে সেই লক্ষ্মণৰ মৃত্যু। গঙ্গাগোবিন্দ ফুকনক তেওঁ এষাৰ মাথোন কথা কৈছিল, "ঈশ্বৰৰ ইচ্ছা যে আসামত আমাৰ বংশত অত কালৰপৰা প্ৰচলিত আয়ুৰ্ব্বেদ বিদ্যা লোপ পাব লাগে।"

বাৰুণীত স্নান কাৰ্য্যাদি সমাপন কৰি পিতৃদেৱতা সপৰিবাৰে আসামলৈ উভতি গ'ল; তাৰ এমাহমানৰ পিছতে, মোৰ ৰবককাইদেও গোবিন্দচন্দ্ৰ বেজবৰুৱাৰপৰা এদিন হঠাৎ এখন টেলিগ্ৰাম পালো, যথা—"Your marriage settled with—s daughter, come immediately." অৰ্থাৎ অমুকৰ জীয়েকেৰে সৈতে তোমাৰ বিয়াৰ

ঠিক হৈছে, তৎক্ষণাত আহিবা। উত্তৰত মই টেলিগ্ৰাম কৰিলো,—"My marriage settled with Maharsi Devendranath Tagore's grand-daughter" মানে, মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰৰ নাতিনীয়েকেৰে সৈতে মোৰ বিয়া ঠিক হৈছে। ইয়াৰ পিছত কত'খন টেলিগ্ৰাম দুই ফালৰপৰা আহিল গ'ল ঠিক নাই। শেহৰখনলিখিলো—"My marriage will be celebrated tomorrow positively"—মানে ১৮৯১ খ্ৰীষ্টাব্দৰ মাৰ্চ মহাৰ ১১ তাৰিখে মোৰ বিয়াৰ এই খবৰে ৰংপুৰ, যোৰহাট, গোলাঘাটত কত কল্পনা-জল্পনাৰ আন্দোলন সৃষ্টি কৰিলে, সেইবোৰৰ বিৱৰণ দি আৰু প্ৰবন্ধ দীঘলাও। তেতিয়া কলিকতাত থকা গঙ্গাগোবিন্দ ফুকনলৈকো আমাৰ ঘৰৰপৰা বিয়া ভাঙি দিবলৈ কেইবাখনো টেলিগ্ৰাম আহিছিল। তেওঁ সেই সম্পৰ্কে কি কৰিছিল—মই নাজানো। তেওঁ নিমন্ত্ৰিত হৈও মোৰ বিয়ালৈ অহা নাছিল। কিন্তু বিয়াৰ দিনচেৰেকৰ পাছত তেওঁ আৰু তেওঁৰ গৃহিণীয়ে আমাৰ দুইকো তেওঁ থকা ঘৰত খাবলৈ মাতিছিল আৰু আমাক বৰ আদৰ-সাদৰ কৰিছিল। ইংৰাজ কবি গল্ড্স্মিথৰ "ডেজৰ্টেড ভিলেজ্" নামৰ কিতাপখন তেওঁলোকে বিয়াৰ যৌতুক-স্বৰূপে মোক দিছিল। বাহাদুৰ গুণাভিৰাম বৰুৱাও সেই সময়ত সস্ত্ৰীক কলিকতাতে আছিল। তেওঁৰ ল'ৰা-ছোৱালীকেইটিও তেওঁৰ লগতে আছিল। তেওঁলোককো নিমন্ত্ৰণ কৰা হৈছিল, কিন্তু বিয়া-ঘৰত দেখিবলৈ নাপালো। তেৱোঁ বিয়াৰ কিছুমান দিনৰ পিছত তেওঁলোকৰ ঘৰত সস্ত্ৰীক মোক নিমন্ত্ৰণ কৰি বৰ মৰম-চেনেহ কৰি খুৱাইছিল। তেতিয়া কলিকতাত থকা প্ৰায় সকলোবোৰ অসমীয়া ছাত্ৰে বিয়ালৈ আহি ভুৰি-ভোজন কৰি পৰিতুষ্ট হৈ গৈছিল।

এইখিনিতে এটা কথাৰ উল্লেখ কৰা উচিত যেন পাইছো ; কাৰণ থাই ঘটনা মই লুকুঢুক্ নকৰো। অৱশ্যে সৰু-সুৰা কথা পাহৰণিৰ বুকুত সোমাই যোৱাৰ বাবে কেতিয়াবা কওঁতে ভুলো হব পাৰে।

মই তেতিয়া কলিকতাৰ শানকিভাঙ্গা নামৰ ঠাইৰ ২নং ভবানী চৰণ দত্তৰ গলিত, জনচেৰেক বাছকবনীয়া অসমীয়া ছাত্ৰৰে সৈতে 'মেছ' কৰি একেলগে আছিলো। "ঠাকুৰবাড়ী"ত যেতিয়া মোৰ বিয়া একৰকম ঠিক হ'ল মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰৰ এজন বিশ্বস্ত কৰ্ম্মচাৰীয়ে মোৰ থকা ঠাই ২ নং ভবানীচৰণ দত্তৰ লেনৰ ঘৰলৈ আহি, মোক বিশ্বাসতে সুধিছিল, বিয়াত মোৰ ফালৰপৰা condition অৰ্থাৎ দাবী কি ? অৰ্থাৎ মই কিমান টকা বিচাৰো ? মোৰ অবিদিত নাছিল যে বঙ্গদেশত দৰাৰ ফালৰপৰা ছোৱালীৰ অভিভাৱকৰপৰা ধন-বিত বিচৰা হয় ; আৰু সেই ধন দিয়া আৰু লোৱাৰ দৰ-দস্তুৰৰ এটা মীমাংসা হলেহে বিয়া হয়। সেইটোৱে অতি জঘন্য কু-প্ৰথা, আন নালাগে বঙ্গালীসকলেও স্বীকাৰ কৰে, কিন্তু মুখেৰে স্বীকাৰ কৰিলে কি হ'ব ? কাৰ্য্যত, আন নালাগে বিশ্ববিদ্যালয়ৰ উচ্চ শিক্ষা পোৱা বি. এ., এম্. এ, 'পাছ' কৰাসকলৰ ভিতৰতো সি প্ৰবলভাৱে চলি আছে। তাৰ ফলত, অলেখ মজলীয়া ভৰপৰ বঙ্গালী সৰ্ব্বস্বান্ত হৈছে ; আৰু কেইবাটাও অতি শোচনীয় ঘটনা হৈ যোৱাৰ বাতৰি কাকত পত্ৰত ছপা হৈ ওলাইছে ; যেনে—কিছু কালৰ

আগতে ঘটা স্নেহলতাৰ জুইত জাহ ; আৰু সিদিনাও চাৰিজনী অবিবাহিতা বায়েক-ভনীয়েকে বাপেকক ধ্বংসৰপৰা ৰক্ষা কৰিবলৈ স্ব-ইচ্ছাতে কানি পান আৰু আত্মহত্যা কৰা। মই সেই কৰ্ম্মচাৰীজনক উত্তৰ দিলো,"—আসামত অসমীয়া মানুহৰ ভিতৰত ধন লৈ ছোৱালী বিয়া কৰোৱা প্ৰথা নাই। অসমীয়াই অন্তৰেৰে সৈতে তেনেকুৱা প্ৰথাক ঘিণ কৰে। মই বঙ্গদেশৰ ভিতৰত শিক্ষিত সুমাৰ্জ্জিত আৰু শ্ৰেষ্ঠ পৰিয়ালত বিবাহ সম্বন্ধেৰে বান্ধ খাবৰ নিমিত্তেহে প্ৰস্তুত হৈছো ; বণিয়াৰ দৰে ধন-বিত্ত বিচাৰি সেই কাৰ্য্য কৰিবলৈ ওলোৱা নাই।"

মোৰ উত্তৰটো শুনি কৰ্ম্মচাৰীজনৰ মুখখন জামৰি গ'ল। তেওঁ ক্ষমা-প্ৰাৰ্থনা কৰি উঠি গুচি গ'ল ; অৱশ্যে মোক মহামূৰ্খ বিদেশী অসমীয়া বুলি পেটে পেটে ভাবিছিলনে নাই, মই কব নোৱাৰো। মোৰ বিয়াৰ পিছত মোৰ সহধৰ্ম্মিণীৰ মুখৰপৰা শুনিছিলো যে "কৰ্তামশায়" অৰ্থাৎ তেওঁৰ ককাদেউতাক মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰে মোক দিবলৈ দহ হাজাৰ টকা তেওঁৰ কাছাৰীৰ খাজাঞ্চিৰ হতুৱাই টোপোলা বন্ধোৱাই থৈছিল। তেওঁলোকৰ পৰিয়ালত আগে-পিছে জোঁৱায়েকে তেনেকৈ টকা লয় ; তেহেলৈ সেইজন 'বিলাত-ফেৰ্ত্তাই" হওক বা স্বদেশতে বংশমৰ্য্যাদা আৰু লেখা-পঢ়াত জিলিকাই হওক। মই নলওঁ বুলিলো দেখি সেই টকা দিয়া নহ'ল। গৃহিণীৰ এই কথা শুনি মই দুঃখিত হোৱা দূৰত থাকক, আত্মগৌৰৱ অনুভৱ কৰি মিচিক্ কৰে মাথোন হাঁহিলো। ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱা ডাঙৰীয়াই খুব সম্ভৱ, কেনেবাকৈ এই কথাৰ সন্ধেদ পাইছিল। তেওঁৰ ঘৰত মোক সস্ত্ৰীক নিমন্ত্ৰণ কৰি খুউৱা দিনা, তেওঁ তেওঁৰ হাতৰ তলুৱাখন মেলি ঠোলা পাতি দেখুৱাই মোক আকাৰে-ইঙ্গিতে এইদৰে কৈছিল—"আমি বামুণ মানুহ। বামুণে সদায় সোঁহাতৰ তলুৱাখন ঠোলা পাতি থয় ; লুটিয়াই উবুৰিকৈ নথয়।" সেইদিনাও সেই কথাত মোৰ মুখত মিচিকিয়া হাঁহি বিৰিঙিল।

মই বিয়াৰ দিনাহে, আমাৰ অসমীয়া মাত্তেৰে কবলৈ গলে, "হোমৰ গুৰি"ত প্ৰথমতে মোৰ ভাবী সহধৰ্ম্মিণীৰ মুখখন দেখিছিলো। অৱশ্যে আমাৰ বিয়াত "হোম-পোৰা" হোৱা নাছিল ; কাৰণ আদি ব্ৰাহ্মসমাজৰ বিধি মতে আমাৰ বিয়া হৈছিল ; তাত হোম পুৰি বিয়া দিয়াৰ বিধান নাই, শালগ্ৰাম আৰু হোমৰ বাহিৰে হিন্দু বিয়াৰ সকলো আচাৰৰ ব্যৱস্থা তাত আছে।

কেশৱবাবুৰ "নব-বিধান"ত আৰু সাধাৰণ 'ব্ৰহ্মসমাজ'ত প্ৰচলিত ৰেজিষ্টাৰী বিয়াও "আদি-ব্ৰাহ্মসমাজ"ত নাই। সেই দেখি, আদি-ব্ৰাহ্মসমাজৰ আন আন কাৰ্য্যতো হিন্দুৰ ৰীতি-নীতিলৈ সৰহীয়া পক্ষপাত দেখি সাধাৰণ ব্ৰাহ্মসমাজৰ বৰকৈ আগ বাঢ়োতা go-ahead সকলে আদি-ব্ৰাহ্মসমাজক হিন্দু-সমাজ বুলি ইতিকিং কৰে। সুখৰ বিষয় যে আদি-ব্ৰাহ্মসমাজভুক্তসকলে সেই ইতিকিং compliment অৰ্থাৎ নিন্দা নুবুলি বন্দনা বুলিহে লয়। আজিলৈকে চেন্সাছ ৰিপোৰ্টত আদি-ব্ৰাহ্মসমাজৰ মানুহে নিজক হিন্দু বুলি লেখাইহে গৌৰৱ অনুভৱ কৰে। মহৰ্ষিৰ মুখ্য idea বা ভাবেই গুৰিৰেপৰা তেনেকুৱা। আদি সমাজ বৈদিক কালৰ অপৌত্তলিক আৰ্য্য

হিন্দু সমাজৰ আহিৰ্ত গঠিত। বেদ আৰু উপনিষদ তাৰ ভেটি। বেদ-উপনিষদৰ সাৰ ভাগ গ্ৰহণ আৰু অনাগাতিয়াল ভাগ বৰ্জ্জন—অৱশ্যে অবজ্ঞাভাৱে বৰ্জ্জন নহয়। মহৰ্ষিৰ এই মূল ভেটিৰপৰা ফাটি নৱবিধান আৰু সাধাৰণ সমাজ হ'ল; যেতিয়া প্ৰথমতে কেশৱচন্দ্ৰ সেনে আৰু তাৰ পিছত তেওঁৰ লগৰীয়াসকলে মহৰ্ষিৰ আদৰ্শ গ্ৰহণ কৰিব নোৱাৰা হ'ল। দয়ানন্দ সৰস্বতীৰ আৰ্য্য সমাজেৰে সৈতে আদি সমাজৰ পোন্থৰ অনা মিল, মাথোন আৰ্য্য সমাজৰ সিন্ধান্ত যে বেদ একেবাৰে সকলো বিষয়তে অভ্ৰান্ত আৰু হোম সকলোৰে কৰ্তব্য, ঘাইকৈ এই দুটাত বিভিন্নতা। মোৰ বিয়াত "সপ্তপদী গমন", "স্ত্ৰী-আচাৰ", "শুভদৃষ্টি" আৰু হিন্দুৰ বিয়াৰ বিধিত অনুষ্ঠেয় প্ৰায় সকলোবোৰ বৈদিক মন্ত্ৰৰ সমাবেশ আছিল; মুঠতে সি শালগ্ৰাম আৰু হোম-বিহীন হিন্দু বিয়া। বিয়াৰ বেদীৰ কাষত প্ৰথমতে মোৰ ভাবী সহধৰ্ম্মিণীকে দেখিলোঁ; আৰু তাৰ পিছত কাপোৰৰ ঢাকোনৰ তলত "শুভদৃষ্টিত"।

আমাৰ সপ্তপদী গমনৰ পিছত কাপোৰৰ ঢাকোনৰ তলত দুয়ো থিয়, কাপোৰৰ আঁৰৰ ভিতৰত আনৰ দৃষ্টিৰ প্ৰৱেশ-নিষেধ, এনে অৱস্থাত আমাৰ দুইৰো যেতিয়া শুভদৃষ্টি ঘটিল, মোৰ সহধৰ্ম্মিণীয়ে ফিক্ কৰে হাঁহি পেলালে। তেওঁৰ তেনে অৱস্থা দেখি মোৰো মুখত তেনে হাঁহি বিৰিঙি উঠিল। সিফালে আমাক বৰণ কৰিবলৈ তাত সমবেত মহিলাসকলে—

আয় ৰে আয় সোনাৰ জামাই
বৰণ কৰি শাঁখ বাজায়ে।
দেখো যেন· যেয়ো নাকো
সান্না তলায় মন হাৰায়ে।"

হঠাৎ মনত পৰি, বিয়াৰ কিছুমান দিনৰ পিছত এদিন মোৰ গৃহিণীক সুধিছিলোঁ, তেওঁ বিয়াৰ দিনা সেই শুভদৃষ্টিৰ সময়ত সেইদৰে হাঁহিছিল কিয়? তেওঁ মোক উত্তৰ দিলে—বিয়াৰ অনেক দিনৰ আগতে তোমাক মই এদিন সপোনত দেখিছিলোঁ। মই সামাজিকত দেখা মুখখনেৰে সৈতে তোমাক হুবহুকৈ মিলি যোৱা দেখি মোৰ হাঁহি উঠিছিল। সন্দিগ্ধ চিত্তৰ ( sceptic ) মানুহে কথাষাৰ পতিয়াবলৈ টান পাব বুলি মই বুজিছোঁ; মই কিন্তু নাপাওঁ। তাৰ কাৰণ—বিয়াৰ দিনাৰপৰা আজিলৈকে মই নানা বিষয়ত আৰু নানা অৱস্থাত দেখি আহিছোঁ যে তেওঁ কেতিয়াও মিছা কথা নকয়; আৰু সদায় ধৰ্ম্মভীৰু (pious)। জোড়াসাঁকোৰ পৰিয়ালৰ ভিতৰতো তেওঁৰ সেই সুখ্যাতি আছে। মোৰ কথাষাৰ পক্ষপাতমূলক বুলি যাৰ পতিয়াবৰ মন নাযায়, সেইজনে নপতিয়ালেও মই বেয়া নাপাওঁ, মই মোৰ জ্ঞান-বিশ্বাসমতে কৈ থলোঁ মাথোন। মোৰ সৈতে তেওঁৰ বিয়াৰ সম্বন্ধ হোৱাৰ আগেয়ে কেইবাবাৰো একোজন কৃতী শিক্ষিত আৰু সম্ভ্ৰান্ত পৰিয়ালৰ ডেকাৰে সৈতে তেওঁৰ বিবাহৰ সম্বন্ধ প্ৰস্তাৱ হৈছিল। প্ৰত্যেক বাৰতে তেওঁ দৃঢ়ভাৱে অসম্মতি প্ৰকাশ কৰিছিল। কিন্তু কিয় কব পৰা নাযায়, মোৰ বেলিকা তেওঁ একেবাৰতে হুঁ বুলি সম্মতি দিলে। অথচ তেওঁ মোক চৰ্ম্ম-চকুৰে আগেয়ে কেতিয়াও দেখা নাছিল। এই প্ৰহেলিকাৰ তাৎপৰ্য্য

উলিওৱাটো মোৰ পক্ষে সাধ্যাতীত। মই এই মাথোন জানো যে প্ৰকৃত বিবাহ মাথোন পাৰ্থিব বস্তুৰ পাৰ্থিব মিলন নহয়; সি দুই আত্মাৰ (soul) আধ্যাত্মিক মিলন, আৰু ঈশ্বৰৰ ইচ্ছাত সংঘটিত ব্যাপাৰ। বিয়াৰ আগেয়ে মলো প্ৰথমতে যেতিয়া ফটোগ্ৰাফত তেওঁৰ প্ৰতিকৃতি দেখিলো, হঠাৎ মোৰ মনত বিজুলী মৰাৰ দৰে মাৰিলে যেন সেই মুখখন মোৰ অনেক কালৰ চিনাকি। এই কথাবোৰ trash অৰ্থাৎ ফপহুতা বুলিবৰ যাৰ ইচ্ছা হয়, বোলক, মই কিন্তু জানোঁ—ধ্ৰুৱ।

বিয়াৰ তিনি দিনৰ পিছত ২নং ভবানীচৰণ দত্ত লেনৰ ঘৰলৈ মই উভতি আহিলো আৰু আগৰ দৰে থাকিবলৈ ধৰিলোঁ। মোক উভতি অহা দেখি মোৰ মেছৰ লগৰীয়া-সকলে আচৰিত মানিলে, কাৰণ তেওঁলোকে ভাবিছিল যে সম্ভাৱপৰা ওলাই যোৱা এই চৰাইটো আকৌ উভতি নাহে। অৰ্থাৎ তেওঁলোকে ভাবিছিল, মই শহুৰৰ ঘৰতে বসতি কৰিম। ঠাকুৰ পৰিয়ালৰ জোঁৱাইৰ সম্পৰ্কে তেওঁলোকৰ তেনে ধাৰণা হোৱাটো আচৰিত কথা নহয়। আহি মই দুই হাত মেলি তেওঁলোকক আঁকোৱাল মাৰি ধৰিলোঁহি; ভাবাৰ্থ—মই আগেয়ে যেনেকৈ তোমালোকৰ আছিলোঁ, এতিয়াও তেনে; তোমালোকে মোক সামৰি লোৱাহক।

ওপৰত কৈ আহিছো, ১৮৯১ খ্ৰীষ্টাব্দৰ মাৰ্চ মাহৰ ১১ তাৰিখে মোৰ বিয়া হয়। সেই কালত ঠাকুৰ পৰিয়ালৰ মুকুট-মণি মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰ জীয়াই আছিল। তেতিয়া তেওঁ নিজা ঘৰ জোড়াসাঁকোত নাথাকি পাৰ্ক ষ্ট্ৰীটত এটা প্ৰকাণ্ড ঘৰ কেৰেয়া কৰি লৈ তাতে আছিল। জোড়াসাঁকোৰ ঘৰত তেতিয়া তেওঁৰ বৃহৎ পৰিবাৰ—পুতেক, নাতি-নাতিনী প্ৰভৃতিৰে ভৰপূৰ; ঠিক যেন ডাঙৰ মৌচাক এটাত মৌ-মাখিৰ থুপ। পাৰ্ক ষ্ট্ৰীটৰ ঘৰত মহৰ্ষিৰে সৈতে তেওঁৰ বৰ পুতেক সুবিখ্যাত দাৰ্শনিক দ্বিজেন্দ্ৰনাথ ঠাকুৰ; "অশ্ৰুমতী", "সৰোজিনী" প্ৰভৃতি নাটক-প্ৰণেতা আৰু প্ৰথমতে কলিকতাত স্বদেশী জাহাজ চলাওঁতা পঞ্চম পুতেক জ্যোতিৰিন্দ্ৰনাথ ঠাকুৰ, মহৰ্ষিৰ বিধবা বৰ জীয়েক সৌদামিনী দেৱী আছিল। জোড়াসাঁকোৰ ঘৰত মহৰ্ষিৰ নুমলীয়া পুতেক ৰবীন্দ্ৰনাথ ঠাকুৰ (পিছত বিশ্ববিখ্যাত কবি), চতুৰ্থ পুতেক বীৰেন্দ্ৰনাথ ঠাকুৰ (যি প্ৰতিভাশালী সন্তান বলেন্দ্ৰনাথ ঠাকুৰৰ বাপেক) আৰু ষষ্ঠ পুতেক সোমেন্দ্ৰনাথ ঠাকুৰ। মহৰ্ষিৰ তৃতীয় পুতেক হেমেন্দ্ৰনাথ ঠাকুৰৰ বিধবা পত্নী মোৰ শাহু আই, তেওঁৰ তিনি পুতেক হিতেন্দ্ৰ, ক্ষিতীন্দ্ৰ, ঋতেন্দ্ৰ আৰু জীয়েকহঁতৰে সৈতে তাতে। সৌদামিনী দেৱীৰ পুতেকে সত্যপ্ৰকাশ গাঙ্গুলী সপৰিবাৰে সেই ঘৰতে আৰু মহৰ্ষিৰ এজন জোঁৱায়েক যদুনাথ মুখাৰ্জ্জী সপৰিয়ালে তাতে বাস কৰিছিল। কাৰেণৰ নিচিনা সেই বিৰাট ঘৰখন সাজ-পাৰ, দাৰোৱান, চক্ৰৱী, কৰ্ম্মচাৰীৰে সৈতে তেতিয়া এটা বিৰাট ব্যাপাৰ। মহৰ্ষিৰ জমিদাৰী কছাৰীও সেই টোলৰ ভিতৰতে। মহৰ্ষিৰ পৰিয়ালৰে ভিতৰুৱা গগনেন্দ্ৰনাথ ঠাকুৰ। কলাবিদ অবনীন্দ্ৰনাথ ঠাকুৰ (পিছত চি. আই. ই) আৰু ভায়েক সমৰেন্দ্ৰনাথ ঠাকুৰো সপৰিবাৰে সেই প্ৰকাণ্ড টোলৰ ভিতৰতে।

অনেক বছৰৰ পিছত জোড়াসাঁকোৰ ঠাকুৰ পৰিয়ালৰ ভিতৰত এইখন বিয়া; সেই

দেখি এইখন বিয়াই পৰিবাৰৰ সকলোৰে মন আকৰ্ষণ কৰিছিল আৰু মোৰো তাপাত সকলোৰেপৰা আদৰ-সাদৰ লাভ হৈছিল। সুবিখ্যাত বেৰিষ্টাৰ এ চৌধৰীৰ (পিছত কলিকতা হাইকোৰ্টৰ জজ স্যৰ আশুতোষ চৌধুৰী) সহধৰ্ম্মিণী প্ৰতিভা দেৱী মোৰ ভাৰ্য্যাৰ আপোন বায়েক। প্ৰতিভা দেৱীৰ বিয়াৰ প্ৰায় ৮৷৯ বছৰৰ পিছত এইখন বিয়া। এই দীঘলীয়া ব্যৱধানে মোক সুবিধা কৰি দিছিল। সকলো ফালৰপৰা আমাৰ নিমন্ত্ৰণ, পাৰ্টি ইত্যাদিৰ জাউৰি উঠিবলৈ ধৰিলে। মহৰ্ষিৰ মাজু পুতেক পূজনীয় সত্যেন্দ্ৰনাথ ঠাকুৰ ভাৰতীয়ৰ ভিতৰত প্ৰথম চিভিলিয়ান। তেওঁৰ সহধৰ্ম্মিণী শ্ৰীমতী জ্ঞানদানন্দিনী দেৱীয়ে, পুতেক সুৰেন্দ্ৰনাথ ঠাকুৰ আৰু জীয়েক ইন্দিৰা দেৱীৰে সৈতে, কলিকতা ময়দানৰ দক্ষিণ ফালে "বিৰ্জিতলা" বা ব্ৰজতলা নামৰ ঠাইত সুকীয়াকৈ এটা প্ৰকাণ্ড ঘৰত বাস কৰিছিল। দিনো আবেলি আৰু গধূলি তাত কলিকতা হাইকোৰ্টৰ জজ, বেৰিষ্টাৰ আৰু আন আন বৰলোকৰ সমাগম হৈছিল। টেনিছ পাৰ্টি, খেল, সঙ্গীত প্ৰভৃতি তাত দৈনিক ব্যাপাৰ বুলিলেই হ'ব। তালৈকো মোৰ প্ৰায় সততে গতি-বিধি আছিল।

এটা কথা মনত পৰিছে, এইখিনিতে কৈ থওঁ। তেতিয়া আমাৰ বিলাতৰ 'কুপৰ্ছ হিল' কলেজত পঢ়ি "পাছ" কৰি অহা ইঞ্জিনীয়ৰ বলিনাৰায়ণ বৰা কলিকতাতে আছিলহি। তেতিয়া তেওঁ কামৰপৰা অৱসৰ লৈয়েই নে, তাৰ আগলিতে আছিলহি মোৰ মনত নাই। তেওঁৰ সৈতে "মিচেজ" সত্যেন্দ্ৰনাথ ঠাকুৰৰ চিনাকি আছিল। বৰা ডাঙৰীয়াও মাজে মাজে বিৰ্জিতলাত সমাগত হৈছিল। "মেজ মাই" অৰ্থাৎ মিচেজ সত্যেন্দ্ৰনাথ ঠাকুৰে অসমীয়া বৰাৰে সৈতে তেওঁলোকৰ অসমীয়া ন জোঁৱাইক লগ লগাই দিবৰ মনেৰে এদিন ডাঙৰ "ডিনাৰ পাৰ্টি" এটা দি বৰা ডাঙৰীয়াক নিমন্ত্ৰণ কৰিলে। বৰাই নিমন্ত্ৰণ গ্ৰহণ কৰি যাম বুলি উত্তৰ দিলে। তাৰ পিছত কিয় জনা নগ'ল, তেওঁ নাহিল আৰু কাৰণো নজনালে। ডিনাৰৰ কাল উকলি গ'ল, উপস্থিত সকলো আলহীয়ে তেওঁলৈ বাট চাই আছে, কিন্তু তেওঁ নোলালহি। মিচেজ ঠাকুৰে অস্বস্তি অনুভৱ কৰিবলৈ ধৰিলে, কাৰণ তেওঁৰ উদ্দেশ্যটোৱেই বোধকৰো ব্যৰ্থ হ'ল দেখি। মোৰ মনত তেতিয়া খেলোৱা কথাটোও এইখিনিতে কৈ দিওঁ, যদিও সি সম্ভৱতঃ ভুল। বৰা ডাঙৰীয়া বিলাত-ফেৰৎ, গৱৰ্ণমেণ্টৰ ভব্য-গব্য কৰ্ম্মচাৰী, মই এটা সামান্য কলেজৰ ষ্টুডেণ্ট। পিছত বৰা ডাঙৰীয়াই মিচেজ ঠাকুৰৰ ভিতৰুৱা উদ্দেশ্যটো সম্ভৱতঃ বুজিব পাৰি কিজানি তেনে কৰিলে। আকৌ কওঁ, তেতিয়া মোৰ এই অনুমানটো সম্ভৱতঃ ভুলেই।

মহৰ্ষি তেতিয়া পাক ষ্ট্ৰীটত আছিল বুলি ওপৰত কৈ আহিছোঁ। পিছত তেওঁৰ ইচ্ছা অনুসাৰে আমি দুয়ো formally তেওঁৰ আশীৰ্বাদ লবলৈ গলোঁ। তেওঁ মোক আশীৰ্বাদ কৰি সোণৰ কলম এটা দি ক'লে,—"তোমাৰ এই কলম থেকে সুনিপুণ লেখা বেৰুবে।" নাতিনীয়েকৰ মূৰত হাত দি আশীৰ্বাদ কৰি হাতত সুন্দৰ গোলাপ ফুল এপাহ দি কলে—"তোমাৰ যশ সৌৰভ এই ফুলেৰ সৌৰভেৰ মতো চতুৰ্দ্দিকে বিস্তাৰ হবে।"

ঈশ্বৰে জানে প্ৰকৃত ঋষি-সদৃশ এইজন মহাপুৰুষৰ বাক্য আমাৰ জীৱনত ফলিয়াইছে নে নাই।

অনেক দিনৰ পিছত, সেই সুবৃহৎ পৰিবাৰৰ ভিতৰত হোৱা এই বিয়াৰ উদ্দীপনা সেই পৰিবাৰৰ সুশিক্ষিত সুমাৰ্জ্জিত ডেকাসকলৰ মনত অনেক বাটেদি অনেক দিনলৈকে চলিছিল। তেওঁলোকৰ ভিতৰত নৱ নৱ উন্মেষণাৰ কাৰ্য্য সংসাধিত হৈছিল। তাৰে দুটা-চাৰিটাৰ মাথোন উল্লেখ কৰিম। উঠি অহা ডেকা কবি পূজনীয় ৰবীন্দ্ৰনাথ ঠাকুৰৰ দ্বাৰাই আগেয়ে ৰচিত "মায়াৰ খেলা" নামৰ নাটকৰ অভিনয় হৈছিল মিচেজ সত্যেন্দ্ৰনাথ ঠাকুৰৰ বিৰ্জিতলাৰ ঘৰত। কবিবৰে তেওঁৰ গুণাকৰ ককায়েক জ্যোতিৰিন্দ্ৰৰে সৈতে সেই নাটকৰ অভিনয়ত ভাও লৈছিল। তিৰোতাৰ ভিতৰত সত্যেন্দ্ৰনাথ ঠাকুৰৰ বিদুষী গ্ৰেজুৱেট কন্যা শ্ৰীমতী ইন্দিৰা দেৱী, ভাৰতীয় সম্পাদিকা, মহৰ্ষি কন্যা স্বৰ্ণ কুমাৰী দেৱীৰ গ্ৰেজুৱেট জীয়েক শ্ৰীমতী সৰলা ঘোষাল আৰু ঠাকুৰ পৰিবাৰৰ সঙ্গীতজ্ঞ আন আন মহিলাসকল আছিল। মোৰ নৱ পৰিণীতা ভাৰ্য্যা প্ৰজ্ঞাসুন্দৰীও তেওঁৰ ভনীয়েকসকলেৰে সৈতে অভিনয়ৰ ভিতৰত আছিল। প্ৰজ্ঞা তেতিয়া বিবাহিতা দেখি মোৰ অনুমতি গ্ৰহণ কৰা হৈছিল। কোৱা বাহুল্য যে মই আনন্দেৰে অনুমতি দিছিলোঁ। বাচক-বনীয়া অভিজাত শ্ৰেণীৰ দৰ্শকেৰে ভাওনা ঘৰ ভৰি পৰিছিল। অভিনয় দেখি আৰু তাৰ পিছত আহাৰাদি কৰি সকলোৱে পৰম প্ৰীতি লভি ঘৰাঘৰি গৈছিল।

সুধীন্দ্ৰনাথ ঠাকুৰ, বলেন্দ্ৰনাথ ঠাকুৰ প্ৰভৃতি ডেকাসকলে "সুহৃদ সমিতি" জোড়াসাঁকোৰ ঘৰতে পাতিলে ; আমি আটাইবোৰ সেই সমিতিৰ সভ্য হলোঁহক। বাহিৰৰ দুই চাৰিজন ডেকা শিক্ষিত বন্ধুকো তাত স্থান দিয়া হৈছিল। সপ্তাহৰ ভিতৰত এদিনকৈ তাৰ অধিবেশন হৈছিল। সভাৰ উদ্দেশ্য সভ্যসকলৰ ভিতৰত মিলা-প্ৰীতিৰ ভাব বঢ়োৱা। উপায়—সাহিত্য চৰ্চা আৰু অন্তত মধুৰ প্ৰীতি-ভোজন। সমিতিৰ কেইবাখনো অধিবেশন হৈছিল। তাত সভ্যসকলৰ দ্বাৰাই ৰচিত ইংৰাজী আৰু বঙ্গলা ভাষাত ৰচনা পঠিত হৈছিল আৰু তাৰ সমালোচনা চলিছিল। তাৰপৰাই "সাধনা" নামৰ বঙ্গলা মাহেকীয়া কাকতৰ জন্ম হয়। তাৰ সম্পাদকৰ পদত সুধীন্দ্ৰনাথ ঠাকুৰক বহুৱা হৈছিল। কিছুদিনৰ পিছত সুধীন্দ্ৰনাথৰ ঠাই কবীন্দ্ৰ, ৰবীন্দ্ৰনাথ ঠাকুৰে ল'লে। "সাধনা"ই বঙ্গলা মাহেকীয়া কাকতবোৰৰ ভিতৰত শ্ৰেষ্ঠ আসন অধিকাৰ কৰিছিল। কিছুকালৰ পিছত 'সাধনা' অন্তৰ্দ্ধান হ'ল। সম-সাময়িক নহলেও প্ৰায় আগা-পিছাকৈ সেই পৰিবাৰৰপৰা আৰু এখন মাহেকীয়া বঙ্গলা কাকতৰ জন্ম হৈছিল। তাৰ পূৰ্বে ধৰোঁতা আছিল—মোৰ নিজা জেঠেৰী—হিতেন্দ্ৰনাথ ঠাকুৰ, ক্ষিতীন্দ্ৰনাথ ঠাকুৰ আৰু ঋতেন্দ্ৰনাথ ঠাকুৰ। সম্পাদিকাৰ আসনত মোৰ সহধৰ্ম্মিণী শ্ৰীমতী প্ৰজ্ঞাসুন্দৰী দেৱী। এবছৰমানৰ পিছত সেইখন কাকতো শূন্যত বিলয়প্ৰাপ্ত হ'ল।

শহুৰৰ ঘৰৰ এই সাহিত্যিক মহিলা আৰু পুৰুষসকলে অসমীয়া ভাষা আৰু বঙ্গলা ভাষাৰ পাৰ্থক্য আৰু বাঙ্গলা ভাষাৰ শ্ৰেষ্ঠত্বৰ বিষয় লাহে লাহে মোৰে সৈতে আলোচনাত প্ৰবৃত্ত হবলৈ ধৰিলে। তেওঁলোকেই আগবাঢ়ি আহি মোক তৰ্ক যুদ্ধত

সোমাই ললে। অগত্যা মই সোমাবলগীয়াত পৰিলোঁ, যদিও তেনে unpleasant অৰ্থাৎ অপ্ৰীতিকৰ কাৰ্য্যত সোমাবৰ মন মোৰ সমূলি নাছিল। তেওঁলোকে ভাবিছিল, পূৰ্ব্ববঙ্গৰ ভাষাও যেনেকৈ নদীয়া-শান্তিপুৰৰ কলিকতীয়া ভাষাৰ এটা বেৰেৰিবাং অৱস্থা বা দুৰৱস্থা, অসমীয়া ভাষাও তেনে। তেওঁলোকৰ ইচ্ছা, মই অসমীয়া ভাষাৰ হকে চেষ্টা চৰিত্ৰ পৰিত্যাগ কৰি বঙ্গ-ভাষাৰ উন্নতি কামনাত লাগি যাওঁ। তাৰ গুৰিত এনে এটা ভাবো আছিল যে তেওঁলোকৰ পৰিবাৰ-ভুক্ত জোঁৱাই মই যেন সম্পূৰ্ণৰূপে বঙ্গালী হৈ যাওঁ। কিন্তু লাহে লাহে তেওঁলোকে দেখিবলৈ পালে যে ইংৰাজীত কবৰ নিচিনা "They have caught a Tartar in me," মই অজীণপাতকী হৈ দেখা দিলোঁ। তেওঁলোকৰ সুখৰ সপোনত ব্যাঘাত ঘটিল, মই তেওঁলোকক নিৰাশ কৰিলোঁ। মোৰ সাজ-পাৰো তেওঁলোকে তেওঁলোকৰ পৰিবাৰত প্ৰচলিত সাজ-পাৰৰ নিচিনা কৰিবলৈ চেষ্টা কৰিছিল; তাতো মই তেওঁলোকক নিৰাশ কৰিলোঁ। অসমীয়া ভাষাৰ হকে মোৰ হাতত ডাঙৰ ৰামটাঙোনডাল দেখি তেওঁলোকৰ মন ভাগি গ'ল। দিনে দিনে ভাষাৰ তৰ্কৰ পথাৰখন বহল হৈ যাবলৈ ধৰিলে আৰু ডেকাদলৰ অধিপতি "ৰবিকাকাইও" গতি বিষম দেখি মৌনাৱলম্বন কৰিলে। এই খণ্ড-যুদ্ধৰ প্ৰণালীৰ সেইখিনিতে অৱসান। তেতিয়াৰেপৰা আজি এই বুঢ়া বয়সলৈকে ডাঙৰ ঠাকুৰে তেওঁৰ পোহ নোলোৱা জোঁৱায়েকেৰে সৈতে সেই বিষয়ে তৰ্ক কৰা এৰি দিলে আৰু মোৰ আগত কোনো মন্তব্যও প্ৰকাশ কৰা নাই। মাথোন এবাৰ শিলঙত এষাৰ কথা তেওঁ মোক কৈছিল অলপ বেজাৰ মিহলিকৈ "তোমৰাইতো আসামকে বাৰ কৰে নিয়ে বাংলা ভাষাৰ পৰিসৰ কমিযে দিলে। বই লিখে ছাপা কৰতে গ্ৰন্থকাৰদেৰ আৰ উৎসাহ থাকে কোথায় ?" তেওঁ মোৰ গুৰুজন। কোনো তৰ্ক নকৰি মনে মনে থাকিলোঁ। কাৰণ তেনে অপকৰ্ম্ম (?) যদি হৈছে, অকল মোৰেপৰাই হোৱা নাই, মোৰ লগত বিস্তৰ বাহুবলী বণুৱা আছে, মই তাৰ ভিতৰত বণুৱা যদিও, এটা ক্ষুদ্ৰাতিক্ষুদ্ৰ বণুৱা মাথোন।

মোক যোল অনা বঙ্গালী কৰিবলৈ মোৰ সাহিত্যিক জেঠেৰী সকলৰ আৰু খুলশালীসকলৰ ইমান আগ্ৰহ হৈছিল যে কবলৈ গলেও মোৰ হাঁহি উঠে। সেই কথাটো পিছলৈ থৈ তাৰ আগতে, মই কবলৈ পাহৰি অহা এটা কথা কওঁ। মোৰে সৈতে মোৰ সাহিত্যিক জেঠেৰী সকলৰ তৰ্ক বাঢ়ি গৈ যেতিয়া "ৰবিকাকা"ৰ কাষ পালেগৈ এদিন শহুৰ জোঁৱাইৰ ভিতৰত লাগিল সৰু-সুৰা তৰ্ক যুদ্ধ এখন। তৰ্কৰ পিছতো দুদিন চাৰিদিনলৈকে তাৰ কৰ্পটি চলিছিল। তাৰ পিছত মুখৰ তৰ্ক স্থগিত হ'ল আৰু "ভাৰতী" কাকতত "ৰবিকাকা"ই অসমীয়া ভাষাৰ ওপৰত মন্তব্য প্ৰকাশ কৰি এটা প্ৰবন্ধ লেখিলে। মই লেখিলোঁ তাৰ প্ৰতিবাদ এটা আৰু দিলোঁ পঠিয়াই "ভাৰতী"ত ছপাবলৈ। প্ৰতিবাদ প্ৰবন্ধটো খৰা-মুৰা হৈ "ভাৰতী"ত ছপা হ'ল। সিফালে "পুণ্য"তো মোৰ প্ৰতিবাদ প্ৰবন্ধ ওলাল। সেইখিনিতে দুই ফালৰ তৰ্কযুদ্ধৰ ওৰ। মোৰ ঘৈণীৰ ফালৰ কুটুমসকলে দেখিলে যে এইটো জাতি কৰিব নোৱাৰা জেব্ৰাৰ (zebra) জাতীয় জোঁৱাই। তেওঁলোক নিশ্চেষ্ট হ'ল।

ওপৰত উল্লেখ কৰা হাঁহি উঠা কথাটোলৈ এতিয়া আহোঁ।—"পুণ্য" কাকতত

ওলোৱা মোৰ প্ৰবন্ধৰ তলত মোৰ নামটিৰে সৈতে দিয়া "বেজবৰুৱা" উপাধিটো সলাই তেওঁলোকে "বিদ্যাবৰ্য্য" কৰি ছপালে। মই নথৈ হাঁহিলোঁ। গ'ল কথা গুচিল। মুঠতে কাৰো লগত জীণ যাব নোৱাৰা এই দুৰ্ভগীয়া অজীণপাতকীয়ে ঘৰত আৰু পৰত সকলোকে নিৰাশ কৰিলে।

বিয়াৰ দুমাহমানৰ পিছতে মই অকলৈ আমাৰ শিৱসাগৰৰ ঘৰলৈ গলোঁ। পিতৃদেৱতাই আৰু মাতৃদেৱীয়ে মোক পাই নথৈ সন্তোষ পালে। তেওঁলোকৰ মনত হেৰোৱা ৰতন মোক পাই তেওঁলোকৰ বুকুত সাৱটি ললে. যদিও orthodox অৰ্থাৎ প্ৰাচীন মতাৱলম্বী নৈষ্ঠিক তৰপৰ অগ্ৰণী আছিল, তথাপি তেওঁৰ গাত এটা মহৎ গুণ আছিল। তেওঁ সকলো কথা দকৈ ভাবি-চিন্তি চাই মনতে তাৰ সমালোচনা কৰি উদাৰ ভাব অবলম্বন কৰিব পাৰিছিল। সেই দেখি তেওঁক দেখা কৰিবলৈ আহোঁতা ভদ্ৰলোকসকলৰ আগত মোৰ বিয়াৰ কথা সম্পৰ্কে ওলোৱা কথাত উদাৰ মত প্ৰকাশ কৰা মই নিজ কাণেৰেই শুনিবলৈ পাইছিলোঁ। মাতৃদেৱী বৰ হোজা আছিল। তেওঁ মোক পুনৰাই পাই তেওঁৰ হেৰোৱা বস্তু আকৌ তেওঁৰ হাতলৈ উভতি অহা যেন লাগিছিল। মোৰ বিয়াৰ বাতৰি শুনি তেওঁ শিৱসাগৰৰ কালীপ্ৰসাদ চলিহা প্ৰভৃতি ডাঙৰ লোকসকলক মতাই আনি হেনো পৰামৰ্শ সুধিছিল—কলিকতাৰ ঠাকুৰসকলৰ ওপৰত কেনেকৈ ডাঙৰ মোকৰ্দ্দমা এটা কৰি ক্ষতিপূৰণেৰে সৈতে তেওঁৰ ল'ৰাটোক "দখল" কৰি লব পাৰিব। এবাৰ নহয়, কেইবাবাৰো তেওঁ সেইদৰে সঁচাকৈ ভাবি হেনো পৰামৰ্শ বিচাৰিছিল। তেওঁ ভাবিছিল ঠাকুৰহঁতে প্ৰবঞ্চনা কৰি তেওঁৰ হোজা ল'ৰাটোক ভুলাই তেওঁৰ বুকুৰপৰা কাঢ়ি নি ঘৰজোঁৱাই কৰি ললে। এতেকে এনে অন্যায় অধৰমৰ প্ৰতিকাৰ হবই লাগিব।

মোক ঘৰ জোঁৱাই কৰাৰ সম্পৰ্কে এটা ইতিহাস অৱশ্যে আছিল। মাতৃদেৱীৰ মনত সেই কথাটো আমাৰ জনচেৰেক বন্ধুৱে অতি প্ৰবন্ধ কৰি সুমাই দি, তেওঁক দুখ দি আত্মসুখ অনুভৱ কৰিছিল। ঘটনাটো মই শিৱসাগৰ পায়েই তেওঁৰ মুখৰপৰাই তলত দিয়াদৰে শুনিলোঁ। মানুহ কেইজনৰ নাম নাকাঢ়োঁ, কাৰণ সেইকেইজন আজি ইহজগতত নাই।—"যিদিনাই তই তাঁৰেৰে দিয়া বাতৰি শিৱসাগৰ পালেহি সেইদিনাই সি চাৰিওফালে বিয়পি পৰিল। দেউতাৰ আৰু মই শোকত বিয়াকুল হলোঁ। চহৰৰ মানুহৰ মুখে মুখে বোঁৱতি ফুটি গ'ল। বঙ্গালীপটিতো তুমুল আন্দোলন চলিল। কলিকতাৰ ঠাকুৰসকল বঙ্গালীৰ শিৰৰ মুকুট, এনে হেন ঠাকুৰৰ ঘৰত অসমীয়া এটাৰ বিয়া। নানা কথা-বাৰ্তা চলিবলৈ ধৰিলে। আমাৰ কালীপ্ৰসাদ চলিহা বোপাই শিৱসাগৰৰ চিভিল চাৰ্জ্জন কলিকতীয়া বঙ্গালী হেমচন্দ্ৰ বন্দ্যোপাধ্যায়ৰ ওচৰলৈ গ'ল, কথাটোৰ ভু লবলৈ। বাবুজীয়ে চলিহাক ক'লে—'কলিকতাৰ জোড়াসাঁকোত কেইঘৰমান ঠাকুৰ আছে, তাৰে কোনোবা ছালছিগা ডিকহু এঘৰত খুব সম্ভৱ এইখন বিয়া।' কালী বোপাৰপৰা কথাটো শুনি মোৰ আমঠু ক'লা পৰি গ'ল। ডাক্তৰ চাহাবে আৰু কৈছিল হেনো, "দেবেন্দ্ৰনাথ ঠাকুৰৰ ঘৰত যদি বিয়া হৈছে, তেন্তে তাত হেনো তই ঘৰ-জোঁৱাই সোমাইছ ; নহলে বিয়া হোৱা অসম্ভৱ।"

ইয়াৰ কিছুদিনৰ পিছত হেনো শিৱসাগৰৰ জনদিয়েক অসমীয়া ছাত্ৰ কলিকতাৰপৰা উভতি গলত, মাতৃদেৱীয়ে তাৰে এজনক মতাই নি মোৰ কথা সুধিছিল। সেইজন আমাৰ পৰিয়ালৰে সৈতে বিয়া-বাৰুৰ সম্বন্ধ থকা ডেকা। তেওঁ হেনো মাতৃদেৱীক কৈছিল, "লক্ষ্মীনাথ ঠাকুৰৰ ঘৰত ঘৰ-জোঁৱাই চাপি থকাটো সঁচা, যদিও সি সেইটো লুকাবলৈ মাজে মাজে অসমীয়া ল'ৰাৰ মেছত থাকেগৈ। সি শহুৰেকৰ ঘৰলৈ গলে দুৱৰীৰ হাতত নিজৰ নাম লেখি টিকিট অৰ্থাৎ কাৰ্ড পঠিয়াই নিদিলে ভিতৰ সোমাব নোৱাৰে। ভিতৰৰপৰা হুকুম নহালৈকে বাহিৰত বৈ থাকিব লাগে।"

এই সম্বাদদাতা বন্ধুজন আজি ইহসংসাৰত নাই। তেওঁ নিশ্চয় ক্ষমাৰ পাত্ৰ।

অনেক দিনৰ পিছত মোৰ বঙ্গালী বন্ধু এজনেৰে সৈতে কলিকতাৰ শ্যামবজাৰৰ ফালে পুৰা ৯ মান বজাত খোজ কাঢ়ি ফুৰিবলৈ গৈছিলোঁ। বন্ধুজনে দূৰৰপৰা মোক আঙুলিয়াই দেখুৱালে—"সৌটো ডাক্তৰ হেমচন্দ্ৰ বানুৰ্জ্জীৰ ঘৰ। তেওঁ আপোনাৰ শিৱসাগৰতে চিভিল চাৰ্জ্জন হৈ আছিল, এতিয়া অৱসৰ লৈ আছিছে।" মোৰ কৌতুহল হ'ল। আমি তেওঁৰ ঘৰৰ কাষেদি যাবলৈ ধৰিলোঁ। মোৰ চকুত পৰিল—পেটুৱা বঙ্গালী এজনে উদং গাৰে একোছা লগুণ ডিঙিত ওলমাই, ঘৰৰ পিৰালিতে বহি লগুৱা এটাৰ হতুৱাই গাত তেল ঘঁহাইছে। বন্ধুজনে কলে, 'সেইজনেই হেমবাবু।' এৱেঁই নে সেই শিৱসাগৰৰ ফিটফাট বানুৰ্জ্জী চাহাব। তাত তেওঁৰ চাহাবীয়ে য়ুৰোপীয় চাহাবকো হৰুৱাইছিল।

মোৰ বিয়াৰ ছমাহমানৰ পিছত এদিন কলিকতাত মোৰ গুৰুদেৱ চন্দ্ৰমোহন গোস্বামী হেড্‌মাষ্টৰেৰে সৈতে দেখা হৈছিল। তেওঁ মোক মৰমতে কৈছিল—"তুমি ঠাকুৰবাড়ীতে বিয়ে কৰেছ, আমি খুব খুসী হয়েছি। কিন্তু নিজেৰ বংশেৰ সম্মান ঠিক ৰেখে চলো। তুমি তাদেৰ বলে দিও—তোমাৰ যেমন বেঙ্গলে বড়লোক, আমৰাও আসামে তেমন। কোন বিষয়েই হীনতা স্বীকাৰ কৰোনা।"

গুৰুদেৱক কৃতজ্ঞতা জনাই প্ৰণাম কৰিলোঁ। ওখ শাৰীৰ বঙ্গালীৰ অন্তঃকৰণ কেনে মহৎ।

শিৱসাগৰৰপৰা যোৰহাটলৈ গলোঁ। তাত তেতিয়া মুৰ (Moor) চাহাব চবডিভিজনেল অফিচাৰ। এই মুৰ মোৰ পিতৃদেৱতাই হাতেৰে গঢ়া মানুহ। তেজপুৰত পিতৃদেৱতা এক্‌ষ্ট্ৰা এছিষ্টেণ্ট কমিছনাৰ হৈ থাকোঁতে মুৰে তেওঁৰ তলত কেৰাণীৰ কাম কৰিছিল। 'বগা ছাল'ৰ উন্নতি শীঘ্ৰে হয়। মই শিৱসাগৰলৈ উভতি অহা বাতৰি শুনি মুৰে যোৰহাটত মোৰ ককাইদেউক অসমীয়াতে কৈছিল, "সেই চপনীয়াটো হেনো শিৱসাগৰলৈ উভতি আহিছে। ইয়ালৈ আহে যদি মোৰ ওচৰলৈ তাক পঠিয়াই দিবা।" সুখৰ বিষয়, মই যোৰহাটলৈ গলোঁ, কিন্তু মুৰৰ ওচৰলৈ নগলোঁ।

# ॥ তৃতীয় আধ্যা ॥

[ এই আধ্যাৰ ভিতৰুৱা কথালৈ যোৱাৰ আগতে আগৰ আধ্যাৰ ভিতৰত থোৰতে কোৱা কথা এটাৰ মুকলি ব্যাখ্যা স্নেহাস্পদ শ্ৰীমান জ্ঞানদাভিৰাম বৰুৱাৰ ( জে-বৰুৱা বেৰিষ্টাৰ ) পৰা পাইছোঁ। তেওঁ লিখিছে—

"আপোনাৰ বিয়াৰ সময়ত মোৰ পিতৃদেৱতা আৰু মাতৃদেৱী মোৰ ককাইদেও কৰুণাভিৰাম বৰুৱাৰ সৈতে উত্তৰ-পশ্চিম ভাৰতত ফুৰিবলৈ গৈছিল। মোৰ বাইদেও স্বৰ্ণলতাক জীয়েকহঁতেৰে সৈতে কলিকতাৰ ডাক্তৰ মোহিনী মোহন বসুৰ ঘৰত আৰু মোক আৰু মাজু ককাইদেও কমলাক, তেতিয়া কলিকতাত থকা মাণিকচন্দ্ৰ বৰুৱাৰ ঘৰত দেউতাই থৈ গৈছিল। কমলাই আৰু মই সুকীয়াকৈ আপোনাৰ বিয়াৰ নিমন্ত্ৰণকাৰ্ড একোখন পাইছিলোঁ আৰু পাই ৰং পাইছিলোঁ। আপুনি আমাক 'আপুনি বুলি' সম্বোধন কৰা দেখি ৰঙত আমি দুয়ো ওফন্দি উঠিছিলোঁ। শ্ৰীযুত কনকলাল বৰুৱা ( ৰায়বাহাদুৰ )আৰু কাপ্টানেৰে ( ভুবনচন্দ্ৰ বৰুৱা ) সৈতে আমি শানকিভাঙ্গাৰপৰা গৈ আপোনাৰ বিয়াত উপস্থিত হৈছিলোঁহক। আপোনাৰ লেখাত আছে যে আমাৰ দেউতাক আপুনি বিয়াত নেদেখিলে। সেই কথাটো স্পষ্ট নোহোৱা বাবে কোনোবাই ভাবিব পাৰে যে সেই বিয়া দেউতাৰ অনভিপ্ৰেত আছিল, সেইদেখি তেওঁ বিয়ালৈ নগ'ল, তেনে নহয়। বৰং দেউতা আৰু আয়ে সেই বিয়াৰ সম্বন্ধত বৰ সন্তোষ পাইছিল।"

এই শুদ্ধৰণী—প্ৰকৃতপক্ষে ব্যাখ্যা, বৰ সাদৰেৰে মই গ্ৰহণ কৰি মোৰ "জীৱন-সোঁৱৰণ"ৰপৰা আগৰ আধ্যাত যথাস্থানত সুমাই ললোঁ।—"সোঁৱৰণ" লেখক ]

কলেজ বন্ধ হলত, ২ নম্বৰ ভবানীচৰণ দত্তৰ গলিত থকা সেই মেছটো ভাগি গ'ল আৰু মেছনিবাসী ছাত্ৰসকল নিজৰ ঘৰলৈ উভতি গ'ল। মোৰ মনত আছে ডাঙৰীয়া গঙ্গাগোবিন্দ ফুকনে ( জি, জি, ফুকন ) আমি এৰাৰ দিনাৰেপৰা সেই ঘৰটো ঘৰৰ মালিকেৰে সৈতে নিজে থাকিবলৈ বন্দবস্ত কৰি লৈছে। তেতিয়া মাহ পুৰ হোৱা নাছিল দেখি, আমাৰ ঘৰৰ কেৰেয়াখিনিও তেওঁৰ হাতত দিলোঁহক, যাতে তেওঁ গোটেইটো মাহৰ কেৰেয়া একেলগে ঘৰৰ মালিকক দিব পাৰে। তাৰ পিছত মই আৰু মাজিৰে ( শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা ) লগ লাগি শোভাৰাম বসাক লেনত ঘৰ এটা কেৰেয়া কৰি থাকিবলৈ ললোঁ। ঘৰটো দুমহলীয়া। তলৰ মহলাত চাকৰ-নাকৰ আৰু ওপৰ মহলাত আমি আছিলোঁহক। ওপৰত তিনিটা খোটালী, তলতো তেনেকুৱা। ওপৰৰ খোটালী তিনিটাৰ সমুখত দীঘলীয়া বাৰাণ্ডা। তাৰ সমুখত চোতাল আৰু চোতালৰ পিছতে ৰান্ধনিঘৰ। আমাক দুইটা খোটালীয়েই জোৰে দেখি, এঘৰৰ খোটালী এটা এজনক ভেৰোণীয়াকৈ দিলোঁ। সেই মানুহজনৰ নাম মহেন্দ্ৰনাথ গুপ্ত। তেওঁ কলিকতাৰ "মৰ্টন স্কুল"ৰ হেড্ মাষ্টৰ আছিল। তেওঁৰ ঘৰ ওচৰতে এঠাইত আছিল। খোটালীটো তেওঁ থাকিবলৈ লোৱা নাছিল; আৰু তাত নাথাকিছিলোঁ।

দিনো দুবেলা তেওঁ তেওঁৰ থকা ঘৰৰপৰা আহি খোঁটালীটোত স্নোমাই সমুখৰ দুৱাৰখন মাৰি লৈ, ভিতৰত অকলে বহি, ঈশ্বৰৰ ধ্যান-ধাৰণা উপাসনা কৰিছিল। তেওঁ ৰামকৃষ্ণ পৰমহংসদেৱৰ এজন প্ৰধান শিষ্য আছিল "ম-কথিত" নাম দি "ৰামকৃষ্ণ কথামৃত" নামৰ পাঁচ খণ্ড কিতাপ ৰচনা কৰিছিল। মানুহজন বৰ ধৰ্ম্মপ্ৰৱণ আৰু নিৰ্ম্মল চৰিত্ৰৰ আছিল। মোৰে সৈতে তেওঁৰ বন্ধুত্বও দৃঢ় হৈছিল।

কিছুদিনৰ পাছত শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাই কলিকতা এৰি পাটনাত বি. এ পঢ়িবলৈ গ'ল। তেওঁৰ খোঁটালীটো তেওঁলোকৰ হৈয়েই আছিল। মাজে মাজে তেওঁৰ দেউতাক ডাঙৰীয়া হৰিবিলাস আগৰৱালা তাত থাকিছিলহি। পিছত শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালাই (ৰায়বাহাদুৰ) তাতে থাকি কলেজত পঢ়িছিল। মাজিৰে মযে তাৰেপৰাই পিছডোখৰত "জোনাকী" কাকত চলাইছিলোঁ। মাজিউ পাটনালৈ গলত শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালাক মই সহায়ক পালোঁ। ৺লক্ষেশ্বৰ শৰ্ম্মা বি এ কিছুদিন আমাৰ লগতে আছিলহি। তেওঁকো মই সহায়কভাৱে পাইছিলোঁ।

কেইমাহমানৰ পিছত মহেন্দ্ৰ বাবুৱে তেওঁৰ খোঁটালীটো এৰি দিলে। তাৰ পিছত ভোলানাথ বৰুৱা ডাঙৰীয়া (বি, বৰুৱা) সেই খোঁটালী-নিবাসী হ'ল। হৰেন্দ্ৰনাথ সেন (এইচ্, এন্, সেন) নামৰ উকীল এজনো মাহচেৰেকৰ নিমিত্তে আমাৰ লগত আছিলহি। তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ "ডবল" এম্, এ, আইনত বি, এল্ আৰু পিছত বোধকৰোঁ বেৰিষ্টাৰ হৈছিল। মানুহজন বিদ্বান; কিন্তু স্বভাৱটো খঙাল আছিল। খঙাল নুবুলি খিট্খিটীয়া বুলিলেই বোধকৰোঁ ঠিক হ'ব। বিশ্ববিদ্যালয়ৰ মহলাত উঠিবলৈ দিনে-ৰাতিয়ে পঢ়ি থাকি কিতাপৰ পোক হলে, মানুহ যেনে হয়, তেওঁ তেনেকুৱাই হৈছিল। কথাই কথাই তেওঁৰ মূৰ তপত হৈ উঠিছিল আৰু চাকৰে তেওঁৰ মুৰত থপিয়াই দি দি সততে তেওঁক বিচি থাকিবলগীয়াত পৰিছিল। তেওঁ উজনী আসামতো কিছুদিন ওকালতি কৰিছিলগৈ। ডাঙৰীয়া ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাই তেওঁক ভাল পাইছিল আৰু তেখেতৰ "চুপাৰিচতে" তেওঁক মই আমাৰ লগতে ৰাখিছিলোঁ। কিন্তু তেওঁ নিজৰ খিট্খিটীয়া স্বভাৱৰ নিমিত্তে সৰহ দিন আমাৰ লগত থাকিব নোৱাৰিলে। যাবৰ সময়ত আমাৰ সৈতে থকা আৰু খোৱাৰ খৰচৰ কাৰণে তেওঁৰ সৈতে মোৰ অলপ মনোমালিন্যও হৈছিল। কিছুদিনৰ পিছত শুনিলোঁ তেওঁ একেবাৰেই বিলাতবাসী হবলৈ বিলাতলৈ গুচি গ'ল।

আসামত মাণিকচন্দ্ৰ বৰুৱাৰে সৈতে কৰা তেওঁলোকৰ ডাঙৰ ব্যৱসায়টো বন্ধ হলত, ভোলানাথ বৰুৱা কলিকতালৈ গুচি আহিল। মোৰে সৈতে যদিও, আগেয়ে মই কলিকতাত অসমীয়া ছাত্ৰৰ মেছত থাকোঁতে, মাজে-সময়ে তেওঁৰ দেখা-শুনা আৰু অলপ-অচৰপ আলাপ-পৰিচয় হৈছিল; কিন্তু এতিয়াহে দুয়ো একেলগে থকাৰ নিমিত্তে, সি দিনে দিনে পৰিপূৰ্ণতা লাভ কৰিলে। ভোলানাথ বৰুৱা মানুহজন কেনে সৰবৰহী আৰু সুচতুৰ পকা ব্যৱসায়ী আছিল, তেওঁক দেখাসকলক সৰহকৈ কৈ দিবৰ আৱশ্যক নাই। মই তেতিয়াও কলেজীয়া জীৱনৰপৰা একেবাৰেই হাত ধুই নোজোৱা কেঁচা ডেকা ছাত্ৰৰ। তেওঁৰে সৈতে কথা-বাৰ্তা পাতি মিলি-জুলি মই একেবাৰেই তেওঁৰ

ব্যৱহাৰত মুগ্ধ হৈ গলোঁ। দিনে দিনে তেওঁ মোৰ মনৰ চাৰিওটা চাপ ভালকৈ অধিকাৰ কৰিবলৈ ধৰিলে। সাংসাৰিক জীৱন-যাত্ৰা নিৰ্ব্বাহত তেওঁ পকা জুনা নাৱিকলটো যেন, আৰু মই কেঁচা ডাব। মোৰ সম্বল—কলেজত সংগ্ৰহ কৰা "পুস্তকস্থা বিদ্যা", আকাশত চাং আৰু অদূৰদৰ্শিতা। তেওঁৰ সম্বল জীৱন-যুদ্ধত যুঁজি-বাগি সংগ্ৰহ কৰা ব্যৱহাৰিক জ্ঞানৰ অভিজ্ঞতা আৰু বহুদৰ্শিতা। এনে বিপৰীত ধৰ্মাৱলম্বী পদাৰ্থৰ ৰাসায়নিক সম্মিলন ঘটে, অৱশ্যে ভাল ৰাসায়নিক পণ্ডিতৰ হাতত। যি হওক, দুইৰো ভিতৰত বন্ধুতা আৰু সৌহাৰ্দ্দ্যৰ ঘনিষ্ঠতা শীঘ্ৰে সংঘটিত হ'ল। "ম'হতকৈও শিং চৰা" বোলা কথা এষাৰ অসমীয়াত আছে। তেতিয়া মোতকৈও মোৰ চাহাবী চৰা আছিল। সেইদেখি বৰুৱা জেওৰীয়াই প্ৰথম দিনাৰেপৰা মোক চাহাব চাহাব বুলি মাতিবলৈ ধৰাত মই বৃথা গৰ্ব্বৰ টিঙত উঠি আত্মপ্ৰসাদ লাভ কৰিবলৈ ধৰিলোঁ। "জোনাকী"ত ওলোৱা মোৰ লেখাবোৰ পঢ়ি আগৰেপৰা মোৰ গঢ়-গতি, স্বভাৱ অনেকখিনি তেওঁ জানি থৈছিল। এতিয়া মোৰ সৈতে একেলগে থাকি বাকীখিনি তীক্ষ্ন বুদ্ধি-সম্পন্ন তেওঁৰ বুজিবলৈ পলম নালাগিল। খুহুটীয়া গল্প, ৰঙিয়াল কথা আৰু যাইকৈ লোকৰ মন আকৰ্ষণ কৰিব পৰা কথা আৰু ব্যৱহাৰেৰে তেওঁ মোক বশ কৰি পেলালে ; মোৰ হৈ যোৱা বিয়া বিষয়তো তেওঁৰ উদাৰ মন্তব্য আদিয়ে মোৰ মনৰ প্ৰসন্নতা বৰকৈ বঢ়ালে ; কাৰণ, সেই কাৰ্য্যৰ তীব্ৰ মন্তব্যহে অহুকাণে পহুকাণে মই শুনিবলৈ পাইছিলোঁ।

আমি একেলগে থকাৰ পোন্ধৰ দিনমানৰ পিছতে তেওঁ নৰিয়া পৰিল। সেই নৰিয়া দীঘলীয়াকৈ দুমাহমান আছিল। তেওঁ একপ্ৰকাৰ শয্যাগত। সেই সময়ত মই বি, এল্, পৰীক্ষা দিবলৈ সাজু হৈছিলোঁ। পৰীক্ষালৈ অলপ দিনহে বাকী আছিল। পৰীক্ষাৰ কিতাপ পঢ়া কাৰ্য্য একতীয়াকৈ থৈ মই একাণপতীয়া হৈ তেওঁৰ পাতি কৰিবলৈ লাগিলোঁ। সেইটোৱেই তেনে অৱস্থাত মোৰ কৰ্ত্তব্য বুলি মোৰ ডাঠ বিশ্বাস হৈছিল। তেৰোঁ দিনে-ৰাতিয়ে প্ৰায় সকলো সময়তে মোক তেওঁৰ নৰিয়া-পাটীৰ কাষত বিচাৰিছিল। বিশ্ববিদ্যালয়ৰ পৰীক্ষা "পাছ" কৰা কাৰ্য্যত মই যে ৰৰ কাঠিয়ক ছাত্ৰ নাছিলোঁ, সেইটো মোৰ সম-সাময়িক শালচকুৱা সকলোৱেই দেখিছিল, মই নিজেও জানিছিলোঁ আৰু সেই জ্ঞান মোৰো কোনোকালে লুপ্ত হোৱা নাই। পৰীক্ষাত কোনোমতে কাণে কাণ মাৰিহে সাৰি যোৱা ছাত্ৰ মই। গতিকে এনে মুৰামুৰি কালতে এনে ব্যাপাৰ মোৰ পক্ষে সাংঘাতিক হৈ উঠিল। ফলত যি হবলগীয়া সেয়ে হ'ল। অৰ্থাৎ মই বি, এল্, পৰীক্ষাত "স-সম্মানে ফেল মাৰিলোঁ।"
বি, এল্, পৰীক্ষাত ঘটা বিৱৰণ আজি নিদি পিছৰ আধ্যালৈ থলোঁ। কিন্তু এম্, এ, পৰীক্ষাৰ কথাটো আজিৰ আধ্যাতে কৈ থওঁ ; কাৰণ দুইটা পৰীক্ষা সম্বন্ধত শালপতিয়েক বুলিব পাৰি। বি, এলৰ পিছত এম, এ, দিবলৈকো পৰীক্ষাৰ ঘৰত মই বহিছিলোঁ ; আৰু কেৱোদিন ক'কালত কমৰ বান্ধি দিছিলোও। কিন্তু "একে গছৰ পাণ, সি কিয় হব আন"—তাতো সসম্মানে ফেল। ইংৰাজী সাহিত্যত এম-এ দিছিলোঁ। মোৰ অধ্যাপক আছিল, ইংৰাজী সাহিত্যত বিদ্যাৰ-জাহাজ চাৰ্লচ টনি

চাহাব। পঢ়িছিলো ভালকৈ। তথাপিও তাত "ফেল"ৰ মাৰ খালো কিয় ? কওঁ শুনা। তাত "এংলো-ছেক্সন" অসভ্য (অৱশ্যে "সভ্য" মোৰ পক্ষেহে) পদাৰ্থ (subject) এটা আছিল। তাৰে সৈতে মোৰ একোতে ৰাহি নাহিছিল। সেইদেখি মই তাক অগ্ৰাহ্য কৰি একপ্ৰকাৰ এৰি দিছিলো। ফলত সিয়েই মাৰিলে, মোৰ মূৰত মাৰ-খাত টাঙোন। মই টাঙোন খাই, টনি চাহাবৰ কাষত মোৰ দুখ নিবেদন কৰিছিলো। তেওঁ মোৰ দুখত দুখ প্ৰকাশ কৰিলে ; আৰু তাতে তাৰ ওৰ পৰিল। যি বস্তুটোক মানুহে তুচ্ছ বুলি অগ্ৰাহ্য কৰে, সিয়েই বৰ হৈ তাক এসেকা দিয়ে। কংসই কৃষ্ণক গৰখীয়া ল'ৰা বুলি তুচ্ছ তাচ্ছিল্য কৰি কৃষ্ণৰ হাতত প্ৰাণ এৰিলে। ৰাৱণে নৰ আৰু বান্দৰক অগ্ৰাহ্য কৰি, নৰ আৰু বান্দৰৰ হাততে সোণৰ লঙ্কাপুৰী, নিজৰ কুৰিটা চকুৰে আৰু কুৰিটা হাতেৰে সৈতে দহোটা মূৰ হেৰুৱালে। এয়েই "মৰেল," অৰ্থাৎ পিণ্ডিতাৰ্থ।

# ॥ চতুৰ্থ আধ্যা ॥

( এই আধ্যা আৰম্ভ কৰাৰ আগতে আৰু এটা শুধৰণী ব্যাপাৰ সমুপস্থিত। এইবাৰ আমাৰ গৃহিণীৰ ফালৰপৰা। তেওঁ ইমান দিনে মোৰ জীৱন-সোঁৱৰণৰ দ্বিতীয় আধ্যা পঢ়িছিলনে নাই মোৰ জনা নাছিল। আজি বহি মই লিখিবলৈ কাপ ধৰিছোঁ মাথোন, এনেতে তেওঁ মোৰ পিঠিৰফালে থিয় দি, "মেঘৰ গম্ভীৰ ধ্বনি দিলে সমিধান" —"তোমাক কোনে ক'লে আমাৰ 'পুণ্য' কাকতখন মাথোন এবছৰ চলিছিল বুলি ? 'পুণ্য' তিনি বছৰ ভালকৈ চলাৰ পিছতহে বন্ধ হৈছিল।" কথাষাৰ শুনি প্ৰথমতে মই উচাপ্ খাই উঠিছিলোঁ। তাৰ পিছত ভালকৈ ভাবি দেখিলোঁ হয়, তেওঁৰ কথাই ঠিক। মই মোৰ ভুল স্বীকাৰ কৰি সেইটো শুধৰাই দিবলৈ তেওঁক প্ৰতিশ্ৰুতি দিলোঁ। তাৰ পিছত, তেওঁৰপৰা প্ৰশ্ন আহিল, "তোমাৰ জীৱন-সোঁৱৰণত আমাৰ ভিতৰৰ ঘৰুৱা কথাবোৰ লেখিছা কিয় ? যেনে—সপ্তপদী গমনৰ পিছত ?"

মই সুধিলো, "সেই হাস্যৰসফেৰিৰ কথা কৈছানে ? তুমি মোৰ তেনে দায় মাজে-সময়ে মৰিষণ কৰিব লাগিব। লেখিবৰ সময়ত মই ঘৰুৱা আৰু পৰুৱা কথা বাছি সুকীয়াকৈ উলিযাব নোৱাৰোঁ, এয়ে মোৰ দোষ। সেইদেখি এনে বিভ্ৰাট ঘটিছে ; আৰু আগলৈকো যে নঘটিব, সেইটো গা দাঙি মই ক'বও নোৱাৰোঁ। সেইবাবে বতৰৰ কথাষাৰ বতৰতে কৈ থলো। তোমালোকে মোৰ ভুল শুধৰাই দিলেই, আলহীও ৰব, চাউলো সিজিব আৰু গৃহস্থৰ অধৰমো নহব ; এই কথা। )

মই বি-এল্ পৰীক্ষাত "সসম্মানে ফেল" হোৱা কাৰণটো কওঁ—আমি পৰীক্ষা দিয়াৰ পিছত "ছিণ্ডিকেটে মিটিং" কৰি বি-এল্ পৰীক্ষাৰ "পাছ মাৰ্ক"ৰ থোপটো আৰু ওখ কৰি দিলে। আমি পৰীক্ষাত পোৱা নম্বৰে সেই থোপটো ঢুকি নোপোৱা হ'ল। অৱশ্যে পূৰ্বাণ নিয়মমতে আমি যি মাৰ্ক পাইছিলো সি আগৰ থোপটোত উঠিছিলগৈ আৰু সেই দেখি পৰীক্ষাত উঠিছিলোও। মোক লৈ প্ৰায় ৩০ জন ছাত্ৰৰ সেইদেখি ন নিযমমতে "ফেলৰ" গাঁতত পৰিছিল। এই ৩০ জনৰ ভিতৰত কেইবাজনো ভাল ছাত্ৰ আছিল আৰু তেওঁলোক কলিকতাৰ অতি সম্ভ্ৰান্ত ধনী মানুহৰ ঘৰৰ সন্তান। কলিকতা বিশ্ববিদ্যালয়ৰ ছিণ্ডিকেটৰ এনে মইমতালি দেখি আমি জঁকি উঠিলোঁহক। দিনো ভবানীপুৰত সেই ছাত্ৰ কেইজনৰ দেউতাক সকলৰ ঘৰত বৰ-চৰাত আমাৰ মেল বহিবলৈ ধৰিলে। 'ছিনেট'ৰ সভ্য স্যাৰ ৰমেশচন্দ্ৰ মিত্ৰ, ডব্লিউ, চি বানুৰ্জ্জী, মনোমোহন ঘোষ বেৰিষ্টাৰ প্ৰভৃতিয়ে আমাৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰি আমাক সহায় কৰিছিল। আমাৰ বিপক্ষে ছিণ্ডিকেটৰ মেম্বৰ স্যাৰ ৰাসবিহাৰী ঘোষ, কালীচৰণ বানুৰ্জ্জী, আশুতোষ মুখুৰ্জ্জী ( পিছত স্যাৰ ) প্ৰভৃতি। আমি কলিকতা হাইকোৰ্টত কলিকতা য়ুনিভাৰ্ছিটিৰ ওপৰত মোকৰ্দ্দমা কৰিবলৈ থিৰ কৰিলো, যাতে য়ুনিভাৰ্ছিটিয়ে আমাক 'পাচ কৰা' ছাত্ৰৰ তালিকাৰ ভিতৰত সুমাই

লবলৈ বাধ্য হয়। ক'কালত টঙালি বান্ধি আমি দুগুণ উৎসাহেৰে এই যুদ্ধত লাগি গলোহঁক। স্যাৰ ৰমেশচন্দ্ৰ মিত্ৰৰ পুতেক বিনোদচন্দ্ৰ মিত্ৰ (পিছত স্যাৰ আৰু এড্ভোকেট জেনেৰেল) আমাৰ কৰ্ণধাৰ হ'ল। বিনোদ মিত্ৰ যদিও আমি ফেল কৰা দলৰ ভিতৰৰ নহয়, কাৰণ তেওঁ আগৰ বছৰতে বি-এল পৰীক্ষাত উঠি তেতিয়া হাইকোৰ্টত ওকালতি কৰিছিল, তথাপি তেওঁ আৰু তেওঁৰ ভায়েক প্ৰভাস মিত্ৰ (পিছত স্যাৰ) আমাৰ সহায়ক হৈ উঠিল। ভৱানীপুৰতে এজনৰ ঘৰত এটা ডাঙৰ ভোজৰ আয়োজন হ'ল। তালৈ আমাৰ ফলীয়া অনেক ডাঙৰ ডাঙৰ লোকক নিমন্ত্ৰণ কৰা হৈছিল—ভোজ বৰ সমাৰোহেৰে সম্পাদিত হ'ল, আৰু আমি ভোজ-ভাত খাই গাত বল বান্ধি ললোহক।

আৰ্জ্জিপত্ৰ ( Plaint ) প্ৰস্তুত হ'ল। আমাৰ ফালৰপৰা বেৰিষ্টাৰ এল্ পি পিউ, এ-চৌধুৰী, এছ-পি সিংহক নিযুক্ত কৰিবলৈ থিৰ হ'ল। শেহান্তৰত এটা বিষম সমস্যা উপস্থিত। আৰ্জ্জিপত্ৰত চহী কৰিবলৈ আমাৰ ভিতৰৰপৰা এঘাৰজন ছাত্ৰক ঠিক কৰা হ'ল। কিন্তু চহী কৰিবৰ সময়ত অ' হৰি! কোনেও চহী কৰিব নোখোজে। এজন এজনকৈ আটাইকেউজনে পুলুকা মাৰিলে। কোনোৱে কয়, "বাবা মানা কৰেছেন," কোনোৱে কয়, "মামা বলেছেন নৰেন খবৰ্দ্দাৰ! তুমি সহ্য কৰবে না" ইত্যাদি। ইমান দুখকৈ তৰি অনা তাঁতখন সেইখিনিতে সামৰিবলগীয়া হ'ল। মই আগবাঢ়ি ওলাই ক'লো, "আনে চহী দিয়ক বা নিদিয়ক, মই দিম।" চাৰিওফালৰপৰা মোৰ ওপৰত সাধুবাদৰ বৰষুণ পৰিবলৈ ধৰিলে। মোৰ অকলশৰীয়া চহীৰ ওপৰতে মোকৰ্দ্দমাটো থিয় হৈ পৰিল। মোৰ চহীৰে সেই "প্লেইণ্ট"খন দেখি বেৰিষ্টাৰ এ-চৌধুৰীয়ে কৈছিল, "দেখছি, একলা আমাদেৰ লক্ষ্মীনাথেৰই সাহ।" তেওঁৰ ওচৰলৈ সেইখন লৈ যোৱা ছাত্ৰসকলে তাৰ উত্তৰত কি কৈছিল মই নাজানো। সেই বিষয়ে চৌধুৰীয়ে পিছত মোক এটা কথাও কোৱা নাছিল। তেওঁৰ দেশৰ বঙ্গালী ভাইসকলৰ তেনে ব্যৱহাৰ দেখি তেওঁ লজ্জিত আৰু দুঃখিত যে হৈছিল তাত সংশয় নাই। বিনোদ মিত্ৰই (স্যাৰ বিন্দোদে) তেওঁৰ স্বদেশী ভ্ৰাতাসকলৰ এনে ব্যৱহাৰৰ কথা অনেক দিনলৈকে কিন্তু কৈ আছিল। আনকি, কিছুদিনৰ পিছত তেওঁ বিলাতলৈ গৈ বেৰিষ্টাৰ হৈ অহাৰ পিছতো, এদিন তেওঁ মোক ইণ্ডিয়া ক্লাবত দেখা পাই, আগবাঢ়ি আহি মোক কৰমৰ্দ্দন কৰি সেই কথা কৈ দুখ কৰিছিল।

আমাৰ মোকৰ্দ্দমাটো হাইকোৰ্টত জষ্টিছ ছেলৰ ( Sale ) আদালতত উঠিছিল। আমাৰ ফালৰ বেৰিষ্টাৰ আছিল—বেৰিষ্টাৰ পিউ চৌধুৰী আৰু সিংহ। সিফালত আছিল ষ্টেণ্ডিং কাউঞ্চিল ফিলিপ্স প্ৰভৃতি। ছিণ্ডিকেটৰ মেম্বৰ হিচাপে আমাৰ প্ৰতিবাদী ডাক্তৰ ৰাসবিহাৰী ঘোষ, কালীচৰণ বানুৰ্জ্জী, আশুতোষ মুখাৰ্জ্জী প্ৰভৃতি। হাইকোৰ্টে কলিকতা য়ুনিভাৰ্ছিটিৰ ওপৰত আমাৰ পক্ষে "ৰিট্ অৱ্ মেণ্ডেমাছ", ( Writ of Mandamus ) "ইছু" কৰিলে, আমি আনন্দত নাচিবলৈ ধৰিলো। গোটেই কলিকতাত এটা "ছেনছেছন" ( sensation ) অৰ্থাৎ উদ্বেগ লাগি পৰিল। তাৰ পিছত আমাৰ বিপক্ষ ক্ষমতাশালীসকলৰ ভিতৰত নানা চেষ্টা-চৰিত্ৰ চলিবলৈ

ধৰিবলে, যাতে য়ুনিভাৰ্ছিটিয়ে মোকৰ্দ্দমাত হাৰি প্ৰেষ্টিজ ( Prestige ) অৰ্থাৎ মান নেহেৰুৱায় ; ফলত জজ ছেলে আমাৰ বিপক্ষে ৰায় দিলে আৰু আমি হাৰিলোঁ। মুঠতে য়ুনিভাৰ্ছিটিৰ "প্ৰেষ্টিজ"ৰ আগত আমাক বলি দিয়া হ'ল। মোৰ ওপৰত মোকৰ্দ্দমাৰ খৰচো ডিগিৰি দিলে। যি হওক, আমাৰ এই আন্দোলনৰ ফলত, তিনি মাহৰ মূৰত য়ুনিভাৰ্ছিটিয়ে আকৌ এটা পূৰক বা পৰিশিষ্ট বি-এল পৰীক্ষা ( Supplementary Examination ) পাতিলে। সেই পৰীক্ষাত আনবোৰ ছাত্ৰবেৰে সৈতে ময়ো পৰীক্ষা দিবলৈ বহিছিলোঁ। কিন্তু প্ৰথমদিনাৰ পৰীক্ষাৰ প্ৰশ্নৰ কাকতৰ উত্তৰ দি আৰু নগলোঁ। কাৰণ পৰীক্ষাৰ ঘৰত য়ুনিভাৰ্ছিটিৰ কাৰ্য্যকাৰক-বোৰে মোৰ ওপৰত এনেকৈ "নজৰ" দিবলৈ ধৰিলে, যেন মই এটা 'দাগী চোৰ" হে তাত ওলাইছোঁগৈ। প্ৰশ্নৰ উত্তৰৰ কাকতবোৰ এজন কাৰ্য্যকাৰকৰ হাতত দি উঠিবলৈ গৈছেঁা, এনেতে অফিচৰে মোৰপৰা মোকৰ্দ্দমাত ডিগিৰি হোৱা খৰচৰ টকা দাবী ( demand ) কৰিলেহি। মোৰ টিক্‌চি-বিক্‌চি খং উঠি সেইজনক "চলা জাও" বুলি ভাবি দি গুচি আহিলোঁ। ভাবিলোঁ, ইহঁতে মোক আৰু পৰীক্ষাত কেতিয়াও "পাছ" নকৰে। তাকে ভাবি, কলিকতা য়ুনিভাৰ্ছিটিৰ চৰণত নমস্কাৰ কৰি মেলানি মাগি আৰু পৰীক্ষা দিবলৈ নগলোঁ। মোৰ লগৰীয়াৰ ভিতৰৰ অনেক ছাত্ৰ সেই পৰীক্ষাত উত্তীৰ্ণ হ'ল। আমাৰ সেই পুৰণি ফকৰাটো মনত পৰিল,—

থাই কাৰ্শলা ডালত উঠিল।
কাঠি চেলেকাৰ মৰণ মিলিল॥

আৰু উকীল নহওঁ বুলি মনতে দৃঢ়সঙ্কল্প কৰিলোঁ। ভাবিলোঁ আমাৰ বংশত উকীলে নুশুজে। সেই দেখিয়েই হবলা পিতৃদেৱতাই একষ্ট্ৰা এছিষ্টেণ্ট কমিছনাৰ হৈ থাকোঁতে উকীলৰ বহীত নাম লিখি দি অনেকক উকীল পাতিছিল ; কিন্তু নিজৰ পুতেক এজনকো সেই কাৰ্য্যলৈ আগ নবঢ়াইছিল। সেই কালত বি-এল্‌ বা এল্‌-এল্‌ পৰীক্ষা নিদিয়াকৈয়ে হাকিমৰ "চুপাৰিচতে" উকীল হব পৰা নিয়ম আছিল। উকীলৰ ব্যৱসায়টোও তেওঁৰ দ্বাৰাই বৰ সম্মানৰ বুলি বিবেচিত নহৈছিল।

## ॥ পঞ্চম অধ্যায় ॥

কলিকতাৰ মোৰ জীৱনত এটি বিশিষ্ট অসমীয়া পৰিবাৰৰ প্ৰভাৱ বৰকৈ পৰিছিল। সেই পৰিবাৰৰ শিৰৰ মুকুট আৰু আসামত সৰ্ব্বজনবিদিত বুৰঞ্জীবিজ্ঞ পুৰুষ ডাঙৰীয়া ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱা আছিল। তেওঁ দীৰ্ঘকাল আসামত, সৰহকৈ নগাঁৱত, একষ্ট্ৰা এছিষ্টেণ্ট কমিছনাৰৰ কাম কৰি ১৮৯০ খ্ৰীষ্টাব্দত অৱসৰ লৈ কলিকতাত থাকিবলৈ আহে। কি সদানন্দময় পুৰুষ আছিল সেইজন! অৱসৰৰ দিনাৰেপৰা ঈশ্বৰৰ ইচ্ছাত তেওঁৰ কপালত এটাৰ পিছত এটাকৈ লেখাৰি নিছিগাকৈ যেন পাৰিবাৰিক দুৰ্ঘটনা ঘটিছিল, মনত পৰিলে আমঠু কলা পৰি আহে। আমি দেখি আচৰিত মানিছিলোঁ, তেওঁ এনে মহা-বিপদবোৰ প্ৰশান্ত মনেৰে সহি গৈছিল। এদিনলৈকে তেওঁৰ আনন্দময় মুখত আমি বিষাদৰ ছাঁ স্পষ্টকৈ পৰা দেখিবলৈ নাপাইছিলো। গীতাত স্থিতপ্ৰজ্ঞ মানুহৰ যি সংজ্ঞা দিছে অনেকাংশনি তেওঁৰ গাতে আমি তেনে লক্ষণ দেখিবলৈ পাইছিলো ; যেনে—

দুঃখেষ্বনুদ্বিগ্নমনাঃ সুখেষু বিগতস্পৃহাঃ।
বীতৰাগ-ভয়-ক্ৰোধঃ স্থিতধীৰ্ম্মুনিৰুচ্যতে॥

বাস্তৱিকতে, মোৰ জীৱনত এনে আনন্দময় অথচ স্থিতধী পুৰুষ মই আগেয়ে দৈৱাৎহে দেখিবলৈ পাইছিলো। ১৮৯০ খ্ৰীষ্টাব্দৰ ৩১ মাৰ্চ্চত তেওঁ চৰকাৰী কামৰপৰা অৱসৰ গ্ৰহণ কৰে। সেইদিনাই কলিকতাত তেওঁৰ একমাত্ৰ জোঁৱায়েক ডাক্তৰ নন্দকুমাৰ ৰায়ৰ মৃত্যু হয়। পহিলা এপ্ৰিলৰ দিনা এই শোকৰ বাতৰি আসামত তেওঁলোকৰ কাণত পৰে। তেওঁৰ অতি মৰমৰ একেজনী জীয়েক স্বৰ্ণলতা অকালতে বিধৱা হ'ল।

ইয়াৰ পিছত বৰুৱা ডাঙৰীয়া সপৰিবাৰে কলিকতালৈ আহি সুখেৰে জীৱন-যাপন কৰিবলৈ আশা কৰি ভাল ঘৰ এটা কেৰেয়া কৰি লৈ থাকিবলৈ ধৰিলে আৰু ল'ৰাকেইটিক স্কুলত পঢ়িবলৈ দিলে। প্ৰথমতে মই ডাঙৰীয়াৰ সহধৰ্ম্মিণীক ল'ৰা-ছোৱালীকেইটিৰে সৈতে কলিকতাৰ মানিকতলা ষ্ট্ৰীটৰ ঘৰ এটাত দেখোঁ। সেইজনা সাদৰী মিষ্টভাষিণী মহিলাৰ স্মৃতি-পট মোৰ অন্তৰত আজিও মচ নোখোৱাকৈ আছে। আমাৰ বংশৰে সৈতে তেওঁৰ সম্পৰ্ক আছিল ; আৰু সম্বন্ধত মই তেওঁৰ মোমায়েক হওঁ দেখি মোক মোমাইদেও বুলি মিঠা সম্বোধন কৰিছিল। মাণিকতলা ষ্ট্ৰীটৰ ঘৰৰপৰা উঠি আহি তেওঁলোক ২৬ নম্বৰ স্কট্‌চ্ লেনত থাকোঁহি। তাতে ১৮৯২ খ্ৰীষ্টাব্দৰ মাৰ্চ মাহৰ ২৬ তাৰিখ শনিবাৰৰ দিনা এই মহীয়সী মহিলাৰ মৃত্যু ঘটে। মৃত্যুৰ অলপ পাছতে মই তাত উপস্থিত হৈ সেই শোকাবহ দৃশ্য দেখিবলৈ পালোঁ। মোৰ চকুৰপৰা সৰ সৰ কৰে লো ওলাবলৈ ধৰিলে। দেখিলোঁ মৃত্যুশয্যাত পৰি থকা মাকৰ শৰটোৰ ভৰিৰ ওপৰত মূৰটো দি পৰি স্বৰ্ণলতাই বিনাই কান্দিব লাগিছে আৰু ল'ৰাকেইটিয়ে ফেকুৰিব লাগিছে। ডাঙৰীয়া গুণাভিৰাম বৰুৱা নিস্পন্দ নিৰ্বাক।

পুতেক কমলা আৰু জ্ঞান তেতিয়া সৰু ল'ৰা। স্কুলৰপৰা আহি সিহঁতে দেখিলে যে সিহঁতৰ মাতৃদেৱী আৰু ইহসংসাৰত নাই। ডাঙৰীয়াৰ অন্তৰ যদিও শোকৰ শেলত থকা-সৰকা হৈছিল, তথাপি তেওঁ অচল অটল। ধৈৰ্য্য তেওঁৰ অসীম! ব্ৰাহ্ম সমাজৰ আচাৰ্য্য পণ্ডিত শিৱনাথ শাস্ত্ৰী প্ৰভৃতি ব্ৰাহ্মসকলে মৃতকৰ শৱ বেঢ়ি বহি আছে। এজনে ব্ৰাহ্মসঙ্গীত গাইছে—

ঐ যে দেখা যায় আনন্দধাম,
ভবজলধিৰ পাৰে।

ব্ৰাহ্মসকলে পৰামৰ্শ কৰি এখন গৰুৰ গাড়ীৰ ওপৰত শৱটো তুলি নিমতলা ঘাটত পুৰিবলৈ লৈ গ'ল। ডাঙৰীয়াই "নিবাত নিষ্কম্প তৰু"ৰ দৰে চাই আছিল মাথোন, সেই বন্দবস্তত একো হস্তক্ষেপ নকৰিছিল। মই বেজাৰ মনেৰে স্বস্থানলৈ উভতি আহিলোঁ। ডাঙৰীয়াই গৃহিণীক নৰিয়াত কলিকতাৰ ডাঙৰ ডাঙৰ ডাক্তৰ আৰু গঙ্গাপ্ৰসাদ আৰু দ্বাৰকা নাথ কবিৰাজ প্ৰভৃতিৰ দ্বাৰাই চিকিৎসা কৰোৱাইছিল ; জল-বায়ু পৰিবৰ্তনৰ নিমিত্তে গিৰিধি প্ৰভৃতি ঠাইত ফুৰাই আনিছিল। কিন্তু কালৰ হাতৰ-পৰা তেওঁক তেওঁ ৰক্ষা কৰিব নোৱাৰিলে। আজিকালি য'ত বঙ্গবাসী কলেজ হৈছে সেই ২৬ নম্বৰ স্কট্‌চ্ লেনৰ ঘৰতে ডাঙৰীয়ানীয়ে ইহসংসাৰ পৰিত্যাগ কৰি ডাঙৰীয়াক সেই বুঢ়া বয়সত অকলশৰীয়া কৰি আৰু ল'ৰা-ছোৱালীকেইটিক নিঠৰুৱা কৰি গুচি গ'ল। আমি তেতিয়া ৩ নম্বৰ ওল্ড বৈঠকখানাত আছিলো। সেই বিপদৰ কেইদিন সৰু ল'ৰা কমলা আৰু জ্ঞানে গধূলি আমাৰ তাত খাইছিলগৈ।

ইয়াৰ কিছুদিন পিছত আমি ৩ নম্বৰ ওল্ড বৈঠকখানাৰ ঘৰ এৰি দিলত ডাঙৰীয়া গুণাভিৰাম বৰুৱাই সেই ঘৰটো লৈ তাতে থাকেগৈ। মাহচেৰেক তাতে তেওঁলোক সুখেৰে আছিল, আকৌ বিপদে তেওঁলোকৰ লগ ললেগৈ। ডাঙৰীয়াৰ বৰ ল ৰাটি কৰুণা তাতে জ্বৰত পৰিল। আকৌ ডাঙৰ ডাঙৰ ডাক্তৰ আৰু কবিৰাজৰ সমাৰোহ ঘটিল। ডাক্তৰ দেবেন্দ্ৰনাথ ৰায়, জহুৰুদ্দিন, মেক্‌ডনেল্ড ইত্যাদি। মেক্‌ডনেল্ডে কৰুণাক সমুদ্ৰত ফুৰাই আনিবলৈ পৰামৰ্শ দিলত, ডাঙৰীয়াই শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালাক (তেতিয়া কলেজৰ ছাত্ৰ পিছত ৰায়বাহাদুৰ) লগত দি কৰুণাক জাহাজেৰে বৰ্ম্মালৈ পঠিয়াই দিলে। জাহাজত অহা-যোৱা কেৰেয়া আদি ২৫০ টকা দি দুইকো পঠিওৱা হ'ল। যিদিনা কৰুণাক জাহাজত তুলি দি তেওঁ বৰ্ম্মালৈ পঠিয়ালে সেইদিনা ডাঙৰীয়াৰ অপাৰ আনন্দ। আচৰিত কথা, যি কেইদিন কৰুণা জাহাজত আছিল, কৰুণাৰ জ্বৰ হোৱা নাছিল। যাওঁতে চাৰিদিন, আহোঁতে চাৰিদিন। ৰেঙ্গুনত থাকোঁতে কৰুণাৰ গা ভালে আছিল। কিন্তু উভতি কলিকতা পালতে আকৌ সেই আপদীয়া জ্বৰে কৰুণাক ধৰিলে। তাৰ পিছত কৰুণাক লগত লৈ ডাঙৰীয়া পুৰুলিয়ালৈগ'ল। সেই কালত পুৰুলিয়া বেঙ্গল-নাগপুৰ ৰেল কোম্পানীৰ এটা উঠি অহা ষ্টেচন আৰু স্বাস্থ্যকৰ ঠাই। তাতো একো উপকাৰ নোহোৱা দেখি, তেওঁ কৰুণাক মধুপুৰলৈ লৈ গ'ল। ৩ নম্বৰ ওল্ড বৈঠকখানাৰ ঘৰতে তেওঁৰ বাকী ল'ৰা দুটি আৰু জীয়েক আছিল। পিছত কমলা আৰু জ্ঞানকো মধুপুৰলৈ লৈ যোৱা হ'ল। কিছুদিনৰ পিছত কমলা আৰু জ্ঞান উভতি আহি, আমাৰ লগতে

শোভাৰাম বসাক লেনৰ ঘৰত থাকোঁহি। মধুপুৰতে ১৮৯৩ খ্ৰীষ্টাব্দৰ ১২ জুলাইত কৰুণাৰ মৃত্যু হয়। কৰুণাৰ মৃত্যুৰ পিছত ডাঙৰীয়া আমাৰ লগত শোভাৰাম বসাকৰ লেনত দুদিনমান থাকোঁহি। শ্ৰীযুত নবীনৰাম ফুকনো তেতিয়া তাতে আছিলহি। কৰুণাক যমৰ বুকুত দি ডাঙৰীয়া যেতিয়া আমাৰ কাষত ওলালহি, তেতিয়া আমি ভাবিছিলো এনে পুত্ৰ-শোক পাই অহা তেখেতৰ মুখলৈ আমি পোনে পোনে চাবই নোৱাৰিম। কিন্তু আমি দেখি অবাক হলোঁহক, তেখেতৰ মুখত বিষাদৰ কালিমাৰ সঁচকে নাই। সেই চিৰস্থায়ী সদানন্দ মুখ আগত বৰ্ত্তমান। তেতিয়াও তেখেতৰ মুখত কথাই কথাই হাঁহি আৰু খুহুটীয়া কথা অনৰ্গল চলিছে। কি আচৰিত সংযম! আজিও মোৰ মনত আছে, এদিন শ্ৰীযুত নবীন ফুকনৰ মুখখন তেওঁ গোমঠা দেখি ফুকনক গাড়ী এখনত তুলি লগত লৈ গৈ গ্ৰেট ইষ্টাৰ্ণ হোটেলৰপৰা পাঁচ টকা দি চাৰে পাঁচ টকা বেচৰ গোটাচেৰেক কামিজ কিনি দি তেওঁৰ মুখলৈ প্ৰসন্নতা আনিছিল আৰু আগেযেও হেনো কেইবাবাৰো ডাঙৰীযাই তেনে উপায়কে অৱলম্বন কৰিছিল। ডাঙৰীযাৰ স্বভাৱ যে কাৰো মুখত তেওঁ বেজাৰৰ ভাব দেখিব নোৱাৰিছিল।

১৮৯৪ খ্ৰীষ্টাব্দৰ মাৰ্চ মাহৰ ২৫ তাৰিখে, শনি কি ৰবিবাৰে, ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাৰ ৮ নম্বৰ কলেজ স্কোয়াৰৰ ঘৰত মৃত্যু হয়। তেওঁ প্ৰায় ২১ দিন জ্বৰত ভুগিছিল। চিকিৎসাৰ কোনো অপ্ৰতুল নহৈছিল। ডাক্তৰ মেক্‌ডনেল্ডেও চিকিৎসা কৰিছিল। কলিকতাবাসী কোনো কোনো অসমীয়া ছাত্ৰে তেওঁৰ নাৰিয়াত পৰ দিছিল। ময়ো এৰাতি-দুৰাতি সেই কাৰ্য্য কৰিছিলোঁ। অখণ্ডনীয় বিধিৰ লিখন, তেওঁ আৰু আৰোগ্য নহ'ল। কলিকতাবাসী অসমীয়া ছাত্ৰসকলে তেওঁৰ শৱ কান্ধত লৈ নিমতলা ঘাটত দাহ কৰি আহিলগৈ। অৱশ্যে সমবেত ব্ৰাহ্মসকলে আগৰ দৰে, অৰ্থাৎ তেওঁৰ গৃহিণীৰ শৱটো গাড়ীত তুলি নিয়াৰ দৰে নিবৰ যে প্ৰস্তাৱ নকৰিছিল এনে নহয়; কিন্তু এইবাৰ তেনে প্ৰস্তাৱ অসমীয়া সকলৰ দ্বাৰাই অগ্ৰাহ্য হ'ল। চৰকাৰী কামৰপৰা অৱসৰ লৈ এইজন পুৰুষ যদি অন্ততঃ আৰু দহ বছৰমান জীয়াই থাকিলহেঁতেন, তেওঁৰ দ্বাৰাই অসমৰ অনেক হিতকাৰ্য্য সাধিত হ'লহেঁতেন— ঘাইকৈ সাহিত্য ক্ষেত্ৰত। "জোনাকী" আৰু "বিজুলী"ত তেওঁ নিয়মমতে প্ৰবন্ধ লিখিছিল। "জোনাকী"ত ওলোৱা "আগৰ দিন এতিয়াৰ দিন" প্ৰবন্ধ যদি আৰু কিছুদিন তেওঁ লেখি যাব পাৰিলেহেঁতেন, তেন্তে বুৰঞ্জী সম্পৰ্কীয় অনেক নতুন কথা তেওঁ আমাক দি যাব পাৰিলেহেঁতেন। তেওঁ চৰকাৰৰ ঘৰৰ কামৰপৰা অৱসৰ লোৱা কালৰ সুবিধা অসমীয়াই হেঁপাহ পলুৱাই লবলৈ নাপালে; তেওঁ অৱসৰৰ শান্তি-সুখ ভোগ কৰিবলৈ নাপালে; নিষ্ঠুৰ কাল তাৰ বাদী হ'ল। আসামৰ কপালেই এনে দুৰ্ভগীয়া। সেই কালৰ ভিতৰতে, বিলাতৰপৰা কলিকতালৈ অহা Opium Commission অৰ্থাৎ কানি-প্ৰচলন-ৰহিতৰ বিষয়ে তদন্ত কৰিবলৈ অহা কমিটিৰ হাতত তেওঁ কানি বৰ্বিহৰ বিপক্ষে এখন অভিমত লেখি দিছিল। অভিমতখন লেখি এই লেখকক তেওঁ এবাৰ পঢ়িবলৈকো দিছিল। তেওঁ লেখা "কঠিন শব্দৰ ৰহস্য ব্যাখ্যা" পঢ়ি অসমীয়া কোন আছে যে আনন্দ উপভোগ নকৰাকৈ থাকিব পাৰে? তেওঁৰ আনন্দময় মনৰ সি এটা সৰু উঁহ মাথোন। তেওঁৰ উদাৰ অন্তঃকৰণে সৰু-বৰ

সকলোৰে সৈতে ব্যৱহাৰত পাৰ্থক্য নকৰিছিল। বিশেষত অসমীয়া মানুহ এটা দেখিলেও তেওঁ দুই হাত মেলি আঁকোৱালি ধৰিছিল—তেহেলৈ সেইজন ডাঙৰেই হওক বা সামান্য মানুহেই হওক। এবাৰ তেওঁ পশ্চিমত ফুৰোঁতে ৰেলত এজন সাধাৰণ গাৱঁলীয়া অসমীয়া মানুহ দেখি, আনন্দত উত্‌ফুল্ল হৈ দুই হাত মেলি সেইজনক আঁকোৱাল মাৰি ধৰি কথাবাৰ্তা হৈ আনন্দ পাইছিল আৰু সেই কথা মই তেওঁৰ নিজৰ মুখৰপৰাই শুনিছিলোঁ। সকলোৰে দেখিছে, কলিকতাৰ ঘোঁৰাৰ গাড়ীৰ মুছলমান গাৰোৱানে ভেৰোণলৈ খাপ দি গাড়ী ৰখা ঠাইত (stand) থাকোঁতে এটা মুছলমান ধপাত বেচোঁতাই দীঘল নল লগোৱা গুৰগুৰী এটাত ধপাত লগাই গাৰোৱানবোৰক খুৱাই ফুৰি সিহঁতৰপৰা একোটাকৈ পইচা লয়। এদিন আমাৰ ডাঙৰীয়াই খোজ কাঢ়ি হেৰিশ্যান ৰোডেদি যাওঁতে তেনে গাড়ী ৰখা ঠাই এখনৰ কাষ পালত, সেইদৰে ধপাত বেচোঁতা এটাই ডাঙৰীয়াৰ দীঘল ডাঢ়ি দেখি, তেওঁক তাৰ ধৰ্মাৱলম্বী বুলি ভাবি, গুৰগুৰীৰ নলটো তেওঁৰফালে আগবঢ়াই দিছিল। ৰহস্যটো ততালিকে বুজি, হাঁহি সেই নলিচাডাল হাতেৰে ধৰি মুখৰ ফালে মিছাকৈ টোঁৱাই, তাক নিৰাশ নকৰি পইচা এটা দি গুচি গ ল। সেই ঘটনাটো তেওঁ নিজেই বঢ়িয়াকৈ ৰং দি আমাক কৈ হহুৱাইছিল; আৰু নিজেও নথৈ হাঁহিছিল। এনেজন "প্ৰশান্ত পুৰুষ আনন্দময়" আছিল আমাৰ গুণাভিৰাম বৰুৱা ডাঙৰীয়া।

ৰায়বাহাদুৰ ডাঙৰীয়াৰ মৃত্যুৰ পিছত ৰজনীনাথ ৰায়ে (Mr. R N. Ray) কমলা আৰু জ্ঞানক স্বৰ্ণৰে সৈতে তেওঁৰ "ৰিট্ৰিট" (The Retreat) বোলা ঘৰলৈ লৈ যায়। ৰজনীনাথ ৰায় ৰায়বাহাদুৰ ডাঙৰীয়াৰ জোঁৱায়েক ডাক্তৰ নন্দকুমাৰ ৰায়ৰ ককায়েক। তেওঁ গৱৰ্ণমেণ্টৰ এজন ডাঙৰ বিষয়া আছিল। এইডোখৰ কালতে এটা গলাগোপা (rumour) ওলাই আমাৰ মনত বৰকৈ কষ্ট দিছিল—বিশেষকৈ ডাঙৰীয়াৰ বিধৱা জীয়েক স্বৰ্ণক আৰু তেওঁৰ সৰু ভায়েক দুটিক। সেই গলাগোপাত ওলোৱা কথাটো প্ৰকৃততে সঁচা নে মিছা মই ভালকৈ ক'ব নোৱাৰোঁ; কিন্তু ৰায়বাহাদুৰৰ পৰিয়ালৰ হিতাকাঙ্ক্ষী বঙ্গালীসকলেও শুনিবলৈ পাইছিল। গলাগোপাটো হৈছে—ৰায়বাহাদুৰৰ বংশৰে গণ্য-মান্য মানুহ এজনে হেনো আদালতত গোচৰ এটা কৰি চেষ্টা কৰি চাবলৈ গৈছিল, যাতে ডাঙৰীয়া গুণাভিৰাম বৰুৱাৰ সৈতে তেওঁৰ গৃহিণীৰ বিবাহটো আইনমতে অসিদ্ধ প্ৰমাণিত হয়। তেনেহলে ডাঙৰীয়াৰ টকা-কড়ি বিষয়-সম্পত্তিৰ উত্তৰাধিকাৰী কমলা আৰু জ্ঞান নহৈ তেওঁলোক হব পাৰে। ডাঙৰীয়াই কোনো উইল কৰি যোৱা নাছিল। বোধকৰোঁ তেওঁ সমাজিকতো ভবা নাছিল যে তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ বিষয়-সম্পত্তি লৈ এনেকুৱা কোনো কথা উঠিব পাৰে। বাবু দুৰ্গামোহন দাস ডাঙৰীয়াৰ পৰিয়ালৰ এজন বিশিষ্ট বন্ধু আছিল। তেওঁ হাইকোৰ্টৰ এজন ডাঙৰ উকীল আছিল।

এদিন তেওঁ ৰজনী ৰায়ৰ ঘৰলৈ গৈ স্বৰ্ণলতাক ক'লে, "স্বৰ্ণ, তোমাদেৰ কোনও ভয় নেই। তোমাৰ ভাইদেৰও ভয় নেই। আমি তোমাদেৰ ইষ্টেটৰ এড্‌মিনিষ্ট্ৰেশনেৰ বন্দোবস্ত কৰেছি।" বাস্তৱিক তেওঁ তাকে কৰিছিলো। এনে বিষয়ত দুজন দুজন জামিন (sur.ties) বা সাক্ষীৰ আৱশ্যক। এজন তেওঁ নিজে হৈছিল আৰু আনজন শ্ৰীযুত জগদীশ বসুক (Sir Jagadish Bose) তেওঁ কৰি দিছিল, যদিও ছাৰ

জগদীশ সেই কাৰ্য্যৰ নিমিত্তে ইচ্ছুক নাছিল, কিন্তু দুৰ্গামোহন বাবুৰ অনুৰোধত মান্তি হবলগীয়াত পৰিছিল। হাইকোৰ্টৰ ৰেজিষ্ট্ৰাৰ মিষ্টাৰ বেল চেম্বৰক দুৰ্গামোহন দাসে তালৈকে লৈ গৈ স্বৰ্ণক চিনাক্ত কৰি দিছিল আৰু কাকতত স্বৰ্ণৰ চহী দিয়াইছিল। দুৰ্গামোহন বাবুৰে তেওঁৰ মৃত্যুৰ দিনলৈকে গুণাভিৰাম বৰুৱা ডাঙৰীয়াৰ বিষয়-সম্পত্তি সুকলমে "মেনেজ" কৰি আছিল।

ইয়াৰ কিছুদিনৰ পিছত চিৰকাল য়ুৰোপ-প্ৰবাসী শ্ৰীযুত ৰাধিকাৰাম ফুকন কলিকতাত ওলালহি। জনশ্ৰুতি যে তেওঁ বৰুৱা ডাঙৰীয়াৰ বিষয়-সম্পত্তি "মেনেজ" কৰিবলৈ, হাতত লবলৈ আহিছিল। কিন্তু দুৰ্গামোহন দাস এনে কঁকিলা-দাৰৰ পক্ষে মʼহৰ শিং। গতিকে ডাঙৰীয়াৰ বিষয়-সম্পত্তি লৈ আৰু কোনো গোলমাল নুঠিল।

কিছুদিনৰ পিছত স্বৰ্ণক ১৩ নম্বৰ কৰ্ণৱালিছ ষ্ট্ৰীটত থকা "ব্ৰাহ্ম গাৰ্লছ স্কুল"ত তেওঁৰ দুজনী জীয়েকৰ সৈতে থোৱা হʼল আৰু কমলা আৰু জ্ঞানক সাধাৰণ ব্ৰাহ্ম-সমাজৰ কাষত থকা "ব্ৰাহ্ম বইজ বোৰ্ডিং হাউছ"ত থোৱা হʼল। দুখৰ কথা যে ল ৰা দুটি "ব্ৰাহ্ম বইজ বোৰ্ডিং হাউছ"ত থকাৰ এসপ্তাহমানৰ পিছতে কমলা জ্বৰত পৰিল। মই সততে লʼৰা দুটিৰ আৰু স্বৰ্ণৰ বুজ-বাজ কৰিবলৈ গৈ আছিলোঁ। মোৰ আজিও মনত আছে, এদিন মই গʼলতে মোক কমলাই কান্দোনমুৱা হৈ কʼলে, "এইবাৰ মোৰ পাল।" কথাষাৰ শুনি মোৰ হিয়া ভাগি গʼল। তথাপি মই যি পাৰোঁ কমলাক সান্ত্বনা দি কথাষাৰ উৰাই দি কমলাৰ মনৰপৰা সেইটো ভাব গুচাবলৈ চেষ্টা কৰিলোঁ, কিন্তু বেচ বুজিব পাৰিলোঁ বেচেৰীৰ মনৰপৰা সেই ভাব নগʼল। ডাক্তৰ নীলৰতন সৰকাৰ আৰু ডাক্তৰ প্ৰাণকৃষ্ণ আচাৰ্য্যৰ পৰামৰ্শমতে কমলাক আৰু জ্ঞানক দাৰ্জ্জিলিঙলৈ পঠিয়াই দি, "লুই জুবিলি ছেনিটেৰিয়ম"ত থোৱা হʼল। তাত কমলাৰ বিশেষ উপকাৰ নোহোৱা দেখি, দুইকো কলিকতালৈ আনি বিৰ্জ্জিতলাত বাবু পাৰ্ব্বতী দাসৰ (পুৰ্ণিয়াৰ এজন উকীল) ঘৰ এটাৰ দুটা খোঁটালী আৰু "বাথ্ৰুম" এটা কেৰেয়া কৰি লৈ তাতে থাকিবলৈ দিয়া হʼল। ডাক্তৰ ক্ৰম্বিৰ (Crombie) চিকিৎসা চলিল। চিকিৎসাত কোনো উপকাৰ হোৱা নেদেখি ডাক্তৰ ক্ৰম্বিৰ পৰামৰ্শমতে কমলাক এটোৱালৈ (Etawah) পঠিয়াই দিয়া গʼল। লগত দাৰোৱান ৰামভৰোসাক দিয়া হʼল আৰু ব্ৰাহ্ম ভদ্ৰলোক এজনক কুৰি টকা দৰমহাত নিযুক্ত কৰি পঠিওৱা হʼল। এটোৱাৰপৰা কমলা বম্বেলৈ গʼল। ৰজনী ৰায়ৰ পৰামৰ্শমতে তাত কমলা ডাক্তৰ আত্মৰাম পাণ্ডুৰঙৰ চিকিৎসাৰ অধীনত ৰʼল। তাত তেতিয়া আমাৰ শ্ৰীযুত মথুৰামোহন বৰুৱা আৰু শ্ৰীযুত জয়কৃষ্ণ দাসে ডাক্তৰী পঢ়িছিল। তেওঁলোকেও কমলাৰ বুজ-বাজ লৈছিল। কিন্তু একোতেই একো নহʼল। বম্বেৰপৰা কমলাক আকৌ লৈ আহি কলিকতাৰ ভবানীপুৰত জগু বাবুৰ বজাৰৰ ওচৰত ঘৰ এটাত থোৱা হʼল। তাত প্ৰায় চাৰি মাহ থৈ কমলাক হোমিওপাথি, এলোপাথি, কবিৰাজী চিকিৎসা কৰোৱা হʼল। কলিকতাৰ ডাঙৰ কবিৰাজ দ্বাৰকানাথ ভিষগ্‌ৰত্ন সেনৰ চিকিৎসাও চলিল। কিন্তু সকলোবোৰ ব্যৰ্থ হʼল।

## ।। ষষ্ঠ আধ্যা ।।

১৮৯৪ খ্ৰীষ্টাব্দৰ ৩০ নবেম্বৰত কমলা তাতে ঢুকাল। এইদৰে দুবছৰৰ ভিতৰতে সেই জয়জয় মযময় পৰিবাৰটোত চাৰিটা মৃত্যু। ডাঙৰীয়া গুণাভিৰাম বৰুৱাৰ সন্তানৰ ভিতৰত ৰ'লগৈ জ্ঞানদাভিৰাম আৰু স্বৰ্ণলতা। এতিয়া আমাৰ সকলোৰে ঘাই চিন্তা হ'ল, কেনেকৈ জ্ঞানদাভিৰামক ৰক্ষা কৰা হব। তেওঁক সমুদ্ৰ-যাত্ৰা ( sea-trip ) এটা দিযাই থিৰ হ ল। লগত শিৱনাথ শাস্ত্ৰী মহাশয়ৰ জোঁৱাযেক ডাক্তৰ বিপিনবিহাৰী সৰকাৰক দিযা হ'ল ; কাৰণ ডাক্তৰ সৰকাৰৰো গা বেযা আছিল। ব্ৰাহ্মসকলে ভাবিলে তুলসীৰ লগত কলপটুৱাৰ মুক্তিৰ দৰে তেওঁৰো পৰিৱৰ্তন হওক—বিশেষকৈ পৰৰ খৰচতে। জ্ঞানৰ বাঈদেৱেক কালীমাইচেনা পুতেক প্ৰিয়নাথেৰে সৈতে তেতিযা তেওঁলোকৰ লগতে আছিল। প্ৰিয়নাথক আমি জ্ঞানৰ লগত দিবলৈ মনোনীত কৰিছিলোঁ। কিন্তু সেই দাবী ব্ৰাহ্মসকলৰ দ্বাৰাই অগ্ৰাহ্য হ'ল। বি আই এছ. এন্, কোম্পানীৰ লাৱাডা ( S S Lawada ) জাহাজত দ্বিতীয় শ্ৰেণীৰ কেৰেয়া দি জ্ঞানক বিপিন বাবুৰ সৈতে মাদ্ৰাজেদি বোম্বাইলৈ পঠিয়াই দিযা হ'ল। সেই যাত্ৰাত প্ৰায এমাহ লাগিছিল। তাৰ পিছত তেওঁ মুঙ্গেৰত থাকিবলৈ আহিল। গুৱাহাটীৰ শ্ৰীযুত ৰাধাকান্ত বৰুৱা তেতিযা মুঙ্গেৰত আছিল। প্ৰথমতে তেওঁৰ লগতে জ্ঞান ৰ'লগৈ। পিছত সুকীযাকৈ ঘৰ এটা কেৰেয়া কৰি আছিল। তাত থাকোঁতেই জ্ঞানে শুনিবলৈ পালে যে য়ুৰোপৰপৰা শ্ৰীযুত ৰাধিকা ফুকন কলিকতালৈ আহিছে, তেওঁলোকৰ বিষয়-সম্পত্তি হাতত লৈ "মেনেজ" কৰিবলৈ। ১৮৯৫ খ্ৰীষ্টাব্দৰ এপ্ৰিল কি মে' মাহত জ্ঞান মুঙ্গেৰৰপৰা আহি শ্ৰীযুত জগদীশ বসু আৰু তেওঁৰ পৰিয়ালেৰে সৈতে দাৰ্জ্জিলিঙলৈ যায। তাৰ পিছত পোন্ধৰ বছৰ বযসত ১৮৯৫ খ্ৰীষ্টাব্দত জ্ঞানে বি আই এছ এন্, কোম্পানীৰ 'ডনেৰা' নামৰ জাহাজত উঠি বিলাতলৈ পঢ়িবলৈ যায। বিলাতত শ্ৰীযুত জগদীশ বাবুৱে জ্ঞানৰ পঢ়া-শুনাৰ বন্দবস্ত কৰি দিযাৰ কথা আছিল। কিন্তু বসুৱে গা লাগি সেই কাৰ্য্য কৰাতকৈ গা এৰা দি ফুৰাহে দেখা গৈছিল। ডাক্তৰৰ সূচনাতে ( Suggestion ) জ্ঞানে অক্সফোৰ্ড বা কেম্ব্ৰিজত পঢ়া প্ৰস্তাৱটো উলটি গৈছিল। সেইটো জ্ঞানৰ শিক্ষাৰ নিশ্চয বিঘিনিজনকহে হৈ উঠিছিল। জ্ঞান বিলাতত থাকোঁতে এবাৰ কলিকতাত ডাক্তৰ জগদীশ বসুৱে মোক তেওঁৰ ঘৰলৈ মাতি নি, তেওঁৰ যে আৰু জ্ঞানৰ সম্পৰ্কে কোনো কাৰ্য্য কৰিবৰ ইচ্ছা নাই, সেইটো মোক কৈ, সেই ভাৰ সম্পূৰ্ণৰূপে যে মই লোৱা উচিত, তেনে প্ৰস্তাৱ কৰিছিল।

বিলাতত গা-ভাল নথকা বাবে, জ্ঞান ১৮৯৮ খ্ৰীষ্টাব্দত কলিকতালৈ উভতি আহে। তেওঁ কিছুদিন হাওড়াৰ ৰোজমেৰি লেনৰ ঘৰত আমাৰ সৈতে থাকে আৰু তাৰ পিছত আমাৰ ঘৰৰ ওচৰতে বেণ্টিঙ্ক লেনত সৰু ঘৰ এটা কেৰেয়াকৈ লৈ থাকে। তাতে তেওঁ চাৰি-পাঁচমাহমান আছিল। স্বৰ্ণও প্ৰায় এমাহমান জ্ঞানৰ লগতে আছিলহি। তাৰ

পিছত ২৫০ নম্বৰ গ্ৰেণ্ড ট্ৰাঙ্ক ৰোডত ঘৰ এটা লৈ জ্ঞান থাকোঁহি। ইয়াৰ কিছু কালৰ আগতে হুগলী কলেজৰ প্ৰিঞ্চিপেল গুণী আৰু বিদ্বান শ্ৰীযুত ক্ষীৰোদচন্দ্ৰ ৰায়চৌধুৰীৰে সৈতে স্বৰ্ণলতাৰ পুনৰ্ব্বাৰ বিবাহ হৈছিল। শিয়ালদহ ষ্টেশ্যনৰপৰা কিছুদূৰতে হেৰিছন ৰোডত ক্ষীৰোদ বাবুৰে জ্ঞানৰ নিমিত্তে (অৱশ্যে জ্ঞানৰ টকাৰেই) এটা পকাঘৰ সজায, তাতে ক্ষীৰোদ বাবু আৰু স্বৰ্ণ কিছুদিন আছিল। ক্ষীৰোদ বাবু হুগলী কলেজৰ পৰা, কটকৰ ৰেভেন্সা কলেজৰ প্ৰিঞ্চিপেল হৈ বদলি হৈ যায। এদিন হেৰিছন ৰোডৰ ঘৰটোৰ তলত এন্দুৰ মৰা দেখি, স্বৰ্ণৰ ভাত-ৰান্ধনি বামুণ-টোক ঘৰটোৰ ৰখীয়া কৰি থৈ স্বৰ্ণক মই আমাৰ ঘৰত থওঁহি। দুদিনৰ পিছত তাতে সেই ৰখীয়া বামুণটো প্লেগত মৰে। তাৰ পাছত স্বৰ্ণ ছোৱালী দুটিৰ সৈতে ক্ষীৰোদ বাবুৰ লগলৈ কটকলৈ গুচি যায়।

ইযাৰ কিছুদিনৰ পিছত জ্ঞান আসামলৈ যায। পূজাৰ পিছত তেওঁ কলিকতালৈ উভতি আহি হাওড়াত আমাৰ ৰোজমেৰি লেনৰ ঘৰতে আমাৰে সৈতে থাকে। ১৯০৬ খ্ৰীষ্টাব্দত তেওঁ বালিগঞ্জৰ ঝাউতলা ৰোডৰ ঘৰ এটালৈ উঠি যায়। সেই বছৰতে তেওঁৰ বিয়া হয়। মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰৰ বৰ পুতেক দাৰ্শনিক পণ্ডিত শ্ৰীযুত দ্বিজেন্দ্ৰনাথ ঠাকুৰৰ মাজু পুতেক শ্ৰীযুত অৰুণেন্দ্ৰনাথ ঠাকুৰৰ বৰ জীয়েক শ্ৰীমতী লতিকা দেৱীৰে সৈতে তেওঁৰ বিযা হয। মই সেই সময়ত শ্ৰীযুত ভোলানাথ বৰুৱাৰ (বি বৰুৱা) সৈতে কাশ্মীৰত আছিলোঁ।

মোৰ ককাইদেও ডাক্তৰ গোলাপচন্দ্ৰ বেজবৰুৱাই (ডাক্তৰ জি চি বেজবৰুৱা) বিলাতত ডাক্তৰী (L R. C. P আৰু L F. P. S.) পাছ কৰি, অনেক বছৰ দক্ষিণ আমেৰিকাৰ ডামৰাৰা নামৰ ঠাইত থকা মাৰা চহৰত চিভিল ছাৰ্জ্জন হৈ কাম কৰিছিল। ১৫।১৬ বছৰৰ পিছত তেওঁ অৱসৰ লৈ তাৰ পৰা গুচি আহি হাওডাত আমাৰ লগতে আছিল। হাওডা মিউনিচিপেলিটিৰ তেওঁ হেল্‌থ-অফিচাৰৰ কাম পাই কাম কৰিছিল। কিছুদিনৰ পিছত তেওঁ আমাৰ লগৰপৰা গৈ শ্ৰীমান জ্ঞানদাভিৰামেৰে সৈতে হাওড়াতে গোলাবাৰী ৰোডৰ ৩৪ নম্বৰৰ ঘৰ এটা সুকীয়াকৈ লৈ থাকেগৈ। তাতে মোৰ ককাইদেওৰ বিয়া হয। তেওঁৰ বিয়াৰ পিছত ওপৰত কৈ অহা বেণ্টিঙ্ক লেনৰ ঘৰলৈ আহে। ১৯০০ চনৰ মাৰ্চ্চ কি এপ্ৰিল মাহত, মই যেতিয়া শ্ৰীযুত ভোলানাথ বৰুৱাৰে সৈতে একেলগে হাওডাৰ ডব্‌চন্‌ ৰোডত ঘৰ এটা কিনি তাক আৰু ভালকৈ সজাই-পৰাই লৈ তাত থাকিবলৈ, যিদিনা "গৃহ প্ৰবেশ" উৎসৱ কৰো সেইদিনা তাত জ্ঞান আৰু তেওঁৰ ভগ্নীপতি ক্ষীৰোদ বাবু উপস্থিত থাকি সেই উৎসৱত যোগ দি আমাৰ আনন্দ বৰ্দ্ধন কৰিছিল। আদি ব্ৰাহ্ম-সমাজৰ পণ্ডিত প্ৰিয়নাথ শাস্ত্ৰীয়ে সেই উৎসৱত মন্ত্ৰপাঠ আদি কৰি সেই উৎসৱৰ কাৰ্য্য সম্পাদন কৰিছিল। ১৯০৮ খ্ৰীষ্টাব্দত শ্ৰীযুত ভোলানাথ বৰুৱা যেতিয়া বিলাতলৈ যাবলৈ ওলাল, জ্ঞানক তেওঁৰ পদ-প্ৰদৰ্শক সহায়ক-স্বৰূপে তেওঁ লগত লবৰ প্ৰস্তাৱ কৰিলত জ্ঞানো লগতে বিলাতলৈ গ'ল। অৱশ্যে জ্ঞানেও জাহাজৰ কেৰেয়া ইত্যাদি নিজে বহন কৰিছিল।

বি বৰুৱা বিলাতত প্ৰায় ছমাহমান আছিল। জ্ঞানে তাতে থাকি এইবাৰ বেৰিষ্টাৰী পৰীক্ষাত উঠি ১৯০৯ খ্ৰীষ্টাব্দত ডিচেম্বৰ মাহত কলিকতালৈ উভতি আহে।

মই গুণাভিৰাম বৰুৱা ডাঙৰীযাৰ আৰু তেওঁৰ পৰিযালৰ বিষয়ে এইদৰে বহলাই লেখাৰ অভিপ্ৰায় এয়ে যে কেনেকৈ বিধিৰ বিড়ম্বনাত এনে এটা শ্ৰেষ্ঠ আৰু সুন্দৰ অসমীয়া পৰিযাল অলপ কালৰ ভিতৰতে ভাগি-ছিগি গ'ল, সেইটো সকলোকে জনাব লাগে। আমি কত আশা কৰিছিলোঁ, আমাৰ আশা ঈশ্বৰৰ অলঙ্ঘ্য বিধানত অনেকখিনি ছেদ হ'ল। পুনৰবাৰ কওঁ, ডাঙৰীযা গুণাভিৰাম বৰুৱাই অন্ততঃ আৰু দহ বছৰমান জীযাই থাকি তেওঁৰ অৱসৰ কালৰ সুখ-শান্তি ভোগ কৰিবলৈ যদি পালেহেঁতেন তেওঁ অসমীযাৰ মঙ্গলৰ অৰ্থে আৰু ঘাইকৈ অসমীযা সাহিত্যৰ অৰ্থে কিমান কাম কৰি গ'লহেঁতেন, সেইটো সহজতে অনুমান কৰিব পাৰি। তেওঁৰ এটাইকেইটি ধুনীযা পুতেক যদি কলিতে শুকাই নগৈ, সৰি নপৰি জীযাই থাকিলেহেঁতেন, আমি আৰু দুটি অসমীযাৰ আদৰৰ ধন জে বৰুৱা পালোহেঁতেন বুলি মোৰ বিশ্বাস। ঈশ্বৰৰ অশেষ কৃপা যে কোনোমতে চুকে-কোণে লাগি থাকি জ্ঞানদাভিৰাম বৰুৱা ৰ'ল যিজনেই আজি অসমীযাৰ আদৰৰ আৰু গৌৰৱৰ বস্তু "প্ৰিন্সিপেল জে বৰুৱা। তেওঁ তেওঁৰ বৰণীয পিতৃদেৱতাৰ ওখ মন আৰু বহল হৃদযৰ প্ৰকৃত উত্তৰাধিকাৰী নহযনে? গোটেই আসামত উঠা প্ৰতিধ্বনিযে কৈছে, "হয।" ঈশ্বৰে তেওঁক দীৰ্ঘজীৱি কৰি কুশলে ৰাখক, ঈশ্বৰৰ চৰণত এই জীৱন-সোঁৱৰণৰ লেখকৰ এয়ে আন্তৰিক প্ৰাৰ্থনা।

কলিকতা যুনিভাৰ্ছিটিৰ হাতত শেষত এইদৰে মাৰ খাই খিক্কাৰ লাগি সেইফালে আৰু মুখ নকৰোঁ বুলি প্ৰতিজ্ঞা কৰিলোঁ, আৰু স্বাধীনভাৱে ব্যৱসায-বাণিজ্য-বাণিজ্যকে ধৰি জীৱন কটাবলৈ সংকল্প কৰিলোঁ। শ্ৰীযুত ভোলা নাথ বৰুৱাক মোৰ মনৰ কথা এদিন কলতে তেওঁ মোক আকোৱাল মাৰি ধৰিলে। তেওঁৰ সৈতে লগলাগি ব্যৱসায কৰাকে স্থিৰ কৰি একান্তমনেৰে মই কাৰ্য্যত লাগি গলোঁ। তেওঁ গা ভাল পাই (১৮৯৩ খ্ৰীষ্টাব্দত) নৰিযাৰপৰা উঠি সৰু-সুৰা ব্যৱসাযত ধৰিছিল। প্ৰথমতে কলিকতাৰ মেক্লিউড্ (Mc-Leod) কোম্পানীৰ তেওঁ বাৰচেৰেক গাৰো পৰ্বতৰপৰা অলপ-অচৰপ কপাহ আনি বেচিছিল। তাৰ পিছত "বি বাদাৰ্ছ" নাম দি, কলিকতাৰ বঙ্গলা বাৰ্তাৰ কাকত সঞ্জীৱনীত বিজ্ঞাপন দিছিল যে, বি. ব্ৰাদাৰ্ছ কোম্পানীযে চেগুণ কাঠৰ চ'তি, বৰগা, চৌকাঠ ইত্যাদি যাক লাগে, সোনকালে আৰু সস্তাত যোগাব। তেওঁৰ এই উদ্যম সফল নহ'ল। তাৰ পিছত তেওঁ ই আই আৰৰ আছান্সোল ষ্টেশ্যানত সৰু দুমহলীয়া ঘৰ এটা কেৰেয়াকৈ লৈ তাতে অসমৰ চাহ খুচুৰাকৈ বিক্ৰী কৰাত ধৰিছিল। চাহৰ লগতে দুইচাৰিডাল কাঠো বিক্ৰী কৰিবলৈ লৈ থৈছিল। বঙ্কুবিহাৰী কৰ নামৰ বঙ্গালী এজনক মাহে টকাচেৰেক দৰ্মহাত সেই ব্যৱসাযৰ কাৰ্য্যত তেওঁ ৰাখিছিল। তাৰ পিছত বেঙ্গল নাগপুৰ ষ্টেশ্যান গুইলকেৰ আৰু মনোহৰপুৰত সৰু-সুৰাকৈ ৰেলৰ স্লিপাৰৰ ব্যৱসায় কৰিবলৈ মনস্থ কৰি তেওঁ গৱৰ্ণমেণ্ট

ফৰেষ্ট ডিপাৰ্টমেণ্টৰপৰা তাকৰীয়াকৈ গছ "ৰয়েলটীত" বন্দবস্ত কৰি লৈ সেই কাৰ্য্যত হাত দিছিল। সেই কাৰ্য্যত তেওঁক সহায় কৰিবলৈ তেওঁলোকৰ বংশৰে গোপীনাথ বৰুৱা নামৰ এজনক আনি, শোভাৰাম বসাকৰ লেনৰ ঘৰতে আমাৰ লগতে থৈছিল। তেতিয়াৰ "জোনাকী" কাকত পঢ়োঁতাসকলে দেখিছিল যে মাহাঁদিযেক গোপীনাথ বৰুৱাক মই "জোনাকী"ত "জোনাকী"ৰ প্ৰকাশক বুলি জাননী দিছিলোঁ। গোপীনাথ বৰুৱাক গ্ৰাহকলৈ "জোনাকী" পঠিওৱা আৰু তাৰ হিচাপ ৰখা আদি কামত নিযুক্ত কৰিছিলোঁ। তাৰ পিছত গোপীনাথক বি বৰুৱাই গুইলকেৰ আৰু তাৰ পিছত মনোহৰপুৰৰ তেওঁৰ ব্যৱসায়ত সহায় কৰিবলৈ লৈ গ'ল। তাৰ পিছতে মই বি বৰুৱাৰ ব্যৱসায়ৰ ভিতৰত প্ৰৱিষ্ট।

আমাৰ কাঠৰ ব্যৱসায় লাহে লাহে ভাল হৈ আহিবলৈ ধৰিলে। বি বৰুৱাই সম্বন্ধত তেওঁৰ ভাগিনিযেক একজিকিউটিভ ইঞ্জিনীয়াৰ বলিনাৰায়ণ বৰাৰ ভাযেক শ্ৰীযুত মহীনাৰায়ণ বৰাক গুৱাহাটীৰপৰা আনিলে। মহীনাৰায়ণো মোৰ লগতে শোভাৰাম বসাকৰ ঘৰতে কিছুদিন ৰ'লহি।

কিছুমান দিনৰ পিছত বি বৰুৱা আৰু মই শোভাৰাম বসাক লেনৰ ঘৰ এৰি দি ১৪ নম্বৰ গোপীলেনৰ ঘৰ এটালৈ উঠি গলোঁ। মোৰ গৃহিণীকো তেওঁলোকৰ জোড়াসাঁকোৰ ঘৰ ৬ নম্বৰ দ্বাৰকানাথ ঠাকুৰৰ লেনৰপৰা তালৈ লৈ আহিলোঁ। গোপীকৃষ্ণ পালৰ লেনৰ আমাৰ ঘৰটো দুমহলীয়া আৰু ডাঙৰ আছিল। তাত দুকীয়া দুটা ফাল বা বিভাগ আছিল। ৰাজবাটৰ ফালে সমুখৰ ফালটোত বি. বৰুৱা আৰু ভিতৰ ফালে আমি থাকিবলৈ ললোঁ। আমাৰ খোৱা-বোৱা একেলগে চলিল। ইতিমধ্যত মহীনাৰায়ণ বৰাক মনোহৰ ষ্টেশ্যনত থাকি কাম কৰিবলৈ পঠোৱা হ'ল। মোৰ কাৰ্য্য হ'ল কলিকতাৰ ফালে ব্যৱসায়ৰ সকলো কাম দেখা। মাজে মাজে অৱশ্যে বি. এন. আৰ লাইনত থকা আমাৰ ব্যৱসায়ৰ ষ্টেশ্যনবোৰলৈকো মই গৈছিলোঁ। বি বৰুৱাই লাইনৰ ফালে সকলোবোৰ ঠাইত ঘূৰি ফুৰিবলৈ ধৰিলে। দিনে দিনে আমাৰ ব্যৱসায়ে ঠন ধৰি আহিবলৈ ধৰিলে।

মই কলিকতাৰ "ঠাকুৰবাৰীত" বিয়া কৰাইছিলোঁ। খুব সম্ভৱ এই বাবেই কলিকতাৰ অভিজাত শ্ৰেণীৰ সৰহ ভাগ লোকৰ ঘৰ-দুৱাৰ মোলৈ মুকলি হৈছিল। অনেকৰে সৈতে মোৰ ভালকৈ চিনা-পৰিচয়ো হৈছিল আৰু তেওঁলোকৰপৰা মই আদৰ-সাদৰো পাইছিলোঁ। বি. বৰুৱাই মোক তেওঁৰ নিজা ভাযেক বুলি সকলো ঠাইতে চিনাকি দিছিল। প্ৰথমডোখৰত সেই কথাকে যদিও মোৰ অলপ-অচৰপ খোকোজা লাগিছিল, তাৰ পিছত সেইটো মোৰ সহজ হৈ গ'ল আৰু মযো সেই সম্বন্ধকে ভালকৈ মানি চলিবলৈ ধৰিলোঁ। সেই সূত্ৰতে ওপৰত কোৱা অভিজাত শ্ৰেণীৰ দুৱাৰো তেওঁলৈকো মুকলি হৈ পৰিল। ব্যৱসায়ৰ সম্পৰ্কত বা মানুহক এনেই দেখা-শুনা কৰা সম্পৰ্কত আমি দুয়ো সদায় একেলগে ফুৰিছিলোঁ। কলিকতাৰ নিমতলাও কাঠৰ গোলাবোৰৰ ঘাই ঠাই। সেই গোলাবোৰৰ সৰহ ভাগেই তেতিয়া কাঠৰ ব্যৱসায়ী গিৰীশচন্দ্ৰ বোসৰ তলতীয়া আছিল। বাস্তৱিকতে চেগুণ কাঠৰ ব্যৱসায়ত

গিৰীশ বাবু তেতিয়া একছত্ৰী ক্ষমতাশালী ৰজা আছিল বুলিলে বঢ়াই কোৱা নহয়। গিৰীশ বাবুৰ দিহা আৰু পৰামৰ্শ আনবোৰ কাঠৰ ব্যৱসায়ীযে মানি চলিছিল। গিৰীশ বাবুই প্ৰথমতে কলিকতাৰ সুপ্ৰসিদ্ধ তাৰকানাথ প্ৰামাণিকৰ পুতেক কালীকৃষ্ণ প্ৰামাণিকৰ "ফাৰ্মত" সামান্য চাকৰি কৰিছিল। তাৰ পাছত লাহে লাহে সুকীয়াকৈ নিজৰ বুদ্ধি আৰু কপালৰ বলত তেনে অৱস্থা পাইছিলগৈ। বি বৰুৱাই তেওঁৰ সৈতে চিনাকি হৈ লৈ, তেওঁৰ সম্পৰ্কতে অলপ-অচৰপ কাঠৰ ব্যৱসাযত হাত দিলে। বি. বৰুৱা আৰু তেওঁৰ লগত মই গিৰীশ বাবুৰ কাষত গিৰীশবাবুৰ কাঠৰ গোলাত বহিছিলোঁগৈ। বি বৰুৱাই মোক গিৰীশ বাবুৰ আগত তেওঁৰ নিজা ভাযেক বুলি পৰিচিত কৰিছিল। শ্ৰীযুত কালীকৃষ্ণ প্ৰামাণিকেৰে সৈতেও আমাৰ ভালকৈ চিনাকি হৈছিল। প্ৰামাণিক আন আন ব্যৱসায়ৰ লগতে জাহাজ মেৰামত কৰা "ডক্" এটা হাওড়াত আছিল। "ডক্"টোৰ নাম কেলিডনিযা ডক্ (Caledonia Dock)। ডকৰ মেনেজাৰ বৰ চাহাবজন য়ুৰোপীয়। এছিষ্টেণ্ট মেনেজাৰ আছিল এজন বাঙ্গালী, তেওঁৰ নাম বাবু অতুলকৃষ্ণ ঘোষ। অতুল বাবুৰ নিচিনা ওখ মনৰ অমাযিক আৰু পৰোপকাৰী মানুহ বিৰল। কলিকতাৰ সুবিখ্যাত "গাইনোকোলজিষ্ট আৰু ধাত্ৰী-বিদ্যাত অপ্ৰতিদ্বন্দী ডাক্তৰ ছাৰ কেদাৰনাথ দাস (যাৰ অলপতে মৃত্যু হ'ল) অতুল বাবুৰ নিজা ভাগিনিযেক আছিল। অচিৰতে অতুল বাবুৰ সৈতে আমাৰ ঘনিষ্ঠ বন্ধুত্ব সংঘটিত হ'ল। সুবিধা পালেই মই কেলিডনিয়া ডকলৈ গৈ অতুল বাবুৰ কাষত বহি তেওঁৰে সৈতে কথাবাৰ্তা পাতি আনন্দ উপভোগ কৰিছিলোঁ আৰু বি বৰুৱাও কলিকতালৈ আহিলেই আমি দুয়ো লগলাগি গৈছিলোঁ। বুঢ়া কালীকৃষ্ণ প্ৰামাণিক আৰু তেওঁৰ তিনি পুতেক আশুতোষ, প্ৰমথ আৰু মন্মথ প্ৰামাণিকৰে সৈতেও আমাৰ বন্ধুত্ব হৈছিল। মাজে মাজে আমি কালীকৃষ্ণ প্ৰামাণিকৰ ঘৰলৈ গৈছিলোঁ। তেওঁলোকৰ প্ৰকাণ্ড ঘৰ কলিকতাৰ কাসাৰী-পাড়াৰ বাৰাণসী ঘোষৰ ষ্ট্ৰীটত। কালীকৃষ্ণ প্ৰামাণিকৰ মোৰ প্ৰতি কথাবাৰ্তা বৰ স্নেহসূচক আছিল। তেৰেঁ৷ জানিছিল যে ভোলানাথ আৰু লক্ষ্মীনাথ দুয়ো ককাযেক ভাযেক। প্ৰামাণিকেৰে সৈতে আমাৰ অলপ-অচৰপ ব্যৱসায়ৰ সম্পৰ্ক লগাই লোৱা হ'ল।

আমাৰ প্ৰথমডোখৰ ব্যৱসায়-জীৱনৰ পাঁচ বছৰমানলৈকে, কলিকতাত আমাৰ নিজৰ গাড়ী, ঘোঁৰা আৰু কেৰাণী-মহৰীৰ অস্তিত্ব সমূলি নাছিল। আমি "নিতাই গোৰ দুইভাযে" নিতৌ ট্ৰেমগাড়ীত বা পদব্ৰজে ফুৰিছিলোঁ। দুয়ো সকলোবোৰ ঠাইলৈকে একেলগে গৈছিলোঁ। বি বৰুৱাৰ গাত থাকী কোট (ডিঙ্গি নোখোলা) আৰু পট্‌লং, মূৰত ক'লা বা ছাই-ৰঙণীয়া টুপী এটা, হাতত ছাতি এটা আৰু মোৰ মূৰৰ পৰা ভৰিলৈকে পুৰা য়ুৰোপীয সাজ। বি. বৰুৱাই ট্ৰেনৰপৰা নামি পদব্ৰজৰ আশ্ৰয় ললেই তেওঁৰ মুখত এই গানটো ওলাইছিল—

চল ৰে মন যাই ৰে কাশী
বাবা বিশ্বনাথকে দেখে আসি।

কাশী গেলে দেখতে পাব,
কত শত যোগী ঋষি।

মানুহক নানা কৌশলেৰে বশ কৰা বিদ্যাত বি বৰুৱা বৰ পটু আছিল। বেঙ্গল টিম্বাৰ ট্ৰেডিং কোম্পানীৰ ফৰেষ্ট মেনেজাৰ আছিল মিষ্টাৰ হুইফিন্ (F D Whiffin)। তেওঁৰ হেড্ কোৱাৰ্টাৰ আছিল বি. এন্ আৰৰ ৰঘুনাথ পালী বা পানপোছ ষ্টেশ্যনত। তাত হুইফিন বৰ চাহাব আৰু ছোট চাহাব ৰাইট্ (C. H. Write) আৰু দুই-চাৰিজন য়ুৰোপীয় এছিষ্টেণ্ট। হুইফিন্ "আমীৰী মিজাজ"ৰ চাহাব আছিল। টকাটো ভঙাবলৈ দিলে, তাত যদি খুচুৰা পইচা থাকে, আনকি বাৰ আনাও, তেওঁ সেইবোৰ নুচুই তাতে এৰি থৈ সিকিটো লৈ গুচি আহিছিল। তেওঁৰ এই স্বভাৱৰ সুবিধা তেওঁৰ চাকৰ-নাকৰ আৰু কেৰাণী বাবু সকলে নলৈ নেৰিছিল। পানপোছাত তেওঁ থকা ঘৰ আৰু টোলটো তেওঁ ৰম্যপুৰী কৰি ৰাখিছিল। বিলিয়াৰ্ড খেলা টেবুলকে আদি কৰি সকলোবোৰ বিলাতী খেলাৰ আহিলা-পাতি তেওঁ তাত ৰাখিছিল। সততে বঙালী য়ুৰোপীয়সকলৰ ভোজ আৰু নৃত্য চলিছিল। টোলৰ ভিতৰতে সৰু-সুৰা "জুৱলজিকেল গাৰ্ডেন" অৰ্থাৎ বনৰীয়া জীৱজন্তু ৰখা "চিৰিযাখানা" তেওঁ কৰিছিল। কলিকতাৰ জাৰ্দ্দিন স্কিনাৰ কোম্পানী (Zardine Skinner & Co), বেঙ্গল টিম্বাৰ কোম্পানীৰ মেনেজিং এজেণ্টছ্" কলিকতাৰ হেড্ অফিচত বেঙ্গল টিম্বাৰৰ বৰ চাহাব আছিল ষ্টুৱাৰ্ড (G. R. Steward)। বি বৰুৱাই লাহে লাহে হুইফিন চাহাবক সন্তুষ্ট কৰি বেঙ্গল টিম্বাৰৰ তলত ঠিকাদাৰ হৈ বেঙ্গল টিম্বাৰত স্লিপাৰ যোগাবলৈ বন্দবস্ত কৰিলে। 'ফাইনেঞ্চ' (Finance) অৰ্থাৎ জঙ্ঘল লোৱা আৰু স্লিপাৰ কটোৱা প্ৰভৃতি সকলো খৰচ বেঙ্গল টিম্বাৰে সপ্তাহে বি বৰুৱা কোম্পানীক দিবলৈ ধৰিলে। চন্দননগৰ নিবাসী বাবু বটুকৃষ্ণ পাল নামেৰে বঙ্গালী এজনে বি এন. আৰ লাইনত ঠিকাদাৰী কৰি কিছুদিন স্লিপাৰৰ কাম কৰি আছিল। তেওঁক বি বৰুৱা কোম্পানীৰ তলত ঠিকাদাৰ (sub-contractor) কৰি লোৱা হ'ল আৰু বি. বৰুৱা কোম্পানীযে "ফাইনেঞ্চ" কৰিবলৈ ধৰিলে। বটুবাবু কৰ্মক্ষম আৰু উপযুক্ত ব্যৱসায়ী মানুহ আছিল। তেওঁক পাই আমাৰ কামৰ বৰ সুবিধা হ'ল। মুঠতে বেঙ্গল টিম্বাৰে আমাক "ফাইনেঞ্চ" কৰে আৰু আমি বটু বাবুক আৰু আন আন সৰু সৰু ঠিকাদাৰবোৰক 'ফাইনেঞ্চ" কৰোঁ আৰু সেইদৰে সংগ্ৰহ কৰি পোৱা স্লিপাৰ বেঙ্গল টিম্বাৰক যোগাওঁ। এনে প্ৰণালীৰে কাম চলি আমাৰ ব্যৱসায় বাঢ়ি আহিবলৈ ধৰিলে। গাংপুৰ এখন "ফিউডেটোৰি ষ্টেট"। গাংপুৰৰ ৰজাৰে সৈতে ভালকৈ চিনাকি হৈ বন্ধুতা কৰি, বি বৰুৱাই তেওঁৰ ষ্টেটত শাল কাঠৰ ভাল জঙ্ঘল এখন বন্দবস্ত কৰি ললে। বটু বাবুক সেই জঙ্ঘলত কাম কৰিবলৈ দিয়া হ'ল। বি বৰুৱা বি এন. আৰ লাইনত দিনে-ৰাতিয়ে টাকুৰী ঘূৰাদি ঘূৰিবলৈ ধৰিলে। মই ঘাইকৈ, কলিকতাৰ য়ুৰোপীয় আৰু দেশী ব্যৱসায়ীসকলৰ "ফাৰ্ম্ম"বোৰত ঘূৰিবলৈ ধৰিলোঁ। জাৰ্দ্দিন কোম্পানীৰ অফিচলৈ যোৱাটো মোৰ দৈনিক কাম আছিল। দুপৰীয়া একমান বজাৰপৰা কাঠৰ ব্যৱসায় কৰোঁতা দেশী

মহাজনবোৰ জানিদনৰ বেঙ্গল টিম্বাৰ অফিচত গোট খায়গৈ। বিপিনবিহাৰী দাস তাৰ হেড্ বাবু আছিল। বিপিন বাবুৰ অফিচৰ খোঁটালীটোত বিপিন বাবুক বেঢ়ি সকলোবোৰ বহিছিল আৰু তাত কাঠ নামৰ ৰাজ-ভগনৰ কথাৰ পৰা আৰম্ভ কৰি কলথোকা বাদুলীযে খোৱাৰ শাৰীৰ সকলো চৰ্চা চলিছিল। বিপিন বাবুৰ কাষৰ "আড্ডা" তিনিমান বজাত ভাঙি আমি "গিলেণ্ডৰ আৰবুথনট কোম্পানী"ৰ কাঠৰ ডিপাৰ্টমেণ্টত বহিছিলোঁগৈ। তাৰ বৰ বাবু আছিল ক্ষেত্ৰ বাবু। তেওঁৰ ওচৰত কিন্তু বিপিন বাবুৰ কাষত হোৱাৰ নিচিনা "মজলিছ" নজমিছিল। অৱশ্যে কিছু দূৰ যে নহৈছিল এনে নহয়, কিন্তু সিমান সৰহ নহৈছিল। তাৰ পিছত জঞ্জ হেণ্ডেছন, মেকেঞ্জি লায়েল, ইত্যাদি কোম্পানীৰ অফিচলৈ গৈ, আমি পাঁচমান বজাত ঘৰাঘৰি গৈছিলোঁহক। তেতিয়াও বি বৰুৱা কোম্পানীৰ নিজৰ নিজৰ গাড়ী-ঘোঁৰা নাছিল, কলিকতাৰ অফিচ নিজৰ থকা ঘৰতে আৰু আৰু অফিচ কেৰাণী-মহৰী-বিবৰ্জ্জিত।

দুবছৰমান আমি গোপীকৃষ্ণ পালৰ লেনত থকাৰ পিছত আমি তাৰপৰা বলৰাম দেৰ ষ্ট্ৰীটৰ ঘৰ এটালৈ উঠি গলোঁ। কলিকতাৰ আমাৰ হেড্ অফিচৰ হিচাপ-কিতাপ ৰখা আৰু আন আন সৰু-বৰ সকলো কাম অকল মোৰ দ্বাৰাই সম্পাদিত হৈছিল। পানপোছৰ বৰ চাহাব হুইফিন্ আৰু তেওঁৰ এছিষ্টেণ্টবোৰলৈ, আন কি হুইফিন্ চাহাবৰ হেড্ ক্লাৰ্ক বাবু শ্যামলাল বানুজ্জীলৈকো, সততে ফল আৰু শাক-পাচলিৰ "ডালি" কলিকতাৰপৰা পঠোৱা হৈছিল। মই ট্ৰেমত উঠি নিউ মাৰ্কেট নাইবা বৰবজাৰৰ পোণ্ট বজাৰলৈ গৈ, কি খৰালি কি বাৰিষা, ৰাশি ফল আৰু শাক-পাচলি কিনি কুলীৰ হতুৱাই পাচিত ভৰোৱাই ওপৰত থৈলা দি সিয়াই, তাৰ ওপৰত নিজ হাতে নাম লিখি, কুলীৰ মূৰত তুলি দি, কুলীৰ লগতে খোজ কাঢ়ি গৈ হাওড়া ষ্টেশ্যনত "বুক" কৰি দি ঘৰলৈ আহিছিলোঁ। এনে কাৰ্য্য মাহেকত মই দহ-বাৰ বাৰ কৰিছিলোঁ। একো একোদিনা সেই কাৰ্য্য কৰিবলৈ পুৱাই ওলাই গৈ, আবেলি তিনি-মান বজাতহে মই ঘৰলৈ উভতি আহিছিলোঁ। বি এন আৰৰ মুখীয়াল ফিৰিঙ্গি বা য়ুৰোপীয়ান কৰ্ম্মচাৰীসকললৈকো বি বৰুৱাৰ আদেশমতে এনে "বাস্কেট" পঠোৱা হৈছিল। বৰদিন অৰ্থাৎ খ্ৰীষ্টমাচৰ সময়তে সেইটো বৃহৎ ব্যাপাৰ হৈ উঠিছিল। নিউ মাৰ্কেটৰ "কেক্", ফল আৰু কবি আদি শাক-পাচলিৰ "বাস্কেট" পঠোৱাৰ অন্ত নাছিল। এইবোৰ কাৰ্য্য মই অতি আনন্দ মনেৰে আৰু অদম্য উৎসাহেৰে কৰি গৈছিলোঁ, কাৰণ মোৰ দৃঢ় ধাৰণা হৈছিল যে এইবোৰ আমাৰ ব্যৱসায গঢ়ি ডাঙৰ কৰিবৰ নিমিত্তে অত্যাৱশ্যকীয়। আকৌ কওঁ, মোক এইবোৰ কাৰ্য্যত সহায় কৰিবলৈ কেৰাণী বা চাপ্ৰাচী এটাও তেতিয়া কলিকতাত আমাৰ নাছিল। কম খৰচতে যাতে আমাৰ ব্যৱসায় চলে সেইটোৱেই মোৰ প্ৰধান ইচ্ছা।

অনেকে জানে আৰু বঙ্গদেশত প্ৰত্যেক শিক্ষিত পৰিয়ালৰ মানুহে জানে যে মোৰ সহধৰ্ম্মিণী ৰন্ধন-বিদ্যাত পৰিপক্ক। সৰুৰেপৰা সেই কাৰ্য্যলৈ তেওঁৰ মনৰ ঢাল। নতুন মাল-মছলাৰ সংযোগ-বিয়োগ কৰি তেওঁ সেইকালত অনেক ৰন্ধন-প্ৰণালী

উদ্ভাৱন কৰিছিল। তেওঁ যেতিয়া আমাৰ গোপীকৃষ্ণ পালৰ লেনৰ ঘৰলৈ আহিল, স্বভাৱতে আমাৰ খোৱা-লোৱাৰ উন্নতি শ্ৰেষ্ঠৰপৰা শ্ৰেষ্ঠতম হৈ পৰিবলগৈ। যদিও আমাৰ সাধাৰণ ৰকমৰ ভাত-ৰান্ধনি এটা আছিল, তাকে হাতত লৈ, তেওঁ দিনৌ ইংৰাজী আৰু দেশী ৰন্ধা-বঢ়াৰ সুখাদ্য আহাৰ প্ৰস্তুত কৰিবলৈ ধৰিলে। বি. বৰুৱাই সুবিধা দেখি, আমাৰ ব্যৱসায়ৰ সম্পৰ্কীয় বন্ধুলোকসকলক নিমন্ত্ৰণ কৰি আমাৰ ঘৰত খুৱাই সন্তোষ প্ৰদান কৰিবলৈ ধৰিলে। আমাৰ ছাৰ-কণ্ট্ৰেক্টৰ বাবু আৰু তেওঁৰ কাৰ্য্যকাৰসকলৰ ভুৰি-ভোজন মাহেকত তিনি-চাৰিবাৰকৈ আমাৰ ঘৰত চলিছিল। মুঠতে কলিকতাত আমাৰ ব্যৱসায়ৰ সম্পৰ্কত মোৰ গৃহিণী সুপকাৰ; আৰু মযেই ছোট চাহাব, মযেই মেনেজাৰ, মযেই একাউণ্টেণ্ট, মযেই কেৰাণী ইত্যাদি। অৰ্থাৎ বঙ্গলা ভাষাত কবৰ দৰে "জুতো সেলাই থেকে চণ্ডীপাঠ পৰ্য্যন্ত।" এদিনলৈকে তেনে কাৰ্য্যত মোৰ আৰু মোৰ গৃহিণীৰ মনত বিৰক্তিৰ ভাব নুপজিছিল। তাৰ কাৰণ, বি. বৰুৱা আমাৰ নিবহ-নিপানী ভাই, তেওঁৰ ব্যৱসায়েই আমাৰ ব্যৱসায, তেওঁৰ মঙ্গলেই আমাৰ মঙ্গল। মুঠতে, ভোলানাথ আৰু লক্ষ্মীনাথ হৰি-হৰ আত্মা। বাস্তৱিকতে ব্যৱসায়ত অসমীয়াৰ নাম কলিকতাৰ ফালে সৰ্ব্বতোভাৱে যাতে ডাঙৰ হৈ উঠে, এযেই আছিল মোৰ মনৰ প্ৰবল আকাঙ্ক্ষা।

ওপৰত গাংপুৰৰ ৰজাৰ কথা উল্লেখ কৰি আহিছোঁ। সেই কালত এই ফালৰ উড়িযা ৰজাবোৰ ইংৰাজ আমোলৰ সভ্যতাৰ হিচাপৰ ঢাপত সিমানকৈ উঠা নাছিল। তেওঁ-লোকৰ যদিও ইংৰাজ আৰু ঘাইকৈ বঙ্গালীক অনুকৰণ কৰিবলৈ চেষ্টা দেখা গৈছিল, তথাপি তেওঁলোক অনেক তলত পৰি আছিল। আজি-কালি অৱশ্যে সেই অৱস্থাৰ সলনি হৈ আহিছে। গাংপুৰৰ ৰজাৰে সৈতে যেতিযা আমাৰ জনা-শুনা হ'ল আৰু তেওঁৰ ষ্টেটৰ জঙ্ঘলত আমাৰ কাম চলিল ৰজাক আৰু তেওঁৰ পুতেকহঁতক তেওঁ-লোকৰ লগৰীযা দল-বলেৰে সৈতে বি বৰুৱাৰ ইচ্ছা, ৰজাক ভালকৈ বশ কৰাটো আৰু ৰজাক ৰাজকুমাৰবোৰেৰে সৈতে বৰ্তমান প্ৰণালীৰ সভ্যতা শিকোৱা। সেই কাৰ্য্যৰ ভাৰ মোৰ আৰু মোৰ গৃহিণীৰ গাত পৰিছিল। মোৰ গৃহিণী ৰান্ধনি-ঘৰত আৰু মই বাহিৰত। আমি প্ৰাণ টাকি অতিথি-সেৱা কৰিছিলোঁহঁক। ৰজাৰ পুতেক এজাক। ৰজাৰ বৰপুতেক, মাজু পুতেক, বৰমাজু, সৰুমাজু ইত্যাদি। বৰপুতেক যুৱৰাজ "টিকাযেৎ" বোলা হৈছিল। তাৰ পিছত এজন এজনকৈ এনে-বোৰ নাম যথা—"মাজুনন্দ", "ভুলকুনন্দ" ইত্যাদি অনেক "নন্দ"। মূৰত গুণাৰ বন-কৰা মখমলৰ টুপী, গাত গুণাৰ বন-কৰা মখমলৰ চোলা আৰু ঠেঙাৰে সৈতে ৰজাই সন্তানবৃন্দেৰে পৰিবৃত হৈ যেতিযা প্ৰথমতে আমাৰ গোপীকৃষ্ণ পালৰ লেনৰ ঘৰত প্ৰৱেশ কৰিলেহি, আমাৰ ওচৰ-চুবুৰীয়া বঙ্গালীসকলে উদগ্ৰীৱ হৈ আমাৰ ঘৰৰ ফালে দৃষ্টিপাত কৰিবলৈ ধৰিলে। তেওঁলোকৰ গৃহৰ অঙ্গনাসকলে ঘৰৰ খিড়িকীৰ জিলমিলি ঘনে ঘনে মেলি আৰু জপাই, জপাই আৰু মেলি জুমি জুমি নেত্ৰপাত কৰিবলৈ ধৰিলে। ল'ৰা-ছোৱালীৰ ভিতৰৰ ডাঙৰবোৰে সৰুবোৰক এইদৰে কোৱা মোৰ কাণত পৰিছিল, "আৰে ভাই পচা! দেখছিস্ না এটা যাত্ৰাৰ দল।

আজকে এদেৰ বাড়ীতে যাত্রা হবে। হৈ হৈ ব্যাপাৰ বৈ বৈ কাণ্ড হবে। আজ ৰাত্রে দেখা যাবে এখন।"

এই সকলোবোৰকে খুৱাই-বুৱাই মই লগত লৈ দিনৌ কলিকতাত দেখুৱাবলগীয়া ঠাইবোৰ দেখুৱাই ফুৰিছিলোঁ। বছৰি এনেকুৱা "উৎসৱ" তিনি-চাৰি বাৰকৈ সম্পাদিত হৈছিল।

"Out of evil cometh good" বুলি এষাৰ ইংৰাজী প্ৰচলন আছে। গৃহিণীৰ বিশাল বিপুল ৰন্ধন-কাৰ্য্যৰপৰা এটা ডাঙৰ উপকাৰ হ'ল। তেওঁৰ দ্বাৰাই "আমিষ ও নিৰামিষ আহাৰ" নামৰ বৰ তিনি "ভলিউম" অৰ্থাৎ তিনিখণ্ড বন্ধা-বঢ়াৰ কিতাপ ৰচিত হ'ল। আজিও গোটেই বঙ্গদেশত সেই কিতাপ প্ৰচলিত। তাৰ আগেযে তেনে কিতাপ বঙ্গদেশত নাছিল বুলিলেই হয়। তাৰ আগতে বিপ্ৰদাস মুখুজ্জী নামেৰে এজনে "পাক-প্ৰণালী" নামেৰে সৰু কিতাপ এখন ৰচনা কৰিছিল যদিও "আমিষ ও নিৰামিষ" কিতাপেৰে সেইখনৰ তুলনাই নহয়।

আমি গোপীকৃষ্ণ পাল লেনৰ ঘৰত থাকোঁতেই, আমেৰিকাৰপৰা ডাক্তৰ গোপালচন্দ্ৰ বেজবৰুৱা ( Dr G C. Bezbaroa ) আহি আমাৰ লগতে কিছুদিন আছিল। তাৰ পিছত তেওঁ S S Mersey নামৰ জাহাজত, কলিকতাৰ গাৰ্ডেন ৰিচপৰপৰা কুলীৰ তত্ত্বাৱধায়ক ডাক্তৰস্বৰূপে কুলী লৈ আকৌ আমেৰিকালৈ যায। প্ৰায এবছৰ কি ডেৰ বছৰৰ মূৰতহে তেওঁ বিলাতেদি ঘূৰি আকৌ আমাৰ ঘৰলৈ আহে। অৱশ্যে তেতিয়া আমি গোপীকৃষ্ণ পাল লেনৰ ঘৰত থকা নাছিলোঁ। তাৰপৰা ২৭ নম্বৰ বলৰাম দে ষ্ট্ৰীটৰ ঘৰ এটালৈ উঠি আহি, তাতে এবছৰমান থাকি হাওডালৈ উঠি গলোঁ।

## ।। সপ্তম অধ্যায় ।।

গোপীকৃষ্ণ পাল লেনৰ ঘৰৰপৰা আমি বলৰাম দে ষ্ট্ৰীটৰ ঘৰ এটালৈ উঠি গলোঁ। এইটো ঘৰও আহল-বহল আৰু ডাঙৰ আছিল। তাত থাকোঁতে আমি সৰু গাড়ী এখন আৰু ঘোঁৰা এটা কিনি ললোঁ; নিজৰ গাড়ীত উঠি অফিচলৈ যোৱা আৰু অহা তলৈ গৈ গা ঘেলোৱাত মনটোত কেনে সুত লাগি যায় তাৰ সোৱাদ মই লবলৈ পালোঁ। মই প্ৰথমদিনা গাড়ীত উঠি যাওঁতে কচোৱানটোৱে যেতিয়া মূৰত ডাঙৰ পাগুৰি মাৰি আৰু পাগুৰিটোৰ আগফালে গাড়ীৰ গৰাকীৰ নাম থকা পিতলৰ বৰ আখৰ লগাই, দীঘল চাপকনচোলা আৰু ঠেঙা পিন্ধি হাতত চাবুক লৈ ঘোঁৰা চলাইছিল আৰু চহিচটোৱে গাড়ীৰ পিছফালে হাকোটাত ধৰি থিয় হৈ, তেনেকুৱা পিতলৰ বৰ আখৰ পাগুৰিত লগাই, গাত কোট, ক'কালত ছালৰ কমৰবন্ধ মাৰি, তল-ডোখৰত খৰা পটলুং আৰু আঠুৰ তলৰপৰা সৰু গাঁঠিলৈকে কাপোৰৰ পটি বান্ধি "হেয ঐ চগৰৱাল। তফাৎ যাওঁ।" বুলি কলিকতাৰ বাটত মুহুমুৰ্হুৰ ৰিঙিয়াই গৈছিল, তেতিয়া মই মনত স্বৰ্গলৈ যোৱা জখলাটোৰ কোনটো ওখ চাপত উঠি আছিলোঁ, ক'ব নোৱাৰোঁ। বাটত যাওঁতে থাকি থাকি মোৰ মনত খেলাইছিল "চিনাকি মানুহ লগ নাপাওঁ কিয়?" মোৰ মনৰ প্ৰসন্নতাবৰ্দ্ধক গাড়ী-ঘোঁৰাৰ কিবা যে বৈশিষ্ট্য আছিল এনে নহয়, তেনে গাড়ী-ঘোঁৰা কলিকতাৰ বাটত হেজাৰ বিজাৰ ঘূৰি ফুৰিছে, ঘাইকৈ অফিচ অঞ্চলত।

ক'বলৈ থাকি আহিল যে আমি গোপীকৃষ্ণ পাল লেনত থাকোঁতেই মোৰ প্ৰথমজনী ছোৱালী হয়। তাইৰ নাম থোৱা হৈছিল সুৰভি। সুৰভিৰ জন্মৰ কিছুদিনৰ আগতে মোৰ দেউতাৰ টান নৰিযাৰ কথা শুনি মোৰ গৃহিণীক তেওঁলোকৰ ঘাই ঘৰ জোড়াসাঁকোতে থৈ মই শিৱসাগৰলৈ গলোঁ। মই শিৱসাগৰত মাথোন দহ-বাৰদিনহে আছিলোঁ। এনেতে আমাৰ ব্যৱসাযৰ কোনো এটা জৰুৰী কামৰ নিমিত্তে শ্ৰীযুত ভোলানাথ বৰুৱাই মোক মাতি পঠিয়ায়। মই পিতৃদেৱতাক টেলিগ্ৰাফটো দেখুৱাই নৰিয়া-পাটীতে এৰি বিদায় লৈ কলিকতালৈ উভতি আহিলোঁ। মই গুচি অহাৰ পিছতে পিতৃদেৱতাই নাৰেৰে কমলাবাৰী সত্ৰলৈ গ'ল আৰু তাতে কিছুদিনৰ পাছতে ১৮৯৫ খ্ৰীষ্টাব্দৰ ২৭ মে' তাৰিখে পৰলোকলৈ প্ৰয়াণ কৰে।

তেওঁ নিজ গুৰুৰ থান পুণ্যভূমি কমলাবাৰী সত্ৰত প্ৰাণপৰিত্যাগ কৰিবৰ মনেৰেই তালৈ গৈছিল। তাতে তেওঁ যোগীজন-সুলভ ইচ্ছা মৃত্যুবৰণ কৰি তেওঁৰ নশ্বৰ দেহ পৰিত্যাগ কৰিলে। "Times of Assam" কাকতে তেওঁৰ মৃত্যুৰ বিষয়ে এইদৰে লেখিছিল:

His calmness and resignation to the will of God were, no doubt noble and pathetic in the presence of his Guru. When he saw the King of Terrors approach, he was all resignation to the divine will

and left this world in such a cheerful way as if he was going to visit a friend. He had his senses up to the last moment and performed all the rites that are necessary before the death of a devout Hindu. At last fixing his eyes towards Heaven he faintly repeated the prayer similar to "Unto Thy hands I commit my soul, for Thou hast redeemed me. O! Thou God of my salvation!" and then closed his eyes never to be opened again.

মোৰ গৃহিণী অকল ৰন্ধনবিদ্যাতে নহয়, চিত্ৰবিদ্যাতো নিপুণ। সেই কালত তেওঁ অনেক তৈল-চিত্ৰ ( oil painting ) আঁকিছিল। Portrait-painting অৰ্থাৎ মানুহৰ প্ৰতিকৃতি অঁকাতো তেওঁ নৈপুণ্য প্ৰকাশ কৰিছিল। পিতৃদেৱতাৰ ফটোগ্ৰাফ এখন চাই তাৰেপৰা পিতৃদেৱতাৰ এখন তৈলচিত্ৰ ( oil painting ) ডাঙৰকৈ (enlarge কৰি ) তেওঁ আঁকিছিল। সেই ছবিখন মই শিৱসাগৰলৈ যাওঁতে লগত লৈ গৈছিলো। পিতৃদেৱতাক বোৱাৰীয়েকৰ ভক্তি উপহাৰৰ চিন-স্বৰূপে এখন বহুমূলীয়া বেনাৰছী ছিক্ষৰ চুৰিয়াৰে সৈতে সেই ছবিখন দিছিলোঁ। সেই উপহাৰ পাই পিতৃদেৱতাই বৰ সন্তোষ মনেৰে বোৱাৰীয়েকক আশীৰ্বাদ দিবলৈ ধৰিলে। তেওঁ নৰিয়া গাৰেই গা ধুই উঠি সেই বেনাৰছী পাটৰ চুৰিয়াখন আনন্দেৰে পিন্ধি, আমাৰ গোসাঁইঘৰত নাম-প্ৰসঙ্গত বহিছিলগৈ। ছবিখন দেউতাই আমাৰ চ'ৰাঘৰৰ বৰ খুটা এটাত ভালকৈ অঁৰাই থোৱালে। সেই ছবিখন আজিলৈকে আমাৰ শিৱসাগৰৰ ঘৰত কিজানি আছে, কাৰণ আসাম সাহিত্য সম্মিলনীয়ে ১৮৫৩ শকৰ ১৩ পুহ, ইংৰাজী ১৯৩১ ডিচেম্বৰত মোক দিয়া অভিনন্দন-পত্ৰ লবলৈ যেতিয়া মই শিৱসাগৰলৈ গৈছিলোঁ তেতিয়াও সেইখন মই তাত দেখি আহিছিলোঁ।

পিতৃদেৱতাৰ মৃত্যু ১৮৯৫ খ্ৰীষ্টাব্দৰ ২৭ মেইত হয় বুলি ওপৰত মই কৈ আহিছোঁ। ঠিক তাৰ এমাহৰ পিছত অৰ্থাৎ জুনত, জোড়াসাঁকোৰ ঘৰতে সুৰভি ওপজে। মই অৱশ্যে তেতিয়া আসামৰপৰা কলিকতালৈ উভতি আহিছিলোঁ। সেই ছোৱালীটিয়েই মোৰ প্ৰথম কন্যা। নিজৰ ল'ৰা-ছোৱালীক আনৰ ল'ৰা-ছোৱালীতকৈ ভাল দেখাটো মানুহৰ স্বভাৱ। সেইদেখি যদি মই কওঁ যে মোৰ ছোৱালীটি দীপ্‌লিপ্‌ আছিল, সেই কথাৰ মূল্য নাই। কিন্তু দেখাতো দহে যদি তাকে কয়, তেন্তে সেই কথাটো উৰাই দিবৰ উপায় নাই। সেইবাবেই মই দহৰ লগত মিলি কওঁ যে, সেই সময়ত জোড়াসাঁকোৰ ঠাকুৰ পৰিবাৰৰ ভিতৰত আৰু তেওঁলোকৰ সম্পৰ্কীয় কলিকতাৰ আন আন ঠাইত থকা সকলৰ ভিতৰতো তেনে দীপ্‌লিপ্‌ ছোৱালী নাছিল। ঘাইকৈ সেই দেখিযেই সুৰভি সকলোৰে আতোল-তোল বস্তু হৈ মৰমৰ পাত্ৰ হৈ পৰিছিল। ঠিক পাঁচ বছৰ বয়সত সুৰভিৰ মৃত্যু হয়।

অলপ কালৰ ভিতৰতে তাই নিজৰ ৰূপৰ উপৰিও গুণৰ চিনাকি এনেকৈ দিছিল যে তাইক দেখাসকলে তাইৰ প্ৰতি বিশেষভাৱে আকৃষ্ট হৈছিল। তাইৰ তিনি-চাৰি বছৰ বয়সতে ইংৰাজী Nursery Rhyme-অৰ ডাঙৰ কিতাপ এখন তাই মুখস্থ কৰি

পেলাইছিল। তাৰ উপৰি আন আন অনেক ইংৰাজী কবিতা তাই পঢ়াৰ পিছত সুৰীৰ অনগ ল মাতি যাব পাৰিছিল। তাই "Twinkle, twinkle, little star" মাতোঁতে "টুৰ্ইনকোল্ টুৰ্ইনকোল্ লিটোল্ ষ্টাৰ মাতিছিল ; তথাপি, গোটেইটো কবিতা ক'তো খোকোজা নলগাকৈ মাতি গৈছিল। কোনো কাৰ্য্যৰ নিমিত্তে মানুহৰ শলাগ লওঁতে ইংৰাজীৰে "Thank you" বুলিবলৈ গৈ তাই "ফেঙ্ক ইউ" বুলিছিল। তথাপি সেই ভদ্ৰতাৰ কথাষাৰ তাই কেতিয়াও ব্যৱহাৰ কৰিবলৈ নাপাহৰিছিল। তাইৰ কথাবাৰ্তা অতি মিঠা আৰু বয়সীয়া মানুহৰ দৰে সঙ্গত ( sensible ) আছিল। ভয় নামৰ বস্তুটোৰে সৈতে তাইৰ চিনাকি একেবাৰে নহৈছিল। এদিন মোৰ সৈতে আৰি মাৰি সেইকণ ছোৱালীয়ে আমাৰ ঘৰৰ এটা ঘোৰ এন্ধাৰ খোঁটালীত পোন্ধাৰ মিনিট সোমাই আছিল। এবাৰলৈকে কোনো ভয়ৰ লক্ষণ প্ৰকাশ কৰা নাছিল। সেই খোঁটালীত এনে আন্ধাৰ যে দিনতে চাকি নহলে তাত সোমাব নোৱাৰি আৰু চাকি নোহোৱাকৈ সোমালে ডাঙৰ মানুহৰ গা চম্‌চমাই যায়। সুৰীভিয়ে মোৰে সৈতে সেই আঁৰিত জিকি মোৰপৰা এটকা বুপ ঘটিলে। বিধিৰ নিষ্ঠুৰ বিধানত তেনেজনী ছোৱালীক তাইৰ পাঁচ বছৰ বয়সতে মই হেৰুৱালোঁ। সুৰীভিয়ে আমাৰ গোটেই হিয়াখনি জুৰি আছিল। তাই আমাৰ হৃদয় চুৰ্ণ-বিচুৰ্ণ কৰি আমাক এৰি গুচি গ'ল। তাইৰ গঢ়-গতি দেখি সদায় মোৰ মনত চেৰাই আছিল—যে এনেজনী ছোৱালী এই পৃথিৱীত থাকিলে হয়। সুৰীভি জীয়াই থকাহেঁতেন আজি তাইৰ ৪১ বছৰ বয়স হ'লহেঁতেন। সুৰীভিৰ মৃত্যুত ঠাকুৰ পৰিয়ালৰ আৰু তেওঁলোকৰ সকলো বন্ধু-বান্ধৱৰ মুখ ক'লা পৰি গ'ল। সকলোৰে মনৰ ওপৰত যেন বিষাদৰ ক'লা কাপোৰ এখন পৰি গ'ল। মোৰ শাল্‌পতি শ্ৰীযুত আশুতোষ চৌধুৰী ( পিছত হাইকোৰ্টৰ জজ স্যৰ আশুতোষ ) ইমান গম্ভীৰ প্ৰকৃতিৰ মানুহ আছিল যে সুৰীভিৰ মৃত্যুৰ বাৰ্তা শুনি তেওঁৰো চকুৰেদি সৰ্‌সৰ্ কৰে লো বৈ যাবলৈ ধৰিলে। মুঠতে সুৰীভি আছিল a poem এটি কবিতা।

এদিন পুৱা দেখিলোঁ, সুৰীভিয়ে সেপ ঢুকিব নোৱাৰা হৈছে। তেতিয়াই ডাক্তৰক মাতি আনিলোঁ। ডাক্তৰে ডিঙিটো পৰীক্ষা কৰি চাই ক'লে ডিপ্থিৰিয়া ৰোগ হৈছে। তেতিয়াই দৰব-পাতিৰ ব্যৱস্থা হ'ল। সেই কালত ডিপ্থিৰিয়া ৰোগৰ দৰব এণ্টিটক্সিন যে ওলোৱা নাছিল এনে নহয়, কিন্তু আমি যিজন ডাক্তৰক আমাৰ ঘৰুৱা চিকিৎসক ( family physician ) কৰি ৰাখিছিলোঁ, তেওঁ নজনাৰ বাবেই হওক বা পাহৰাৰ বাবেই হওক, সেই দৰবটো আনি ব্যৱহাৰ কৰা নহ'ল। মই আৰু মোৰ গৃহিণীয়েও তেতিয়া সেইটোৰ সম্ভেদ নাজানিছিলোঁ। সেই একেদিনৰ ভিতৰতে নৰিয়া দোপত-দোপে বাঢ়িবলৈ ধৰিলে। মই নিৰুপায় হৈ আবেলি সুৰীভিক লৈ জোড়াসাঁকোলৈ গলোঁ। মোৰ আজিও মনত আছে, বাটত গাড়ীত যাওঁতে সুৰীভি মোৰ কোলাতে ঘোঁৰাৰ ফালে মুখ কৰি বহিছিল। গঙ্গাৰ পুল ( Howrah Bridge ) পাৰ হওঁতেই, তাই মোক ক'লে, "দেউতা, মই সমুখৰ ফালে বহোঁগৈ; তুমি বেযা নাপাবা; মোৰ গাত চেঁচা বতাহ লাগিছে" এই বুলি তাই উঠি গৈ মোৰ ফালে মুখ কৰি সমুখৰ

আসনতে বহিলগৈ। তাই অৱশ্যে হিন্দী ভাষাত মোক সেই কথা কৈছিল, কাৰণ হিন্দী আৰু অলপ ইংৰাজীৰ বাহিৰে তাই আন ভাষা নাজানিছিল। সেইডোখৰ কালত মই সম্পূৰ্ণ চাহাবী ৰোগগ্ৰস্ত আছিলোঁ, সেইদেখি হিন্দুস্থানী আয়া ৰাখি সুৰভিক সেই আয়াৰ হাতত দি হিন্দুস্থানী ভাষা শিকোৱাই কোৱাই আত্ম-প্ৰসাদ লাভ কৰিছিলোঁ। যাওক সেই কথা।

সেই ৰাতিযেই জোড়াসাঁকোতে সেই সোণৰ প্ৰতিমাটি হেৰুৱালোঁ। জীৱনত প্ৰথমতে আমি এই দাৰুণ শোক পালোঁ। মাকৰ আৰু মোৰ হিয়া ভাগি টুকুৰাটুকুৰ হ'ল। ৰাতি শৱটো কোনে নি নিমতলা ঘাটত পুৰিলেগৈ আজিলৈকে মই ক'ব নোৱাৰোঁ, কাৰণ মোৰ তেতিয়া একপ্ৰকাৰ অজ্ঞান অৱস্থা। সুৰভিক যমৰ বুকুত দি পিছদিনা পুৱাই আমি দুয়ো জোড়াসাঁকোৰপৰা আমাৰ হাওড়াৰ শূন্য ঘৰলৈ উভতি আহিলোঁ। আমাৰ মনৰ অৱস্থা বৰ্ণনাতীত।

এই পৰিবৰ্ত্তনশীল জগতত কোনো বস্তুৱেই সদায় উগ্ৰ হৈ নাথাকে। ইংৰাজীত ক'বৰ দৰে "Time is a great healer"। লাহে লাহে আমি অনেকখিনি স্বাভাৱিক অৱস্থাত পৰিলোঁহি। ভগৱদগীতা মোৰ জীৱনৰ সম্বল হ'ল। ঘাইকৈ গীতাৰ দ্বিতীয় অধ্যায়ৰ অষ্টাবিংশ শ্লোকটোৱে মোৰ মনটো ভালেখিনি থিৰ কৰিলে। শ্লোকটো—

অব্যক্তাদীনি ভূতানি ব্যক্তমধ্যানি ভাৰত।
অব্যক্তনিধনান্যেব তত্ৰ কা পৰিদেৱনা॥
অৰ্থাৎ প্ৰাণীবোৰ আদিতে অব্যক্ত;
মাথোন মাজতে ব্যক্ত অৰ্থাৎ প্ৰকাশিত,
আৰু মৰি গলেও আকৌ অব্যক্ত হয়।
এতেকে তাৰ নিমিত্তে শোক কিয়?

পূজনীয় ৺সত্যেন্দ্ৰনাথ ঠাকুৰৰ (ভাৰতীয়ৰ ভিতৰত প্ৰথম I.C.S. চিভিলিয়ান) জীয়েক শ্ৰদ্ধাস্পদা শ্ৰীমতী ইন্দিৰা দেৱীয়ে (বি, এ,), 'মই তলত তুলি দিয়া এই কবিতাটো সুৰভিৰ মৃত্যুত ৰচনা কৰি আমালৈ পঠিয়াই দিছিল—

সুৰভি ছিল তোমাৰ নাম,
তাই বুঝি ফুলেৰ মতন
সৌৰভ কৰিয়া বিতৰণ
দুদিনে ত্যজিলে মৰ্ত্ত্যধাম।
সে সৌৰভ চিৰদিন-ৰাত
ৰহিল মোদেৰ এই ঘৰে,
তুমি থাক দেৱতাৰ তৰে,
অমৰ অমল পাৰিজাত।

শ্ৰীইন্দিৰা দেৱী

সেই কালত আমি সম্বলপুৰত মাজে মাজে ফুৰিবলৈ আহিছিলোঁ। সম্বলপুৰৰ গৱৰ্ণমেণ্ট উকীল শ্ৰদ্ধাস্পদ ৺যোগেন্দ্ৰনাথ সেন এম, এ, বি, এল্ আৰু তেওঁৰ শিক্ষিতা

সহধৰ্ম্মিণী কবি আৰু গ্ৰন্থকত্ৰী ৺সৰোজ কুমাৰী দেৱী আমাৰ বৰ বন্ধু আছিল। সেইদেখি তেওঁলোকৰ অনুৰোধত মাজে মাজে আমি সম্বলপুৰত ফুৰিবলৈ আহি তেওঁলোকৰ ঘৰতে আলহী হৈছিলোহঁক। মই সম্বলপুৰত ব্যৱসায়ৰ সম্পৰ্কে বসতি কৰিবলৈ অহাৰ এইটো অনেক আগৰ কথা। সৰোজকুমাৰী দেৱীয়ে সুৰ্ৰভিক আগেয়ে দেখা নাছিল। মৃত্যুৰ পিছত সুৰ্ৰভিৰ ছবি এখন দেখি তেওঁ স্বইচ্ছাতে, তলত দিয়া কবিতাটো ৰচনা কৰি আমাক দিছিল।

চিত্ৰ-দৰ্শনে

সহসা বেসুৰো কৰি দুটি হৃদি-বীণা
কোন নন্দনেৰ বনে,
খেলিতে মলয়া সনে,
গিয়েছে সুৰভি মেয়ে ভুলিয়ে আপনা।
এসেছিল পথ ভুলে,
মা বাপেৰ স্নেহ-কোলে,
সহসা ভেঙ্গেছে মোৰ খেলাৰ বাসনা।
তাই সে গভীৰ ৰাতে
গেছে স্বৰগেৰ পথে,
ধৰাৰ বাঁধন খুলি স্নেহেৰ কামনা।
কবে এই ধৰা পৰে,
পাৰিজাত শোভা কৰে,
সুৰ্ৰভি কে লভে কোথা, এ যে শুধু ভুল।
ত্ৰিদিবেৰ শোভা-ৰাশি,
ধৰায় কে দেবে আসি,
দৰিদ্ৰ মানব বুকে আকাঙ্ক্ষা বিপুল।
সুখেৰ স্বপন-প্ৰায,
চকিতে মিলায় হায়,
শুধু ভেঙ্গে দিয়ে গেল দুটি হৃদিকুল।
স্বৰ্গেৰ সুৰভি সে যে সুৰভিৰ প্ৰায়।
মধুৰ সুবাস ধাৰা,
ঢালিয়া জগতে সাৰা,
চলে গেছে মুগ্ধ কৰি মানব হিয়ায়
সুৰ্ৰভি পৰশ কৰে,
কে কোথা পেয়েছে ভবে,
শুধু অনুভব কৰ শিৰায় শিৰায়।
স্মৃতিৰ নিৰালা ঘৰে,

জাগাইয়া অশ্রু থবে,
স্নেহ-মন্দাকিনী ধাবে সিঞ্চিও তাহায়।

—শ্ৰীসৰোজকুমাৰী দেৱী

কৃষ্ণনগৰৰ যদু পাল মাটিৰ মূৰ্ত্তি আৰু "পেৰিচ-প্লাষ্টৰ"ৰ মূৰ্ত্তি সজাত বৰ নিপুণ আছিল। তেওঁৰ হতুৱাই পেৰিচ প্লাষ্টৰেৰে মই সুৰভিৰ মূৰ্ত্তি ( bust ) এটা সজাইছিলোঁ। সুৰভিৰ ছবি এখন চাই যদু পালে সেই মূৰ্ত্তিটো সাজিছিল। মূৰ্ত্তিটো হুবহু হৈছিল। সেই মূৰ্ত্তিটো আজিও মোৰ চ'ৰাঘৰত ( বৈঠকখানাত ) আছে। মই বি, বৰুৱাৰ সৈতে হাওড়াৰ ডব্‌ছন ৰোডৰ ঘৰত থাকোঁতে, মন্দিৰৰ নিচিনা সৰু পকীঘৰ এটা সজাই সেই মূৰ্ত্তিটো তাতে থৈ দিছিলোঁ। মই যেতিয়া বি, বৰুৱাৰ লগৰপৰা ফাটি সুকীয়াকৈ ৰোজমেৰি লেনত ঘৰ এটা কিনি থাকিবলৈ আহিলোঁ, সেই মূৰ্ত্তিটো ডব্‌ছন ৰোডৰ ঘৰৰপৰা তালৈ লৈ আহিলোঁ, আৰু মই অহাৰ পিছতে সেই ক্ষুদ্ৰ মন্দিৰটো বি, বৰুৱাই ভঙাই মাটিৰে সৈতে সমান কৰি পেলালে।

## ॥ অষ্টম অধ্যায় ॥

মাণিকচন্দ্ৰ বৰুৱা কোম্পানীৰ ভোলানাথ বৰুৱাই গুৱাহাটী পৰিত্যাগ কৰি আহি কলিকতাত যে কাঠৰ ডাঙৰ ব্যৱসায় কৰিছে, সেই খবৰটো কণাকণি হৈ আসামত ওলালগৈ। শ্ৰীযুত মাণিকচন্দ্ৰ বৰুৱাৰ ব্যৱসায়ত শ্ৰীযুত ভোলানাথ বৰুৱা যদিও দেখা শুনাকৈ অংশীদাৰ ( partner ) নাছিল, তথাপি তেওঁ সেই কোম্পানীৰ সম্পৰ্কত থকা মানুহ, তেওঁৰ এতিয়া ধন হৈছে, সেইদেখি তেওঁক ধৰিব পাৰিলেই কোম্পানীৰ পাওনাদাৰসকলৰ টকা ওলাব, ইয়াক ঠাৱৰ কৰি, পাওনাদাৰসকলে শ্ৰীযুত ভোলানাথ বৰুৱাকো সাঙুৰি আদালতত টকা ডিগ্ৰিৰ কৰালে। শ্ৰীযুত মাণিকচন্দ্ৰ বৰুৱাৰ হাতত টকা নাই ; কিন্তু শ্ৰীযুত ভোলানাথ বৰুৱাৰ হাতত আছে ; কাৰণ ভোলানাথ বৰুৱাই কলিকতাত নকৈ ব্যৱসায় কৰি টকা-কড়ি কৰিছে ; এতেকে ডিগ্ৰিৰটো কলিকতালৈ "ট্ৰেন্সফাৰ" কৰি অৰ্থাৎ তুলি আনিব পাৰিলেই ভোলানাথ বৰুৱাৰপৰাই সমুদায় টকাটো উলিয়াই লব পৰা যাব, এই মতলব পাওনাদাৰবোৰে পাঙিবলৈ ধৰিলে। স্কেলেন ( Scallan ) নামৰ এংলো-ইণ্ডিয়ান এজনে সেই পাওনাদাৰবোৰৰ পৰা মাজতে কিছু টকা ঘটিবৰ মন কৰি এই বিষয়ত তৎপৰ হৈ উঠিল। স্কেলেন গুৱাহাটীলৈ গৈ সংবাদদাতা-স্বৰূপে ষ্টেট্‌ছমেন্ কাকতত এটা "পেৰেগ্ৰাফ" উলিয়ালে—তাত শ্ৰীযুত মাণিকচন্দ্ৰ বৰুৱাৰ দেনাৰ হিচাপ দি, শ্ৰীযুত ভোলানাথ বৰুৱাৰ নামটোও উল্লেখ কৰি দিলে। আসামত ৰাষ্ট্ৰ হৈ গ'ল যে ভোলানাথ বৰুৱাই মাণিকচন্দ্ৰ বৰুৱা কোম্পানীৰ টকা লৈ আহি, সেই কোম্পানীক "ফেল" কৰি, নিজে কলিকতাত ব্যৱসায় কৰিছেগৈ। বৰুৱা কোম্পানীৰ পৰা ভোলানাথ বৰুৱাই টকা লৈ আহিছিল নে নাই আৰু সেইবাবে সেই কোম্পানী ফেল হৈছিল নে নাই, এই বিষয়ে কোনো ভু মই নাপাইছিলোঁ আৰু লোৱাও নাছিলোঁ। আজিলৈকে সেই বিষয়ে মই একো নাজানোঁ আৰু জানিবৰ আকাঙ্ক্ষাও মোৰ হোৱা নাই। বি, বৰুৱাই সেই কথা অস্বীকাৰ কৰি নিজেই মোক যি কৈছিল সেয়ে মোৰ পক্ষে যথেষ্ট হৈছিল বুলি মই বিবেচনা কৰিছিলোঁ ; কাৰণ তেতিয়া তেওঁৰ ওপৰত মোৰ অগাধ বিশ্বাস ; তাৰ উপৰি তেওঁ মোৰ সহোদৰ ভাই স্থানীয়। তেওঁক মই যেনেকৈ দেখিছিলোঁ, তেনেকৈয়ে নিজৰ মানুহ যেন বিবেচনা কৰি সামৰি লৈছিলোঁ। তেওঁৰ সম্মান ৰক্ষা কৰাটোৰেই মোৰ প্ৰথম আৰু প্ৰধান কাৰ্য্য বুলি মই ভাবিছিলোঁ ; আৰু তাৰ অৰ্থে সততে মই যত্নশীল হৈ আছিলোঁ।

বি, বৰুৱা বেঙ্গল-নাগপুৰ লাইনৰপৰা মাজে মাজেহে কলিকতালৈ আহিছিল ; আৰু আহিলে এদিন বা দুদিনতকৈ সৰহ দিন নাথাকিছিল। কলিকতাৰ সকলোবোৰ কাৰ্য্য দেখাৰ ভাৰ আছিল মোৰ গাত। কলিকতাত সদায় তেওঁ একপ্ৰকাৰে মোৰ গাৰ আঁৰত থাকি চলিছিল। আমাৰ ব্যৱসায়ৰ সকলো টকা-কড়ি বেংকত মোৰ নামে থোৱা হৈছিল। কেইবাটাও বেংকত টকা থোৱা হৈছিল, যেনে—Credit de Lyons, National Bank, Calcutta Bank, Hindusthan Bank, Hongkong & Shanghai Banking Corporation, ইত্যাদি। ওপৰত নাম দিয়া গোটাদেক

বেঙ্কৰ অস্তিত্ব আজিকালি নাই। বেঙ্কৰ সকলোবোৰ কাৰ্য্যকে মই কৰিছিলোঁ। বি. বৰুৱাৰ অনুৰোধত মই মোৰ বেজবৰুৱা ( Bezbaroa ) উপাধিৰ বৰ্ণবিন্যাস ( spelling ) সলাই এল্. এন্. বি. বৰুৱা কৰিছিলোঁ, যেনে L. N. B. Boroah। বি. বৰুৱা সহোদৰ ভাইৰ বেজবৰুৱা উপাধি কেনেকৈ হ'ব ? এইটো প্ৰশ্ন যাতে ব্যৱসায়-ক্ষেত্ৰত নুঠে আৰু যাতে আমাক জনাশুনা বঙ্গালী আৰু য়ুৰোপীয়সকলৰ যাতে মনত কোনো সন্দেহ নোপজে, তাৰ দিহা এইদৰে কৰা হৈছিল। মই ব্যৱসায় সম্পৰ্কে কাকত-পত্ৰত প্ৰথমতে L. N. Boroah & Co. চহী কৰিবলৈ ধৰিলোঁ। মোৰ শহুৰৰ ঘৰৰ নিতান্ত আপোন মানুহ কেইজনৰ বাহিৰে, আনে নাজানিছিল যে শ্ৰীযুত ভোলানাথ বৰুৱাৰ সৈতে মোৰ বস্তুৰ সম্পৰ্ক নাই। শহুৰৰ ঘৰৰ সেই-সকলে আমাৰ দুইৰো ভিতৰত তেনে মিলা-প্ৰীতি আৰু চেনেহৰ ব্যৱহাৰ দেখি ভিতৰি সন্তোষ পাই বৰ আনন্দ প্ৰকাশ কৰিছিল। বি বৰুৱাই অকল আচৰণেই নহয়, মুখৰ কথাৰেও সকলোৰে আগত তাকে সম্পূৰ্ণ ৰূপে সমৰ্থন কৰি চলিছিল। আন কি, Jardini Skinner Company-ৰ পৰা আৰম্ভ কৰি সকলোৱে আমাৰ দুয়োৰে ভিতৰত সম্পৰ্কটো তেনেকুৱা বুলিহে থিৰাংকৈ জানিছিল। বি. টি টি কোম্পানীৰ কলিকতা অফিচৰ বৰচাহাব মিষ্টাৰ জে. আৰ. ষ্টুৱাৰ্ট ( J. R. Stewart ) দেখা হলেই মোক সুধিছিল, "How is your brother? When is he coming to Calcutta?" ইত্যাদি। কতবাৰ ব্যৱসায়-ক্ষেত্ৰত বি. বৰুৱাই নিজ মুখেৰেই কোৱা মই শুনিছিলোঁ—"আমি দুই ভাইহে মাথোন।"

আমি গোপীকৃষ্ণ পালৰ লেনত আৰু বলৰাম দে ষ্ট্ৰীটত থাকোঁতে, আন কি হাওড়াত ঘৰ কিনি লৈ থাকোঁতে, তাতো প্ৰথমডোখৰত বি বৰুৱাই আসামৰপৰা অহা, তেওঁৰ সম্পৰ্ক থকা বা নথকা কোনো অসমীয়া মানুহেৰে সৈতে দেখা নকৰিছিল, আন কি তেওঁক বিচাৰি আমাৰ ঘৰলৈ সেই মানুহ আহিলেও তেওঁ দেখা নিদিছিল। তেওঁৰ ককাইদেৱেক শ্ৰীযুত হেমকান্ত বৰুৱা আমি বলৰাম দে ষ্ট্ৰীটত থাকোঁতে দুবাৰ নগাঁৱৰপৰা তেওঁক চাবলৈ আহিছিল। বি. বৰুৱাই তেওঁক দেখা নিদি মোৰ হতুৱাই কলিকতাৰ কালীঘাটত থোৱাই, কথাবাৰ্ত্তা কোৱাই অলপ ধন-বিত দিয়াই ওভতাই পঠিয়াই দিছিল। হেমকান্ত বৰুৱাৰ পুতেক তেওঁৰ নিজা ভতিজা-সকলৰ প্ৰতিও তেওঁ কলিকতাত তেনে আচৰণকে কৰিছিল। সকলো সময়তে তেওঁ মোৰ আঁৰত থাকি, দুৰৰপৰা মোৰ হতুৱাই তেনেকুৱা সকলো লেঠা মৰাই চলিছিল। মোৰ লাভৰ ভিতৰত, তেওঁৰ বংশৰ সকলোৱে ভাবিছিল যে মহা স্বাৰ্থপৰ মহা ধূৰ্ত্তং এই লক্ষ্মীনাথ বেজবৰুৱাৰ কুপৰামৰ্শ শুনিহে ভোলানাথ বৰুৱাই তেওঁলোকেৰে সৈতে তেনে ব্যৱহাৰ কৰিছিল। ঈশ্বৰ সাক্ষী, মই সমূলি নিৰ্দ্দোষী আছিলোঁ। বৰং মই তেওঁৰ তেনে কাৰ্য্যত, তেওঁৰ নিৰ্দ্দেশ অনুযায়ি চলিবলগীয়া হোৱাত বৰ আহুকাল আৰু অস্বস্তিহে অনুভৱ কৰিছিলোঁ। আসামৰপৰা কলিকতালৈ অহা প্ৰায় সকলোবোৰ মানুহৰ প্ৰতি, ঘাইকৈ গুৱাহাটীৰ, তেওঁৰ ব্যৱহাৰ তেনেকুৱাই আছিল। এক মাথোন ব্যতিক্ৰম ঘটিছিল শ্ৰীযুত বলিনাৰায়ণ বৰাৰ ভায়েক হৰ-

নাৰায়ণ বৰাৰ আৰু আন দুজন-এজনৰ বৌলিকা। তেওঁ তেনেকৈ চলাৰ আচল কাৰণটো যদিও তেওঁ নানা কৌশলেৰে ঢাকি থবলৈ চেষ্টা কৰিছিল, তথাপি যে মই বুজা নাছিলোঁ এনে নহয়। বুজিও, মোৰ অতি বুদ্ধিৰে সেই জ্ঞানৰ ওপৰত মুৰ্খতাৰ বৰকাপোৰ এখন দি তাক ঢাকি থৈ পোন পটিয়েদি ভাবি-মহা সুখ লভিছিলোঁ যে যদিও সেইটোও এটা কাৰণ, তথাপি ঘাই কাৰণটো হৈছে—মোৰ প্ৰতি তেওঁৰ প্ৰগাঢ় ভ্ৰাতৃস্নেহ নামৰ প্ৰেমৰ প্ৰেৰণাত, সেই প্ৰেৰণাৰ চালনাত তেওঁ নিজ বংশৰ নিজা মানুহকো বিসৰ্জন দি সেইদৰে চলিছে। কোনোবাই যদি এইখিনিতে মোক লাহেকৈ সোধে—"বেজ-বৰুৱাদেও, মুৰ্খ গছত লাগেনে ?" মই তেওঁক নমস্কাৰ জনাই কম, 'গছত নেলাগে দেও। কলিকতাৰ কলেজত লেখা-পঢ়া শিকি পণ্ডিত হৈ সেইজন তেওঁৰ আগতে থিয় দি আছে; আৰু সেইজনৰ নাম লক্ষ্মীনাথ বেজবৰুৱা।" মুঠতে, বিষ্ণুশৰ্মা পণ্ডিতৰ সগোত্ৰ লক্ষ্মীনাথ শৰ্মা নামৰ পণ্ডিতজন তেতিয়া সপ্তম স্বৰ্গত উঠি বহি আছিল।

ওপৰত কৈ আহিছোঁ যে কালীকৃষ্ণ প্ৰামাণিকৰ কেলেডনীয়া ডকৰ এছিষ্টেণ্ট মেনেজাৰ বাবু অতুলকৃষ্ণ ঘোষেৰে সৈতে আমাৰ, বিশেষকৈ মোৰ খুব বন্ধুত্ব হৈছিল আৰু সেই বন্ধুত্বই প্ৰীতিত পৰিণত হৈছিলগৈ। তেওঁ কেনে ওখ মনৰ আৰু উদাৰ প্ৰকৃতিৰ মানুহ আছিল, সেইটোৰো উল্লেখ ওপৰত কৰি আহিছোঁ। এদিন গধুলি শ্ৰীযুত ভোলানাথ বৰুৱা আৰু মই আমাৰ ঘৰৰ গাড়ীত উঠি, মোৰ স্ত্ৰী সুৰভিক লগত লৈ অতুল বাবুৰ সৈতে দেখা কৰিবলৈ তেওঁৰ হাওড়াৰ ঘৰলৈ গৈছিলোঁ। হাওড়াত কেলেডনীযা ডকৰ ওচৰত অতুল বৰাৰ ঘৰ। বি. বৰুৱাক সুৰভিয়ে "জেঠা" বুলি মাতিছিল। অতুল বাবু যেতিয়া আমাৰ ঘনিষ্ঠৰূপে বন্ধু হ'ল, সুৰভিয়ে তেওঁকো "হাওড়াৰ জেঠা" বুলি সম্বন্ধ ধৰি মাতিবলৈ ধৰিলে। অতুল বাবুৱে সুৰভিক বৰ মৰম কৰিছিল। সেইদিনা আমি অতুল বাবুৰ ঘৰত কিছুপৰ থাকি তেওঁৰ সৈতে কথা-বাৰ্ত্তা পাতি অঁতাই, পদুলিমুখত ৰৈ থকা আমাৰ গাড়ীত যেতিয়া উঠিবলৈ গলোঁ, অতুল বাবুৱেও আগ বঢাই থবলৈ লগতে আহিছিল। আমি ঠিক গাড়ীত উঠিবলৈ গৈছোঁ, এনেতে হঠাৎ সুৰভিয়ে অতুল বাবুক কলে "দেখ, হাওড়াৰ জেঠা! হাওড়াটা আমাৰ ভাল লাগে। কলকাতা আৰ ভাল লাগছে না। তোমাৰ বাড়ীৰ কাছেই আমাদেৰ জন্য একটা বাড়ী কিনে নাও; আমাৰা হাওড়াৰ চলে আস্‌ব।" সেই চাৰি বছৰীয়া ছোৱালীজনীৰ কথা শুনি অতুল বাবু অবাক্ হ'ল। আমিও আচৰিত মানিলোঁ। অতুল বাবুৱে তাইৰ গালত হাত ফুৰাই মৰম কৰি কলে, "মা, আমি নিশ্চয় বল্‌ছি, আমাৰ বাড়ীৰ কাছেই একটা বাড়ী ঠিক কৰে দিব। দিন থাতেকেৰ মধ্যেই।" আমি গাড়ীত উঠি গুচি আহিলোঁ। বাটত আহোঁতে বি. বৰুৱাই সুৰভিক সুধিলে, "হঠাৎ সেইদৰে অতুল বাবুক কবলৈ তোমাৰ মনত কেনেকৈ খেলালে ?"

সুৰভিয়ে একো উত্তৰ নিদি মিচিক্ কৰে হাঁহি মনে মনে থাকিল।

অতুল বাবু হাওড়াত প্ৰতিপত্তিশালী ( influential ) আৰু জনপ্ৰিয় মানুহ

আছিল। কি য়ুৰোপীয, কি ভাৰতীয় সকলোৱে তেওঁক শ্ৰদ্ধা কৰিছিল আৰু ভাল পাইছিল। সঁচাকৈয়ে সাদিনৰ ভিতৰতে তেওঁ আমালৈ ৩৭ নম্বৰ ডবছন ৰোডৰ ঘৰটো ঠিক কৰিলে। প্ৰায় আঢ়ৈ “একৰ” মাটিৰ সৈতে ডাঙৰ টোলেৰে সৈতে এক-মহলীয়া ঘৰটো দেখি আমাৰ বৰ মন খালে। ঘৰটো ডিক্সন (Mrs. Dickson) নামৰ এজনা মহিলাৰ। বাৰ হেজাৰ টকাত ঘৰটো কিনি লোৱা হ'ল। বি. বৰুৱাৰ নামতে দলীল লেখা হ'ল। সেইটো ঘাইকৈ মোৰ ইঙ্গিত। কাৰণ বি. বৰুৱা আমাৰ ভিতৰত মুখ্য মানুহ আৰু মোৰ “বৰ ভাই” আৰু বি বৰুৱাও মই, মষেই বি. বৰুৱা। অবিবাহিত বি. বৰুৱাৰ মোৰ বাহিৰেতো আৰু কোনো নাই। এই ভাবেই তেতিয়া মোৰ গোটেইটো মন লোণত আচাৰৰ নেমুটেঙাটো খৰাই থোৱাদি খৰাই থৈছিল।

ঘৰটো কিনা হলতে মই লৰালৰিকৈ গোটেইটো ঘৰ ভালকৈ মেৰামত কৰাই, চুণ-কাম কৰাই, বৰণ দিয়াই ধুনীয়া কৰি পেলালোঁ। এমাহৰ ভিতৰতে কলিকতাৰ বলৰাম দে ষ্ট্ৰীটৰ ঘৰ এৰি আমি তালৈ আহিলোঁহক। ১৯00 খ্ৰীষ্টাব্দৰ এপ্ৰিল মাহত মানুহ-বিহুৰ দিনা তাত আদি ব্ৰহ্ম সমাজৰ আচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ বিদ্যাৰত্নৰ হতুৱাই উপাসনা কৰাই বন্ধু-বান্ধবেৰে সৈতে গৃহপ্ৰবেশ উৎসৱ সমাপন কৰিলোঁ। তাৰ পিছত দিনকদিনে ঘৰটো আৰু তাৰ চাৰিওফালে ইটাৰ বেৰ (compound wall), চাকৰ-নাকৰৰ ঘৰ, খোঁৰা-গাড়ীৰ ঘৰ, বহল বাট-পথ ফটক (gate) ইত্যাদিবোৰ কৰোৱাত লাগি গলোঁ। তিনি মাহৰ ভিতৰতে সি ৰম্যপুৰী হৈ উঠিল। compound wall-অৰ ভিতৰতে সৰু পুখুৰী এটা আছিল, সেইটো পোতালোঁ। টেনিচ খেলিবলৈ “লনটেনিচ গ্ৰাউণ্ড” কৰালোঁ, দুকাষে বহিবলৈ বগা শিলৰ বেঞ্চ পতালোঁ। ফুল আৰু ফুলৰ বাগিচা কৰি জকমকীয়া কৰি পেলালোঁ। তাৰ এবছৰৰ পিছতে ঘৰটো দুমহলীয়া কৰি তাৰ আৰু উন্নতি সাধন কৰিলোঁ। সমুখতে মুকলি ঠাইত আৰু পকীঘৰ এটা সজালোঁ, তাত বিলিয়াৰ্ড টেবুল থৈ বিলিয়াৰ্ড খেলিবৰ দিহা কৰিবৰ মনেৰে। মই তেতিয়া সদায় ইণ্ডিয়া ক্লাবত বিলিয়াৰ্ড খেলিছিলোঁগৈ। সেই দেখি নিজৰ ঘৰতে বন্ধু-বান্ধবেৰে সৈতে সেই হেপাহ পলুৱাবৰ নিমিত্তে অতুল বাবুৰ পৰামৰ্শমতে সেই বিলিয়াৰ্ডৰ ঘৰটো সজোৱা হৈছিল। কিন্তু সেই ঘৰত আৰু বিলিয়াৰ্ড টেবুল নুঠিল আৰু মোৰো সুহৃদবৰ অতুল বাবুৰো তাত বিলিয়াৰ্ড খেলা নহ'ল। আজিও হাওড়াত যি সেই ডবছন ৰোডৰ ঘৰটো দেখিছে সি বুজিব বাৰ হেজাৰ টকাত কিনা সেই ঘৰটোৰ কি উন্নতি কৰি মই তাক প্ৰায় লাখ টকা বেচৰ সম্পত্তি কৰি থৈ আহিছিলোঁ। কোনো ঠিকাদাৰৰ হাতত মই ঘৰটোৰ বিষয়ে কোনো কাৰ্য্যকে দিয়া নাছিলোঁ। ৰ'দ-বতাহ মুৰত লৈ মই দিনে-ৰাতিয়ে পৰিশ্ৰম কৰি সেই কাৰ্য্য আনন্দ মনেৰে সমাপন কৰি তুলিছিলোঁ। আজিলৈকে সেই ঘৰৰ গাত, বাহিৰে-ভিতৰে, যি সৌন্দৰ্য্য বা দেখনিয়াৰ বস্তু আছে, সেই সকলোবোৰতে মোৰ হাতৰ এই পাঁচোটা আঙুলিৰ সাঁচ আছে আৰু গোটেইটো ঘৰ ভাঙি চুৰ্মাৰ নকৰালৈকে সেই সাঁচ নমৰে।

## ॥ নবম অধ্যায় ॥

১৯০০ খ্ৰীষ্টাব্দৰ ১৭ নবেম্বৰত কলিকতাৰ জোড়াসাঁকোৰ ঘৰত মোৰ দ্বিতীয়জনী জোৱালী শ্ৰীমতী অৰুণাৰ জন্ম হয়। সুৰভি তেতিয়া তাতে আছিল। অৰুণাৰ জন্মৰ পিছদিনা পুৱা মই জোড়াসাঁকোলৈ গলতে, লৰি আহি সুৰভিয়ে মোক কলে, —"চোৱাচোন দেউতা, ইয়াত সকলোৱে মোৰ ভনীটিক ক'লা বুলিছে। তুমি চাই যোৱাহি, তাই ক'লা নহয়; মাথোন মোতকৈ অলপ কম বগা! মই এই কথাকে লৈ আজি পুৱাৰেপৰা সকলোৰে সৈতে দ্বন্দ কৰি ফুৰিছোঁ"। মই সুৰভিৰ গালত হাত ফুৰাই মৰমকৈ তাইক কলোঁ, "মই চামগৈ এতিয়াই। আই তুমি বেজাৰ নেপাবা, তোমাৰ ভনীটি কেতিয়াও ক'লা হ'ব নোৱাৰে।"

অৰুণা ওপজাৰ ওঠৰ দিনৰ দিনা ৰাতি ৪ ডিচেম্বৰত সুৰভিয়ে আমাক শোক-সাগৰত বুৰাই চিৰকাললৈ এৰি থৈ গুচি গ'ল।

ইংৰাজীত এটা কথা আছে, Nothing succeeds like success অৰ্থাৎ সিদ্ধিয়ে সিদ্ধিৰ পিছ লয়। এইদৰে কলে বঢ়াই কোৱা নহব যে আমাৰ ব্যৱসায় ন জোনৰ দৰে কলা কলাকৈ দিনৌ বাঢ়ি আহিবলৈ ধৰিলে। কলিকতাত কাঠৰ ব্যৱসায় কৰোঁতা দেশী মানুহৰ ভিতৰত কি মাৰোৱাৰি কি বঙালী আমাৰ ঠাই মুখচ চো চা হ'লগৈ। বাবু গিৰীশবোসৰ কথা ওপৰত উনুকিয়াই আহিছোঁ। কলিকতাত কাঠৰ ব্যৱসায় কৰোঁতা সকলৰ ভিতৰত তেওঁৰ ঠাই তেতিয়া টিঙত আছিল। এতিয়া তেওঁকো আমি ঢুকি পাওঁ পাওঁ যেন হলোঁগৈ। ইংৰাজী ফাৰ্ম্ম জাৰ্দ্দিন স্কীনৰ কোম্পানীৰ ঘৰত আমাৰ প্ৰতিপত্তি দেখি গিৰীশ বাবুৰ বুক কঁপি উঠিল। বৰ্মা যুদ্ধৰ সময়ত ক্ৰোড়পতি হোৱা মাৰোৱাৰী ভগৱান দাস বগলা তেতিয়া জীয়াই নাছিল। তেওঁৰ ফাৰ্মৰো আগৰ প্ৰতিপত্তি কমি গৈছিল। চিমনলাল গেন্ধেৰীৱাল, মতিলাল ৰাধাকিষণ প্ৰভৃতি মাৰোৱাৰী ফাৰ্ম্মো বি. বৰুৱা কোম্পানীৰ কাষত হাত পাতিবলগীয়া অৱস্থাত পৰিলহি। কালীকৃষ্ণ প্ৰামাণিকৰ ফাৰ্ম্মৰো চাল তেতিয়া ভাটী বয়সৰ ফালে। ঈশ্বৰৰ অনুগ্ৰহত যেতিয়া আমাৰ ফাৰ্ম্মে এনে সৌভাগ্যৰ অৱস্থাৰ ফালে বাট ল'লে আমি দুয়ো পৰামৰ্শ কৰিলোঁ যে ব্যৱসায়ত, বিশেষকৈ চেগুণ কাঠৰ ব্যৱসায়ত বিশেষ পাৰদৰ্শী আৰু সকলো বিষয়তে অভিজ্ঞ আৰু সকলোৰে শ্ৰদ্ধা আকৰ্ষণ কৰোঁতা বাবু অতুলকৃষ্ণ ঘোষক—যাৰ বিষয়ে আগেয়ে কৈ আহিছোঁ—যদি আমাৰ ফাৰ্মলৈ আমি আনি লব পাৰোঁ তেন্তে সোণত সুৱগা হোৱাদি হব; আৰু কলিকতাত আমাক কোনেও বলে নোৱাৰে। ইযাক থিৰ কৰি মই অতুল বাবুৰ কাণত আমাৰ মনৰ কথাটো লাহে লাহে কুহুলিযাবলৈ ধৰিলোঁ। আগেয়ে কৈ আহিছোঁ যে মই অতুল বাবুৰ বিশেষভাৱে ভালপোৱাৰ পাত্ৰ হৈ পৰিছিলোঁ। ভোলানাথ, লক্ষ্মীনাথ এই "দুই ভাই"ৰ ওপৰত তেওঁৰ শ্ৰদ্ধা আৰু বিশ্বাসো বাঢ়ি আহিছিল। তেওঁ ভাবি-চিন্তি আমাৰ লগলৈ আহিবলৈকে সন্মত হ'ল। কালীকৃষ্ণ প্ৰামাণিকৰ ব্যৱসায়ো

তেতিয়া পাব অহাৰ ফালে। সেই দেখি আমাৰ প্ৰস্তাৱত সম্মত হ'বলৈ অতুল বাবুৰ বিশেষ বাধা নাছিল ; কিন্তু তেওঁ চিৰকাল কালীকৃষ্ণ প্ৰামাণিকৰ চাউল খাই আহিছে ; সেই দেখি তেওঁলোকৰ খোলা মনেৰে দিয়া অনুমতি পোৱাটো তেওঁ অতি আৱশ্যকীয় বিবেচনা কৰিলে। কালীকৃষ্ণ প্ৰামাণিক আৰু তেওঁৰ পুতেকেকেইজন আমাৰো পৰম বন্ধু। সেই নিমিত্তে আমিও তেওঁলোকৰ অনুমতিসাপেক্ষ হলোঁহক। বুঢ়া কালীকৃষ্ণ প্ৰামাণিক বৰ উদাৰ মনৰ মানুহ আছিল। নৈষ্ঠিক হিন্দুৰ সকলো কাৰ্য্যকলাপ আৰু আচৰণত তেওঁৰ প্ৰগাঢ় অনুৰাগ আছিল। দেৱদ্বিজত তেওঁৰ অচলা ভক্তি। তেওঁৰ পিতৃদেৱতা তাৰকানাথ প্ৰামাণিকে নিজৰ ঘৰত এখন কাপোৰ পাতি তাৰ ওপৰত এক লক্ষ নিমন্ত্ৰিত ব্ৰাহ্মণৰ পদধূলি পেলোৱাই লৈ গোটাই সেই পদধূলি সোণৰ টেমা এটাৰ ভিতৰত ভৰাই থৈছিল আৰু সি তেওঁলোকৰ ঘৰত বহুমূলীয়া বস্তু বিবেচিত হৈ আজিও আছে। সেই ব্ৰাহ্মণৰ পদধূলি সকলো অশুভ বিধ্বংসকাৰী পৰম মঙ্গলময় বুলি তেওঁলোকে আজিও ভাবে। তেওঁৰ পুতেক-কেইজনো উদাৰ মনৰ মানুহ আৰু সম্পূৰ্ণ ভদ্ৰ আছিল। তাৰ উপৰি তেওঁলোকে তেওঁলোকৰ বিস্তৃত ব্যৱসায় সামৰি আনি সৰু কৰিবৰ মনো কৰিছিল। সেই দেখি অতুল বাবুক এৰি দিয়াত আৰু বিশেষকৈ আমাৰ লগলৈ এৰি দিয়াত, তেওঁলোকৰ বিশেষ আপত্তিৰ কাৰণ নোলাল। তেওঁলোকে আনন্দ মনেৰে অতুল বাবুক আমাৰ লগলৈ আহিবলৈ এৰি দিলে। অতুল বাবু আমাৰ লগলৈ অহাৰ কিছুদিনৰ আগেয়ে তেওঁলোকৰ চেগুণ কাঠৰ ব্যৱসায় বিভাগত থকা বাবু কিশোৰীমোহন সিংহ আমাৰ লগলৈ আহিছিল। কিশোৰী বাবু কাঠৰ ব্যৱসায আৰু হিচাপ-পত্ৰৰ কিতাপ দস্তুৰ মতে ৰখাত বৰ নিপুণ আছিল। তেওঁক পাই আমাৰ সন্তোষৰ জোখ বাঢ়ি গ'ল।

বি, এন্, আৰ্, লাইনত কৰা আমাৰ শালকাঠৰ ব্যৱসায়ৰ বিস্তৃতি আৰু বিপুলতা বুজিব পাৰি তাৰ সাদিনীয়া ( weekly ) খৰচৰ টকাৰ হিচাপ শুনিলে। প্ৰত্যেক সপ্তাহতে মই কলিকতাৰপৰা তালৈ দহপোন্ধৰ হেজাৰৰ পৰা পঁচিশ-ত্ৰিশ হেজাৰলৈকে টকা পাঠিয়াইছিলোঁ। সাধাৰণতে আমাৰ কেৰাণী বা বিশ্বাসী চাপ্ৰাচীয়ে এই টকা লৈ গৈছিল। সৰহকৈ পঠাবৰ হলে মই নিজে সেই টকা লৈ গৈছিলোঁ। জঙ্গলৰ কাম গৱৰ্ণমেণ্ট-কৰেঞ্চি নোটেৰে নচলে। তেতিয়াও নচলিছিল, আজিও আনকি এই সম্বলপুৰতে নচলে। নোট ভঙাই টকা, আধলি, সিকি, আদমহীয়া আৰু পইচা কৰি নপঠিয়ালে কাম অচল ; কাৰণ অশিক্ষিত জঙ্গলী কৰতীয়া, গাৰোৱান আৰু কুলীয়ে নোটৰ মূল্য নুবুজে। সপ্তাহে সপ্তাহে দহ পোন্ধৰ হেজাৰ টকা ভঙাই লৈ গৈ ব্যৱসায় ক্ষেত্ৰত যোগোৱাটো কি মস্কিলৰ কথা, যাৰ সেইটো দেখা-শুনাৰ জ্ঞান নাথাকে সি ভালকৈ বুজিব নোৱাৰে। তাৰ উপৰি বেলত চোৰ-ডকাইতৰ ভীষণ ভয় আজিকালি যেনেকৈ আছে, তেতিয়াও আছিল ; বৰং বেছিকৈহে। মই লগত এটিও জনপ্ৰাণী নোলোৱাকৈ, অৱশ্যে খৰচৰ ভয়ত ব্যয়-সংকোচ (economy) কৰি মাহেকত দুবাৰ তিনিবাৰকৈ সেইদৰে বি, এন্, আৰ, আমাৰ ব্যৱসায়ৰ ক্ষেত্ৰলৈ

টকা লৈ গৈছিলোঁ। তেনে কাৰ্য্য কৰোতে দুবাৰ-এবাৰ যে মোৰ কোনো অঘটন ঘটা নাছিল, এনে নহয়, অৱশ্যে serious অৰ্থাৎ মাৰাত্মক বিধৰ নহয়। এবাৰ ১৯০২ খ্ৰীষ্টাব্দৰ মাৰ্চ্চ মাহৰ ৮ তাৰিখে মই কুৰি হেজাৰ টকা সেইদৰে লৈ যাওঁতে, ঝাড়-চোগোড়া ষ্টেচনত, য'ত মই নামিব লাগিছিল, নামিব নোৱাৰি ৰায়গড় ষ্টেচন পাইছিলোঁগৈ। ৰাতি একমান বজাত ৰেলগাড়ী তেতিয়া ঝাড়চোগোড়া ষ্টেচন পাইছিলগৈ। মই ওৰে দিনটো গাড়ীত গৈ ভাগৰি টোপনিত লালকাল হৈ পৰিছিলোঁ। গাড়ী কেতিয়া ঝাৰচোগোড়া পালেগৈ মোৰ গমকে নহ'ল। গাড়ীয়ে যেতিয়া ঝাৰ-চোগোড়া ষ্টেচন এৰি পোঁ কৰি দীঘলীয়া সুৰ ধৰি হুইচেল দিলে, তেতিয়াহে মোৰ টোপনি ভাগিল। মই থকৰ্-মকৰ্কৈ উঠি দেখিলোঁ, সৰ্ব্বনাশ। টকাৰ বাকচটোলৈ চাওঁ সি নিশ্বিৰ্ঘিনিৰে আগৰ ঠাইতে বহি থাকি যেন মোৰ মুখৰ ফালে চাই কাঠহাঁহি হাঁহি কৈছে,—"বান্ধৈ আজি পৰিল ফান্দত। থাকা নাক ঘোৰ্ঘোৰাই বেঞ্চৰ ওপৰত চিত-ভোলোঙা খাই শুই!" অশান্তি-ব্যৰ্থতাত মোৰ মানসিক কষ্টৰ সীমা নোহোৱা হ'ল। সিফালে ৰেল কোম্পানীক ফাকি দিবৰ মনেৰে "বুক" নকৰাকৈ লগতে এটা লোৰ পেৰাত (steel trunk) এপেৰা টকা। পেৰাটো টকাৰ ভৰত ইমান গধুৰ হৈছে যে, মই টানি-আজুৰি তাক লৰাব চৰাবকে নোৱাৰোঁ। নিৰুপায় হৈ ভাবি বহি আছোঁ। ডাকগাড়ী চেঁকুৰি গৈ গৈ পিছৰটো ষ্টেচন ৰায়গড়ত ৰ'লগৈ। ঝাৰ-চোগোড়াৰপৰা ৰায়গড়লৈ প্ৰায় দুঘণ্টামানৰ বাট। তাত পাঁচ মিনিটৰ বেছি গাড়ী নাথাকে। সিফালে ৰাতি তিনিমান বাজিছে। ষ্টেচনত কুলী নাই। মই মৰো জীওঁ সোঁ আধিকৈ প্ৰাণৰ কাতৰে বল দি টকাৰ পেৰাটো টানি-আজুৰি চোঁচোৰাই নি কোনোমতে প্লেটফৰ্মত পেলাই নামি পৰিলোঁ। ষ্টেচন মাষ্টৰজন বঙ্গালী। মই মোৰ দুখ নিবেদন কৰি তেওঁৰ শৰণাপন্ন হলত, মোৰ প্ৰতি তেওঁৰ দয়া সম্পজিল। মোক যেনেমতে ৰাতিৰ ভিতৰতে ঝাৰচোগোড়ালৈ উভতি যাবৰ দিহা কৰি দিবলৈ মই তেওঁক খাটনি ধৰিলোঁ। তেওঁ মোক আশ্বাস দি ক'লে, যে এঘণ্টামানৰ পিছতে মালগাড়ী এখন ঝাৰচোগোড়াৰ ফালে যাব। তেওঁ সেই গাড়ীৰ ফিৰিঙ্গী গাৰ্ডজনক কৈ তাতে মোক পঠিয়াই দিব আৰু কুলী এটাৰ হতুৱাই পেৰাটো মালগাড়ীতে মোৰ লগতে তোলাই দিব। সেইমতেই কাম হ'ল। পিছদিনা পুৱা আঠমান বজাতহে মই ঝাৰচোগোড়া ষ্টেচনত ওলাব পাৰিলোঁহি। ঝাৰচোগোড়া ষ্টেচনত নামিহে, মোৰ মূৰটো গলধনৰ ওপৰত থিয় হৈ আছে নে নাই খেপিয়াই চাই জানিলোঁ যে আছে। সেইবাবে ঈশ্বৰক ধন্যবাদ জ্ঞাপন কৰি থকা ঠাইলৈ খোজ ললোঁ। ৰায়গড় ষ্টেচনত তেতিয়া জন-প্ৰাণীৰ সমাগম বেছি নাছিল। ঝাৰচোগোড়া আৰু ৰায়গড়ৰ মাজৰ বাটডোখৰত মানুহতকৈ লক্ষ কোটি গুণে সৰহ হাবি-বনৰ বসতিহে আছিল। নিজান আন্ধাৰ ৰাতি কোনোবাই মোক সেইদৰে এপেৰা ৰূপ লৈ অকলে যোৱা-দেখি বাটতে ধৰি যদি টকাৰ লোভত "সি-কৰ্ম্ম" কৰিলেহেঁতেন, তেন্তে আজি চকীমেজত বহি জীৱন-সোঁৱৰণ লেখিবলৈ এই দুখীয়া অসমীয়া লক্ষ্মীনাথ বেজবৰুৱা বপুৱা আৰু নাথাকিলহেঁতেন।

মোৰ ডায়েৰী ( dairy ) লেখা অৰ্থাৎ জীৱন-কাৰ্য্যৰ দৈনিক সংক্ষিপ্ত বিৱৰণ লেখা অভ্যাস বৰ চেলেংপেতেং। তথাপি মোৰ পুৰণি ডায়েৰীৰ পৰা কিছুমান কথা চমুকৈ ইয়াত দিওঁ এই বাবে যে তাৰ দ্বাৰাই অলপ বুজিবলৈ সুবিধা হব, তেতিয়া আমাৰ ব্যৱসায় কেনে ডাঙৰ হৈ পৰিছিল আৰু মোৰ জীৱন কেনে কাৰ্য্যময় আছিল।

১৮৯৯ খ্ৰীষ্টাব্দ ১৪ ফেব্ৰুৱাৰী—পুৱা বৰবজাৰৰ সুতাপটিলৈ গলোঁ। তাত দোকানীৰে সৈতে এই বন্দবস্ত কৰিলোঁ। ইত্যাদি। আবেলি, কাইলৈ ক্ষীৰোদচন্দ্ৰ ৰায় চৌধুৰীৰে সৈতে স্বৰ্ণলতাৰ বিয়াৰ দিহা কৰা গ'ল।

১৫ ফেব্ৰুৱাৰী—গধূলি স্বৰ্ণৰে সৈতে ( ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱা ডাঙৰীয়াৰ বিধৱা জীয়েক ) ক্ষীৰোদ বাবুৰ বিয়ালৈ গলোঁ। উপাসনাৰ পিছত ৰেজেষ্ট্ৰী হ'ল।ময়ো এজন সাক্ষী হলোঁ। পুৱা, হাওডাব শালিকিযালৈ গৈ—ইত্যাদি।

১৬ ফেব্ৰুৱাৰী—Credit Lyons বেঙ্কৰপৰা দহ হেজাৰ টকা আনিলোঁ, ঝাৰচোগোড়ালৈ যাত্ৰা কৰি, ৰাতি ১১ বজাত ঝাৰচোগোড়া পালোঁগৈ আচাণ্ডোললৈকে দ্বিতীয় শ্ৰেণীৰ গাড়ীত। তাৰপৰা ইণ্টাৰত। ( তেতিয়া সেইদৰে ঘুৰিহে ঝাৰচোগোড়ালৈ যাব পৰা আছিল। )

১৮ ফেব্ৰুৱাৰী—ঝাৰচোগোড়াত।

২০ ফেব্ৰুৱাৰী—ঝাৰচোগোড়া এৰি কলিকতালৈ যাত্ৰা। লগত বি, বৰুৱা আৰু গাংপুৰৰ টিকায়েৎ।

২১ ফেব্ৰুৱাৰী—আচাণ্ডোল ৩-৩০ বজাত আবেলি এৰি ৬-৩০ বজাত কলিকতা পালোঁহি।

২২ ফেব্ৰুৱাৰী—পুৱাই চেট্‌লাৰ হাটলৈ গলোঁ। গধূলি আৰু নোলালোঁ। বৰ ভাগৰ লাগিল। গদাধৰক ( আমাৰ দোকানৰ কৰ্ম্মচাৰী ) লগত লৈ হাটত বহুত বস্তু কিনিলোঁ।

/ ২৩ ফেব্ৰুৱাৰী—পুৱা দিল্লীপাৰাৰ পৰা দোকানলৈ বস্তু কিনিলোঁ। শিৱসাগৰৰ স্কুলত মোৰ সহাধ্যায়ী শুভেন্দুমোহন গোস্বামীক হঠাৎ তাতে লগ পাই ৰং লাগিল।

২৪ ফেব্ৰুৱাৰী—হাওড়াৰ কেলেডনীয়া ডকলৈ গৈ আচাণ্ডোলত আমাৰ ঘৰত কাম কৰিবলৈ গোটাচেৰেক ৰাজমিস্ত্ৰি বন্দবস্ত কৰিলোঁ। বেৰিষ্টাৰ জ্ঞানেন ৰাযৰে ( J N Roy ) সৈতে দেখা হ'ল, তেওঁৰ সৈতে "বিজনেছ টক্" হ'ল।

২৫ ফেব্ৰুৱাৰী—পুৱা বহুবজাৰত "ড্ৰয়িংৰুম ছুট" এটা সম্বলপুৰৰ জে, এন, সেনলৈ কিনি পঠিয়াবৰ দিহা কৰি, আমাৰ "মিছলেনিয়ছ ষ্টোৰ"ৰ দোকানৰ হিচাপ চাবলৈ গলোঁ। আবেলি বৰবজাৰলৈ গৈ আমাৰ আমদা, বাৰ্ডৰফেলা ( এন্, আৰৰ ) অফিচলৈ দুটা লোৰ পেৰা কিনি পঠিয়াবলৈ দিহা কৰিলোঁ।

২৭ ফেব্ৰুৱাৰী—বেঙ্কৰপৰা দহ হেজাৰ টকা লৈ আচাণ্ডোললৈ গধূলি ৬-৪২ মিনিটত ৰেলত যাত্ৰা কৰিলোঁ ।

২৮ ফেব্ৰুৱাৰী—তাৰপৰা ভৱানীৰে সৈতে ( বি. বৰুৱাৰ ভাগিনীয়েক ) ঝাৰ-চোগোড়ালৈ যাবলৈ বি, এন্, আৰৰ গাড়ীত উঠিলোঁ । আজি কলিকতাত ইন্দিৰা দেৱীৰ সৈতে প্ৰমথ চৌধুৰীৰ বিয়া । মোৰ আৰু যোৱা নহ'ল ।

১ মাৰ্চ্চ—কলিকতালৈ ৰাওনা হলোঁ । লগত জাৰ্দ্দিন কোম্পানীৰ ওপৰত ৭৫,০০০ হেজাৰ টকাৰ এখন হুণ্ডি লৈ ।

২ মাৰ্চ্চ—কলিকতাত ।

৬ মাৰ্চ্চ—ষ্টীল ট্ৰাঙ্কৰ এটা consignment-অৰ নিমিত্তে "হৰিশ চন্দ্ৰ বোস কোম্পানী"ক অৰ্ডাৰ দিলোঁ ।

১৭ মাৰ্চ্চ—আচাণ্ডোলৰ ঘৰৰ নিমিত্তে কৰগেটেড আইৰণ্ চিট্ কিনি পঠিয়ালোঁ ।

২৫ মাৰ্চ্চ মোৰ বাইচিকোলখন মেৰামত কৰিবলৈ পঠিযালোঁ ।

২৮ মাৰ্চ্চ—Watkins কোম্পানীক ৫০০ টকা গাংপুৰৰ ৰজাৰ হকে দিলোঁ . হিঙ্গিৰ successions হিচাপত ।

১২ এপ্ৰিল – গাংপুৰৰ ৰজাক দিবলৈ ১০০০ টকাৰ সোণ কিনি লৈ আচাণ্ডোলেদি ঝাৰচোগোড়ালৈ ৰাওনা হলোঁ ।

১৬ এপ্ৰিল—হংকং বেঙ্কৰপৰা ১২৫০ টকা আনি গাংপুৰ ৰজাৰ হিচাপত Watking কোম্পানীক দিলোঁ ।

২৮ এপ্ৰিল—শ্ৰীযুত তৰুণ ফুকনেৰে ( বেৰিষ্টাৰ ) সৈতে বাইচি- কোলত উঠি ইডেন গাৰ্ডেনৰ ফালে ফুৰিবলৈ গলোঁ ।

২৯ এপ্ৰিল—পুৱা কেলেডনীযা ডকলৈ গলোঁ । গধূলি বাইচি-কোলৰ দোকানলৈ আৰু তাৰ পিছত বিলিৱাৰ্ড খেলিবলৈ ইন্ডিয়া ক্লাবলৈ গলোঁ ।

৩০ এপ্ৰিল—আচাণ্ডোললৈ যাত্ৰা ।

১ মেই—তাত কাৰ্য্য-পৰিদৰ্শন ।

৩ মেই—পুৱা Mr P N. Bose-অক ( সুবিখ্যাত প্ৰমথনাথ বসু ) দেখা কৰি, আকৌ ৰাতিৰ গাড়ীত কলিকতালৈ উভতিলোঁ ।

৮ মেই - অক্ষয় নন্দীযে ঝাৰচোগোডাৰপৰা ২৫,০০০ টকাৰ হুণ্ডি এখন J S & Co. ৰ ওপৰত দিলেহি । সেইখন হংকং বেঙ্কলৈ পঠিয়াই ২৫,০০০ টকাৰ সৰু-বৰ নোট আনিলোঁ ।

৯ মেই—বৰ্দ্ধমানত ঘৰটো চাবলৈ গলোঁ কিনিবৰ মনেৰে দুটা ঘৰ চালোঁ । ভাল নালাগিল ।

১০ মেই—পুৱা ফলৰ basket ঝাৰচোগোড়ালৈ পঠিয়ালোঁ । গধূলি ২৫,০০০ টকাৰ নোট লৈ ঝাৰচোগোড়ালৈ বুলি আচাণ্ডোললৈ ৰাওনা হলোঁ ।

১১ মেই—ৰাতি ১১ বাজি ৩০ মিনিটত ঝাৰচোগোড়া পালোঁহি । বি, বৰুৱা পেন্দ্ৰাত ( বি, এন্, আৰৰ ষ্টেচন এটা. আছিল ।

১৩ মেই—ঝাৰচোগোড়াতে গাংপুৰত ওকালতি কৰা উকীল (পিছত সম্বলপুৰত) বামাপদ চাটুৰ্জ্জীৰে সৈতে মোৰ চিনাজনা হ'ল।

১৬ মেই—বি, বৰুৱা পেন্দ্ৰাৰপৰা আহি ঝাৰচোগোড়া পালেহি।

১৭ মেই—আচাণ্ডোললৈ ৰাওনা হলোঁ।

১৮ মেই—কলিকতালৈ বুলি পঞ্জাব মেলত উঠিলোঁ। ৰাতি আচাণ্ডোলত আঢৈ বজাত। বৰ বেয়া সময়।

১৯ মেই—পুৱাতে কলিকতা।

২২ মেই—আকৌ আচাণ্ডোললৈ যাত্ৰা।

২৩ মেই—বি, বৰুৱাৰে সৈতে কলিকতালৈ উভতিলোঁ, আকৌ সেই আহুকলীয়া পঞ্জাব মেলতে।

২৪ মেই—কলিকতাত ওলালোঁহি। বি, বৰুৱাৰ বৰ জ্বৰ উঠিল।

২৫ মেই—বি, বৰুৱাৰ বৰ জ্বৰ। টেম্পেৰেচৰ ১০৩ ডিগ্ৰী।

২৬ মেই—ডাক্তৰ ৰছেলক ( Dr. Russel ) চিকিৎসা কৰিবলৈ মতা হ'ল।

২৭ মেই—জ্বৰ কমিছে। ৰছেল আজিও আহিছে।

২৮ মেই—বি, বৰুৱাৰ জ্বৰ এৰিলে।

২৯ মেই—নিজে বজাৰলৈ গৈ আম কিনি পাচিত ভৰাই "পেক্" কৰি গাংপুৰলৈ পঠিয়ালোঁ।

৪ জুন—৪০০ "পিট্‌শৰ" কৰত ঝাৰচোগোড়ালৈ পঠিয়ালোঁ।

৭ জুন—বি, বৰুৱা দাৰ্জ্জিলিঙলৈ গ'ল।

৮ জুন—পুৱা "মিছেলেনিয়ছ ষ্টৰ্ছ"ৰ কাম চালোঁ। দুপৰীয়া কুক কোম্পানীৰ নীলামলৈ গৈ ঘৰী এজনী ১১০ টকাত কিনিলোঁ।

১০ জুন—আচাণ্ডোললৈ ১০,০০০ টকা লৈ গৈ সেইটো উমাচৰণ চৰকাৰৰ মাৰফৎ ঝাৰচোগোড়ালৈ পঠিয়াই ৰাতিয়েই উভতি আহিলোঁ।

১১ জুন—পুৱা কলিকতা পালোঁহি।

১২ জুন—বি-টি-টিৰ বৰচাহাব মিষ্টৰ হুইফিন্ আৰু শ্যাম বাবুক ( হেড ক্লাৰ্ক ) হাওড়া ষ্টেচনৰপৰা আনিবলৈ গাড়ী পঠিয়ালোঁ। শ্যাম বাবু আমাৰ ঘৰতে থাকিলহি; হুইফিন হোটেললৈ গ'ল।

১৫ জুন—শ্যাম বাবু উভতি গ'ল।

১৬ জুন—গদাধৰেৰে সৈতে দোকানলৈ গৈ বস্তু কিনিলোঁ।

১৭ জুন—আজিও গদাধৰেৰে সৈতে দোকানলৈ গৈ বস্তু কিনিলোঁ, বাকীডোখৰ বলৰাম দে ষ্ট্ৰীটৰ ঘৰত কটালোঁ।

২০ জুন—আচাণ্ডোলৰ কাম চাবলৈ আচাণ্ডোললৈ গলোঁ।

২২ জুন—আজি উভতি আহিলোঁ। কেলেডনীয়া ডকলৈ গলোঁ। আচাণ্ডোলৰ মাটিৰ মেপ আৰু দলিল বি, বৰুৱালৈ (দাৰ্জ্জিলিঙত) পঠিয়াই দিলোঁ।

২৯ জুন—বি, বৰুৱা উভতি আহিল। সুৰ্বাভিৰ বৰ জ্বৰ।

৩০ জুন—বি, বৰুৱা আচাণ্ডোললৈ গ'ল। সুৰ্বাভিৰ জ্বৰ নাই।

১ জুলাই—হাজি নুৰ মহম্মদ আয়ুবক ৭,০০০ টকা দিলোঁ খাৰচোগোড়াৰপৰা অনা হুণ্ডিৰ ওপৰত। ৰাতি দহ বজাৰ গাড়ীত আচাণ্ডোললৈ ৰাওনা হলোঁ।

৩ জুলাই—কলিকতালৈ উভতি আহিলোঁ।

২২ জুলাই—ভুতনাথ মুখুৰ্জ্জী বাবুৰে সৈতে কলিকতাৰপৰা ডমডমলৈ খোজ কাঢ়ি গলোঁ; আৰু খোজ কাঢ়ি উভতি আহিলোঁ। এইটো মোৰ বাহাদুৰি দেখুৱাবলৈ, কাৰণ ভুতনাথ বাবুৰে মোক কৈছিল যে মই খোজ কাঢ়িব নোৱাৰোঁ।

২ আগষ্ট—বনাই ষ্টেটৰ lease ছপা কৰিবলৈ দিলোঁ। হুইফিন্ চাহাবলৈ আমাৰ baskets পঠিয়ালোঁ। ৰাচিৰ কৈলাস বাবুলৈ ববৰৰ গাৰু এটা পঠিয়ালোঁ। গাংপুৰত মেজিষ্ট্ৰেট হৈ যাব খোজা দুজন এম্, এ, বি, এল্ ডেকাক পৰীক্ষা কৰি এজনক বাছি ললোঁ।

সেই কালত কলিকতাত বি, বৰুৱা কোম্পানীত মোৰ অকল শৰীয়া কাৰ্য্য-জীৱনৰ এইটো এবছৰৰ ভিতৰৰ ছমাহৰ সংক্ষিপ্ত চানেকি।

কিশোৰী বাবু আৰু তাৰ পিছত অতুল বাবু আমাৰ ফাৰ্ম্মলৈ অহাৰ পিছৰ ডোখৰ মোৰ জীৱনৰ নমুনা-স্বৰূপে ১৯০১ আৰু ১৯০২ খ্ৰীষ্টাব্দৰ এনে সংক্ষিপ্ত বিৱৰণ পিছৰ আধ্যালৈ থলোঁ।

## ॥ দশম অধ্যায় ॥

১৯০২ খ্ৰীষ্টাব্দতো বি. বৰুৱাৰ লগত মোৰ ব্যৱসায়-জীৱন কেনে আছিল, তাৰ চানেকিও মোৰ ডায়েৰিৰ পৰা অলপ-অচৰপ আজি এই অধ্যায়ত দিলোঁ। মই বি. বৰুৱাৰ সগ এৰি অহাৰ পিছত যিবোৰ মানুহে—যাৰে কথা শুনি হওক—মোৰ বিষয়ে মতামত প্ৰকাশ কৰিছিল, সেইবোৰে আচল কথা একোকে নাজানিছিল। আমাৰ কথাতে কয়, "যাৰ পো মেলত নাই, সি গোধীয়া"। মই যেতিয়া মেলত নাছিলোঁ, আৰু মোৰ পো বুলিবলৈকো ইহজন্মত এই পৃথিৱীত যেতিয়া কোনো নাই, মই গোধীয়া হ'বই লাগিব।

১৯০২ খ্ৰীষ্টাব্দ।

১ জানুৱাৰী—মোৰ গৃহিণী "বেবী"ৰে সৈতে ঝাৰচোগোড়ালৈ গ'ল। শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা ৩৮ নম্বৰ ডব্‌ছন ৰোডৰ ঘৰত মোৰে সৈতে থাকিলহি।

১০ জানুৱাৰী—বি. বৰুৱা ঝাৰচোগোড়াৰ পৰা পালেহি। মই বেঙ্গল বেঙ্কৰ পৰা দহ হেজাৰ টকা আনিলোঁ। জাৰ্দ্দিনে দহ হেজাৰ টকাৰ চেক্ এখন দিছিল সেইখন বেঙ্গল বেঙ্কত জমা দিলোঁ।

১৪ জানুৱাৰী—২,০০০ টকা বেঙ্গল বেঙ্কৰ পৰা আনিলোঁ।

১৫ জানুৱাৰী—বি. বৰুৱাই ১,৫০০ টকা লৈ ঝাৰচোগোড়ালৈ গ'ল। মোৰ "জিপ ছি" নামৰ কুকুৰটোও তেওঁ লৈ গ'ল।

১৬ জানুৱাৰী—আমাৰ ঠিকাদাৰ বটু বাবুক ৫০০ টকা দিলোঁ।

১৭ জানুৱাৰী—বেঙ্গল বেঙ্কৰপৰা ১০,০০০ টকা আনিলোঁ।

১৮ জানুৱাৰী—J. S. Co-ৰ পৰা ১০,০০০ টকাৰ চেক্ পাই বেঙ্গল বেঙ্কত জমা দিলোঁ। বটু বাবুৰ হাতত দহ হেজাৰ টকা নগদ বি. বৰুৱালৈ পঠিয়াই দিলো। J S Co-ৰ নামত আমাৰ হৈ টিক্ টিম্বাৰৰ টেণ্ডাৰ দিবলৈ কিশোৰী বাবু লক্ষ্ণৌলৈ গ'ল।

১৯ জানুৱাৰী—ঠিকাদাৰ অক্ষয় বাবুৰ হিছাপত ডাক্তৰ প্ৰাণকৃষ্ণ আচাৰ্য্যই মোক ১,৫০০ টকা দিলে।

২০ জানুৱাৰী—১,৫০০ টকা বেঙ্কত জমা দিলোঁ। শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা আজি অসমলৈ গ'ল।

২২ জানুৱাৰী—জাৰ্দ্দিনৰপৰা ১০,০০০ টকা আনিলোঁ।

২৫ জানুৱাৰী ১৫,০০০ টকা লৈ ঝাৰচোগোড়ালৈ গলোঁ। তাত গৃহিণী আৰু বেবী ভালে আছে দেখিলোঁ।

২৭ জানুৱাৰী—ঝাৰচোগোড়াৰ পৰা সম্বলপুৰলৈ সস্ত্ৰীক আনি জে. এন. সেনৰ (গবৰ্ণমেণ্ট প্লীডৰ) ঘৰত ৰলোঁ। তেওঁলোকে বৰ আদৰ কৰি ৰাখিলে। টেনিছ খেলিলোঁ, আৰু সম্বলপুৰৰ অনেক ঠাই তেওঁলোকেৰে সৈতে ফুৰিলোঁ।

২৮ ফেব্রুৱাৰী—সম্বলপুৰতে আৰু দুদিনমান থাকিবৰ মন গৈছিল ; কিন্তু বি. বৰুৱাই মাতি পঠিয়ালে দেখি কলিকতালৈ উভতি যাবলৈ ঝাৰচোগোড়ালৈ গলোঁ। ২০,০০০ টকা বি. বৰুৱাক দিলোঁ।

৩০ জানুৱাৰী—ঝাৰচোগোড়াৰ পৰা আজিহে কলিকতালৈ ৰাওনা হলোঁ।

৩১ জানুৱাৰী—কলিকতাত জাৰ্ন্দিনৰ পৰা ১৫,০০০ টকাৰ চেক্ আনিলোঁ। ৬,০০০ বেঙ্কৰ পৰা draw কৰিলোঁ। তাৰ পিছত E. B. S. R. অৰ অফিচ শিয়ালদহলৈ গৈ টকা আনিবৰ চেষ্টা কৰি নাপালোঁ।

১ ফেব্ৰুৱাৰী—৬,০০০ টকা * পান্নালাল দাৰোৱানৰ হাতত ঝাৰচোগোড়ালৈ পঠিয়ালোঁ। ১৫,০০০ বেঙ্কত জমা দিলোঁ।

২ ফেব্ৰুৱাৰী—বি. বি ঝাৰচোগোড়াৰ পৰা পালেহি। মই O. & R. R.-ৰ কিটিং চাহাবক (Keatinge) আমাৰ আৰু জাৰ্ন্দিন স্কীনৰৰ চেগুণ কাঠ দেখুৱাবলৈ শিৱপুৰৰ টিম্বৰ য়াৰ্ডলৈ গলোঁ।

৭ ফেব্ৰুৱাৰী—জাৰ্ন্দিনৰ পৰা ১৬,০০০ টকাৰ চেক পাই বেঙ্গল বেঙ্কত জমা দিলোঁ।

৮ ফেব্ৰুৱাৰী—বি. বৰুৱাই ১৬,০০০ টকা লৈ ঝাৰচোগোড়ালৈ গ'ল।

১৫ ফেব্ৰুৱাৰী—শাল স্লিপৰৰ হিচাপত জাৰ্ন্দিনৰ পৰা ১৫,০০০ টকাৰ চেক্ পাই বেঙ্গল বেঙ্কত জমা দিলোঁ। বটু বাবুৰ হাতত ১০,০০০ টকা ঝাৰচোগোড়ালৈ পঠিয়ালোঁ।

১৭ ফেব্ৰুৱাৰী—বি. বৰুৱাৰ কথামতে শ্ৰীযুত এম. চি বৰুৱাক ২০০ টকা দিলোঁ।

১৯ ফেব্ৰুৱাৰী—এম-চি-বৰুৱা ভুৱনেৰে সৈতে আসামলৈ উভতি গ'ল।

২১ ফেব্ৰুৱাৰী—জাৰ্ন্দিনৰ পৰা ১৫,০০০ টকাৰ চেক্ পালোঁ। কালীকৃষ্ণ প্ৰামাণিকৰ পৰা ৪,৬১০ টকা পালোঁ।

২২ ফেব্ৰুৱাৰী—১৫,০০০ টকাৰ চেক্ বেঙ্ক অব বেঙ্গলত জমা দিলোঁ। ৪.৬১০ টকাও। ৩,০০০ টকা শ্ৰীযুত ৰমাকান্ত বৰকাকতীক দিলোঁ, শ্ৰীযুত মাণিকচন্দ্ৰ বৰুৱাৰ বাবে—in full settlement of his claim—অৰ্থাৎ এম, চি বৰুৱাই বেমাক্কক দিবলগীয়া ধাৰ শোধ। বি, বৰুৱা পুনৰা পালেহি।

২৬ ফেব্ৰুৱাৰী—শিৱপুৰত মেকেঞ্জি লায়েলৰ হতুৱাই আমাৰ surplus অৰ্থাৎ ওপৰঞ্চি কাঠবোৰ নিলামত বেচালোঁ।

২৭ ফেব্ৰুৱাৰী—বেঙ্কৰ পৰা ১৫,০০০ আনিলোঁ।

২৮ ফেব্ৰুৱাৰী—জাৰ্ন্দিনে ১৫,০০০ দিলে। বি, বৰুৱাই সেই টকা লৈ গ'ল।

২ মাৰ্চ্চ—নতুন ঘৰ সজাবলৈ আজিৰ পৰা আৰম্ভ কৰিলোঁ।

---

* আমাৰ এই পান্নালাল দাৰোৱান আজিকালি এজন ডাঙৰ মাৰ্চেণ্ট, এটা ফাৰ্ম্মৰ মালিক আৰু চাৰি পাঁচ লক্ষ টকাৰ অধিকাৰী। বি. এন. আৰৰ কুলুণ্ডা ষ্টেশ্যনত থাকে।

৭ মাৰ্চ্চ—১৮,০০০ টকা বেঙ্গল বেঙ্কৰপৰা আনিলোঁ। ১৫,০০০ জাৰ্দ্দিনৰ পৰা পাই বেঙ্কত জমা দিলোঁ।

৮ মাৰ্চ্চ—২০,০০০ টকা নগদ লৈ ঝাৰচোগোড়ালৈ গলোঁ। ৰাতি oveacarried হৈ ৰায়গড় পালোঁগৈ। মালগাড়ীতে উঠি পিছদিনাহে পুৱা অতি কষ্টেৰে ঝাৰচোগোড়া পালোঁহি। বৰ বিপদ গ'ল।

৯ মাৰ্চ্চ—আজি মোৰ গৃহিণীয়ে ঝাৰচোগোড়াৰ আমাৰ অফিচৰ কৰ্ম্মচাৰী, ঠিকাদাৰ আৰু ৰেলৰে বাবুবোৰক ভোজ দিলে। ডাঙৰ ভোজ। সকলো সন্তুষ্ট।

১০ মাৰ্চ্চ—সস্ত্ৰীক বেৰীৰে সৈতে হাওড়ালৈ বুলি ঝাৰচোগোড়া এৰি আহিলোঁ।

১১ মাৰ্চ্চ—হাওড়া পালোঁহি।

( দিনো এনে গঢ়ৰে কথা। সেইদেখি এইবাৰ জপিয়াই দেই যাম। )

২৮ মাৰ্চ্চ—বি, বৰুৱালৈ ১৫,০০০ টকা পঠিয়ালোঁ। কটকলৈ যাত্ৰা কৰিলোঁ।

২৯ মাৰ্চ্চ—ক্ষীৰোদ বাবুৰ ঘৰত উঠিলোঁ। স্বৰ্ণই মোক দেখি আৰু আনবোৰেও বৰ ৰং পালে।

৩০ মাৰ্চ্চ—ক্ষীৰোদ বাবুৰে সৈতে কটকত চাবলগীয়া ঠাইবোৰ চাই ফুৰিলোঁ। কদম-ৰচুল ( মহম্মদৰ পদশিলা ) চাবলৈকো গৈছিলোঁ।

৩১ মাৰ্চ্চ—পুৱা চাৰে ছয় বজাত কটক এৰি হাওড়ালৈ ৰাওনা হলোঁ। ৰাতি ৭ বজাত হাওড়া।

২ এপ্ৰিল—ঝাৰচোগোড়ালৈ যাবলৈ ৰেলত উঠিলোঁ।

৩ এপ্ৰিল—টিক্ টিম্বৰৰ অৰ্ডাৰ এটা ( B N.R —এ দিয়া ) বি, বৰুৱাই মোক দিলে। গধূলি ৮ বজাত হাওড়ালৈ বুলি গাড়ীত উঠিলোঁ।

৪ এপ্ৰিল—বেঙ্গল বেঙ্কৰপৰা ১০,০০০ টকা আনি ঝাৰচোগোড়ালৈ পঠিয়ালোঁ। National Bank-অত চেক্ দি ২৫,০০০ টকা বেঙ্গল টিম্বৰ কোম্পানীক দিলোঁ। ১১,০০০ টকা Meckenzie Lyall & Co.-ক দিলোঁ, D.L মাৰ্কা teak timber সিহঁতৰপৰা কিনাৰ বেচ। কৰ্জ্জন থিয়েটৰলৈ গলোঁ,—complimentary ticket পাই। শ্ৰীযুত হৰিপ্ৰসাদ নাথৰ পুতেক গুৱালপাৰাৰ পৰা আহি ওলালহি, শিয়াল-দহত হৰি নাথেৰে সৈতে তেওঁক থৈ বি, বৰুৱালৈ খবৰ দিলোঁ।

১৪ এপ্ৰিল—শিবপুৰত আমাৰ টিম্বৰ য়াৰ্ডত সজা সুন্দৰ ঘৰত আজি আমাৰ প্ৰৱেশ। শিবপুৰত সকলোকে ডাঙৰ ভোজ এটা দিয়া গ'ল। সকলোৰে নথৈ সন্তোষ।

জোড়াসাঁকোত নৱবৰ্ষৰ উৎসৱৰ উপাসনালৈ গৈছিলোঁ। "কৰ্ত্তামশায়" মহৰ্ষিক প্ৰণাম কৰি তেওঁৰ ওচৰত বহিলত মহৰ্ষিয়ে মোক আৰু গৃহিণীক আশীৰ্ব্বাদ কৰিলে। মোক প্ৰশংসা কৰি কথা কৈছিল।

হাওড়াত আমাৰ ঘৰত "কলসী-উৎসৰ্গ" উৎসৱ কৰিলোঁ। পুৱা ৯ বজাত। "কৰ্ত্তা মশায়ে" পণ্ডিত হেমচন্দ্ৰ বিদ্যাৰত্নক সেই উৎসৱৰ কৰ্তব্য কাৰ্য্যবোৰ সমাপন কৰিবলৈ পঠিয়াই দিছিল।

গধূলি গঙ্গাৰ পুলৰ ওপৰেদি আমাৰ গাড়ীত যাওঁতে আজিও এটা দুৰ্ঘটনা ঘটিল। গাড়ীত মই, মোৰ গৃহিণী আৰু 'দাদা' (মোৰ গৃহিণীৰ ককাইদেৰেক হিতেন্দ্ৰনাথ ঠাকুৰ)। আমাৰ লেম্ভুটনা ঘোঁৰাই উচপ খাই আন এখন গাড়ীত খুন্দা মাৰিলে। গাড়ী আৰু ঘোঁৰাৰ বিশেষ হানি হোৱা নাছিল। তথাপি গাড়ীখন পিছত আহিবলৈ তাতে এৰি, ভেৰোণীয়া গাড়ী এখনত উঠি ঘৰলৈ আহিলোঁ।

১৬ এপ্ৰিল—সম্বলপুৰৰপৰা সস্ত্ৰীক জে, এন, সেন আমাৰ ঘৰত। তাৰ পিছত খাই-বৈ তেওঁলোক দাৰ্জ্জিলিঙলৈ গ'ল। মই শিয়ালদহত তেওঁলোকক গাড়ীত তুলি দিলোঁ।

১৮ এপ্ৰিল—জাৰ্দ্দিনৰপৰা ১৫,০০০ টকাৰ চেক্ পাই বেঙ্গল বেঙ্কত জমা দিলোঁ। ১,২০০ টকা বেঙ্কৰপৰা আনি ঝাৰচোগোড়ালৈ পঠিয়ালোঁ। ৩০০ টকা বি, বৰুৱাৰ instruction মতে ৰবিনাৰায়ণ বৰালৈ পঠিয়ালোঁ। জে, এন, সেনলৈ (দাৰ্জ্জিলিং) ২০০ টকা (তেওঁৰ টকা মোৰ হাতত আছিল) পঠিয়ালোঁ। প্ৰসাদদাস বৰালৰ অফিচত ২,০০০ টকাৰ কোম্পানীৰ কাগজ ভঙ্গালোঁ,—এশত ৯৭ টকা ৭ আনা কৈ। মোট ২,০৩৭ টকা ৬ আনা পালোঁ। এইটো Teak Department-অৰ টকা।

১৯ এপ্ৰিল—বেঙ্গল বেঙ্কত ১৫,০০০ টকা দিলোঁ।

২৫ এপ্ৰিল—বেঙ্গল বেঙ্কৰ পৰা ৮,০০০ টকা আনিলোঁ।

২৬ এপ্ৰিল—আকৌ ২,০০০ আনিলোঁ। ঝাৰচোগোড়ালৈ ১০,০০০ টকা পঠিয়ালোঁ। বি, বৰুৱাৰ ভতিজাক চন্দ্ৰকান্ত অসমৰপৰা আহিছিল। তেওঁক নন্দকিশোৰৰ লগত ঝাৰচোগোড়ালৈ পঠিয়াই দিলোঁ। R.C. Naskar-অৰ পৰা দহ হেজাৰ ইটা কিনিলোঁ।

২৮ এপ্ৰিল—A.B.R -অৰ Mr. Cheshire-এ আজি আমাৰ স্লিপৰ "পাছ" কৰিলে। মই attend কৰিছিলোঁ।

২৯ এপ্ৰিল—নগাৱঁৰ পৰা গোলোকচন্দ্ৰ বৰুৱা (বি, বৰুৱাৰ ভতিজাক) আহিল। বি, বৰুৱাৰ কথামতে তেওঁক ঝাৰচোগোড়ালৈ পঠিয়াই দিলোঁ।

২১ মেই—শ্ৰীযুত জগন্নাথ বৰুৱা বিলাতত ৰজাৰ কৰোনেশ্যনৰ বাবে নিমন্ত্ৰিত হৈ আসামৰ পৰা আহিল, বিলাতলৈ যাবলৈ। আমাৰ ঘৰতে থাকি খোৱা-বোৱা কৰিলে। বি, বৰুৱা আহিল। 'তেওঁৰ নৰিয়া।

২৩ মেই—শ্ৰীযুত জগন্নাথ বৰুৱাৰে সৈতে ইণ্ডিয়া ক্লাবলৈ গলোঁ। জাৰ্দ্দিনৰ পৰা ১৫,০০০ টকাৰ চেক্ আনিলোঁ।

২৪ মেই—বেলিয়াঘাটৰ পৰা চুণ কিনিলোঁ।

২৫ মেই—হৰিনাথৰ হাতত ১০,০০০ টকা ঝাৰচোগোড়ালৈ পঠিয়ালোঁ।

২৮ মেই—জগন্নাথ বৰুৱা আজি বিলাতলৈ গ'ল। Chord Mail-অত বম্বেলৈ গ'ল, তাৰপৰা জাহাজত উঠিব।

১৬ জুন—জে, এন, সেন সস্ত্ৰীক দাৰ্জ্জিলিঙৰ পৰা আহি আমাৰ ঘৰত উঠিল।

১৭ জুন—সুকুমাৰ ৰায় বোৰিষ্টাৰ আমাৰ ঘৰত আলহী ৰ'লহি।

১৮ জুন – সেন সম্বলপুৰলৈ গ'ল।

২৬ জুন—সুকুমাৰ বোৰিষ্টাৰ আমাৰ ঘৰৰপৰা ব্ৰাহ্মপাৰাৰ ঘৰলৈ গ'ল।

২৭ জুন—বি, বৰুৱা বিলাসপুৰলৈ গ'ল। বেঙ্কত ১৫,000 টকা জমা দিলোঁ।

"ভাৰতী" নামৰ বঙ্গলা মাহেকীয়া কাকতত ওলোৱা "বৈদ্যজাতিৰ ইতিবৃত্ত" প্ৰবন্ধৰ সমালোচনা এটা লেখি "ভাৰতী"ত ছপা কৰিবলৈ পঠিয়ালোঁ।

১৩ আগষ্ট—ঘৰ সজাৰ কাম আজি শেষ হ'ল। খালি ৰং দিয়া আৰু "গ্লাছ" লগোৱা বাকী।

২ ছেপ্টেম্বৰ—জাৰ্দ্দিনৰপৰা ৬২,৫00 টকা পালোঁ। তাৰেপৰা ২0,000 teak timber হিছাপত দিলোঁ।

৩ ছেপ্টেম্বৰ—"পুত্ৰৱান পিতা" নামৰ প্ৰবন্ধ এটা লেখি 'জোনাকী'ত ছপাবলৈ শ্ৰীযুত সত্যনাথ বৰালৈ ( গুৱাহাটী ) পাঠিয়ালোঁ।

৪ ছেপ্টেম্বৰ—শ্ৰীজগন্নাথ বৰুৱা বিলাতৰপৰা উভতিল। লগত শ্ৰীযুত বুদ্ধীন্দ্ৰনাথ ভট্টাচাৰ্য্যও। ভট্টাচাৰ্য্যৰে সৈতে কলিকতাৰ কলেজত একেলগে পঢ়িছিলো। দেখি ভাল লাগিল। ঝাৰচোগোড়া ষ্টেশ্যনৰপৰা বি বৰুৱা, ভুবনচন্দ্ৰ বৰুৱা, শ্ৰীযুত জগন্নাথ বৰুৱাৰে সৈতে একেলগে আহিছিল। জগন্নাথ বৰুৱাই আমাৰ ঘৰতে breakfast খালে। আবেলি তেওঁ ইণ্ডিয়া ক্লাবত থাকিবলৈ গ'ল। আমি অসমীয়াসকলে তেওঁক হাওড়াৰ ৰেল ষ্টেশ্যনৰপৰা আনন্দ কৰি আগবঢ়াই আনিছিলোঁ।

১0 ছেপ্টেম্বৰ—শ্ৰীযুত জগন্নাথ বৰুৱা অসমলৈ ৰাওনা হ'ল। শিয়ালদহত আমি তেওঁক বিদায় দিলোঁ। তেওঁ ৰাতি দহ বজাত গোৱালন্দ মেইল গাড়ীত গ'ল।

২১ ছেপ্টেম্বৰ—বি. বৰুৱা বিলাসপুৰৰপৰা পালেহি। আজি অৰুণাৰ অন্নপ্ৰাশন উৎসৱ। পুৰায় কৰা হ'ল। জোড়াসাঁকোৰপৰা "কৰ্ত্তামহাশয়ে" পণ্ডিত হেমচন্দ্ৰ বিদ্যাৰত্নক, আৰু এজনক পঠিয়াই দিছিল। বিদ্যাৰত্নই উপাসনাদি কাৰ্য কৰিলে। বি. বৰুৱাই অৰুণাৰ মুখত ভাত দিলে। গধুলি অনেক মানুহক ভোজ খুউৱা হ'ল। grand party হৈছিল। সকলো সুন্দৰভাৱে সম্পাদিত হ'ল।

২৩ ছেপ্টেম্বৰ—বি. বৰুৱা বিলাসপুৰলৈ গ'ল।

১0 অক্টোবৰ—মই আজি ৰাতি দহ বজাত গোৱালন্দ মেইলত উঠি অসমলৈ যাত্ৰা কৰিলো।

১৩ অক্টোবৰ—পুৱা গোৱালন্দ জাহাজত উঠিলোঁ।

১৪ অক্টোবৰ—জাহাজত।

১৫ অক্টোবৰ—গুৱাহাটী। হেম গোসাঁই আৰু শ্ৰীযুত সত্যনাথ বৰাৰে সৈতে দেখা কৰিলোঁ। হেম গোসাঁয়ে মোক ডাক-বঙলাত খুৱাই A.B.R. গাড়ীত তুলি দিলে।

১৬ অক্টোবৰ—গোলাঘাটত কমাৰবন্ধা আলি ষ্টেশ্যনত নামিলোঁ। শ্ৰীনাথ ককাইদেৱে তাৰেপৰা মোক আগবঢ়াই নিলে। তেওঁৰ ঘৰতে থাকিলোঁ। তাতে মাতৃদেৱীক দেখি মোৰ অপাৰ আনন্দ হ'ল।

১৭ অক্টোবৰ—গোলাঘাটত। তাতে ১৯ তাৰিখলৈকে আছিলোঁ।

২০ অক্টোবৰ—গোলাঘাট এৰি যোৰহাটলৈ গলোঁ। তাত ২৪ তাৰিখলৈকে শ্ৰীযুত গোবিন্দ ককাইদেৱৰ লগত আছিলোঁ।

২৩ অক্টোবৰ—শ্ৰীযুত জগন্নাথ বৰুৱাৰ ঘৰত গোবিন্দ ককাইদেওৰে সৈতে নিমন্ত্ৰণ খালোঁ। দুইৰো ভিতৰত কিছুদিনৰ পৰা হোৱা মনোমালিন্য গুচাই দুইকো ভালকৈ মিলাই দিলোঁ।

২৪ অক্টোবৰ—তাৰপৰা ককিলামুখত 'পেঙ্গুইন' নামৰ জাহাজত উঠি ডিব্ৰুগড়। শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাই মোক জাহাজ ঘাটৰেপৰা আনিলেগৈ। ডিব্ৰুত শ্ৰীযুত জগন্নাথ ককাইদেওৰ ঘৰত থাকিলোঁ।

শুনিলোঁ গোলাঘাটত শ্ৰীনাথ ককাইদেওৰ ঘৈণীয়েক মোৰ বৌ, ল'ৰা এটা জন্ম হোৱাৰ পিছত ঢুকাল। বৰ বেজাৰ লাগিল।

২৬ অক্টোবৰ—ডিব্ৰুগড় এৰি শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাৰে সৈতে তেওঁলোকৰ চাহ-বাগিচা তামোলবাৰীলৈ গলোঁ। তাত শ্ৰীযুত বিষ্ণু আগৰৱালাক লগ পালোঁ। তাত বৰ সুখেৰে ৩০ অক্টোবৰলৈকে আছিলোঁ। ৩০ তাৰিখে শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাৰে সৈতে ডিগবৈলৈ গলোঁ। তাত মোৰ ককাইদেও শ্ৰীযুত জয়কৃষ্ণ বেজবৰুৱা আছিল। এৰাতি তেওঁৰ তাতে আছিলোঁ।

৩১ অক্টোবৰ—ডিব্ৰুলৈ উভতি আহি চন্দ্ৰকুমাৰ আগৰৱালাৰ ঘৰত থাকিলোঁ। আগৰৱালাৰ মাকে মোক বৰ মৰম কৰি ৰাখিলে। তেওঁ মোৰ গৃহিণীলৈ পাটৰ ৰিহা-মেখেলা আৰু কাপোৰ দিলে। মোকো কাপোৰ দিলে। মোৰ "হৰিভকত" শ্ৰীকমলাকান্ত ভট্টাচাৰ্য্যক তাতে লগ পালোঁ।

২ নবেম্বৰ—ডিব্ৰু এৰি ৰাতি ডাক জাহাজত শুলোঁহি, কাৰণ পুৱায় জাহাজ ভটীয়াই যাব। শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাও মোৰ লগতে। জাহজখনৰ নাম "বজাৰ্ড" ( Buggard )। আগৰৱালা তেজপুৰত নামিব। অহাৰ আগতে ককাইদেও শ্ৰীযুত জগন্নাথ বেজবৰুৱাৰ তাত ভাত খাই আহিলোঁ।

৪ নবেম্বৰ—শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা তেজপুৰত নামি গ'ল। মই গুৱাহাটীৰ জাহাজ-ঘাট এৰাৰ আগতে ২-৩ মিনিটৰ নিমিত্তে হেমচন্দ্ৰ গোহাঁইক আকৌ লগ পাইছিলোঁ। সৰহ সময় কথা-বাৰ্ত্তা পাতিবলৈ নাপাই বেয়া লাগিল।

৬ নবেম্বৰ—গোৱালন্দ ঘাট। বেল আহোঁতে পোৰাদহ ষ্টেশ্যনত ই. বি. আৰৰ চিফ্ ইঞ্জিনিয়েৰ আৰু এজেন্ট ৰায়বাহাদুৰ বলাৰামক তেওঁৰ চেলুন গাড়ীত দেখিলোঁ। তেওঁ আগ্ৰহকৈ মোক তেওঁৰ গাড়ীত তুলি ললে। শিয়ালদহলৈকে

তেওঁ'ৰ লগত্তে আছিলোঁ। ষ্টেশ্যনত গৃহিণী আৰু বেৰী অৰুণাক লগ পালোঁ।

১৩ ডিচেম্বৰ—বি. বৰুৱাই আহমদাবাদৰ কংগ্ৰেছলৈ যাব খোজাত তেজপুৰৰ শ্ৰীযুত পদ্মনাথ বৰুৱালৈ মই টেলিগ্ৰাফ কৰিলোঁ যাতে তেওঁক ডেলিগেট কৰি দিয়ে।

১৯০৩ খ্ৰীষ্টাব্দতো এনেদৰেই কাম কৰি আছিলোঁ, আৰু আমাৰ ব্যৱসায় আৰু ডাঙৰ হৈছিল। কিন্তু এই বছৰৰ শেহৰ ফালে বি. বৰুৱা আৰু মোৰ ভিতৰত কলি প্ৰৱেশ কৰিলে। ভুইকঁপৰ গুমগুমনি এই ১৯০৩ চনৰ শেহৰ ডোখৰত শুনিলোঁ আৰু ১৯০৪ খ্ৰীষ্টাব্দত তাৰ জোঁকাৰত ইমান দিনৰেপৰা মই মনে-পতা ঘৰটো ভাগি পৰিল। অৱশ্যে তেতিয়াও মই কাম এইদৰেই শেহলৈকে কৰি আছিলোঁ। ১৯০৪ খ্ৰীষ্টাব্দত লেখা মোৰ ডায়েৰীৰ পাত ইংৰাজীত কৰৰ নিচিনা dismal reading অৰ্থাৎ শোকাবহ।

# পৰিশিষ্ট

## মোৰ মৃগয়া

### (১)

মোৰ জীৱনৰ আগছোৱাত যদি কিবা এটা কাম বৰকৈ বেয়া লাগিছিল সেইটো মৃগয়া ;—যাৰ ভিতৰত জীৱহত্যা ব্যাপাৰটো ষোল অনা বৰ্ত্তমান। সৰুৰেপৰা জীৱহত্যা আৰু জীৱৰ প্ৰতি নিষ্ঠুৰতা মই দেখিব নোৱাৰিছিলো। তাহানি আমাৰ ঘৰত বান্ধিবলৈ বুলি অনা জীয়া কাৰৈ, মাগুৰ মাছ থেঁতেলাই মৰাটো মই কেতিয়াও নাচাইছিলো। বজাৰৰ পৰা জীয়া গৰৈ, চেঙেলি মাছ আনিলে, মই আইৰ গালি-শপনি খাইও, তালৈ কাণ নকৰি, লাৰি সেইবোৰ লৈ গৈ আমাৰ পুখুৰীত মেলি দিছিলো। হাঁহ, পাৰ, ছাগলীৰতো কথাই নাই, সেইবোৰ মৰাটো মই শুনাৰ বাহিৰে দেখাই নাছিলো। কাৰণ আমি মহাপুৰুষীয়া মানুহ। হাঁহ, পাৰ, ছাগলী খোৱাটো আমাৰ ঘৰত একেবাৰেই নিষেধ আছিল। ফলত ছাগলী খোৱা মানুহক মই পেটে পেটে ঘিণ কৰিছিলো। শাক্ত মানুহৰ ঘৰৰ ছোৱালী আমাৰ ঘৰলৈ পাৰিলে সেই বোৱাৰী ছোৱালীক মই কথাই কথাই "ছাগলী খোৱা ঘৰৰ" বুলি বাক্যবাণ প্ৰহাৰ কৰিবলৈ নেৰিছিলো। এনে সাত্ত্বিক মহাপুৰুষীয়া মোৰ আজি কি ভীষণ পৰিবৰ্ত্তন, ভাবিলে মই নিজেই আচৰিত মানো।

আমাৰ ঘৰত বন্দুকৰ ব্যৱহাৰ নাছিল। পিতৃ দেৱতাই তেওঁৰ কোনো পুতেককে বন্দুক চুব নিদিছিল। শেহৰ ডোখৰত মাথোন মোৰ সৰু ভাই এটাই লুকাই চুৰকৈ কেতিয়াবা লোকৰ বন্দুক খুজি আনি অ'ত ত'ত এজাই দুজাই মাৰি হাতৰ খজুৰতি মাৰিছিল বুলি শুনিছিলো ; কিন্তু সিয়ো পিতৃ দেৱতাৰ অবৰ্ত্তমানত। কলিকতাত থাকোঁতেও মই পূৰ্ব্বসংস্কাৰৰ বশত ভালেমান বছৰলৈকে বন্দুকত হাত নিদিছিলো। ঘটনাচক্ৰত পাছি কেনেকৈ মোৰ পৰিবৰ্ত্তন ঘটিল, তাৰে পূৰ্ব্বাভাষ আজিৰ প্ৰবন্ধত দিম।

১৯১৪ খৃষ্টাব্দত য়ুৰোপত মহাযুদ্ধ আৰম্ভ হয়। সেই যুদ্ধত যেতিয়া বৃটিছে ফ্ৰান্স আৰু ৰুছিয়াৰ লগ লাগি জাৰ্ম্মানি, অষ্ট্ৰীয়া আৰু তুৰস্কৰ বিপক্ষে থিয় দিলে, সেই যুদ্ধখন এক প্ৰকাণ্ড কাণ্ড হৈ উঠিল। ভাৰতৰ প্ৰজাই নিজৰ ৰজা বৃটিছৰ নিমিত্তে ধন-জন, প্ৰাণ পাত কৰিবলৈ প্ৰস্তুত হ'ল। বিদেশ ফ্ৰান্সত একপক্ষে ভাৰতীয় সৈন্যাই প্ৰথমতে বৃটিছৰ হকে প্ৰাণ দি প্ৰচণ্ড বেগেৰে বৈ অহা জাৰ্ম্মানিৰ সোঁতত ভেটা দিলে। স্বদেশত সকলো ভাৰতীয়ই যুদ্ধৰ হকে নিজৰ ধনৰ মোনাৰ মুখ মুকলি কৰি বৃটিছৰ ধনৰ ভঁৰালত ঢালি দিলে। ভাৰতীয় বীৰ জাতিৰ হাজাৰ হাজাৰ যুঁজাৰু বৃটিছৰ পতাকাৰ তলত যুঁজৰ নিমিত্তে থিয় হ'ল। বীৰ জাতি বুলি খ্যাতি নথকাসকলৰ অনেক ডেকাই আন নানা প্ৰকাৰে ৰণত সহায়ক হবৰ নিমিত্তে আগবাঢ়ি

ওলাল। নানা উপায় অৱলম্বন কৰি ভাৰতবাসীসকলে বৃটিছৰ যুদ্ধৰ খৰচৰ সহায়ৰ অৰ্থে ধন তুলিবলৈ ধৰিলে। সুবিখ্যাত বেৰিষ্টাৰ ছাৰ আশুতোষ চৌধুৰী তেতিয়া কলিকতাৰ হাইকোৰ্টৰ জজৰ আসন অলঙ্কৃত কৰি আছিল। জজ হবৰ নিমিত্তে বেৰিষ্টৰী ব্যৱসায়ত তেওঁৰ উপাৰ্জ্জন প্ৰচুৰ আছিল, শুনিছিলোঁ মাহে পোন্ধৰ হাজাৰৰপৰা কুৰি হাজাৰলৈকে, কিন্তু সেই কালত কলিকতা হাইকোৰ্টৰ চিফ জাষ্টিচ জেন্‌কিন্সৰ অনুৰোধ এৰাব নোৱাৰি, তেওঁ এনে লাভৰ বেৰিষ্টাৰী ব্যৱসায় পৰিত্যাগ কৰি দেশৰ কল্যাণৰ অৰ্থে জজৰ চাকৰী স্বীকাৰ কৰিছিল। যুঁজত বৃটিছৰ সাহায্যৰ নিমিত্তে ধন তুলিবৰ মনেৰে কলিকতাৰ ৰয়েল থিয়েটাৰত তেওঁ এখন নাটকৰ অভিনয় কৰাবৰ উদ্যোগ কৰিলে। কবিবৰ ৰবীন্দ্ৰনাথ ঠাকুৰৰ বাল্মীকি-প্ৰতিভা নাটৰ অভিনয়কে কৰিবৰ থিৰ হ'ল। সেই অভিনয়ৰ এটা প্ৰধান অঙ্গ প্ৰথম দস্যু অৰ্থাৎ ডকাইতৰ চন্দাৰৰ ভাও। মোৰ গাত সেই ভাৰ পৰিল আৰু বালিকা সৰস্বতী হোৱাৰ ভাৰ মোৰ বৰজনী ছোৱালী শ্ৰীমতী অৰুণাৰ গাত পৰিল। গইই তেতিয়া হাওড়াত আছিলোঁ। আমি ভাৱনাৰ আখৰা দিবলৈ দিনো গধূলি বেলিকা সপৰিবাৰে হাওড়াৰ পৰা বালিগঞ্জলৈ এমাহমান অহা যোৱা কৰিবলগীয়াত পৰিছিলো। হাওড়াৰ ঘৰত দুটা চাইটা চাকৰ-চাকৰণীৰ বাহিৰে দিনো গধূলিৰপৰা ৰাতি ৯।১০ বজালৈকে কোনো নাথাকিছিল।

বাটৰ কেঁৱাবন খচকতহে জ'য় পৰি আদমৰা হৈ থাকে। দিনদিয়েক একেলানিয়ে সিহঁতৰ মূৰত খচকত নপৰিলে, সিহঁতে মূৰ দাঙি উঠে আৰু বাটৰ চিনকে মাৰি পেলায়। গধূলি তিনি চাৰি ঘণ্টা সময় উদংমুৰীয়া হৈ থাকিবলৈ পাই আমাৰ ঘৰৰ লগুৱা-লিগিৰী কেইটা ঠন ধৰি উঠিল। সিহঁতৰ গাত তেলে ধৰিলে আৰু মনত নানা বৰ সৰু মতলব খেলাবলৈ ধৰিলে। মতলব কাৰ্যত পৰিণত কৰিবৰ নিমিত্তে সিহঁতে বজাৰৰ পৰা নন সঁচাৰকাঠী আনি, পেৰা-পেটাৰি মেলি, তাৰপৰা ধুৰিত আৰু সিহঁতৰ পছন্দমতে ভাল ভাল কাপোৰ-কানি লাহে লাহে সৰকাবলৈ ধৰিলে। প্ৰথম দিনদিয়েকলৈকে আমি সিহঁতৰ এই ষড়যন্ত্ৰক গমকে ধৰিব পৰা নাছিলোঁ। হোলাৰ ভাই মোলা হৈ সৰ্ব্বতিকাল সিহঁতক বিশ্বাস কৰি ঘৰ এৰি দি যেনেকৈ গৈছিলোঁ তেনেকৈ গৈয়ে আছিলোঁ। আমাৰ অসাৱধানতাৰ আৰত যেতিয়া সিহঁতৰ দেওপাৰণি বাঢ়িল, তেতিয়াহে এদিন আমাৰ চকু মেল খালে। দেখিলোঁ ঘৰত চৌৰ্যকাৰ্য বাঢ়িয়াকৈয়ে বৃদ্ধিপ্ৰাপ্ত হৈছে, তেতিয়া আমাৰ ধুমধুপাল আৰম্ভ হ'ল। সেই বস্তুটো ক'লৈ গ'ল? —নাই। কাপোৰৰ আলমাৰিৰ কাপোৰবোৰ লাংখালিংখি কৰিলে কোনে? সেই চোলাটো, সেই চুৰিয়াখন, সেই কাপোৰ খন ক'লৈ গ'ল? অলঙ্কাৰৰ পেৰাৰপৰা, হাতনি পেৰাৰপৰা অলঙ্কাৰ আৰু ৰূপবান ক'লৈ গ'ল?— নাই। এনে বিধৰ আন্দোলনেৰে তেতিয়া আমি ঘৰ খলক লগালো। কোৱা বাহুল্য যে 'বিশ্বাসী' লগুৱা আৰু লগুৱানীহঁতেও ধুমধুপালত সম্পূৰ্ণৰূপে যোগ দি নিজৰ নিৰ্দ্দোষিতা প্ৰমাণ আৰু প্ৰচাৰ কৰিবলৈ ধৰিলে আৰু যাতে আমাৰ সন্দেহৰ চকু সিহঁতৰ ওপৰত নপৰে, তাৰ অৰ্থে, বাহিৰৰ পৰা অহা চোৰৰ সম্পূৰ্ণ সম্ভৱপৰ বিষয়ে

কল্পনা, অনুমান, ব্যাখ্যাবাদ, বিচাৰ, সিদ্ধান্ত আৰু মত থিয় কৰি দেখুৱাবলৈ ধৰিলে। কিম্বদন্তিত প্ৰচলিত শ্ৰীযুত হোজা কোন আছিল, কব নোৱাৰোঁ, কিন্তু বৰ্ত্তমান ক্ষেত্ৰত যে তস্য ভ্ৰাতা শ্ৰীমান মোল্লা—এই প্ৰবন্ধ লিখক—সৌশৰীৰে বিদ্যমান আছিল, সেইটো নিৰ্ভুল আৰু তেৱেঁই মোল্লাৰ ভূমিকাৰ ভাও অতি সুচাৰুৰূপে দিছিল। তেওঁ নিজে ভাবিবই নোৱাৰিছিল আৰু আনে কলেও নামানিছিল যে তেওঁৰ দেখাত অতি নিৰ্দোষী ভৃত্যমণ্ডলীয়েই এই চৌৰ্য্যাভিনয় নাটকৰ প্ৰধান অভিনেতা অভিনেত্ৰী। পুলিচত খবৰ দিয়া হ'ল। পুলীচে বৃত্তান্ত শুনি আদ্যোপান্ত ঘটনাৱলী ৰিজাই মিলাই ভৃত্যমণ্ডলীৰ প্ৰশ্নোত্তৰ লৈখি লৈ বিচাৰ বিবেচনা কৰি সিহঁতৰ ওপৰতে সম্পূৰ্ণ সন্দেহৰ চকু দিলে। আনকি দুই এটাক গিৰিপ্তাৰ কৰি লৈ যাবও খুজিলে; কিন্তু মিণ্টৰ মোল্লাই সেই সন্দেহৰ কথা শুনি জিকাজিকাই উঠিল আৰু পুলিচক সেই ফালে মুখকে কৰিব নিদিলে। কাৰণ তেওঁৰ বিশ্বাস আছিল, তেওঁৰ ভৃত্যমণ্ডলটি আকাশৰ সপ্তৰ্ষিমণ্ডলৰে তেওঁৰ ঘৰত দ্বিতীয় তাণ্ডৰণ। তেওঁৰ গঢ় দেখি পুলিচ বিৰক্ত হৈ উভতি গুচি গ'ল, আৰু তাৰ পিছতো সেই নাটকৰ নিৰ্ব্বিঘাত অভিনয় দিনৌ চলিবলৈ ধৰিলে। দিনৌ পুৱা নতুন নতুন গঢ়েৰে চুৰি আত্মপ্ৰকাশিত হবলৈ ধৰিলে। এদিন নহয়, দুদিন নহয় দীঘল তিনিমাহ সেইদৰে চলিল। শেষত বন্ধু-বান্ধৱৰ পৰামৰ্শ গ্ৰহণ কৰি বজাৰৰপৰা এটা বন্দুক কিনি আনিলোঁ—চোৰক ভয় দেখুৱালৈ। বাস্তৱিকতে মোৰ হাতত বন্দুক দেখি প্ৰথমতে চোৰ-সংঘ সশংকিত হ'ল; আৰু সিহঁতে সিহঁতৰ অভিনয়, বন্ধ নহয়, স্থগিত কৰি, বন্দুকধাৰী গিৰিহঁতৰ আলেখলেখ চাবলৈ ধৰিলে। দুদিন চাৰিদিনৰ মুৰতে তীক্ষ্ণবুদ্ধি সম্পন্ন ভৃত্যমণ্ডলীৰ আৰু বুজিবলৈ বাকী নাথাকিল যে হাৰিণাৰ মুৰত প্ৰকাণ্ড শিং যেনে সিহঁতৰ গৰাকীৰ হাততো বিভীষণ বন্দুক তেনে। নিশ্চয় সিহঁতে সেই-দেখি গৰাকীৰ চকুৰ আঁৰত গৰাকীজনৰ চিকাৰ-কৌশলৰ প্ৰতি নিজৰ নিজৰ বৃদ্ধাঙ্গুষ্ঠি প্ৰদৰ্শন কৰি সম্মান প্ৰদৰ্শন নকৰি নাথাকিছিল। ফলত স্থগিত নাটকৰ পুনৰাভিনয় মহাসমাৰোহেৰে চলিল।

ইয়াৰ পিছত অনেক ঘটনা ঘটিছিল, সেইবোৰ লিখি এই প্ৰবন্ধৰ কলেবৰ বৃদ্ধি কৰিবলৈ গ'লে আলহীক ভোজ খাবলৈ মাতি, মহাভাৰতৰ অধ্যায় এটাকে মাথোন শুনাই খুৱাবলৈ পাহৰি বিদায দিয়াৰ নিচিনা হ'ব। আৰু 'আৱাহন'ৰ পাঠক-পাঠিকাই মৃগয়া লেখকৰ ব্যৱহাৰ দেখি তেওঁক গালি পাৰি নিজৰ নিজৰ ঘৰলৈ উভতি গৈ, ঘৰত থকা কোমল চাউল একোমুঠিকেই লৰালৰিকৈ তিয়াই হুটাকৈয়ে খাব লাগিব, নাইবা টেকেলিত থকা লোৱাপিঠাগুৰিত পানী দি এথামোচ গুৰ সানি ভোজন কৰি শয়ন কৰিব লাগিব। মুঠতে কওঁ যে আগ্নেয়াস্ত্ৰ অৰ্থাৎ বন্দুকৰে সৈতে মোৰ এই প্ৰথম পৰিচয়। প্ৰথম দৰ্শনত ওপজা প্ৰেম প্ৰায়ে নিটিকে। কিন্তু মোৰ এই প্ৰেম, অকল টিকিল যে এনে নহয় শেহত ই ঘনিষ্ঠতাত পৰিণত হ'ল অৰ্থাৎ হলিগলি অৱস্থাত পৰিলগৈ।

(২)

মহাযুদ্ধ চাৰি বছৰ চলিছিল। তাৰ দুবছৰৰ ভিতৰতে মোৰ স্বাধীন ব্যৱসায়ৰ দিনকদিনে পৰালি পৰি আহিবলৈ ধৰিলে। চেগুণ কাঠৰ ব্যৱসায় অলপ ডাঙৰকৈ কৰিবলৈ হলে অনেক ধন লাগে। ডাঙৰকৈ নকৰিলে ডাঙৰ পেটৰ কথাই নাই, নিয়মীয়া পেটো ভৰোৱা টান। মোৰ দুৰ্ভাগ্যবশতঃ সৰুৰে পৰা মোৰ পেট ডাঙৰ-ভাবে লালিত-পালিতহৈ ডাঙৰ হৈ পৰিছিল অলপ-অচৰপত মোৰ পেটৰ খুদখহুৰ খজুৱতিয়ে নমৰা হ'ল।

ব্ৰহ্মদেশৰ পৰা চেগুণ কাঠ আহে। ব্ৰহ্মদেশত য়ুৰোপীয় সদাগৰ সকলৰ সেই ব্যৱসায় এক প্ৰকাৰে একচেটীয়া অৰ্থাৎ অকলশৰীয়া। তেওঁলোকৰ য়ুৰোপীয় এজেণ্ট, কলিকতা, মাদ্ৰাজ, বোম্বাই আৰু কৰাচী আদি ঠাইত থাকে। সেই এজেণ্টসকলো ডাঙৰ ডাঙৰ সদাগৰী ফাৰ্ম্ম। কাঠৰ ব্যৱসায় কৰোঁতা সৰহভাগ ভাৰতীয়ই তেওঁ-লোকৰ মাৰ্ফত কাঠ আনে। খুচৰাখাচাৰা দুই-চাৰিখন কাঠ নহয়; একো একোটা ডাঙৰ 'কনছাইনমেণ্ট' অৰ্থাৎ খেপ। খেপত এশ-আদশ দুশ-পাঁচশ টন কাঠ আহে আৰু তাৰ বেচ দহহাজাৰ, কুৰি হাজাৰ, পঞ্চাশ হাজাৰ টকালৈকে হয়। তেওঁলোকৰ বিশ্বাসী ভাৰতীয় বেপাৰীসকলক এই য়ুৰোপীয় এজেণ্ট সদাগৰ, সকলে ৯০ দিনৰ কৰালত সেই কাঠ ধাৰে দিয়ে। যিদিনা সেই কাঠৰ দাম সমুলি পৰিশোধ কৰাৰ কথা হয়, সেইদিনা সেই টকা দিব নোৱাৰিলে বেপাৰীৰ ইজ্জত নাথাকে আৰু ভৱিষ্যতলৈ তেওঁ কাঠ ধাৰে নাপায়। তাৰ উপৰি ধন-সম্পত্তি তেওঁলোকে আদালতত নালিচ কৰি লব পাৰে। আমি দেশী বেপাৰীবোৰে য়ুৰোপীয় এজেণ্টৰ পৰা ওপৰত কোৱা দৰে কাঠ কিনি কলিকতাৰ আৰু আন আন ঠাইৰ সৰু সৰু বেপাৰীক বেচোঁহক। কিন্তু অধিকাংশ সময়ত আমিও সেই বেপাৰীসকলক ধাৰে বিক্ৰী কৰিবলগীয়াত পৰোঁ, কাৰণ তেনেকুৱাটোৱেই প্ৰচলিত দস্তুৰ; নহলে আমাৰ ব্যৱসায় অচল হয়।

যুদ্ধত প্ৰথম ডোখৰত জাৰ্ম্মানিৰ প্ৰতাপ আৰু ইংলণ্ডৰ প্ৰতাপ দেখি আমাৰ দেশী মানুহৰ অনেকে ঘাইকৈ লেখা-পঢ়া কম জনা বা নজনাবোৰৰ ভিতৰত বহুতে ভাবিছিল, যে কিজানি ইংৰাজৰ ৰাজত্বৰ ওৰ পৰেই। আমি কাঠ ধাৰে দিয়া সৰু সৰু বেপাৰীবোৰে ভাবিলোঁ, যদি দেশত গোলযোগ উপস্থিত হয়েই তেন্তে "কাৰ টকা কোনে ধাৰে?" ইয়াকে ভাবি তেওঁলোকে দিবলগীয়া দিনত টকা নিদি, আজি দিম, কাইলৈ দিম কৰিবলৈ ধৰিলে আৰু অনেকে নিজৰ কাঠৰ গোলা সামৰি ধনবিত লৈ নিজৰ গাঁও-ভুঁইলৈ পলায়ুদ্ধং কৰিলে। অথচ ইফালে আমি আমাৰ য়ুৰোপীয় জাহাজৰ এজেণ্টক কৰালমতে দিবলগীয়া টকা দিব-লগীয়াত পৰিলোঁ। ডাঙৰ মহাজন বা ব্যৱসায়দাৰৰ কথা সুকীয়া; কুৰি হাজাৰ, পঞ্চাশ হাজাৰ টকা তেওঁলোকৰ বন্ধহৈ থাকিলেও তেওঁলোকে কাম চলাই গৈ থাকিব পাৰে। কিন্তু এই লেখকৰ ধনৰ মোনা দীঘল নাছিল, গতিকে তেওঁ শোটমোট খাই পৰিল। এবছৰমানৰ ভিতৰতে তেওঁৰ ব্যৱসায়ৰ ফল অচল হ'ল। তেওঁৰ গাড়ী ঘোঁৰাকে আদি কৰি ঘৰ-সংসাৰ

চলোৱা আড়ম্বৰ আগৰ দৰেই সমানে থাকিল অথচ ঘৰৰ চাকিত তেল চকোল। মনত আছে, একো একোদিন পূৰ্বাণ ষ্টেটছমেন, খবৰকাকত বেচিহে তেওঁ বজাৰৰ খৰচ চলাব পাৰিছিল। নিৰুপায় অৱস্থাত ধৰুৱাবোৰৰ ওপৰত আদালতত মোকৰ্দ্দমাৰ মালা গুথি আঁৰি দিয়াটোকে থিৰ কৰি আঁৰি দিয়া হ'ল। কিন্তু দেৱানী মোকৰ্দ্দমা আজি কৰিলেই কাইলৈ সি টকাৰ পোৱালী জগাব এনে নহয়। গতিকে সেইফালেও সোনকালে পোহৰৰ জিলিঙনি দেখা নগ'ল। অৱশ্যে ভালেমান দিনৰ মূৰত গোচৰৰ ফলৰ কিছুমান হাতে ঢুকি পোৱা ধৰুৱাৰ পৰা ধন আদায় হ'ল যদিও সৰহখিনি ধৰুৱাৰ ধন আথাউনি পানীত বুৰিল। গোচৰ কৰি যিবোৰৰ পৰা ধন আদায় কৰিব পাৰিছিলো, সেই ধৰুৱাবোৰে অৱশ্যে ভালকৈয়ে শিক্ষা পাইছিল। বেঙে হেনো কেতিয়াবা সাপৰ পৰা ধন ধাৰে লৈছিল, বাৰিষা সাপে গাতৰ পৰা ওলাই বেঙক ধাৰ সাধিলে, বেঙে প্ৰথমতে এই বুলি ভাবুকি দিয়ে—"কাৰ কড়ি কোনে ধাৰে? কাৰ কড়ি কোনে ধাৰে?" কিন্তু সাপে যেতিয়া বেঙৰ টেটুটোত ধৰেহি, তেতিয়া বেঙে কাতৰ কণ্ঠেৰে কয়—"টকা নে-এ-এ। টকা নে-এ-এ।"

মই ভাবিলো, মোৰ ব্যৱসায়তো গলেই এতিয়া কিং কৰ্ত্তব্যং? পালে এটা চাকৰিকে কৰা উচিত; নতুবা "ভোজনং যত্ৰ তত্ৰচ, মৰণং গোমতী তীৰে, বা গঙ্গাতীৰে।" বাৰ্ডকোম্পানীৰ টিম্বৰ আৰু আন আন গোটাচেৰেক ডিপাৰ্টমেণ্টৰ বৰচাহাব মিষ্টৰ কাৰ্পেণ্ট্ৰিকেৰে সৈতে চিনাকি হৈ তেওঁৰ আগত মোৰ দুখৰ কাহিনী ক'লত, তেওঁ মোক তেওঁলোকৰ ফাৰ্ম্মত চাকৰি এটা দি সহায় কৰিবলৈ গাত ললে। বাৰ্ড কোম্পানীৰ ঘাই বৰচাহাব আইৰণ ছাইডৰ ওচৰলৈ তেওঁ মোক লৈ গ'ল। আইৰণ ছাইডে মোক দেখি-শুনি মোৰে সৈতে কথাবাৰ্ত্তা কৈ সন্তুষ্ট হৈ, জষ্টিচ্ ছাৰ আশুতোষ চৌধুৰীৰ পৰা মোৰ বিষয়ে এখন চিঠি আনিবলৈ মোক ক'লে। সেই চিঠি অনায়াসে আনি দিলত তাৰ পিছ দিনাৰ পৰা তেওঁলোকৰ ফাৰ্ম্মত মিষ্টৰ কাৰ্পেণ্ট্ৰিকৰ তলত মোক কাম কৰিবলৈ মিষ্টৰ আইৰণ ছাইডে মোক হুকুম দিলে। মোৰ দৰমহা হ'ল ১৫০ টকা। যদিও তেতিয়া মোৰ ঘৰৰ চাকৰ-নাকৰ, কচোৱান-চহিচ আৰু কেৰাণীৰ দৰমহা গোটালে দুশ টকাৰো ওপৰে মই মাহেকত দিব লাগিছিল, তথাপি মই এই দৰমহাকে স্বীকাৰ কৰি, বেজীটো হৈ ফাৰ্ম্মত সোমাই লবলৈ থিৰ কৰি বাৰ্ডকোম্পানীৰ বৰচাহাবক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। ১৯১৬ চনৰ পৰা ১৯১৭ চনলৈকে প্ৰায় এবছৰ মই বাৰ্ড কোম্পানীৰ কলিকতাৰ অফিচত কাম কৰোঁ। কোম্পানীয়ে মাহেকত দুবাৰ তিনিবাৰকৈ দহ-বাৰ দিনৰ নিমিত্তে মোক "চিভিলচেনিটৰি" আৰু "টিম্বৰ বিজনেছৰ" উন্নতিৰ নিমিত্তে "কেনভেছাৰৰূপে" চাৰিওফালে মফচলৈলৈ পঠিয়াইছিল। আৰু সেই আলমতে মই বঙ্গ, বিহাৰ, উৰিষ্যা আদি অনেক ঠাইত ফুৰিছিলো। বঙ্গ দেশৰ চান্দপুৰ, চিটাগং, বৰিশাল আদি ঠাইত, উত্তৰ আৰু দক্ষিণ বেহাৰত; সিফালে এলাহাবাদ পৰ্য্যন্ত, আৰু ইফালে নাগপুৰ, বিলাসপুৰ, ৰায়পুৰ, সম্বলপুৰ আদি ঠাইত মই ঘূৰি ফুৰিছিলোঁ।

১৯১৭ চনৰ শেষছোৱাত সম্বলপুৰৰ বাৰ্ডকোম্পানীয়ে বেহাৰউৰিষ্যা গবৰ্ণ-

মেণ্টৰপৰা পাঁচ বছৰৰ নিমিত্তে বন্দবস্ত কৰি জংঘল ললে। তাৰ আগেয়ে মই সম্বলপুৰলৈ আহোঁতে ডিভিজনেল ফৰেণ্ট অফিচৰৰে সৈতে দেখা কৰি সেই বিষয়ে ঠিক কৰিছিলো। জংঘল লোৱা হলত বাৰ্ডকোম্পানীয়ে মোক তেওঁলোকৰ জংঘলৰ কাম 'মেনেজ' কৰিবৰ নিমিত্তে সম্বলপুৰলৈ পঠিয়াই দিলে, আৰু মোৰ দৰমহা ২০০ টকা হ'ল। তাৰ উপৰি মোৰ থকা ঘৰৰ কেৰেয়া, চাকৰ, চাপৰাচীৰ দৰমহা আৰু গাড়ীৰ খৰচ কোম্পানীয়ে দিছিল। ১৯১৭ খ্ৰীষ্টাব্দৰ ছেপ্তেম্বৰৰ মাহত মই সম্বলপুৰলৈ উঠি আহিলোঁ। ইয়াৰ ছমাহমানৰ পিছতে মিষ্টৰ কাৰ্কপেট্ৰিকে বাৰ্ডকোম্পানীৰ ইঞ্জিনিয়াৰিং ডিপাৰ্টমেণ্টৰ বৰচাহাব মিষ্টৰ ডফক লগত লৈ মোৰ কাম চাবলৈ সম্বৰপুৰলৈ আহি মোৰ লগতে মোৰ ঘৰত আছিল। আৰু উন্নতি যাবৰ দিনা তেওঁ মোৰ দৰমহা বঢ়াই ৩০০ শ কৰি দি গ'ল। মই বাৰ্ডকোম্পানীৰ 'ফৰেষ্ট বিজিনেছ'ত প্ৰায় এঘাৰ বছৰ এই সম্বলপুৰতে থাকি কাম কৰিছিলো আৰু মোৰ দৰমহা, কমিছন, পিছত আৰু অনেক বাঢ়িছিল, যাৰ বিষয়ে এই প্ৰবন্ধত কোৱাটো অনাৱশ্যক।

কোনো কোনোৱে এইখিনিতে কব পাৰে যে লেখকে তেওঁৰ মৃগয়াৰ কথা কবলৈ গৈ এইখন কি বকলা মেলিলে। মই কওঁ সঁচা। বুঢ়া হলে মানুহ 'গেৰুলাছ' অৰ্থাৎ কথাচহকী হয় ই তাৰে চিন; যদিও যমে আশয় পাব দেখি মই বুঢ়া হৈছোঁ বুলি সৈ নাকাঢ়ো। বুঢ়াক কোনেও কাপ ধৰিবলৈ কোৱাই উচিত নহয, কলেই সাতকাণ্ড ৰামায়ণৰ লগতে কলঠোকা বাদুলিয়ে খোৱা কথাও বুঢ়াৰ পৰা তেওঁ শুনিবলৈ বাধ্য আৰু তাৰ নিমিত্তে বপুৰা প্ৰস্তুত হৈ থকাই উচিত।

মই সম্বলপুৰলৈ আহিলত বাৰ্ডকোম্পানীয়েও সম্বলপুৰত থকা তেওঁলোকৰ গ্ৰেফাইটৰ কামো মোৰ গাতে জাপি দিলে। সম্বলপুৰত ঘাইকৈ মোৰ হাবিত কাম। হাবিত বাঘ, ভালুক, বৰাৰ বাসস্থান ;·গতিকে মোৰ হাতত বন্দুকৰ বাসস্থান হোৱাটো শাস্ত্ৰসম্মত। এটা দুনলী বন্দুক আৰু এটা ৪০৫ উইনছেষ্টৰ ৰাইলো কিনি লৈ মই বন্দুক মৰা কল-কৌশলবোৰ শিকি ললোঁ, আৰু এখোজ দুখোজকৈ মৃগয়া নামক ব্যসনত আসক্ত হলো। নিৰীহ চৰাই-চিৰিকতিৰ পৰা আৰম্ভ কৰি ভীষণ জংঘলী জন্তুৰ গালৈকে মোৰ হাত উঠিবলৈ ধৰিলে। হাবিৰ বৰগছ আৰু মহুৱা গছত হাইঠা জাকে জাকে পৰে বিশেষকৈ বৰ গছৰ ফল পকিলে আৰু মহুৱাৰ ফুল ফুলিলে। বন্দুকৰ গুলী এজাই মাৰি দিলেই তিনিটা-চাইটা হাইঠা টলৰ টলৰ কৰে সৰি পৰে। হাইঠা খাবলৈকো ভাল। গতিকে জীৱ হত্যাবিৰাগী পৰুষজনৰ অচিৰতে জীৱ-হত্যানুৰাগী হোৱাৰ ফালে আকৰ্ষণ প্ৰবল হৈ উঠিল।

জাৰকালি হিমালয় প্ৰদেশৰ ফালৰ পৰা এই ফালে অনেক জাতৰ ৰাজহাঁহ, আহি মহানদী আৰু বিল, বন্ধ পুখুৰী প্ৰভৃতিত পৰেহি। খিতৰাজ, লালমুণ্ডী, হুইচ্‌লিংটেল, কটনটিল, চাকৈচকোৱা ঘিলাহাঁহ, ডাউক, কোঢ়া, কামচৰাই ইত্যাদিয়ে কোঢ়াল কৰে আৰু জলচৰ জন্তু মাছ, পোক, শামুক আৰু উদ্ভিদ জাতীয় পদুম, ভেট, শেলুক, শিঙৰি দ'লঘাঁহ ইত্যাদিৰ শান্তি ভঙ্গ কৰে। লাহে লাহে মই সেই-

বোৰৰ ওপৰত গুলী চলাই নৈ, বিল, পুখুৰীবাসী 'ৰয়েল' প্ৰাণীবোৰৰ শান্তি ৰক্ষাৰ নিমিত্তে 'ল এণ্ড অৰ্ডাৰ'ৰ সন্মান ৰক্ষা কাৰ্য্যত অভ্যস্ত হলোঁ। আমাৰ ঘৰৰ ৰাণীৰ অনুগ্ৰহ-নিগ্ৰহৰ ওপৰত এই লেখকৰ ভোজানানন্দ বা নিৰানন্দ ঘটে। তেখেত আৰু তেখেতৰ লোণ খোৱা ভৃত্যবৃন্দই এই শান্তি ৰক্ষকৰ "বিক্ৰম দেখি, পৰম বিস্ময় মনে" আহ্লাদেৰে চৰাইৰ মঙহ লগে ভাগে ভোজন কৰি তৃপ্তি লাভ কৰি শান্তিৰক্ষকক উৎসাহিত কৰিবলৈ ধৰিলে। ফলত অচিৰতে এই বৃত্তান্ত লেখক এজন লেখত লব-লগীয়া চিকাৰী হৈ উঠিল।

চৰাই মৰাৰ পিচতে যেতিয়া চৰাইটো ধৰি তুলি আনো—বিশেষকৈ হাইঠা, তাৰ ৰক্তাক্ত শৰীৰ দেখি তেতিয়াও মোৰ মনতো যে ভালকৈয়ে আঁচোৰ লাগি ৰক্তৰ ফল্গু নৈ নবৈছিল এনে নহয়। মনটো দৃঢ় কৰিবৰ নিমিত্তে কালিদাসৰ শকুন্তলা নাটকৰ পৰা দিনদিয়েক এই শ্লোকটো মাতিবলৈ ধৰিলোঁ ;—

মেদশ্ছেদকৃশোদৰং লঘু ভবত্যুৎসাহযোগ্যং বপুঃ
সত্ত্বানামপি লক্ষতে বিকৃতিমচ্চিত্তং-ক্ৰোধযোঃ।
উৎকৰ্ষঃ স চ ধন্বিনাং যদিষবঃ সিধ্যন্তি লক্ষ্যে চলে
মিথ্যৈব ব্যসনং বদন্তি মৃগয়ামীদৃগ্বিনোদঃ কুতঃ ॥

অৰ্থাৎ,—মৃগয়াৰ দ্বাৰা মেদ কমি যোৱা বাবে পেট সৰু হয়, শৰীৰ পাতল আৰু উৎসাহবিশিষ্ট হয় আৰু জীৱবোৰৰ ভয় আৰু ক্ৰোধ হলে সিহঁতৰ কেনেকুৱা চিত্তবিকাৰ হয়, সেইবোৰো জানিব পৰা যায় আৰু জন্তুবোৰ লৰি যাওঁতে লক্ষ্যভেদ কৰিব পাৰিলে, চিকাৰীৰ মনত আনন্দও হয়। এতেকে মনুপ্ৰভৃতি শাস্ত্ৰকাৰসকলে যে মৃগয়াক ব্যসন বুলি দোষ দিছে, সেইটো অযথাৰ্থ। মৃগয়াৰ নিচিনা আমোদ আন একোতে নাই।

আচৰিত শ্লোক-মন্ত্ৰৰ মহা গুণ পৰিলক্ষিত হ'ল আৰু জীৱ-জন্তু ৰক্তাক্ত শৰীৰ দেখিলে মোৰ মনত ফুটা পানীজোলাবোৰ কাঠ বান্ধিবলৈ ধৰিলে। সেই পৰিমিত মই চাৰিঠেঙীয়া জন্তুৰ ওপৰত গুলি চলাবলৈ চল পোৱা নাছিলোঁ। হাবিলৈ যাওঁ কিন্তু মোৰ লগত যোৱা চাপৰাচীৰ কান্ধত সদায় বন্দুক দিহে যাওঁ, "পাদমেকং ন গমিষ্যামি।"

এদিন পুৱা আঠমান বজাত হাবিৰ পৰা, টঙাত উঠি সন্দপুৰৰ ফালে আহিছিলো। হাবিৰ মাজৰ বাটতে দেখিলোঁ মোৰ আগেদি আলিৰ ইপাৰৰ পৰা সিপাৰলৈ প্ৰকাণ্ড শিং থকা ফুটুকাফুটুকী পহু এটা যাব লাগিছে আৰু পাছে পাছে পাঁচজনী মাইকী পহু। মোৰ টঙাৰ গৰু খেদোৱা মানুহটোৱে হঠাৎ টঙাখন ৰাখি মোক কলে, "হুজুৰ! চিতল চিতল মাৰিয়ে।" মই লৰালৰিকৈ বন্দুকটো লৈ টঙাৰ পৰা ভূমিষ্ঠ হলোঁ। পহু কেইটাই ভেলেঙা লাগি মোৰ ফালে চাই ৰ'ল। ভাবিলোঁ একে গুলীয়ে মতাটো ওফৰাই দিওঁ। চৰকাৰী আইনমতে মাইকী পহু মাৰিব নাপায়। মই বন্দুকটো মতা পহুটোৰ ফালে টোৱাই বন্দুকৰ ঘোৰাটো তুলি কৈ

আছোঁ, কিন্তু গুলী এৰি দিয়া নাই। টঙাৱালাটোৱে ব্যস্ত হৈ ফুচফুচাই ক'লে, "হুজুৰ! ফায়াৰ কৰিয়ে, কৰিয়ে!" মই কিন্তু ফায়াৰ নকৰি পহুকেইটাৰ আলেখলেখ চাই সামাজিক তত্ত্বৰ মীমাংসাত প্ৰবৃত্ত হলোঁ। যথা মই কি কৰিবলৈ গৈছোঁ। শিঙাল মতা পহুটো Polygamous অৰ্থাৎ বহুবিবাহকাৰী। যদি তাক নিষ্ঠুৰভাৱে হত্যা কৰোঁ, তেন্তে তাৰ এই পঞ্চ মাহিষী অনাথা বিধবা হব। ভাৰতৰ পৰা এতিয়াও পলিগেমিৰ অৰ্থাৎ বহুবিবাহৰ উচ্ছেদ সাধন হোৱা নাই; এতেকে ইয়াৰে বা দোষ কি? ক্ষন্তেকৰ উত্তেজনা আৰু সুখৰ নিমিত্তে এনে পাপ কাৰ্য্য কৰাটো মোৰ উচিত হবনে? স্বামীৰ অবিহনে অনাথা অবলাহঁতৰ কি গতি হব? ইয়াকে ভাবি থাকোঁতে সিফালে বঙালী বমালী কুলিন প্ৰথা সমৰ্থক শিঙাল পহুটোৱে একে জেৱেই হাবিত প্ৰৱেশ কৰিলে, আৰু পত্নীবৃন্দইও ততালিকে স্বামীৰ অনুগমন কৰিলে। মই ভোটা হৈ দাৰ্শনিক চিন্তাৰ গতি অতি তীব্ৰভাৱে অৱৰোধ কৰি পুনৰায় টঙাৰোহণ কৰিলোঁ। তাৰ পিছত ভালেখিনি পৰলৈকে মই টঙাৱালাটোৰ মুখৰ ফালে চোৱা নাছিলোঁ। হঠাৎ এবাৰ তাৰ মুখত মোৰ চকু পৰা মাত্ৰকে দেখিলোঁ, তাত মোৰ প্ৰতি বিৰক্তি আৰু সম্ভৱতঃ ঘৃণাৰ ভাব।

১৯১৭ খৃষ্টাব্দৰ অক্টোবৰ মাহত প্ৰথমতে মই মেঘপাল নামৰ ঠাই এডোখৰৰ এখন জংঘলত মোৰ কাম আৰম্ভ কৰিলোঁ। মেঘপাল সম্বলপুৰৰ পৰা প্ৰায় ত্ৰিশ মাইল দূৰত। তাৰ জংঘলখনৰ নাম পৰ্চলিখানম। পৰ্চলি ডাঙৰ জংঘল। তাতে তিনি বছৰ মোৰ কাম চলিছিল। ঘাইকৈ ৰেলত ব্যৱহাৰ হোৱা শ্লিপৰ গৰুৰ গাড়ীৰে সম্বলপুৰৰ ৰেলৰ ষ্টেছনৰ কাষৰ আমাৰ কাঠৰ ডিপোলৈ পঠিয়াই, তাত ৰেলৰ ইঞ্জিনিয়েৰৰ দ্বাৰাই পাছ কৰাই দিয়াটোৱেই মোৰ ঘাই কাম আছিল। কওঁতে একে উশাহতে কথাবোৰ কৈ গলোঁ কিন্তু কাৰ্যত ই বাৰিষা ভৰা ব্ৰহ্মপুত্ৰত চুচীয়া নাৱেৰে পাৰি দিয়াৰ নিচিনা। ইমান আহুকলীয়া কাম যে, সেই আহুকালবোৰৰ কথা ক'লে ওৰ নপৰে।

মোৰ হেডকোৱাৰ্টৰ অৰ্থাৎ আচল থকা ঠাই হল সম্বলপুৰ। মেঘপাললৈ গৈ তাতো এটা ডাঙৰ বঙলা সজাই লৈছিলোঁ। বঙলাটো ভালকৈয়ে কৰাইছিলো, কাৰণ সি অন্ততঃ তিনি বছৰ বাসোপযোগী হব লাগিব আৰু তাৰ উপৰি বাৰ্ড কোম্পানীৰ বৰচাহাব মাজে মাজে আহি তাত থাকি হাবিৰ কাম পৰীক্ষা আৰু সেই সুযোগতে চিকাৰ কৰিবলৈ আহিবৰ কথা। কাৰ্য্যত তেনে ঘটিছিলো।

মাহেকত তিনি-চাৰিবাৰকৈ সম্বলপুৰৰ পৰা মেঘপাললৈ গৈছিলো। যাবৰ বাহন টঙা। টঙা হৈছে, বলদ গৰু এহালেৰে টনা, এইফালে আৰু চেণ্ট্ৰেল প্ৰভিঞ্চৰ ফালে প্ৰচলিত এবিধ গাড়ী। ভাল বলদ গৰুহাল হলে, টঙাক ঘোঁৰাৰ গাড়ীয়েও চেৰ পেলাব নোৱাৰে। আজিকালিহে মটৰ গাড়ীয়ে দেশ জুৰি পৰিছে। কিন্তু সেই কালত টঙাৰ চলতিহে বেছি আছিল। পৰ্ব্বতীয়া ঠাইত ঘোঁৰাৰ গাড়ীতকৈ গৰুৰ টঙাহে বেছি কাৰ্য্যকৰী। শিলনি বাটত ঘোঁৰা সোনকালে খোৱা হয়; কিন্তু গৰু নিপৰোৱা। মই টঙাৰে সম্বলপুৰৰ পৰা মেঘপাললৈ দুদিনে গৈছিলোঁ আৰু দুদিনে

উভতি আহিছিলো। মাজে মাজে সপৰিবাৰে সৰু টাটু ঘোঁৰা এটা মোৰ ঘৰজনী আৰু মাজুজনী ছোৱালীক কিনি দিছিলোঁ। সিহঁতৰ এজনীয়ে আমাৰ টঙাৰ লগে লগে ওচৰে ওচৰে ঘোঁৰাত উঠি গৈছিল।

ঘামকালি এদিন আমাৰ মেথপালৰ বঙলাতে আবেলি বেলিকা চাহ খাই আছিলোঁ. এনেতে মানুহ এটাই লৰি খবৰ দিলেহি যে ওচৰৰ খাল এটাত ভালুক এটাই পানী খাইছেহি। খপ্ কৰে বন্দুকটো হাতত লৈ মই ভালুক মাৰিবলৈ উঠিলোঁ। আৰু যেই উঠা, গৃহিণী আৰু তেওঁৰ যুগল কন্যাৰত্নই মোক সাবট মাৰি ধৰিলে, যাব নিদিয়ে। মই যাবলৈ যিমান চেষ্টা কৰিলোঁ সিমান এই স্ত্রী ত্রিমূৰ্ত্তিৰ হাতত কটকটীয়া ভাবে বন্দী হৈ পৰিলো। শেহত তেওঁলোকে মানুহ পঠিয়াই ভালুকটো হুৰাইদি খেদাই পঠিয়াইহে মোক তেওঁলোকৰ বাহু-বন্ধনৰ পৰা মুক্তি দিলে।

আৰু এদিন সন্ধ্যা লাগি ভগাৰ সময়ত আমি মেঘপালৰ বঙলাত বহি থাকোতে হাই-উৰুমি আৰু ভগাটিনত কোব শুনিলো। আৰু কিছুমান মানুহে হাতত ধানখেৰৰ জুমুঠিত জুই লগাই লৈ লৰি ফুৰা দেখিলো। ব্যাপাৰটো কি বুলি ভু· ললত জানিবলৈ পোৱা গ'ল যে বনৰীয়া হাতী এটাই ওচৰতে ধাননিত সোমাই ধান· খাব লাগিছে। যেই শুনা, তৎক্ষণাৎ এই বহাবীৰে বন্দুকলৈ সেইফালে চোচা লব খোজোঁতেই আকৌ সেই পুৰণি ভালুক ব্যাপাৰৰ পুনৰাভিনয় হ'ল, পূৰ্ব্বৰতে বন্দী হ'ল।

এদিন পুৱা ৯ মান বজাত মই আমাৰ বঙলাৰ প্ৰায় আধা মাইল দূৰৰ হাবিত সপৰিবাৰে ফুৰিবলৈ গৈছিলোঁ। ইচ্ছাটো, যদি বনৰীয়া কুকুৰা চৰাই দেখোঁ, মাৰিম আৰু আনি দস্তুৰমতে ভোজন কৰিম। এটা চাপৰাচীৰ হাতত মোৰ বন্দুকটো দি যাবলৈ ধৰিলোঁ। চাপৰাচীটো যদিও আমাৰ পাছে পাছে আহিছিল, তথাপি সি অলপ পাছ পৰিল। মই মোৰ গৃহিণী আৰু ছোৱালী তিনিজনীৰে সৈতে সৰু পৰ্ব্বত এটাৰ ওপৰত উঠি শিল এটাৰ ওপৰতে অলপ থিয় দিছোঁ এনেতে দেখিলোঁ এটা ভীষণ বুঢ়া ভালুক ওলাই আহি আমাৰ আগেদি গজপতি গমনেৰে যাবলৈ ধৰিলে। বন্দুক আন, বন্দুক আন, বুলি মই চাপৰাচীটোক যিমান পাৰো লাহে লাহে মাতোঁহে মাতোঁ, সি ওচৰকে পোৱাহি নাই। ভালুকটোৱে আমাৰ কটাক্ষ কৰি চাই তুচ্ছ-তাচ্ছিল্য প্ৰদৰ্শন কৰি ধীৰ মন্থৰ গতিৰে হাবিত প্ৰবেশ কৰি অদৃশ্য হ'ল। সৌভাগ্যগুণে মোৰ বীৰত্বৰ বিকাশৰ সুযোগ নঘটিল সৌভাগ্যগুণে বুলিছোঁ এইবাবে যে বন্দুকটো মোৰ চাপৰাচীৰ হাতত আছিল আৰু সি কিছু দূৰ পাছ পৰি আহিছিল। যদি বন্দুকটো মোৰ হাতত থাকিলহেঁতেন তেন্তে আগগুৰি নাভাবি মই ভালুকৰ গালৈ গুলী মাৰি দিলোঁহেতেন। গুলী তাৰ মৰ্ম্মস্থানত নপৰি য'তে-ত'তে লগাহেঁতেন, সি অলপ অচৰপ জখম হলহেঁতেন যদিও কিজু উভতি ধৰি আমাক আক্ৰমন নকৰি নোৰলেহেঁতেন। ফলত কাৰ কি হলহেঁতেন নেদেখা জনেহে তাক জানিব পাৰিছিল। ভালুক বৰ লেকেটীয়া জীৱ। আচল ঠাইত নালাগিলে দুই-চাৰি গুলীত সি নমৰেই। গুলী-খোৱা ভালুকে খঙত আগত যাকে পায় তাকে

আক্ৰমণ কৰে। অনেক সময়ত খেদাচিকাৰত দেখিছোঁ দুটা কি তিনিটা ভালুক অগাপিছাকৈ যাব লাগিছে। গছত বন্ধা ওখ চাঙৰ ওপৰৰ পৰা প্ৰথমটোক গুলীয়ালোঁ। সি গুলী খাই আগত কাকো নেদেখি উভতি পাচলৈ চাই তাৰ লগৰীয়া ভালুকটো দেখি ভাবিলে যে সেই পাছটোৱে তাক আক্ৰমণ কৰিছিল। তৎক্ষণাৎ সি পাচৰটোৰে সৈতে তুমুল সংগ্ৰামত প্ৰবৃত্ত হ'ল।

( ৩ )

দুঠেঙীয়া জন্তুত হাত পকাই লৈ এতিয়া চাৰিঠেঙীযা জন্তুলৈ হেপা মেলিবলৈ মোৰ হেঁপাহ হ'ল। হেঁপাহ দিনকদিনে অদম্য হৈ উঠিল। সম্বলপুৰৰ তিনি চাৰিজন চিকাৰী বন্ধুৰে সৈতে পৰামৰ্শ কৰি লগ লাগি এখন হাবিত খেদা-চিকাৰৰ ( Beat ) বন্দৱস্তু কৰিলোঁ। সেই বন্ধুকেইজনৰ এজন ডেপুটি মেজিষ্ট্ৰেট এজন এক্চাইজ ছুপাৰিণ্টেণ্ডেণ্ট, এজন তহচিলদাৰ আৰু আনজন ছবৰেজিষ্ট্ৰৰ। চিকাৰ কৰিবলৈ থিৰ কৰা হাবিত সুবিধা বুজি, গছৰ ডালত তিনিখন ওখ চাং সুকীয়াকৈ আঁতৰে আঁতৰে বন্ধোৱা গ'ল। ছবৰেজিষ্ট্ৰৰ চিকাৰী নহয় কিন্তু চিকাৰ চাবৰ তেওঁৰ হেঁপাহ। সেই দেখি একচাইজ ছুপাৰিণ্টেণ্ডেণ্টৰ লগত বহুৱাই দিযা হল। ডেপুটি মেজিষ্ট্ৰেটজন বিখ্যাত চিকাৰী। তেওঁ অকলেই এখন চাঙত বহিল। তহচিলদাৰৰ হাতত বন্দুক নাছিল, সেইদেখি তেওঁ মোৰ লগতে বহিল। আমি চাঙত উঠি প্ৰস্তুত হৈ ললত, সংকেতমতে 'বিট' অৰ্থাৎ খেদ আৰম্ভ হ'ল। তিনিকুৰিমান "বিটৰে" অৰ্থাৎ খেদাকৰা মানুহে অনেক দূৰৰ পৰা হাইহুইকৈ আমাৰ ফালে বনৰীয, জন্তু খেদি আনিবলৈ ধৰিলে। প্ৰথমতে অনেক দূৰৰ পৰা সিহঁতৰ হাই-উৰুমিৰ শব্দ আমাৰ কাণত ৰিণি-ৰিণি পৰিবলৈ ধৰি ক্ৰমে ওচৰ চাপি ডাঙৰ হৈ আহিল। আধাঘণ্টামানৰ পিছত দেখিলোঁ মোৰ চাঙৰ, কাষতে, দেখিবলৈ খুব সুন্দৰ জন্তু এটি থিয় দি আছে। মই তেনেকুৱা জন্তু আগেয়ে দেখা নাছিলো। দিলোঁ গুলী মাৰি। গুলি লাগি জন্তুটো নিশবদে তাতে বাগৰি পৰিল। তেতিয়াও সিফালে খেদা চলি আছে। খেদা শেষ নহলে ডাঙৰ চাঙৰ পৰা মাটিলৈ নমাটো যুক্তিযুক্ত নহয় ; সেই দেখি আমি নমা নাই। এনেতে ডেপুটীজনৰ ফালৰ পৰা ৰাইফোলৰ গুলিৰ আৱাজ ওপৰা-উপৰিকৈ শুনিলো, আৰু লগে লগে কিবা এটা ডাঙৰ জন্তুৰ নানা ৰকমৰ চিঞৰে হাবিখন তল-ওপৰ কৰিবলৈ ধৰিলে। গোজৰ, গোঁগোৱনি আৰু ডাঙৰ কৰতেৰে হাবিত ডাঙৰ কাঠ ফলাৰ নিচিনা শব্দবোৰ আমাৰ কাণত পৰিল। মই তেতিয়াও বুজিব পৰা নাই, সেইটো কি জন্তুৰ চিঞৰ ; কাৰণ মোৰ পক্ষে সি নতুন। অলপ পৰ পিছতে এক্চাইজ ছুপাৰিণ্টেণ্ডেণ্টৰ ফালৰ পৰাও বন্দুকৰ আৱাজ আমাৰ কাণত পৰিল। খেদা কৰা মানুহবোৰে বন্দুকৰ আৱাজ শুনি আৰু বেছিকৈ হাইউৰুমি কৰিবলৈ ধৰিলে আৰু সিহঁতৰ ভিতৰৰ অতি টেঙৰবোৰ টপ্ টপ্ কৈ গছত উঠিল, যদি বাঘ ওলাইছে, এই ভয়ত। ডেপুটি বাবুৰ বন্দুকৰ মাত যদিও বন্ধ হল, কিন্তু গুলীখোৱা জন্তুটোৱে

তেতিয়াও চিএৰিৰ হাবি খলক লগাবলৈ এৰা নাছিল। সেই হাবিখনত যদি বনদেৱী-সকল থাকিলহেঁতেন তেওঁলোকে নিশ্চয় সশংকিত আৰু বিৰক্ত হৈ দূৰৰ কোনোবা বৰ গছৰ তলত এনেকুৱা দুখৰ গীত ধৰিলেহেঁতেন :—

"কে এল আজি এ
ঘোৰ নিশীথে,
সাধেৰ কাননে,
শান্তি নাশিতে।
ঘুমন্ত বিহগে,
কেনে বধে ৰে,
সঘনে খৰশৰ সন্ধিৰা
তৰাসে চমকিযে
হৰিণ হৰিণী,

স্খলিত চৰণে ছুটিছে।" ইত্যাদি ( ৰবীন্দ্ৰনাথ ) আমাৰ দ্বাৰাই হাবিৰ শান্তি নাশ ঘটিছিল যদিও সি কিন্তু আবেলি বেলিকা। গতিকে আমি এক আঙুল কম জগৰীয়া।

সিফালে একচাইজৰ বন্দুকে গুড়ুম গুড়ুম কৰিয়েই আছে ; বিৰাম নাই। কিন্তু সেইফালৰ পৰা কোনো জন্তুৰ চিএৰ আমাৰ কৰ্ণগোচৰ হোৱা নাই। সমুখৰ ফালৰ পৰা খেদা কৰা মানুহবোৰে আমাৰ ওচৰ চাপি অহা আমি দূৰৰ পৰা দেখিবলৈ পালোঁ। সেই দেখি নিৰ্ভয় মনেৰে তহচিলদাৰ আৰু মই চাঙৰ পৰা নামি এখোজ দুখোজকৈ একচাইজৰ চাঙৰ ফালে যাবলৈ ধৰিলোঁ। এমুৰে মোৰ চাং আৰু সিমুৰে ডিপুটীৰ চাং ; একচাইজৰ চাং মাজতে। গৈ দেখিলোঁ, একচাইজ ছুপাৰিণ্টেণ্ডণ্ট মাটিত থিয় হৈ আছে। আৰু তেওঁৰ আগতে দহ-বাৰ হাতমান দূৰত ভালুক এটাই অনেক গুলী খাই অবশ হৈ থিয় দি আছে। সি বাগৰিও পৰা নাই অথচ তাৰ গা তেজেৰে তুৰঙালি মোক দেখি একচাইজে কলে যে তেওঁৰ কাৰ্টিজ এটাইবোৰ ঢুকাল ; কিন্তু ভালুকটো এতিয়াও মৰা নাই ; সেই দেখি মোৰ হাতত থকা কাৰ্টিজ গোটেই-বোৰকে তেওঁক দিব লাগে। মই হাত মেলি দুটা বুলেট কাৰ্টিজ তেওঁক দিলোঁ ; তেওঁ বন্দুকত খাজি ললে। ছবুৰেজিষ্ট্ৰৰ কিন্তু তেতিয়াও চাঙৰ ওপৰৰ পৰা নমা নাই। তেওঁ চাঙৰ ওপৰৰ পৰাই আমাক ক'লে,—চাওক ভালুকটো এতিয়াও মৰা নাই। আপোনাসকলে মাটিত থাকি ভাল কাম কৰা নাই। গুলী খোৱা ভালুকে যদি আপোনালোকক ধৰেহি, তেতিয়া কি হব ? যেই কথা শুনিলো—মই ভয় খাই লৰি তেওঁ বহি থকা চাঙত উঠিবলৈ গ'লোঁ। চাঙত উঠিবলৈ লগাই থোৱা জখলাটোত ধৰি তাৰ খোপে খোপে উঠি গৈছোঁ, চাং পাবলৈ আৰু এটা কি দুটা ঢাপ আছে ; এনেতে মোৰ ভৰি পিচলিল। তাৰ আগতে মোক চাঙত উঠিবলৈ যোৱা দেখি তহচিলদাৰেও ভয় খাই মোৰ পাছে পাছে জখলাত উঠিছিল। ভয়ত খপজপাই মই

জখলাত উঠাৰ বাবেই মোৰ তেনে হৈছিল। জখলাৰ আদীখনি বাটত থকা বগ্‌ৰাঃ তহচিলদাৰকো, মই খহি পৰি মোৰ লগতে বগৰাই আনিলো। খন্তেকতে জখলাৰ গুৰিত মাটিত দুয়ো শোটমোট খাই পৰিলো। অৱশ্যে মই তহচিলদাৰৰ ওপৰত আৰু তহচিলদাৰ মোৰ তলত। সিফালে একচাইজে, মই দিয়া গুলী দুটাৰে ভালুকৰ প্ৰাণবায়ু বহিৰ্গত কৰি দিলে ; ভালুক মৰি বাগৰি পৰিল।

ছব্‌ৰেজিষ্ট্ৰৰ খুহুটীয়া মানুহ। তেওঁ ধেমেলীয়া কথা কোৱাত কাজী। যেই ভালুকটো মৰিল, তেওঁ নিৰ্ভয় হ'ল আৰু তেওঁৰ হাঁহি আৰু পেংলাইৰ থুনপাকৰ মুখ মুকলি হ'ল। তেওঁৰ হাঁহিৰ প্ৰধান উপাদান হ'ল, ক্ষন্তেকৰ আগতে সংঘটিত মোৰ আৰু তহচিলদাৰৰ জোটাশলীয়া Somersault অৰ্থাৎ জখলাৰ পৰা ওলোটাখৰ। মহাআনন্দৰে চাঙৰ ওপৰৰ পৰাই এই বৃত্তান্তৰ অতিৰঞ্জিত বিশদ বৰ্ণনা একচাইজ ছুপাৰিণ্টেণ্ডেণ্টৰ আগত তেওঁ দিবলৈ ধৰিলে। কাৰণ এক্‌চাইজৰ চকু একেবাহে ভালুকটোৰ ফালে থকাৰ নিমিত্তে তেওঁৰ পাছফালে ঘটা আমাৰ বিলাই-বিপত্তি তেওঁৰ চকুত নপৰিছিল। ঘটনাটোৰ চিত্ৰ-বিচিত্ৰ বৰ্ণনা ছব্‌ৰেজিষ্ট্ৰৰৰ মুখত শুনি আমাৰ দুইৰো হাঁহি উঠিছে অথচ মুখ লাজত ৰঙাও পৰিছে আৰু ছব্‌-ৰেজিষ্ট্ৰৰো ভালুক নমৰাৰ আগতে শেতা পৰি থকা মুখে তেনে বৰ্ণকে ধৰিছে, অৱশ্যে সুকীয়া কাৰণত, অৰ্থাৎ হাঁহিত ঘটনাটো শুনি মিচিকিয়াই হাঁহি আৰু তাৰ আওভাও বুজি, একচাইজ ততালিকে আমাৰ সহায়ক হ'ল। তেওঁ চবৰেজিষ্টাৰক চাঙৰ পৰা নামি আহিবলৈ ক'লে আৰু চাঙৰ ওপৰত ছবৰেজিষ্ট্ৰৰ বাবুৱে যি কীৰ্ত্তি কৰিছিল, তাৰ হাস্যজনক বৰ্ণনা তেওঁ আমাৰ আনন্দ বৰ্দ্ধন আৰু ছব্‌ৰেজিষ্ট্ৰৰৰ উল্লাস কৰ্তন কৰি দিবলৈ ধৰিলে হেনো চাঙত বহি থাকোঁতে ছবৰেষ্ট্ৰৰে এক্‌চাইজ ছুপাৰিণ্টেণ্ডেণ্টক কুতুৰি আছিল, বাঘ বা ভালুক ওলালে যেন তাৰ ওপৰত এক্‌-চাইজে গুলী নচলায়। সিফালে ডেপুটি বাবুৰ গুলীৰ আৱাজ আৰু তেওঁ গুলীৰা জন্তুটোৰ ভীষণ চিঞৰ শুনি ছব্‌ৰেজিষ্ট্ৰৰ বাবুৱে হেনো বহি থকা চাং এৰি চাং-বন্ধা গছ-জোপাৰ গা বগাই গৈ তাৰ ওখ ডাল এটাত বহিছিলগৈ, একচাইজৰ হাকলৈ কাণ নিদি। আৰু হেনো নিজৰ কঁকালটো তেওঁ বান্ধি থৈছিল, কেনেবাকৈ ভয়ত তললৈ সৰি পৰে বুলি। এই বৃত্তান্ত শুনি ছব্‌ৰেজিষ্ট্ৰৰ বাবুৰ খৰচত আমাৰ কিৰীলিৰ জাউৰি উঠিল। আমি বাহিৰে সৈতে পেংলাই-হাঁহিৰ ধাৰ সুজা ললোঁ।

কিছুমান বেলিৰ মূৰত ডেপুটীবাবু তেওঁৰ চাঙৰ পৰা নামি আহিল আৰু দেখিলোঁ, তেওঁ এটা প্ৰকাণ্ড ভালুক মাৰি আনিছে। মই মৰা জন্তুটো দেখি তেওঁ ক'লে, সেইটো হেনো Mouse-deer ; অৰ্থাৎ এন্দুৰৰ নিচিনা এবিধ সৰু পহু আৰু সহজে দুষ্প্ৰাপ্য। তাৰ মঙহ ভক্ষ। পহুটো মই ৰখলৈ আনি তাৰ ধুনীয়া ছালখন ক'লৈ গ'ল আৰু বিচাৰি নাপালোঁ, নতুবা প্ৰথম Trophy অৰ্থাৎ মোৰ চিকাৰৰ চিনস্বৰূপে ছালখন ভালকৈ "টেন্" ( Tan) কৰাই ৰাখিবৰ মোৰ মন আছিল। চাৰি-ঠেঙীয়া জন্তুবধৰ এয়ে মোৰ প্ৰথম অধ্যায়।

মই সদায় দেখি আহিছো যে ভালুক বৰ লেকেটা জীৱ। তাৰ মৰ্ম্মস্থানত গুলী

নালাগিলে সহজে সি নমৰে। তাৰ পিঠিৰ নোম প্ৰায ছ আঙুলমান দীঘল। অনেক সময়ত গুলী তাৰ নোমৰ ভিতৰেদিয়েই এসোপা নোম সৰাই ওলাই গুচি যায়। গাত নালাগে। আজি পাঁচ মাহমান হ'ল, মোৰ বন্ধু এজনে এখন হাবিত খেদা চিকাৰৰ বন্দবস্ত কৰি মোক তেওঁৰ লগত লৈ গৈছিল। তেৰেঁা এখন চাঙত মইও তেওঁৰ অলপ দূৰতে আন এখন সুকীয়া চাঙত। খেদা আৰম্ভ হওঁতে নহওঁতেই দেখিলোঁ হঠাৎ ভালুক এটা মোৰ পাছ ফালৰ পৰা ওলাই আহিল। তাৰ আবিৰ্ভাৱ খেদাৰ ফলত নিশ্চয় হোৱা নাছিল। কাৰণ খেদা মোৰ সন্মুখৰ ফালৰ পৰা মোৰ ফালে আৰম্ভ হৈছিল। খেদাত অহা জন্তু মোৰ সন্মুখতে ওলালহিহেঁতেন। আৰু তেতিয়া খেদা কৰা মানুহবোৰো এমাইলমান দূৰত। মোৰ পাছফালে মোৰ চাঙৰ পৰা প্ৰায় ১০০ হাত মান দূৰত ভালুকটো থিয় হ'লহি। মই ৪০৫ উইনচেষ্টৰ ৰাইফলেৰে তাৰ গালৈ গুলী এটা মাৰি পঠিয়ালোঁ। ভালুকটোৰ গাত গুলী লাগি সি ভয়ানক চিঞৰিবলৈ ধৰিলে মই ভাবিলোঁ সি নিশ্চয় মৰিব ; মিছাতে আৰু গুলী খৰচ কৰিবৰ সকাম নাই। কিন্তু অলপ পৰ পিছতে ভালুক পৰ্ব্বতৰ ফালে লৰ দি পৰ্ব্বতত উঠি যাবলৈ ধৰিলে, আৰু নেদেখা হ'ল। খেদাৰ ওব পৰিলত মই মোৰ চাঙৰ পৰা নামিলোঁ আৰু বন্ধুজনেও তেওঁৰ চাঙৰ পৰা নামি মোৰ ওচৰলৈ আহিল। তেতিষা আমি দুযো সাতোটা আঠোটা মানুহ লগত লৈ গুলী খোৱা ভালুকটো বিচাৰি গ'লোঁ। দেখিলোঁ সি গুলী খোৱা ঠাইৰ পৰা যেনি যেনি পৰ্ব্বতত উঠিছিল। গোটেই বাট তাৰ তেজেৰে তুৰ্বলি হৈ গৈছে। আমি সেই তেজৰ চিন ধৰি পৰ্ব্বতৰ ওপৰত প্ৰায এমাইলমান বাট গ'লোঁ, কিন্তু শেহত হঠাৎ তেজ নেদেখা হলোঁ। সেইখিনিৰ পৰাই কেনি ফালৰি কাটি কৰবাত লুকাই পৰি মৰিলগৈ তাত সন্দেহ নাই। কাষৰে-পাঁজৰে অনেক বিচাৰিও তাৰ উৱাদিহ নাপাই উভতি গুচি আহিলোঁ। মোৰ বৰ ভুল হৈছিল যে মই ওপৰা-উপৰিকৈ আৰু দুটা মান গুলী তাৰ গাত নামাৰিলোঁ বাস্তৱিকতে সি গুলী খাই কেনেকৈ চিৎপতলং হৈ পৰিছিল, মই ভাবিছিলোঁ, সি আৰু উঠিব নোৱাৰে। গুলী নমৰাৰ আৰু এটা কাৰণ আছিল। সেই দিনা মোৰ হাতত ৰাইফলৰ গুলী মাথোন তিনিটাহে আছিল। মই ভাবিলোঁ ইকৰ্নমি কৰি গুলী খৰচ নকৰিলে অৰ্থাৎ হাত উবুৰিযাই দিলে, আৰু যদি জন্তু ওলায়হি, তেন্তে কিহেৰে মাৰিম। আচলতে সেই দেখি মই চিকটা হৈ পৰিছিলোঁ। চিকটা হোৱাৰ ফল হাতে হাতে পালোঁ। চিকটাই শাকত নাখায় লোণ, কিন্তু তাৰ পিটিকাত যায় তিনিগুণ। যিহওক চিকাৰলৈ যোৱা চিকাৰীসকলে এইটো মনত ৰাখিবলগীয়া যে, অন্ততঃ তেওঁৰ হাতত যেন আঠোটো গুলীৰ কম নাথাকে।

এবাৰ সম্বলপুৰলৈ আহোঁতে কবি বন্ধু এজনে মোক কৈছিল যে, তেওঁ হেনো কিতাপত পঢ়িছে, যে ভালুক বৰ মৰমিয়াল জন্তু। সি মানুহক মৰমহে কৰে। মই তেওঁক উত্তৰ দিছিলোঁ যে ভালুকৰ মৰম বিচাৰি তেওঁ যেন ভালুকৰ কাষ নাচাপে। যতবিলাক হিংস্ৰ জন্তু আছে, তাৰ ভিতৰত ভালুক অতি দুৰন্ত। তাক নোজোকালেও সি জোকায়। অৱশ্যে মানুহৰ তেজৰ সোৱাদ পোৱা বাঘৰ কথা বেলেগ। মোৰ

তিনিটা চাৰিটা গাড়োৱান আৰু কৰতীয়াই ভালুকৰ হাতত প্ৰাণ দিছে। এবাৰ পুৰা ৯ মান বজাত তিনিটা গাড়োৱানে হাবিৰ ভিতৰত সোমাই সিহঁতৰ গাড়ীত মোৰ শ্লীপৰ বোজাই দিওঁতে, হঠাৎ ভালুক এটাই আহি এনেকৈ গাডোৱান এটাক আক্রমণ কৰিলে যে তাৰ পেটৰ পৰা মূৰলৈকে ছাল বখলিয়াই দিলে। এই ফালৰ মানুহৰ যেনে গঢ়গতি লগৰীয়াটোক ভালুকৰ হাততে এৰি বাকী গাডোৱান দুটাই ফাট মাৰিলে। পিছত খবৰ পাই ঋক্ষৰাজৰ দ্বাৰাই আক্রান্ত মানুহটোক মই সম্বলপুৰৰ আস্পাতাললৈ লৰালৰিকৈ পঠিয়াই দিলোঁ। কিন্তু সি নিজীলে। আৰু দুটা কৰতীয়াৰ এনে বিপদ ঘটিছিল। এটা হাস্পাতালত ভাল হ'ল, আনটো মৰিল।

( ৪ )

এই বাৰ জামৰাত চিকাৰৰ ঠিক কৰিলোঁ। জাম্ৰা বোলা ঠাই-ডোখৰৰ সম্বলপুৰৰ পৰা আঠমাইল মান দূৰত, আৰু মহানদীৰ পাৰত। জামৰাৰ ওচৰতে মহানদীৰ মাজুলী এটা আছে, তাৰ নাম হীৰাকুদ। আগৰ কালত সম্বলপুৰৰ ৰজাৰ দিনত হীৰাকুদৰ পৰা হীৰা পোৱা গৈছিল। কিছুমান মানুহৰ বাব আছিল, তাৰ পৰা বিচাৰি বিচাৰি সিহঁতে হীৰা আনি ৰজাক যোগান দিয়াটো। দেশী ৰজা গ'ল, লগে লগে সেই কাম কৰা মানুহো মৰিহাজি অন্ত হ'ল আৰু পৰা হীৰা বিচাৰি অনা কাৰ্যবো ওৰ পৰিল। সেই মানুহবোৰৰ পো-নাতিবোৰে বোপা-ককাৰ কাৰ্য আজিকালি পৰিত্যাগ কৰি আন কামত ধৰিলে, আৰু হীৰাকুদত হীৰা ক'ত পোৱা যায়, আৰু কেনেকৈ বিচাৰি উলিয়া হয়, তাৰ সম্ভেদ সিহঁতে এতিয়া একোকে নাজানে। সম্বলপুৰৰ পৰা পোন্ধৰ মাইলমান দূৰত ধামা বোলা এখন ঠাইৰ ডাকবঙলা এটাত এদিন মই থাকোঁতে, এটা মানুহে নকটা-হীৰা এখন মোক দেখুৱাই কৈছিল যে সেইখন তাৰ বাপেকে হীৰাকুদত পাইছিল, আৰু তাৰ ঘৰত তেতিয়াৰে পৰা সেই হীৰাখন আছে। যদি ভাল বেচ পোৱা যায়, সি হীৰাখন বেচিবলৈ সাজু আছে। মই তাৰ হীৰাখনৰ কিমান বেচ বুলি সুধিলত সি এনে এটা অসম্ভৱ বেচৰ নাম কাঢ়িলে যে মই ৰসতে নাম থৈ হুহাঁক পাৰিলোঁ। সি গুচি গ'ল আৰু তাৰ পিছত শুংসুত্ৰও মই হেৰুৱালোঁ।

ধামকালি। মহানদীৰ পাৰত থকা ডাঙৰ ডাঙৰ আম গছৰ থুপৰ তলত আমি আমাৰ বাহৰ কৰালোঁ। ৰম্য ঠাই। সি মহানদীৰ কথা কীৰ্ত্তন ঘোষাৰ ওৰেষা খণ্ডত মহাপুৰুষ শ্ৰীশংকৰদেৱে এইদৰে বৰ্ণনা কৰিছে—।

"দেখিল স্থান সব অনুপাম।
আছন্ত তীৰ্থ মহানদী নাম।
লোকৰ কৰিয়া পাপ উপান্ত।
দক্ষিণ সাগৰক বহি যান্ত॥
গঙ্গাৰ সমান তীৰ্থ নিঃশেষ।
দুয়ো কূলে আছে অনেক দেশ॥

সুস্টপুষ্ট লোক তাত সদায় ।
বসনে-ভূষণে ভূষিত কায় ।
বেদবিদ বিপ্র আছে অপাৰ ।
প্রত্যহ অগ্নিহোত্র সিজে তাৰ ।।
সদায় নুগুচে শাস্ত্র আলাপ ।
বেদধ্বনি শুনি পলায় পাপ ।।
ক্ষেত্রত আছে যত নাৰীগণ ।
সবাৰো গায়ে শোভে আভৰণ ।
আয়ত লোচন পদ্মৰ পাসি ।
নুগুচে মুখত ঈষত হাসি ।।
ৰূপে বিদ্যাধৰী সম সাক্ষাত ।
কৰন্ত লয়লাসে আয়াযাত ।।

অৱশ্যে এই বৰ্ণনা কটক পুৰীৰ মহানদীৰ পাৰৰ। কিন্তু সম্বলপুৰৰ মহানদীবে শেহডোখৰ কটকপুৰীৰ কাষৰ মহানদী। গতিকে এই বৰ্ণনাৰ দুই চাৰি অনা সম্বলপুৰৰ মহানদীৰ ভাগত দিলেও অযথা নহয়।

আম গছৰ তলত সুন্দৰ শীতল ছাঁত আমালৈ ভাতপানী ৰান্ধিবাঢ়ি আৰু আন সকলো আৱশ্যকীয় দিহা কৰি ৰাখিবলৈ পুৱাই আমাৰ সেই বাহিৰলৈ লগুৱা আৰু ৰান্ধনি পঠিয়াই দিয়া হৈছিল। আমি দহমান বজাত সেইখিনি পালোঁগৈ। আমাৰ দলত ভদ্রলোক আৰু ভদ্রমহিলা প্রায় ন-দহজন। তাৰে ভিতৰৰ চাৰিজন আছিল মৃগয়ালোলুপ আৰু আনবোৰ বনভোজন আৰু আমাৰ চিকাৰৰ উত্তেজনা আৰু ফলভোজন প্রয়াসী। এজন কি দুজন এই দুই বিষয়তো উদাসী আছিল। তেওঁলোক আমাৰ লগত কিয় গৈছিল ক'ব নোৱাৰোঁ। বোধকৰোঁ তেওঁলোকৰ মনস্কামনা মাথোন পৰিভ্রমন আৰু বিশুদ্ধ বায়ু ভক্ষণ আছিল। মহিলাসকলৰ পত্নীসকলে পত্যানুগমন আৰু দুহিতাসকলে পিতৃৰ হৰ্ববৰ্দ্ধন কৰি সেই যাত্রাৰ শ্রীবৰ্দ্ধন কৰিছিল। পুৰুষ ডাঙৰীয়াসকলৰ ভিতৰৰ এজন ছবজজ, এজন এছিষ্টেণ্ট ছৰ্জ্জন আৰু এজন আবকাৰিৰ অধিকাৰ। বাকীসকল চৰ্কাৰী হিচাপত নামনাচৰ।

আমি পৰিবাৰবৰ্গক, অ-মৃগয়াশীলসকলক আৰু উদাসীন কেইজনক মহানদীৰ পাৰৰ প্রকাণ্ড আমগছৰ তলৰ বাহৰতে, নৈসৰ্গিক শোভা পৰিদৰ্শন কৰিবৰ সুবিধা দি মুকলিমুৰীয়াকৈ এৰি থৈ লৰালৰিকৈ চাহ-জলপান খাইবৈ আমাৰ চিকাৰৰ ঠাইলৈ পদব্রজে গতি কৰিলোঁ। আমাৰ বাহৰৰ পৰা এমাইলমান দূৰত আমাৰ চিকাৰৰ ঠাই, আৰু এটা পৰ্বতৰ পাদদেশত। প্রায় বাৰবজাত আমি চিকাৰী চাৰিজনে নিজৰ নিজৰ নিৰ্দ্দিষ্ট চাঙত উঠি, হাতত বন্দুক লৈ· আমাৰ আগত ওলাব বুলি আশা কৰি জন্তুৰ ওপৰত শৰ সন্ধান কৰিবলৈ অৰ্থাৎ বন্দুকৰ গুলী বৰষিবলৈ আশা-টপালি ধ'লোঁ। সেই দিনা মোৰ হাতত ৫০০ নম্বৰ এক্সপ্রেছ বন্দুক। আমাৰ লগৰীয়া

এজনে আন এটা বন্দুক লৈ সেইটো মোক দিছিল। সিফালে খেদা আৰম্ভ হ'ল। দেড়মাইলমান দূৰৰ পৰা বিটৰবোৰে খেদা কৰি আনিবলৈ ধৰিলে। পৰ্বতটোৰ ভৰিৰ তলতে মোৰ চাংখন। একমান বজাত খেদাকৰেঁাতাবোৰ কায চাপি আহিল। এনেতে শুকান পাতৰ খৰখৰনি মোৰ কাণত পৰিল। বুজিলোঁ পৰ্বতৰ টিঙৰপৰা মোৰ ফালে কিবা জন্তু এটা নামি আহিছে। মই বন্দুকৰ ঘোঁৰাটো তুলি সেই ফালে মুখ কৰি গুলী মাৰিবলৈ সাজু হলোঁ। মোৰ মুখত জিভাৰ ৰস কৰি গ'ল, বুকুত ধিপধিপনি উঠিল, আৰু ধিপধিপনিৰ ধ্বনি মোৰ কাণত পৰিবলৈ ধৰিলে। তেনেকুৱা Tense moment অত মানসিক উত্তেজনাৰ সন্ধিক্ষণত সদায় তেনে হয়। অকল মোৰেই যে তেনে হয় এনে নহয়। শুনিছো আনৰো আৰু মোতকৈ পকা চিকাৰীৰো তেনে হয়। খৰখৰনিৰ শব্দ ওচৰ চাপি আহিলত দেখিলোঁ এটা বৰ ডাঙৰ দঁতাল বৰ পৰ্বতৰ গাৰ পৰা মোৰ ফাললৈ নামি আহিছে। বন্দুকটো ঠিককৈ টোৱাঁই লৈ বিস্বাশবদে দিলোঁ গুলী মাৰি। একে গুলীতে বৰাটো মাটিত বাগৰি পৰি চটফটাবলৈ ধৰিলে। তাৰ গাৰ ওচৰৰ মাটিত তেজে ডোঙা বান্ধিলে। ক্ষন্তেকৰ পিছতে বৰাটোৱে বৰাহলীলা সমাপন কৰি নিসাৰসাৰ অৱস্থা বৰণ কৰিলে।

খেদাৰ অন্তত চাৰিওফালৰ পৰা সকলো চাপি-কুচি আহিল আৰু দেখা গ'ল যে প্ৰকাণ্ড বৰা আৰু ভীষণ দঁতাল। মোৰ লগৰীযা চিকাৰী-সকলৰ কংগ্ৰেছুলেছন অৰ্থাৎ আনন্দ প্ৰকাশৰ অভিনন্দন মই আনন্দ মনেৰে গ্ৰহণ কৰিলোঁ। দুখৰ বিষয় লগৰীষা চিকাৰী বন্ধুসকলে সেই দিনাখন একো নাপালে।

চাৰিটা মানুহে সাঙী কৰি বৰাটো আমাৰ বাহৰলৈ যেতিয়া আনিলে, জন্তুটো দেখি বাহৰবাসীসকলৰ আনন্দ হ'ল। আবেলি প্ৰায় চাৰিবজাত বৰাটো আমাৰ বাহৰ পাইছিলহি। বৰাটো কোনে মাৰিলে বুলি বাহৰবাসীসকলে প্ৰশ্ন 'কৰিলত, তাক কটিযাই অনা মানুহ কেইটাক ক'লে—"বুঢ়া চাহাবে।" তাৰ মানে "ওল্ডমেন" চাহাব নহয়, বৰুৱা চাহাবে।" বুঢ়া চাহাব বৰুৱা চাহাবৰ অপভ্ৰংশ। মোৰ নামটো বৰুৱা চাহাব বুলি কোৱা শুনি ভাৰী কেইটাই তাৰ অৰ্থ বুঢ়াচাহাব কৰি পেলাইছিল। এইটো আজি দহ বছৰৰ আগৰ কথা (১৮৪২ শক)। আজিকালি ধৰ্ম্মৰাজ যমৰজাৰ পৰা তেওঁৰ "টিপাৰ্টি", "উইডইনিং পাৰ্টি", আৰু "ডিনৰ-পাৰ্টিলৈ" যিমানবোৰ বগা কাকতত লিখা নিমন্ত্ৰণ পত্ৰ পাইছোঁ, দহ বছৰৰ আগেয়ে সিমান পোৱা নাছিলোঁ। কথাষাৰ মুকলি কৰি ক'লে এনে হয় যে মোৰ মুৰৰ চেচুক ঠাইত লুকাইচুৰকৈ যদিও তেতিয়া দুডাল চাইডাল চুলি পকিছিল, সৰহ সংখ্যক চুলিযে নিজৰ স্বাভাৱিক বৰ্ণাশ্ৰমধৰ্ম্ম পৰিত্যাগ কৰি অধৰমী হোৱা নাছিল। সেই দেখি পাব্লিক অৰ্থাৎ ৰাইজৰ যেয়ে-সেয়ে মোক নিৰ্ভযে বুঢ়া বুলিবৰ অধিকাৰ তেতিয়াও লাভ কৰা নাছিল। ক্ৰোধান্ধ হৈ মোৰ কোনো বিপক্ষই মোৰ পাছত কেতিয়াবা মোক বুঢ়া-ঘুগুলাটো বুলিছিল যদি কিন্তু মৰ-সাহ দি মোৰ সমুখ হৈ সেই দুষ্কাৰ্য্য কোনোৱে কেতিয়াবা কৰাৰ কথা মই নাজানো।

যাওক। বৰা আমৰ আমতলৰ বাহৰ পোৱাৰ পিছতে এটা অভাৱণীয় ঘটনা ঘটিল। আমাৰ বনভোজনৰ লগৰীয়া মহিলাসকলৰ ভিতৰৰ ললনা'এজনাই যেই শুনিলে যে তেওঁৰ চিকাৰী স্বামী সেই বৰাহৰ অন্তক নহয়, ৰজাৰ বিষয়-বাসনা নোখোৱা বৰুৱা চাহাবহে বৰাহ-বধী তেওঁ খঙত ৰঙা পৰিল। তাৰ উপৰি আৰু যেতিয়া তেওঁ শুনিলে যে সেই দিনা তেওঁৰ হাকিম স্বামীৰ ভাগ্যত কোনো জন্তুবধেই সংঘটিত নহল, সেই হৰিণাক্ষীয়ে স্থান, কাল পাত্ৰ সকলোবোৰকে সৌৰৱণ চাহপানী তপতোৱা উধান তিনিটাৰ ভিতৰত জ্বলাজুইত বিসৰ্জন দি, যৰে চাহ পানী, ততে এৰি মুখখন এপাচিমানকৈ ওফোন্দাই দুঘোৰ ৰোহ পাতিলে। তেওঁৰ বৰ্ষিয়াল স্বামী কিছুদূৰ পত্নাপৰাধীন, সেইটো আমাৰ অবিদিত নাছিল। চিকাৰৰ পৰা ঘামিজামি অহা স্বামীৰ সৈতে তেওঁ সকলোৰে সমুখতে সত্যাগ্ৰহ আৰম্ভ কৰি দিলে। স্বামীৰ সৈতে মৃগাক্ষাৰ কথা-বাৰ্ত্তা আৰু চাহপানী বন্ধ হ'ল। আনকি তেওঁৰ ঠেহৰ জোখ ইমান বাঢ়িল, যে বনভোজনৰ নিৰ্দিষ্ট আহাৰো তেওঁ নোখোৱা হ'ল। লগৰীয়া মহিলা সকলোৱে বুজাই-বৰাইও তেওঁৰ ঠেহ ভাঙিব নোৱাৰিলে। বপুৰা স্বামী। ঘৈণীয়েকৰ এনে অশোভন ব্যৱহাৰত তেওঁৰ মুখখন শুকাই টোটোৰা পৰিল।

আমি বাকীবোৰে খাইবৈ ৰং-ধেমালি কৰি ৰাতি ঘৰলৈ উভতি আহিলোঁ। জোনাক ৰাতি আছিল। বৰ ৰঙেৰে আমি উভতিলোঁ-অৱশ্যে উল্লেখিত সেই কদৰ্য্য ঘটনাটোৰ বাহিৰে আমাৰ মনত নিৰানন্দৰ ছাঁ পেলাবলৈ আন একো নাছিল।

পিছ দিনা পুৱাই সেই অভিমানিনী হাকিমনীৰ ঘৰলৈ বন্যবৰাহৰ পিৰা এটা পঠিয়াই দিয়া হ'ল। কিন্তু বেজাৰৰ কথা যে তেওঁৰ অভিমান আৰু আমাৰ ওপৰত বিৰক্তিৰ কোব ইমান ওপৰলৈ চৰিছিল যে যদিও পালে বন্যবৰাহ তেওঁলোকে অতি হেপাহেৰে ভোজন কৰাটোৰ কথা আমি জানো, বৰাৰ পিৰা লৈযোৱা মোৰ লগুৱাটোক তেওঁ কটুক্তি কৰি সেই পিৰাটো ওভোটাই দিলে।

চাৰিঠেঙীয়া জন্তু চিকাৰৰ মোৰ দ্বিতীয় ট্ৰফী অৰ্থাৎ জয় চিহ্নস্বৰূপে সেই বৰাটোৰ মূৰটো আজিলৈকে মোৰ চৰাঘৰৰ বেৰত আঁৰি থোৱা আছে।

( ৫ )

মোৰ এজন মুছলমান বন্ধুৱে এবাৰ ঘিচামুৰা নাকৰ ঠাই এডোখৰৰ হাবিত চিকাৰৰ বন্দৱস্ত কৰি মোক লগত ললে। ঘিচামুৰা সম্বলপুৰৰ পৰা বাইশ কি তেইশ মাইল মান দূৰত। ঘিচামুৰাৰ পৰা দেড়মাইল মান দূৰৰ গাঁও এখনত আমি তামিঘৰা তৰি ৰলোহঁক। তাত আমি তিনি দিন আছিলো আৰু তিনিখন ওচৰা-উচৰি হাবিত খেদা চিকাৰ কৰিছিলো। প্ৰথম দুদিনৰ চিকাৰত বাঘ পাম বুলি আমি বৰ আশা কৰিছিলো ; কিন্তু বাঘৰ মহাক বোন্দা এটাও নোলাল। কিন্তু তৃতীয় দিনাৰ চিকাৰত সেই কালৰ হাবিত কোনেও আশা নকৰা জন্তু এটা লাভ হ'ল, যাৰ বিষয়ে এতিয়া কম।

আমি দুয়ো দুখন সুকীয়া চাঙত বহি ভাবি আছোঁহক যে সেই দিনাও যথাপূৰ্ব্বং

তথাপৰং হ'ব আৰু আমি চিকাৰী মেকুৰীৰ ভাগ্যত কোনো জন্তুৰ শিকিয়াই নিছিগে। খেদা প্ৰায় শেষ হবলগীয়া হ'ল। এনেতে হাবিখন খোজৰ দপ্‌দপনিত তলওপৰ কৰি কিবা ডাঙৰ জন্তু গোটাদিয়েক আমাৰ ফালে "লাঙৰ ছাটিত মেঘ উড়াই" অহা শুনিলো। মোৰ বন্ধুৰ চাংখন মোৰখন চাঙৰ পৰা দহ বেওমানৰ আগত আছিল। হঠাৎ তেওঁৰ বন্দুকৰ আৱাজ শুনিলো গুড়ুম। আকৌ শুনিলো গুড়ুম। মযো ইফালে ৰাইফল লৈ সণ্টম হলোঁ। এনেতে দেখিলোঁ, বিজুলীৰ বেগেৰে তিনিটা প্ৰকাণ্ড জন্তু লৰি মোৰ ফালে আহি ফালৰি কাটি মোৰ চাঙৰ কাষেদি গুচি গ'ল। কানিমুনি কৰি দিলো মাৰি এজাই। ঢাপলি মেলি যোৱা জন্তু কেইটা মুহূৰ্ত্ততে অদৃশ্য হ'ল।

খেদা কৰা মানুহবোৰ লাহে লাহে মোৰ কাষ পালেহি আৰু মোৰ ওচৰ ওলালহি। মযো মোৰ চাঙৰ পৰা নামি আহিলোঁ আৰু বন্ধুৰে সৈতে কোৱামেলা কৰিবলৈ ধৰিলো যে আগৰ দুদিন কোনো জন্তু নোলালেই, আজি ওলাল যদিও আমি মাৰিব নোৱাৰিলোহঁক। এইদৰে দুয়ো কোৱা-মেলা কৰি থাকোতেই, আমাৰ পাছফালে কুৰি বেওমান দূৰৰপৰা গোটাচেৰেক মানুহ লৰি আহি আমাক বাতৰি দিলেহি যে ডাঙৰ জন্তু এটা শুকান নলা এটাৰ ভিতৰত পৰিছে। আমি বন্দুকত গুলী ভৰাই লৈ অতি সন্তৰ্পণে এখোজ দুখোজকৈ গৈ সেইখিনি পাই দেখিলোঁ যে মহিষাসুৰৰ জাতৰ বৰ ডাঙৰ জন্তু এটা তাত—

"ভুমিত পৰি আছে চেতন হৰি।
চক্ষু ওলোটাই আছাড়ে ভৰি॥

মই আকৌ এটা গুলী তাৰ গালৈ মাৰি দিব খোজোঁতেই লগৰীয়া মানুহ কেইটাই হাক দি ক'লে - "আৰু গুলী মাৰিবৰ সকাম নাই; সি মৰিল।" ময়ো দেখিলো, সিহঁতৰ কথা ঠিক।—

"মৰিল অসুৰ ছাদি ৰাধৰ।
বাজ ভৈল ( বাহু ) প্ৰাণ ফাটি শৰীৰ॥"

মই আগেয়ে তেনেকুৱা জন্তু দেখা নাছিলোঁ। সিহঁতে ক'লে সেইটো গযেল্‌। গযেলক ইংৰাজীত বাইছন বোলে। আমাৰ অসমীযাত বাইচনক বোধকৰোঁ মেঠোন বোলে। মোৰ বন্ধুজনে আনন্দত মোক কৰমৰ্দ্দন কৰিবলৈ কৰিলে। মই তেওঁক ক'লো "সম্ভৱতঃ আপোনাৰ গুলীতহে তাৰ প্ৰাণ গৈছে। বৰং মইহে আপোনাৰ কৰমৰ্দন কৰি আপোনাক মোৰ অভিনন্দন জনোৱা উচিত।" তেওঁ মোৰ কথাত প্ৰতিবাদ কৰি তেতিয়াই প্ৰমাণ কৰি দিলে যে তেওঁৰ গুলী তাৰ গাত লগা নাছিল; মোৰ গুলীহে লাগিছিল কাৰণ জন্তু কেইটা যিফালে মুখ কৰি লৰি আহিছিল, সিহঁতৰ সোঁফালৰ চাঙত মই বহিছিলোঁ আৰু বাঁওফালৰ চাঙত তেওঁ। যদিও তেওঁ দুটা গুলী মাৰিছিল তথাপি জন্তুটোৰ বাঁওফালৰ কোনো অঙ্গ-প্ৰত্যঙ্গত তেওঁৰ দুনলী

বন্দুকৰ কোনো গুলীৰ চিন নাই অথচ সোঁফালে তাৰ কলাডিলৰ ওপৰত মোৰ ৰাইফলৰ চিন জাজ্বল্যমান।

মোৰ চিকাৰৰ পিছৰ ডোখৰ কালত অনেক বাৰ দেখিছোঁ যে অনেক ভদ্ৰলোক লগৰীয়া চিকাৰী বন্ধুৱে তেওঁলোকৰ গুলী যে চিকাৰত মৰা জন্তুটোৰ বধৰ কাৰণ নহয়, সেইটো যত্নপূৰ্ব্বক মোৰ এইজন বন্ধুৰ দৰে প্ৰমাণ কৰিবলৈ নগৈ বৰং—"আমি লগে ভাগে মাৰিছোঁ। সম্ভৱতঃ মোৰ গুলীতহে জন্তুটো মৰিছে", ইয়াকেহে প্ৰমাণ কৰিবলৈ যত্ন। আজিকালি আদালতৰ বিচাৰ কাৰ্য্যত সত্যাগ্ৰহীয়ে যোগ নিদি তেওঁৰ দোষ সম্ভাতে সাব্যস্ত কৰিবলৈ এৰি দিয়াৰ দৰে, মযো তেনে বিচাৰত যোগ নিদিওঁ। কাৰণ মোৰ গঢ়গতি "মা ফলেষু কদাচন" বিধৰ।

বাইশটা মানুহে জন্তুটো সাঙ্গী কৰি কিছুদূৰ আনি ভাগৰি নোৱাৰি, দূৰৰ গাঁৱৰ পৰা মহৰ গাড়ী এখন বিচাৰি আনি তাত তুলি দি ৰাতি দহমান বজাত আমাৰ বাহৰ পোৱালেহি। জন্তুটো মৰাৰ খবৰ বিয়পি পৰিলত, ৰাতিয়েই ওচৰৰ গাঁৱৰ পৰা জাকে জাকে মানুহ আহিবলৈ ধৰিলে আৰু তিনিখন গাঁৱৰ মানুহে তাৰ মঙহবোৰ কাটি বাছি খাবলৈ লৈ গ'ল। মোৰ বন্ধুৰ তত্বাৱধানত মোৰ চিকাৰৰ জয়লব্ধ স্বৰূপে শিঙেৰে সৈতে মূৰটো আৰু ছালখন মোলৈ থোৱা হ'ল। পিছ দিনা মই সম্বলপুৰলৈ উভতি আহি সেই মূৰটো আৰু ছালখন কানপুৰৰ সুটা কুম্পানীলৈ পঠিয়াই দিলোঁ। দুমাহ, মানৰ মূৰত শিঙেৰে সৈতে মূৰটো সুন্দৰকৈ এখন কাঠৰ বাৰূৰ ওপৰত বহুৱাই ঠিক জীয়া জন্তুটোৰ মূৰটো যেনেকৈ এটা কুম্পানীয়ে মোলৈ পঠিয়াই দিলে আৰু ছালখনেৰে দুটা ছুটকেছ অৰ্থাৎ ছালৰ পেৰা প্ৰস্তুত কৰি আনটো কুম্পানীয়ে পঠিয়ালে। সেইবোৰ আজিও মোৰ ঘৰত বিৰাজমান। ছুটকেছ দুটা আৰু মূৰটো তেনেকুৱা কৰাওঁতে অৱশ্যে মোৰ এশ টকাৰ ওপৰে খৰচ পৰিছিল। মোৰ বন্ধুজনে সেই চিকাৰৰ সকলো খৰচ, আনকি জন্তুটো কঢ়িয়াই অনা, তাৰ ছাল বখলিয়া, আৰু মূৰটো কাটি ৰখা ইত্যাদিৰ সকলো ব্যয় স্বইচ্ছাতে বহন কৰিছিল, মোৰ বাৰে বাৰে অনুৰোধ, অনুনয়-বিনয় স্বত্বেও মোক এটা পইচা খৰচ কৰিবলৈ নিদিছিল।

এই খিনিতে অলপ অবান্তৰ কথাৰ অৱতৰণা কৰিম। সি যদি পাঠকসকলৰ বিৰক্তিৰ কাৰণ হয়, তেন্তে মোৰ অনুৰোধ, তেওঁলোকে এই ডোখৰ নপঢ়িব।

মোৰ বন্ধুজন আলিগড কলেজৰ গ্ৰেজুৱেট আৰু ইংৰাজী, ফাৰ্চী, উৰ্দ্দু ভাষাত সুপণ্ডিত। চৰ্কাৰৰ ঘৰবো তেওঁ এজন ডাঙৰ বিষয়া। ছেটেলমেণ্ট অৰ্থাৎ বন্দবস্ত বিভাগৰ তেওঁ বৰ চাহাব। মানুহজন দেখিবলৈ যেনে সুপুৰুষ, কথাবাৰ্ত্তা আৰু ব্যৱহাৰতো অতুলনীয়। বাস্তৱিকতে তেওঁক সুশিক্ষা আৰু সৌজন্যৰ প্ৰতিমূৰ্ত্তি বুলিব লাগে। মোৰ এই দীঘল জীৱনত মই নানা ধৰ্ম্মাৱলম্বী ভাৰতীয় মানুহ অনেক দেখিছোঁ, ইমান মানুহেৰে সৈতে মিলিজুলি ইমান ফুৰিছোঁ, কিন্তু সঁচাকৈয়ে মোৰ এই মুছলমান বন্ধুজনৰ নিচিনা ভদ্ৰ আৰু ওখ মনৰ মানুহ অতি কমহে মোৰ সৈতে সম্পৰ্কলৈ আহিছে। মানুহে সাধাৰণত ভদ্ৰ বা ভাল মানুহ আখ্যা পায়, তেওঁৰ ভাল স্বভাৱ চৰিত্ৰ আৰু ব্যৱহাৰৰ নিমিত্তে; তেওঁ যদি বুদ্ধি-বৃত্তিতো কম

হয়। প্ৰায়ে টেঙৰ মানুহ দুষ্ট, আৰু মূৰ্খ বা হোজা মানুহ ভাল হোৱা দেখি সাধাৰণতে মানুহৰ এনে ধাৰণা হয। কিন্তু ওপৰত যাৰ কথা কৈছোঁ, সেইজন যেনে বিজ্ঞ, সুচতুৰ আৰু সুবুদ্ধিমান, তেনে ভদ্ৰ আৰু পোনপটিৰ। এইখিনিতে নিজৰ কথা একাষাৰ কবৰ মন গৈছে আৰু সেইফেৰা দায়ৰ নিমিত্তে পাঠকসকলৰ ওচৰত ক্ষমা মাগিলোঁ। অসমৰ কথা কব নোৱাৰো, কিন্তু এই সুদূৰ বিদেশতো এই বৃত্তান্ত লেখকৰ এটা খ্যাতি বা অখ্যাতি আছে যে তেওঁ ভাল মানুহ। নিশ্চয় তেওঁৰ গঢ়-গতি দেখি-শুনি মানুহে তেওঁক তেনেকুৱা বুলি ভাবিছে। কিন্তু যদিও সেই হিচাপত তেওঁক প্ৰযোগ কৰা ভাল মানুহ কথাষাৰ তেওঁ অস্বীকাৰ কৰি প্ৰতিবাদ কৰিবলৈ ইচ্ছা নকৰে, তথাপি প্ৰখৰ বুদ্ধি বা সুবিবেচনাৰ বিষয়ত তেওঁ যে সেই খিতাপ আৰ্জ্জিছে এনে নহয় বুলি তেওঁৰ ডাঠ বিশ্বাস। তেওঁৰ কথাৰ সমৰ্থক স্বৰূপে এইখিনিতে আকৌ এফেৰি পুৰণি কথাৰ অৱতাৰণা তেওঁ কৰিলে।

মই বি-এ পৰীক্ষাত উঠাৰ পিছত দুবাৰ গৱৰ্ণমেণ্টৰ পৰা চাকৰিৰ আহ্বান পাওঁ। এবাৰ কমিছনৰ লটমেন জনছনৰ পৰা আৰু দ্বিতীয়বাৰ অসমৰ চিফ্‌কমিছনৰ ছাৰ হেনৰী কটনৰ পৰা দুইবাৰৰ আহ্বান মই প্ৰত্যাখ্যান কৰিছিলো, কাৰণ মোৰ সৰুৰে পৰা ইচ্ছা যে হয আইন ব্যৱসায়ী হম, নাইবা অইন ব্যৱসায়ী হম। মই আইনত বি-এল পৰীক্ষা দিছিলোঁ। কিন্তু মোৰে সৈতে প্ৰায ত্ৰিশজনমান পৰীক্ষাৰ্থী ছাত্ৰক য়ুনিভৰ্ছিটিয়ে অযথাৰ্থভাৱে ফেল কৰি দিয়া বাবে, মই মোৰ আৰু লগৰীযাসকলৰ হৈ কলিকতাৰ হাইকোৰ্টত মোকদ্দমা কৰিছিলো, সেই মোকদ্দমাত অকল মযেই যে কিয় বাদী হৈছিলোঁ তাৰো অলপ ইতিহাস আছে। পৰীক্ষাত ফেল হোৱা মোৰ লগৰীযাসকলৰ সৰহ ভাগ কলিকতীযা ডাঙৰ মানুহৰ ল'ৰা। আমি লগলাগি উকিল বেৰিষ্টাৰ, এটৰ্ণিৰে সৈতে পৰামৰ্শ কৰি যেতিয়া হাইকোৰ্টত মোকদ্দমা ৰুজু কৰিবলৈ ঠিক কৰিলোঁ তেতিযা মোৰ লগৰীযা আটাই কেউজন ছাত্ৰৰ বাদী হৈ গোচৰত নাম দিযাৰ পৰা পাছ হুহকি পৰিল। গছত তুলি দি গুৰিৰ কাটি দিযাৰ নিচিনা তেওঁলোকৰ ব্যৱহাৰ দেখি মই অবাক হলোঁ। কিন্তু এবাৰ যেতিযা আগবাঢ়ি ওলালোঁ, মই কোনো-যাও নোহোহকো বুলি দৃঢ়প্ৰতিজ্ঞা হলোঁ। সেই দেখি সেই মোকদ্দমাৰ মই অকলশৰীযা বাদী আৰু বাকী ছাত্ৰবোৰ মোৰ যুদ্ধৰ ফলভোক্তাবিলাষী। হাইকোৰ্টৰ পৰা য়ুনিভৰ্ছিটিৰ ওপৰত "ৰিট্ অৱ্ মেণ্ডেমাছ" বাহিৰ হ'ল। কিন্তু অন্তত মোকদ্দমাত মই হাৰিলোঁ। হৰাৰ প্ৰধান কাৰণ, য়ুনিভৰ্ছিটিৰ প্ৰেষ্টিজ্ ৰক্ষা। প্ৰেষ্টিজ মানে মান বা ইজ্জৎ। এই বলিশালত ন্যায নামৰ ছাগ বলি সদায় হৈ আহিব লাগিছে। গতিকে মোৰ মোকদ্দমাৰ ফল লাভত মই আচৰিত নহলোঁ।

বিশ্ববিদ্যালয় সম্পৰ্ক পৰিত্যাগ কৰি ১৮৯৫ চনত দেখাশুনাকৈ মই ব্যৱসায জীৱন অৱলম্বন কৰিলোঁ। ব্যৱসায়ত অভিজ্ঞ লোক এজনেৰে সৈতে লগ লাগিলো। সেই সময়ত অভিজ্ঞ জনৰ ব্যৱসায় কলিকতাত এটি সাঁৰযহতকৈও সৰু আছিল। আমি দুয়ো লগলাগি তাৰ শ্ৰীবৃদ্ধি সাধনত তৎপৰ হ'লোঁ। যুটীয়া পৰিশ্ৰমৰ ফলত লাহে

লাহে সি এজোপা ডাঙৰ বৰগছত পৰিণত হ'ল। কোৱা বাহুল্য যে সেই ব্যৱসায়ৰ গুৰি আৰু মাজডোখৰত মোৰ অভিজ্ঞ বন্ধু আৰু মই মাথোন।

অৰ্থাৎ—

"ৰামকৃষ্ণ দুটি ভাই বৃন্দাবনে চলি যায।
হাতত মোহন বংশী বৈয়া বৈষা বায॥"

দুইৰো হাতত তেতিযা মোহন বংশী নাছিল যদিও, আছিল ছাতি আৰু লাখুটিহে। তাকে দুযো হাতত লৈ কলিকতাৰ বাটেপথে আলিযে-গলিযে টহলৰাম হৈ ঘূৰি ফুৰিছিলোঁ আৰু চৰ্কাৰি লগা যানব ভিতৰত ট্ৰেমগাড়ীত গা ঘেলাইছিলোঁ। পোন্ধৰ বছৰৰ ওপৰ কাল, মোৰ সেই অভিজ্ঞ বন্ধুৰে সৈতে মই একেটা ব্যৱসায়তে আছিলোঁ। কিন্তু লাহে লাহে ব্যৱসাযৰ গছজোপা ডাঙৰ হৈ উঠিলত তাত অনেক চৰাই-চিৰ্কতি গোট খাবলৈ ধৰিলে, তালৈ কানকুৰিকা আহিল, শালিকা আহিল, ফেচু আহিল, হেটুলুকা আহিল,—আনকি বিদেশী ফেঁচা আৰু কাউৰীৰো দৌৰাত্ম্য তাত বাঢিবলৈ ধৰিলে। কোঢাল বৰ বেছি হ'ল। মই স্বভাৱতে শান্তিপ্ৰিয মানুহ সেইদেখি "ৰামকৃষ্ণ দুটি ভাই। ভালে ভালে আঁতৰি যায।" ইযাকে থিৰ কৰি আঁতৰি পৰিলোঁ। গোটেইটো ব্যৱসাযৰ টকা-কড়ি, বেঙ্কৰ টকা হিচাপ-পত্ৰ মোৰ হাতত আৰু মোৰ নামত আছিল। সুযোগ্য অভিজ্ঞ ভ্ৰাতাক সেইবোৰ বিনা বাক্যব্যযে প্ৰত্যৰ্পণ কৰি আঁতৰি পৰিলোঁ। মনত আছে সেই সমযত আমাৰ যুটীয়া ব্যৱসায়ৰ মূল্য স্থাবৰ-অস্থাবৰ, নগদ টকা ইত্যাদিৰে প্ৰায বাৰ লাখ টকাৰ ওপৰ।

সম্বলপুৰত এঘৰ ওখ শাৰীৰ বঙালী ভদ্ৰলোক আছিল। তেওঁলোকেৰে সৈতে আমাৰ প্ৰায ত্ৰিশ বছৰৰ ওপৰকলীয়া বন্ধুতা আৰু ঘনিষ্ঠতা। মই হাওৰাত থাকোঁতে তেওঁলোক বছেৰেকত তিনি চাৰিবাৰকৈ আমাৰ ঘৰত থাকিছিলগৈ। আমিও মাজে মাজে সম্বলপুৰলৈ ফুৰিবলৈ আহি তেওঁলোকৰ ঘৰৰ আলহী থাকিছিলো। বঙালী ভদ্ৰলোকজনৰ গৃহিনীজনা সুশিক্ষিতা আৰু প্ৰখৰ বুদ্ধিমতী আছিল। (দুখৰ বিষয তেওঁ আজি ইহলোকত নাই)। মই বাৰ্ডকোম্পানীৰ চাৰ্কাৰি লৈ সম্বলপুৰলৈ আহি পোনতে চাৰি-পাঁচ দিন তেওঁলোকৰ ঘৰত আছিলোঁহি। মহিলাজনাই মোক প্ৰথম সম্ভাষণতে ক'লে—"দেখুন মিষ্টাৰ বেজবৰুৱা। আপনাৰ মাথায় গোবৰ পোৰা। আমৰা ভাল কৰে জানি, আপনি সেই ব্যৱসাযে পাৰ্টনাৰ ছিলেন। সমস্ত টাকা-কড়ি আপনাৰ হাতে ছিল। আপনি যে লোটা-কম্বল আৰ চিমটা নিয়ে এই ৰকম কৰে বেৰিয়ে এলেন, তাৰ মানে কি? অন্ততঃ হাতে দুলাখ টাকা নিয়েওতো আসতে পাৰতেন? আপনি পাৰ্টনাৰ ছিলেন যখন, কে আপনাকে কি কৰতে পাৰত? বৰং আদালতে এই ব্যাপাৰ গেলে, আপনি অৰ্দ্ধেক ব্যৱসাযেৰ অধিকাৰী হতেন।"

মই ভদ্ৰমহিলাক মোৰ নমস্কাৰ জনাই ক'লো—"আপুনি কোৱা কথা সঁচা। মোৰ মূৰটো নিশ্চয় গোবৰেৰে ভৰা। নহ'লে মোৰ মনলৈ সদায এই কথা আহিব কিয় যে মোক ধন নালাগে লাগে শান্তি? আৰু কিয় ত্যাগ মোৰ হেপাহৰ বস্তু হব? আৰু পুৰৈশাকৰ চৰ্চৰীযা খুদ খুদ মিছা মাছ, আৰু এচিকটা লোণ আৰ্জ্জি দিনৌ পেট

প্ৰবৃত্তিই থাকিব পাৰিলেই মোৰ হ'ল বুলি কিয় মোৰ মনলৈ ভাব আহিব ? আৰু আটাইতকৈ মজাৰ কথা যে মই তেনে নকৰিলো কিয় বুলি মোৰ মনত অনুতাপো নহব কিয় ?"

মোৰ চিকাৰৰ সঙ্গী মুছলমান বন্ধুজন অৱশ্যে মোৰ শৰীৰৰ ভাল মানুহ নহয়। তেওঁৰ মূৰত নিশ্চয় গোবৰ নাই, আছে সুবুদ্ধি আৰু বিষয-বুদ্ধি ।

( ৬ )

মই চিকাৰী কিন্তু প্ৰজাঘৰীযাহে আজিলৈকে ৰজাঘৰীযা হ'ব নোৱাৰিলো। ৰজাই সকলো বেজৰ হাতে দৰব নাখায। ৰজালৈ সুকীযালৈ ৰাজবৈদ্য বা বেজবৰুৱা আছে। অকল তেওঁৰ হাতে বড়ী খাই ৰজা জীযে বা মৰে, আৰু সেই বাবে ৰজাই সেইজনক খিতাপ দি বেজবৰুৱা পাতে। বনৰ ৰজা আৰু দেশৰ ৰজাৰ গঢ-গতিত অনেক পাৰ্থক্য থাকিলেও গোটাচেৰেক ঘাই কথাত মিল আছে। সেইবোৰ ফঁহিযাই দেখুৱাবলৈ নগৈ ইযাকে মাথোন কওঁ যে আজিলৈকে বনৰজাই এই চিকাৰীৰ হাতে বড়ী অৰ্থাৎ গুলী খোৱা নাই, গতিকে তেওঁ ৰজাঘৰীযা বেজবৰুৱাও হ'ব পৰা নাই,—যদিও সেই বিষযত তেওঁৰ পুৰুষাৰ্থ'ৰ ত্ৰুটী নাই। কত দিন, কত ৰাতি তেওঁ গছৰ ওখ ডালত বন্ধা চাঙত হাতত বন্দুক লৈ সজাগ হৈ আৰু উজাগৰে থাকি খাপ দি বহি আছে, বনৰ ৰজাক ৰাজ-প্ৰাণ সংহাৰিণী বটিকা এপালি সেৱণ কৰাবলৈ, কিন্তু ৰজাক একোপধ্যে তেওঁ ৰাজি কৰাব পৰা নাই। যিদিনা পাৰিব সেই দিনাই তেওঁ তেওঁৰ দুৱাৰমুখত ডাঙৰ ডাঙৰ আখৰেৰে জাননী দিব,—ৰাজবৈদ্য অমুক তমুক।

By Appointment to

His Exalted Highness

The King of the Chamunda Forest,

অৰ্থাৎ চামুণ্ডা হাবিৰ বনৰজাই পতা অমুক বেজবৰুৱা। যিহওক ব্যৰ্থপ্ৰযাস-বোৰৰ কথা বহলাই নকৈ চমুকৈ তাৰে দুটা চাইটাৰ কথা আজি কম ।

পৰমাণপুৰ বোলা এডোখৰ হাবি এখনত বাঘ চিকাৰ কৰিবলৈ লগৰীযা জনচেৰে-কেৰে সৈতে ওলালো। আমি একোখন সুকীযা চাঙত বহিলোঁহক। চিকাৰ আৰম্ভ হল। সিফালৰ পৰা দেখা কৰা মানুহবোৰে লাহে লাহে বাঘ খেদি আনিবলৈ ধৰিলে। মই মোৰ চাঙৰ পৰা দেখিলোঁ, নেজ থকা বাঘ এটা লৰি আহিছে। কিন্তু সি ইমান আতৰেদি আহিব লাগিছে যে মোৰ বন্দুকৰ গুলীযে তাক ঢুকি নাপায। ক্ষন্তেকৰ পিছতে ফালৰি কাটিলৈ নেদেখা হল। মহাপ্ৰতাপশালী বনৰজা এনেভাৱে আবিৰ্ভাৱ আৰু তিৰোভাৱত এই চিকাৰীৰ লাভলোকচান একো নহ'ল। মাথোন তেওঁ ব্যৰ্থমনোৰথ হৈ বাৰচেৰেক দাঁত কামুৰিলে।

খেদাৰ অন্তত আমি আটাই কেউজন চিকাৰীয়ে নিজ নিজ উচ্ছিত মঞ্চৰ পৰা অৱতৰণ কৰি লগ লাগি উৰ্ভতি আহিবলৈ খোজ লৈছোঁ এনেতে মানুহ এটাই লৰি

আহি কলে যে সি নলা এটাত বাঘ এটা শুই থকা দেখিছে। কথাটো শুনিয়েই খেদা কৰোঁতাবোৰৰ ভিতৰৰ টেঙৰ কেইটাই লৰি গছত উঠিল। গোটাচেৰেক বিশ্বাশবদে ওখ পৰ্ব্বতৰ টিং পালেগৈ, চিকাৰী কেইজনৰ ভিতৰৰ কোনো কোনো নিজৰ পুৰণি চাঙত পুনৰ উপবিষ্ট হ'ল। মই আৰু আন এজনে সেই মহাজনসকলৰ বাটে নগৈ, হাতত ৰাইফল লৈ আমাক খবৰ দিয়া মানুহটোক লগত লৈ এখোজ দুখোজ কৈ অতি সাৱধানে বাঘ থকা নলাৰ ফালে যাবলৈ ধৰিলোঁ। মোৰ লগৰীয়া বন্ধুজন মোৰ আগত, মই পাছত। সেই ঠাইত উপস্থিত হৈযেই বন্ধুজনে হাবি-বনেৰে ঢাক খাই থকা নলাৰ ভিতৰলৈ জুমি চাই দেখিলে যে হয়, বাঘ এটা তাতে শুই আছে। তেওঁ মোক সাৱধান হৈ বন্দুক সাজু কৰি তেওঁৰ লগে লগে আগবাঢ়িবলৈ কৈ জন্তুটোৰ গাত ওপৰাউপৰিকৈ দুটা গুলী মাৰিলে। বাঘ নাম পোৱা জন্তুটোৱে গুলী খাই ৰাম-বিষ্ণু একোকে নুবুলি ঘোৰ আমাৰ লগৰীয়া মানুহটোৱে লাহে লাহে ভালকৈ জুমি জুমি সেই জন্তুটোৰ ফালে চাই থিৰাং কৰিলে, যে আৰু কোনো ভয় নাই, বন ৰজা মৰি কাঠ হ'ল। খেদা কৰা মানুহ গোটাচেৰেক আমাৰ ওচৰলৈ আগবাঢ়ি আহিল। সিহঁতৰ ভিতৰৰ সাহিয়াল দুটাই আগবাঢ়ি গৈ বনৰজাৰ মৃত দেহ টানি বাহিৰলৈ উলিয়াই আনিলত দেখা গল যে এইটো বাঘ নহয়, বোন্দাও নহয়, বাঘৰ খৰিভাৰী হায়েনাহে। তেতিয়া আমাৰ ভিতৰত হাঁহিৰ ৰোল উঠিল। হায়েনাক আমাৰ অসমত কি বোলে পাহৰিলোঁ। বঙলা ভাষাত হেঁড়েল। বাস্তৱিকতে হায়েনাক দূৰৰ পৰা ঢেকীয়াপতীয়া বাঘটো যেন দেখি। বাঘৰ গাত ঢেকীয়াৰ নিচিনা কাপ কাপ যেনেকৈ থাকে, হায়েনাৰ গাতো প্ৰায় তেনেকুৱাই। যি হওক সেই দিনাৰ বাঘ-চিকাৰ সেই ভেকোভাওনাতে ওৰ পৰিল।

এদিন দুপৰীয়া খাইবৈ উঠি মই মোৰ লডলাডি নামৰ জংঘলৰ বঙলাতে বহি আছোঁ, এনেতে এছিষ্টেণ্ট কন্‌জৰ্ভেটৰ অৱ ফৰেষ্ট তেওঁৰ থকা ঠাই চামুণ্ডাৰ পৰা ঘপহ্ কৰি তাতে ওলালহি। চামুণ্ডা লডলাডিৰ পৰা পাঁচ মাইল দূৰত্ব। তেওঁক দেখি মই আচৰিত হৈ অভিবাদন কৰি, তেওঁৰ মুখলৈ চালত তেওঁ কলে, আপোনাক মই এতিয়াই লৈ যাবলৈ আহিছোঁ, বলক। চামুগুৰি ফৰেষ্ট বঙলাৰ পৰা প্ৰায় আধামাইল দূৰত গ'ল ৰাতি বাঘে এটা গৰু মাৰি থৈছে। আজি সন্ধ্যাবেলিকা বাঘটো নিশ্চয় সেই গৰুটো খাবলৈ আকৌ আহিব। মই তাৰ ওচৰৰে গছ এজোপাত চাং এখন বান্ধিবলৈ মোৰ মানুহক লগাই দি আহিছোঁ। আমি দুয়ো তাতে বহি আজি নিশ্চয় বাঘটো মাৰিমহঁক। খবৰটো-শুনি বৰ উৎসাহেৰে মই তেওঁৰ লগত তেতিয়াই চামুণ্ডালৈ আহি আবেলি চাৰিমান বজাত তেওঁৰে সৈতে সেই চাঙত উঠি বন্দুক হাতত লৈ বহিলোঁ। তেতিয়াৰ পৰা নিসাৰসাৰে বহি আছোঁ,—ৰাতি ন মান বাজিলগৈ কিন্তু বাঘ ভাযাই অনুগ্ৰহ কৰি দেখা নিদিলে। আমি বুজিব পাৰিছিলো যে বাঘটো ওচৰতে কৰবাত লুকাই আছে। কিন্তু কেনেবাকৈ সি আমি সেই চাঙত বহি থকাটো গম পাই ওলোৱা নাই। বাঘটো বাট চাই আমনি লাগি ৰাতি ন মান বজাত আমি চাঙৰ ওপৰৰ পৰা নামি ঘৰলৈ উভতিবলৈ মন কৰিলোঁ।

চাঙৰ পৰা নামিবলৈ জখলা নাছিল। উঠোঁতেও আমি গা-গছডাল বগাইহে উঠিছিলো। নামোতেও তাকে কৰিবলগীয়াত পৰিলোঁ। প্ৰথমতে প্ৰয়াস কৰি নামি আহোঁতে আদৰ্খিনিমান বাটৰ পৰা পিছলি তলত পৰিলোঁহি। মোক পৰা দেখি এছিষ্টেণ্ট কন্‌জৰ্ভেটৰ উস্ উৰ্স আস্ আস্ কৰিবলৈ ধৰিলে, আৰু ততালিকে নামি আহি মোক সুধিলে, মই কৰবাত দুখ পাইছোঁ নে বুলি। মই যদিও ক'কালত অলপ দুখ পাইছিলো তথাপি নাই পোৱা বুলি কলো। কিন্তু মোৰ ক'কালৰ বিষৰ জইন এমাহমানলৈকে মৰা নাছিল।

চামুণ্ডাৰ বঙলালৈ আহি আমি দুযো পৰামৰ্শ কৰি থিৰ কৰিলোঁ যে কাইলৈ সেই ভোখৰ হাবি আনেক দূৰৰ পৰা খেদা কৰামহঁক। খেদা কৰালে নিশ্চয় বাঘটোক পাম। কাৰণ সি শেহ ৰাতি গৰুটো খাই তাৰ পৰা ওলাই নগৈ সেই হাবিৰে এঠাইত শুই থাকিব।

পিছ দিনা খেদা কৰা গ'ল। চাৰিকুৰিমান মানুহে হাবিডোখৰৰ তিনিফালে বেৰি বাঘটোক আমাৰ ফালে খেদি আনিলে। আমি দুযো আঁতৰে আঁতৰে দুখন সুকীয়া চাঙত। এটা সুৰুকীয়া নলাইদি বাঘটো মোৰ ফালে অহা দেখিলো। প্ৰকাণ্ড বাঘ দূৰতে তাক দেখি মোৰ উদ্বেগ বাঢ়িল। সি মোৰ ফালে ওপৰ চাপি আহিবলৈ মই বাট নাচাই খপজপাই দিলোঁ গুলী মাৰি। গুলী বাঘৰ গাত নালাগি গল কেনিবা উৰি। বাঘে তাৰ নেগুৰডাল থিয়কৈ ফালৰি কাটি এছিষ্টেণ্ট কন্‌জৰ্ভেটৰৰ ফালে লৰ দিলে। তেওঁ মাৰিলে এগুলী। সেই গুলীও বাঘৰ গাত নালাগিল; আৰু সেইখিনিতে সেই বাঘ চিকাৰৰ আধ্যা পৰিল।

আমাৰ চিকাৰৰ কৃতিত্বৰ বিষযে সেই খেদাকৰোঁতা মানুহে কণা-কণি কৰাৰ কথা পিছত আমি যি শুনিবলৈ পালোঁ সেই মন্তব্য আমাৰ পক্ষে ঘাইকৈ মোৰ পক্ষে গৌৰৱ-জনক নহয দেখি, তাৰ উল্লেখ নকৰি ভদ্ৰলোকটি হৈ বহি থকাই শ্ৰেয়ংকৰ ভাবি মৌনাৱলম্ব কৰিলোঁ।

বাঘচিকাৰ কৰিবলৈ যাওঁতে কত বাৰ যে মোৰ এনে বিধৰ কৃতিত্ব প্ৰকাশ হৈছে, তাৰ বৰ্ণনা দি প্ৰবন্ধ বঢোৱাটো অনাৱশ্যক, মাথোন আৰু এটা বা দুটাৰ বিষয় যৎ-কিঞ্চিত উল্লেখ কৰিম।

দুগাপালি গৱৰ্ণমেণ্টৰ ৰিজাৰ্ভ ফৰেণ্ট। সম্বলপুৰৰ পৰা ছমাইল দূৰত। তাত এটা পৰ্ব্বতৰ ওপৰত চিকাৰৰ বন্দবস্ত কৰি চিকাৰ কৰিবলৈ গলোঁ। সম্বলপুৰৰ ডিপুটী কমিছনৰ, ডিভিজনেল ফৰেষ্ট অফিচাৰ, এছিষ্টেণ্ট কনজৰ্ভেটৰ অৱ ফৰেষ্ট আৰু মই। এই কেইজনেৰে চিকাৰৰ দলটো গঠিত। তিনিখন চাং বন্ধা হৈছিল। এখনত ডিপুটী কমিছনাৰ, এখনত ডিভিজনেল ফৰেষ্ট অফিচাৰ আৰু এখনত মই। মোৰ লগত এছিষ্টেণ্ট কনজৰ্ভেটৰ অৱ্ ফৰেষ্ট বহিছিল। খেদা আৰম্ভ হোৱাৰ অলপপৰ পিছতে মোৰ চাঙৰ পৰা ৫০ হাত মান দূৰত এটা ডাঙৰ ঢেকীয়া পটীয়া বাঘৰ মূৰটো আমি দেখিলোঁ। বাঘটো হাবিৰ পৰা তাৰ মূৰটো উলিয়ায়েই, গাৰিডোখৰ ওখ ঘাঁহেৰে

আবৃত ৰাখি থমকি ৰল। মই তাৰ মূৰলৈ গুলী মাৰিবলৈ বন্দুকটো যেই টোৱাইছোঁ, মোৰ লগত বহি থকা এছিষ্টেণ্ট কনজৰ্ভেটৰ-অৱ-ফৰেষ্টে হঠাৎ মোৰ হাতত থাপ মাৰি ধৰিলে। মই আচৰিত হৈ কাৰণ সুধিলত তেওঁ কলে, "অলপ পিছত"। বাঘটো আৰু অলপ আগবাঢিল আৰু মূৰটোৰে সৈতে তাৰ গলধনটো দেখা হ'ল। মই গুলী মাৰিবলৈ আকৌ উদ্যম কৰাত তেওঁ আকৌ থাপ মাৰি মোৰ হাতত ধৰিলে। তেওঁৰ এনে অদ্ভুত ব্যৱহাৰত মই বিৰক্ত হৈ মোৰ হাতটো এৰি দিবলৈ কত বাৰ তেওঁক কলোঁ, কিন্তু একোতে তেওঁ হাতৰ খামোচ নেৰিলে। বাঘৰ কি গৰজ যে সি আমাৰ সেই বঢা আজোৰৰ থকাখুন্দাখন শুনি আমালৈ ডিঙিটো পাতি বহি থাকিব। সি প্ৰকাণ্ড জাপ মাৰি পলাই গুচি গ'ল। এনে সুবিধাৰ অৱস্থাত মই বাঘটো মাৰিবলৈ নাপালোঁ দেখি মোৰ মনত বৰ বেযা লাগিল। সেই ভদ্ৰলোক-জনৰ তেনেকুৱা ব্যৱহাৰৰ মানে আন একো নহয় মাথোন ভয় যদিও সেই কথা সৈ নাকাঢি লোকৰ আগত বাজে কাৰণ দেখুৱাইছিল। এই বাঘচিকাৰৰ এই ওনা এই দৰেই দেলে।

মোৰ বাঘচিকাৰৰ ব্যৰ্থ প্ৰয়াসৰ বিষযে ঘটা অনেক ঘটনাৰ ওপৰেদি জপিয়াই গৈ আজি ছমাহৰ আগেযে ঘটা ঘটনা এটা মাথোন এইখিনিতে উল্লেখ কৰি আজিৰ প্ৰবন্ধৰ সামৰণি মাৰিম।

মোৰ সহধৰ্ম্মিণী, বৰজোঁৱাই, বৰজী আৰু মই সম্বলপুৰৰ ডিপুটী কমিছনাৰৰ নিমন্ত্ৰিত অতিথি হৈ চামুগুৰি হাবিত চিকাৰ কৰিবলৈ গলোঁ। চামুণ্ডাত যদিও এটা ডাঙৰ ফৰেষ্ট বঙলা আছে তথাপি তিনি চাৰিটা সুন্দৰ তামিঘৰা তৰা হৈছিল। চিকাৰৰ এই দলটোত আছিল—সম্বলপুৰৰ ডিপুটী কমিছনাৰ, তেওঁৰ সহধৰ্ম্মিণী, তেওঁলোকৰ লৰা-ছোৱালী, তিনিটি মোৰ বৰজোঁৱাই বৰজী, মোৰ সহধৰ্ম্মিণী মই, মোৰ সৰু সৰু নাতি-নাতিনী দুটা আৰু পুলিচৰ ছোট চাহাব। আমি তাত চাৰি দিন আছিলোঁহক। খোৱাবোৱা আৰু নানা আমোদ আহলাদৰ আড়ম্বৰ খুব হৈছিল। প্ৰত্যেক দিন আমি দুবাৰকৈ বাঘ, বৰা, ভালুক, পহু ইত্যাদি মাৰিবলৈ গৈছিলোঁ। আমি তালৈ যাবৰ আগদিনা বাঘ থকা ঠাইত এটা "কিল" ( Kill ) অৰ্থাৎ জন্তুৰ টোপ বান্ধি থোৱা হৈছিল। সেই জন্তুটোক বাঘে মাৰিছিল। আমি যোৱা দিনা আকৌ এটা "কিল" বন্ধা হ'ল আৰু আমি গাইপতি একোখন সুকীযা চাঙত সন্ধ্যা লগাৰ পৰা বহি ৰাতি ন মান বজালৈকে বাঘলৈ খাপ দি আছিলোঁ, কিন্তু বাঘ নোলাল। ন বজাৰ পিছত আমি চাঙৰ পৰা নামি থকা ঠাইলৈ উভতি আহিলোঁ, কিন্তু "কিলটো" তাতে বান্ধি থৈ। পিছ দিনা পুৱা খবৰ পোৱা গ'ল যে আমি গুচি অহাৰ পিছত সেই দিনা আমি চিকাৰী কেইজনে আবেলি চাৰিমান বজাতে আমাৰ নিৰ্দ্দিষ্ট নিজ নিজ চাঙত বহি বাঘলৈ বাট চাই ৰলোঁহক। দিনৰ চাৰি বজাৰ পৰা ওবে ৰাতি আৰু তাৰ পিছ দিনা পুৱা ছয়বজালৈকে আমি আমাৰ চাঙৰ ওপৰতে আছিলোঁহঁক। বাঘে কিন্তু আমাক দেখা নিদিলে। আমিও এৰিবৰ পাত্ৰ নহওঁ ;

আকৌ পিছ দিনা সন্ধ্যাৰ সময়ত আমি চাঙত উঠিলোঁগৈ। কিন্তু হঠাৎ এটা দুৰ্ঘটনা ঘটি সেই দিনাৰ সকলো প্ৰয়াস পণ্ড কৰি দিলে। আৰু সেই দুৰ্ঘটনাৰ কাৰণ মই। মই চাঙৰ উঠোঁতে গধূলি পাৰ হৈ যোৱা এন্ধাৰ। এন্ধাৰেমুধাৰে মই মোৰ ৰাইফলৰ মেগেজিনত চাৰিটা গুলী ভৰাই এটা বেৰেল অৰ্থাৎ নলীৰ ভিতৰত থাজিলোঁ। কিন্তু হঠাৎ গম পালোঁ যে গুলীবোৰ "জাম" হৈ গ'ল অৰ্থাৎ অলপো লৰচৰ নকৰা হ'ল আৰু ৰাইফেলটো বন্ধ নোহোৱা হ'ল। হাতেৰে খপিযাই 'জাম' গুচাবলৈ মই চেষ্টা কৰোঁতেই হঠাৎ তাৰ পৰা এটা গুলীৰ আৱাজ হ'ল। মই ব্যতিব্যস্ত হৈ সেই ভুল শুধৰাবলৈ যাওঁতেই আকৌ এটা গলীৰ আৱাজ হ'ল। ভাগ্যে সেই গুলি দুটা যোৱা বাটেদি কোনো নাছিল, নতুবা ভযানক কাণ্ড হ'লহেঁতেন। গুলীৰ দুবাৰ আৱাজত গোটেই হাবি তল-ওপৰ লাগি পৰিল। ওচৰত বাঘ আছিল যদি ( সম্ভৱতঃ আছিল ) সি ঢাপলি মেলি দূৰ দুৰণি পালেগৈ। ইযাৰ পিছত আৰু তাত চিকাৰৰ আশাত ৰহি থকাটো মিছা জানি আমি উভতি থকা ঠাইলৈ আহিলোঁহক। মোৰ দ্বাৰাই সেই বিপয্যয ঘটি সেই দিনাৰ চিকাৰ পণ্ড হৈ সকলোকে নিৰাশা কৰাত মই যে মনত কিমান লাজ আৰু দুখ পাইছিলো তাক কৈ এটাব নোৱাৰো। মোৰ মনত ইমান ধিক্কাৰ লাগিছিল যে "আজিৰ পৰা মোৰ ৰাইফলত হাত নিদিওঁ" বুলি মই সংকল্প কৰিছিলো। অৱশ্যে সেই সংকল্প আজিলৈকে লৰচৰ হোৱা নাই, পিছত কি হয় ক'ব নোৱাৰোঁ আৰু দুটা ক্ষুদ্ৰ ঘটনাৰ কথা ইযাৰ লগতে কৈ মোৰ মৃগয়াৰ ইতিহাসৰ ওৰ পেলাম।

বহু দিনৰ আগৰ কথা। মই টঙাৰে মোৰ হাবিৰ পৰা উভতি সম্বলপুৰৰ ঘৰলৈ আহিব লাগিছোঁ। লগতে মোৰ সহধৰ্ম্মিনীও আছিল। এটা শুকান নলা পাৰ হৈ আহিছোঁ, এনেতে সেই নলাৰ ভিতৰতে অলপ দূৰত এদোঙা পানীত কিবা ডাঙৰ ক'লা জন্তু এটা মেৰ বান্ধি ওপাঁঙ থকা যেন দেখিলোঁ। টঙাৰ গৰু খেদোৱা মানুহ-টোক টঙা ৰাখিবলৈ কৈ, সেইটো কি দূৰৰ পৰা চাই আহিবলৈ পঠিয়ালে। সি খুপি খুপি হাতত সাৰে ভৰিত সাৰে গৈ চাই উভতি আহি ক'লে যে সেইটো প্ৰকাণ্ড অজগৰ সাপ আধাৰি পকাই পানীত পৰি আছে। মই লৰালৰিকৈ মোৰ বন্দুকত গুলী সাজি লৈ লাহে লাহে গৰাইদি গৈ দিলোঁ গুলি। মোৰ গুলিটো তাৰ গাত পৰি ধুপচকৰে উঠিল। আৰু এগুলী মাৰিলোঁ। সেই গুলীটো পৰিও তেনেকুৱা শব্দ হ'ল অথচ জন্তুটোৱে অলপো কেৰমেৰ কৰা নাই। মোৰ সন্দেহ হৈ ওচৰলৈ গৈ জুপি চাই দেখিলো যে সেইটো এটা মৰা শিয়ালৰ শৱ উখহি তেনেকৈ পৰি আছে। তেতিয়া আমাৰ যে হাঁহি উঠিল, কি ক'ম!

আৰু এটা ঘটনাৰ কথা কওঁ। আজি এবছৰমান হৈছে। মই মোৰ সহধৰ্ম্মিনী, মোৰ মাজুজোৱাই মাজুজীৰে সৈতে মোৰ জঙ্গলৰপৰা সম্বলপুৰৰ ফালে উভতি আহিছোঁ। আবেলি চাৰিমান বাজিছে। বাটৰ কাষৰ হাবিৰ ভিতৰৰ এখন বিলত কিছুমান হাঁহ পৰি থকা দেখি মোৰ মাজুজোঁৱায়ে হাতত বন্দুক লৈ হাঁহ মাৰিবলৈ নামিল।

ময়ো লগে লগে নামিলো। আমাৰ লগত যোৱা চাপৰাচীটো আমাৰ অলপ আগে আগে গৈছিল। সি হঠাৎ থমকি ৰৈ লাহে লাহে আমাৰ ফালে উভতি আহি আমাক ক'লে, "হুজুৰ,। "বৰা বৰা।" আমি দুয়ো কুজা হৈ আগবাঢ়ি গৈ জুপি জুপি চাই দেখিলোঁ যে হয়—অনেক বৰা-গাহৰি। দুযো বন্দুকৰ ঘোঁৰা তুলি দুটালৈ গুলী মাৰিব খুজিছো এনেতে আন এটা চাপৰাচী লৰি আহি আমাক ক'লে "হুজুৰ! নামাৰিব, নামাৰিব। সেই জাক ঘৰচীয়া গাহৰি।" আমি হঠাৎ ক্ষান্ত দি উঠি চাওঁ হয় ঘৰচীয়া গাহৰিহে। তাৰ পিছতে দূৰত তাৰ ৰখীয়া এটাকো দেখিলোঁ। এক নিমিষৰ নিমিত্তে আমি সেই ভুলৰ হাত সাৰিলোঁ। নতুবা তাৰ গৰাকীক দুটা গাহৰিৰ বেচ ক্ষতিপূৰণেৰে সৈতে দিব লাগিলহেঁতেন। অৱশ্যে সেই নিৰ্জ্জন হাবিৰ ভিতৰত যে কোনোবাই এজাক গাহৰি লৈ চৰাব, সেইটো সহজে মনত নেখেলায়। *

* 'আৱাহন'ৰ ২য় বছৰৰ ( ১৮৫২—৫৩শক ) পাঁচ সংখ্যাত প্ৰকাশ হোৱা প্ৰবন্ধ। (অ—২)

# মোৰ মাতৃমুখ দৰ্শন

## প্ৰথম আধ্যা

ডেৰকুৰি কি দুকুৰি বছৰৰ মূৰত এইবাৰ মোৰ মাতৃমুখ দৰ্শন ঘটিল। ইমান বছৰ মই মোৰ জীৱনটো বাহিৰে বাহিৰে কটায়েই বুঢ়া কৰিলোঁ। কাৰ্যটো নিশ্চয় আপচু। কিন্তু কিয় যে তেনে হৈছিল, তাৰ সন্তোষজনক কৈফিয়ৎ মই দিব নোৱাৰোঁ। মহাপুৰুষৰ কীৰ্ত্তনঘোষাত আছে,—

"নকৰিলো শিৰে মাধৱক নমস্কাৰ।
ইটো মাথাপোট মোৰ ভৈল মহাভাৰ ॥"

ইত্যাৰ্দি পদবোৰো মোৰ বিষয়ে খটাই চলাই দিব পাৰি, মাথোন মাধৱৰ ঠাইত মাতৃ শব্দটো বহুৱাই দিলেই হব। সিদিনা শিৱসাগৰত বহা এখন সভাত মোৰ ডেকা বন্ধু এজনে মোৰ এনে আচৰণৰ বিষয়ে কাৰণ এটা দিছিল,—মই হেনো গপ বা ওফোন্দ পাতিহে এনে কৰি আছিলোঁ। মই অৱশ্যে তেওঁক তৌতিয়াই কৈ দিবলৈ নহ'ল, যে "ৰামচন্দ্ৰ! সেইবোৰ একো নহয় দেওহে। গপো নহয় ওফোন্দো নহয়। হয় যদি ই এটা শাওপাতহে।" শাওপাতত পৰিলে মানুহে পানীত এৰিঙিলৈকে নামিও পিয়াহত শুকাই মৰে। মহাত্মা কবীৰে কৈছিল,—

পানীমে মীন পিযাসী।
মোক শুনত শুনত লাগে হাসি ॥"

শাওপাত—সন্নিপাতে পোৱা দুটা প্ৰাণীযে নৈখনৰ ইপাৰে এটা আৰু সিপাৰে আনটো থাকি একেলগ হবলৈ নাপাই, ওৰেৰাতি চিঞৰি কান্দি মৰে। এনেকুৱা শাওপাততে পৰিযেই একঠা মাটিৰ নিমিত্তে দুই ভাযে কিলাকিলি মৰামৰি গোচৰ ফৰিযাদ কৰি সৰ্ব্বস্বান্ত হৈ মৰে, তথাপি আপোচে মিতমাত কৰি মিলিজুলি পৈতৃক সম্পত্তি খাইমেলি থাকিব নোৱাৰে। এনে শাওপাতৰ নিমিত্তেই দুৰ্য্যোধনে পাঁচ পাণ্ডৱক পাঁচখন গাঁও দিযক ছাৰি বেজীৰ আগটোৱে ঢাকিব পৰা মাটিকণ পৰ্য্যন্ত নিদিওঁ বুলি যুঁজ কৰি মৰিল। শাওপাত বা খোদাৰ গজপত পৰি দুই ভাই হিন্দু মুছলমানে ফুটুকাৰ ফেন সোপা বা নকটা খেৰৰ নশ-মুঠিৰ ভাগ বিচাৰি, মিছাতে দন্দহাই কটাকটি কৰি মৰি লোকৰ হাঁহিযাতৰ পাত্ৰ হব লাগিছে, তথাপি তেওঁলোকৰ গালৈ চেতনা অহা নাই। মথুৰা আৰু বৃন্দাবনৰ মাজত ব্যৱধান ছমাইল কি দহ মাইল। বিধিৰ এনে বিধানতে পৰিযেই বৃন্দাবনচন্দ্ৰই এইফেৰাকে ডেই মথুৰাৰ পৰা গৈ বৃন্দাবনত মাক-বাপেক আৰু গোপীসকলক দেখা দিব পৰা নাছিল। সাঁতোৰা বিদ্যাত পানীৰ পোক যেন একোজন নিয়তিৰ হাতত পৰি একাঠু পানীত পৰি বুৰি মৰে। বিধিলিপি অগ্ৰাহ্য কৰিব নোৱাৰিযে অমুক লক্ষ্যপতিযে ধনখৰচৰ ভযত লঘোনে থাকি আঠুমূৰীয়া চুৰিয়া পিন্ধি জীৱন কটায়। এনে শাওপাতৰ পাকত

পাৰিয়েই অমুক মাৰোৱাৰী মহাজনে ডাক্তৰক ভিজিট দিবৰ ভয়ত, ধন আৰু নোটেৰে খুন্দা খাই থকা লোৰ পেৰাৰ সঁচাৰকাঠীটো নিজৰ গাৰুৰ তলত থৈ ডাক্তৰক নামাতি লেকেটীযা নাঙ্গৰাত ভুগি মৰি যায় আৰু এনে গঢ়ৰ শাওপাতত পৰিয়েই ছল্ম বেশ দৰ্ম্মহা পোৱা অমুক ছৰ্‌জজে খৰচৰ ভয়ত জাৰকালি মাথোন ফটা কঁথা এখন গাত মেৰিয়াই লৈয়েই চালপীৰাত বহি জজমেণ্ট লেখি জীৱন কটায়। সেইদেখি মুঠতে কওঁ যে মোৰ এই কাৰ্য গপ, অহংকাৰ, অভিমান বা ওফোন্দৰ শাৰীৰ নহয়। ই বিধিৰ বিতং বিধানং অদৃষ্টৰ ফল, বলৱন্ত নিয়তিৰ নিয়মিত। ৰাৱণে কৰিবলৈ পাতি থোৱা স্বৰ্গৰ জখলাটো কৰিব নোৱাৰিলে, লোণ সাগৰখন সিঁচি পেলাই, লঙ্কাৰ চাৰিউফালে গাখীৰৰ সাগৰখন বোৱাই আনিব নোৱাৰিলে, ঠিক এনেকুৱা দৈব্যৰ বলতেই।

কোনো মানুহক সবাহলৈ নিমন্ত্ৰণ কৰা আৰু তাক টেকেলা লগাই ধৰাই লৈ যোৱা, এই দুটাৰ ভিতৰত প্ৰভেদ বিস্তৰ। নিমন্ত্ৰণ পাওঁতাজনৰ সবাহলৈ যাবৰ মন থাকিলেও আৰু সবাহত তেওঁৰ অপাৰ আনন্দ লাভৰ সম্পূৰ্ণ আগন্তুক থাকিলেও, অনেক সময়ত এলাহ, ভাগৰ, থেৰোগেৰো ইত্যাদি এশ এটা মনে গঢ়া আহুকাল তাৰ ভিতৰত সোমাই সেইবোৰে জুমুৰি দি ধৰি গোটেইখন খেলিমেলি লগাই তাত ব্যাঘাত জন্মায়। কিন্তু তেওঁক ধৰি লৈ যাবলৈ অহা টেকেলাৰ লাখুটিৰ আগত সেই মকৰাজালবোৰ আৰু থাকিব নোৱাৰে। যাম, যোৱাটো উচিত, গলে ভাল, নোযোৱাটো বেয়া ইত্যাদিবোৰ যদিও ধুনপেচ মৰা গাভৰুৰ দলৰ দৰে তথাপি হামি, হেৰ্কটি, ভাগৰ, খৰচৰ ভয় প্ৰভৃতি নিগনি, শলিয়া, বিছা, চেলা, পইতাচোৰাৰ হঠাৎ তেওঁলোকৰ আগত আবিৰ্ভাব হ'লে, সেই দলটি সম্ভৱতঃ ছেদেলি-ভেদেলি হব। "আহিবই লাগিব, এৰণ নাই" এইবাৰ "আহক, অহা উচিততকৈ" নিশ্চয় বলী। মাতৃভূমিযে এই চিৰপ্ৰবাসুৰাক সদায় মাতি আছিল, কিন্তু সেই মতা ৰাজহুৱা ডাক। এই ডাক যদিও বিৰাট তথাপি সি নিৰ্দ্দিষ্ট আকৃতি গ্ৰহণ কৰি মোৰ আগত দেখা দিয়া নাছিল দেখি তাৰ শক্তি মোৰ পক্ষে বিক্ষিপ্ত আৰু দুৰ্ব্বল হৈ আছিল। বিষ্ণু সৰ্ব্বব্যাপী সৰ্ব্বস্থিত ব্যাপ্ত অৱস্থাত এই বিভূৰ শক্তি যদিও বিৰাট মহান, তথাপি সৰ্ব্বসাধাৰণ বিষয়ী সংসাৰীৰ পক্ষে সি ক্ষীণ। কিন্তু যেতিয়া তেওঁ ভক্তৰ আহ্বানত নিৰ্দ্দিষ্ট মূৰ্ত্তি পৰিগ্ৰহ কৰি বাহিৰ হয়, তেতিয়া সি ঘোৰ নৰসিংহৰূপী; হিৰণ্যকশিপুৰ কালান্তক আৰু প্ৰহ্লাদৰ প্ৰশান্ত পুৰুষ তেতিয়া সেই শক্তি অগ্ৰাহ্য অমান্যৰ স্ফটিকৰ স্তম্ভৰ বাহিৰত। মাতৃৰ ব্যাপ্ত অশৰীৰ ডাকে তেতিয়া মূৰ্ত্তি পৰিগ্ৰহ কৰি বাজ হ'ল, তেতিয়া আৰু এই অধম সন্তানৰ মূৰ দেহৰ চৰণত ভক্তি গদগদভাবে স্বভাৱতে নত হৈ পৰিল। তেতিয়া এলাহ, অমনোযোগ, শৈথিল্য, সকলোবোৰ নৃসিংহৰ আগত দৈত্যেন্দ্ৰৰ নিচিনা ক্ষুদ্ৰাতিক্ষুদ্ৰ হৈ পৰিল।

"নেদেখিয় দৈত্যেন্দ্ৰক নৃসিংহৰ পাশে।
লুকাই পতঙ্গ যেন অগনিত জাসে॥"

দুৰ্গা পূজাৰ বন্ধত ৰেল কোম্পানীয়ে যাত্ৰীক ভেৰোণৰ সুবিধা কৰি দিয়া

সুবিধাকে লৈ ১৮৩০ খৃষ্টাব্দৰ ১৯ ছেপ্টেম্বৰত অসমলৈ বুলি যাত্ৰা কৰিব আমি সম্বলপুৰ এৰিলোঁ। লগত মোৰ সহধৰ্ম্মিণী আৰু সৰুটো কন্যা। মানুহৰ মুখে মুখে প্ৰচলিত একাষাৰ সংস্কৃত শ্লোক আছে যে "পথে নাৰী বিবৰ্জ্জিতা।" কব নোৱাৰো সেই শ্লোক কোনে কৰিছিল। মই তাৰ অনুশাসন মানি নচলোঁ। নিশ্চয় শ্লোক কৰোঁতাই তিৰুতাক গলগ্ৰহ ভাবি সেই শ্লোক ৰচনা কৰিছিল। হব পাৰে, নানা কাৰণত শ্লোক ৰচকৰ তেনে অৱস্থাত দুৰৱস্থা ঘটিছিল। সেইদেখি শ্লোক ৰচক পুতৌৰহে যোগ্য, খণ্ডৰ নহয়। মই কওঁ মোৰ বহুদৰ্শনত "পথে নাৰী বিবৰ্জ্জিতা" নহয় সম্পূজিত্যাহে। বয়বস্তু দেখাশুনা, লাগিলে ৰেলৰ টিকট পৰ্য্যন্ত কিনা, ঘণ্টাই ঘণ্টাই ফলটো, পিঠাখন চাহপানীটোপা যাতনাই খুৱাই বাটৰ ভোকক ৰেলৰ খোঁটালীৰ ভিতৰৰ পৰা গতিযাই উলিযাই দিযা, শুৱলৈ পাটীখন পাৰি দিযা, গাৰুটো মুৰৰ তলত গুজি দিযা, আৱশ্যক হলে বিছনীৰে মুৰৰ ওপৰত বিচি ঘামৰ কণকঠীযা মৰা ইত্যাদি এশ এটা সৰু বৰ কাম ৰেলৰ পথত আমাৰ তেওঁৰ দ্বাৰাই সুসম্পাদিত হৈ যাত্ৰা সুখাতিসুখকৰ মোৰ পক্ষে সদায় হয়। সেইদেখি মই কবলৈ বাধ্য যে মোৰ পক্ষে নাৰী পথত যে গলগ্ৰহ নহযেই বৰং গলৰ মালাহে হৈ পৰে আৰু কবিতা কৰি কলে, সিয়ো মালতীৰ মালা।

বি, এন আৰ অৰ্থাৎ বেঙ্গল-নাগপুৰ ৰেলৰ ঝাৰসোগোড়া জংছন সম্বলপুৰৰ পৰা ৩১ মাইল দুৰত্ব। গধূলি চাৰে পাঁচ বজাত সম্বলপুৰৰ ৰেলত উঠি দুঘণ্টামানৰ মুৰত ঝাৰসোগোড়া পোৱাগৈ যায। তাত চাৰে সাত বজাত কলিকতাৰ ফালে যোৱা বোম্বাই মেল গাড়ীত উঠিব লাগে। কিন্তু সেইদিনা আমাৰ কপালত দুৰ্গতি লেখা আছিল, গতিকে ডাক-গাড়ীৰে সৈতে আমাৰ ৰাহি নাহিল। আমি ঝাৰসোগোড়া পোৱাৰ আগতে বোম্বাই মেইলে আমাৰ বুকুত বিৰহৰ অগনি জ্বলি দি গুচি গ'ল। ডাকগাড়ী হেৰুৱাই আমি না-জল না-স্থলত পৰিলো। আমাৰ সম্বলপুৰৰ গাড়ীযে যে পলম কৰি আহি মেইল ধৰিব নোৱাৰিলে, তাকে গুণি-গাথি আমাৰ বিলাই-বিপত্তিৰ কাৰণে সম্বলপুৰৰ গাড়ীক পাৰোঁ মানে গালি পাৰি ঝাৰসোগোড়া ষ্টেছনতে ৰহি আছোঁহঁক। এনেতে কোনোবাই কলে যে ৰাতি দুই কি তিনিমান বজাত এখন পেছেঞ্জাৰ গাড়ী ঝাৰসোগোড়াৰ পৰা কলিকতালৈ যায, সেইখনতে আমাৰ যোৱা উচিত। নিৰুপায হৈ টোপনি ক্ষতি কৰি খাপ দি সেই শেহৰাতীয়া গাড়ীখনতে উঠিলোহক। ফলত, ৰাতিৰ বাকীডোখৰ আৰু পিছদিনাৰ গোটেইটো দিন, সেই ঢেকেৰ্ ঢেকেৰ্ পেছেঞ্জাৰ গাড়ীতে থপি কুঁৰি তাৰিখে ৰাতি আঠমান বজাত কলিকতা পালোঁগৈ। বাটত আমাৰ অনাহাৰ বুলিলেও সৰহকৈ বঢ়াই কোৱা নহয়। যাওঁতে মনত খেলাইছিল যে হিচাপৰ বহীত ইমান বছৰৰ বাকী পৰি থকা আঁউসী, একাদশী-বোৰে সিহঁতৰ পাওনা হাচিল কৰিবলৈ যেন হাতত ৰামটাঙোন লৈ কাবুলীৰ দৰে আমাৰ গাড়ীৰ খোঁটালীৰ দুৱাৰমুখত থিয় হৈ আছে আৰু লাখুটিৰ আগৰে বাকী পাওনা আদায় কৰি লৈহে উভতি যাব। আচলতে মেইল গাড়ীত মাথোন ৰাতিটো গৈ পুৱাই কলিকতা পামগৈ বুলি আমি লগত খাবলৈ প্ৰায় একোকে নিয়া নাছিলোঁ।

প্ৰায় এই বাবে বুলিছোঁ যে দিনো চাৰি সাজকৈ খাই বদ্‌অভ্যাসত পৰা আমাৰ লগত যি আছিল, সি নিঃ+ৰস সন্ধিৰ "ৰ"ৰ আগৰ পৰা বিসৰ্গ লোপ হৈ নীৰস হোৱাৰ দৰে এসাজতে নীৰস হৈ লুপ্ত হৈ গ'ল। পেছেঞ্জাৰ গাড়ীত ডাইনিং কাৰ নাথাকে। বাটৰ দুঠাইত এঠাইত যি "ৰিফ্ৰেছমেণ্ট ৰুম" আছে, সেইবোৰে পেছেঞ্জাৰ গাড়ীৰ অধীনতা স্বীকাৰ নকৰে। তথাপি গাৰ্ডক কৈ খৰগপুৰ আৰু চক্ৰধৰপুৰ ৰিফ্ৰেছমেণ্ট ৰুমৰ মেনেজাৰলৈ মই টেলিগ্ৰাফ কৰিলো, যাতে আমালৈ অলপ আহাৰৰ আযোজন কৰি থয়। কিন্তু ক'ৰ টেলিগ্ৰাম ক'লৈ গল, তাৰ কৰ্ত্তা কৰ্ম্ম কৰণ অধিকৰণসকলেহে জানে। সেই দুই ঠাইতে ৰিফ্ৰেছমেণ্ট ৰুমৰ মেনেজাৰে আমালৈ একো আয়োজনকে নকৰি, টেলিগ্ৰাফ নাই পোৱা বুলি কৈ গা সাৰিলে; যদিও আমি আমাৰ পেটৰ ভোকক তেনেকৈ কিবা এটা কৈফিয়ৎ দি গা সাৰিব নোৱাৰিলোহঁক। ফুটা নাৱত চিৰচিৰকে পানী সোমোৱাদি ওৰে দিনটো আমাৰ পেটত ভোকে চিৰচিৰাই আছিল। নাৱৰীয়াই নাৱৰ ফুটাত ফটা কানিৰ সোপা দিযাদি ষ্টেছনত বিক্ৰী কৰা কচুৰি, শিঙৰা এসোপাকৈ কিনি লৈ আমি যদিও ভোকৰ ফুটাত সোপা দিবলৈ ধৰিলো, কিন্তু গাথীৰৰ হেঁপাহ ঘোলে কেনেকৈ পলুৱায? তেনে অৱস্থাৰেই ভোকত লেকাত লাগি গৈ আমি ৰাতি কলিকতা পালোঁগৈ। য'ত উঠিলোঁগৈ, ভাত লৰালৰিকৈ ভাত আৰু মাছৰ আঞ্জা বন্ধাই খাই পেটক প্ৰবোধ দি সেই ৰাতিৰ নিমিত্তে শুই থাকিলোঁহক। কবলৈ পাহৰিছোঁ যে বাটত আমাৰ অশান্তি বাহিৰে ভিতৰে সমানে চলিছিল। মগনিযাৰে বাটৰ এফালৰ পৰা আৰম্ভ কৰি ঘৰে ঘৰে মাগি পইচা বুটলি ফুৰাদি পেছেঞ্জাৰ গাড়ীযে প্ৰায় সকলো ষ্টেছনতে বৈ বৈ যাত্ৰী বুটুলি ফুৰে। আমি ঝাৰ-সোগোড়াৰ পৰা যাওঁতে আমাৰ দ্বিতীয় শ্ৰেণীৰ খোঁটালীত আন কোনো নাছিল। কিন্তু লাহে লাহে আমাৰ গাড়ীখনে দুজন এজনকৈ যাত্ৰী বুটলি আমাৰ খোঁটালী ভৰাই পেলালে। আটাইতকৈ আহুকালৰ কথা হৈছিল, বাটৰ এটা ষ্টেছনত। উঠিব নোৱাৰা বৰ নৰিয়া পৰা ল'ৰা এটাক মাক-বাপেকে কোলাত লৈ, দুটা-তিনিটা মানুহৰে সৈতে আমাৰ খোঁটালীত সোমালহি। ল'ৰাটোক কলিকতাত চিকিৎসা কৰাবলৈ লৈ গৈছিল। তেওঁলোক সোমায়েই খোটালীটোৰ খিড়্‌কি দুৱাৰবোৰ মাৰি দিলে,—ফলত, যাত্ৰীৰে খুন্দ খোৱা খোটালীটো চিৰাজদ্দোলাৰ অন্ধকূপ যেন হ'ল। ভদ্ৰতা আৰু পৰহিতৰ অনুৰোধত আমি জুলুম নীৰৱে সহিবলগীয়াত পৰিছিলো।

* ( বাঁহী—১৯শ বছৰ ৫ম সংখ্যা, ১৮৫২ শক। অ-২৭ )

# দ্বিতীয় আধ্যা

এৰৈকশ ছেপ্টেম্বৰ তাৰিখে শিয়ালদহ ষ্টেছন এৰিৰ বাইশ তাৰিখে গুৱাহাটী পালোঁগে। ব্ৰহ্মপুত্ৰ পাৰ হোৱা জাহাজখন পাণ্ডুঘাটৰ ওচৰ চাপিলতে আমাক লৈ যাবলৈ অহা মোৰ অতি প্ৰিয় দুজন মানুহৰ দুখন হাঁহিমুখ দেখি আমাৰো মুখত হাঁহি বিৰিঙিবলৈ ধৰিলে। সেই হাস্যবদন দুখনৰ গৰাকী "মাজিউ" আৰু "জ্ঞান। তেওঁলোকে আগেয়েই আমি অহা খবৰ পাই আমাক লৈ যাবলৈ আহিছিল। "মাজিউ" আৰু "জ্ঞান" এই দুটা গুৱাহাটীৰ দুজন প্ৰখ্যাত লোকৰ নাম,—অৱশ্যে সুকীয়াকৈ মোৰ নিমিত্তে। মই তেওঁলোকক সেই সেই নামেৰে মাতি সুখ পাওঁ দেখি তেওঁলোকৰ জনাজাত ডাঙৰ নামে তাত ব্যাঘাত নজন্মায়। মাজিউ নামটো সুকীৰ সুবিখ্যাত চমহখেতিষক সদাগৰ শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা ডাঙৰীয়াৰ আৰু জ্ঞান নামটো আৰ্ল কলেজৰ প্ৰসিদ্ধ প্ৰিন্সিপাল উদাৰহৃদয় মিষ্টাৰ জে বৰুৱা বেৰিষ্টাৰ-এট্-লৰ। এই দুটি উজ্জ্বল তৰাই মোৰ নিমিত্তে গুৱাহাটীখন পোহৰাই ৰাখিছে। সেইদেখি গুৱাহাটীৰ ফালে মুখ কৰিলেই মোৰ মনত সুখৰ লহৰী উঠে। তেওঁলোকৰ ঘৰ মোৰ নিজৰ ঘৰ হৈ পৰে। তেওঁলোকৰ আদৰ' যত্ন আৰু মৰমে মোৰ জঁয় পৰা জীৱনটোত জীপ দি ঠন ধৰায়।

আৰু অনেক কাৰণত গুৱাহাটীক মোৰ ভাল লাগে। তাৰে গোটাদিয়েক হৈছে এই, (১) প্ৰাকৃতিক সৌন্দৰ্য্য (২) ঐতিহাসিক উৎকৰ্ষ (৩) প্ৰাচীন জ্ঞান-গৌৰৱৰ গৰিমা। অসমীয়াৰ জীৱন-বেদৰ পাত এইবোৰে প্ৰথমতে গুৱাহাটীতেই মুকলি কৰি দেখুৱায়। কালৰ পীড়ণত আজিৰ অসম জীৰ্ণশীৰ্ণ দীৰ্ণ। তথাপি গুৱাহাটীৰ বুকুত সেইবোৰ অবিলুপ্ত। অসমযাত্ৰী বিদেশীয়ে অসমীয়াৰ চকুৱাৰ বেৰ গুৱাহাটীত নেদেখে বৰং যিমানকৈ চকু মেলে সিমানলৈ বৰচুৰিয়াৰ ফেৰেহে দেখিবলৈ পাব। ব্ৰহ্মপুত্ৰৰ মাজৰ উমানন্দ, পাৰৰ কামাখ্যা, অশ্বক্ৰান্ত আদি অলেখ অতুলনীয় প্ৰাকৃতিক সৌন্দৰ্য্যই সেই বিদেশীৰ চকুত জলক লগাব। তীৰ্থযাত্ৰীৰ প্ৰাণৰ তীৰ্থস্পৃহা গুৱাহাটীয়ে পলুৱাব। পৰিশ্ৰমী প্ৰত্নতাত্বিকক প্ৰাচীন জ্ঞানৰ দুৱাৰ গুৱাহাটীয়ে মুকলি কৰি মনত বিস্ময় লগাই দিব। কবিৰ হৃদয়ৰ কোমল কুসুমকলি গুৱাহাটীয়ে ফুলাই দি তেওঁৰ জীৱন আমোলমোল কৰি দিব আৰু পিছত সেই কবিৰ ৰচনাই কাব্যৰসৰ মন্দাকিনী নমাই বোৱাই আনি কাব্যমোদীসকলৰ অন্তঃকৰণ সজীব সচেতন কৰি দিব। তত্ব আৰু তথ্যানুসন্ধিৎসুৰ আগত বৰভঁৰালৰ বৰদুৱাৰ মেলি দি অক্ষয় ৰত্নৰাজি প্ৰকাশ কৰি দিব গুৱাহাটীয়ে। এনেকুৱা গুৱাহাটীয়ে যে অসমৰ আন সকলোবোৰ জিলাতকৈ এই লেখকৰ মনত বেছি প্ৰভাৱ বিস্তাৰ কৰিব, তাত আশ্চৰ্য্য কি?

সম্বলপুৰতে মোৰ গাত ঘুঘুৱা জ্বৰে বাহ লৈছিল। ডাক্তৰৰ দ্বাৰা তাৰ নামকৰণ হৈছিল 'মেলেৰিয়া'। সকলোৰে জানে যে এই লেখক বেজবৰুৱা খবৰ ল'বা।

মই মোক ল'ৰা বোলাত আশা কৰোঁ পাঠকসকলে নাহাঁহিব। ল'ৰা শব্দটোৰ মানে এইখিনিত কি, সেইটো কোৱাই বাহুল্য। লেখকৰ পিতৃদেৱতা ৰজাঘৰীয়া বেজ আছিল। আয়ুৰ্বেদ শাস্ত্ৰত যে তেওঁৰ জ্ঞান সুপৰিপক্ক আছিল, এই কথা আগৰ তবপৰ অসমীয়াই জানে। তেওঁৰ মুখত মেলেৰিয়া জ্বৰ কথাটো মই কেতিয়াও শুনা নাছিলোঁ। মেলেৰিয়া কথাটো আয়ুৰ্বেদৰ অবিদিত, ইংৰাজী সভ্যতা আৰু ডাক্তৰী শাস্ত্ৰৰ দ্বাৰাই আনীত। এইকলীয়া চাবোন, চুৰট, চেলেউৰ দৰে যদিও সি বিদেশৰ আমদানি তথাপি সি আজিকালি আমাৰ ঘৰৰে এটা হৈ পৰিছে, সেই দেখি তাক অগ্ৰাহ্য কৰিবৰ উপায় নাই। দিনৌ আবেলিৰ পৰা মোৰ গাত অলপ জ্বৰ উঠি সেই জ্বৰ প্ৰায় আদাখিনিমান ৰাতিলৈকে থাকিছিল। কিন্তু মই গুৱাহাটী পালতে, বৰ আনন্দৰ হেঁচাত বোধকৰোঁ মেলেৰিয়া টেপা খাই পলৰীয়া হ'ল, যদিও সি তাৰ লগৰীয়া কৰ্পটিক মোৰ গাত চৰিবলৈ এৰি থৈ যাবলৈ পাহৰা নাছিল। কটন কলেজৰ মোৰ ছাত্ৰ-বন্ধুসকলে সেই দিনাই গধূলি সভা পাতি মোক অভিনন্দন দি সন্মানিত কৰিলে। সভালৈ যাওঁতে মোৰ গাত বন্ধ খাই থকা ডাঠ কৰপাৰ অভাৱ নাছিল। কিন্তু আগ্ৰহ, সমাদৰ আৰু অনুৰোধ অমান্য কৰিবৰ শকতি ঈশ্বৰে মোক দিয়া নাই; গতিকে "যথা নিযুক্তোহস্মি তথা কৰোমি।" সভালৈ গৈ দেখিলোঁ, মোৰ ছাত্ৰ-বন্ধুসকলৰ কি উৎসাহ! কি আনন্দ! মই সমাজিকতো ভবা নাছিলোঁ যে তেওঁলোকৰ হৃদয়ৰ এছোৱা এই অকামিলা এলাবাদু লেখকে কেনেবাকৈ এইদৰে অধিকাৰ কৰি থৈছিল! একো একোটি ডেকা ল'ৰাৰ গঢ়ত প্ৰফুল্ল মুখ দেখি সঁচাকৈয়ে মই উৎফুল্ল হৈ, মোৰ বৃদ্ধত্ব জৰত্ব পৰিহাৰ কৰি তেওঁলোকৰ লগতে ডেকা হৈ পৰিছিলো। তেওঁলোকৰ একোজনে শুৱলাকৈ ইংৰাজী আৰু অসমীয়া ভাষাত বক্তৃতা দিছিল। জনচেৰেকে সুললিত কণ্ঠেৰে সঙ্গীত গাইছিল আৰু জনচেৰেকে ওজাপালী হৈ অঙ্গীভঙ্গীৰে হাস্যৰসপূৰ্ণ বিবাহ গাই আমাক নথৈ আনন্দ দিছিল আৰু লগে লগে নুমাওঁ নুমাওঁ হোৱা মোৰ সৰুকালৰ আনন্দ ৰসৰ বাক্তিগছত তেল দি তাৰ শলাকানি বঢ়াই দিছিল। নিশ্চয় গুৱাহাটীত কলেজ আৰু শিক্ষাৰ কেন্দ্ৰ হোৱা নিমিত্তে যে এনে সুফল ফলিছে, তাক নকলেও হব। মোৰ মনত বৰ ৰং লাগিছে যে তাহানি গুৱাহাটীত কলেজ হোৱা উচিত নে কলিকতাত চৰ্কাৰী বৃত্তিৰ সংখ্যা বঢ়াই দি বেছি সংখ্যক অসমীয়া ছাত্ৰক পঢ়িবলৈ দিয়া উচিত, এই লেখকে গুৱাহাটীত কলেজ হোৱাৰ সপক্ষে যথাসাধ্য চেষ্টা কৰিছিল।

২৩ তাৰিখে গুৱাহাটী এৰি ডিব্ৰুমুৱা হৈ ২৪ তাৰিখে পুৱা ন মান বজাত ডিব্ৰুগড় পালোঁগৈ। ষ্টেছনত অনেক চিনা-জনা মানুহেৰে সৈতে সাক্ষাৎ হ'ল আৰু তাৰ ভিতৰত মোৰ মাজুজনী ছোৱালী আৰু মাজু জোঁৱাইক আৰু মোৰ সৰু ভাইক দেখি মনত বৰ আনন্দ মিলিল। মই আগৰটো প্ৰবন্ধত ৰাজহুৱা ডাকতকৈও টেকেলাৰ ডাকৰ প্ৰবল প্ৰভাৱৰ কথা কৈছিলোঁ, কিন্তু সেইটোনো কোন টেকেলা, কাৰ টেকেলা, কেনে টেকেলা, তাৰ আঁতিগুৰিৰ বিষয়ে নকৈ কথাৰ তাঁতখনত খৰকৈ মাকো চলাই গ'লোঁ। কাৰণটো আন একো নহয়, মাথোন এই ভাবি যে সি যথাস্থানত

প্ৰকাশ পাব। এতিয়া কওঁ যে সেই প্ৰবল পৰাক্ৰমী টেকেলাটো হৈছে,—মোক ডিব্ৰুলৈ নিবলৈ মোৰ মাজু জী-জোঁৱাইৰ আহ্বানৰ আগ্ৰহাতিশয্য। বোধকৰোঁ অনেকে জানে যে মোৰ মাজু ছোৱালীজনীক ডিব্ৰুগড়ৰ সম্ভ্ৰান্ত পৰিয়াল এঘৰৰ সুশিক্ষিত ডেকা এজনলৈ বিয়া দিছোঁ। প্ৰায় দুবছৰ হব লগা হ'ল, মোক মোৰ জী-জোঁৱায়ে ডিব্ৰুলৈ মাতি আছিল, কিন্তু মই নানা লেঠাত পৰি আজি যাম, কালি যামকৈ যাব পৰা নাছিলোঁ। এইবাৰ সেইদেখি তেওঁলোকৰ তাবেদাৰ ৰোহ, ঠেহ, অভিমান—এই তিনিউ আদালতৰ টেকেলা মোৰ আগত হাজিৰ হলহি। কাজেই এই বাৰ উপায় গৈ নিৰুপায়ৰ পদুলিমুৰে পালেগৈ। তাহানি হেনো এদিন পাৰ্ব্বতীয়ে মহাদেউক ধিক্কাৰ দি কৈছিল, যে মহাদেৱে ভাং, ধতুৰা খাই বহি থাকে, গৃহস্থৰ কাম-কাজ একো নকৰে। আনকি ঘৰতে বৃষভটো আছে, সি ঘাঁহ পানী খাই নোদোকাটো হৈ পৰিছে, তাৰেই হাল বাই খেতিবাতি কৰি এগাল ধানকে নাজে। ঘৈণীয়েকৰ এনে কদৰ্থনা শুনি মহাদেৱৰ মনত বৰ বেজাৰ লাগিল। তেওঁ তেতিয়াই খেতি কৰিবলৈ যাবলৈ দৃঢ় সঙ্কল্প কৰি বৃষভটোৰ ওপৰত উঠি টুক্ টুক্ কৰে গৈ খেতি কৰিবলৈ লাগি গ'ল। তেখেত হ'ল দেৱাদিদেৱ মহাদেৱ। তেখেতে খেতিত ধৰিলে আৰু বাইখ কি? খেতি কৰি উভৈনদী কৰি পেলালে। তেওঁৰ খোৱা-শোৱা গুচিল। আনকি ঘৰলৈ আহিবলৈকো তেওঁ পাহৰিলে। গিৰিয়েক আকৰা মৈত উঠিল আৰু মৈৰ পৰা ননমাই হ'ল। গিৰিয়েকক মাতি আনিবলৈ পাৰ্ব্বতীয়ে নন্দী ভৃঙ্গীকে আদি কৰি জোৰে-জোৰে মানুহ পঠিয়ায় হে পঠিয়ায়, গিৰিয়েক নাহে। একোকে উপায় নাপাই পাৰ্ব্বতীয়ে নাৰদক বিপুৰা ধৰিলে। নাৰদে উভতি আহি কলে, যে মহাদেৱে কাৰো কথা নুশুনে, কোনো তেওঁৰ ওচৰকে চাপিব নোৱাৰে। অন্তত অনেক ভাবি-চিন্তি পাৰ্ব্বতীয়ে অসংখ্য ডাঁহ, মহ, চেৰেপা চাৰ্জ্জন কৰি মহাদেউক আমনি কৰিবলৈ পঠিয়াই দিলে। তাৰ পিছতো হেনো হাহা হুহু নামৰ মানসপুত্ৰ দুটা চৰ্জি পঠিয়াইছিল। হাহা হুহুৱে কি কৰিলেগৈ আমাক নালাগে, কাৰণ আমাৰ আখ্যানৰ নিমিত্তে মহ, ডাঁহ, চেৰেপা সৃষ্টিকাৰিণী পাৰ্ব্বতীস্বৰূপিনী আমাৰ ঘৰৰ ঘৈণী নহয়, সেইজনা আমাৰ আদৰৰ দুহিতাহে। যি হওক, হাহা হুহুলৈ মই বাটকে নাচালোঁ, কাৰণ সিহঁতৰ অগ্ৰজ ডাঁহ, মহ, চেৰেপাই মোৰ পক্ষে যথেষ্ট হৈ পৰিছিল। লৰুৱাই ডিব্ৰুগড়ত পেলাই দিলেগৈ।*

* বাঁহী—১৯শ বছৰ, ৬ষ্ঠ সংখ্যা, ১৮৫২ শক। অ-২২

# তৃতীয় আধ্যা

আমি ডিব্ৰুগড় পোৱাৰ দিনাই, ৰাতিৰে পৰা তাত বৰষুণৰ ওৰা পাতিলে। বৰষুণ চেলেংপেটেং বিধৰ নহয়, ভালকৈয়ে গা সৰকি যোৱা। সেই লেলপেল বৰষুণ পোন্ধৰ দিনমানলৈকে চলি সি আমাৰ তেজ-মঙহ হাড-মগজু সোপাকে সেঙেটা লগাই পেলাইছিল। বৰষুণৰ দৌৰাত্ম্যত আমি ক'লৈকো স্ফুৰ্তিচিত্তেৰে ফুৰিবলৈ ওলাই যাব নোৱাৰিছিলো। ফলত আমি ৰাজনৈতিক বন্দীৰ দৰে একে ঠাইতে বন্দী হৈ ৰলোঁহক, —অৱশ্যে আজিকালি চৰ্কাৰ বাহাদুৰে শ্ৰেণীবিভাগ কৰাৰ দৰে এ-শ্ৰেণীৰ বন্দী নহয়, ৰাজবন্দীহে। কাৰণ চাৰি বেৰৰ ভিতৰতে আমাৰ আহাৰবিহাৰ আৰু নিদ্ৰাসুখ নিৰ্বিঘ্নে সম্পাদিত হৈছিল, এই নিমিত্তে যে সেইবোৰ বিষয়ৰ জইণ্ট-ছুপাৰিণ্টেণ্টে অৰ্থাৎ যুটীয়া তত্বাৱধায়ক আছিল আমাৰ জী-জোঁৱাই। বেটীযে বাঢ়নীৰ ওপৰত খং সৰাদি, দিনৌ আমাৰ মুৰৰ ওপৰত পানী বৰষা মেঘৰ ওপৰত আমি শাও বৰ্ষি আমাৰ খং সাৰিছিলো। কাইলে অ'ত ফুৰিবলৈ যাম, পৰশুইলৈ ত'ত চিকাৰ কৰিবলৈ যাম, তাৰ পিছ দিনা নাৱত উঠি গৈ ব্ৰহ্মপুত্ৰৰ বালিত বালিভাত খাম ইত্যাদি কথাৰ সাত হাল ৰাতিমাৰি থাকি কটাইছিলোঁ, কিন্তু পুৰা বৰষুণে বিধি-পথালি কৰি আমাক এহালো মাৰিবলৈ নিদিছিল। স্বৰ্গৰ খবৰ অৱশ্যে নাজানো। শুনিছোঁ তাত হেনো এজন ৰজা আছে, তেওঁৰ নাম ইন্দ্ৰ। তেওঁ থকা পুৰীখনো হেনো সুন্দৰ আৰু তাৰ নাম অমৰাৱতী। ৰজা থাকিলেই ৰাজসভা থকাতো দস্তুৰ পাত্ৰ, মন্ত্ৰী, সভাসদ আৰু টেকেলা-বেঙেনা এইবোৰো তেওঁৰ থাকিবলগীয়া কথা। আৰু শুনিছো স্বৰ্গৰ ৰজাই স্বৰ্গতো ৰাজত্ব কৰে আৰু পৃথিৱীৰ নৰমনিচবোৰৰ ওপৰতো তেনেকুৱা কিবা এটাকে কৰে। তোমাৰ মন গ'লে-তাক ৰাজত্বও বুলিব পাৰা, Rule বা শাসনো বুলিব পাৰা। শাসিত নৰ-মনিচে সদায় ইবাৰ এইটো সিবাৰ সেইটো আমাক দিয়া বুলি ৰাজাধিৰাজ ইন্দ্ৰক আমনি কৰি থকাটোও জানো। বোধকৰো নৰমনিচৰ বৰ আমনিত তৎ নেপাই ৰাজাধিৰাজে এইবাৰ তেওঁৰ সভাসদ-বোৰ গোটাই বৰ ডাঙৰকৈ মেল এখন পাতিছিল। তাত আলোচ্য বিষয় আছিল, পৃথিৱীৰ নৰ-মনিচক তেওঁলোকে কি দিব পাৰিব, কি দিব নোৱাৰিব, কি দিয়াটো উচিত আৰু কি দিয়াটো অনুচিত। অথবা দিব লগীয়াটোও কি উপায়েৰে নিদিয়া হ'ব পাৰে। কোনে জানে কিজানি এইবাৰ সাতোখন স্বৰ্গৰ পৰা প্ৰতিনিধি নমাৰ খেলুৱৈসকলক মাতি আনি মেলখন ডাঙৰকৈয়ে পাতিছিল। শুনিছোঁ সুৰপুৰীৰ সুৰেশ্বৰসকলৰ পেটত সুৰা আৰু সৰুসুৰা নোহোৱা গুৰুভোজন নপৰিলে, তেওঁ-লোকৰ ভাবনা চিন্তাবোৰত খেলিমেলি লাগি পৰে, মুখ ভালকৈ মেল নাখায আৰু মেল খালেও জিভা ভালকৈ দোৰোল নাখায়। আমাৰ ভাতৰ পাতত কথা নিষিদ্ধ; কিন্তু তেওঁলোকৰ ভাতৰ পাততহে বৰমঙহৰ বৰমেলখন সিদ্ধ হয়। সেইদেখি ইন্দ্ৰ মহাৰাজে, আমি ডিব্ৰুগড় পোৱা সময়তে সুৰপুৰীৰ খেলুৱৈসকলৰ নিমিত্তে বৰ-

ভোজৰ আয়োজন কৰিছিল যেন পাওঁ। আমাৰ ডিবৰু গমন আৰু ইন্দ্ৰৰ ভোজৰ আয়োজন এই দুটা একো সময়তে পৰাটো কাকতালী সংযোগ বুলিয়েই ধৰিব পাৰি। স্বগ খনৰ আয়তন কিমান, কব নোৱাৰো আৰু সেই বৰভোজৰ কোন বস্তু ক'ত থৈছিল, তাকো ক'ব নোৱাৰো। আমি তাহানি কলিকতাত থাকোঁতে দেখিছিলো, ডাঙৰ বিয়া সবাহত নিমন্ত্ৰিতসকলক খুৱাই-বুৱাই সুকলমে কাৰ্য সমাধা কৰিবৰ নিমিত্তে কৰ্ম্মকৰ্তাই আহল-বহল ডাঙৰ ঘৰ ভেৰোণীয়াকৈ লৈ ডাঙৰ বডা পাতি সভা কৰে। ডিবৰুগড়ত বৰষুণৰ কোব দেখি অকস্মাতে মোৰ মনত খেলাইছিল যে ইন্দ্ৰদেৱৰাজে তেওঁৰ ভোজত ব্যৱহাৰ্য পানাৰ বৰজকাটো ডিবৰুগড়তে পাতিছিল। ইন্দ্ৰৰ কেইকুৰি পানীভাৰী আছে, সম্ভেদ নাজানো। কিন্তু কাৰ্য দেখি কুৰিৰ কথাই নাই, লাখচেবেকৰ ওপৰেহে থকা যেন লাগে। যদি এই অনুমান সঁচা তেন্তে কি কম, কি শুনিবা!—গুৱিপৰুৱাৰ লানি যেন হৈ সেই ভাৰীবোৰে ভাৰে ভাৰে অবিৰাম পানী আনি সেই ডিবৰুগড়ত বহুৱা জকাত ঢালিছিল। অৱশ্যে এইবোৰ অনুমানৰহে কথা। এনে শাৰীৰ কথাৰ সঁচামিছা কোনো বাপৰ পোৱে প্ৰমাণ কৰিব নোৱাৰে।

মই ডিবৰুত দুদিন থকাৰ পিছতে গুৱাহাটীত টেপা খাই থকা আৰু এৰি অহা জ্বৰ আকৌ মোৰ গাত লম্ভিল। সি তাৰ কপ'টিক মোৰ গাত চৰিবলৈ এৰি থৈ গৈছিল বুলি মই আগৰ প্ৰবন্ধত কৈ আহিছোঁ। কোনে জানে—হয়তো পাপিষ্ঠ কপ'টিয়ে মোৰ গাত চৰি সুবিধা দেখি গুৱাহাটীতে এৰি থৈ অহা সেই তাৰ জ্বৰ বন্ধুক বিজুলী বাতৰি দি মাতি আনিলে? দিবৰা গমনৰ দিনবাৰ চোৱাৰ দস্তুৰ এই জ্বৰৰ নাই। তাক ঔচ বুলিলেই হ'ল আৰু সি লৰি আহি গা জুৰি বহেহি। জী-জোঁৱায়ে আমাক তেওঁলোকৰ মাজত পাই আনন্দৰ প্ৰেৰণাত দিনো আমালৈ হাঁহ মাৰি ভাত খুৱাবৰ আযোজন কৰিছিল। সঙ্গীসকলে তাৰ সদ্ব্যৱহাৰ কৰে, কিন্তু মই বেচেৰাই কোনো দিনা এটেপা-আদটেপা খাওঁ, কোনো দিনা ভাতৰ পাতৰ আগত বহি টোপালি বাওঁ, সেপ ঢোকোঁ আৰু তৎপশ্চাৎ উঠি গৈ শয়ন কৰোঁ। বন্ধু-বান্ধৱ, মিত্ৰ-কুটুম্বৰ পৰাও সততে ভোজনৰ সাগ্ৰহ নিমন্ত্ৰণ পাওঁ, কিন্তু মোৰ দ্বাৰাই নিমন্ত্ৰণ ৰক্ষণহে হয়, ভক্ষণ নহয়, কাৰণ মই যে অক্ষম অৰ্থাৎ Hors do combat থেবোগেবোকৈ কোনো দিনা তেনে নিমন্ত্ৰণলৈ যাওঁ, কোনো দিনা নাযাওঁ আৰু গলেও আহাৰৰ আযোজনৰূপ। নৈৰ পাৰতে বহি তাৰ ফেনফোতোকৰ চাই থাকোঁ, নহলে কোঁৱাবা তাৰে দুচলু-এচলু পানী পান কৰোঁ। নাইবা শিৰত লওঁ আৰু মোৰ আগতে সেই ওফোন্দা লৈয়ে মোৰ Patronage অৰ্থাৎ অনুগ্ৰহ নিগ্ৰহ লৈ Cate নকৰি অৰ্থাৎ অপেক্ষা নাৰাখি বেগেৰে দুইপাৰ ছাদি বৈ গৈ থাকে। এনেকুৱা অৱস্থা হৈছিল মোৰ।

দুৰ্গাপূজাৰ দিনচেৰেকৰ আগতে আমি ডিবৰু পাইছিলো। ডিবৰুগৰীয়া ৰাইজৰ উছাহ আনন্দৰ কল্লোলৰ মাজত থিয়েটাৰ গান-বাজনা ইত্যাদিৰে পূজা মহাসমাৰোহেৰে সম্পাদিত হৈ গ'ল। নৱমী গাৰেই দুদিন এদিন মই তেওঁলোকৰ

আনন্দৰ ভাগ লৈছিলোঁ, কিন্তু গাত নৰিয়াৰ বাজে গজালি মেলি মোক বিকল কৰি পেলাইছিল। চৌদিশে উবি ফুৰা আনন্দৰ ফুটুকা পখিলাবোৰৰ লগতে নিৰানন্দৰ মহ কেইটাই মোৰ গাত শুং ফুটাই কোনকোনাই ফুৰিছিল। যি হওক হৰ্ষ-বিষাদৰ সানমিহলিতে মোৰ ডিব্ৰুগৰীয়া দিন কেইটা এক প্ৰকাৰে কাটি গল।

ভালেমান বছৰৰ মূৰত মই অসমলৈ গৈছিলোঁ। সেইদেখিয়েই বোধকৰো মোৰ স্বদেশী বন্ধু-বান্ধৱৰ মোলৈ আগ্ৰহ অশেষ হৈছিল। তেওঁলোকে সভা সমিতি পাতি মোক নৰিয়া পাটীৰপৰা টানি নি সেইবোৰত থিয় কৰি দিছিল। মযো নৰমৰ অত্যাচাৰ অতি হৃষ্টচিত্তেৰে সহ্য কৰিছিলো। বন্ধুবৰ শ্ৰীযুত প্ৰভাতচন্দ্ৰ দাস ডাক্তৰে প্ৰায় দিনৌ আহি মোক অতি যতন কৰি চিকিৎসা কৰিছিল আৰু তেওঁৰ যত্নতে মই লাহে লাহে গা-তওাই উঠিলোঁ। মোৰ কৃতজ্ঞতাৰ অঁাজলিৰ বাহিৰে মই উঠি অহা মনোভিৰাম ডাক্তাৰ বন্ধুজনলৈ আৰু একো নাই।

ডিব্ৰুগডত গোটাচেৰেক কথাই মোক বৰ সন্তোষ দিছিল। তাৰে দুটা এটাৰ বিষযে কওঁ। প্ৰথমতে মই আনন্দ-বিমিশ্ৰিত আচৰিত হৈ পৰিছিলো ডিব্ৰুগড়ৰ অসমীয়া তিৰোতাসকলৰ গঢ়গতি আৰু কাৰ্য্যকলাপ দেখি। তেওঁলোক মই তাহানি এৰি থৈ অহা অসমৰ, মহৰ দযাত আৰু চেচুঁকৰ ছাত বঢা চকুৰ বোৱাৰীৰ শাৰীত আৰু নাই। শিক্ষা-দীক্ষা আৰু ৰাজহুৱা কাৰ্য্যাদিত তেওঁলোক অগ্ৰণী। সকলো সজ কাৰ্য্যত পুৰুষৰ সমকক্ষ হ'বলৈ তেওঁলোকৰ আগ্ৰহ প্ৰদীপ্ত। ৰক্ষণশীল সমাজে তেওঁলোকৰ ভৰিত পিন্ধোৱা শিকলি—তেহেলৈ সেই সোণৰে হওক বা লোৰে হওক তেওঁলোকৰ ভিতৰৰ অনেকে ছিঙিছে আৰু বাকী সকলেও ছিঙিবলৈ যত্ন কৰিছে। দেশৰ সেৱাত তেওঁলোকে পুৰুষৰ শাৰীত ঠাই লৈছেহি আৰু অনেক বিষয়ত শামুক-খুজীয়া পুৰুষতকৈ আগবাঢ়িছে বুলি ক'লে বঢ়াই কোৱা নহয। ডিব্ৰুগডত সভা-সমিতি পতাত তেওঁলোকেই আগৰণুৱা হৈ পৰিছে আৰু ৰক্ষণশীল শাৰীৰ পুৰুষ চুকত ভেকুৰিছে। মাজতে বিমোৰ অৱস্থাত পৰি অসমীযা তিৰুতা শিপিনীসকলে তেওঁলোকৰ অঙ্গৰ ভূষণ বোৱাকটা পৰিহাৰ কৰিছিল। ডিব্ৰুগডীযা নতুন তৰপৰ মহিলাসকলে তাক আকৌ সাদৰেৰে হাতত তুলি লৈছে। তেওঁলোকৰ বিনন্দীয়া মুখ মলিয়ন কৰোঁতা কাণ্ডজ্ঞানহীন পৰ্দ্দাক তেওঁলোকে পৰিহাৰ কৰিছে। আৰু বাহিৰলৈ গলে ওৰণীৰ সৰ্বগ্ৰাসী গ্ৰহণৰপৰা বিমুক্ত হৈ মনোজ্ঞ আংশিক গ্ৰাস গ্ৰহণ বৰণ কৰিছে। নিন্দুক সমালোচকৰ সস্তা সমালোচনাবোৰ, সমালোচকৰ আজিকালি অব্যৱহাৰ্য্য দ'তৰ জোলোঙাত সুমাই থবলৈ তেওঁলোকে তেওঁলোকৰ মনৰ বলেৰে পৰোক্ষভাৱে সমালোচকক অনুজ্ঞা কৰিছে। সভা-সমিতিত তেওঁলোকে পুৰুষৰ আগত ওলাই একে শাৰীতে বা সমুখতে বহি প্ৰজা সাধাৰণৰ মঙ্গলামঙ্গলৰ বিষয়ত স্বাধীন মতামত প্ৰকাশ কৰিছে,—অথচ তেওঁলোকৰ স্ত্ৰীসুলভ গাম্ভীৰ্য্য আৰু কমনিয়তাৰ এচুলিমানকো হ্ৰাস হ'বলৈ তেওঁলোকে দিয়া নাই। দুজনা এজনাই সভাত উঠি এনে সুন্দৰকৈ বক্তৃতা কৰিছে যে অনেক নামজ্বলা বক্তা পুৰুষকো তেওঁলোকে সেই বিষয়ত চেৰ পেলাইছে। ৰামমোহন ৰায়ৰ স্মৃতিসভাত মোক সভাপতিৰ আসন

দিয়া হৈছিল। তাত কল্যাণীয়া শ্ৰীমতী যোগদা দেৱীয়ে যিটি বক্তৃতা অনৰ্গলভাৱে দিলে, মই শুনি সঁচাকৈয়ে পুলকিত হৈ পাৰিছিলোঁ আৰু মোৰ দেশৰ এজনা সম্ভ্ৰান্ত মহিলাৰ সেই বিষয়ত নৈপুণ্য দেখি নিজকে গৌৰৱান্বিত বিবেচনা কৰিছিলো। মই ডিব্ৰুৰু পোৱাৰ দ্বিতীয় কি তৃতীয় দিনা জ্বৰত শোৱাপাটীত পৰি কেঁকাই আছোঁ, এনেতে বালিকা স্কুলৰ প্ৰধান-শিক্ষয়িত্ৰী আয়ুস্মতী শ্ৰীমতী গৌৰীপ্ৰভা চলিহাই লগত একুৰিমান ছোৱালী ছাত্ৰী আৰু তেওঁৰ সহযোগী শিক্ষয়িত্ৰী জনচেৰেকক লৈ মোৰ আগত ওলালহি। তেওঁলোকৰ মোৰ প্ৰতি কি দয়া আৰু কি আগ্ৰহ। তেওঁলোকৰ মুখত অনাৱশ্যকীয় সংকোচ নাই, তেওঁলোকে তেওঁলোকৰ দেশৰ এই চিৰ প্ৰৱসুৱাক সাক্ষাৎ কৰি সমাদৰ কৰি সম্মানিত কৰিবলৈ আহিছে আৰু পাৰিলে তেওঁক তেওঁলোকৰ স্কুললৈ আদৰি নি তেওঁৰ মুখৰ পৰা দুষাৰ-চাৰিষাৰ কথা শুনিবলৈ ইচ্ছা কৰিছে। কি সুখকৰ দৃশ্য! কি সুন্দৰ ব্যৱহাৰ! শ্ৰীমতী গৌৰীপ্ৰভা আইদেওক অৱশ্যে তেওঁ কলিকতা কলেজত পঢ়াৰে পৰা মই জানো, আৰু মোৰ নিজৰ জীৱ নিচিনাকৈ তেওঁক স্নেহ কৰোঁ। গৌৰী চন্দ্ৰমাক মাজত লৈ তেওঁৰ সহযোগী নক্ষত্ৰৰূপিনী শিক্ষয়িত্ৰী আৰু ছাত্ৰীসকলে যেতিয়া মোৰ আগত উপস্থি হ'লহি, জ্বৰত চেপেটা লাগি থকা মই জ্বৰৰ অত্যাচাৰলৈ ক্ষন্তেকৰ নিমিত্তে পাহৰি বিমল আনন্দ অনুভৱ কৰিছিলোঁ। ইয়াৰ কিছু দিনৰ পিছত তেওঁলোকৰ স্কুললৈ মই গৈ স্কুল চাই আৰু তেওঁলোকৰ কাৰ্য্য দেখি অতি সন্তোষ পাইছিলো। স্কুলত তেওঁলোকে বাছকবনীয়া ৰূপৰ বঁটা এটিত যি কাকত এডুখৰি মোক দিছিল, সেই বঁটাটি আৰু কাকতডুখৰিয়ে সদায় মোক সন্তোষ দি থাকিব। ডিব্ৰুৰুগড়ৰ সম্ভ্ৰান্ত মহিলাসকলৰ সভাতো এই লেখকক যিখন অভিনন্দন পত্ৰ মুগাৰ কাপোৰৰ ওপৰত ছপাই দিছিল, সেইখনো নিশ্চয় এই লেখকৰ পক্ষে অতি আদৰৰ সমল হৈ সদায় তেওঁৰ হাতত থাকিব।

ডিব্ৰুৰুগড়ৰ থিয়েটাৰ অৰ্থাৎ ৰঙ্গশালৰ বিষয়ে একেষাৰ কওঁ। ডেকাসকলৰ উদ্যমৰ ফলত ৰঙ্গশালটি সুদৰ্শন হৈ পৰি সি ডিব্ৰুৰুগড়ৰ সমৃদ্ধি বৃদ্ধি কৰিছে। সভা-সমিতি, থিয়েটাৰ, যাত্ৰা, গান, ভাৱনা প্ৰভৃতি এই ঘৰতে হয়। থিয়েটাৰৰ চিত্ৰপটবোৰ অসমীয়া চিত্ৰবিদ ডেকাসকলৰ দ্বাৰাই অঁকা হৈছে আৰু সেইবোৰ কলিকতাৰ ব্যৱসায়ী নিপুণ চিত্ৰবিদৰ চিত্ৰতকৈ কোনোগুণে হীন নহয়। নাট্যকলাত ডিব্ৰুৰুগড়ৰ সম্ভ্ৰান্ত ঘৰৰ ডেকাসকলে আশাতীতভাৱে উন্নতি লাভ কৰিছে দেখি মোৰ মনত হৰ্ষ উপজিছিল। পেইণ্টিং আৰু ফটোগ্ৰাফীত স্নেহাস্পদ মুক্তানাথ বৰদলৈৰ কৃতিত্ব লেখত লবলগীয়া। থিয়েটাৰৰ ভালেমান দৃশ্যপট তেওঁৰ হাতৰ। তেওঁৰ ষ্টুডিওলৈকো আমি গৈছিলোঁ। তাত তেওঁৰ হাতৰ চিত্ৰবোৰ দেখি বৰ সন্তোষ পালোঁ। তেওঁ যদি সেই ষ্টুডিও অৰ্থাৎ চিত্ৰশাল আনি কলিকতাত পাতি বহে, তেন্তে তেওঁক সেই কাৰ্য্যত চেৰ পেলোৱা লোকৰ লেখ সৰহ নহ'ব। ডেকাসকলে পূজাৰ সময়ত কেইবাখনো নাটৰ অভিনয় কৰিছিল। অৱশ্যে এটাইবোৰ দেখা কপালত নঘটিল। কিন্তু যিকেইটা দেখিলোঁ, তাতে মোৰ অশেষ সন্তোষ লভিছিল। সাজসজ্জা, চিত্ৰপট, ভাবপূৰ্ণ অভিনয়, সুস্বৰ

সঙ্গীত আৰু মনোজ্ঞ নৃত্যত তেওঁলোকৰ বৈশিষ্ট্য দেখা গৈছিল। কালত তেওঁলোকে যে আৰু উন্নতি কৰিব তাত সংশয় নাই। চিত্ৰকলাবিদ শ্ৰীযুত মুক্তানাথ বৰদলৈৰ কৃতিত্ব "কমিক এক্‌টিঙতো" অৰ্থাৎ হাস্যৰসৰ ভাৱতো পৰিস্ফুট। ডাক্তৰ শ্ৰীযুত প্ৰভাতচন্দ্ৰ দাস আৰু জনাদমেকৰ অভিনয় কলিকতাৰ থিয়েটাৰৰ বিখ্যাত অভিনেতা সকলতকৈয়ো কোনো গুণে কম হয়। মাথোন এটি কথা ডিব্ৰুগৰীয়া ডেকা বন্ধুসকলক জনাই থওঁ,—যেন তেওঁলোকৰ যত্নত মৌলিক অসমীয়া নাটৰ অভিনয় সৰহ হয়। অৱশ্যে তেনে নাটকৰ যে আটক, সেইটো জানো। যি হওক, ভৱিষ্যতলৈ সেই আটক গুচিব বুলি আশা কৰিলো। বিদেশী নাটক অসমীয়ালৈ ভাঙি অনুবাদ ৰঙ্গশালাত অভিনয় কৰাটোত অনেকে দায় ধৰে। মযো তেনে কাৰ্য্যত বৰ সন্তোষ পাওঁ, এনে নহয়। কিন্তু বিদেশী ভাষাৰ নাটক একেবাৰেই আমাৰ ৰঙ্গশালাৰ বাহিৰ কৰি দিয়াটোৰো মই বিৰোধী। অৱশ্যে যদি তাৰ অনুবাদ প্ৰকৃত অসমীয়াৰ অনুবাদ হৈ অসমীয়াৰ পেটত সি জীণ যোৱা হয়। ভাল বিদেশী নাটৰ উৎকৃষ্ট ভাবসম্পদেৰে অসমীয়া সাহিত্যৰ সৌন্দৰ্য্য বঢ়োৱাটো অতি শোভন কথা,—যদি সেই ভাবসম্পদক বাৰেবঙলুৱা অসমীয়া নকৰি আচল অসমীয়া কৰি দিয়া যায়। ভাৰতৰ নানা দেশৰ পৰা মানুহ আহি অসমত বসতি কৰিছে। যদি সেইবোৰে অসমক সৰ্ব্বতোভাৱে বৰণ কৰি অসমীয়া হৈ যায় তাৰ দ্বাৰাই অসমৰ আপদ নাবাঢ়ি সম্পদ হে বাঢ়িব। এনে গঢ়েৰেই পূৰ্ব্বণি কালৰে পৰা অসম পৰিপুষ্ট হৈ আহিছেও। কিন্তু অসমীয়াৰ ৰবসবাহত যদি কোনোবাই অসমীয়াৰ দৰে চাপৰি বজাই বা তাল লৈ নাম নাগাই খোল কৰতাল লৈ—

"দয়াল দয়াল, দয়াল বলে ডাকৰে ৰসনা।
যাবে ডাক্‌লে হৃদয় শীতল হবে যাবে যম যন্ত্ৰণা॥"

এনে বঙলুৱা সংকীৰ্ত্তন মেলি দিয়ে, তেন্তে সি অসমীয়াৰ বৰসাহত হাহৰ মাজত কাউৰী হৈ পৰি খেলিমেলিহে লগাব, শোভা নকৰে Hybrid অৰ্থাৎ এধাকেচেলুৱা গান মিহলি আহাৰে পেট গোমাই তাত বিপ্লৱহে সৃষ্টি কৰিব, শান্তি সৃষ্টি নকৰে। এই কথা মনত ৰাখি আমাৰ নাট্যকাৰসকলে বিদেশী নাটৰ অসমীয়া ভাঙনি কৰিবলৈ গ'ল মঙ্গল, নতুবা অমঙ্গল। তাহানি কলিকতানিবাসী জনচেৰেক অসমীয়া ছাত্ৰে লগ লাগি ছেক্সপিয়েৰৰ Comedy of Errors অসমীয়ালৈ ভাঙি তাৰ নাম ভ্ৰমৰঙ্গ দি অভিনয় কৰিছিল। অনুবাদকৰ লেখত যদিও এই লেখক পৰা নাছিল, তথাপি তেওঁৰ হাত যে সেই অনুবাদকৰ ওপৰত নুফুৰিছিল এনে নহয়। মোৰ বিশ্বাস, ইংৰাজী নাটৰ সেই অনুবাদ একেবাৰেই অসমীয়া হৈ পৰি অসমীয়া সৰ্ব্বসাধাৰণৰ মন হৰণ কৰিব পৰা হৈছিল। এতিয়াও নতুনকৈ উঠি অহা ডেকাসকলে তেনে গঢ়েৰে বিদেশী নাট অসমীয়ালৈ ভাঙি তাক অসমীয়া সাজপাৰ পিন্ধাই ৰঙ্গশালত তুলি দিলে, আমাৰ আঁসোৱাহ ধৰিবলৈ একো নাথাকিব। *

* বাঁহী—১৯শ বছৰ, ৭ম সংখ্যা, ১৮৫২ শক। অ-২১

# চতুৰ্থ আধ্যা

অক্টোবৰ মাহৰ ১৫ তাৰিখে ডিব্ৰুগড় এৰি শিৱসাগৰলৈ যাবলৈ ওলালোঁ। বাহন মটৰগাড়ী। ৰথখন আমাৰ জোঁৱাই শ্ৰীমান ৰোহিণীকুমাৰ বৰুৱা বোপাৰ আৰু সাৰথিও তেৱেঁই। যাত্ৰী মই, মোৰ সহধৰ্ম্মিণী, মোৰ ছোৱালী দুজনী আৰু শ্ৰীমান যতীন্দ্ৰনাথ দুৱৰা,—যাৰ কবিতাৰ তলত নামৰ ক্ষুদ্ৰ তাওৰণ ছপা হৈ ওলায—যদু। যদু কবি এদিনৰ আগতে ভটং কৰে ডিব্ৰুত ওলাইছিলগৈ, সম্ভৱতঃ চুম্বকৰ টানত আৰু সেই চুম্বকডোখৰো সম্ভৱতঃ মযেই। নহয যদি তেওঁ কওক, মই মোৰ দাবী এৰি দিম। যদিও আমাৰ ডিব্ৰুগড়ত বাস অধ্যাযৰ "কৃষ্ণৰ কিংকৰে শংকুৰে ভনে ৰ সমযত যদু উপস্থিত হৈছিলগৈ, তথাপি ভগা সবাহত ওলোৱা তেওঁকো আমি সন্তোষৰ মালা চৰু বিলোৱাত ত্ৰুটি কৰা নাছিলোঁ। আমাৰ শিৱসাগৰমুখীযা যাত্ৰাত তেওঁকো লগত লোৱা গ'ল, কাৰণ তেওঁৰোতো ওভতান সেই ফাললৈকে। আমাৰ মটৰগাড়ীত তেওঁলৈ ঠাই নাছিল বুলিলেই হয়। কিন্তু ঠাই নহ'লে কি হ'ব তেওঁকতো নিবই লাগিব। মজিযাত ঠাই নাথাকিলে লাগতিযাল বস্তুক বাৰৰ হাঁকোটাত আঁৰি থোৱা হয। তেনেকুৱা কিবা এটা দিহা কৰি যদুক আমাৰ লগত লোৱা গ'ল। দীঘলীযা বাটত কবি এজন লগত থাকিলে বাটৰ শ্ৰম কমে বুলি মোৰ বিশ্বাস। তোমাৰ গা ৰাইজাই কৰিলে, কবিৰ কাব্যৰ পুঙৰ পৰা এটা উহ ওলালেই সি তোমাৰ গাৰ বাইজাই গুচাই দিব। বাটত যাওঁতে যাওঁতে তোমাকো যদি কেনেবাকৈ কবিতাই পায, একো কথা নাই। কবি হাতে ঢুকি পোৱাতে আছে, তুমি কবিতাৰ সৰুসুৰা ফোৰোহনি এটা নিৰ্ভযে মাৰি দিব পাৰা। তোমাৰ ফোৰোহনিযে কবিৰ পৰা ততোধিক সুশ্ৰাব্য ফোৰোহনিহে উজাৰ খুৱাই দিব। কোনে কব পাৰে কাৰ কেতিযা কেনে অৱস্থা ঘটে? যদি বাটত তোমাৰ কবিতাৰ হামি উঠিল, ভয কি? কবি লগতে আছে। তেওঁ বসন্ত, মলয়া আৰু কুলি এই তিনিটি পুৰাতন কাব্যৰ উপাদানক তিনি টিলিকি মাৰি মাতি দি তোমাক পতি কৰিবলৈ লগাই দিব। হামিৰ পিছত যদি কেনেবাকৈ হেকটি আহিল, তথাপি ভয নাই। তেওঁ তেওঁৰ চোলাৰ মোনাত থকা চন্দ্ৰামৃতৰ বটি এটি তোমাৰ মুখত পেলাই দি সেই হেকটি তৌতিয়াই বন্ধ কৰি দিব, কোনো অনুপানৰে আৱশ্যক নহ'ব। ধৰা যাওতে বাটৰ কাষৰ মুকলি ধানৰ পথাৰত যদি কোনো Solitary Reaper-অক অৰ্থাৎ কুঁজী হৈ হাতৰ কাচি লৈ অকলশৰীকৈ ধান দাই থকা কোনো থোলোকা দাৱনীক কবিয়ে তাইৰ লোদেৰ-পোদোৰ হাতেৰে কপালৰ ঘাম মচি থকা দেখে আৰু সেই দাৱনী যদি একাদশী দ্বাদশী ত্ৰয়োদশী চতুৰ্দ্দশীৰ পৰা পূৰ্ণিমাৰ ভিতৰতে হয়, আৰু পূৰ্ণিমাই বা কিয়—কৃষ্ণ পক্ষৰ অমাবস্যা পৰ্য্যন্তও হয়; তেন্তে কবিয়ে তৌতিয়াই কবিতাৰ সোৱৰ্ণশিৰী সৃষ্টি কৰি তাৰ পানীক সোণৰ ৰেণুৰে ৰঞ্জিত কৰি তাৰ বাল্লি ধুই সোণ উলিয়াই দিব। 'ওমৰ তীৰ্থ'ৰ যদু কবিৰ পৰা যদিও এনেবোৰ উপসৰ্গৰ আশঙ্কা কম, তথাপি

তেনেবোৰ অসংযত কথাই মোৰ অসংযত মনত খেলিছিল। মনৰ বাঘজৰীডাল ঢিলা হলেই যে এনে অসংযত চেকুৰ মোৰ মনে মেলে, এইটো সদায় মই দেখি আহিছোঁ। এতেকে এনে কথা উৰ্চাপিচালে নচলে। যি হওক কৰিৰ সঙ্গ আমাৰ যাত্ৰাৰ পক্ষে শুভ বুলি ধৰি মই গাড়ীত উঠিলোঁ। কৰিক অন্তৰ্গত কৰি মটৰগাড়ীখনে মোৰ দৰেই কিবা ভাবিছিল নেকি কব নোৱাৰোঁ, আৰু ভাবিছিল যদিও জোখতকৈ নিশ্চয় অলপ বেছিকৈ ভাবিছিল। ফলত আমাৰ থকা ঘৰৰ পৰা এখনমান গৈয়েই গাড়ীখনে দুভাৱনাৰ অতিশয্যাত গোট খোৱা তপত ভাববোৰ তাৰ চকাৰ এটাৰ ৰবৰ টায়াৰ এটাই সোঁসোঁকৰে উলিয়াই দিলে। আমি বিমোৰত পৰিলোঁ। শ্ৰীমান ৰোহিণীকুমাৰ বোপাৰ তাল সদায় ঠিক থাকে কি গানত, কি কামত। আমাৰ তাল কাটি গৈছিল যদিও, তেওঁৰ নাকাটিল। তেওঁ লৰালৰিকৈ গৈ কিছুমান বেলিৰ মূৰত চকাৰিটোত নতুন টায়াৰ এটা লগাই আনি গাড়ীক পুনৰায় গতি প্ৰদান কৰি পুনৰ যাত্ৰা সুৰ-সুৰীয়া কৰি পেলালে। কথাতে কয়, এবাৰ সাপে খাপে খালে কেচুঁলৈকো ভয় হয়। এইবাৰ মই সাৱধান হলোঁ, যাতে কৰিতাৰ ষ্টীম অৰ্থাৎ ভাপ মোৰ মনত জোখতকৈ বেছি গোট নাখায়। কিন্তু সমস্যা উপস্থিত হ'ল, আমাৰ কৰিজনাৰ কৰিতাৰ ভাবৰ ভাপত ভেটা দিয়া যায় কেনেকৈ ? তেওঁক খোলাখুলিকৈ কলে কিজানি তেওঁ বেয়াকে পায়। কবিৰ মনকুসুম কোমল মোৰ ধাৰণা, আন ভাপৰ কথাকে নালাগে কৰিৰ মনক তপত ভাপৰ ধোঁৱায়েই খায়। হাক বচনৰ বিষম ভাপে সেই মনক কোবালে সি যে জঁয় পৰি যাব তাত বিচিত্ৰ কি ? অলপ-অচৰপ Hypnotism অৰ্থাৎ সম্মোহন বিদ্যা মোৰ জনা আছিল। Will Power অৰ্থাৎ ইচ্ছাশক্তিকো অলপ-অচৰপ চলাবলৈ শিকিছিলো। তাৰে আশ্ৰয় ললোঁ। কৰিয়ে গমকে নোপোৱাকৈ চাবলৈ ধৰিলোঁ। মনে মনে মোৰ ইচ্ছাশক্তিযে আদেশ দিবলৈ ধৰিলে, "কৰিতা নাহিঁবি। কৰিতা তই দগাবাজ ! তই চোৰ ! তই ডকাইত ! দগাবাজ চোৰ-ডকাইতৰ ঠাই পোতাশালহে। আমি উঠি যোৱা ডজ কোম্পানীৰ বিনিৰ্ম্মিত মটৰগাড়ী নহয়। আমাক মৰমৰ কৰিৰ কোমল হিয়াত সম্প্ৰতি তই উম্ভণ্ডালি নকৰিবি। মোৰ দৰৱ ফাঁপিলে। আমাৰ দুইৰো মনত কৰিতাৰ সোঁত বন্ধ হ'ল। কৰিতাক বনবাস দি গাড়ীৰ গতিৰ লগতে মোৰ মনৰ গতিকো লগ লগাই দিলোঁ। মোৰ মনক কলোঁ—Forward march আগবঢ়া ! চট্‌ৰবটৰ নকৰিবি। মন সুৰসুৰ কৰে গাড়ীৰ চকাৰ লগেভাগে ঘূৰিবলৈ ধৰিলে। গাড়ীও শিৱসাগৰমুৱা হ'ল। ভাবিবলৈ ধৰিলোঁ ঃ—আজি মই শিৱসাগৰলৈ যাব লাগিছোঁ। মোৰ মৰমৰ সেই ৰংপুৰ শিৱসাগৰ—যি শিৱসাগৰতে মই ডাঙৰদীঘল হৈছিলোঁ। আৰু দুঘণ্টামানৰ মূৰত মই সেই শিৱসাগৰ পামগৈ। হে মোৰ শিৱসাগৰ ! কত কাল মই তোমাক দেখা নাই। আজিকালি তোমাক দেখিবলৈ কেনে হৈছোগৈ ? তোমাৰ প্ৰত্যেক ডোখৰ ঠাই মোৰ চিনাকি। তোমাৰ গাৰ ওপৰত গজা প্ৰতিডাল গছ-গছনি মোৰ সৰুকালত বুকুৰ বান্ধ আছিল, তুমি জানা। নিৰ্ম্মল চপচপীয়া পানীৰে মহিমামণ্ডিত বিশাল বৰপুখুৰীটো তুমি নিশ্চয় আজিও বুকুত লৈ শান্তি লভিছা। সোণৰ কলচীৰে জলমলীয়া শিৱদলটো আৰু

তাৰ দুকাষে বিষ্ণুদ'ল আৰু দেৱীদ'ল দুটাই আজিও তোমাৰ মুৰত তিৰ্বিৰাই নিশ্চয় আছে। তোমাৰ কোলাত বহল বৰদলৰ পথাৰখনৰ ওপৰত থকা নানা বৰণীয়া পকা ধানৰ ওপৰত আজিও বতাহে ঢৌৱাই যায় নে? গা শাঁতকৈ লৈ যোৱা বশিষ্ঠী-গঙ্গা দিখৌৰ খবৰ কি? নিশ্চয় দিখৌৱে আগৰ দৰেই বৈ থাকি শিৱসাগৰীয়াৰ আয়ুশ্ৰী বৃদ্ধি কৰিব লাগিছে। আহা সেই দিখৌ। যি দিখৌত সততে নাদুৰি সাঁতুৰি মই অপাৰ আনন্দ লাভ কৰিছিলো। আজিও মোৰ মনত আছে—বাৰিষা দুই পাৰ উপচি যোৱা দিখৌত কেনেকৈ মই সাঁতুৰি ইপাৰ সিপাৰ হৈছিলো। তেতিয়া দিখৌৰ ঘাটৰ ঘাটে আছিল ৰঙাই। ৰঙাই ডাঙৰ-দীঘল মানুহটো। তাৰ বৰণটোও বগা। মই তাক মাতিছিলো ৰঙাই বাজখোৱা বুলি। সেইদৰে সম্বন্ধ ধৰি মতাৰ উদ্দেশ্যটো মাথোন ঘাটৰ মনত সন্তোষ দি পইচা নিদিয়াকৈ নিনিয়াকৈ তাৰ পাৰনাৱত উঠি দিখৌৰ মাজ পাযেই মই নাৱৰ পৰা জাপ মাৰি দি পানীত সাঁতুৰি সিপাৰত উঠিছিলোগৈ। একো একো দিন আনন্দৰ উদ্বেগত Somersault অৰ্থাৎ ওলোটা খব মাৰি নাবৰ পৰা পানীত পৰি সাঁতুৰি নৈ পাৰ হৈছিলো। এটা কথা আজিলৈকে মনত আছে, এদিন আবেলি মই দিখৌৰ সিপাৰৰ পৰা নাৱত উঠি ইপাৰলৈ আহি আছোঁ। মোৰ লগত মোৰ ভাগিন 'বন্ধু' (শ্ৰীমান পদ্মনাথ ফুকন) আছিল। এনেতে ইপাৰে বন্ধুৰ দেউতাক মুক্তানাথ ফুকন ডাঙৰীয়া ভিনিহিদেৱক দেখিলোঁ। ভয়ত আমাৰ মুৰৰ আগে জীৱ গ'ল। তেওঁ আমি শুনাকৈ কাৰবাক ক'লে,—"সোৱা চোৱা—মোৰ ববপুত্ৰ আৰু বেজবৰুৱাৰ—ত" পৱৰ্গৰ পঞ্চম বৰ্ণটোহে তেওঁ ব্যৱহাৰ কৰিছিল। মই আৰু কি কৰিম লাজতে টোটোবা পৰিলোঁ। নিশ্চয় বসুই সেই দিনা দেউতাকৰ হাতত মাৰ খাইছিল। সেই দিনা আমি সিপাৰলৈ কিয় গৈছিলোঁ, কাৰণটো কওঁ:—

দিখৌৰ সিপাৰে শ্ৰীযুত শঙ্খধৰ বৰকাকতী উকিলৰ ঘৰ। তেওঁৰ বাৰীখন তামোলপাণ আৰু বগৰিৰে ভৰা। উকিলৰ পুতেক ত্ৰিনয়ন বৰকাকতীৰে সৈতে স্কুলত মই একে শ্ৰেণীতে পঢ়িছিলোঁ গতিকে তেওঁ মোৰ বন্ধু। তেওঁলোকৰ বাৰীত পকা বগৰী খাবলৈ আমি গৈছিলোঁ। বগৰী খাই যেনেকৈ মোৰ পেট ভৰিছিল, ভিনিহিদেৱৰ সেই গা বেজ-বেজাই যোৱা মাতষাৰ খাইও মোৰ ততোধিক হৈছিল। মই মনতে সংকল্প কৰিলোঁ যে মই আকৌ সেইদৰে বগৰি খাবলৈ যামেই, কিন্তু আৰু কাকো লগত লৈ নাযাওঁ।

হে শিৱসাগৰ! তোমাৰ ভিতৰতে সম্ভ্ৰান্ত অসমীয়া ডাঙৰীয়া সকলৰ গমগমীয়া বাসস্থান আছিল। আজি আকৌ মই সেইবোৰ দেখিমগৈ নহযনে? সেই ডাঙৰীয়া-সকলৰ অনেক কিজানি আজিও শিৱসাগৰ অলঙ্কৃত কৰি ৰাখিছে। সিংহ যেন পুৰুষ, মোৰ পিতৃদেৱতা দীননাথ বেজবৰুৱাতো আজি শিৱসাগৰত নাই। হায়! তেওঁৰ চৰণত মুৰ থৈ সেৱা কৰি তেওঁৰ আশীৰ্ব্বাদ লবলৈ ক'ত পাম? দীননাথ বেজবৰুৱা দেউতাৰ শাস্ত্ৰজ্ঞান, ধৰ্ম্মনিষ্ঠা, কৰ্মকুশলতা আৰু ৰাজ্যৰ সাধাৰণ কাৰ্য্যত উৎসাহে সেই কালত শিৱসাগৰক অসমৰ ভিতৰত শ্ৰেষ্ঠ আসনৰ অধিকাৰী কৰি

হৈছিল। শিৱসাগৰৰ সমাজ বান্ধোনৰ জৰীডালৰ জোৰটো কেনেকৈ দেউতাই নিজৰ হাতৰ ভিতৰত দৃঢ় কৰি শিৱসাগৰৰ সমাজিক জীৱন সুশৃংখল কৰি ৰাখিছিল। মাননীয চিৰস্তাদাৰ ইন্দীবৰ বৰুৱা আৰু তেওঁৰ সুযোগ্য ভায়েকসকল—দামোদৰ বৰুৱা, শশীধৰ বৰুৱা, ৰত্নধৰ বৰুৱা আজিও শিৱসাগৰত আছে নে? সেই কালত শিৱসাগৰৰ দৈৱজ্ঞ ব্ৰাহ্মণসকসৰ ভিতৰত প্ৰধান পুৰুষ কৃষ্ণপ্ৰাণ শৰ্মা চাংকাকতী, হৰকান্ত শৰ্মা নাজিৰ আৰু গোপীনাথ শৰ্মা প্ৰভৃতিক দেখিবলৈ পাম নে? বেজ-বৰুৱাৰ বংশধৰ, সুপণ্ডিত হেমচন্দ্ৰ বৰুৱাৰ ভায়েক তুলসীৰাম বৰুৱা পণ্ডিত, সোমেশ্বৰ বৰুৱা আৰু ভায়েক মহেশ্বৰ বৰুৱা আছেনে? স্নেহাস্পদ দেশনেতা শ্ৰীযুত কুলধৰ চলিহা, ৺প্ৰেমধৰ চলিহা আৰু শ্ৰীযুত পদ্মধৰ চলিহাৰ পিতৃদেৱতা নিৰ্ভীক দেশহিতৈষী তেজস্বী পুৰুষ ফণীধৰ চলিহাক আৰু ফুকননগৰ নিবাসী সভাশুৱনি বুদ্ধিমান নেতা গঙ্গাগোবিন্দ ফুকন আৰু তেওঁৰ অন্তৰঙ্গ বন্ধু বৈদ্যবিদ্যা বিশাৰদ মোৰ জ্যেষ্ঠ ভ্ৰাতা ব্ৰজনাথ বেজবৰুৱাক শিৱসাগৰত দেখিবলৈ পাম নে? দিখৌৰ পাৰৰ ঘৰত ৰসেন্দ্ৰৰ ঘৰৰ শিলাকুটি মৌজাদাৰ ইন্দ্ৰেশ্বৰ ৰাজখোৱা আৰু তেওঁৰ ভায়েক কমলচন্দ্ৰ আৰু সেই শাৰীৰে ঘৰত গঙ্গাধৰ শৰ্মা উকিল, মিষ্টভাষী শ্যামসুন্দৰ দুৱৰা ডাঙৰীয়া আৰু সেই কালত ইংৰাজী ভাষাভিজ্ঞ বুলি প্ৰখ্যাত পৰমানন্দ ভঁৰালী ডাঙৰীয়া আজিও আছে নে? বেবিণ্টাৰ তাৰা-প্ৰসাদ চলিহা আৰু দেশসেৱক যাদৱপ্ৰসাদ চলিহাৰ পিতৃদেৱতা—তেতিয়াৰ দিনত উঠি অহা ডেকা উকিল সুযোগ্য কালীপ্ৰসাদ চলিহা ডাঙৰীয়াক দেখিবলৈ পামগৈ নে? শ্ৰদ্ধাস্পদ দুৰ্গাপ্ৰসাদ বৰুৱা আৰু ৰমাকান্ত নাজিৰ সেই মই দেখি অহা ঘৰতে আজিও আছেনে? সুবিখ্যাত চৰকাৰী বিষয়া শ্ৰীযুত ৰাধানাথ ফুকনৰ পিতৃদেৱতা ডাঙৰীযা কৃপানাথ ফুকন আৰু ভায়েক যদুনাথ ফুকন সেই আমাৰ ঘৰৰ ওচৰৰ বাৰীখনৰ ঘৰতে আছে নে? বুৰঞ্জীবিদ কাশীনাথ তামুলীফুকনৰ পুতেক মুক্তানাথ ফুকন ভিনিহিদেৱৰ ঘৰো আমাৰ ঘৰৰ ওচৰতে আছিল। এতিয়াও সেই ঘৰ সেই-দৰেই আছে নে? বৰভিনিহি বিদ্যাধৰ বৰুৱা, মহাপণ্ডিত উৰ্ব্বীধৰ শিৱসাগৰীয়া বৰুৱাৰ পুতেক কৌস্তুধৰ বৰুৱা আৰু আমাৰ ভাগিন সোমধৰ বৰুৱাৰ ঘৰ আগৰ ঠাইতে আছে নে? বৰভিনিহি বিদ্যাধৰ বৰুৱাৰ ঘৰত এজোপা ডাঙৰ বহত গছ আছিল। ক'ত দিন তেওঁলোকৰ ঘৰলৈ গৈ মই বহুত খাইছিলো আৰু তেওঁলোকৰ বাৰীৰ পাছফালে থকা পকা মিৰিকা টেঙা চুৰ কৰি খাইছিলো। তেতিয়াৰ দিনত বাহী গাবে মই পানী এটোপাকে নেখাইছিলো। সেইদেখি পুৱা সিদিনা মই মিৰিকা টেঙা চুৰ কাৰ্ছিলো। টেঙাবোৰ চুৰিযাৰ কোচত লৈ বাহিৰে বাহিৰে গৈ দিখৌত জোবোৰা মাৰি গা ধুইহে তাক মুখত দিছিলো।

গহীন গম্ভীৰ দুৰ্গেশ্বৰ শৰ্মা চিৰস্তাদাৰ আৰু তেওঁৰ ভায়েক টেপু মাষ্টৰলৈকো (লোকনাথ শৰ্মা) মনত পৰিছে। দুৰ্গেশ্বৰ চিৰস্তাদাৰক মোৰ দেউতাই বৰ ভাল পাইছিল। গধুলি প্ৰায় দিনো দেউতা তেওঁৰ ঘৰৰ ফালে ফুৰিবলৈ গৈছিল। তেওঁৰ পুতেক দ্বাৰকেশ্বৰ শৰ্ম্মা বেছ বুদ্ধিমান ল'ৰা আছিল। কলিকতাত একেটা মেছতে

আমি আছিলোঁহক। বেচেৰা অকালত কালৰ গৰাহত পৰিল। দ্বাৰকেশ্বৰৰ মাক মোৰ মোমাইৰ জীয়েক আছিল।

দুৰ্গেশ্বৰৰ চিৰস্তাদাৰৰ কথাতে এইখিনিতে আৰু এটা ঘটনা মোৰ মনত পৰিল। এবাৰ মই দিছাংমুখৰ ঘাটত কলিকতালৈ যোৱা জাহাজ ধৰি কলিকতালৈ যাবলৈ আহিছিলো। লগত মোৰ ককাইদেউ এজন আহিছিল। দিছাংমুখৰ 'ফ্লটিং ডাক-বঙলা'তে আমি জাহাজলৈ বাট চাই তাতে আমাৰ আহাৰ কাৰ্য্য সমাপণ কৰিলোঁহক। ককাইদেউ জনে আগগুৰি নাভাবি, ডাকবঙলাৰ খানচামাৰ ওপৰত খং কৰি তাৰ বিৰুদ্ধে ভিজিটৰ্চ বুকত অৰ্থাৎ যাত্ৰীসকলৰ মতামত লেখি থবলৈ থকা কিতাপত লেখিলে,—Rice bad অৰ্থাৎ ভাত বেযা। সেইষাৰ লেখি তেওঁ সম্পুৰ্ণৰূপে তলত নিজৰ নামটোও চহী কৰিলে। ককাইদেৱে তাত কি লেখিছিল মই দেখাই নাছিলো। জাহাজ আহিলত মই জাহাজত উঠি কলিকতালৈ গলোঁ আৰু তেওঁ ঘৰলৈ গ'ল। ইয়াৰ কিছুমান দিনৰ পিছত হেনো চিৰস্তাদাৰ দুৰ্গেশ্বৰ শৰ্ম্মা এবাৰ দিছাং মুখলৈ আহোঁতে সেই কিতাপখনত সেই লেখা দেখিবলৈ পালে, আৰু শিৱসাগৰলৈ উভতি গৈ সেই কথা লৈ মহা গোলমাল লগাই দিলে। মই কলিকতাত থাকোঁতে সেই খবৰ পাই নথৈ হাঁহিছিলো। ককাইদেৱে কি সন্তোষজনক উত্তৰ দি সেই আহুকালৰ হাত সাৰিছিল, মই অৱশ্যে কব নোৱাৰোঁ। ঠিক এই শাৰীৰে এটা ঘটনা মই শিৱসাগৰত থাকোঁতেই হৈছিল। শিৱসাগৰত ঢাকাৰ মুছলমান বেপাৰীৰ কেইবাখনো দোকান আছিল। এখন দোকানৰ বেপাৰীটোৰ নাম আছিল ইমু। আমাৰ শিৱসাগৰত ব্ৰাহ্মণ ডেকা এজনে বোধকৰো লোভ সামৰিব নোৱাৰি এদিন ইমুৰ দোকানৰ পৰা এটীন বিস্কুট কিনি আনিলে। তেওঁ যদি তাৰ দাম নগদ দিলেহেঁতেন, তেন্তে কাৰো সাধ্য নাছিল সেই কাৰ্য্য জানিবলৈ। কিন্তু তেওঁ উঠনাৰ বহীত বিস্কুট বুলি লেখি দি চহী কৰি গুচি আহিল। পৰিল কাৰবাৰ চকুত সেইটো। আৰু বপুৰা যায় ক'লৈ? সেই কথা লৈ নগৰ গোটেইখন তোলপাৰ লাগিল। ডেকাজনক, সমাজৰ গুৰিযাল সকলে চেপি ধৰিলত, তেওঁ ক'লে—"বিস্কুট" লেখা নাছিল, "জিনকোট" লেখিছিল, কাৰণ তেওঁ সেই দোকানৰ পৰা জিন কাপোৰৰ কোট অৰ্থাৎ চোলা এটাহে আনিছিল যিটো তেওঃ দিনো পিন্ধি ফুৰিছে, বিস্কুট তেওঁ কিয় কিনিবলৈ যাব, যিটো বস্তু হাতেৰেই নোছোৱে।"

টেপু মাষ্টৰ নামতহে টেপু, কিন্তু দেখিবলৈ বৰ ভইব মানুহ আৰু আমি স্কুলীয়া লৰাৰ মানত তেও দ্বিতীয় টিপু চুলতান আছিল। তেওঁৰ ভয়ত আমি স্কুলত কঁপি থাকোঁ। তেওঁৰ হাতত খোৱা কোবকেইটা মোৰ আজিও মনত আছে আৰু আজিও মোৰ হাতত তলুৱাখন ফৰফৰাইছে যেন লাগে, অৱশ্যে যদিও মই আনবোৰ ল'ৰাতকৈ কম মাৰ খাইছিলোঁ। ত্ৰিলোচন নাজিৰ আৰু ভায়েক পৰমা আৰু নাজিৰ পুতেক সহদেৱ পণ্ডিতে আজিও শিৱসাগৰৰ আমোলাপটীত শৰাধ, শান্তিকৰ্ম, তিলহোম প্ৰভৃতি বামুণীয়া পুৰোহিতালি কাৰ্য্যবোৰ কৰি ফুৰে নে? নাজিৰ সেইবোৰ কাৰ্য্যত বৰ পটু আৰ বিধিব্যৱস্থাত বৰ পণ্ডিত আছিল?

কিন্তু লোকলৈ বিধিবিধান দিযাতহে পণ্ডিতসকলক পটু হোৱা দেখা যায় নিজৰ বেলিকা সেইবোৰ প্ৰায় নামানি চলাহে তেওঁলোকৰ গঢ়গতি। নাজিৰে লোভ কৰি কৰবাৰ পৰা ঘোঁৰা দান লৈ আৰু ঘনে ঘনে সোণ দান লৈ জগতৰ পৰা কতবাৰ দেখিছিলোঁ। বগাতাৰা আৰু ক'লাতাৰাবে বা খবৰ কি? বগাতাৰা বিখ্যাত ক্ষেত্ৰ-কেশবৰ পণ্ডিতৰ পুতেক আৰু বেছ বুদ্ধিমান ডেকা আছিল। যাক ক'লাতাৰা বুলিছোঁ, তেওঁ তামুলীফুকনৰ ঘৰৰ কমলানাথ ফুকন ডাঙৰীযাৰ পুতেক। তেওঁৰ বৰণ নিশ্চয কলা নাছিল, কিন্তু ক'লাতাৰাৰ বৰণটো বৰ বগা হোৱাৰ নিমিত্তে তেওঁ বিৰজণিত ক'লা নাম পাইছিল। ধক্‌ধক্ কৰে বগা সুবিখ্যাত দাদাভাই নৌৰজীযে বিলাতত বিলাতত বগা ইংৰাজৰ তুলনাত লৰ্ড চল্‌চবেৰিৰ মুখৰ পৰা Boack man অৰ্থাৎ ক'লা মানুহ নাম পোৱাৰ দৰে আমাৰ দুইনম্বৰৰ তাৰাই তেনে নাম পাইছিল।

প্ৰিযৰাম দত্ত জীযাই আছে নে? মোৰ মনত পৰে, তেওঁৰ ঘৰ আমাৰ স্কুলৰ ওচৰতে আছিল। ডাঙৰীযা লক্ষ্মীনাথ কাকতীযে কলিকতাত পঢ়ি গৈ প্ৰথমতে আমাৰ স্কুলত ছাৰ্ড মাষ্টৰ হয। তাৰ পিছত হে ছবডিপুটী আৰু ই-এ-চি। তেওঁ প্ৰথমতে শ্ৰীযুত প্ৰিযৰাম দত্তৰ ঘৰত আছিলগৈ।

ৰামবাবু আৰু বিষ্ণুবাবুৰ ঘৰো আমাৰ স্কুলৰ ওচৰতে আছিল। অসমত অনেকদিন বাস কৰি আদৰ্খিনি অসমীযা হৈ যোৱা বঙালী তেওঁলোক। ৰামবাবুৰ বিলাতী মদৰ দোকান আছিল। বিষ্ণুবাবু কাছাৰীত অফিচ চুপাৰিণ্টেণ্ডেণ্ট। ভাযেক ককাযেক দুযো বৰ গাৱাল আছিল আৰু সেই বিষযত দুইৰো ভিতৰত এজনে বোলে মোক চা, বিধৰ। ৰামবাবুৰ পুতেক এজনে মোৰে সৈতে একে শ্ৰেণীতে পঢ়িছিল। বিষ্ণুবাবুৰো পুতেক এজন আছিল। তেৰোঁ গা-গাৰিৰ বিষযত বাপেকত কৈ এখোপ চৰা, নহয বাপেকৰ সমান, নহয অলপ নাম্‌নাচ। ঠাকুৰ দাস, ঘোষ আৰু তেওঁৰ পুতেক গোপালবাবু মাষ্টৰ গিৰীশ ৰাজেন্দ্ৰও প্ৰায একেবাৰেই অসমীযা হৈ যোৱা বঙালী। ঠাকুৰদাসবাবুৱে আবেলি আমাৰ ঘৰত দেউতাই শ্ৰীমদ্ভাগৱত ব্যাখ্যা কৰা আন আন শ্ৰোতা সকলেৰে সৈতে বহি শুনিছিলগৈ। পুতেক গোপালবাবুৱে পুৰা গৈ দেউতাৰ কাষত নিদান ভাৱ প্ৰকাশ ইত্যাদি আয়ুৰ্বেদ শাস্ত্ৰ পঢ়িছিল গৈ। এটা কথাৰ নিমিত্তে কিছুমান দিনৰ পিছত গোপাল বাবুৰ পাঠত ব্যাঘাত ঘটিছিল। সাধাৰণ ব্ৰাহ্ম সমাজৰ প্ৰচাৰক পণ্ডিত ৰাম কুমাৰ বিদ্যাৰত্ন নামেৰে বঙালী এজনে অসমত ব্ৰাহ্মধৰ্ম্মৰ প্ৰচাৰ কৰি ফুৰিছিল। শিৱসাগৰত তেওঁ গোটাচেৰেক বক্তৃতা দিছিল আৰু গোপালবাবুৰ ঘৰত ব্ৰাহ্মধৰ্ম্মৰ পদ্ধতি অনুসাৰে ব্ৰহ্মোপাসনা কৰিছিল। তেওঁৰ বক্তৃতা শুনি শিৱসাগৰৰ ডেকাসকলৰ ভিতৰত বৰকৈ চাঞ্চল্য উপস্থিত হৈছিল আৰু কোনো কোনো ডেকাই ব্ৰহ্মোপাসনাত যোগ দিছিল। মোৰ দেউতা আৰু পণ্ডিত তুলসীৰাম বৰুৱা প্ৰভৃতিযে বাধা দি ডেকাসকলক পুনৰায় বাপেধানৰ ভিতৰলৈ আনিছিল। তুলসী বৰুৱা পণ্ডিতে প্ৰতিবাদ স্বৰূপে ব্ৰাহ্মধৰ্ম্মৰ বিৰুদ্ধে আমাৰ স্কুলঘৰত বক্তৃতা পঢ়া আৰু ৰাম কুমাৰ বাবুৱে সেই সভাত উঠি কাণৰ কণা-মাকৰি সৰি যোৱা চিঞৰেৰে তাৰ প্ৰতিবাদ কৰা আজিও মোৰ মনত আছে। *

---

* বাঁহী—২৯শ বছৰ, ৮ম সংখ্যা, চ'ত ১৮৫২ শক। অ-হা

## পঞ্চম আধ্যা

শিবসাগৰ হাইস্কুলত হেডমাষ্টৰ চন্দ্ৰমোহন গোস্বামী, চেকেণ্ড মাষ্টৰ বিষ্ণুচন্দ্ৰ চক্ৰৱৰ্ত্তী, সংস্কৃতৰ পণ্ডিত প্ৰসন্নকুমাৰ আচাৰ্য্য আৰু ধৰ্ম্মেশ্বৰ মাষ্টৰে আজিও পঢ়ায় নে ? নপঢ়ায় নিশ্চয়, বোধকৰো তেওঁলোক মৰিহাজি গ'ল। সনাতন নন্দীয়ে তলৰ শ্ৰেণীত ঘনে ঘনে আহি এক্‌টিং কৰি পঢ়ায় নে ? তেওঁৰ মাক অসমীয়া আৰু বাপেক বঙালী আছিল। মানুহজন বেছ আমোদপ্ৰিয় আছিল। অক্ষয়কুমাৰ ঘোষ আৰু বিনোদলাল ঘোষে আজিও শিৱসাগৰত ওকালতি কৰে নে ? অক্ষয়বাবু হাতমুকলি আৰু বহল মনৰ মানুহ আছিল। তেওঁ প্ৰচুৰ ধন উপাৰ্জ্জন কৰিছিল কিন্তু ৰাখিব নোৱাৰিলে। কৃষ্ণানন্দ গোহাঁইৰ দেউতাক, আৰু তিৰু কাকতি প্ৰভৃতি শিৱসাগৰৰ কাষৰে পাজৰে থকা বিশিষ্ট ভদ্ৰলোকসকলে আমাৰ দেউতাৰে সৈতে দেখা কৰিবলৈ মাজে মাজে তাহানি আমাৰ ঘৰলৈ আহিছিল। তেওঁলোক নিশ্চয় ইহসংসাৰত নাই। শিৱসাগৰত থকা আদৰ্শ-বঙ্গ-বিদ্যালয় আৰু তাৰ হেডপণ্ডিত প্ৰাণকৃষ্ণ কৰ বাবু ক'ত ? তাহানি মই সৰুতে বঙলা স্কুলত পঢ়োতে এদিন মোৰ পেট কামুৰিছে বুলি তেওঁৰ ওচৰত ছুটি লবলৈ যাওঁতে, তেওঁ মোক সুধিছিল "আজি তুমি কিমান কোমল চাউল খালা ?" দ'লৰ টিনাই ঠাকুৰ আৰু নগৰ মহল মৌজাদাৰ নৰঠাকুৰ ক'ত ? বপুৰা টিনাই ঠাকুৰ। তেওঁ দিনৌ দুপৰীয়া খাই বৈ উঠি এঘুমটি শোৱা অভ্যাস কৰি লৈছিল। কেতিয়াবা শুবলৈ নোপোৱাকৈ কৰবালৈ যাব লাগিলে তেওঁ খোজ কাঢ়োঁতেই টোপনিযাই গৈছিল। তেওঁৰ কাৰ্য্যপ্ৰণালী আছিল এনেকুৱা :—

তেওঁ এশ কি দুশ খোজৰ বাটডোখৰ এবাৰ চকুমেলি চাই লৈ তাৰ পিছত চকু মুদি খোজ কাঢ়িছিল। যেতিয়াই তেওঁৰ জোখৰ বাটছোৱা পৰে, তেওঁ চকু মেলে আৰু আকৌ এছোৱা চাই লৈ চকু মুদি খোজ কাঢ়িবলৈ ধৰে। কামটো বুধিয়কৰ কাম নহয়নে বাৰু ? তেতিয়াৰ দিনত মটৰগাড়ীৰ দৌৰাত্ম্য নাছিল, নতুবা এই প্ৰণালী অচল হলহেঁতেন নিশ্চয়। যাওক। আজিকালি অম্জুনগুৰিত কোন কোন আছে ? পূজনীয় প্ৰাণনাথ বেজবৰুৱা আৰু তেওঁৰ পুতেক লক্ষ্মীনাথ, কাশীনাথ তাত আছে নে ? আহি, আমাৰ ঘৰৰ পুখুৰীপাৰত থাকে নে ? তেখেতৰ পুতেক শ্ৰদ্ধাস্পদ শ্ৰীযুত নিত্যানন্দ গোসাঁই মোৰ সুহৃদ আছিল। বোধকৰো তেওঁ আজিকালি অধিকাৰৰ পদত।

আৰু ক'ত মানুহৰ কথা মনত পৰিল। দিখৌৰ কাষত হৰদেউ খাটনিয়াৰ, যোগৰাম পোদ্দাৰ ইত্যাদিলৈ। আমাৰ ঘৰৰ ঘৰগিৰিয়নী ঘিণলাগী বাই, লইভা বেজিনীলৈ। তেওঁলোকে বেজিনীৰ ব্যৱসায় আজিও শিৱসাগৰত কৰি ফুৰে নে ? আজিও বুদু ভকতে বাটৰ কাম আৰু লগে লগে কাছাৰী ঘৰৰ আগত 'টাউট'ৰ কাম কৰে নে ? মণিৰাম আৰু ধুলিৰাম ডাক-হৰকৰাই আজিও শিৱসাগৰত ডাকৰ চিঠি বিলায় নে ? দিখৌৰ পাৰঘাটত ৰঙাই ঘাটৈয়ে নাও পাৰ কৰিছিল। ইমান দিনে সেই ঘাটে তাত আছে নে ? গোলাম পাৰ্টিৰ ৰঙামুৱা, পিথু আৰু তাৰ পুতেক

পানীৰাম মজুমদাৰৰ নতুন আলিৰ কাষৰ পৰা পানীৰাম মজুৰি লৈ লোকৰ বন বাৰি আগৰ দৰে আজিও কৰে ফুৰে নে ? সিহঁতৰ ঘৰত লগৰীয়া বনুৱা জুৰুমনেই বা ক'ত ? তাহানি ভিনিহিদেউ মুক্তানাথ ফুকনৰ ঘৰত লিগিৰী এজনী আছিল। তাইৰ নাম ভদৰী। ফুকনৰ ল'ৰাটো আমাৰ ঘৰলৈ আহি, উলটি যোৱাত পলম হ'লে তাই ফুকনৰ ঘৰৰ পাছফালৰ বাৰীৰ পৰাই চিঞৰিছিল—"অ বব লুপি। আহ ঐ।" আজি আমাৰ শিৱসাগৰৰ ঘৰলৈ গ'লে তাইৰ সেই ৰিং শুনিম নে? বিদ্যাধৰ চিৰস্তাদাৰ ভিনিহিৰ ঘৰত দুজনী বেটী আছিল। এজনীৰ নাম সৰুকণ, আনজনীৰ নাম গেলী। সিহঁতলৈকো মনত পৰিল। মৰিবিদিখৌৰ দাঁতিত আজিকালিও অনেক মানুহ গোট খাই পল বাবলৈ আহে নে? আৰু তাহানিৰ নিচিনাকৈ উকিযাই চাৰিওফালৰ পল বোৱা মানুহক সিহঁতে মাতে নে? মই তাহানি মৰিবিদিখৌত জাৰকালি দল চেলাই মাছ ধৰিছিলো। আজিকালিও সেই দৰে কোনোবাই মাছ কাছ ধৰে নে? মৰিবিদিখৌৰ পাৰৰ সেই বৰ পলাশজোপাত আজিও সেইদৰে গছ ভৰি পলাশ ফুল ফুলে নে? মানুহৰ ল'ৰাকালডোখৰ কল্পনাৰ ৰামধনু। কত ৰকম উজ্জ্বল বৰণেৰে যে সেই ডোখৰ কাল ৰহণোৱা হয় তাৰ লেখজোখ নাই। মানুহৰ মুখে শুনিছিলো যে আহিমন্ত ৰজাই সোণ আৰু ৰূপেৰে খুন্দ খুৱাই ভৰাই দিয়া তেওঁৰ নাওখন এই মৰিবিদিখৌতে বুৰাই থৈ পৃথিৱী এৰি স্বৰ্গলৈ গুচি গৈছিল। এতিয়াও হেনো বিচাৰিলে পানীৰ তলত বোকাত পোত গৈ থকা নাওখন পোৱা যাব পাৰে। এডাল সোণৰ শিকলিৰে হেনো নাওখন পাৰৰ হিজল গছজোপাত আজিলৈকে বন্ধা আছে। মই কতদিন মৰিবিদিখৌৰ পাৰে পাৰে সেই নাওখনৰ ফুট উলিযাবলৈ ডাঙৰ ডাঙৰ গছৰ গুৰিত চাই ফুৰিছিলো যদি শিকলিডাল চকুত পৰে। মনৰ ভাব এনেটো যে এনাও সোণ-ৰূপ পাই একেবাৰেই মই ধনৰ গছৰ আগত নিশ্চয় উঠিব পাৰিম। কিন্তু মই নিজে উঠিবলৈ মোৰ সেই চেষ্টা নহয়, মোৰ দেউতাক আৰু মই ভাল পোৱা আমাৰ ঘৰলৈ অহাযোৱা কৰা দেউতাৰ বন্ধু-বান্ধৱসকলক তুলিবলৈহে। সেইসকলৰ ভিতৰত মান্যবৰ গঙ্গাগোবিন্দ ফুকনো এজন আছিল। আৰু ভাবিছিলো, দেউতাৰ ধাৰবোৰ মই তেনেহলে মাৰি দি দেউতাক নিশ্চিন্ত কৰিব পাৰিম আৰু মোৰ মাতৃদেৱী আৰু বৌসকলৰ গাবোৰ ভাল ভাল কাপোৰকানি গহনাৰে ভৰাই দিব পাৰিম। এই কেইটা কাৰ্য্যৰ পিছত আনন্দ মনেৰে মই এই পৃথিৱীত ঘূৰি ফুৰিম। আৰু শেষত বুঢ়া বয়স ডোখৰৰ তিনি ভাগৰ এভাগ আমাৰ গুৰুঘৰ বদুলা আতাৰ থান কমলাবাৰীত আৰু এভাগ জগন্নাথ ক্ষেত্ৰত আৰু এভাগ বৃন্দাবনত কটাই দিম। এনে মতলব কৰি কাকো নোকোৱাকৈ মই দিনো মৰিবিদিখৌ পাৰে পাৰে হাবিয়ে-বননিয়ে বৰ বৰ গছবোৰৰ গুৰিবোৰলৈ চকু দি ঘূৰি ফুৰিছিলো। আহিমন্ত ৰজাৰ সাধুটো যিসকলে জানে, তেওঁলোকলৈ নহয়, নজনাসকললৈ তাৰ সংক্ষেপ বিৱৰণ তলত দিলোঁ :

আহিমন্ত ৰজা মইমন্ত ৰজাৰ পুতেক। মইমন্ত নিজ ৰাজ্য ৰত্নপুৰত ৰাজত্ব কৰি, তেওঁৰ পুতেক আহিমন্তক বিশ্বনাথত ৰজা কৰি দিলে। আজিকালি যাক মাজুলী বোলে তাতেই ৰত্নপুৰ ৰাজ্য আছিল। অলপ আগৰ পৰা কথাটো কওঁ। মইমন্তৰ

দুজন পুতেক হৈছিল। এজনৰ নাম নাগমন্ত আৰু আনজনৰ নাম আৰিমন্ত। কিন্তু দুই ভায়েকৰ মাজত মিলাপ্ৰীতি নথকা দেখি বুঢ়া মইমত্ত ৰজাই ভাবিলে যে তেওঁ জীয়াই থাকোঁতেই দুই পুতেকক দুখন ৰাজ্যত সুকীয়াকৈ বহুৱাই দি যোৱা ভাল নতুবা দুয়ো দন্দ-হাই কৰি ৰাজ্য ধ্বংস কৰিব। ইয়াকে ভাবি তেওঁ তেওঁৰ মন্ত্ৰী মনোহৰক পঠিয়াই দি বিশ্বনাথ পৰ্ব্বতৰ অলপ পশ্চিমত ব্ৰহ্মপুত্ৰৰ উত্তৰত আৰু দীকৰাই নদীৰ কিছু দক্ষিণত এখন নগৰ সজাই দিয়ালে। নগৰখনৰ নাম বিশ্বনাথ থলে। নাগমন্তক সেই ৰাজ্যত ৰজা পাতি মইমত্তই আৰিমন্তক নিজৰ লগত ৰত্নপুৰতে ৰাখিলে। বুঢ়াৰজাই বস্তুবস্তু সকলোকে সমানে দুভাগ কৰি দুই পুতেকক দিলে। নাগমন্তই বিশ্বনাথতে নাগেশ্বৰ নামে শিৱ স্থাপন কৰি ৰাজত্ব কৰিবলৈ ধৰিলে। কিন্তু দৈৱদুৰ্ব্বিপাকত কুৰি বছৰ বয়সতে নাগমন্ত পৰলোকলৈ গ'ল। বুঢ়া ৰজাই কান্দিকাটি যৰ শোক কৰি তেওঁৰ দ্বিতীয়জন পুতেক আৰিমন্তক বিশ্বনাথত ৰজা পাতিলে। ৰত্নপুৰত বুঢ়া ৰজা মইমন্ত। আৰিমত্ত অপুত্ৰক।

এদিন মইমন্ত ৰজাই পুতেকক চাবলৈ বিশ্বনাথকৈ গ'ল। পুতেকে বাপেকক পাই অতি আদৰ ভক্তি কৰি ৰাজ্যত ৰাখিলে। এদিন মইমত্তে আৰিমন্তক ক'লে—"বোপা ! নাগমন্ত মৰিবৰে পৰা মই বেজাৰত মৃগয়া কৰা নাই। ক্ষত্ৰিয়ৰ ধৰ্ম্ম মৃগয়া কৰা সেইদেখি আজি মই তোমাৰ সৈতে মৃগয়া কৰিবলৈ যাব খুজিছোঁ, ব'লা। পশুৰ মাংসৰে মাংস সম্বৰ্কা শ্ৰাদ্ধ কৰিলে অশেষ পুণ্য হয়। বাপেকৰ কথা শুনি আৰিমন্তই আনন্দেৰে বাপেকক লগত লৈ মৃগয়ালৈ যাবলৈ প্ৰস্তুত হ'ল। এই খবৰ শুনি বুঢ়া মন্ত্ৰী মনোহৰে ৰজাৰ আগত মিনতি কৰি কলে—"স্বৰ্গদেউ। বন্দীৰ দোষ মৰিষণ কৰিব, একেষাৰ কথা কওঁ। শাস্ত্ৰত কৈছে পিতা আৰু পুত্ৰই লগ লাগি ব্যাধৰ কাৰ্য কৰাটো গৰ্হি। দ্যূত-ক্ৰীড়া, ধন ধাৰে দিয়া আৰু নিযা, পাশা, দবা আৰু পচিঁ ইত্যাদি খেল পিতা-পুত্ৰৰ ভিতৰত অকৰ্ত্তব্য।" কিন্তু মন্ত্ৰীৰ এই হাকবচন বাপেক-পুতেক দুয়ো নুশুনি মৃগয়া কৰিবলৈ গ'ল। দুয়ো যাঠী, শেল শূল আৰু নানা ৰকম অস্ত্ৰ লৈ সসৈন্যে ঘোৰ অৰণ্যত প্ৰৱেশ কৰি অলেখ জন্তু বধ কৰিলে। বাঘ ভালুক, বৰা, ম'হ, গড়, মেঠোনৰ পৰা আৰম্ভ কৰি শহা পহুলৈকে মাৰি দমাই পেলালে। ইয়াৰ পিছত দৈৱ-দুৰ্ব্বিপাকত আৰিমন্তই এটা হৰিণা পহুলৈ কাঁৰ মাৰি পঠিয়ালত, পহুটোৰ গাত নালাগি কাঁৰপাত বাপেক মইমত্তৰ গাত লাগিল আৰু বাপেকৰ মৃত্যু ঘটিল। আৰিমন্তৰ গাত পিতৃবধ পাতক লাগিল। তেওঁ কান্দিকাটি নগৰলৈ উভতি আহি ব্ৰাহ্মণসকলক মাতি আনি তেওঁক পৰাচিত কৰাই পাতকৰ পৰা উদ্ধাৰ কৰিবলৈ কালত, ব্ৰাহ্মণসকলে একবাক্যে ৰজাক কলে যে আমি ইয়াৰ পৰাচিত কৰিব নোৱাৰে। ইয়াৰ পৰাচিত তুষানলত প্ৰাণত্যাগ। তাৰ পিছত আৰিমন্তই ৰত্নপুৰত মন্ত্ৰীৰ পুতেক মনোহৰৰ গাত ৰাজ্য পালন কৰিবৰ ভাৰ দি আৰু বিশ্বনাথত বুঢ়া মন্ত্ৰীৰ গাত ভাৰ দি জগন্নাথ ক্ষেত্ৰলৈ গ'ল। বাটত সাক্ষিগোপাল পাওঁতেই তেওঁ দেখিলে যে তেওঁৰ গাত কুষ্ঠ ব্যাধি ওলাল আৰু স্বপ্নত জগন্নাথে পাণ্ডাক আদেশ দিলে যে পিতৃবধী আৰিমন্তক যেন জগন্নাথলৈ যাব দিয়া নহয়। আৰিমন্ত ব্যৰ্থ

মনোৰথ হৈ উভতি আহি গঙ্গাত তেওঁৰ ধনসোণ সমৰ্পি পাপৰ পৰা অব্যাহতি পাবৰ চেষ্টা কৰাত গঙ্গায়ো তেওঁৰ ধনসোণ দলিয়াই পেলাই তেওঁক বিমুখ কৰিলে। ইয়াৰ পিছত তেওঁ নিৰুপায হৈ বিশ্বনাথলৈ উভতি আহিল। তেওঁৰ মনত সুখ নাই। তেওঁ ভাবিলে তেওঁৰ ভনায়েক ভেলাদৈক ব্ৰহ্মপুত্ৰই বিয়া কৰিছে যেতিয়া, ব্ৰহ্মপুত্ৰৰ ওচৰলৈকে যাওঁ যদি ব্ৰহ্মকুণ্ডত তেওঁৰ পাপমুক্ত হ'ব পাৰে। ইয়াকে ভাবি তেওঁ নাৱেৰে উজাই চৌখান ৰাজ্য পালেগৈ আৰু তাৰ পিছত মিছিমিৰ ৰাজ্যত প্ৰৱেশ কৰিলে। লগত অসংখ্য ধনসোণ তেওঁ লৈ গৈছিল, ব্ৰহ্মপুত্ৰক দিবলৈ। কিন্তু দুখৰ কথা—ব্ৰহ্মপুত্ৰইও ধনসোণ নলৈ তেওঁক পাপমুক্ত কৰিবলৈ অস্বীকাৰ কৰিলে। ৰজাই দুখ মনেৰে উভতি আহি দিখৌত সোমাল। তেওঁ প্ৰবাদ শুনিছিল যে যেতিয়া দিখৌৰ গৰা খহিব, পানীত কুহিমাছ হব আৰু পাৰত ঝাওবন গজিব তেতিয়া দিখৌ গঙ্গাৰ সমান হ'ব। এই কথা হেনো পূৰ্বৰ্তে বশিষ্ঠ মুনিয়ে কৈছিল। দিখৌৰ তেনে হোৱা দেখি, তেওঁ উজাই গৈ শিৱসাগৰৰ (পিছৰ কালত শিৱসাগৰ নাম পোৱা) ওচৰৰ দিখৌত তেওঁৰ অনা ধনসোণ নাওখনেৰে সৈতে বুৰাই দি শিকলি এডালেৰে সেই বুৰা নাওখন এজোপা হিজল গছত বান্ধি থৈ পানীত পৰি মৰিল। দিখৌৱে সেইদেখি সেই ঠাইক এৰি আনফালে বৈ গ'ল আৰু দিখৌৰ সেই দোখৰেই মৰাদিখৌ নাম পালে। মই কত দিন সেই হিজলজোপা অকলে অকলে বিচাৰিছিলো আৰু নাপায ব্যৰ্থ মনোৰথ হৈ ঘৰলৈ উভতি গৈছিলো। তাহানি দোকমোকালিতে মই হাতত কুকি লৈ নিজৰ ফুলবাৰী আৰু লোকৰ ফুলনিবাৰীতো সোমাই গোসাঁই-পুজালৈ ফুল তুলিছিলো। আজিকালি ল'ৰাবোৰে তেনে কৰে নে? তাহানি মাঘৰ বিহুত মই আনৰে সৈতে হাঁহকণী যুঁজাই-ছিলো। চ'তৰ বিহুত প্ৰায গোটেই মাহ জুৰি পঁচি খেলিছিলো। এতিয়া তেনে ৰং-ধেমালি শিৱসাগৰত আছে নে? ৰাজহুৱা নামঘৰত বৰসবাহ পূজা আদি উৎসৱ হযনে? নিশ্চয় কালৰ গৰাহত এইবোৰৰ সৰহখিনি সোমাই নাইকিযা হৈছে চাগৈ। যি হওক আজি শিৱসাগৰ মোৰ মনত তীৰ্থস্থান হৈ পৰিছে। শিৱসাগৰৰ সীমা পালেই, মই এবাৰ মটৰগাড়ীৰ পৰা নামি মোৰ শিৰত শিৱসাগৰৰ ধূলি এচিকটা লম। নিশ্চয মোৰ কাৰ্য্য দেখি লগৰীযাসকলে হাঁহিব। হাঁহে হাঁহিব তথাপি লম।

এনেবোৰ ভাবে মোৰ মনটো তলওপৰ কৰি গৈছে। এনেতে দিছাং নৈ পালোঁগৈ। দিছাং শব্দটো শুনিয়েই মোৰ মনটো প্ৰসন্ন হৈ পৰিল। এই নৈখনেই নে সেই দিছাং-যাৰ মুখত মই ডাকজাহাজত উঠি ১৮৮৬ খৃষ্টাব্দত কলিকতালৈ গৈছিলোঁ। শিৱ-সাগৰৰ ঘৰৰ পৰা দিছাংমুখলৈ আহোঁতে আৰু তাৰ পৰা মাজে মাজে কলিকতাৰ পৰা মাজে মাজে কলিকতাৰ পৰা আহি শিৱসাগৰলৈ যাওঁতে প্ৰত্যেক বাৰতে মোৰ কি কি দুখ হৈছিল সকলোবোৰে শাৰী পাতি মোৰ মনৰ আগত থিয় হ'ল। ঘাইকৈ, যিবাৰ দিছাং মুখৰ পৰা পাৰিছিলো আৰু যিটো গমনৰ কথা মই কৃপাবৰ বৰুৱাৰ ওভতনি কিতাপত ওলোৱা "অশ্বাৰোহণ পৰ্ব্বত" লেখিছিলো। দিছাং পাৰ হোৱাৰ পিছৰ পৰাই মোৰ শিৱসাগৰ পালোঁহি পালোঁহি লাগিল। কিছুমান বেলিৰ মূৰত

সঁচাকৈয়ে বৰপুখুৰীৰ পাৰৰ ডাকবঙলাত আমাৰ গাড়ীখন ৰ'লগৈ। আমি গাড়ীৰ পৰা নামি ডাকবঙলাত সোমাই তাতে থাকিবৰ দিহা কৰিলোঁ। ছৰ্ডিভিজনেল অফিচৰ হাকিম ভূঞা সহধৰ্ম্মিণীৰে সৈতে দিনচেৰেকৰ নিমিত্তে তাতে আছিল। তেওঁলোকেই আমাক আদৰ অভ্যৰ্থনা কৰি আমাৰ ডাকবঙলা বাস সুখকৰ কৰি দিলে।

মোৰ হেঁপাহৰ বৰপুখুৰীটো দেখিলোঁ। তাৰ পানী আগৰ দৰেই চপ্‌চপীয়া আৰু সুনিৰ্ম্মল। আগৰ দৰেই তাত বনৰীয়া ৰাজহাঁহ চৰি আছে, আৰু সেই দৃশ্যই দৰ্শকৰ মন মোহিছে। কিন্তু তাৰ পাৰ কেইটাৰ কি দুৰৱস্থা! যি বৰপুখুৰীৰ ইটাগুৰীয়া ৰঙা পাৰৰ বাটত বেজী এটা পৰিলেও সেই আগৰ আমাৰ দিনত অনায়াসে বুটলি লব পাৰি তেনে পাৰৰ, ঘাইকৈ উত্তৰ আৰু পশ্চিমৰ পাৰৰ বাট দুটাৰ অৱস্থা কি লৈলৈ, থৈথৈ! পাৰৰ কাষৰ পানীত চাৰিওফালে ঘাঁহবনৰ মহা পযোভৰ। সেইবোৰে জুৰি সিহঁতৰ অখণ্ড প্ৰতাপ বিস্তাৰ কৰি বৰপুখুৰীৰ পুত আশীৰ্ব্বাদত শিৱসাগৰৰ মক্কুহে কি জাৰকালি, কি ঘামকালি কি বাৰিষাকালি সুস্থ শৰীৰ আৰু সুদীৰ্ঘ জীৱন লাভ কৰি আছে, সেই বৰ পুখুৰীৰ প্ৰতি শিৱসাগৰীয়া ৰজাঘৰ আৰু প্ৰজাঘৰৰ এনে আওহেলা! সেই বেজাইৰ কথা থবলৈ ঠাই নাই। শিৱসাগৰ প্ৰধান চহৰ গুচি মহকুমা হ'ল যদি হ'ল, সেইবুলি শিৱসাগৰীয়াই শিৱসাগৰখন আৰু বৰপুখুৰীৰ পাৰকেইটা বাতিবুতি অঁতাইপিতাই চিকুণাই ৰাখিব নোৱাৰিলে, শিৱসাগৰীয়াৰ মান কোনটো আমাৰ ভিতৰত থাকিব? হেৰা শিৱসাগৰীয়া! তুমি মোক কোৱাচোন তোমাক সুধিছোঁ জয়মতী উৎসৱ কৰোঁতে শিৱসাগৰীয়াৰ জয়সাগৰ আজিও জহন্নামলৈ যোৱা অৱস্থাতে। শিৱসাগৰকো তেওঁলোকে বাযেক জয়সাগৰৰ বাটলৈ ঠেলি পঠিয়ালে শিৱসাগৰীয়াৰ যশস্যা শিকিযাত তুলি থ'ব লাগিব। মিউনিছিপেলিটী আৰু ডিষ্ট্ৰিক্ট বোৰ্ডৰ সভ্য আৰু সভাপতি প্ৰকৃত Civic duty লৈ অৰ্থাৎ নাগৰিক কৰ্ত্তব্যলৈ পিঠি দি আন প্ৰকাৰে প্ৰভুসকলৰ প্ৰিয়পাত্ৰ হৈ উপাধি আৰু যহলৈ হাত মেলাটোৱেই শিৱসাগৰীয়াৰ এক মাথোন কৰ্ত্তব্য নে? ছোৱল তিনিটাক জানিবা দৌলৰ ভিতৰৰ অধিষ্ঠাতৃ দেৱতা তিনিজনেই আগৰ দৰেই ৰাখি থৈছে, বৰপুখুৰীটোক বক্ষাৰ ভাৰ ভিতৰত থকা জলকোঁৱৰৰ হাতত দিয়েই শিৱসাগৰীয়া নিশ্চিন্ত নেকি?

আবেলি আমাৰ পুৰণি ঘৰ চাবলৈ গ'লোঁ। দৌলৰ মুখৰ পৰা আমোলাপটিৰ ফালে যোৱা পোন বাটটোক পাহঁৰিবৰ উপায নাই। কিন্তু যেতিয়া ৰোহিণীকুমাৰ বোপাই মটৰ গাড়ীখন বাঁওফালৰ এপিনে সুমাবলৈ নিলে, মই তেওঁক সুধিলোঁ ক'লৈ নিছা? তেওঁ ক'লে—"আপোনালোকৰ ঘৰলৈ যোৱা এইটোৱেই বাট।" মই দৃঢ়ভাৱে কলোঁ "নহয"। তেওঁ ক'লে—"হয়"। তথাপি মোৰ সন্দেহ নগল। এঘৰৰ দুৱাৰমুখত যেতিয়া গাড়ীখন ৰলগৈ, মই নামি মানুহ এটাক সুধিলোঁ, "এইটো কাৰ ঘৰ ককাই?" সি মোৰ ককাইদেউৰ নাম কল'তহে মোৰ ভ্ৰমদূৰ হ'ল। হৰি হৰি! এযেই নে প্ৰকাণ্ড টোলেৰেঘৰবাৰীৰ অৱস্থা! আমাৰ টোললৈ সোমোৱা বাটৰ মুখত থকা সেই

ওথ বাটচৰাটো ক'লৈ গ'ল ? তাৰ পৰা ঘৰলৈকে দীঘলীয়া বাটৰ দুই কাষে থকা দুশাৰী নাহৰ গছ নেদেখোঁ দেখোন ? বাটৰ মুখৰ সেই প্ৰকাণ্ড জৰী গছজোপা কোনে চুৰ কৰিলে ? দেউতাৰ দৰবৰ ঘৰ, চৰাঘৰ, গোসাঁইঘৰ, ৰান্ধনিঘৰ, মাৰলঘৰ, বৰঘৰ প্ৰভৃতি ক'ত মাৰ গ'ল ? দৰবৰ ঘৰৰ সমুখত থকা কাঞ্চনফুল গছজোপাৰ দেখোন চিনমোকাম নাই ! বৰঘৰৰ মুখৰ ফালে থকা বৰ আম গছজোপা দেখোন লুপ্ত। তাৰ পৰা পাৰি ডাঙৰ পকা আম খোৱা মোৰ এতিয়াও মনত আছে। ভিতৰৰ ফালে সোমাই গৈ দেখিলোঁ পুখুৰীটোৰ নাম্নং নবস্ত্রং নাবাৰিপাত্ৰং অৱস্থা। তাৰ দেখোন জকাটোহে বাকাটোহে বাকী! পুখুৰীৰ পাৰ বেইটা খহি জহি পুখুৰীটো দেখোন পুখুৰী গুচি ডাঙৰ খাল নে ডোং কিবা এটাতহে পৰিণত হবলৈ গ'ল। মোৰ সৰুকালত এই পুখুৰীযেই অশেষ লৰালৰিৰ থল আছিল বুলি আজি মই শপত খাই ক'ব পাৰো নে ? যিটো পুখুৰীত মই শপত খাই ক'ব পাৰো নে। যিটো পুখুৰীত মই সাঁতুৰি, জাপিয়াই খৰ মাৰি বুৰ মাৰি, নাও খেলাই তোলপাৰ লগাই দিছিলোঁ, সেইটো পুখুৰী সঁচাকৈয়ে এইটোৱেই নে ? পাৰৰ তেঁতেলীজোপাই বা গ'ল ক'লৈ ? তামোল গছ আৰু বঠাল গছজোপাক বা কোন অজগৰে গিলিলে ? যি তেঁতেলীজোপাৰ ডালত মই দুপৰীয়া ফাস্তি জুৰি শুই থাকি, আবেলি সেই আৰাম পৰিহাৰ কৰি উঠি তাৰ পৰা জাপ মাৰি পুখুৰীত পৰি নানা বিধ জলক্ৰীড়া কৰিছিলো, সেই তেঁতেলীৰ অন্তৰ্দ্ধান মোৰ পক্ষে নিতান্ত অসহ্য। আমাৰ ঘৰৰ কাষ সাধিম—হেৰা অমুক! হেৰা তমুক! তোমালোকে জানা যদি কোৱাচোন এই পুখুৰীৰ আদাখিনি গা আৱৰি থকা সেই মোৰ মৰমৰ তেঁতেলীজোপা ক'লৈ গ'ল ? এনে বেজাৰ বুকুত লৈয়েই বঙালী পৰিব্ৰাজক কৃষ্ণপ্ৰসন্ন সেনে যমুনা নৈখন দেখি গাইছিল -"যমুনে! এই কি তুমি সেই যমুনা প্ৰবাহিনী!" ইত্যাদি। ইয়াৰ পিছত আমাৰ মাজুককাইদেও ৰায়ছাহাৰ শ্ৰীযুত জগন্নাথ বেজবৰুৱা আৰু তেওঁৰ পুতেক নাতিয়েকহঁতক চাই, তেওঁৰ তাতে অলপ বহি জিৰাই শতাই বাহিৰলৈ আহি চহৰ ঘূৰিবলৈ গ'লোঁ। কিন্তু চহৰৰ যলৈকে যাওঁ, ত'তে আগৰ চিনচাব একো নেদেখোঁ। অৱশ্যে উন্নতিৰ ফলত যে পুৰণি চিন-চাব নাইকিয়া হৈছে নহয় অধোগতিৰ বলতহে। ডিব্ৰুগড়ৰ পৰা আহোঁতে বাটত মই যিবোৰ চিত্ৰ মনত আঁকি আহিলো, সেইবোৰ সোপাই মচ খালে। মোৰ আগত এখন আচহুৱা ডালদৰিদ্ৰ শিৱসাগৰ হাজিৰ হ'লহি। বিৰক্ত হৈ মনৰ ভিতৰতে ক'লোঁ—"ৰেল! হাম এহি শিৱসাগৰ নাহি মাংতা! হামাৰা পুৰণা শিৱসাগৰকু দেখলেও" কোনে মোৰ কথা শুনে! কোনেই বা এই ফপহুৱা হাকিমৰ হুকুম তামিল কৰে॥

আগৰ তৰফৰ মানুহ যাক মই চিনিছিলো জানিছিলো, তাৰ দুজন কি এজনৰ বাহিৰে কোনো নাই। মোৰ মনৰ পটত চিত্ৰিত হৈ থকা শিৱসাগৰক কালৰ অনন্ত কোটী উয়ে খাই ধ্বংস কৰিলে। মোৰ বুকুৰ জপাত সুমাই থোৱা শিৱসাগৰক নিগনি

শলিয়াই কুটি খাণ্ডাং কৰিলে। মোৰ হেঁপাহৰ শিৱসাগৰ বৃন্দাবন পুৰি ছাই হ'ল। সেই প্ৰকাণ্ড ধ্বংসৰ বাতৰি মোক দিবলৈ তাৰ ছাইবোৰহে মোৰ চাৰিওফালে উৰি ফুৰিছে। শ্লোক মনত পৰিল :

যদুপতেঃ ক্কগতা মথুৰাপুৰী।
ৰঘুপতেঃ ক্কগতোত্তৰ কোশল।

যৎপৎ থকা ঠাইলৈ উলটি গ'লোঁ।

ওপৰত উল্লেখ কৰা বিষাদৰ কথাবোৰ আঁতৰাই থৈ কওঁ যে মই শিৱসাগৰ সোমোৱা মুহূৰ্তৰ পৰা মোৰ প্ৰতি শিৱসাগৰৰ মানুহৰ মৰমচেনেহ আদৰ অভ্যৰ্থনাৰ অন্ত নপৰিল। সাহিত্য সভা, বিদ্যাপীঠ, শঙ্কৰ সমিতি প্ৰভৃতি কেইবাখনো সভা-সমিতিত তেওঁলোকে মোক সমাদৰ আৰু মৰম বিতৰণ কৰি ধন্য কৰিছিল। তেওঁলোকৰ আগত মই কৃতাঞ্জলি কৰি কৃতজ্ঞতা জনাবলৈ থিয় হ'লোঁ।

১৫ অক্টোবৰৰ দিনা আমি শিৱসাগৰ পাইছিলোগৈ। ১৭ অক্টোবৰৰ দিনা শিৱসাগৰ এৰি মটৰেৰেই যোৰহাটমুৱা হ'লোঁ। *

অক্টোবৰৰ সোতৰ তাৰিখে যোৰহাট পালোঁগৈ। যোৰহাট পাবলৈ তিনিমাইলমান বাট আছে, এনেতে দেখিলোঁ, সেইফালৰ পৰা খনচেৰেক মটৰগাড়ী আমাৰ ফালে আহিব লাগিছে। অলপৰ পিছতে দেখিলোঁ, যোৰহাটৰ গণ্যমান্যসকলৰ ভিতৰত, মোৰ পুৰণি বন্ধু জনচেৰেক আমাক আগবঢাই নিবলৈ আহিছে। তেওলোকৰ মোৰ প্ৰতি মৰম আৰু আগ্ৰহ দেখি সঁচাকৈয়ে মোৰ চিত্ত আনন্দত গদ্‌গদ্‌ হল। ঈশ্বৰৰ অশেষ কৰুণা যে তেওঁলোকৰ এই নগন্য বন্ধুৰে তেওঁৰ দীঘল প্ৰৱসুৱা জীৱনত কোনো গাহ'ত কাম কৰি তেওঁৰ অসমীয়া ভাই বন্ধুসকলৰ স্নেহ আৰু শ্ৰদ্ধা হেৰুৱা নাছিল সঁচাকৈয়ে অসমৰ ভিতৰলৈ মই যিমান সোমাই গৈছিলোঁ মোৰ স্বদেশী ভাই সকলৰ মোৰ প্ৰতি সৰল সদয় আৰু স্নেহপূৰ্ণ ব্যৱহাৰ দেখি মোৰ বুকুখন দিনকদিনে ডাঠ হৈ গৈছিল।

যোৰহাট ডাকবঙলাত আমি উঠিলোহকগৈ। ডাকবঙলা পোৱা মুহূৰ্ত্তৰ পৰা আমাক লগ ধৰিবলৈ অহা যোৰহাটবাসী ভাই বন্ধুসকলৰ অবিৰাম সোঁত আমি তাত থকা কেইদিন আমাৰ ফালে বৈছিল। পিছ দিনা ওঠৰ তাৰিখে চন্দ্ৰকান্ত সন্দিকৈ হলত বিৰাট সভা পাতি মোক অভ্যৰ্থনা কৰিবৰ আয়োজন কৰা হ'ল। সেই সভালৈ গৈ মই দেখিলোঁ যে মানুহেৰে সভাঘৰ অকল ভৰি পৰিছে এনে নহয়, সভাঘৰৰ বাহিৰতো মানুহে ছাটি পৰিছে। সভাঘৰৰ ভিতৰত মানুহৰ ছাটি পৰিছে। সভা-ঘৰৰ ভিতৰত মানুহৰ যেনেকৈ পয়োভৰ সঙ্গীত বিয়াহ গোৱা ইত্যাদি উৎসৱবো তেনেকৈ পযোভৰ। মই অকলে নিমন্ত্ৰিত হৈ গৈছিলোঁ। মোৰ সহধৰ্ম্মিনী, জীহঁত আৰু জোঁৱাই নিমন্ত্ৰিত হোৱা নাছিল। কিয় ক'ব নোৱাৰোঁ। সভাত বৰধলৰ নিচিনা সেই আনন্দোৎসৱ দেখি, তাৰ ভাগ মোৰ সহধৰ্ম্মিনী আৰু জী-জোঁৱায়ে

---

* বাঁহী—২০ বছৰ, ৮ম সংখ্যা, বহাগ ১৮৫২ শক। অ হা

নোপোৱাত মোৰ মন অলপ ক্ষুন্ন হৈছিল আৰু সেই কথা মই উদ্যোগ কৰ্ত্তাসকলক জনাইছিলো। বোধকৰোঁ তেওঁলোকৰ পাহৰণি নাইবা মতামানুহেবে সৈতে তিৰোতা-সকল একে সভাতে নবহা কিবা নিয়মৰ নিমিত্তে কিজানি তেনে হৈছিল। যি হওক সভাৰ কাৰ্য্য অতি আনন্দকল্লোলৰ ভিতৰত সম্পাদিত হৈ গ'ল। বদন বৰফুকনৰ সম্পৰ্কে এটা গীত শ্ৰীযুত শশীচন্দ্ৰ বৰবৰুৱাকে প্ৰমুখ্য কৰি জনচেৰেক ডেকাই বিধাহ গোৱাৰ গঢেৰে গাইছিল। বস্তুটি অতি উপাদেয় হৈছিল। পাহৰণিৰ দৌৰাত্ম্য মোৰ ওপৰত অতি ভীষণ। সেই গীত বা কৱিতাটোৰ ৰচনাৰ কথাবোৰ মোৰ চিনাকি চিনাকি যেন লাগিছিল অথচ কোনো পধ্যে মনত পেলাব নোৱাৰিছিলো, আগেয়ে ক'ত শুনিছিলো। সভা ভাগিযোৱাৰ পিছত যেতিয়া শ্ৰীযুত শশীন্দ্ৰ বৰবৰুৱাক তেওঁ-লোকৰ গীত-নৃত্য আৰু অভিনয়ৰ উৎকৰ্ষৰ বিষয়ে কৈ মই তেওঁক সেই গীতটো কাৰ দ্বাৰা ৰচিত বুলি সুধিলোঁ, তেওঁ ক'লে যে সেইটো হেনো মোৰ ৰচনা! মই অবাক হলোঁ। তেতিয়াহে মোৰ মনত পৰিল যে কথাটো হয়। কিন্তু এই লেখকৰ প্ৰতি পাহৰণিৰ কি পেংলাই!

১৯ অক্টোবৰত সেই চন্দ্ৰকান্ত হলতে ৰাজহুৱা চাহ-জলপানৰ আয়োজন বুজন-কৈযে হৈছিল। সেই দিনা অৱশ্যে মোৰ সহধৰ্ম্মিনী আৰু জী-জোঁৱাইহঁতো নিমন্ত্ৰিত হৈ গৈছিল। সেই দিনাও যোৰহাট বাসীৰ আনন্দ আৰু মোলৈ শ্ৰদ্ধা তেওঁ-লোকৰ সঙ্গীত, অভিনয় আৰু বক্তৃতাদিত সৰ্ব্বতোভাৱে পৰিস্ফুট হৈ প্ৰকাশ পাইছিল। সঙ্গীতজ্ঞ বন্ধুবৰ শ্ৰীযুত কীৰ্ত্তিনাথ বৰদলৈয়ে আগদিনাৰ দৰে অসমীয়া পুৰণি ৰাগ-ৰাগিণীক প্ৰতিমূৰ্ত্তি প্ৰদান কৰি তেওঁৰ ছাত্ৰীসকলৰ দ্বাৰাই গোৱাই আমাক মুগ্ধ কৰিছিল। ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা যেন তেওঁক দীঘজীৱী কৰি ৰাখি অসমীয়া পুৰণি গীত-মাতক আৰু সজীৱ কৰি তুলিব পৰা কৰে। অসমত প্ৰচলিত পুৰণি ৰাগ-ৰাগিণীৰে সৈতে অসমীয়া সঙ্গীত পুনৰ্জ্জীৱিত হৈ উঠাটো দেখি গ'লে মোৰ জীৱন ধন্য হ'ব বুলি মই নিশ্চয়কৈ ভাবোঁ। কুৰি অক্টোবৰৰ দিনা বেজবৰুৱা হাই-স্কুল'ৰ ছাত্ৰ আৰু শিক্ষকসকলৰ অভ্যৰ্থনা, অভিনন্দন ইত্যাদি মহোৎসৱৰ বৰষুণেৰে সৈতে প্ৰকৃতিয়ে বৰষা বৰষুণকো আমি শিৰোধাৰ্য্য কৰিলোঁ। দুটাৰ অতিশয্যাত আমাৰ অন্তৰ বাহিৰ অভিষিক্ত হৈ পৰিছিল। কিন্তু প্ৰকৃতিৰটো যেই কিবা নহওঁক ছাত্ৰৰ আৰু শিক্ষকসকলৰ বৰষুণত মৰম শ্ৰদ্ধা আৰু আন্তৰিকতাৰ জীজুথকা নিমিত্তে প্ৰকৃতিৰ নিষ্ঠুৰ বৰষুণতো আমি সেঙেতা লগা নাছিলোঁ। বাহিৰৰ ধাৰাসাৰ বৰষুণৰ যেতিয়া ওৰ পৰিল, ভিতৰত বৰষুণত তপত হৈ থকা আমি বাহিৰলৈ ওলাই প্ৰকৃতিৰ উত্তৰ, দক্ষিণ, পূব, পশ্চিম চাৰিওফালে আমাৰ বৃদ্ধাঙ্গুষ্ঠ প্ৰদৰ্শন কৰি আমাক মৰমৰ উমেৰে তপত কৰি থোৱা ছাত্ৰ আৰু শিক্ষক বন্ধুসকলক আমাৰ শলাগ জনাই, বাহিৰত থাকি তিতিবুৰি জুৰুলা হৈ কানীয়াৰ দৰে চকু মুদি থকা মটৰক কদৰ্থনা কৰি তাতে উঠি গোলাঘাটলৈ যাত্ৰা কৰিলোঁ।

গধূলি গোলাঘাট পালোঁগৈ। তাতো গোলাঘাটবাসী বন্ধু-বান্ধৱৰ মহাসমাৰোহ।

গোলাঘাটৰ ডাকবঙলাতে অৱস্থান কৰি, ভতিজা কৃষ্ণনাথৰ ঘৰত নানা বিধ অসমীয়া আঞ্জাৰ সহায়েৰে ভাত উদৰস্থ কৰি তৃপ্তি লভি, তাৰ পিছত ৰাতি গোলাঘটীয়া ডেকা-সকলৰ বঙ্গশালাত অভিনয় দেখি সন্তোষ আৰু পথশ্ৰমৰ ভাগৰ আৰু তাৰ ফল টোপনিক বন্দুক বান্ধি লৈ উলটি আহি শুই থাকি ৰাতিটো পৰমানন্দেৰে কটাই দিলোঁহক।

পিছ দিনা আবেলি গোলাঘাটত পুৰুষ আৰু মহিলাসকলৰ সম্মিলিত সভাৰ অধিবেশন। ফুল বাগিচাৰ মাজত মুকলি আকাশ আৰু মুকলি বতাহৰ বিপুল অথচ মধুৰ মৃদুল সাহায্যত আমি সমবেত ভদ্ৰলোক ভদ্ৰমহিলা আৰু ছাত্ৰসকলৰ মাজত বহি চাহ-পিঠাপনা প্ৰভৃতি সুমিষ্ট আহাৰেৰে সৈতে সুমধুৰ সঙ্গীত আৰু ডেকা আৰু লৰা এটিয়ে লগলাগি কৰা হাস্যৰসপূৰ্ণ ভাও উপভোগ কৰি পুৰুষ মহিলা আৰু ছাত্ৰসকলৰ প্ৰদত্ত অভিনন্দন পত্ৰ গ্ৰহণ কৰি সন্ধ্যা লাগি ভগা সময়ত যোৰহাটলৈ উভতি আহিবৰ নিমিত্তে পুনৰ মটৰাৰোহন কৰিলোঁ। সেইদিনা দীপা-ন্বিতা আছিল। বাটৰ মানুহৰ ঘৰৰ আগত দিয়া নানা ৰকম চাকিৰ ৰিত্তোপন পোহৰ চাই চাই, ৰাতি ন মান বজাত আমি আকৌ যোৰহাট পালোঁহি।

যোৰহাটত সেই দিনা ৰাতি আমাৰ ডেকা বন্ধুসকলে মহা আড়ম্বৰে থিয়েটাৰ পাতি আমাক অতি আগ্ৰহেৰে নিমন্ত্ৰণ কৰিছিল দেখি আমি গোলাঘাটত আৰু নাথাকি তত্‌তৈয়াকৈ সেই ৰাতিয়েই গোলাঘাটৰ পৰা যোৰহাটলৈ উভতি আহিছিলোঁ। মোৰ ভতিজা শ্ৰীমান দেবেন্দ্ৰনাথৰ ঘৰত আমি খাইয়ে ৰাতি এঘাৰমান বজাত থিয়েটাৰ চাবলৈ গলোঁহক। থিয়েটাৰ ঘৰত মানুহ খোন্দ খোৱা। যোৰহাটৰ শীৰ্ষস্থানীয় গণ্যমান্য মানুহৰ পৰা আৰম্ভ কৰি সকলো স্তৰৰ মানুহেৰে সভাঘৰ পৰিপূৰ্ণ। কেইবাটাও বছা বছা দৃশ্যৰ অভিনয় কৰি দেখুৱাই অভিনেতাসকলে দৰ্শকসকলৰ মন মুহি পেলাইছিল। শ্ৰীমান পাৰ্ব্বতী প্ৰসাদ বৰুৱাই নটৰাজৰ নৃত্য দেখুৱাই সঁচাকৈয়ে আমাৰ বিস্ময় আৰু শ্ৰদ্ধা আকৰ্ষণ কৰিছিল। অসমীয়া ডেকা এজনৰ এনে কৃতিত্ব দেখি সঁচাকৈয়ে মই নিজকে গৌৰৱান্বিত বিবেচনা কৰিছিলো আৰু মোৰ সৰ্ব্বান্তঃকৰণে কৈছিলোঁ যে তেওঁলোকৰ বঙ্গদেশত পাৰ্বতি প্ৰাসাদে এই কাৰ্য্যত তেওঁৰ সহধৰ্ম্মিসকলেৰে সৈতে সমানে জোৰ মাৰিব পাৰিব। পাৰ্বতী বোপাক মই অন্তৰেৰে সৈতে আশীৰ্ব্বাদ কৰি সুচাওঁ, অসমৰ ডাঙৰ ডাঙৰ সত্ৰবোৰত, ঘাইকৈ কমলা-বাৰী সত্ৰত পুৰণি কালৰে পৰা প্ৰচলিত Classic চালিনাচ, জুমুৰা নাচকে আদি কৰি নটুৱাৰ নাচবোৰ তেওঁ আয়ত্ত কৰি সেইবোৰ সত্ৰৰ চাৰিবেৰৰ ভিতৰৰ পৰা বাহিৰলৈ আনি অসমীয়া অতুলনীয় নৃত্যকলা জগতবাসীৰ চক্ষুগোচৰ কৰে যেন।

বঙ্গশালত অভিনয় আৰু নৃত্যৰ সামৰণিৰ পিছত দুৰ্ভাগ্যক্ৰমে এটি ঘটনা ঘটিল। অভিনেতা ডেকাসকলে "কৃপাবৰ বৰুৱাৰ ওভতনি" বুলি এটা প্ৰহসন নে কি সেই বঙ্গ-মঞ্চতে আৰম্ভ কৰি দিলে। দৰ্শকসকলে ভাবিছিল আৰু ময়ো ভাবিছিলো যে মোৰ দ্বাৰাই ৰচিত কৃপাবৰ বৰুৱাৰ ওভতনি নাম দি প্ৰহসনৰ নিচিনা কিবা এটা নতুন বস্তু

ৰচনা কৰি তাৰে অভিনয় কৰি আমাক দেখুৱাইছে। তেওঁলোকৰ উদ্দেশ্য যে সজ আৰু আমাক আমোদ দিবলৈকে যে তেওঁলোকে সেই নতুন কৃপাবৰবৰুৱাৰ ওভোতনি চৰ্জ্জন কৰিছিল, তাত মোৰ এধানমানো সন্দেহ নাই। কিন্তু বঙালীযে কোৱাৰ দৰে শিৱ গাঢ়োঁতে বান্দৰ হৈ উঠিল। মই যিমান দূৰ বুজিছো তেওঁলোকে প্ৰথমতোখৰত বোধকৰো কৃপাবৰ বৰুৱাৰ বিপক্ষ দল, এটা সৃষ্টি কৰি সেই দলৰ হতুৱাই কৃপাবৰ ৰচোঁতাৰ গ্লানি গোৱাই তাৰ পিছত গ্লানিকাৰকবোৰক কথাই জোৰাই জোখাই উত্তৰ কৃপাবৰানুৰাগী এদলৰ হতুৱাই দিয়াই চুঙা চাই সোপা দিব খুজিছিল। কিন্তু প্ৰথম দলৰ বাক্যবচন শুনি আৰু সেই অনুযায়ী অভিনয় দেখিযেই দৰ্শকসকলে পিছলৈ বাট নাচাই উত্তেজিত হৈ উঠিল। বাস্তবিকতে তেওঁলোকৰ ভিতৰত প্ৰবল চাঞ্চল্য দেখা দিলে। খন্তেকতে থিয়েটৰঘৰ ইংৰাজীত কবৰ নিচিনা Regular Pandemonium অৰ্থাৎ উচ্ছৃঙ্খলতাৰ স্থান হৈ উঠিল। ফলত সেই প্ৰহসনৰ অভিনয় ততালিকে বন্ধ কৰি দিয়া হ'ল। অভিনেতাসকলৰ অনেকে ৰঙ্গমঞ্চৰ পৰা নামি আহি মোৰ ওচৰত দুখ আৰু অনুশোচনা প্ৰকাশ কৰিবলৈ ধৰিলে। বন্ধুবৰ শ্ৰীযুত পূৰ্ণানন্দ পাঠকে যোৰহাটৰ ভদ্ৰলোকসকলৰ হকে সেই কাৰ্য্যত দুখ প্ৰকাশ কৰি থিয় হৈ কিছু কথা ক'লে। মযো তেওঁলোকৰ অনুশোচনাত সহানুভূতি প্ৰকাশ কৰি কলোঁ যে মই সমূলি বেযা পোৱা নাই, কাৰণ মই বুজিছোঁ যে তেওঁলোকৰ অনিচ্ছাতে কৰবাত কিবা অলপ কেবোণ লগাত এনে হৈ উঠিল। তেওঁলোকে সজ উদ্দেশ্য লৈ তেনেকুৱা কৰিবলৈ গৈছিল। কিন্তু দৈবাক্ৰমে তাৰ ফল বিপৰীত হৈ পৰিল। বাস্তৱিকতে আনন্দৰ এবা গাখীৰ কঁৰীযাত দৈবাৎ গোবৰ পৰি গাখীৰ কঁৰীয়া নষ্ট হ'ল বুলি মই নিশ্চয় বুজিছিলো। তেওঁলোকে ইমান আগ্ৰহকে তেওঁলোকৰ মাজলৈ মোক মাতি আনি যে মোৰ কিবা অপমানজনক কাৰ্য্য কৰিবলৈ যাব, এনেটো ভবাই ভযানক ভুল। তেওঁলোকৰ অনেকক মই ভালকৈ জানো আৰু তেওঁলোকৰ মৰম আৰু শ্ৰদ্ধা মই সদায় পাই আহিছোঁ। এতিযাও কওঁ যে দৰ্শকসকলে প্ৰহসনটোৰ পাছৰছোৱালৈ যদি ধৈৰ্য্য ধৰি অপেক্ষা কৰি থাকিব পাৰিলেহেঁতেন যি হওঁক যোৰহাটৰ আদৰ অভ্যৰ্থনা আমোদ আহ্লাদৰ অন্ত সেই ৰাতিযেই পৰিল আৰু পিছদিনা পুৱাই মোৰ ল'ৰাকালৰ পৰা অন্তৰঙ্গ বন্ধু ৰায বাহাদুৰ শ্ৰীযুত কৃষ্ণকুমাৰ বৰুৱা ডাঙৰীযাৰ ঘৰত অতি আনন্দৰে জা-জলপান খাই আমি শিৱসাগৰলৈ উভতি গলোঁহক।

এইখিনিতে কওঁ যে গোলাঘাটত যদিও আমি ২৪ ঘণ্টাহে আছিলোঁ, তাৰ ভদ্ৰলোক ভদ্ৰমহিলা আৰু ছাত্ৰসকলৰ আতিথ্য আৰু সমাদৰ আমি পাহৰিব নোৱাৰো। আমি গোলাঘাট পোৱা দিনাৰ ৰাতিযেই ডেকাসকলৰ ৰঙ্গশালত 'নৰকাসুৰ' নাটৰ অভিনয় দেখিলো আৰু পিছদিনা আমি উভতি যোৰহাটলৈ বুলি মটৰ গাড়ীত উঠালৈকে তেওঁলোকৰ মৰম শ্ৰদ্ধা আৰু সমাদৰ সাগৰত বুৰি আহিলোঁ। সেই স্মৃতি অতীব সুখকৰ। গোলাঘাটত মোৰ মাতৃদেৱীৰ তিৰোভাব। তাতে মোৰ

অতি চেনেহৰ ককাইদেউ শ্ৰীনাথ তেওঁৰ সহধৰ্ম্মিনী আৰু সন্তানেৰে সৈতে ইনফ্লুয়েঞ্জা ৰোগত পৰি অকালতে ঢুকায়। তাতে তেওঁৰ সুকীৰ্ত্তি "শ্ৰীনাথ বেজবৰুৱা স্কুল" স্থাপিত আৰু তেওঁৰ সৌম্যদৰ্শন পুত্ৰেক শ্ৰীমান কৃষ্ণ নাথৰ দ্বাৰাই পৰিচালিত হৈ আছে। তাতে মোৰ জ্যেষ্ঠ সহোদৰ গোবিন্দ বেজবৰুৱাই প্ৰথমতে ডাঙৰকৈ স্কুল পাতে। ইত্যাদি কাৰণত গোলাঘাট মোৰ পক্ষে তীৰ্থস্থান বুলিযেই হয। অতি সন্তোষৰ কথা যে গোলাঘাটবাসীৰ ডেকাসকলৰ যত্নত আগৰ হাবি-বননিৰে গোকাট যেন দেখা গোলাঘাট আজি সুন্দৰ চহৰ হৈ পৰিছে। সঁচাকৈয়ে গোলাঘাটৰ শ্ৰীবৃদ্ধি দেখি মোৰ বৰ সন্তোষ আৰু সন্তোষৰ কথা যে গোলাঘাটতো ভদ্ৰমহিলাসকল ডিব্ৰুগড়ীয়া ভদ্ৰমহিলাসকলৰ Progressive অৰ্থাৎ ক্ৰমশঃ অগ্ৰগামী।*

---

* বাঁহী—২০শ বছৰ, ২য় সংখ্যা, ১৮৫০শক। অ-হা

## সপ্তম আধ্যা

বাইশ অক্টোবৰৰ দিনা যোৰহাটৰ পৰা উভতি গৈ আকৌ শিৱসাগৰৰ ডাকবঙালাত ঠাই ললোঁগৈ। দেখিলোঁ ডাকবঙলাৰ ভাল খোটবলি দুটা কোনোবা দুজন অধিকাৰ-ভুক্ত হৈ আছে। খানছামাক সুধিলোঁ, সেই খোটালি দুটাত কোন আছে? খানছামাটো অসমীয়া। সি এজনৰ নাম ক'লে—"অৰ ডাক্তৰ,'। আঁচ মাৰি লুপ্ত কৰি দিয়া অসমীয়া শব্দটোৰ ইংৰাজী প্ৰতিশব্দটো Insect। অৱশ্যে এই ইংৰাজী শব্দটোৰ অসমীয়া অনুবাদটোহে নি ব্যৱহাৰ কৰিছিল যাক মই অসম এৰি আহিবৰে পৰা আজি দুকুৰি বছৰ শুনা নাছিলোঁ, মাথোন হেমকোষত হে নিবাস কৰা দেখিছিলোঁ। হঠাৎ আজি মই সেই শব্দটো ডাকবঙালাৰ লগুৱাৰ মুখত ওলোৱা শুনি স্তম্ভিত হ'লোঁ। ভাবিলোঁ, সি সেই ভদ্ৰলোকজনক উপলুঙা কৰি তেনেকৈ কৈছে নেকি? তাৰ পিছত তাক ভালকৈ সেই মানুহজনৰ কাম-কাজৰ আঁত-গুৰি সুধিহে বুজিব পাৰিলোঁ, সি কি কৈছে। যি হওক, এই প্ৰবন্ধ পঢ়োতাসকলে মোৰ এইষাৰ শ্লীলতাবৰ্জিত কথাৰ ইঙ্গিতৰ নিমিত্তে মোক ক্ষমা কৰিব। সত্য ঘটনা লিপিবদ্ধ কৰিবলৈ গৈহে মই এই ফেচাজগৰ লগাইছোঁ। "ইঙ্গিতং হৃদগতো ভাৰো বহিৰা কাৰ আকৃতি ঃ" যদিও সি মোৰ আচল হৃদগত ভাব নহয়।

আবেলি শিৱসাগৰৰ মহিলা সমিতিৰ সভালৈ যাবলৈ নিমন্ত্ৰন আহিল। তাৰ পিছত ছাত্ৰসকলৰ সভালৈ। সভা সমিতিয়ে মোক আমুৱাই পেলাইছিল। কিন্তু কি কৰোঁ,—মোৰ দেশৰ আই, বাই, ভনী, জী, নাতিনীসকলৰ আহ্বান আৰু পঢ়াশালিৰ ছাত্ৰসকলৰ আমন্ত্ৰণ অগ্ৰাহ্য কৰাটো অসম্ভৱ। সভালৈ গৈ দেখিলো বিৰাট আয়োজন। সভাঘৰ সজাই পৰাই ৰমক-জমককৈ ৰখা হৈছে আৰু পুৰুষ মহিলা-সকলেৰে সভাঘৰ ভৰি পৰিছে। যোৰহাটত মহিলা বিবৰ্জিত (যদিও পুৰুষৰ লেখ কম আছিল) এই মহিলা বিপুল সভাত বিৰাট সমাৰোহ দেখি সন্তোষ লভিলোঁ। স্নেহস্পদ শ্ৰীযুত কুলধৰ চলিহা সভাপতিৰ আসনত। উমান পাই আহিছোঁ, তেওঁ আৰু তেওঁৰ সুযোগ্য ভ্ৰাতা শ্ৰীযুত পদ্মধৰ চলিহা সদায় মোৰ পক্ষপাতী। গতিকে সভাপতিৰ মুখৰ পৰা ওলোৱা মোৰ বিষয়ে যি কেইষাৰ মৰম সনা কথা সুধিলো, সেই কেইষাৰ গুণিলো আৰু কিজানি অতিৰঞ্জিতেই, ইয়াকে ভাবি পাহৰিব নোৱাৰিলো। যি হওক, যি হওক, কিন্তু মোৰ মৰমৰ শিৱসাগৰৰ আইসকলৰ অভ্যৰ্থনা অভিনন্দন আদি আজি মই ক'ত লওঁ, ক'ত থওঁ? তেওঁলোকে আগ্ৰহ কৰি দিয়া অভিনন্দন পত্ৰৰ উত্তৰ স্বৰূপে আৱাৰচেৰেক কিবা কিবি ক লোঁ। কলোঁ নুবুলি, লেবলেবালো বুলিয়েই কিজানি ঠিক হয়। সম্ভৱতঃ মোৰ কথাবোৰে তেওঁ-লোকক আমনি লগাইছিল। যি হওক শিৱসাগৰীয়া আইসকলে জানি থব যে তেওঁ-লোকৰ আদৰ অভ্যৰ্থনাত মই ইমান অভিভূত হৈ পৰিছিলোঁ যে বুঢ়া চকুযোৰ খৰালি চেঁচেঁৰা পৰা সুঁতিৰ নিচিনা দেখিহে, নতুবা তাৰপৰা আনন্দাশ্ৰুৰ ধল বৈ অহা

তেওঁলোকে দেখিলেহেঁতেন। সভাত সৰু ল'ৰা-ছোৱালী অভিনয় আচল অসমীয়া সুৰেৰে ছোৱালীবিলাকৰ নাম, সঙ্গীত যি হৈছিল, সেইবোৰেও মোক নথৈ সন্তোষ দিছিল। শিক্ষিতা কম বয়সীয়া মহিলা এজনাই সুন্দৰ কবিতা এটি ৰচনা কৰি, ভালকৈ লেখি, লেখাখনত আজিকালি বন্ধোৱা ছবিৰ দৰে কাচ আৰু বাও দি, পাট মোক উপহাৰ দিছিল। সেই মহিলাটিয়ে আগৰ সভা এখনতো তেনেকৈয়ে তেওঁৰ ৰচিত কবিতা এটি মোক দিছিল। দুইটি কবিতাৰ ৰচনা সুন্দৰ। অসমীয়া কম বয়সীয়া মহিলা এজনাই এনে কবিতা ৰচনা কৰিব পৰা ক্ষমতা দেখি মই সন্তোষ পাইছিলো। দুইটি কবিতা আদৰেৰে মই মোৰ ঘৰৰ বেৰত আঁৰি থৈছোঁ। মহিলাজনাৰ নাম শ্ৰীমতী গোলাপলতা দাসী আৰু তেওঁ মহিলা সমিতিৰ সভ্যা।

মহিলাসকলৰ সভা ভঙ্গ হোৱাৰ পিছত তাতে ছাত্ৰসকলৰ সভা জয়মতী নাটৰ পৰা দুটা এটা দৃশ্যৰ অভিনয, বেৰিষ্টাৰ তাৰাপ্ৰসাদ চলিহৰৈ ঘৰৰ সৰু ল'ৰাটিযে সুস্বৰেৰে গোৱা বৰগীত ইত্যাদিৰে সেই সভা মনোৰম হে পাৰিছিল। তেওঁলোকৰ অভিনন্দন পত্ৰৰ উত্তৰতো মই আযাৰ চেৰেক ক'বলগীযাত পৰিছিলো। মোৰ দেশৰ আশাৰ স্থল উঠি অহা ছাত্ৰসকলৰ মঙ্গলৰ নিমিত্তে ঈশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰি শিৱসাগৰৰ আনন্দ উৎসৱৰ সমাপতিত উপস্থিত হ'লোঁ। পিছদিনা আবেলি মটৰেৰেই আমি ডিব্ৰুগৈ উভতি গুচি আহিলোঁ।

চৌবিশ আৰু পঁচিশ অক্টোবৰ ডিব্ৰুগৰতে কটাই, চাব্বিশ অক্টোবৰত পুৱাই, তিনিচুকীযাৰ ৰাইজৰ নিমন্ত্ৰণ ৰক্ষা কৰিবৰ নিমিত্তে তিনিচুকীযালৈ গ'লোঁ। তিনিচুকীযাত শ্ৰীযুত সোমেশ্বৰ বৰুৱাকে প্ৰমুখ্য কৰি গণ্যমান্য ভদ্ৰলোকসকলৰ সমাদৰ লভি আবেলি বেলিকা মোৰ পৰম বন্ধু শ্ৰদ্ধাস্পদ শ্ৰীযুত ৰজনীকান্ত বৰদলৈ ডাঙৰীযাৰ সভাপতিত্বত, পুৰুষ আৰু মহিলাৰ সম্মিলিত সভাত উপস্থিত হৈ, ডেকা সকলৰ অভিনয আৰু সৰু সৰু ছোৱালীবোৰৰ সঙ্গীত আৰু অভিবাদন মহিলা আৰু পুৰুষসকলৰ সুকীয়া সুকীয়া অভিনন্দন পত্ৰ গ্ৰহণ কৰি সকলোকে মোৰ কৃতজ্ঞতা জ্ঞাপন কৰি সেই ৰাতিযেই ডিব্ৰুগড়লৈ উভতি আহিলো। তিনিচুকীয়াৰ সেই সভাৰ ৰঙ্গমঞ্চত ডেকাজনচেৰেকে জয়মতী নাটৰ পৰা দুটা দৃশ্য এনেকৈ অভিনয কৰি দেখুৱাইছিল যে তাৰ তেনে সৰ্ব্বাঙ্গসুন্দৰ অভিনয মই আগেয়ে ক'তো দেখা নাছিলোঁ অতি হৰ্ষ চিত্তেৰে মই তেওঁলোকৰ সেই সুন্দৰ অভিনয় উপভোগ কৰিলোঁ।

সাতাইশ অক্টোবৰত ডিব্ৰুগৰীযা বন্ধু-বান্ধৱসকলৰ পৰা বেজাৰ মনেৰে বিদায লৈ, ৰাতি ৰেলত উঠি গুৱাহাটীৰ ফালে যাত্ৰা কৰিলোঁ। আঠাইশ অক্টোবৰ সন্ধ্যা বেলিকা গুৱাহাটী পাই, আকৌ আৰ্ল ল কলেজৰ প্ৰিঞ্চিপেল স্নেহাস্পদ জ্ঞানদাভিৰাম বৰুৱাৰ ঘৰত আলহী হ'লো। ঘোৰা দৌৰৰ ঘুৰণীয়া চকৰৰ য'ৰ পৰা ছুটি মেলিছিলোঁ মেলিছিলোঁ, আকৌ সেইখিনিকে পালোহি। "জ্ঞান বোপা" আৰু "মাজিৰে" ভাগৰি অহা ঘোৰাক 'ঠাণ্ডা কৰি তহলাই আনি যতন কৰি "দানা পানী" খাবলৈ দিলে। আকৌ গুৱাহাটীত সভা সমিতি উদ্যোগ হ'ল। ২৯ তাৰিখে আৰ্ল ল কলেজৰ ছাত্ৰসকলে আৰম্ভ কৰি সভা পাতি এই লেখকক অভিনন্দন পত্ৰ প্ৰদান কৰি

সম্মানিত কৰিলে। সেই সভাপতি হৈছিল মোৰ পুৰণি বন্ধু শ্ৰদ্ধাস্পদ মন্ত্ৰী ৰায বাহাদুৰ শ্ৰীযুত কনকলাল বৰুৱা ডাঙৰীযা। নগৰৰ অনেক গণ্যমান্য মানুহ সভাত উপস্থিত আছিল। কিন্তু হায! মোৰ "মিতা" শ্ৰদ্ধাস্পদ লক্ষ্মীপ্ৰসাদ বৰুৱা বিশিষ্ট বন্ধু প্ৰত্নতত্ত্বজ্ঞ পণ্ডিত হেমচন্দ্ৰ গোসাঁই, অমাযিক মিষ্টভাষী সুবিখ্যাত সাহিত্যিক সত্যনাথ বৰা ক'ত! আজি যাক সমাদৰ দেখুৱাবৰ অৰ্থে গুৱাহাটীত সভা বহিছে, তেওঁলোক এই পুৰীত থকাহেঁতেন নিশ্চয বিশিষ্ট সমজুৱাসকলৰ ভিতৰত তেওঁলোকৰ প্ৰসন্ন মুখ তেওঁ দেখিবলৈ পালেহেঁতেন। সভাত অসমীযা সঙ্গীত, বৰগীত, আবৃত্তি বক্তৃতা, প্ৰভৃতি যথাৰীতি চলি সকলোৰে আনন্দ বৰ্দ্ধন কৰিছিল। কনকলাল বৰুৱা ডাঙৰীযাব সুন্দৰ সাৰুৱা বক্তৃতাই সকলোকে সন্তোষ প্ৰদান কৰিছিল। উত্তৰত মই অনেক বছৰৰ মূৰত মোৰ মাতৃভূমি অসম দেখি, নানা বিষয়ত মোৰ কেনে লাগিছিল, তাৰ বিষযে অলপ অচৰপকৈ সভাৰ উদ্যোগীকসকললৈ শলাগৰ শৰাই আগবঢ়াই সেই দিনাৰ কাৰ্য্য সুসাঙ্গ কৰিলোঁ।

পিছদিনা ৩০ অক্টোবৰ তাৰিখে মোৰ কলিকতালৈ উভতি যাবৰ কথা। পুৱা আল ল কলেজৰ ছাত্ৰসকলে আমাৰ ছবি তুলিলে। জন্ম পাতি থকা ছবি। গুৱাহাটীৰ গৱৰ্ণমেণ্ট স্কুলৰ ছাত্ৰসকলৰ বিশেষ অনুৰোধত আবেলি তেওঁলোকৰ সভালৈ গ'লো। ছাত্ৰ আৰু শিক্ষক সকলৰ আদৰ অভ্যৰ্থনাত বিশেষ সন্তোষ লাভ কৰি তেওঁলোকক মোৰ শলাগ জনাই, বক্তৃতাৰ গঢ়েৰে আষাৰচেৰেক কৈ, তেওঁলোকৰ ওচৰত মেলানি মাগি থকা ঠাইলৈ উভতি আহি অলপ আহাৰ কৰি মটৰেৰে পাণ্ডুলৈ গৈ পাৰ হৈ ৰেলত উঠিলোগৈ। মোৰ মনত এটি বিষাদ ৰ'ল। সোণাৰাম হাইস্কুলৰ ছাত্ৰ আৰু শিক্ষকসকলে বৰ আগ্ৰহ কৰি তালৈ যাবলৈ মোক মাতিছিল। কিন্তু সেইদিনাই ওপৰত কৈ অহা কাৰ্য্যবোৰ সমাপন কৰি উভতি যাবলৈ ৰেল ধৰিব লগীযা হোৱাত সময়ৰ নাটনিত পৰি, তেওঁলোকক বিমুখ কৰিবলৈ বাধ্য হলোঁ দেখি মই মনত নথৈ বেজাৰ পাইছিলো। আশাকৰো মোৰ অৱস্থাটো বুজি তেওঁলোকে মোক ক্ষমা কৰিছে।

ছাত্ৰসকলৰ সভাত এটি অতি কম বয়সীয়া লৰাই (শিশু বুলিলেই হয) হাৰ্ম্মনিয়ামৰ সহায়ত সুন্দৰকৈ এটি গান গাইছিল। মই মুগ্ধ হৈ আসনৰ পৰা উঠি সভাতে ল'ৰাটিৰ গালত এটি চুমা খালোগৈ। তাহানি কলিকতাত "মাষ্টৰ মদন" বোলা তেনেকুৱা গান গোৱা ল'ৰা এটিৰ গান শুনিছিলোঁ। আজি অসমীয় "মাষ্টৰ মদনক" দেখি বৰ সন্তোষ পালোঁ।

মুঠতে এইবাৰ মাতৃমুখ দৰ্শন কৰি মোৰ অশেষ অপৰাধৰ নিমিত্তে মই মাতৃৰ চৰণত পৰি ক্ষমা মাগি, তেওঁৰ আশীৰ্বাদ শিৰত লৈ, কিছুকালৰ নিমিত্তে আকৌ মাতৃভূমি পৰিত্যাগ কৰি, বিদেশত থকা মোৰ কাৰ্য্যক্ষেত্ৰলৈ উভতিলোঁ। ভালেখিনি পৰলৈকে ৰেলগাড়ীত মোৰ মনটো বিষাদৰ ডাৱৰে ওন্দোলাই থৈছিল।

* * *